THE LIBRARY OF CONGRESS

Bible. N. T. Assamese. 1820.

THE

# HOLY BIBLE,

CONTAINING

## *THE OLD AND NEW TESTAMENTS,*

TRANSLATED

FROM THE ORIGINALS

INTO

## THE ASSAM LANGUAGE.

---

BY THE SERAMPORE MISSIONARIES.

---

VOL. V.

*Containing the New Testament.*

Serampore:

PRINTED AT THE MISSION PRESS,

1820.

BS315
A85
LIBRARY OF CONGRESS,
CITY OF WASHINGTON.

ঈশ্বৰৰ্‌ সৰ্ব্ব বাক্য।

বিশেষত্‌ মানুহৰ্‌ তৰণৰে আৰু কাৰ্য্য সাধিলৰে অৰ্থে

ঈশ্বৰে যিহক্‌ প্ৰৌচিক্‌ কৰিছে।

সেয়েই

# ধৰ্ম্মপুস্তক

তাৰে অন্তভাগ্‌

সেয়ে আমাৰ্‌ প্ৰভুৰ্‌ আৰু তৰণ্‌ কৰোঁতা যিশু খ্ৰীষ্টৰ্‌

শুভবাৰ্ত্তা।

গ্ৰীক ভাষাৰ্‌পৰা তৰ্জ্জমা হল্‌।

শ্ৰীৰামপুৰৎ ছাপ্‌ মাৰিলে।

ইংৰাজী ১৮১৩ শক্‌।

LIBRARY OF CONGRESS
CITY OF WASHINGTON.

# নির্ঘন্টন।—

শুভবার্ত্তা মাত্তিওভনিতা।—
শুভবার্ত্তা মার্ক্কভনিতা।—
শুভবার্ত্তা লূকভনিতা।—
শুভবার্ত্তা য়োহনভনিতা।—

য়িশু খ্রীষ্টর্ জনম্ আরু কালক্ষেপন, আরু আশ্চর্য্য কর্ম্ম আরু মরণ, আরু পুনরুৎথান্ এহি চারি কেতাবত এয়ে লিখা আছে।—

## পাঁচনী সকলর্ কর্ম্ম।—

য়িশুখ্রীষ্টর্ ভকতসকলে শুভবার্ত্তা কেনেকৈ প্রৌচার্ করিলে আরু পৃথিবীর্ চারি ভাগত যগুলি করিলে সেয়ে এই কেতাবত লিখা আছে।—

পাওল্ পাঁচনীর কাকত রুমস্থহঁতলৈ।—
পাওলর্ প্রথম্ কাকত করিন্থীহঁতলৈ।—
পাওলর্ কাকত গালাতীহঁতলৈ।—
পাওলর্ কাকত এফেসীহঁতলৈ।—
পাওলর্ কাকত ফিলিপীহঁতলৈ।—

পাওলৰ্ কাকৎ কলসাইঁতলৈ—
পাওলৰ্ প্ৰথম্ কাকৎ তসলোনীকস্থইঁতলৈ—
পাওলৰ্ দ্বিতীয় কাকৎ তসলোনীকস্থইঁতলৈ
পাওলৰ্ প্ৰথম্ কাকৎ টিমোতিলৈ
পাওলৰ্ দ্বিতীয় কাকৎ তিমোতিলৈ
পাওলৰ্ কাকৎ টিটসলৈ
পাওলৰ্ কাকৎ ফিলমনলৈ
পাওলৰ্ কাকৎ এব্ৰিইঁতলৈ
যাকোবৰ্ সকলেখানলৈ কাকৎ
পিতৰৰ্ প্ৰথম্ সকলেখানলৈ কাকৎ
পিতৰৰ্ দ্বিতীয় সকলেখানলৈ
যোহনৰ্ প্ৰথম্ সকলেখানলৈ
যোহনৰ্ দ্বিতীয় কাকৎ
যিহুদাৰ্ সকলেখানলৈ কাকৎ

লোকসবৰ্ বিশ্বাস্ আৰু আশা আৰু এটাই কৰ্ম্ম থিৰ্ কৰা আৰু একো একো জনক্ কৰিবলগা দেখুৱাবলৈ এই একইশ্ কাকৎ মণ্ডলিসকললৈ লিখা হৈছিল্।—

শুভ বাৰ্ত্তা কঁওতা যোহনৰ্ তৎ যেয়ে প্ৰৌচিক্ হই ছিল্।—

খ্ৰীষ্টৰ্ যিআজ্ঞা আসিয়াৰ্ সাৎ মণ্ডলিলৈ সেয়ে এই শেহ কেতাবৰ্ প্ৰথম্ ভাগৎ আৰু পৃথিবীৰ্ শেহ্ লৈকে মণ্ডলিৰ্ যিং হব সেয়ে শেহ্ ভাগৎ আছে।—

## নাযোচ্চাৰণৰ বৰ্ণ বিচাৰ।—

যি কোনো স্বৰবৰ্নৰ্ তলৎ যেদি ফুট্ থাকে তেবে সেই বৰ্নৎ আৰবিৰ্ ع নিচিনাকৈ উচ্চাৰণ হ্বব।

য় যৰ্ তলৎ যেদি ফুট্ থাকে তেবে ض উচ্চাৰণ হ্বব।

স় সৰ্ তলৎ যেদি ফুট্ তেবে ص নিচিনা।

ক় কৰ্ তলৎ যেদি তেবে ق নিচিনা।

যত্তে প্ৰশ্ন তত্তে এনেকুৱা চিন্।

মূলৎ যি কোনো চিন্ থাকে সেয়ে টীকাৎ মূলৰ নিশ্চয়ৰ্ কাৰোণে দিয়া হ্বব।

# শুভবাৰ্ত্তা মাত্তিওভনিতা।—

## প্ৰথম্ পৰ্ব্ব।—

আবৰহামৰ্ সন্ততি দাওদৰ্ সন্ততি য়িশু খ্ৰীষ্টৰ পূৰ্ব্ব
পুৰুষৰ্ এহি পুথি।—
২ আবৰহামে য়িস্হক্ উপজালে আৰু য়িস্হকে যআক্
৩ বক্ উপজালে আৰু যআক্ববে য়িহুদাই তেঁওৰ্ ভায়েক্
হঁতকে উপজালে আৰু য়িহুদাহে ফাৰসকে জৰহ্কে
তমৰৰ্ গৰ্ভৎ উপজালে আৰু ফাৰসে য়স্ৰোণক্ উপ
৪ জালে আৰু য়স্ৰোণে ৰামক্ উপজালে আৰু ৰামে
আম্মিনদাবক্ উপজালে আৰু আম্মিনদাবে নহসোনক্ উপ
৫ জালে নহসোনে শলমাক্ উপজালে আৰু শলমায় বোআ
৬ জক্ ৰাহবৰ্ গৰ্ভৎ উপজালে আৰু বোআজে ওবেদক্
ৰূতৰ্ গৰ্ভৎ উপজালে আৰু ওবেদে য়িশিক্ উপজালে
য়িশিএ দাওদৰজাক্ উপজালে আৰু আওৰিয়াহৰ্
যি ভাৰ্য্যা আছিল্ তাইৰ্ গৰ্ভৎ দাওদৰজায় শলমনক্
৭ উপজালে আৰু শলমনে ৰেহবআমক্ উপজালে আৰু
ৰেহবআমে আবিয়াহক্ উপজালে আৰু আবিয়াহে আ
৮ সাক্ উপজালে আৰু আসায় য়িহোশাফাটক্ উপজালে
আৰু য়িহোশাফাটে য়োৰামক্ উপজালে আৰু য়োৰামে
৯ উজিয়াহক্ উপজালে আৰু উজিয়াহে য়োতামক্ উপজালে

আৰু য়োতামে আখাজক্ ওপজালে আৰু আখাজে য়ুজ
১০ কিয়াহক্ ওপজালে আৰু য়ুজকিয়াহে মনশেহক্ ওপ
জালে আৰু মনশেহে আমোনক্ ওপজালে আৰু আ
১১ মোনে য়োশিয়াহক্ ওপজালে আৰু য়োশিয়াহে য়াকিমক্
ওপজালে। যি কালত সিবিলাকক্ বাবেললৈ লৈ গল্
সেই কালত য়াকিমে য়িকোনিয়াহক্ তেওঁৰ্ ভায়েক্ইঁতকে
১২ ওপজালে। সিবিলাক্ বাবেলত ৰোৱাৰ্ পাচে য়িকোনি
য়াহে শলতিএলক্ ওপজালে আৰু শলতিএলে জাৰুবাবে
১৩ লক্ ওপজালে আৰু জাৰুবাবেলে আবিওদক্ ওপজালে
আৰু আবিওদে এলিয়াকিমক্ ওপজালে এলিয়াকিমে
১৪ আজুৰক্ ওপজালে আৰু আজুৰে সাদোকক্ ওপজালে
আৰু সাদোকে আকিমক্ ওপজালে আৰু আকিমে এলিও
১৫ দক্ ওপজালে আৰু এলিওদে এলিএজৰক্ ওপজালে আৰু
এলিএজৰে মত্তনক্ ওপজালে আৰু মত্তনে যআকুবক্ ওপ
১৬ জালে আৰু যআকুবে যুসফক্ ওপজালে তেওঁ মাৰিয়াৰ্
স্বামী যাৰ্ গৰ্ভত য়িশু ওপজিল্ যাকে বোলে খ্ৰীষ্ট।—
১৭ এই হেতুক্ আব্ৰহামৰেপৰা দাওদলৈকে এটায়ে
চৈধ্য পুৰুষ্ আৰু দাওদৰেপৰা বাবেললৈ যোৱালৈকে
চৈধ্য পুৰুষ্ আৰু বাবেললৈ যোৱাৰেপৰা খ্ৰীষ্টলৈকে
চৈধ্য পুৰুষ্।—
১৮ য়িশু খ্ৰীষ্টৰ্ জনম্ এনে আছিল্। তেওঁৰ্ মাক্ মাৰিয়া
যুসফলৈ বাগ্দত্তা হলত সিবিলাকৰ্ সংসৰ্গৰ্ আগেই
১৯ তেওঁক্ ধৰ্ম্মাত্মাৰ্পৰা গৰ্ভৱতী বুলি জানিলে। তেওঁৰ্ স্বামী
যুসফে পৰমাৰ্থিক্ মানুহ হই আৰু সদৰি কৰি তেওঁক্
অপযশী কৰিব নু খুজি তেওঁক্ গুপুতে তিয়াগিবলৈ মন্

২০ কৰিলে। কিন্তু দেখা ঔয়াত্তে চিন্তা কৰোঁত্তেই ঈশ্বৰৰ্
দূত্তে সপোনৎ দৰিশন্ দিলে আৰু হুঁলিলে হেৰা দাঊদৰ্
সন্ততি যুসফ্ তোমাৰ্ ভাৰ্য্যা মৰিয়াক্ গ্ৰহণ কৰিবলৈ
ডৰুক্ ন কৰা কিয়নো যেযে তাইৰ্ গৰ্ভৎ আচে সেয়ে
২১ ধৰ্ম্মাত্মাৰ্ পৰা। তাইও পুত্ৰ প্ৰসৱ কৰব আৰু তেঁওৰ্
নাম তুমি য়িশু থবা কিয়নো তেঁওৰ্ মনুষ্যহঁতক্ সিহঁতৰ্
২২ পাপৰ্পৰা তেঁও ওদ্ধাৰ্ কৰিব। দেখা এজনী ছোৱালী
গৰ্ভৱতী হই পুত্ৰ প্ৰসৱ কৰ্ব আৰু তেঁওৰ্ নাম্
সিহঁতে আমনুএল থব অৰ্থাৎ প্ৰভু আমাৰ্ লগৎ
২৩ ঈশ্বৰৰ্ যি এই বাক্য আচাৰ্য্যৰ্ দোৱাৰা ওক্ত
কৰিছিল্ সেই বাক্য পূৰ্ হবলৈ এইবিলাক্ হল্। টো
২৪ য়াৰ্ পাচে যুসফ্ টোপনিৰ্ পৰা ওঠি যেনেকৈ ঈশ্বৰৰ্
দূতে তেঁওক্ আদেশ কৰিছিল্ তাৰ্ নিচিনা কৰি আপো
২৫ নাৰ্ ঘৰিণীয়েকক্ গ্ৰহণ্ কৰিলে কিন্তু তেঁওৰ্ প্ৰথম্ পু
তেক্ প্ৰসৱৰ্ আগেই তাইক্ চিৰোতা গিয়ান্ ন কৰিলে
তাৰ্ পাচে তেঁওৰ্ নাম্ য়িশু থলে।—

পৰ্ব্ব হেৰোদ ৰজাৰ্ দিনৎ যেতিয়া য়িহুদাহৰ্ বৈতলেহেমৎ
২ য়িশুৰ্ জনম্ হইছিল্ সেই কালৎ দেখা পূৰ্ব্বৰ্ ফালৰ্
১ পৰা য়িৰোশলমলৈ পণ্ডিৎহঁতে আহি হুঁলিলে। য়িহু
দাইঁতৰ্ ৰজা যি জন্ ওপজিছে তেঁও কৎ কিয়নো
পূৰ্ব্বৰ্ দেশৎ তেঁওৰ্ তৰা দেখি আমি তেঁওক্ পূজা কৰি
বলৈ আহিছোঁ।—
৩ হেৰোদ ৰজায় এই কথা শুনি তেঁও আৰু এটাই
৪ য়িৰোশলমৎ থকাহঁতো তেঁৱে সৈতে ওদবিগ্ন হইছিল্।

পাচে এটাই মুখ্য যাজকক আৰু মনুষ্যহঁতৰ অধ্যা
পকক গোটায় খ্রীষ্টৰ্ জনম্ থান্ কৎ হয় সিবিলাকক্ পুচ্
৫ এই কথা সুধিলে। সিবিলাকে কৈলিলে য়িহুদাহ্ দেশৰ্
বৈতলেহেমৎ আচাৰ্য্যৰ্ এনেকুৱা লিখিতা আচে হেৰা
৬ য়িহুদাহ দেশৰ্ বৈতলেহেম্ তুমি য়িহুদাহৰ্ অধিপতি
হঁতৰ্ মাজৎ অতিসৰু নো হোৱা কিয়নো তোমাৰ্ পৰা
এজন্ অধিকাৰ্ ওপজিব যেয়ে আমাৰ্ য়িশ্ৰএল মনুষ্য
৭ হঁতক্ পালিব। তেতিয়া হেৰোদে সেই পণ্ডিৎ হঁতক্
বিশ্বাসে মাতি বেট্ৰিয়া সেই তৰা দেখা গল্ জেয়াকে
৮ ঠাকু কৰি সুধিলে। পাচে সিবিলাকক বৈতলেহেমলৈ
পঠিয়ায় কৈলিলে তোমোলাকে গৈ প্ৰবন্ধ কৰি লৰাক্ বি
চাৰাগৈ আৰু মযো গৈ তেঁওক্ ভজিবলৈ তেঁওক্ পালে
৯ মোলৈ বতৰা দিয়াহঁগৈ। সিবিলাকে ৰজাৰ্ কথা শুনি গতি
কৰিলে আৰু দেখা যি তৰা সিবিলাকে পূৰ্ব্বৰ্ দেশৎ
দেখিছিল্ সেয়ে লৰাৰ্ স্থানৰ্ ওপৰৎ ওপগত হোৱা
১০ লৈকে সিবিলাকৰ্ আগৎ গল্। সিবিলাকে সেই
১১ তৰা দেখি অত্যন্ত আনন্দিৎ হুই হৰ্ষিৎ মনে আচিল্।
তাৰ্ পাচে ঘৰলৈ গৈ তেঁওৰ্ মাক্ মাৰিয়ায় সৈতে সেই
লৰাক্ দেখিলে আৰু নমস্কাৰ্ কৰি তেঁওক্ ভজিলে।
পাচে সিবিলাকৰ্ বিনৰ্ টোপোলা মেলি তেঁওক্ সুবৰ্ণ
১২ আৰু লবন আৰু গন্ধৰস দিলে। পাচে হেৰোদৰ্
ওলৈ না যাবলৈ আকৌ স্বপ্নৎ আদেশিৎ হুই সিবি
লাকে স্বাপোনাৰ্ দেশলৈ আন্ বাটে দি গল্।—
১৩ সিবিলাক্ গলৎ দেখা ঈশ্বৰৰ্ দূতে স্বপ্নৎ দৰিশন্
দি য়ুসফক্ কৈলিলে উঠা লৰাকে তেঁওৰ্ মাকক লৈ

মিসৰলৈ পলোৱা আৰু তোমালৈ মই বতৰা নিদিয়োঁ
মানলৈকে সেই ঠাইতে থাকাগৈ কিয়নো লৰাৰ্ প্ৰাণ
১৪ নাশ কৰিবলৈ হেৰোদে বিচাৰিব। পাচে তেওঁ উঠি
লৰাকে তেওঁৰ্ মাকেকে ৰাতিএই লৈ মিসৰলৈ গুচি
১৫ গল্ আৰু ঈশ্বৰৰ্ যি কথা আচাৰ্য্যে কলে মিসৰৰ্
পৰা মোহোৰ্ তনয়ক্ মাতিলোঁ এই কথা পূৰ কৰিবলৈ
১৬ হেৰোদৰ্ মৰণলৈকে সেই ঠাইতে থাকিল্। পণ্ডিত
হঁতে তেওঁক হেলন্ কৰিলে হেৰোদে তায়াকে বুজি মহা
ৰাগ উঠি মানুহ পঠায় দুয় বৎসৰিয়া আৰু তাতকৈ
অলপ্ বয়সীয়া যিমান্ লৰা বৈতলেহেমত আৰু তেওঁৰ্
সমস্ত সীমাত আছিল্ যি কাল ত পণ্ডিতহঁতৰ্ থানত
সুযত্ন কৰি সুদিছিল্ সেই কালানুক্ৰমে সেই সবাকে
১৭ বধিলে। ৰামাত এক্ শবদ্ শুনা গল্ হাহাকাৰে
ক্ৰন্দন আৰু বড় ৰোদন ৰাহেলে তেওঁৰ্ সন্তানহঁতলৈ
কান্দি কান্দি নিচুকিব নোখোজে এই কাৰোণে যিৰি
১৮ লাক্ নায় যিৰমিয়াহ্ আচাৰ্য্যৰ দোৱাৰা এই যি কথা
১৯ উক্ত হইছিল্ সেই কথায় তেতিয়া পূৰ হল্।—
কিন্তু হেৰোদ মৰিলত পাচে দেখা স্বপ্নত ঈশ্বৰৰ্ দূতে
২০ মিসৰত যুসফক্ দেখা দি কলিলে উঠা লৰাকে তেওঁৰ্
মাকেকে লৈ যিশ্ৰএল দেশলৈ যোৱা কিয়নো যিবিলাকে
২১ লৰাক্ বধিবলৈ বিচাৰিছিল্ সেইবিলাক্ মৰিল্। তেওঁ
২২ উঠি লৰাকে আৰু তেওঁৰ্ মাকেকে লৈ যিশ্ৰএল্ দেশত
কলগৈ। যিহুদাহ দেশত তেওঁৰ্ বাপেক্ হেৰোদৰ্ ঠাৰে
আৰ্খেলায়সৰ্ ৰিযয়া হল্ এই হেতুকে তাকে শুনি তালৈকে
যাবলৈ তেওঁ ভয়ক্ হল্ কিন্তু স্বপ্নত ঈশ্বৰৰ্ আদেশ

২৩ পায় গালিলি দেশলৈ ওভতি গল্ আৰু যিহকে আচা
র্য্যহ্ দোৱাৰায় কোৱা গল্ তেঁও নাজৰেণ্ হুলি প্ৰখ্যাত
হব সেয়ে পূৰ্ হবলৈ নাজাৰেত্ নামেৰে এক নগৰৎ
ৰসতি কৰিলে।—

পর্ব্ব স্বর্গৰাজ্য সমীপ্ এই হেতুক্ মন্ পালটোৱা এই কথা
৩ কীর্ত্তন্ কৰি কৈ কৈ য়োহন্ ডুবাওতা সেই কালৎ য়িহু
৩ দাহ দেশৰ্ হাবিলৈ আহিল্। য়িশায়াহ্ আচার্য্যৰ্
মুখেঁ যাৰ্ অর্থে এই কথা কোৱা গল্ হাবিৎ ৰিঙ্গিয়ো
ৱা এটাৰ্ এই আৰাৱ য়িহুহৰ্ ৰাট্ যুগুৎ কৰা তেঁওৰ্
৪ ৰাট্ পোন্ কৰা এই তেঁও। সেই য়োহনৰ্ ওটৰ্ নো
মৰ্ কৰহ্ আছিল্ আৰু কঁকালৎ বৰটিৰ্ টঙ্গালি আৰু
৫ তেঁও খায় কচুৱা ফড়িঙ্গ আৰু হাবিৰ্ মৌ। তেতিয়া য়ি
ৰোশলমৰে আৰু য়িহুদাহ্ দেশৰে এটাই মানুহ আৰু
৬ য়ৰদন্ দেশৰ্ ওচৰৰ্ পুজাবিলাক্ তেঁওৰ্ ভলৈ গৈ পাতক্
গাৎলৈ তেঁওৰ্ হতুৱায় য়ৰদনৎ ডুবোৱা হইছিল্।
৭ তালে মান্ ফাৰিশি আৰু শাদুকি মানুহ্ তেঁওৰ্ ডুবলৈ
আহিল্ এই হেতুক্ সিহঁতক্ দেখি তেঁও কুলিলে হেৰৈ
সাপৰ্ বওহ ওদ্দি বলগা খঙৰ্ পৰা পলাবলৈ তহঁতক্
৮ কোনে বুদ্ধি দিচে। এই হেতুক্ মন্ পালটৰ্ ওচিৎ ফল্
৯ দিৰা আৰু আবৰাহাম্ আমাৰ্ গোত্ৰ এই কথা কবলৈ
মন্ ন কৰিবিহঁক্ কিয়নো তহঁতৎ ময় জনাকে কঁও ঈশ্বৰে
এই শিল্ বিলাকৰেপৰা আবৰাহামৰ্ সন্ততি ওপজাব
১০ পাৰে। এতিয়াও কুঠাৰ্ গছৰ্ গুড়িৎ লাগিআচে
এই হেতুক্ যি যি গছে সজ গুটি নে মেলে তাকে কাটি
১১ জুইৎ পেলোৱা যায়। মন্ পালটিবলৈ ময় পানীৎ তহঁতক্

হুঁড় দিয়ঁও কিন্তু যি জন্ মোৰ্ পিছৎ আহিছে তেঁও মোৎ
কৈও পৰাক্ৰমী ময় তেঁওৰ্ পইজাৰ্ ববলৈকো যোগ্য নো
১২ হোঁ তহঁতক্ ধৰ্ম্মাত্মাৎ আৰু জুইৎ তেঁও হুঁড়াব। তেঁও
কুলা হাতৎলৈ আপোনাৰ্ খলা বাদি পেলাব আৰু ধান্
তেঁওৰ্ মেৰৎ চপাব কিন্তু কু কুমৰা জুইৰেঘুলা পুড়িব।
১৩ এই কালৎ যিশু গালিলিৰ্ পৰা যৰদনলৈ য়োহনৰ্
ওচৰলৈ আহিল্ আৰু তেঁওৰ্ হতুৱায় হুঁড়িবলৈ গল্।
১৪ কিন্তু য়োহনে এই কথা কৈ তেঁওক্ হাক্ দিলে বোলে তোমাৰ্
হাতে ময় হুঁড়িবলগা আচে আৰু তুমি মোৰ্ কোষৰলৈ
১৫ আহিছা নে। তাতে যিশুএ সমিধান্ দি তেঁওক্ হুঁলিলে সব
লো ধৰম্ পুৰ কৰিবলৈ আমাৰ্ ওচিৎ কাম্ আচে এই
হেতুক এতিয়া এনে হব দিয়া তেতিয়া তাকে কৰিবলৈ
১৬ তেঁওক্ দিলে। তাৰ্পাচে যিশুএ হুঁড়োৱা হই পানীৰ্ পৰা
ওঠিল্ আৰু দেখা স্বৰ্গদ্বাৰ্ তেঁওৰ দৃষ্টিতে মুকলি হল্
আৰু তেঁও ঈশ্বৰৰ্ আত্মাক্ কপৌৰ্ নিচিনাকৈ পড়ি
১৭ তেঁওৰ্ ওপৰৎ বহিবৰ্ দেখিলে আৰু দেখা স্বৰ্গৰ্ পৰা
এক্ শবদ্ হই হুঁলিলে এই মোহোৰ্ প্ৰিয় পুত্ৰ জৈহাতে
মোহোৰ্ বড় সন্তোষ।—

পৰ্ব্ব তাতপাচে যিশুএ শয়তানৰ্ পৰীক্ষা পাবলৈ আত্মাৰে
৪ আকৰ্ষিৎ হই হাবিলৈ গল্ আৰু চল্লিশ্ ৰাত্ৰিন্দিৱা
৩ লঘোন্ কৰি ভোকেৰে আচিল্। পৰীক্ষকে তেঁওৰ্
ওচৰলৈ আহি হুঁলিলে যেদি তুমি ঈশ্বৰৰ্ পুত্ৰেক্ হোৱা
তেবে আজ্ঞা কৰি এই শিল্ বিলাকৰে খাবৰ্ বেহানি
৪ কৰা। কিন্তু তেঁও সমিধান্ দি হুঁলিলে, মানুহ অদা
খাবৰ্ বেহানিৰেই নি জীয়ে কিন্তু যি যি বচন্ ঈশ্বৰৰ্

মুখর্‌পরা এলায় ভাবে হে জীয়ে এনে লিখিত্তা আছে।
৫ তেতিয়া শয়তানে তেঁওক্ পবিত্র নগরলৈ নি ঈশ্বরর্
৬ দওলর্ ওপরর্ এক্ কলসীর্ ওপরৎ বহুরালে আরু
তেঁওৎ কলে তুমি যেদি ঈশ্বরর্ পুত্তেক্ হোরা তেবে
আপুনি তললৈ পড়া কিয়নো তোমার্ অর্থে তেঁওর্ দূত
হঁতক্ তেঁও আজ্ঞা দিব আরু শিলৎ যুন্দা তোমার্
ভরিৎ ন লগাকৈ সিবিলাকে তোমাক্ হাত্তেরে দাঙ্গি
৭ ধরিব এনে লিখিত্তা আছে। যিশুএ তাক্ কুলিলে
তোমার্ প্রভু ঈশ্বরর্ পরীক্ষা ন্ন কুত্তিবা এনেও লিখিত্তা
৮ আছে। অনন্তরে শয়তানে তেঁওক্ আতিশয় ওখ পর্ব্ব
তলৈ নি জগতর্ মাজৎ যিমান্ রাজ্য আরু তেঁওর্ ঐশ্বর্য্য
৯ সেই এটাইকে দেখুরালে আরু তেঁওক্ কুলিলে যেদি
তুমি সাষ্টাঙ্গ প্রণাম করি মোক্ পুজা করা তেবে এই
১০ এটাইকে তোমাক্ দিম্। যিশুএ তেতিয়া তাক্ কুলিলে গুচ
শয়তান কিয়নো তোমার্ প্রভু যিহুহার্ ভজনা করা
১১ আরু কেরল তেঁওক্ শুশ্রূষা করা এনে লিখিত্তা আছে
তেতিয়া শয়তানে তেঁওক্ এড়িলে পাছে দেখা দূতহঁতে
আহি তেঁওক শুশ্রূষা করিলে।
১২ য়োহন বন্দিয়া হল্ যিশুএ তাকে শুনি গালিলিলৈ গতি
১৩ হ'ল। যিশাঈয়াই আচার্য্যর্ মুখে যি এই কথা
১৪ কোরা গল্ বোলে জেবুলুন্ আরু নপ্তালি দেশ্ সাগরর্
বাটে যরদনর্ সিপার্ অন্যদেশীহঁতর্ গালিলির্ যিবি
১৫ লাক্ মানুহ অন্ধকারৎ বহিছিল্ সেইবিলাকে মহাপ
হর্ দেখিবলৈ পাইছে যিবিলাক্ মৃত্যুর্ দেশৎ আরু ছাঁৎ
বহিছিল্ সেইবিলাকর্ ওপরৎ পহর ওলিৎ ছুইছে

১৬ সেই কথাৰে পুণ্যক্ষৰ নিকোনে তেওঁ মাতেৰেং এড়ি
জেবুলুন্ আৰু নপ্তালিম সামিল্ সাগৰৰ তীৰৰ কফৰ
নগৰত বসতি কৰিলে।—
১৭ স্বৰ্গৰ ৰাজ্য ওচৰ এই হেতুকে মন্ পালটোৱা য়িশুএ
সেই কালৰে পৰা এই কথা কীৰ্ত্তন্ কৰিবলৈ আৰু
কবলৈ ধৰিলে।—
১৮ গালিলিৰ সাগৰৰ ওচৰত য়িশুএ গতি কৰোঁতে শী
মোন্ যাৰ প্ৰসিদ্ধ নাম্ পিতৰ্ আৰু আন্দ্ৰু তেওঁৰ ভা
য়েক্ এই দুয়ো ভায়েকক্ সাগৰত জাল্ পেলাবৰ্
১৯ দেখিলে কিয়নো সিবিলাক্ মাচ মৰিয়া আছিল। তেওঁ
২০ কৈলিলে মযে সৈতে আঁহা আৰু তোমোলাকক্ মযু
২১ মানুহ ধৰা কৰিম্ এইনিমিত্তে সিবিলাক্ তেতিক্ষণে
সিবিলাকৰ্ জাল্ এড়ি তেওঁৰে সৈতে গল। জেব্
দিৰ্ পুতেক্ যআকুব আৰু তেওঁৰ্ ভায়েক্ য়োহন্
এইদুয়ো ভায়েক্ সিবিলাকৰ্ বাপেক্ জেবদিএ সৈতে
নাৱত সিবিলাকৰ্ জাল্ বান্ধিছিল্ তেওঁ সেই ঠাইৰ্ পৰা
২২ গৈ গৈ সিবিলাকক্ দেখিলে আৰু মাতিলে তাতে সিবি
লাক্ তেতিক্ষণে নাৱকে আৰু সিবিলাকৰ্ বাপেককে
এড়ি তেওঁৰে সৈতে গল।—
২৩ পাছে য়িশুএ সিবিলাকৰ্ সকলো সিনগগত শিখায়
আৰু ৰাজ্যৰ্ শুভবাৰ্ত্তা কীৰ্ত্তন্ কৰি আৰু মনুষ্যইতৰ্
মাজত যিমান্ ৰোগ আৰু নৰিয়া এইবিলাক্ সুস্থ
২৪ কৰি সমস্তো গালিলি প্ৰদক্ষিণ্ কৰিলে তাতে তেওঁৰ্
যশস্যা সমস্তো সিৰিয়াত বিয়াপিল্। আৰু সিবি
লাকে নানা বিয়াধিৰ্ আৰু যাতনা আৰু ভূতে পোৱা

আৰু খাঁমুৰিয়া আৰু যক্ষ্মা ৰোগী সকলো নৰিয়া
পড়া মানুহবিলাকক্ তেঁওৰ্ ওচৰ্ লৈ আনিলে আৰু
২৫ তেঁও সিহঁতক্ সুস্থ কৰিলে। তাতে গালিলি আৰু দেক
পোলিস্ আৰু য়িৰোশলম্ আৰু য়িহুদাহ্ দেশ্ আৰু
য়ৰদনৰ্ সিপাৰ্ এইবিলাকৰ্ পৰা বড় এজুম্ মানুহ
তেঁৱে সৈতে গল্ ।—

পৰ্ব্ব তেঁও সেই মানুহ জুমক্ দেখি পৰ্ব্বতৰ্ ওপৰৎ উঠিল্
৫ হাঁ আৰু বহিল্ তেঁওৰ্ ভকৎহঁত তেঁওৰ্ কোষৰলৈ
২ আহিল্ পাচে তেঁওৰ্ মুখ মেলি তেঁও এই কথা কৈ
সিবিলাকক্ শিক্ষা দিলে ।—
৩ অলভিমানী লোক্বিলাক্ ধন্য কিয়নো স্বৰ্গৰ্ ৰাজ্য
৪ সিবিলাকৰ্। সোকান্বিত লোকবিলাকো ধন্য কিয়
৫ নো সিবিলাকে শান্তনা পাব। নম্ৰ লোকবিলাকো ধন্য
৬ কিয়নো সিবিলাক্ পৃথিবীৰ্ অধিকাৰ্ হব। যিবি
লাকৰ্ পৰমাৰ্থৰ্ নিমিত্তে ভোক্ আৰু পিয়াহ সেই
৭ বিলাকো ধন্য কিয়নো সিবিলাকে তৃপ্তি পাব। দয়ালু
৮ লোকবিলাকো ধন্য কিয়নো সিবিলাকে দয়া পাব
শুদ্ধচিত্ত লোকবিলাকো ধন্য কিয়নো সিবিলাকে ঈশ্বৰক্
৯ দেখিব। নিৰ্ব্বিৰোধি কৰোঁতাবিলাকো ধন্য কিয়নো
১০ সিবিলাকে ঈশ্বৰৰ্ শিশু বুলি প্ৰখ্যাত্ হব। যিবিলাক্
পৰমাৰ্থৰ্ নিকোনে তাড়িৎ সেইবিলাকো ধন্য কিয়নো
১১ স্বৰ্গৰ্ ৰাজ্য সিবিলাকৰে। যেতিয়া মনুষ্যহঁতে তোমো
লাকক্ নিন্দে আৰু খেদে আৰু মোৰ্ নিমিত্তে তোমো
লাকৰ্ অলৰ্ এটায় বয়া কথা মিচা বোলে তেতিয়া
১২ তোমোলাক্ ধন্য সেই বেলা আনন্দিৎ আৰু হৰ্ষযুক্ত

হোৱা কিয়নো স্বৰ্গৎ তোমোলাকৰ্ বড় ফল্ আছে যিবি
লাক্ আচাৰ্য্য তোমোলাকৰ্ আগেই আছিল্ সেইবিলা
কক্ সিবিলাকে এনেকৈ তাড়না কৰিছিল্।—
১৩ তোমোলাক্ পৃথিবীৰ্ লোন্ কিন্তু যেদি লোনৎ সোৱাদ্
না থাকে তেবে কৰ্পৰা তাৰ্ চোকা হব তেতিয়াবে পৰা
সেয়ে বাজলৈ ওলিয়ায় মানুহৰ্ ভৰিৰ্ তলৎ পেলোৱা
১৪ বিনে আৰু একো কাৰ্য্যৰ্ ভাগি ন হয়। তোমোলাক্ ব্ৰুঁহ্মা
ণ্ডৰ্ দীপিতি যি নগৰ্ পৰ্ব্বতৰ্ ওপৰৎ বহুৱাইচে সেয়ে
১৫ গুপ্তৎ হব নোৱাৰে। মানুহে চাকি লগায় দোনৰ্
তলৎ ন থয় কিন্তু গচাৰ্ ওপৰৎ থয় তাৰেপৰা এটায়
১৬ গিৰিহতক্ পহৰ্ কৰে তোমোলাকৰ্ দীপিতি মানুহৰ্
আগৎ এনেকৈ প্ৰকাশ্ হোক্ যেন্ সিবিলাকে তোমোলাকৰ্
শুভ কৰ্ম্ম দেখে আৰু যেন্ তোমোলাকৰ্ স্বৰ্গৰ্ পিতৃক্
স্তুতি কৰে।—
১৭ মই শাস্ত্ৰকে বা আচাৰ্য্যবাক্যকে বিনাশ্ কৰিবলৈ
আহিলোঁ তোমোলাকে এনেকৈ না ভাবিবা মই বিনাশ্
১৮ কৰিবলৈ অহা নাই কিন্তু পূৰ্ কৰিবলৈহে আহিলোঁ মই
তোমোলাকৎ স্বৰূপ্ কৈ কওঁ যেতিয়ালৈকে স্বৰ্গ আৰু
মৰ্ত্ত্য বিনাশ্ ন হয় তেতিয়ালৈকে এটায় পূৰণ্ ন হলে
শাস্ত্ৰৰ্ এটি অনুস্বাৰ্ বা এটি বিসৰগো কোনো ৰূপে
১৯ লোপ্ ন হব। এইহেতুক্ যেদি কোনোএ জয়াৰ্ এটি
সৰু আজ্ঞাকো চন্ন কৰে আৰু মানুহকো তদনুসাৰে
শিখায় তেবে সেই মানুহ্ স্বৰ্গ ৰাজ্যৎ আতিসৰু বুলি
২০ প্ৰখ্যাত্ হব। কিন্তু যি কোনোএ তাকে কৰে আৰু

সিথাৰ সি স্বৰ্গৰাজ্যৎ বড় পুণ্যাত্মা হব কিয়নো তোমোলা
কৎ ময় কওঁ তোমোলাকৰ্ পৰমাৰ্থ ফাৰিচিহঁতৰ্ আৰু
অধ্যাপকহঁতৰ্ পাৰমাৰ্থৎকৈ অধিক্ ন হলে তোমো
লাকে কোনো ৰূপে স্বৰ্গ ৰাজ্যৎ সোমাব নোৱাৰা।—
২১ তোমোলাকে শুনিছা আগৰ্ কালৰ্ মানুহৰ্ আগৎ
যি কোৱা গল্ কি বধ্ ন কৰিবা আৰু যেয়ে বধ্
২২ কৰে সেয়ে শোধৎ দণ্ডাৰ্হ হব কিন্তু ময় তোমোলাকক্
বোলোঁ যি কোনোএ আপোনাৰ্ ভায়েকৰ্ ওপৰৎ অকা
ৰোণে খঙ কৰে সেয়ে শোধৎ দণ্ডাৰ্হ হব আৰু যি
কোনোএ আপোনাৰ্ ভায়েকক্ ৰাকা বোলে সেয়ে মেলৎ
দণ্ডাৰ্হ হব. কিন্তু যি কোনোএ আপোনাৰ্ ভায়েকক্ ভয়
হলিয়া এনেকৈ বোলে তাৰ্ নৰক্ বহ্নি দণ্ড আছে।—
২৩ এইহেতুক্ হোমৰ্ ভেঁটিৰ্ কোথৰৎ তোমাৰ্ ওসৰগৰ্
বেহানি আনি তোমাৰ্ ভাঁয়াৰ্ তোমালৈ কিবা অহিৎ আ
২৪ ছে তাতে যেদি এই মন্ কৰা তেবে ভেঁটিৰ্ আগতে তোমাৰ্
ওসৰগৰ্ বেহানি থৈ যোৱা আৰু আদিতে তোমাৰ্ ভা
য়াঁয় সৈতে মিল্ হোৱা তাৰ্পাছে তোমাৰ্ দিবলগা বেহানি
২৫ ওসৰগ্ কৰা তোমাৰ্ গুজৰিয়াৰ সৈতে পথুক্ হই তাৰে
সৈতে সত্বৰে মিল্ হোৱা জানো পাছে গুজৰিয়াৰ তোমাক্
শোধাকৰ্ হাতৎ সোধায় দিয়ে আৰু শোধাকএ চাউকি
দাৰৰ্ হাতৎ সোধায় দিয়ে তাতে বন্দি হই থাকা
২৬ তোমাৎ ময় স্বৰূপকৈ কওঁ তাৰ্ পৰা সমস্তকৈ দিন্ ক্ষ
শুজিলে তুমি কোনো ৰূপে বাজলৈ আহিবলৈ নো
২৭ পোৱা। তোমোলোকে শুনিছা আগৰ্ কালৰ্ মানু
২৮ হৰ্ আগৎ যি কোৱা গল্ কি পৰস্ত্ৰীগমন্ ন কৰা

কিন্তু ময় তোমোলাকৎ কঁও কোনোএ তিৰোতাযা
অহলৈ কামভাৱে চায় মানসিক্ ৰূপে তাইৰে সৈতে
২৯ দুষিৎ হইছে। এই হেতুকে যেদি তোমাৰ্ সোঁ চকুএ
তোমাক্ বাধা কৰে তেৰে তাক্ কাঢ়ি পেলোৱা আৰু
তোমাৰ্ পৰা পেলোৱা তোমাৰ্ গোটাইটো শৰীৰ্ নৰক
কৎ পৰাৎকৈ তোমাৰ্ এক্ অঙ্গ নষ্ট হোৱা তোমাৰ্
৩০ লাভ্ তোমাৰ্ সোঁ হাতে যেদি তোমাক্ বাধা কৰে তেৰে
তাকো কাটি তোমাৰ্ পৰা পেলোৱা কিয়নো তোমাৰ্
গোটাইটো শৰীল্ নৰকৎ পৰাৎকৈ তোমাৰ্ এক্ অঙ্গ
নষ্ট হোৱা তোমাৰ্ লাভ্।—
৩১ কোৱা গৈছে যেদি কোনোএ আপোনাৰ্ ঘৰিনীয়েকক্
৩২ এড়িব খোজে সি তেৰে তাইক্ এড়াৰ্ কাকৎ দিয়োক্
কিন্তু তোমোলাকক্ ময় বোলোঁ যি কোনোএ তাৰ্ ঘৰি
নীয়েকক্ ব্যভিচাৰিনী নো হোৱাকৈয়ে এড়ে সি তাইক্
দুষিতা কৰে আৰু যি কোনোএ সেই এড়া তিৰোতাক
বিয়া কৰে সি পৰস্ত্ৰী হৰে।—
৩৩ পুনৰপি তোমোলাকে শুনিছা আগৰ্ কালৰ্ মানুহ
৩৪ হৰ্ আগৎ যি কোৱা গল্ কি মিচা শপৎ ন কৰিবা
কিন্তু ঈশ্বৰক্ প্ৰতি তোমোলাকে শপৎ পুৰণ্ কৰা কিন্তু
তোমোলাকক্ ময় বোলোঁ একো শপৎ ন কৰিবা স্বৰ্গৰ্
৩৫ নামে ও ন হয় কিয়নো সেয়ে ঈশ্বৰৰ্ সিংহাসন্
পৃথিবীৰ্ নামেও ন হয় কিয়নো সেয়ে তেওঁৰ্ পাদ
পীঠ্ যিৰোশলমৰ্ নামেও ন হয় কিয়নো সেয়ে মহা
৩৬ ৰাজাৰ্ ৰাজনগৰ্ আৰু তোমাৰ্ মূৰৎ বিৰিও শপৎ ন
কৰিবা কিয়নো এডালি চুলিও তুমি কলা বা বগা কৰিব

৩৭ নোৱাৰা কিন্তু তোমাৰ্ কথাবত্তৰা হয় হয় নহয় নহয়
হোক্ কিয়নো ঔয়াংকৈ যি কিছু সৰহ্ সেয়ে বয়া হ্বৰ
লগা আছে।—

৩৮ তোমোলাকে শুনিছা যি আগেই বোলা গৈছিল্
৩৯ কি চক্ষুৰ্ কাৰোণ্ চক্ষু দাঁতৰ্ কাৰোণ্ দাঁৎ কিন্তু
তোমোলাকং ময় কঁও তোমোলাকে হিংসাৰ্ হাক্ নি
দিবা কিন্তু যেদি কোনোএ তোমোলাকৰ্ সোঁ গালৎ চৰ্
৪০ মাৰে তেবে সিঁতক্ আৰু সিগাল্ পাতি দিয়া।
আৰু কোনোএ যেদি যেলং গোচৰ্ দিব খোজে আৰু
তোমোলাকৰ্ চোলা কাটি লয় তেবে তোমোলাকৰ বৰ্কা
৪১ পৰ্ লবলৈকো দিয়া আৰু যেদি কোনোএ বল্কৈ
তোমোলাকক্ দুকুঁৱাৰ্ বেলিৰ্ বাট্ যোৱায় তেবে তাৰ্
৪২ দোযোগা যোৱা। যিং মান্নহে তোমোলাকং
খোজে সেইং মান্নহকে দিয়া আৰু যিং মান্নহে তোমো
লাকৰ্ ধাৰ্ কৰিব খোজে সেইবিলাকলৈ বিমুখ্ নহ্
হবা।—

৪৩ তোমোলাকে শুনিছা যি কোৱা গৈছিল কি তোমোলা
কৰ্ ওচৰৰ্ মান্নহক্ চেনেহ্ কৰা আৰু তোমোলাকৰ্
৪৪ শত্ৰুক্ ঘিনোৱা কিন্তু ময় তোমোলাকং কঁও তোমো
লাকে তোমোলাকৰ্ স্বৰ্গৰ্ পিতৃৰ্ পুত্ৰ হবলৈ তোমোলা
কৰ্ শত্ৰুক্ চেনেহ কৰা যিবিলাকে তোমোলাকক্ গালি
পাৰে সেইবিলাকক্ তোমোলাকে আশীৰ্ব্বাদ্ কৰা যিবি
লাকে তোমোলাকক্ ঘিনায় সেইবিলাকৰ্ তোমোলাকে
শুভ চিন্তা যিবিলাকে তোমোলাকক্ হিংসা আৰু মাৰ্
কিল্ কৰে তোমোলাকে সেইবিলাকৰ্ অৰ্থে প্ৰাৰ্থনা কৰা

৪৫ কিয়নো তোমোলাকৰ্ স্বৰ্গৰ্ পিতৃএ দুৰ্জ্জনৰ্ ওপৰতো
শান্তৰ্ ওপৰতো বেলী ওলাব দিয়ে আৰু পৰমাৰ্থিক্ অপ
৪৬ ৰমাৰ্থিক্ দুয়োৰো ওপৰৎ বৰ্ষুন্ বৰ্ষায় । যিবি
লাকে তোমোলাকক্ চেনেহ্ কৰে সেইবিলাকক্ তোমো
লাকে চেনেহ্ কৰিলে কি হ্বব পটোৱাৰিহঁত তানো
৪৭ এনে ন্ কৰে । আৰু যেদি তোমোলাকে কেৱল্
তোমোলাৰ্ ভায়াহঁতকে সেৱা কৰা তেবে তোমোলাকে
আন্ মানুহ্ৎকৈ কি কৰা পটোয়াৰিহঁতে তানো এনে
৪৮ ন কৰে এইহেতুক্ তোমোলাকৰ্ স্বৰ্গৰ পিতৃ যেনে
পূৰ্ণবিৰ্ম্মৱন্ত তোমোলাকো তেনে পুৰ্ণবিৰ্ম্মৱন্ত হোৱা ।—
পৰ্ব্ব সাৱধান্ হোৱা আন্ মানুহৰ্ আগৎ সিহঁতে দেখিব
৬ লৈ তোমোলাকে দান্ ন কৰিবা তাক্ কৰিলে তোমো
লাকৰ্ স্বৰ্গৰ্ পিতৃৰ্ পৰা তোমোলাকৰ্ একো ফল্ ন
১ হয় । এয়েৰেই যেতিয়া তুমি দান্ কৰা তেতিয়া
মানুহৰ্ পৰা যশস্যা পাবলৈ সিনগাগৎ আৰু পদুলিৰ্
২ মাজৎ কাল্পনিক্হঁতৰ্ নিচিনাকৈ তুৰী না বাবা । তোমো
লাকৎ মঁয় স্বৰূপকৈ কঁও সিহঁতে আপোনাৰ্ কৰম্
৩ ফল্ পায় । কিন্তু যেতিয়া তুমি দান্ কৰা তেয়িয়া
তোমোলাকৰ্ দান্ গুপ্তৎ হ্ববলৈ তোমোলাকৰ্ সোঁ
হাতে কি কৰে তোমোলাকৰ্ বাঁও হাতক্ জ্ঞৈয়াকো
৪ জানিব নি দিবা তাকে কৰিলে গুপ্তৎ চাইৎ দেখে যিতনে
তোমোলাকৰ্ পিতৃএ তেঁও আপুনি এটাইৰে আগতে
তোমাক্ ফল্ দিব ।—
৫ তুমিও যেতিয়া প্ৰাৰ্থনা কৰা তেতিয়া কাল্পনিক্ হঁতৰ্
নিচিনা তুমি হ্ব হ্ববা কিয়নো সিহঁতক্ মানুহে

দেখিবলৈ সিহঁতে সিনগাগ্ আৰু পদুলিৰ্ চুকৎ থিয়
হুই প্ৰাৰ্থনা যোগে কৰিব। তোমোলাকৎ ময়
৬ স্বৰূপ্ কৈ কওঁ সিহঁতে আপোনাৰ্ ফল্ পায়। কিন্তু
যেতিয়া তুমি প্ৰাৰ্থনা কৰা তেতিয়া আপোনাৰ্ গুপ্তৎ
ঠাইলৈ যোৱা আৰু দুৱাৰ্ ঝঁপায় যিজন্ গুপ্তৎ
ঠাইৎ আছে সেই তোমোলাকৰ্ পিতৃৰ্ আগৎ
প্ৰাৰ্থনা কৰা আৰু গুপ্তৎ ঠাই দেখোঁতা তোমাৰ্
পিতৃ যিজন্ তেওঁ এটাইৰে আগৎ তোমাক্ কৰম্
৭ ফল্ দিব। কিন্তু তোমাৰ্ প্ৰাৰ্থনাৰ্ বেলা দেৱ
পূজকৰ্ নিচিনাকৈ অনৰ্থক্ বচন্ নকৈ হুলিবা কিয়নো
সিহঁতে ভাবে যেন্ সিহঁতৰ্ ভালেযান্ কোৱাতে সিহঁতৰ্
৮ কথা শুনা যাব। এই হেতুক্ সিহঁতৰ্ নিচিনা
নহবা কিয়নো তোমোলাকে প্ৰাৰ্থনা কৰাৰ্ আগেই
তোমোলাকৰ্ কৰিবলগা কিং জুয়াকে তোমোলাকৰ্
৯ পিতৃএ জানে। এয়েৰেই এনেকৈ প্ৰাৰ্থনা কৰা হে
আমাৰ্ স্বৰ্গৎ থকা পিতৃ তোমাৰ্ নাম্ পবিত্ৰ মানা
১০ হোক্। তোমাৰ্ ৰাজ্য প্ৰকাশ্ হোক্। যেনে স্বৰ্গৎ
১১ তেনেকৈ পৃথিবীতো তোমাৰ্ বাঞ্চিৎ কৰম্ কৰা হোক্
আজি আমাৰ্ খাদৰ্ বেহানি আমাক্ দিয়া। আৰু
১২ যেনেকৈ আমাৰ্ ধৰুৱাহঁতক্ আমি সহোঁ তেনেকৈ
১৩ আমাৰ্ ধাৰ্ এৰা। আমাক্ পৰীক্ষালৈ নি নিবা কিন্তু
আমাক্ আনদৰ্ পৰা পৰিত্ৰাণ্ কৰা কিয়নো সদাসৰ্ব্বদা
১৪ ৰাজ্য আৰু শক্তি আৰু গৌৰৱ এই সকল্ তোমাৰ্।
আমিন্। কিয়নো তোমোলাকে যেদি মানুহক্ সিহঁতৰ্
আজ্ঞা ভঙ্গ কৰা জগাৰ্ মৰ্ষণ্ কৰা তেবে তোমোলাকৰ্

১৫ স্বৰ্গৰ্ পিতৃএ তোমোলাকৰো জগাৰ্ মৰ্ষিব। কিন্তু যেদি
মানুহবিলাকক্ সিহঁতৰ্ আজ্ঞা চন্নকৰা জগাৰ্মৰ্ষণ্
ন কৰা তেবে তোমোলাকৰ্ পিতৃএও তোমোলাকৰ্ আজ্ঞা
১৬ চন্নকৰা জগাৰ্ মৰ্ষণ্ ন কৰিব। পুনৰনি তোমোলাকে
লঘোন্ কৰোঁতে কাল্পনিকহুঁতৰ্ নিচিনাকৈ মলিন্ মুখ্
কৰা কিয়নো; সিহঁতে লঘোনীয়া ঠুলি জনাবলৈ মুখ্
মলিন্ কৰে। তোমোলাকৎ ময় স্বৰূপ্কৈ কওঁ
১৭ সিহঁতে আপোনাৰ্ কৰম্ ফল্ পায়। কিন্তু তুমি যে
তিয়া লঘোন্ কৰা তেতিয়া মানুহক্ লঘোনীয়া নে দেখাব
লৈ কিন্তু যিজনে গুপ্তৎ থাইৎ দেখে সেই তোমো
১৮ লাকৰ্ পিতৃৰ্ আগৎ লঘোনীয়া দেখোৱা জয়ালৈকে
তোমোলাকৰ্ মূৰৎ তেল দঁহা আৰু মুখ্ ধোৱা পাচে
যিজনে গুপ্তৎ থানৎ দেখে সেই তোমোলাকৰ্ পিতৃএ
১৯ এটায়ে জনাকৈ তোমোলাক্ কৰম্ ফল্ দিব। যি
থানৎ পোকে আৰু মামৰে খায় আৰু চোৰে সিন্ধি
দি চুৰ কৰে সেই পৃথিৱীৎ আপোনালৈ ধন্ না সাঁ
২০ চিবা কিন্তু যতে পোকে আৰু মামৰে না খায় চোৰে
ও সিন্ধি দি নি নিয়ে সেই স্বৰ্গৎ আপোনালৈ ধন্
২১ সাঁচা কিয়নো যতে তোমোলাকৰ্ ধন্ ততে তোমোলাকৰ্
২২ মন্। দেহৰ্ প্ৰদীপ্ চক্ষু এয়েৰেই তোমোলাকৰ্
চক্ষু যেদি একদৃষ্টি হয় তেবে তোমোলাকৰ্ গোটায়
২৩ গাৰ্ দীপিতি পূৰণ্ হব কিন্তু যেদি তোমোলাকৰ্ চক্ষু
বয়া হয় তেবে তোমোলাকৰ্ গোটেই গা এন্ধাৰ্ময়
হব এয়েৰেই যি দিপিতি তোমোলাকৰ্ মাজৎ সেয়ে
২৪ যেদি এন্ধাৰ্ হয় তেন্তে সেই এন্ধাৰ্ কিমান্ বৰ। কোনো

মানুহে দুজনা ভাণ্ডৰিয়াৎ খাটিব নোৱাৰে কিয়নো সি
এজনক্ ঘিনায় এজনক্ চেনেহ কৰিব নাইবা এজনৰ্
ফলিয়া ধৰি এজনক্ জৈতিকিং কৰিব এনেকৈ ঈশ্বৰৰে
২৫ বীনৰেও তোমোলাকে খাটনি লগাব নোৱাৰা। এই
হেতুক্ তোমোলাকৎ ময় এই কথা কওঁ কি খায় কি
পীয় আৰু গাৎ কি পিন্ধিম্ এই চিন্তা ন কৰিবা প্ৰাণ্
জানো খাবৰ্ বেহানিৎকৈ বড় ন হয় দেহো জানো
২৬ কাপ্ ৰৎকৈ বড় ন হয়। পথাৰৰ্ চৰায় বিলাবলৈকে
দেখা সিহঁতে কঠিয়া না পাৰে শহ না দায় আৰু মেৰতো
নো গোটায় কিন্তু তোমোলাকৰ্ সৰগী পিত্ৰ সিহঁত
কো পোহে তোমোক্ জানো সিহঁতৎৰেও আতি ভাল্
২৭ নো হোৱা। তোমলাকৰ্ কোনো মানুহে চিন্তা কৰি
২৮ আপোনাৰ্ দীঘলে এহাতো বঢ়াব নোৱাৰে। কাপৰলৈ
কিয় চিন্তা পথাৰৰ্ কনোৰ্ ফুল্ কেনেকৈ বাঢে জয়ালৈকে
২৯ মন্ কৰা সিহঁতে বন্ বাৰি ন কৰে সুতাও না কাটে কিন্তু
তোমোলাকৎ ময় কওঁ শলমন্ আপোনাৰ্ সকলো ঐশ্বৰ্য্যো
৩০ ৰেও জৈহঁতৰ্ এটাৰ্ নিচিনাও শুৱনী না ছিল্। এয়ে
ৰেই কালি এই জুহালৎ আনিথোৱা পথাৰৰ্ জাবৰবো
এনে অলঙ্কাৰ্ যেদি ঈশ্বৰে দিয়ে তেবে হে অল্পপ্ৰতীতি
৩১ মনুহঁৎ তেঁওতাৎকৈ শৰহ কাপৰ্ জানো তহঁতক্ নি দিব।
এয়েৰেই কি খাবা কি পীবা কি পিন্ধিবা জয়াক্ মনৎ
৩২ চিন্তা ন কৰিবা দেবপুজকহঁতে এইবিলাক্ বেহানি
বিচাৰে আৰু এইবিলাক্ বেহানি তোমোলাকক্ লাগে
৩৩ যেন জয়াক্ তোমোলাকৰ্ সৰগি পিতএ জানে। আ
দিতে ঈশ্বৰৰ্ ৰাজ্য আৰু তেঁওৰ্ ধৰম্ বিচাৰা পাচে

৩৪ এইবিলাক্ তোমোলাকক্ দিয়া হ্বব এয়েহেই কালিলৈ
চিন্তা ন কৰিবা কিয়নো আপোনাৰ্ বেহানিলৈ কালি
এই চিন্তা কৰিব। যি দিনৰ্ যি বয়া সেই দিনৰ্
নিমিত্তে সেয়ে সৰহ।—

পৰ্ব্ব তোমোলাক্ শোধিৎ ন পড়িবলৈ শোধ্ ন কৰিবা কিয়
৭ নো যেই শোধিতে শোধ্ কৰা সেই শোধিতে শোধিৎ পড়ি
বা আৰু যি যোখাৰে তোমোলাকে যোখা কৰা সেই
যোখাৰেই তোমোলাকবো বেহানি যুখিব লাগিব।
৩ আপোনাৰ্ চকুতে যি চতি তাক্ নে দেখি তোমাৰ্
৪ ভায়াঁৰ্ চকুৎ যি কুটা তাক্ কিয় দেখিছা নাইবা
কোৱা যয় সেই কুটা তোমাৰ্ চকুৰ্পৰা ওলিয়াঁও দেখা
তোমাৰ্ আপোনাৰ্ চকুৎ এটা চতি থাকোঁতেই তোমাৰ্
৫ ভায়াঁক্ কেনেকৈ জৈয়াক্ টুলিব পাৰা। হেবৈ কাপ্র
নিক্ আপোনাৰ্ চকুৰ্পৰা সেই চতি আগেই ওলিয়া
তেতিয়া সেই কুটা তোৰ্ ভায়েৰৰ্ চকুৰ্পৰা ওলিয়া
৬ বলৈ ভালকৈ দেখিবি। পবিত্ৰ বেহানি কুকুৰ্ বিলা
কৰ্ আগৎ নে পেলাবা তোমোলাকৰ্ মুকুতা গাহ
ৰিৰ্ আগৎ নে পেলাবা জানোপাচে সিহঁতে সেই
বেহানি ভৰিৰে গচকে পাচে মুখ ঘুৰায় তোমোলাকক্
বথলিয়ায়।—
৭ মাগা তেৰে তোমোলাকক্ দিয়া হ্বব বিচাৰা তেবে পাবা
৮ দুপৰিয়োৱা তেবে তোমোলাকলৈ দুৱাৰ্ মুকলি হ্বব কিয়
নো যেয়েৎ খোজে সেয়ে পায় আৰু যেয়েৎ বিচাৰে সেয়ে পা
৯ য় যেয়েৎ দুপৰিয়া তালৈকে দুৱাৰ্ মুকলি হয়। কিয়নো

১০ অথবা যেদি পিঠা খোজে তেবে যি তাক্ শিল্ দিব বা মাছ্
খেজে তেবে যি তাক্ সাপ্ দিব তোমোলাকৰ্ মাজৎ কোনে
১১ বা এনেকুৱা মানুহ আছে নে এয়েৰেই তোমোলাক্ বয়া
হুই তোমোলাকৰ্ লৰাইঁতক্ সজ্ বেহানি দিব যেদি
জানা তেবে তোমোলাকৰ্ স্বৰগি পিতৃ যিজন্ যিবিলাকে
তেঁওৎ খোজে তেঁও তাংকৈও সজ্ বেহানি সিবিলাকক্ নি
১২ দিব নে । এয়েৰেই তোমোলাকে যিং খোজা যি মানুহে
তোমোলাকক্ প্ৰতি কৰে তোমোলাকেও সিহঁতক্ প্ৰতি
১৩ তেনে কৰা কিয়নো শাস্ত্ৰ আৰু আচাৰ্য্যবিলাকৰ্ বাক্য এই ।
তোমোলাক্ দুৰ্গম্ দুৱাৰে দি সোমোৱা কিয়নো যি দুৱা
ৰে দি আৰু যি বাটে দি সৰ্ব্বনাশ হয় সেই দুৱাৰ্ অথ্
আৰু সেই বাটো ঠিকোন্ আৰু ভালেমান্ সেই পোনে
১৪ সোমায় । কিন্তু যি দুৱাৰে দি আৰু যি বাটে দি জীয়ায় যায়
সেই দুৱাৰ্ দুৰ্গম্ আৰু সেই বাট্ চেপ্ আৰু অলপতে
১৫ তাক্ পায় । মেচৰ্ কাপৰ্ পিন্ধি তোমোলাকৰ্ ওচৰলৈ
আহে কিন্তু অভ্যন্তৰৎ দুৰ্জন্ কুকুৰনেচিয়া হয় যিবিলাক্
১৬ মিচা আচাৰ্য্যসিহঁতলৈ সাৱধান্ হোৱা সিহঁতৰ্ কাৰ্য্যে
ৰেই সিহঁতক্ জানিবা । মানুহবিলাকে জানো কাঁ
টাল্ গছৰ্পৰা দ্ৰাক্ষা গুটি নাইবা হুলিকাঁইটৰপৰা
১৭ ডিমৰু গুটি পাড়ে তেনেকৈ সদৌ সজ্ গছে সজ্ গুটি
১৮ ধৰে কিন্তু বয়া গছে বয়া গুটি ধৰে । বয়া গছে সজ্
গুটি ধৰিব নোৱাৰে আৰু সজ্ গছে বয়া গুটি ধৰিব
১৯ নোৱাৰে । যিং গছে সজ্ গুটি ন ধৰে সেয়ে কটা
২০ যায় আৰু জুইতো পেলোৱা যায় এয়েৰেই গুটিৰেই
তোমোলাকে সিহঁতক্ জানিবা ।

২১ যিবিলাকে মোক্ হে ঈশ্বৰ, বোলে সিহঁতৰ্ সদৌ জন্
স্বৰ্গৰ্ ৰাজ্যলৈ যাব নোৱাৰে কিন্তু যেয়ে মোৰ্ স্বৰ্গি
২২ পিতৃৰ্ সন্মত্তে কৰ্ম্ম্ কৰে সেয়ে যাব। সেই দিনা ভালে
মানেও মুলিব হে ঈশ্বৰ, আমি তোমাৰ্ নামে আচাৰ্য্য
বাক্য জানো কোৱা নায় আৰু তোমাৰ্ নামে জানো ভূৎ-হুঁ
তক্ খেদোৱা নায় আৰু তোমাৰ্ নামে জানো আশ্চৰ্য্য
২৩ কৰ্ম্ম কৰা নায় কিন্তু তেতিয়া সিহঁতক্ ময় মুলিম্ তহঁ
তক্ ময় কেতিয়াও না জানিলোঁ হেৰৈ অপৰমাৰ্থ কৰো
তাহঁৎ তহঁৎ মোৰ্ ওচৰৰ্পৰা গুচ।—
২৪ এয়েৰেই যেয়ে, মোৰ্ এই ওপাখ্যান্ শুনে আৰু তাকে
২৫ আচৰে যি কোনো গিয়ানী মানুহে শিলনীৰ্ ওপৰ্ৎ ঘৰ্
কৰ্‌ৰ পাচে বৰষুন্ আনিলৎ ঢল্ আহিল্ আৰু বতাহ
বলালে পাচে সেই ঘৰৰ্ ওপৰৎ খুন্দা আহি পৰিল্হি
কিন্তু সেই ঘৰৰ্ পোত শিলৰ্ ওপৰৎ এইহেতুকে ন পৰিল্
২৬ এনেক্কুৱা মানুহৰ্ নিচিনাকৈ ময় তাক্ মানিম্। কিন্তু
যি, মানুহে মোৰ্ এই ওপাখ্যান শুনি তাকে নাচৰে যি
২৭ মানুহে বালিৰ্ ওপৰৎ ঘৰ্ সাজিলে পাচে বৰষুন্ আনি
লৎ ঢল্ আহিল্ আৰু বতাহ বলালে সেই ঘৰৰ্ ওপৰৎ
বেগায় আহি লাগিল্হি পাচে সেই ঘৰ্ পৰিল্ আৰু
তাৰ্ পতন্ ডাঙৰ্ হল্ এনে কোনো বলিয়া মানুহৰ্
নিচিনাকৈ ময় তাক্ মানিম্।—
২৮ যিশুএ এই সকল্ ওপাখ্যান্ এটাঁলৎ পাচে এটায়
২৯ মানুহে তেঁওৰ্ ওপদেশৎ বিশ্ময় মানিছিল্ কিয়নো ডাঙ
ৰিয়াৰ্ নিচিনাকৈ তেঁও সিহঁতক্ সিখালে কিন্তু অধ্যাপক
হঁতৰ্ নিচিনা ন হয়।—

পৰ্ব্ব তেওঁ পৰ্ব্বতৰ্ পৰা নামিলত ভালেমান মানুহ তেওঁৰ্
৮ পিছে২ গল্ পাচে দেখা এটা কুষ্ঠিয়া আহিল্ আৰু তেওঁক্
২ সেৱা কৰি কুলিলে হে প্ৰভু তোমাৰ্ যেদি ইচ্ছা হয় তেৱে
৩ মোক্ শুচি কৰিব পাৰা তাতে যিশুএ হাত মেলি তাক্ পৰশ্
কৰি কুলিলে মোৰ্ ইচ্ছা আছে শুচি হোৱা পাচে তেতিক্ষণে
৪ তাৰ্ কুষ্ঠ ভাল্ হল্। যিশুএ তাক্ কুলিলে সাৱ
ধান্ কাকো ন কৰি কিন্তু পুৰোহিতহঁতক্ দেখুৱাগৈ আৰু
লোকে প্ৰমাণ্ মানিবলৈ যি দান্ উসৰগিবলৈ মোশহ
সিহঁতক্ বিধান্ দিলে সেই দান্ উসৰগ্ কৰ্ গৈ।—
যিশু কাফৰনাহুমত সোমালত পাচে এশ সেনাৰ্ পতি
৬ তেওঁৰ্ ওচৰলৈ আহি তেওঁক্ প্ৰাৰ্থনা কৰি কুলিলে হে প্ৰভু
মোৰ্ এক্ বন্দী অতিশয় নৰিয়া পড়ি গাহৰ্ লাগি
৭ ঘৰত পড়ি থাকে পাচে যিশুএ কুলিলে ময় আহি তাক্
৮ সুস্থ কৰিম্ সেই সেনাপতিএ মাত লগালে হে প্ৰভু তুমি
যে মোৰ্ চালৰ্ তললৈ যাবা ময় তেয়াৰ্ যোগ্য নোহোঁ
কিন্তু এটি কথা কওক্ সেয়ে হলে মোৰ্ বন্দী সুস্থ হব কি
৯ য়লো ময় বিষয়ৰ্ তলত আছোঁ আৰু মোৰ্ তলে সেনা
বিলাকো আচে ময় তেয়াক্ যাব দিলে ও তে যায় তাক্ আহিব
দিলে ও সি আহে আৰু মোৰ্ বন্দীক্ এনে কৰ্ কুলিলেও
১০ কৰে। যিশুএ তেয়াকে শুনি বিস্ময় মানিলে আৰু যিবি
লাক্ তেওঁৰ্ লগত আছিল্ সিবিলাকক্ কুলিলে ময় সচ্চ
পৈকে তোমোলাকত কওঁ ময় এনে বড় প্ৰতীতি দেখা নায়
১১ যিশ্ৰএলেতো নায়। আৰু ময় তোমোলাকত কওঁ ভালে
মান্ মানুহ পুৰ্ব্বৰ্ আৰু পশ্চিমৰ্ পৰা আহি স্বৰ্গ ৰা
জ্যত আব্ৰাহামৰে আৰু যিস্হাকৰে আৰু যাকুবৰে

১২ লগৎ বহিব কিন্তু ৰাজ্যৰ লৰাহঁতক বাজৎ এন্ধাৰৎ
পেলাব লাগিব সেই ঠানৎ কান্দনী আৰু দাঁৎ কৰ্কৰণী
১৩ পাচে সেই এশৰ সেনাপতিক যিশুএ কুলিলে গতি
কৰা যেনেকৈ পতীয়াইছা তোমাৰ সেই ৰূপ হোক
তাতে সেই ডাঁৰেঁ তেওঁৰ বন্দী স্বস্থ হল।
১৪ যিশুএ পিতৰৰ ঘৰলৈ গৈ পিতৰৰ শাহুএকক জৰ পৰি
১৫ পাটীতে থাকিবৰ দেখিলে পাচে তেওঁ তাইৰ হাতৎ ধৰিল
তে জৰে তাইক এৰিলে তাতে তাই উঠিল আৰু সিবিলা
১৬ কৰ শুশ্ৰূষা কৰিলে। সন্ধিয়া হলৎ মানুহে তেওঁৰ ওচ
ৰলৈ ভুতেপোৱা ভালেমান মানুহ আনিলে তাতে যিশায়ি
য়াহ আচাৰ্য্য যি কুলিছিল বোলে তেওঁ আমাৰ দৌৰ্ব্বল্য
১৭ ললে আৰু আমাৰ পীড়া সহিলে সেয়ে পূৰণ হব
লৈ তেওঁ কথাকৈ আত্মাবিলকক খেদীলে আৰু এটায়
নৰিয়া পৰা মানুহক স্বস্থ কৰিলে।
১৮ যিশুএ আপোনাৰ কোষৰে পাঙুৰে ভালেমান মানুহ
১৯ দেখি আন পাৰলৈ যাবলৈ আজ্ঞা দিলে সেই কালৎ
এক অধ্যাপক আহি তেওঁক কুলিলে হে গুৰু তুমি যলৈকে
২০ যোৱা তলৈকে ময়ো তোমাৰ লগৎ যাম যিশুএ তেওঁক
কুলিলে পাতি শিয়ালৰ গাৎ আৰু আকাশৰ চৰাইবো
২১ বহা আচে কিন্তু মানুহৰ পুত্ৰেকৰ মুৰ থমাবৰ ঠাই
২২ নায়। পাচে তেওঁৰ আৰু এজন ভকতে কুলিলে হে প্ৰভু
আগেই মোৰ বোপাইৰ মইদাম বান্ধিবলৈ যাব দিয়া
যিশুএ তাক কুলিলে তুমি মোৰ লগৎ আহাঁ মৃতকহঁতে
মৃতকহঁতৰ মইদাম বান্ধোক।
২৩ পাচে তেওঁ জাহাজৎ গলৎ পাচে তেওঁৰ ভকৎবিলাক

২৪ তেঁওৰ্ পিচৎ গল্ তাতপাচে দেখা সাগৰৎ বড় বতাহ
হল্ ঢৌৱে জাহাজ্ ঢাকিলে কিন্তু তেঁও টোপনিতে আছিল্।
২৫ এইহেতুক্ তেঁওৰ্ ভকৎহঁতে আহি হে প্ৰভু আমাক্
ৰক্ষা কৰোক্ আমি মৰোহে এই বুলি তেঁওক্ জগালে।
২৬ তাতে তেঁও সিবিলাকক্ বুলিলে হে অল্পপ্ৰতীতিযুক্তহঁৎ
কিয় ভয়াতুৰ্ হোৱা তেতিয়া তেঁও উঠি বতাহকে আৰু
সাগৰকে ডাবি দিলে তাতে নিৰ্ব্বাত হল্। এইহেতুক্
২৭ মানুহে বিশ্ময় মানি বুলিলে এঁও কেনেকুৱা মানুহ বতা
হ আৰু সাগৰো এই মানুহৰ্ বশবৰ্ত্তি হল্।—
২৮ তেঁও আন্ পাৰে গৰ্গসেক্ ৰাজ্যৎ উপগৎ হলগৈ তাতে
সেই বাটে দি কোনো মাৰ নোৱৰাকৈ বাট্ ভেঁটি দুৰ্জন দুয়
ভুতেপোৱায় মইদামৰ্ পৰা আহি তেঁওক্ দেখা দিলে
২৯ আৰু দেখা সিহঁতে এটাহ পাৰি বুলিলে হে ঈশ্বৰৰ্ পু
তেক্ যিশু তোমাৎ আমাৰ্ কি কাম্ কালৰ্ আগেই তুমি
৩০ আমাক্ যাতনা দিবলৈ আহিছা নে। সিহঁতৰ্ পৰা এফেৰি
৩১ দুৰৈৎ বড় এজাক্ গাহৰি চৰিচিল্ এইহেতুক্ ভুতহঁতে
প্ৰাৰ্থনা কৰি তেঁওক্ বুলিলে বোলে যেদি তুমি আমাক্ খে
৩২ দোৱা তেৰে গাহৰিৰ্ জাকলৈ যাব দিয়া। তেঁও সিহঁতক্
বুলিলে যাহঁক্ পাচে সিহঁৎ ওলায় গাহৰিৰ্ জাকলৈ গল্
তাতে দেখা এটায়বিলাক্ গাহৰি ওখৰ্ পৰা লৰি গৈ সাগ
৩৩ ৰৎ পড়ি মৰিল্ পাচে ৰখিয়াহঁতে নগৰলৈ পলায় গৈ এই
কথা আৰু ভুতেপোৱাৰো কথা যি হইচিল সেই সকলো
৩৪ মানি কলে তাতে দেখা যিশুক্ দেখিবলৈ নগৰৰ্ এটায়
ওলাল্ আৰু দেখি সিহঁতৰ্ ৰাজ্যৰ্ পৰা যাবলৈ তেঁওক্
প্ৰাৰ্থনা কৰিলে।—

পৰ্ব্ব পাচে তেঁও নাৱৎ উঠি পাৰ্ হৈ আপোনাৰ্ নগৰ্
১ পালেগৈ দেখা মানুহে তেঁওৰ্ ওচৰলৈ গাত্ৰৰ্ লগা
২ পাটিতে শোৱা এক মানুহক্ আনিলে্ য়িশুএ সিহঁতৰ্
বিশ্বাস্ দেখি সেই গাত্ৰৰ্ লগাকে কুঁলিলে হে কুঁ
৩ পায় থিৰ্ হোৱা তোমাৰ্ পাতক্ মৰ্ষণ্ হল তাতে দেখা
কেতেটি অধ্যাপকে মনে২ কুঁলিলে এই মানুহে নিন্দা
৪ কৰে। কিন্তু য়িশুএ সিহঁতৰ্ মন্ বুজি কুঁলিলে কিয়
৫ তহঁতে অভান্তৰৎ দুষ্ট ভাব কিয়নো তোমাৰ্ পাতক্ মৰ্ষণ
হল্ নাইবা উঠি ফুৰ্ এই দুয়োৰো মাজৎ কুঁলিবলগা
৬ কি। কিন্তু মানুহৰ্ পুত্ৰেকৰ্ পৃথিবীৎ পাতক্ মৰষিবলৈ
সামৰ্থ্য আছে তহঁতে যেন জানাক্ জান্ এইহেতুক্ তেঁও
গাত্ৰৰ্ লগা মানুহক্ কুঁলিলে উঠ্ তোৰ্ পাটী তুলি
৭ ঘৰলৈ যা তাতে সেই মানুহ উঠি আপোনাৰ্ ঘৰলৈ
৮ গল্। কিন্তু সেই মানুহজুমে দেখি বিশ্ময় মানিলে আৰু
মানুহক্ এনে বড় সামৰ্থ্য দিয়োতা ঈশ্বৰক্ স্তুতি কৰিলে।
৯ য়িশুএ তাৰ্ পৰা যঁওতে বহুৰাৎ বহি থাকিবৰ্ মাত্তিও
নামে এক্ মানুহক্ দেখি তেঁওক্ মাতিলে বোলে মোৰ্
১০ লগলৈ আহঁা পাচে তেঁও উঠি তেঁওৰ্ লগৎ গল্। য়িশু
ঘৰৎ বহিলৎ দেখা ভালেমান্ পটোৱাৰি আৰু পাতকী
মানুহো তেঁওৰে আৰু তেঁওৰ্ ভকৎহঁতৰ্ লগৎ বহিল্
১১ হি ফাৰিসিহঁতে তাকে দেখি তেঁওৰ্ ভকৎহঁতক্ কুঁলিলে
তোমোলাকৰ্ প্ৰভুএ পাটোৱাৰি আৰু পাতকী মানুহৰ্
১২ লগৎ খায় কিয় কিন্তু য়িশুএ তাকে শুনি সিহঁতক্ কুঁলিলে
যিবিলাক্ সুস্থ হৈআছে সেইবিলাকৰ্ বেজৰ্ প্ৰয়োজন্
১৩ নায় কিন্তু যিবিলাক্ নৰিয়া পৰা সেইবিলাকৰে। কিন্তু

তোমোলাকে জৈয়াক্ অৰ্থ সিখা ৈগ যেন্ ময় দায়া খো
জোঁ বলিদান্ নো খোজোঁ কিয়নো পৰমাৰ্থিক্ মান্নহক্ মন্
পালটাবলৈ মাত্তিবৰ্ কাৰণে ময় অহা নায় কিন্তু কেৱল্
পাতকী মান্নহক্।—
১৪ তেত্তিয়া য়োহনৰ্ শিষ্যবিলাকে তেঁওৰ্ কোষৰং আহি
সুধিলে বোলে আমিএ আৰু ফাৰিসিহঁতে বাৰে বাৰে
১৫ লঘোন কৰোঁ কিন্তু তোমা ভকৎহঁতে ন কৰে কিয়। য়িশুএ
সিহঁতক সুধিলে যেত্তে দিন্ দৰা লগং থাকে তেত্তে
দিন্ কন্যাৰ জুতকিয়া মান্নহে জানো কান্দিব পাৰে কিন্তু
যাহানি দৰাক লৈ যাব সেই দিন্ আহিব তেত্তিয়া সিহঁতে
১৬ লঘোন্ কৰিব। কোনো মান্নহে ন কাপৰ্ দি পুৰণী কাপৰ্
তালি নে মাৰে কিয়নো যি ফটাগুচবলৈ তালিমাৰে সিয়ো
১৭ ফাটি যায আৰু সেই ফটা সৰহ হয়। কোনো মান্নহে
ন দ্ৰাক্ষা ৰস্ পুৰণী কলহং ন থয় তাকে কৰিলে কলহ
ভাগি যায় আৰু দ্ৰাক্ষ্যাৰহো বৈযায় আৰু কলহো নষ্ট
হয় কিন্তু মান্ন হে ন দ্ৰাক্ষা ৰহ ন কলহং থয় তাতে
১৮ দুযোৰো ৰক্ষা হয়। তেঁও এই কথা সিবিলাকং কৈছে
তেনেত্তে দেখা এজন্ অধিপতি আহি তেঁওক্ সৎকাৰ্ কৰি
সুধিলে মোৰ্ জোৱালিটী এত্তিয়াই মৰিছে মাত্তোন কিন্তু
১৯ তুমি আহি তাইৰ গাৎ হাৎ দিলে তাই জীব এইহেতুক্
২০ য়িশুএ তেঁওৰ্ ভকত হঁতে ওদ্দি তেঁৰে সৈতে গল্। আৰু
দেখা এজনী তিৰোতা বাৰে বৎসৰৰেপৰা তেজ গৈপড়ি
আছিল্ দেখা তাই তেঁওৰ্ পিছে দি আহি তেঁওৰ্ কাপৰৰ্
আঁচলং চুলেহি কিয়নো তাই আপুনি মনতে ভাবিলে
বোলে যেদি ময় কেৱল্ তেঁওৰ্ কাপৰ্ চুব পাৰোঁ তেৱো

২২ সুস্ত হয়্।   কিন্তু য়িশুএ ওভতি তাইক্ দেখি হুঁলিলে
হে ছোৱালি শান্ত হো তোৰ্ বিশ্বাসেই তোক্ ভাল্
কৰিলে তাতে সেই তিৰোতা সেই দণ্ডৰে পৰা ভাল্ হল্।
২৩   য়িশুএ অাদ্ধৰিয়াৰ্ ঘৰলৈ অাহি বায়নহঁতে বজাইছে
জৈয়াকে অাৰু শবদ্ কৰোতাহঁতকে দেখিলে তেতিয়া
২৪ তেঁও সিহঁতক্ হুঁলিলে হ্যাই দেহঁক্ ছোৱালী মৰা নায়
২৫ কিন্তু টোপনিত্তে অাছে তাতে সিহঁতে তেঁওক্ ভালেমান্
বিগতি কৰিলে পাচে তেঁও সেই মানুহবিলাকক্ বাজলৈ
খেদায় সিহঁতৰ্ মাজৎ সোমাল্ গৈ অাৰু তাইৰ্
২৬ হাতৎ ধৰিলত্তে ছোৱালী উঠিল্।   পাচে সেই কথাৰ্
সবদ্ এটায় ৰাজ্যলৈ গল্।—
২৭   য়িশুএ সেই খানৰ্ পৰা অাহিলৎ পাচে হে দাওদৰ
সন্ততি অামাক্ দয়া কৰা এনেকৈ এটাহপাৰি কথা কৈ
২৮ দুটা অন্ধলা মানুহ তেঁওৰ্ পিছেৎ গল্ পাচে তেঁও ঘৰলৈ
গলৎ সেই অন্ধলা মানুহ কেইটা তেঁওৰ্ কোষৰলৈ
অাহিল্ এইহেতুক্ য়িশুএ সিহঁতক্ হুঁলিলে ময় জৈয়াক্
কৰিব পাৰো যেন্ তহঁতে জানো পতীয়াৱ সিহঁতে তেঁওক্
২৯ হুঁলিলে হয় প্ৰভু তেতিয়া তেঁও সিহঁতৰ্ চক্ষৎ ধৰি হুঁলি
লে তহঁতৰ্ প্ৰতীতিৰ্ নিচিনা তহঁতৰ্ ফল হোক্ তাতে সিহঁ
৩০ তৰ্ চক্ষ ভাল্ হল্। পাচে য়িশুএ সিহঁক্ দৃঢ় অাজ্ঞা কৰিলে
৩১ বোলে সাৱধান্ কোনোএ যেন্ জৈয়াক্ না জানে কিন্তু
সিহঁতে গৈ তেঁওৰ্ বৰ্ যশস্যা সেইবিলাক্ ৰাজ্যৎ কলে।
৩২   সিবিলাক্ বাজলৈ গলৎ দেখা মানুহে ভুতপোৱা এটা
৩৩ অাঁকৰা মানুহক্ তেঁওৰ্ অাগলৈ অানিলে তেঁও সেই

ভূতক্ খেদালৎ আঁকরা মানুহে কথা কলে তাতে মানুহে
বিস্ময় মানি হুলিলে য়িশর এনেকুরা কোনো কালে
৩৪ দেখা নায়। কিন্তু ফারিশিহঁতে হুলিলে তেঁও ভূৎ
বিলাকক্ ভূতর্ রজার্ হতুরায় খেদোরায়।—
৩৫ পাচে য়িশুএ সিবিলাকর্ নগরৎ আরু গাঁরৎ সিবি
লাকর্ সিনগগৎ শিখায়ঃ আরু রাজ্যর্ শুভ বার্ত্তা
কীর্ত্তন্ করিঃ আরু মানুহর্ মাজৎ যিঃ নরিয়া নপরিয়া
৩৬ আছিল্ তাকে স্বস্ত করিঃ ফুরিলে। তেঁও সেই
মানুহ ভুমক্ দেখি সিহঁতলৈ তেঁওর্ দায়া হল্ কিয়নো
৩৭ সিহঁতে ভাগর্ পাইছিল্ আরু অরক্ষক্ মেহর্ নিচিনা
গোটঃ আছিল্ তেতিয়া তেঁও আপোনার্ ভকৎসকলক্
৩৮ হুলিলে শহ্ আতি সরহ্ কিন্তু মুনিহ্ তাকর্ এয়েরেই
আপোনার্ খান্ দাবলৈ মুনিহহঁতক্ পঠাবলৈ খানর্
গরাকিৎ প্রার্থনা করাগে।—

পর্ব্ব ঊয়ার্ পাচে তেঁও বারে জন্ ভকতক্ মাত্তিআনি অশুচি
১০ আত্মাবিলাকক্ খেদায় পেলাবলৈ সিবিলাবক্ সামর্থ্য
দিলে আরু এটায় নরিয়া নপরিয়া ভাল করিবলৈকো সা
২ মর্থ্য দিলে। বারে জন্ পাঁচনির্ নাম এই প্রথমে শীমোন্ তেঁ
ওর্ প্রখ্যাত নাম পিতর আরু তেঁওর্ ভায়েক্ আন্দ্রি জেব
৩ দির্ পুতেক্ যআকুব তেঁওর্ ভায়েক্ য়োহন ফিলিপ আরু
বাতোলমি আরু তমা আরু মাত্তিও পটোরারি আলফির্
৪ পুতেক্ যআকুব্ আরু লেবি তেঁওর্ প্রসিদ্ধ নাম্ তদী শী
মোন্ কানানি আরু পরর্ হাতৎ তেঁওক্ দিবি দিলে যি
৫ সেই য়িহুদা ইস্কারিওটা এই বারে জনক্ য়িশুএ পঠায় এই
আজ্ঞা করিলে বোলে আন্ দেশর্ মানুহর্ ওচরলৈ না

৬ যাৱা শমৰোণীহঁতৰ্ কোনো নগৰৎ নো সোমাৱা কিন্তু
ৱৰং য়িশ্ৰএলৰ্ বঙহৰ্ হেৰোৱা মেহৰ্ ঠাইলৈহে
যোৱা আৰু গৈ স্বৰ্গৰাজ্য ওচৰ্ এইকথা কীৰ্ত্তন্ কৰিবা।
৭ নৰিয়াপৰা মানুহক্ ভাল্ কৰাগৈ কুঠিয়াহঁতক্ শুদ্ধ
৮ কৰাগৈ মৰাবিলাকক্ তোলাগৈ ভূৎবিলাকক্ খেদো
ৱাগৈ বিনামোলে তোমোলাকে পাইছা বিনামোলে
৯ দিয়া। ৰূপ্ বা সোন্ বা পিতল্ তোমোলাকে জোলোঙ্গাৎ
১০ ন লবা তোমোলাকে বাটৰ্ শমল্ বা দুখান্ কাপড় বা
পইজাৰ্ বা লাখুটি ন লবা কিয়নো যি লটিকায় সি আপোনা
১১ নাৰ্ খাবৰ্ বেহানিৰ্ যোগ্য। কোনো নগৰলৈ কোনো
গাঁৱলৈ গলে তাৎ কোন্ মানুহে আলহি পোহে সুধিবা
১২ আৰু তোমোলাক্ নোযোৱা মানে তাৰ্ ঘৰতে থাকিবা
১৩ কোনো ঘৰলৈ গৈ সিহঁতক্ আশীৰ্ব্বাদ্ কৰিবা যেদি সেই
ঘৰ্ যোগ্য হয় তেৱে তোমোলাকৰ্ সেইকুশল্ সিহঁতলৈ
আহিব কিন্তু যদি সেয়ে যোগ্য ন হয় তেৱে তোমোলাকৰ্
কুশল্ তোমেলাকলৈ ওভতি আহিব কিন্তু যি মানুহে
১৪ তোমোলাকক্ আলহি পুহিব নো খোজে আৰু তোমোলা
কৰ্ কথা নু শুনে তোমোলাকক্ যেতিয়া সেই ঘৰৰ্ পৰা
বা নগৰৰপৰায় যোৱা তেতিয়া তোমালাকৰ্ ভৰিৰ্ ধুলি
জোকাৰি পেলাবা তোমোলাকৎ ময় সুৰূপকৈ কওঁ
১৫ সোধৰ্ দিনা সদম্ দেশৰে আৰু অমৰাহ্ দেশৰে
শাস্তি সেইনগৰৰ্ শাস্তিৎ কৈ তাকৰ্ হব। দেখা কুকুৰ্
১৬ নেচিয়াৰ্ মাজৎ মেহ যেন্ তেনেকৈ ময় তোমোলাকক পঠঁ
ও এয়েৰেই সাপৰ্ নিচিনা চুঙ্কিয়ন্ত আৰু কপৌৰ্ নিচি
১৭ না অহিংসক হোৱা কিন্তু মানুহৎ সাৱধা নে থাকিবা কিয়

নো সিহঁতে তোমোলাকক ৰাজমেলৎ সোধায় দিব সিন
১৮ গগৎ কোৰাব আৰু সিহঁতৰে আৰু অন্যদেশীমানুহবে
অৰ্থে সাকী হবলৈ মোৰঅৰ্থে তোমোলাকক ৰজাভাগ
১৯ ৰিয়াৰ্ আগলৈ নিব কিন্তু যেতিয়া সিহঁতে তোমোলাকক্
সোধায় দিয়ে তেতিয়া কি কথা কম্ বুলি চিন্তা ন কৰিবা কিয়
২০ নো সেইদণ্ডৎ তোমোলাকে বুলিবলগা কথা দিয়া হব। যি
বোলে সি তোমোলাক্ নো হোৱা কিন্তু তোমোলাকৰ্ পিতৃৰ্
২১ আত্মা তোমোলাকৰ্ মাজৎ যি বোলে। ভায়েকে ভায়েকক্
আৰু বাপেকে প্ৰতেকক্ মৃত্যুৎ সোধায় দিব প্ৰতেক্হঁতে
২২ মাক্ বাপেকৰ্ বিৰোধে উঠি সিহঁতক্ বধ কৰাব আৰু
তোমোলাকো মোৰ্ নামৰ্ কাৰোণে এটায় মানুহৰ্ ঘিন
লগা হবা কিন্তু যেয়ে শেহলৈকে সহে সেয়ে ৰক্ষা পাব।
২৩ সিহঁতে তোমোলাকৰ্ এখান্ নগৰৎ অহিত কৰিলে আ
ৰু এখান নগৰলৈ পলায় যাবা কিয়নো তোমোলাকৎ ময়
সঁচকৈ কঁও মানুহৰ্ পুতেক্ অহাৰ্ আগেই য়িশৰ
২৪ এলৰ্ এটায় নগৰ্ তোমোলাকে ফুৰি ন চুকাবা। গুৰুৰ্
ওপৰ্ শিষ্য ন হয় ডাঙ্গৰিয়াহৰ্ ওপৰ্ লগুৱা ন হয়।
শিষ্য গুৰুৰ্ নিচিনা আৰু লগুৱা ডাঙ্গৰিয়াৰ্ নিচিনা যেদি
২৫ হয় তেবে এয়ে ভালেমান্। সিহঁতে ঘৰৰ্ গিৰিহঁতক্
যেদি বেয়লজবৰ্ বোলে তেবে ঘৰৰ্ মানুহক্ আৰু কি
২৬ মান্ বুলিব। এয়েৰেই সিহঁতক্ ন ডৰাবা কিয়নো এ.ন
এ:কো বেহানি ঢকা নায় যি নোলাব এনে কোনো বেহানি
২৭ গুপ্তৎ নায় যিহক্ না জানিব। যিহকে ময় তোমোলা
কৎ এন্ধাৰৎ কঁও তাকে পহৰৎ বোলা আৰু যিহকে
তোমোলাকে কানে শুনা তাকে ঘৰৰ্ চালৰ্ ওপৰৎ কীৰ্ত্তন্

২৮ কৰিবা যিবিলাকে শৰীৰৰ্ বিনাশ্ কৰে জীৱৰ্ বিনাশ্
কৰিব নোৱাৰে সিহঁতৎ ভয় ন কৰিবা কিন্তু যেয়ে জীৱ শ
ৰীৰ্ দুয়োকো নৰকৎ নষ্ট কৰিব পাৰে তেঁওকে ডৰোৱা
২৯ দুটা ঘৰ্চৰায় জানো এযহালৈ নে বেচে কিন্তু সিহঁতৰ্ এটা
ও তোমোলাকৰ্ পিতৃ বিনে মাটিৎ ন পড়ে তোমোলাকৰ্
৩০ মুৰৰ্ চুলি এটায় যানিৰে লেখা আছে এয়েৰেই সিবিলা
৩১ কক্ন ডৰাবা তোমোলাক্ ভালেযান্ ঘৰ্চৰাইৎকৈও
৩২ মূলিয়া হুইচা৷ সেই হেতুকে যেয়ে মানুহৰ্ আগৎ
মোক্ লয় মযো আমাৰ্ স্বৰ্গী পিতৃৰ্ আগৎ তাক্
৩৩ লয়্৷ কিন্তু যেয়ে মানুহৰ্ আগৎ মোক্ ন লয়
মযো৷ আমাৰ্ স্বৰ্গী পিতৃৰ্ আগৎ তাক্
৩৪ ন লয়্৷ময় যেন্ পৃথিবীৰ্ ওপৰৎ কুশল্ দিবলৈ
আহিছোঁ এনেকৈ নে ভাবিবা ময় কুশল্ দিবলৈ অহা
৩৫ নায় কিন্তু তৰোৱাল্ দিবলৈহে৷ কিয়নো প্রতেকক্
আপোনাৰ্ বাপেকৰ বিৰোধী আৰু জীয়েকক্ আপো
নাৰ্ মাকৰ্ বিৰোধী আৰু মাহিমাকৰ্ জীয়েকক্
আপোনাৰ্ মাহিমাকৰ্ বিৰোধী কৰিবলৈ ময়
৩৬ আহিছোঁ৷ আৰু মানুহৰ্ শত্রু তাৰ্ আপোনাৰ্
৩৭ পৰিয়ালেই হব৷ যি মানুহে মাক্ বাপেকক্ মোৎকৈ
সৰহ চেনেহ কৰে সি মোৰ্ যোগ্য ন হয় আৰু যি প্রতেক্
জীয়েকক্ মোৎকৈ সৰহ চেনেহ কৰে সিয়ো মোৰ্
৩৮ যোগ্য ন হয় আৰু যি আপোনাৰ ক্রুশ ন লয় আৰু মোৰ্
৩৯ পিচৎ নাহে সিও মোৰ্ যোগ্য ন হয়৷ যি আপোনাৰ্
প্রান ৰাখে সি তাক্ হেৰুৱাব আৰু যি মোৰৰ্থে
৪০ প্রাণ্ হেৰুৱায় সি তাক্ পাব৷ যি তোমোলাকক্ আল

হি পোৱে সি মোকে আলহি পোৱে আৰু যি মোক্ আলহি
পোৱে সি মিজনে মোক্ পঠিয়ালে তেঁওকে মোকে আল
৪১ হি পোৱে যি আচাৰ্য্যাক্ আচাৰ্য্য বুলি মানি আলহি
পোৱে সি আচাৰ্য্যৰ্ ফল্ পাব আৰু যি পৰমাৰ্থিক্ মানু
হক্ পৰমাথিক্ বুলি জানি আলহি পোৱে সি পৰমাৰ্থিক্
৪২ মানুহৰ্ ফল্ পাব। আৰু যি শিষ্য বুলি জানি এবাটী
ঠেঁচা পানীকে এই সৰু মানুহৰ্ মাজৰ্ এক্ মানু
হক্ পীবলৈ দিয়ে মই তোমোলাক্‌ক সত্যকৈ কঁও তাৰ্
ফল্ কোনোৰূপে অপ্ৰাপ্য নহব।

পৰ্ব্ব জৈয়াৰ্ পাচে য়িশুএ আপোনাৰ্ বাৰে জন্ শিষ্যক্
১ আজ্ঞা দি এঁটায় তাৰ্ পৰা সিবিলাকৰ্ নগৰ্‌ক শিকা
২ বলৈ আৰু কীৰ্ত্তন্ কৰিবলৈ গল্। য়োহনে বন্দিশা
লৰ্ পৰা খ্ৰীষ্টৰ্ বতৰা শুনি আপোনাৰ্ দুজন্ শিষ্যক্‌কৈ
৩ বুলি পঠ্‌ালে বোলে সেই আহিবলগা জন্ তুমি নে বা
৪ আমি আৰু কালোবালৈ অপেক্ষা কৰিম্ য়িশুএ সিবি
লাকক্ উত্তৰ্ দিলে বোলে অন্ধলায় চকু পায় খোৰ্জায়
অহাযোৱা কৰে কুষ্ঠিয়া পৱিত্ৰ হয় কনায় কানে শুনে
মৃতক জীৱন্ পায় আৰু দুখিয়াৰ্ আগ্‌ত শুভবাৰ্ত্তা
৫ কীৰ্ত্তন্ কৰা হয় এইবিলাক্ যি তোমোলাকে দেখিছা শুনি
৬ ছা তেৱাঁকে য়োহনক্ জনোৱাগৈ। আৰু যেয়ে মোৰ্
৭ কাৰ্য্যে বাধিত্ ন হয় সেয়ে ধন্য। সিবিলাক্ গলত্
পাচে য়িশুএ য়োহনৰ্ ফালৰ্ কথা এটায় মানুহৰ্
আগ্‌ত কব ধৰিলে তোমোলাকে হাবিত্ কি দেখিবলৈ
৮ গৈছিলা সেয়ে কি বতাহত্ লৰা এডাল্ নল্ বা কি দেখি
বলৈ গৈছিলা সেয়ে কি কোমল্ কাপড় পিন্ধা এক্ মানুহ

দেখা কোমল্ কাপড় যিবিলাকে পিন্ধে সেইবিলাক্
৯ ৰাজঘৰত থাকে। বা তোমোলাক্ কি দেখিবলৈ গৈছিলা
সেয়ে কি একজন্ আচাৰ্য্য এয়ে হয় আৰু আচাৰ্য্যতকৈও
১০ অতিবড় ঔয়াকে তোমোলাকক্ ময় বোলোঁ। কিয়নো
যাৰ্ অৰ্থে এই লিখিতা আছে দেখা মোৰ্ টেকেলা
তোমাতকৈ আগকৈ ময় পঠাঁও সি তোমাৰ্ আগেই
১১ তোমোৰ্ বাট্ অতোৱাব সেই জন্ তেঁও। সঁচকৈ
তোমোলাকত ময় কঁও যিবিলাক্ তিৰীৰ্ গৰ্ভৰ্ পৰা
উপজিছে সেইবিলাকৰ্ কোনো যোহন্ ডুবঁওতাতকৈ
বড় উপজা নায় কিন্তু যি স্বৰগৰাজ্যৰ্ মাজত সৰু
১২ সি তাতকৈ ডাঙ্গৰ্। ডুবঁওতা যোহনৰ্ দিনৰে
পৰা এতিয়ালৈকে স্বৰ্গৰাজ্য বলাৎকাৰ্ কৰা হৈছে
আৰু ডাঙ্গৰ্ মনেৰে মানুহে বলকৈ তাকে আক্ৰমন্
১৩ কৰে কিয়নো এটায় আচাৰ্য্যৰ্ আৰু শাস্ত্ৰৰ্ কথা যোহ
১৪ নৰ্ দিনলৈকে ভৱিষ্যত্‌কলি কয় আৰু যেদি তোমো
লাকে ঔয়াক্ লৱা তেবে আহিবলগা এলিয়াহ্ এই জন্।
১৫ যাৰে শুনিবলৈ কান্ আছে সেয়ে শুনক্। ময় কাৰে
১৬ সৈতে এতিয়াৰ্ মানুহক উপমিত কৰিম্ যি লৰাহঁতে
আলিবাটত বহি সিহঁতৰ্ সখিয়েকহঁতক্ মাতি বোলে
১৭ আমি তোমোলাকৰ্ আগত বজাইচোঁ কিন্তু তোমো
লাকে না নাচাহঁক্ আমি তোমোলাকৰ্ ওচৰত কান্দি
১৮ চোঁ কিন্তু তোমোলাকে হায় ন কৰাহঁক্ তেনে লৰা
হঁতৰ্ নিচিনা। কিয়নো যোহন্ খায় পী নাহিল্ তাতে
১৯ লোকে বোলে তেঁওৰ্ এটা ভূত আছে। মানুহৰ্ পু
তেক্ খায় পী আহিছে কিন্তু লোকে বোলে দেখা এ

জন্ ভোক্তা আরু মদপী আরু পটোৱাৰী আৰু পাতকীৰ্
মিত্তিৰ্ কিন্তু আপোনাৰ্ লৰাইঁতৰ্ পৰা জ্ঞান্ পৰমা
থিক্ কৰা হয়।—
২০ তেতিয়া যি২বিলাক্ নগৰ২ তেঁও ভালেমান্ আশ্চর্য্য
কর্ম্ম কৰিলে সেই২ নগৰিয়াৰ মন্ নাপালটাৎ তেঁও
২১ তাৰি দিব ধৰিলে হে খোৰাজিন্ তোমাৰ্ সন্তাপ্ হব
হে বৈতসীদা তোমাৰো সন্তাপ্ হব কিয়নো যি২ আশ্চর্য্য
কর্ম্ম তোমাৰ্ মাজৎ কৰা গৈছে সেয়ে সূৰতে আৰু সি
দোনতে যেদি কৰা হল্হেঁতেন্ তেবে সিহঁতে ভালে দিনৰে
পৰা চট্ আৰু ভস্ম গাৎ লৈ অনুশোচ কৰিলেহেঁতেন্।
২২ কিন্তু তোমোলাকৎ ময় কঁও শোধিৰ্ দিনা সূৰৰে আৰু
২৩ সিদোনৰে তোমোলাকৎকৈ যাতনা সহনীয় হব। হে
স্বর্গময় ওপ কাপৰনহুম তয় নৰকৎ পৰিবি কিয়নো যি
আশ্চর্য্য কর্ম্ম তোৰ্ মাজৎ প্রকাশ্ হল্ সেই কর্ম্ম যেদি
সদমৎ কৰিলোঁহেঁতেন্ তেবে সি আজিলৈকে থাকিল্
২৪ হেঁতেন্ কিন্তু তোমোলাকৎ ময় কঁও শোধিৰ্ দিনা সদমৰ্
২৫ যাতনা তোৰ্ যাতনাৎকৈ সহনীয় হব। সেই বেলা
যিশুএ মাৎ লগায় কুলিলে হে পিতৃ স্বৰ্গৰো পৃথিবীৰো
ঈশ্বৰ্ তোমাক্ স্তুতি কৰোঁ যি তুমি জ্ঞানৱন্ত আৰু বুদ্ধি
মন্ত মানুহৎ ঈয়াকে গুপ্ত কৰিলা আৰু বালকৰ্ আ
২৬ গৎ প্রেচিক্ কৰিলা। হে পিতৃ এনে হোক্ কিয়নো এনে
২৭ তোমাৰ্ ঈচ্ছা। আমাৰ্ পিতৃএ সকলো বেহানি মোৰ্ হা
তৎ সোধায় দিলে আৰু পিতৃ বিনে আন্ কোনেও পুত্রে
ক নে জানে আৰু এনে পুত্রেক্ পুত্রেকে ও যাৰ্ আগৎ
দেখুৱাব খোজে এই দুয়োকো এড়ি আৰু কোনেও বাপে

২৮ কৰ্ক নে জানে। হে শ্ৰান্ত আৰু ভাৰপীড়িৎহঁৎ তহঁত্
মোৰ্ কোষৰৈল আহ্ ময় তহঁতক্ জিৰণী দিম্ মোৰ্
২৯ যুৰলী বহঁক্ আৰু মোৰ্ স্বথে সিখ্ কিয়নো ময় লাৰুন্য
৩০ আৰু মনৎ অনভিমানী জৈয়াত্তে তহঁত্তে মনৰ্ জিৰণী
পাবি কিয়নো মোৰ্ যুৰলী সুগম্ আৰু মোৰ্ বোঝা লঘু।

পৰ্ব্ব সেই কালৎ য়িশু শাবৎ বাৰে খেতিৰ্ মাজ দি যায়
১২ তেনেত্তে তেঁওৰ্ শিষ্য সকলে ভোক্ লাগিলৎ চেঁয়চিৰি
২ খাব ধৰিলে পাচে ফাৰিশিহঁতে তাকে দেখি তেঁওক্ কৈ
লিলে বোলে দেখা তোমাৰ্ শিষ্যবোৰে শাবত বাৰে কৰিব
৩ নো পোৰা কৰম্ কিয় কৰে তেঁও সিহঁতক্ কৈলিলে বোলে
দাওদে আৰু তেঁওৰ লগৰ্ মানুহেও ভোক্ লাগিলৎ কি
৪ কৰিছিল্ তহঁতে তাক্ পঢা নায় নে তেঁও ঈশ্বৰৰ্ ঘৰ
লৈ গৈ যি তেঁওৰ্ আৰু তেঁওৰ্ লগৰ্ মানুহবোৰ খা
ইবা কিন্তু কেৱল্ পুৰোহিৎহঁতৰ্ খাদ্য সেই দেখ্য
৫ নিয়াৰ্ পিঠা তাকে খালে। অথবা পুৰোহিৎহঁতে
যেনেকৈ মন্দিৰৎ শাবৎবাৰে অপবিত্ৰ কৰি নিৰপৰাধী
৬ হয় জৈয়াকো জানো তোমোলাকে শাস্ত্ৰৎ পঢা নায়। কিন্তু
ময় তোমোলাকৎ কঁও জৈয়াৎ মন্দিৰৎকৈও বড় এজন্
৭ আছে। কিন্তু ময় দায়া খোজোঁ বলিদান্ নো খোজোঁ যেন্
যেদি তোমোলাকে জৈয়াৰ্ অৰ্থ জানিলাহেঁতেন্ তেৱে
৮ নিৰ্দোষীহঁতক্ দোষী নো বোলা কিয়নো মানুহৰ্ পুতেক্
শাবৎ বাৰৰ্ অধিকাৰ্।
৯ পাচে তেঁও তাৰ্পৰা আহি সিবিলাকৰ্ সিনগগলৈ গল্
১০ আৰু দেখা তাতে এক্ কোষা মানুহ আছিল্ তাতে

সিহঁতে য়িশুক অপৰাধী কৰিবলৈ এই বুলি তেওঁক সু
১১ ধিলে বোলে শাবৎ বাৰে সুস্থ কৰিব পায় কি না পায় তেওঁ
সিহঁতক বুলিলে যাৰ এটা মেহ আছে যেদি সেই মেহ
শাবৎবাৰে গাতৎ পৰে তেবে তাক তেজাদি যি
নো তোলে তোমালোকৰ মাজৎ এনে কোন আছে।
১২ তেবে মেহৎকৈ মানুহ কিমান বড় এয়েৰেই শাবৎ
১৩ বাৰে শুভ কৰ্ম্ম কৰিবলগা। তেতিয়া তেওঁ সেই
মানুহক বুলিলে তোৰ হাৎ মেল পাচে সি হাৎ মেলি
লৎ সেই হাৎ আন হাতৰ নিচিনা ভাল হল।—
১৪ তেতিয়া ফাৰিশিহঁতে গৈ কেনেকৈ তেওঁক বিনাশ
১৫ কৰিব তেওঁৰ বিনাক্কে ঔয়াৰে আলচ কৰিলে। কিন্তু য়িশুএ
তাকে জানি তাৰ পৰা গুচি গল আৰু এজুম মানুহ তেওঁৰ
১৬ পিচৎ গল আৰু সেইবিলাকক তেওঁ সুস্থ কৰিলে আৰু
১৭ য়িশায়িয়াহ আচাৰ্য্যে যি কথা কৈছিল সেই কথায় পুৰণ
হবলৈ তাকে ন জনাবলৈ সিহঁতক আজ্ঞা কৰিলে সেই
কথায় এই মোৰ যি সেৱকিয়াক ভাল পাইচোঁ মোৰ
১৮ যি প্ৰিয়ৎ মোৰ মনৰ সন্তোষ তাকে দেখা মোৰ আত্মা
তেওঁৰ ওপৰৎ থম পাচে তেওঁ আন দেশৰ মানুহৰ
১৯ আগৎ বিৰ্ম্ম প্ৰৌচক কৰিব তেওঁ কোলাহলন কৰে আৰু
বড় এটাহ নে পাৰে আৰু পদ্মলিৎ কোনো মানুহে তেওঁৰ
২০ আৰাৱ ন শুনে তেওঁৰ জয় ন হয় মানলৈকে নিয়ায় প্ৰকাশ
ন কৰি ছেপেটো নলো নে ভাঙ্গে আৰু তেওঁ ধুঁমাযুক্ত
২১ কোঁহা ন কুমায় আৰু আন দেশৰ মানুহে তেওঁৰ নামৎ
বিশ্বাস কৰিব।—
২২ তেতিয়া তেওঁৰ কোষৰলৈ ভুতেপোৱা আৰু অন্ধলা

আন্ধখঁ কৰা এনে এক মানুহক আনিলে পাচে তেঁও
যেনেকৈ সেই অন্ধলায় আৰু খাঁকবায় দেখিব আৰু
কথা কব পাৰে সেই ৰূপে তাক সুস্থ কৰিলে। এটায়
২৩ মানুহে বিস্ময় মানি টুলিলে বোলে এঁও দাঔদৰ্ পুতেক্
২৪ ন হয় নে পাচে ফাৰিশিহঁতে জৈয়াকে শুনি টুলিলে ভুতৰ্
ৰজা ব অলজবৰৰ্ হতুৱায় ন হলে জৈ ভুৎ নে খেদায়।
২৫ পাচে যিশুএ সিহঁতৰ্ মনৰ্ কথা বুজি টুলিলে পুতি
ৰাজ্য আপুনি বিৰোধ্ লগায় বেলেগ্ হ্বই হাৰি হয়
আৰু পুতি নগৰ্ বা ঘৰো আপোন্ বিৰোধে বেলেগ্
২৬ হ্বই চিৰস্থায়ী ন হয় আৰু শয়তানে যেদি শয়তানক্ এ
ডুৱায় তেবে সি আপোনাৰ্ বিৰোধেই বেলেগ্ হয় এয়ে
২৭ ৰেই তেঁওৰ্ ৰাজ্য কেনেকৈ চিৰস্থায়ী হ্বব। আৰু মযো
যেদি বঅলজবৰৰ্ হতুৱায় ভুৎবিলাকক্ খেদঁও তেবে
তোমোলাকৰ্ লৰাহঁতে কাৰ্ হতুৱায় সিহঁতক্ খেদায়
এয়েৰেই সিহঁৎ তোমোলাকৰ্ শোধিব্ অধিকাৰ্ হ্বব।
২৮ কিন্তু যেদি ময় ঈশ্বৰৰ্ আতমাৰ্ হতুৱায় ভুৎবিলাকক্
খেদোঁ তেবে ঈশ্বৰৰ্ ৰাজ্য তোমোলাকৰ্ ওচৰলৈ আহি
২৯ চে। আৰু বলী মানুহৰ্ ঘৰৎ সেই বলী মানুহক্
না বান্ধি কোনে সোমায় তাৰ বেহালি নষ্ট কৰিব পাৰে।
কিন্তু তাক্ বান্ধি তাৰ্ ঘৰ বিনাশ্ কৰিব। যি মানুহ
মোৰ্ লগৰ্ ন হয় সি মোৰ্ বিপক্ষ আৰু যি মানুহে
৩০ মোৰ্ লগৎ ন চপায় সি এডুৱায় পেলায়।—
৩১ এয়েৰেই তোমোলাকৎ ময় কঁও এটায় বিধি পাতক্ আৰু
নিন্দা মানুহবিলাকৰ্ মৰষিব লাগে কিন্তু ধৰ্ম্মাত্মাৰ্
পুতি যি নিন্দা সেই মানুহবিলাকক্ পুতি মৰষিব না

৩২ লাগে। যি কোনোএ ৰ্মানুহ পুত্ৰেকৰ্ বিপক্ষে কথা কয়
তাৰ্ মৰ্ষণ্ হব কিন্তু যি কোনোএ ধৰ্ম্মাত্মাৰ্ বিপক্ষে
কিবা কয় ঔহকালে আৰু পৰকালে কদাচিতো তাৰ্ মৰ্ষণ
৩৩ ন হব। গছ আৰু তাৰ্ গুটি এই দুয়োকো
ভাল্ কৰা অথবা গছ আৰু তাৰ্ গুটি এই দুয়োকো
৩৪ বয়া কৰা যি হেতুক্ গুটিতে গছ চিনা যায়। হে সাপৰ্
বঙহ্ তহঁৎ বয়া হই ভাল্ কথা কবি কেনেকৈ কিয়নো
৩৫ মনৰ্ পৰা মুখে কথা কয়। ভাল্ মানুহে আপোনাৰ্ মন্
ভৰাঁলৰ্ পৰা সজ্ বেহানি ওলিয়ায় আৰু বয়া মানুহে
৩৬ আপোনাৰ্ দুষ্ট মন্ ভৰাঁলৰ্ পৰা দোষ ওলিয়ায়। কিন্তু
তোমোলাকৎ ময় কঁও যি যি মানুহে অকৰণ্ কথা কয়
৩৭ শোধিৰ্ দিনা তাৰ্ হেতু সিহঁতে কব লাগিব কিয়নো
তোমাৰ্ কথাৰ্ দোৱাৰায় তুমি পৰমাৰ্থিক্ হবা আৰু
তোমাৰ্ কথাৰ্ দোৱাৰায় তুমি অপৰাধীয়া হবা।—
৩৮ তেতিয়া অধ্যাপকৰ্ আৰু ফাৰিশিহঁতৰ্ কেতেটি মা
নুহে মাৎ লগালে বোলে হে প্ৰভু তোমাৰ্ হেতুক্ আমি
৩৯ কোনো চিন্ চাব খোজোঁ পাচে তেঁও সিবিলাকক্ উত্তৰ্ দিলে
বোলে দুৰ্জনে আৰু পৰস্ত্ৰীহাৰকেহে চিন্ বিচাৰে কিন্তু
য়োনাহ্ আচাৰ্য্যৰ্ চিন্ বিনে আৰু কোনো চিন্ সিহঁতক্
৪০ দেখাব নে লাগে। কিয়নো যেনেকৈ য়োনাহ্ তিনি দিন্
তিনি ৰাতি বড় মাছৰ্ পেটৎ আছিল্ তেনেকৈ মানুহৰ্
৪১ পুত্ৰেক্ পৃথিবীৰ্ ভিতৰৎ তিনি দিন্ তিনি ৰাতি থাকিব। শো
ধিৰ্ বেলা নিনিবেহৰ্ মানুহে এইবিলাক্ মানুহৰ্ বিপক্ষ
হই সিহঁতক্ অপৰাধিয়া কৰিব কিয়নো য়োনাহৰ্ কীৰ্ত্তনৎ
সিহঁতে মন্ পালটালে কিন্তু দেখা য়োনাহৎকৈ বড়

৪২ এজন্ জৈয়াৎ আছে। দক্ষিন্ দেশৰ্ কুঁৱৰীএ এই মানুহ
হে সৈতে শেষৎ থিয় হুই নিহঁতৰ্ জগৰ্ গুলিয়াৰ যি
হেতুক্ তেঁও পৃথিবীৰ্ সীমাৰ্ পৰা শলমনৰ্ বিদ্যা শুনি
বলৈ আহিল্ কিন্তু দেখা শলমাৎকৈ বড় এজন্ জৈয়াৎ
৪৩ আছে। অশুচি আত্মায় যেতিয়া মানুহক্ এৰি যায়
৪৪ তেতিয়া জিৰনি বিচাৰি শুকান্ ঠায়ে দি গতি কৰে কিন্তু
তাকে নে পায় তেতিয়া সি বোলে মোৰ্ যি আশ্ৰয়ৰ্ পৰা
আহিলোঁ তালৈকে ময় ওভতি যাঁও আৰু গলে তাক্
৪৫ অতোৱা আৰু সজোৱা পায় পাচে সেই ভুৎ গৈ আ
পোনাৎকৈও দুষ্ট আৰু সাৎ আত্মাক্ লগৎ লৈ নিহঁতে
সৈতে সোমায় তাতে বাহ্ লয় সেইহেতুক সেই মানুহৰ্
পাচে আগৎকৈও বয়া হয় এই পাতকি মানুহবিলা
কাৰো এনে হব।—
৪৬ তেঁও মানুহে সৈতে কথা কৈছিল্ সেই বেলা দেখা
তেঁওৰ্ মাকে আৰু তেঁওৰ্ ভায়েকহঁতে বাজৎ থিয় হুই
৪৭ তেঁৰে সৈতে কথা কৰ খুজিলে। তেতিয়া এক্ মানুহে
তেঁওৎ কলেগৈ বোলে তোমাৰ্ মাৰায় আৰু তোমাৰ্
ভায়াহঁতে বাজৎ থিয় হুই তুমিএ সৈতে কথা কৰ
৪৮ খোজে। কিন্তু যি মানুহে তেঁওৎ কৈছিল্ তাৰে আগৎ
তেঁও ওত্তৰ্ কৰিলে বোলে মোৰ্ আয় কোন্ আৰু
৪৯ মোৰ্ ভায়হঁৎ বা কোন্। পাচে তেঁও আপোনাৰ্ শিষ্য
সকলৈলৈ হাৎ মেলি দেখুৱালে বোলে মোৰ্ আয় আৰু
৫০ ভায়হঁতো এই দেখা কিয়নো যেয়ে আমাৰ্ স্বৰগি পিতৃৰ্
মন্নাতে কৰ্ম্ম কৰে সেয়ে মোৰ্ ভায়ো ভনীও আয়ো।—

পৰ্ব্ব সেই দিনা য়িশু ঘৰৰ্ পৰা গৈ সাগৰৰ্ তীৰৎ বহিল্

২ গৈ তাতে বড় এজুম্ মানুহ তেঁওৰ্ ওচৰৎ চাপিল্ হি
পাচে তেঁও নাৱৎ উঠি বহিল্গৈ এটায় মানুহ বামতে
৩ থিয় হল্। পাচে তেঁও দৃষ্টান্ত দি ভালেমান্ কথা সিহঁতৰ্
আগৎ কলে বোলে দেখা এক্ খেতিয়ক্ কঠিয়া সিঁচি
৪ বলৈ গল্ পাচে সি কঠিয়া সিঁচোতে কেতেটি কঠিয়া বাটৰ্
কাষৰৎ পড়িল্ পাচে চৰায়ে আহি তাক্ খায় পেলালে।
৫ কেতেটি কঠিয়া শিলনীৎ পড়িল্ যতে সৰহ মাটি নায়
৬ গহন্ মাটি ন থকাৎ লগতিলেই সি গজিল্ কিন্তু বেলী
ওলালৎ সি পুৰি গল্ তাৰ্ শিপা নোহোৱাৎ শুকায়
৭ গল্। আৰু কেতেটি কাঁটাল্ গছনীৰ্ মাজৎ পড়িল্
৮ পাচে কাঁটাল্ গছ বাঢি তাক্ মাৰি পেলালে। আৰু
৯ যিবিলাক্ কঠিয়া ভাল্ মাটিৎ পড়িল পাচে কোনোএ এশ
গুণ্ কোনোএ ষাঠি গুণ্ কোনোএ ত্ৰিশ্ গুণ্ গুটি ধৰিলে
যাৰে শুনিবলৈ কাণ্ আছে সেয়ে শুনুক্।
১০ তাতপাচে শিষ্য সকলে আহি তেঁওক্ সুধিলে বোলে
এই মানুহ বিলাকৰ্ আগৎ দৃষ্টান্ত দি কথা কিয় কৈছা।
১১ তেঁও সিবিলাকক্ উত্তৰ্ দিলে বোলে তোমালোকক্ স্বৰ্গৰা
জ্যৰ্ গুপ্তৎ কথা জানিবলৈ দিব লগা হয় কিন্তু ঔহঁতক্
১২ দিব লগা ন হয় এইহেতুক্। কিয়নো যাৰে আছে তাকে
দিব লাগে আৰু সি ভালেমান্ পাব কিন্তু যাৰ্ নায়
তাৰ্ যিং আছে তাকো তাৰ্পৰা আনিব লাগে। এই
১৩ হেতুক্ মই সিহঁতৰ্ আগৎ দৃষ্টান্ত দি কথা কওঁ কিয়নো
সিহঁতে দেখিও নে দেখে আৰু শুনিও ন শুনে আৰু ন
১৪ বুঝেও। এয়েৰেই য়িশায়াহ্ যি আচাৰ্য্যৰ্ কথা কলে
বোলে শুনোঁতেং তোমালোকে শুনিবা কিন্তু ন বুঝা আৰু

১৫ দেখোঁতেং দেখিবা কিন্তু নে জানা কিয়নো এই মানুহৰ্
হুঁদ্ধি ভোতোহা সিহঁতৰ্ শুনিবলৈ কানো গধুৰ্ আৰু
সিহঁতে আপোনাৰ্ চক্ষু জঁপায় আছে পাচে কোনো কালৎ
সিহঁতে চক্ষুৰে দেখা পায় আৰু কানেৰে শুনিবলৈ পায়
আৰু হুঁদ্ধিৰে হুঁঝিব পাৰি ওভতে তাতে ময় সিহঁতক্
ভাল্ কৰোঁ এই বোৰ্ কথা সিহঁতৰ্ মাজৎ পূৰণ্ আছে।
১৬ কিন্তু তোমোলাকৰ্ চক্ষু ধন্য কিয়নো সিহঁতে দেখে আৰু
তোমোলাকৰ্ কানো ধন্য কিয়নো সিহঁতে শুনে। তোমো
১৭ লাকৎ ময় নিশ্চয়কৈ কঁও তোমোলাকে যিহকে দেখা
তাকে ভালেমান্ আচাৰ্য্যে আৰু পৰমাৰ্থিক্ মানুহে
দেখিবলৈ ঔচ্ছা কৰে কিন্তু দেখিবলৈ নে পায় আৰু
যিহকে তোমোলাকে শুনা তাকো শুনিবলৈ ঔচ্ছা কৰে
কিন্তু শুনিবলৈ না পায়।—
১৮ এয়েৰেই তোমোলাকে সেই কঠিয়া সিঁচা মানুহৰ্
১৯ দৃষ্টান্তৰ্ অৰ্থ শুনা। যেতিয়া কোনোএ ৰাজ্যৰ্ কথা
শুনি নু হুঁঝে তেতিয়া সেই পাপপুৰুষ্ আহি
যিহকে তাৰ্ আশয়ৎ সিঁচা গল্ তাকে লৈ যায় বাটৰ্
২০ কাষৰৎ যি কঠিয়া পৰিল্ সেয়ে এই। কিন্তু শিল
নীৎ যি কঠিয়া পৰিল্ সেয়ে এই যি কথা শুনি তেতি
য়াৎ হৰষিৎ মনে তাকে গ্ৰহণ্ কৰে কিন্তু আপোনাৰ্
২১ মাজৎ শিপা নায় এইহেতুকে অলপ্ দিন্ মাতোন্ থাকে
কিয়নো কথাৰ্ নিমিত্তে দুখ বা শত্ৰুতা ওপজে হলে
২২ অলপ্ কালৰ্ পাচেই তাৰ্ বাধিৎ হয়। কঁটালৰ্
গছৰ্ মাজৎ যি কঠিয়া পৰিল্ সেয়ে এই যি মানুহে
কথা শুনি বিষয় চিন্তায় আৰু ধনাকাঙ্খায় সেই কথা

২৩ যায় পেলায় তাতে বিফল্ হুই যায়। কিন্তু ভাল্
মাটিত্ যি কঠিয়া পড়িল্ সেয়ে এই যি মানুহে কথা শুনি
বুজে আরু তাবে কোনোএ এশ গুণ্ কোনোএ ষাঠি গুণ্
কোনোএ ত্রিশ্ গুণ্ ফল্ ধৰে।—
২৪ পাচে তেঁও আরু এক্ দৃষ্টান্ত দি সিইঁতৰ্ আগৎ
কলে বোলে স্বৰ্গৰাজ্য কোনো এজনৰ্ নিচিনা যি আপো
নাৰ্ পথাৰৎ ভাল্ কঠিয়া সিঁচিলে কিন্তু যেতিয়া মা
২৫ নুহ টোপনিৎ আছিল্ সেই বেলা তাৰ্ শত্রুএ আহি
২৬ ধাননিৰ্ মাজৎ বন্ গুটি সিঁচি গুচি গল্। পাচে যে
২৭ তিয়া পাৎ-বাহি গুটি ধৰিলে তেতিয়া বননী উলি জানিলে
এয়েৰেই সেই গিৰিহঁতৰ্ বন্দিহঁতে আহি তেঁওক্
উলিলে হে বাপুদেৱ তোমাৰ্ পথাৰৎ তুমি জানো
২৮ ভাল্ কঠিয়া সিঁচা নায় তেবে কৰ্পৰা এই বন্ হল্।
তেঁও সিহঁতক্ উলিলে কোনোবা সত্ৰুএ জয়াকে কৰিলে।
বন্দিহঁতে তেঁওক্ উলিলে তেবে কি আমি গৈ সেই
২৯ বিলাক্ ওভালি গোটাম্ কিন্তু তেঁও উলিলে সি ন হয়
জানিকি তহঁতে সেই বন্ ওভালোঁতে ধানো তাৰ্ লগ
৩০ তে ওভাল ধান্ ন পকে মানলৈকে দুয়ো একেলগে বা
ঢেক্ পাচে দাবৰ্ কালৎ ময় ধান্ দোৱাওঁতক কয়্
আগেই বন্‌বিলাক্ গোটায় পুৰিবলৈ বোজা বান্ধ
পাচে ধান্ আমাৰ্ ভৰালৎ চপাবিহঁক্।—
৩১ তেঁও আরু এক্ দৃষ্টান্ত দি সিহঁতৰ্ আগৎ কলে বোলে
স্বৰ্গ ৰাজ্য এনে এটি শৰীয়হ গুটিৰ্ নিচিনা যিহকে কো
৩২ নো মানুহে আনি আপোনাৰ্ পথাৰৎ সিঁচিলে। এটায়
কঠিয়াৰ্ মাজৎ সৰু হয় কিন্তু বাঢ়ি শাকৰ্ মাজৎ ডাঙ্গৰ্

হয় আৰু গছ হই যায় পাচে পখাৰৰ্ চৰায়ে আহি
৩৩ তাৰ্ ডালত্তে বাহ্ লয় । তেঁও আৰু এক্ দৃষ্টান্ত দি সিহঁ
তৰ্ আগৎ কলে বোলে স্বৰ্গ ৰাজ্য খমিৰৰ্ নিচিনা যি
হকে কোনো তিৰোতায় তিনি দোন্ পিঠাগুৰিৰ্ মাজৎ
এটায় খমিৰ্ হোৱালৈকে ঢাকি থলে ।—
৩৪ যিহকে আচাৰ্য্যে কৈছিল্ বোলে যয় দৃষ্টান্ত দি কবলৈকে
মুখ্ মেলিম্ যেয়ে জগতৰ্ উৎপত্তি হবৰেপৰা গুপ্তৎ
হই আছিল্ সেই কথাকে যয় প্ৰকাশ্ কৰিম্ সেয়ে
৩৫ পূৰণ্ হবলৈ এই বিলাক্ কথা দৃষ্টান্তেৰে যিশুএ সেই
মানুহ জুমৰ্ আগৎ কলে আৰু দৃষ্টান্ত ব্যতিৰেকে সিহঁ
তৰ্ আগৎ ন কলে ।—
৩৬ যিশুএ সেই মানুহজুমক্ পাঁচি দি ঘৰলৈ গলৎ পাচে
তেঁওৰ্ শিষ্য সকলে আহি তেঁওৰ্ আগৎ কলে বোলে
ভাল্ কৈ সেই পথাৰৰ্ বনৰ্ দৃষ্টান্তৰ্ কথা আমাৰ্
৩৭ আগৎ কওক্ । তেঁও মাৎ লগায় সিবিলাকক্ টুলিলে
বোলে যি মানুহে ভাল্ কঠিয়া সিঁচে সেয়ে মানুহৰ্
৩৮ পুত্ৰেক্ । সেই পথাৰেই এই জগৎ সেই ভাল্ কঠি
য়ায় ৰাজ্যৰ্ লৰাহঁত্ কিন্তু বন্ গুটি পাপপুৰুষৰ্
৩৯ লৰাহঁৎ যি শত্ৰুএ তাকে সিঁচিলে সেয়ে শয়তান্ শহ
এই জগতৰ্ অন্তকাল্ আৰু দাঁন্ দোৱা মানুহেই
৪০ ঈশ্বৰৰ্ দূৎ । এয়েৰেই যেনেকৈ বন্ গোট্ খায় জু
ইৎ পুৰি যায় সেইৰূপ্ এই জগতৰো অন্তকালে হব ।
৪১ মানুহৰ্ পুত্ৰেকে আপোনাৰ্ টেকেলাহঁতক্ পঠায় দিব
আৰু সিহঁতে তেঁওৰ্ ৰাজ্যৰ্পৰা এটায় ব্যাঘাত্ কৰোঁতা

বেহানিক্‌ আৰু অপৰমাৰ্থিক্‌ মানুহক্‌ গোটায় অগ্নি
৪২ কুণ্ডৎ পেলাব সেই ঠাইৎ ক্ৰন্দন আৰু দাঁৎকৰ্ক্ক
৪৩ ৰণী। সেই কালৎ পৰমাৰ্থিক্‌ সকলে সিবিলাকৰ্‌
পিতৃৰ্‌ ৰাজ্যৎ সূৰ্য্যৰ্‌ সমান্‌ শোভা কৰিব। যাৰে
শুনিবলৈ কাণ্‌ আছে সেয়ে শুনক্‌।—

৪৪ আৰু স্বৰ্গৰাজ্য পথাৰৎ লুকায় থোৱা ধনৰ্‌ নিচিনা
যিহকে পায় গুপ্তৎকৈ থয় তাৰ্‌পাচে আনন্দিৎ হই
আপোনাৰ্‌ যিৎ আছে তাকো বেচে আৰু সেই পথাৰ্‌
কিনে।—

৪৫ আৰু স্বৰ্গৰাজ্য চিকোন্‌ মুকুতা বিচৰা এক্‌ বনিজাৰ্‌
৪৬ নিচিনা সি বহুমুলিয়া এক্‌ মুকুতা পায় গৈ আপোনাৰ্‌
এটাইহকে বেচি তাকে কিনে।—

৪৭ পুনু স্বৰ্গৰাজ্য এনে জালৰ্‌ নিচিনা যিহকে সাগৰৎ
৪৮ পেলায় এটায় বিধ্‌ বেহানি চপায় পাচে জাল্‌ ভৰিলে
মানুহে বামলৈ তুলি এটায়ে বহি ভাল্‌ বেহানি এটা
দিহৎ গোটায় ললে কিন্তু বয়াবিলাক্‌ পেলায় দিলে।
৪৯ ব্ৰহ্মাণ্ডৰ্‌ অন্তকালেও তেনে হব দুত্‌ সকলে আহি পৰ
মাৰ্থিক মানুহৰ্‌ মাজৰ্‌পৰা দুৰ্জন্‌বিলাকক্‌ বাচিৎ
৫০ পেলাব আৰু সিহঁতকে অগ্নিকুণ্ডৎ পেলাব সেই ঠাইৎ
ক্ৰন্দন্‌ আৰু দাঁত কৰ্কৰণী।—

৫১ যিশুএ সিবিলাকক্‌ সুধিলে এইবিলাক কথা তোমোলাকে
৫২ বুজিছা নে সিবিলাকে সুধিলে প্ৰভু বুজিছোঁ। তাতে
তেঁও সিবিলাকক্‌ সুধিলে এয়েহেই স্বৰ্গৰাজ্যৰ্‌ কথা
সিখাপিৎ অধ্যাপক্‌ আছে তেঁও আপোনাৰ্‌ ভঁৰালৰ্‌পৰা
ন পুৰণী বেহানি ওলিয়োৱা গিৰিহতৰ্‌ নিচিনা।—

৫৩ যিশুএ এই পটল্ কৈ এটায় তাৰ্পৰা গল্গৈ পাচে
৫৪ আপোনাৰ্ দেশত্ থাকি সিবিলাকৰ্ সিনগগত্ শিখা
লে তাতে মানুহে বিস্ময় মানি হুঁলিলে কৰ্পৰা ঔয়াৰ্
এইবিলাক্ গিয়ান্ আৰু আশ্চৰ্য্য কৰ্যা হল্। ঔ
৫৫ জানো বাঢৈৰ্ পুতেক্ ন হয় ঔয়াৰ্ মাকৰ্ নায়্
জানো মাৰিয়া ন হয় আৰু ঔয়াৰ্ ভায়েকহঁৎ জানো
য়খাবৰ আৰু য়োসিস্ আৰু শিমোন্ আৰু যিহুদাই ন
হয়ত্তুাৰ্ ভনীয়েক্হঁৎ জানো এটায় আমাৰ্ এথেৎ ন
৫৬ হয়। তেৱে ঔয়াৰ্ এই বিলাক্ সামৰ্থ্য কৰ্পৰা হল্ এয়ে
৫৭ ৰেই সিহঁত্ তেঁওৎ বাধিৎ হল্। কিন্তু যিশুএ সিহঁতক্
হুঁলিলে আচাৰ্য্য আপোনাৰ্ দেশক্ আৰু ঘৰক্ বাতি
৫৮ ৰেকে অমৰ্য্যাদী ন হয়। তেঁও সিহঁতৰ্ অমনতোত
দেখি তাৎ বহু অদ্ভুৎ কৰ্ম্ম ন কৰিল।

পৰ্ব্ব সেই কালৎ চাৰিভাগৰ্ ৰজা হেৰোদে যিশুৰ্ যশস্যা
১৪ শুনি তেঁওৰ্ লগুৱাহঁতৎ কলে বোলে এই য়োহন্
হুঁড়ুওতা সেই মৃত্যুৰ্পৰা উঠিল্ এইহেতুক্ তেঁওৰ্
৩ এই অসম্ভাৰা মহিমা প্ৰকাশ্ হইছে। কিয়নো হেৰোদ
আপোনাৰ্ ভায়েৰাৰী ফিলিপৰ্ মৈনীয়েক্ হেৰো
দিয়াৰ্ নিমিত্তে য়োহনক্ ধৰি বান্ধিছিল্ আৰু বন্দি
৪ শালৎ থৈছিল্। কিয়নো য়োহনে হুঁলিছিল্ তাইক্
৫ বিয়া কৰা ওচিৎ ন হয়। কিন্তু তেঁওক্ মাৰিব খুজিলে
মানুহৎ ভৰ্ কৰিলে কিয়নো তেঁও আচাৰ্য্য যেন্ ঔয়াকে
৬ সিহঁতে জানিলে। পাচে হেৰোদৰ্ তনম্ দিন্ হল্
সেই কালৎ হেৰোদিয়াৰ্ জীয়েকে সিবিলাকৰ্ আগৎ
৭ নৰ্ত্তন্ কৰি হেৰোদক্ সন্তোষ্ কৰিলে তেঁওৎ তাই যি

হবে যুজিব তাকে তাইক্ দিবলৈ অঙ্গিকাৰ্ কৰিলে
৮ তাই মাকৰ্ মুখে আগেই শিখি আহি কুলিলে
বোলে তুমি এটা দিহৎকৈ যোহন্ ডুবুওতাৰ্ মূৰ্ মোক্
৯ দিয়া। তাতে ৰজাৰ্ মনৎ অসন্তোষ্ লাগিল্ কিন্তু
সেই অঙ্গিকাৰৰ্ নিমিত্তে আৰু যিবিলাক্ তেঁওৰ্
লগৎ খাবলৈ বহিল্ সিহঁতৰো নিমিত্তে সেই আজ্ঞা
১০ দিলে এইহেতুকে তেঁও মানুহ পঠাই দি বন্দিশালৎ তেঁওৰ্
১১ মূৰ্ কটালে পাচে এটা দিহৎ ভৰি তেঁওৰ্ মূৰ্ আনি
১২ ছোৱালিক্ দিলে পাচে তাই সেই মূৰ্ তাইৰ্ মাকৰ্
হাতৎ দিলে। পাচে তেঁওৰ্ শিষ্য সকলে আহি
১৩ গাঁৰিতোষৰ্ নি মইদাম্ বান্ধি থলে তাৰ্পাচে গৈ যি
শুৎ বতৰা কলে। যিশুএ সেই কথা শুনি লুকায় নাৱৎ
উঠি হাবিলৈ গল্ আৰু মানুহবিলাকেও তাকে শুনি
ভৰেদি এটায় নগৰৰ্পৰা তেঁওৰ্ পিচৎ গল্। যিশুএ
১৪ বাজলৈ গৈ বড় এজুম্ মানুহ দেখিলে পাচে সিহঁতলৈ
দয়াযুক্ত হই সিহঁতৰ্ নৰিয়াপৰা মানুহক্ ভাল্ কৰি
লে। পাচে সন্ধিয়া বেলা হলৎ তেঁওৰ্ শিষ্য সকলে
১৫ তেঁওৰ্ আগৎ আহি কুলিলে এই হাবি ঠায় বেলিও গধু
লি হল্ নগৰলৈ গৈ আপোনং খাবষ্বেহানি কিনিবলৈ
১৬ মানুহজুমক্ বিদায় দিয়োক্। পাচে যিশুএ সিবিলাকক্
কুলিলে সিহঁৎ যাবৰ্ প্ৰয়োজন্ নায় সিহঁতক্ খাবলৈ
১৭ দিয়া। সিবিলাকে কুলিলে আমাৰ্ এথেৎ কেৱল্
পাঁচোটি পিঠা আৰু দুটি মাছ্ আছে। তেঁও কুলিলে
১৮ তাকে মোৰ্ আগলৈ আনা। পাচে তেঁও মানুহজুমক্
১৯ ঘাঁহৰ্ ওপৰতে বহিব দিলে আৰু পাঁচোটি পিঠাকে

দুটি মাচকে হাতৎ লৈ স্বর্গৰ্ ফাললৈ চায় আশীর্ব্বাদ্
কৰিলে পাচে পিঠা ভাঙ্গি আপোনাৰ্ শিষ্যৰ্ হাতৎ
২০ দিলে শিষ্য সকলে জুমক্ দিলে। পাচে এটায়ে খায় তৃপ্
তি পালে তাৰ্পাচে ভগাজিগা অৱশেষ্ কোঁচায় বাৰে
২১ পাচি ভৰিলে। লৰাতিৰোতা এড়ি যিবিলাকে খালে
সেই মানুহ পাঁচ হেজাৰ্ মান্ হব।—
২২ তেঁও সেই মানুহ জুমক্ বিদায় কৰে মানে তেঁওৎ কৈ আ
গেই নাৱঁৎ উঠি পাৰ্ হই যাবলৈ তেঁওৰ্ শিষ্য সকলক্
২৩ আজ্ঞা দিলে। মানুহ জুমক্ বিদায় কৰি তেঁও নির্জ্জনৎ প্রা
র্থনা কৰিবলৈ এখান্ পর্ব্বতৰ্ টিঙ্গলৈ গল্ পাচে সন্ধিয়া
২৪ হলৎ সেই পর্ব্বতৰ্ টিঙ্গতে অকলৈ থাকিল্ কিন্তু সেই
কালৎ নাৱে সাগৰৰ্ মাজৎ চলংপলং কৰি আছিল্
২৫ কিয়নো ঢেউৱিয়া পচোৱা বতাহ হইছিল্ প্রৰুতিনিখা
য়িশুএ সাগৰৰ্ ওপৰে খোজ্ কাঢি সিবিলাকৰ্ ওচৰ্লৈ
২৬ আহিল্ কিন্তু শিষ্য সকলে তেঁওক্ সাগৰৰ্ ওপৰৎ
আহাযোৱা কৰিবৰ্ দেখি ত্রাস্ লাগি এইটো ভূৎভূত্
২৭ বুলি সিবিলাকে ভয়তে এটাহ্ পাৰিব ধৰিলে। পাচে
তেতিয়ায় স্থিৰ্ হোৱা মযহে ভয় ন কৰিবা য়িশুএ সিবি
২৮ লাকক্ ঔয়াকে বুলিলে। তেতিয়া পিতৰে মাৎ লগায়
তেঁওক্ বুলিলে হে প্রভু তুমিহে যেদি তেবে পানিৰ্ ও
পৰে তোমাৰ্ ওচৰলৈ যাবলৈ মোকো আজ্ঞা দিয়া।
২৯ তেঁও বুলিলে বাৰু আঁহা সেই হেতুক্ পিতৰ্ না
৩০ ৱঁৰ্ পৰা নামি পানিৰ্ ওপৰে দি যাব ধৰিলে কিন্তু সেই
ধুমুহা বতাহ দেখি ভৰ্ লাগিল্ আৰু বুড়েং হই হে
ঈশ্বৰ্ মোক্ ৰক্ষা কৰা এই বুলি এটাহ্ পাৰিলে তেতি

৩১ য়ায় য়িশুএ হাৎ মেলি তেঁওক্ ধৰি কুঁলিলে হে অপ্রতী
৩২ তিমস্ত কিয়েলৈ সংশয় কৰিলা সেই কালৎ সিবিলাক্
৩৩ নাৱলৈ আহিলৎ বতাহ চিয়াল। তেতিয়া যিবিলাক্ না
ৱৎ আছিল্ সেইবিলাকে আহি য়িশুক্ পূজা কৰি কুঁলিলে
৩৪ নিশ্চয়ে আপুনি ঈশ্বৰৰ্ পুত্র। ঔয়াৰ পাচে সিবিলাক্
৩৫ পাৰ্ হই গিনেশৰ্ দেশ্ পালেগৈ পাচে যেতিয়া সেই
দেশৰ্ মানুহবিলাকে তেঁওক চিনি পালে তেতিয়া সিহঁতে
চাৰিও ফালৈলৈ মানুহ পঠায় এটায় নৰিয়াপৰা মানুহ
৩৬ বোৰক্ তেঁওৰ্ ওচৰলৈ আনিলে পাচে সিহঁতে কেৱল্ তেঁ
ওৰ্ কাপৰৰ্ আগ্ চুবলৈ তেঁওৰ্ আগৎ কাঙবাও কৰিব
ধৰিলে পাচে যেয়ে তেঁওক্ চুলে সেয়ে অৰোগী হল।—

পর্ব্ব তেতিয়া য়িৰোশলমৰ্ অধ্যাপকে আৰু ফাৰিশিহঁতে
১৫ য়িশুৰ্ কোচৰলৈ আহি কুঁলিলে কিয়েলেই তোমাৰ্
ভকৎহঁতে বৃদ্ধলোকৰ্ আচাৰ্ উল্লঙ্ঘন্ কৰে। কিয়নো
২ সিহঁতে খাবৰ্ বেলা হাৎ ন পখালে পাচে তেঁও সিহঁতক্
সিদ্ধান্ত কৰিলে বোলে তোমোলাকে নো কিয়েলেই তোমো
৪ লাকৰ্ আচাৰৰ্ অর্থে ঈশ্বৰৰ্ আজ্ঞা উল্লঙ্ঘা ঈশ্বৰে
আজ্ঞা কৰিছে বোলে আপোনাৰ্ পিতৃ মাতৃক্ মান্য
কৰোক্ আৰু যি মানুহে বাপেকক্ অথবা মাকেকেই
৫ নিন্দা কৰে তাক্ অৱশ্য মাৰি পেলাব লাগে। কিন্তু
তোমোলাকে কোৱা কোনে আপোনাৰ্ মাক্বাপেকক্
কুঁলিব পাৰে তোমোলাকৰ্ যি পাবলগা তাক্ ঈশ্বৰলৈ
৬ দিয়া গৈছে এয়েৰেই মাক্বাপেকক্ সৎকাৰ্ ন
কৰে এনেকৈ ঈশ্বৰৰ্ আজ্ঞা আপোনাৰ্ আচাৰতে
৭ তোমোলাকেই চন্ন কৰিলা হে কাল্পনিক্হঁৎ তইঁতলৈ

য়িশয়িয়াহ্ আচাৰ্য্যৰ্ এই মথে বচন্ কলে বোলে এই
৮ মানুহবিলাকে মুখেৰে মোৰ্ ওঠৰ্ চাপে আৰু সিহঁতৰ্
৯ ওঠৰ্ পৰা মোক্ সৎকাৰ্ কৰে কিন্তু সিহঁতৰ্ আশয়
মোৎকৈ দূৰৈৎ থাকে কিন্তু কেবল্ মানুহৰ্ আজ্ঞা
শিকি সিহঁতে মোক্ নিৰৰ্থক্ ভজে।—
১০ তেঁও সমূহক্ মাৎলগায় হুঁলিলে শুনা আৰু বুজা যি
১১ মুখে সোমায় সি মানুহক্ অশুচি কৰিব নোৱাৰে কিন্তু
যি মুখৰ্পৰা ওলায় সেয়েহে মানুহক্ অশুচি কৰে।
১২ তেতিয়া তেঁওৰ্ শিষ্য সকলে আহি হুঁলিলে বোলে ফাৰি
শিহঁৎ এই উপাখ্যান্ শুনি কোপাবিত হল্ জেয়াৰ্ আ
১৩ প্নি জানোনা জানে। পাচে তেঁও উত্তৰ্ কৰিলে বোলে
যিৎ প্নলি আমাৰ্ সুৰগি পিতৃএ ৰোৱা নায় তাক্ উভা
১৪ লিব লাগে। সিহঁতক্ এৰি দিয়া সিহঁৎ অন্ধলাৰ্
১৫ পথ অন্ধলায় দেখোৱা হইছে। কিন্তু যেদি অন্ধ
লায় অন্ধলাক্ পথ দেখুৱায় তেবে দুয়ো গাতৎ পৰিব।
১৬ তেতিয়া পিতৰে মাৎ লগায় হুঁলিলে অৰ্থ ভাঙ্গি এই
১৭ উপাখ্যান্ আমাৎ কওক্। য়িশুএ হুঁলিলে তোমো
লাক্ এতিয়ালৈকে অবোধ্ যেয়ে মুখে সোমায় সেয়ে
১৮ পেটলৈ গৈ টিঙ্গনাশালিৎ বাজলৈ ওলায় কিন্তু যি মুখৰ্
পৰা ওলায় সি আশয়ৰ্পৰা আহে সেয়ে মানুহক্
অশুচি কৰে তোমোলাকে জানো এতিয়ালৈকে বুজা নায়
১৯ কিয়নো দুষ্টচিন্তা বধ্ পৰস্ত্ৰীহৰণ্ বেশ্যাগমন্ চুৰ্
মিচাসাক্ষী ঈশ্বৰনিন্দা এইবিলাক্ আশয়ৰ্ পৰা বাজ
২০ লৈ ওলায় মানুহক্ এয়ে অশুচি কৰে কিন্তু ন পখালা
হাতে খোৱায় মানুহক্ অশুচি ন কৰে।—

২১ তেতিয়া য়িশু তাৰ্পৰা গৈ সোৰ্ আৰু সীদোন্ ৰাজ্য
২২ লৈ গল্ গৈ। সেই কালৎ দেখা এজনী কনআনী তিৰী
সেই ৰাজ্যৰ্পৰা আহি তেঁওক্ ৰিঙ্গিয়ায় টুলিলে হে
ঈশ্বৰ্ দাওদৰ্ সন্ততি আমাক্ কৃপা কৰা মোৰ্ ছোৱালী
২৩ টাক্ ভূতে পায় যাতনা ভুঞ্জাইছে। পাচে তেঁও তাইক্
একো উত্তৰ্ নি দিলে এইহেতুকে তেঁওৰ্ শিষ্য সকলে
কোখৰলৈ আহি প্ৰাৰ্থনা কৰি টুলিলে তাইক্ পাঁঠি
দিয়োক্ কিয়নো তাই আমাৰ্ পিছে২ এটাহ পাৰি
২৪ আহিছে। পিচে তেঁও সিদ্ধান্ত কৰিলে বোলে য়িশৰ
এলৰ্ বওহৰ্ হেৰোৱা মেহক্ এড়ি যয় আৰু কালৈকো
২৫ পাঁঠনী নো হোঁ। তেতিয়া তাই আহি তেঁওক্ পূজা
কৰি টুলিলে হে প্ৰভু আমাক্ উপকাৰ্ কৰোক্।
২৬ পাচে তেঁও উত্তৰ্ দিলে বোলে লৰাহঁতৰ্ খাবৰ্ বেহানি
২৭ আনি কুকুৰক্ পেলায় দিবলগা ন হয়। তাই
টুলিলে স্বৰূপ্ প্ৰভু কিন্তু যি ভগাছিগা প্ৰভুৰ্ মেজৰ্
২৮ পৰা সৰি পৰে কুকুৰে তাক্ খাবলৈ পায়। তেতিয়া
য়িশুএ টুলিলে হে তিৰী তোৰ্ প্ৰতীতি বড় তোৰ্ যি বাঞ্ছা
সেয়ে সিদ্ধি হোক্। তাতে তাইৰ্ ছোৱালী তেতিয়ায়
ভাল্ হল্ ।—

২৯ পাচে য়িশুএ তাৰ্পৰা গৈ গালিলিৰ্ সাগৰৰ্ ওচৰ্
৩০ পালেগৈ পাচে পৰ্ব্বতৰ্ ওপৰৎ বহিল্ গৈ। জৈয়াৰ্ পাচে
খোড়া অন্ধলা খাঁকৰা ঠুঁটা আৰু ভালেমানক্ লগৎ
লৈ বড় এচল্ মানুহ তেঁওৰ্ ওচৰলৈ আহিল্ পাচে সিহঁ
৩১ তক্ য়িশুৰ্ ভৰিৰ্ তলৎ থলে পাচে তেঁও সিহঁতক্ সুস্থ
কৰিলে তাতে সেই মানুহবিলাকে খাঁকৰাক্ কথা

কৰৰ্ ঠুঁটাক্ ভাল্ কৰৰ্ খোৰাক্ বাট্ হুঁলিবৰ্ আৰু
অন্ধলায় চকু পাবৰ্ দেখি বিস্ময় মানিলে এই হেতুকে
সিহঁতে য়িশ্ৰএল্ ঈশ্বৰক্ স্তুতি কৰিলে।—
৩২ তেতিয়া য়িশুএ আপোনাৰ্ শিষ্যসকলক্ মাতি কলে
বোলে এই মানুহবিলাকলৈ মোৰ্ দয়া আছে কিয়নো
সিহঁৎ আজিলৈকে তিনি দিন্ মোৰ্ লগৎ আছে কিন্তু
খাবলৈ একো পোৱা নায় এয়েৰেই সিহঁতক্ লঘোনে পঠি
৩৩ ব নো খোজোঁ জানো সিহঁতৰ্ বাটৎ গাৰহে তেঁওৰ্
শিষ্যসকলে তেঁওক্ হুঁলিলে হাবিৰ্ মাজৎ এতেক্ মানু
হক্ ভোক্ গুচায় খুৱাবলৈ আমি খাবৰ্ বেহানি কৎ
৩৪ পাম্ য়িশুএ সিবিলাকক্ হুঁলিলে তোমোলাকৰ্ পিঠা
কেতোট আছে সিবিলাকে হুঁলিলে সাতোটি পিঠা আৰু
৩৫ চুমৈ মাচ্। পাচে তেঁও মানুহক্ মাটিতে বহিবলৈ
৩৬ হুঁলিলে তেতিয়া সেই সাতোটি পিঠা আৰু মাচ্ হাতৎ
লৈৎ স্তুতি কৰি তেঁও ভাঙিলে পাচে আপোনাৰ্ শিষ্যসক
৩৭ লক্ দিলে শিষ্য সকলে সমূহ মানুহক্ দিলে পাচে এটায়
৩৮ মানুহে তাকে খায় সন্তোষিৎ হল্ পাচে ভাগাচিগা অৱ
শেষ সাৎ পাচি চপালে যিবিলাকে খায়লৈ পাইচিল্
৩৯ সেইবিলাক্ লৰাতিৰোতা এতি চাৰি হেজাৰ্ মনিহ
তাৰ্পাচে তেঁও সেই মানুহচলক্ বিদায় দি চুঁচিনাৱৎ
উঠি মাগ্দলাৰ্ সীমা পালেগৈ।—
পর্ব্ব শাদ্রুকিহঁতৰ্ লগৎ ফাৰিশিহঁৎ আহি তেঁওৰ্
১৬ পৰীক্ষা হুঁজিবলৈ স্বৰ্গৰ্ এটা চিন্ তেঁওৎ খুজিলে।
২ তেঁও সিহঁতক্ উত্তৰ্ কৰিলে বোলে সন্ধ্যাকালে

তোমোলাকে বোলা সত্ কাল্ হব কিয়নো আকাশ্
ৰক্তিমাবর্ণ হইছে প্রাতঃ কালে তোমালাকে বোলা
আজি বতাহ বৰষুন্ হব কিয়নো আকাশ্ ৰক্তিমাবর্ন
৩ আৰু ডাৱৰিছে। ঐ কাল্পনিকহঁৎ তইঁতে আকাশৰ্
ছয়া ঢুঁকিব পাৰ কিন্তু কালৰ্ চিন্ চিনিব নোৱাৰ।
৪ আধুনিক্ দুর্জন্ চুলুও মানুহে লক্ষণ্ বিচাৰি ফুৰে
কিন্তু যোনাহ্ আচার্য্যৰ্ লক্ষণ্ এড়ি আৰু সিহঁতক্ এ
কো লক্ষণ্ দেখুৱাব নে লাগে পাচে তেঁও সিহঁতক্ এৰি
গুচি গল্।—
৫ তেঁওৰ্ শিষ্যসকলে পাৰ্ হই পিঠা আনিবলৈ
৬ পাহৰি আহিল তেতিয়া যিশুএ সিবিলাকক্ ঢুঁলিলে শাৱ
ধান্ ফাৰিশিৰে শাদুকিহঁতৰে খমিৰৰ্ পৰা সাৱধান্
৭ হোৱা। তাতে সিবিলাকে আপোনাৰ্ মাজতে আলচ্
কৰিলে বোলে আমি পিঠা অনা নায় এই হেওকে এনে
৮ কৈ বোলে। যিশুএ তাকে জানি সিবিলাকক্ ঢুঁলিলে হে
অল্পপ্রতীতিযন্ত সকল্ তোমোলাকে পিঠা অনা নায় জী
৯ য়াৎ কিয়েনেই আপোনাৰ্ মাজৎ আলচ্ কৰা। তো
মালাকে এতিয়ালৈকে ঢুঁজা নায় নে আৰু সেই পাঁচ
হেজাৰ্ মানুহৰ্ পাঁচোটা পিঠাৰ কেই পাচি ভৰি
১০ দপালা। আৰু সেই চাৰি হেজাৰ্ মানুহৰ্ সাতোটি
পিঠাৰ্ কেই পাচি ভৰি দপালা সেই কথা জানো তোমা
১১ লাকৰ্ মনৎ নায়। ফাৰিশিৰে আৰু শাদুকিহঁতৰে
খমিৰলৈ সাৱধান্ হবলৈ ময় পিঠাৰ্ কথা ন কলো
১২ তোমোলাকে জয়াক্ ন ঢুঁজা কিয় তেতিয়া পিঠা খমি
ৰৰ্ কথা তেঁও আজ্ঞা ন কৰিছিল্ কিন্তু ফাৰিশিৰে

আৰু শাদুকিহঁতৰ্ উপদেশৎ সাৱধান্ হবলৈহে
কৈছিল্ সিবিলাকে ঔয়াকে বুজিলে।—
১৩ যিশুএ কাইসাৰিয়া ফিলিপিৰ্ ফালকৈ আহি তেঁওৰ্
শিষ্য সকলৎ ঔয়াকে শুধিলে বোলে মানুহৰ্ পুত্রেক্
১৪ যে ময় লোকে মোৰ্ ফালৰ্ কি কথা কয়। সিবিলাকে
কুলিলে কোনো কোনোএ বোলে এঁও যোহন বুৰঁওতা
কোনো কোনোএ বোলে এলিয়াহ্ আৰু কোনো কোনোএ
১৫ বোলে যিৰিমিয়াহ্ নাইবা এজন্ আচাৰ্য্য। তেঁও সিবিলা
কক্ কুলিলে কিন্তু তোমোলাকে মোক্ কি বোলা ময় কোন্।
১৬ পাচে শীমোন্ পিতৰে মাৎ লগালে বোলে আপুনি জীবিত্
১৭ ঈশ্বৰৰ্ পুত্র খ্রীষ্ট। যিশুএ তেঁওক্ কুলিলে হে শিমোন্
বাৰযোনা তুমি ধন্য কিয়নো মঙহ আৰু তেজ্ ঔয়াক্ নে
দেখুৱায় কিন্তু আমাৰ্ স্বৰগি পিতৃএ তোমাৰ আগৎ
১৮ তাকো দেখুৱাইছে। আৰু তোমাৎ ময় কওঁ তুমি পিতৰ্
১৯ আৰু এই শিলৰ্ ওপৰত্তে মোৰ্ মণ্ডলি ময় কৰিম্ আৰু
নৰকৰ্ দুৱাৰেও তাক্ জিনিব নোৱাৰে আৰু তোমাৎ
ময় কওঁ স্বৰ্গ ৰাজ্যৰ্ চাপ্ তোমাক্ দিম্ যিহকে তুমি
পৃথিবীৎ বান্ধা সেয়ে স্বৰ্গৎ বন্ধিত্ হব আৰু পৃথি
২০ বীতে যিহকে তুমি মেলা সেয়ে স্বৰ্গৎ মুকলি হব। পাচে
তেঁও যিশু খ্রীষ্ট যেন্ ঔয়াক্ কাকো ন কবলৈ তেঁও
আপুনি শিষ্য সকলক্ আজ্ঞা দিলে।—
২১ তেঁও অৱশ্যে যিৰোশলমলৈ যাব যেন্ আৰু বৃদ্ধ লোক
সকলৰ্ আৰু প্ৰধান পুৰোহিতৰ্ আৰু অধ্যাপক্সকলৰ্
পৰা বহু দুখ পাব যেন্ আৰু মৰাপৰিব যেন্ আৰু
তিনি দিনৰ্ দিনা আকৌ উঠিব যেন্ এই বিলাক্ কথা

তেঁও তেতিয়াৰেপৰা. আপোনাৰ্ শিষ্য সকলক্ জনা
২১ বন্নিলে। তেতিয়া হে প্ৰভু তোমাৰ্ পৰা এয়ে দূৰ্
হোক্ তোমাৰ্ এনে অৱস্থা নো হোক্ এই বুলি
পিতৰে তেঁওক্ নির্জ্জানলৈ নি অনুশোচ্ কৰিব ধৰিলে
২৩ কিন্তু মুখ ঘূৰাই পিতৰক্ বুলিলে হে শয়তান্ মোৰ্
পিছৎ যাহ্ যত মোৰ্ এক্ বাধা কিয়নো ঈশ্বৰৰ্ যি কৰ্ম্ম
২৪ তাৎ তোমাৰ্ মনত কিন্তু মানুহৰ্ যি কৰ্ম্ম তাৎ তেতিয়া
যিশুএ আপোনাৰ্ শিষ্যসকলক্ বুলিলে যেদি কোনোএ
মোৰ্ লগৎ আহিব খোজে তেবে সি জিতেন্দ্ৰিয় হোক
২৫ আৰু তাৰ্ ক্ৰুশ্ লৈ মোৰ্ লগৎ আহোক্। কিয়নো যেয়ে
আপোনাৰ্ প্ৰাণ্ ৰক্ষা কৰিব খোজে সি তাক্ হেৰুৱাব
আৰু যি মোৰর্থে আপোনাৰ্ প্ৰাণ্ হেৰুৱায় সি তাক্ পাব
২৬ কিয়নো মানুহে যেদি এটায় ব্ৰহ্মাণ্ড লভে কিন্তু আপোনাৰ্
প্ৰাণ হেৰুৱায় তেবে তাৰ্ লাভ কি মানুহে আপোনাৰ্
২৭ প্ৰাণৰ্ মলনী কি দিব পাৰিব। কিয়নো মানুহৰ্ পুত্ৰেক্
আপোনাৰ্ বাপেকৰ্ শক্তিৰে আপোনাৰ্ টেকেলাহঁতক্
লগৎলৈ যেতিয়া আহিব তেতিয়া এটায় মানুহকে
আপোনাৰ্ কৰ্ম্ম ফল্ দিব ময় সঁচাকৈ তোমালাকৎ কঁও
২৮ যিবিলাক্ ঠায়াৎ থিয় হয় সিহঁতৰ্ কেতেক মানুহে মানু
হৰ্ পুত্ৰেকক্ স্বৰাজ্যৎলৈ আহিবৰ্ নে দেখি মৃত্যু
ভোগ্ ন কৰে।—

পৰ্ব্ব ছ দিনৰ্ পাচৎ যিশুএ পিতৰকে যাকুবকে তেঁওৰ্ ভায়েক্
১৭ যোহনকে লগৎলৈ এখান্ ওখ নির্জ্জান্ পৰ্ব্বতৎ উঠিল্
২ তাত সিবিলাকৰ্ আগতে আন ৰূপ্ ধৰিলে তেঁওৰ্
মুখৰ্ কান্তি সূৰ্য্যৰ্ নিচিনা আৰু তেঁওৰ্ বস্ত্ৰ পহৰৰ্

৩ নিচিনা বগা হুইছিল্। আৰু দেখা তাতে মোশহে
আৰু এলিয়াহে তেওঁৰে সৈতে কথা কৈ সিবিলাকক্ দেখা
৪ দিল তেতিয়া পিতৰে যাৎ লগায় যিশুক্ ঢুলিলে হে প্রভু
আমি ঈয়াৎ থাকিবলৈ ভাল্ যেদি আপোনাৰ্ ঈচ্ছা হয়
তেবে আমি তিনিটি পজা সাজোঁ এটি আপোনালৈ এটি
৫ মোশহ্লৈ এটি এলিয়াহলৈ। তেঁও কওঁতেই দেখা কান্তি
মন্ত এক্ মেঘে সিবিলাকৰ্ ওপৰৎ চাঁদি ধৰিলে
আৰু দেখা মেঘৰ্পৰা আকাশী বানী হল্ আমাৰ্ ঘি
প্রিয় পুত্রৎ আমাৰ্ বড় সন্তোষ সেয়ে এই ঈয়াৰে কথা
৬ শুনা। শিষ্য সকলে তাকে শুনি হামুখুৰি খায়
৭ পড়িল্ বড় ভয়াতুৰ্ হল্। কিন্তু যিশুএ আহি সিবি
৮ লাকক্ পৰশি ঢুলিলে উঠা ভয়াতুৰ্ নহবা পাচে সিবি
লাকে ওপৰলৈ চায় কেবল যিশু বিনে আৰু কাকো নে
দেখিলে।—

৯ তাৰ্ পাচে সিবিলাক্ পর্ব্বতৰ্পৰা নামিবৰ্ সময়ৎ
যিশুএ সিবিলাকক্ দৃঢ় আজ্ঞা কৰিলে বোলে মানুহৰ্
পুত্তেক মৃত্যুৰ্পৰা উঠিলে এই দর্শন্ কাতো ন কবা।
১০ তেঁওৰ্ শিষ্য সকলে তেঁওৎ এই ঢুলি সুধিলে বোলে
তেবে প্রথমতে এলিয়াহ্ আহিবৰ্ প্রয়োজন্ আছে ঢুলি
১১ অধ্যাপকহঁতে কয় কিয়। যিশুএ সিবিলাকক্ সিদ্ধান্ত
কৰিলে বোলে এলিয়াহ্ প্রথমতে আহিব আৰু এটাইবে
১২ ব্যবস্থা লগাব এই সত্য কিন্তু তোমোলাকৎ মই কওঁ এলি
য়াহ্ আহিছে মানুহে তেঁওক নিচিনিলে কিন্তু আপোনাৰ্
ঈচ্ছা ঘি তাকে কৰিলে মানুহৰ্ পুত্তেক্ তেনেকৈ সিহঁ
১৩ তৰ্ ঠাইৎ ভোগ্ পাব। তেতিয়া তেঁও সিবিলা

কৎ যেন্ য়োহন্ টুউঁওতাৰ্ মালৰ্ কথা কৈছিল্ শিষ্য
সকলে জৈয়াকে বুজিলে।—

১৪ যেতিয়া সিবিলাক্ পর্ব্বতৰ্পৰা নামিল্ তেতিয়া এক্
মানুহ তেঁওৰ্ ওচৰলৈ আহি আঁঠু পাৰি তেঁওক
১৫ টুলিলে হে প্ৰভু আমাৰ্ লৰাটিক্ অনুগ্ৰহ কৰোক্
কিয়নো তাৰ্ আঁৰুৰী ৰোগ্ হুই সি অতিশয় যাতনা
ভুঞ্জিছে কিয়নো কোনো বেলি সি জুইৎ পৰে কোনো বেলি
১৬ পানিতে পৰে যয় আপোনাৰ্ শিষ্যসকলৰ্ ওচৰলৈ তাক্
আনিছিলোঁ কিন্তু সিবিলাকে তাক্ ভাল্ কৰিব নো
১৭ ৱাৰিলে। তেতিয়া য়িশুএ যাৎ লগালে বোলে ৰে
অনাস্থিক্ ৰে অপথগামী লোক্হঁৎ যয় কেতে দিন্ তহঁ
তৰ্ লগৎ থাকিম্ আৰু কেতে দিন্ তহঁতক্ সহিম্
১৮ তাক্ জৈয়ালৈকে আন্গৈ। পাছে য়িশুএ সেই ভূতক্
ডবিয়ালে তাতে সি তাক্ এৰি গল্ আৰু লৰাও তেতিয়া
১৯ ৰেপৰা ভাল্ হল্। তেতিয়া য়িশু অকল্সৰিয়া হলৎ
শিষ্যসকলে আহি তেঁওক্ টুলিলে কি হেতুক্ আমি তাক্
২০ খেদাব নোৱাৰিলোঁ। য়িশুএ সিবিলাকক্ টুলিলে তোমো
লাকৰ্ আস্তিক্ নাইকিবৰ্ হেতুক্ কিয়নো তোমোলা
কৎ যয় স্বৰূপ্কৈ কঁও যেদি এটি শৰায়হৰ যানো
তোমোলাকৰ্ প্ৰতীতি হয় তেবে জৈয়াৰ্পৰা তালৈ লৰ
তোমোলাকে এনেকৈ এই পৰ্ব্বতক্ টুলিলে সিও লৰিব।
২১ আৰু তোমোলাকৰ্ একো অসাধ্য নহব। কিন্তু
প্ৰাৰ্থনা আৰু লঘোন্ ব্যতিৰেক এই ৰূপ নুগুছে।—
২২ যি কালৎ সিবিলাকে গালিলিলৈ অহায়োৱা কৰিলে
২৩ সেই কালৎ য়িশুএ সিবিলাকক্ টুলিলে মানুহৰ্ প্ৰতেক্

মান্নহর্ হাতৎ পড়িব আরু মিহঁতে তেঁওক্ বধিব
পাছে তিনি দিনর্ দিনা তেঁও আরুও উথিত হব সেই
হেতুক্ সিরিলাকে ভালেমান্ সন্তাপ্ করিলে ।—
২৪ সিবিলাকে কফরনযুম্ পালৎ গৈ পটোরাবিহঁতে
পিতরর্ ওচরলৈ আহি তুলিলে তোমার্ গুরুএ পঁচালি
২৫ দিয়ে নে সি তুলিলে দিয়ে তাতপাচে তেঁও ঘরলৈ আহি
লৎ যিশুএ আগ হই তেঁওক্ তুলিলে হে শিমোন্ পৃথি
বীর্ রজাহঁতে কর্পরা হঁসিল্ আরু কর্ লয় আপো
নার্ লরাহঁতর্ পরা নে বিদেশীহঁতর্ পরা তুমি কি
২৬ তুজিয়া । পিতরে তেঁওক্ তুলিলে বিদেশিহঁতর্পরা
যিশুএ তেঁওক্ তুলিলে তেবে লরাহঁৎকর্ দিয়োতা ন হঁয় ।
২৭ কিন্তু সিবিলাকর্ বেজার্ নে লাগিবলৈ তুমি সাগরলৈ
যোরা বড়শি পাতি প্রথমতে যি মৎস্য পোরা তাকে লরা
পাচে তারে মুখ মেলি এতোলা রূপ্ পাবা তাকে আনি
তোমারে মোরে অর্থে সিহঁতক্ কর্ দিয়া ।—

পর্ব্ব তেনেতে শিষ্য সকলে যিশুর্ ওচরলৈ আহি তুলিলে
১৮ স্বর্গরাজ্যৎ আতি বড় কোন্ তাতে যিশুএ এটি সরু ল
রাক্ মাতি আনি সিবিলাকর্ মাজতে রক্ষরায় তুলিলে
৩ তোমোলাকৎ ময় সত্য্কৈ কঁও তোমোলাকে মন্ পাল
টোরা আরু এই লরাটির্ নিচিনা হোরা ব্যতিরেকে
৪ কোনো রূপে স্বর্গরাজ্যলৈ যাব নোরারা এয়েরেই যি
মানুহে এই সরু লরাটির্ নিচিনাকৈ আপোনাকে আ
৫ পুনি লঘু করে সেয়ে স্বর্গ রাজ্যৎ আতি বড় আরু যি
কোনোএ এনে এটি সরু লরাকে মোর্ নামে আলহি পোহে
৬ সি মোকে আলহি পোহে কিন্তু যিবিলাকে মোৎ শরণ

লয় সিহঁতৰ মাজৰ আতি সৰুএটিৰো বাধা যেদি
কোনোএ জনমায় তবে তাৰ ডিঙ্গিৎ জাঁৎ আঁতি
সাগৰৰ ঘুলিৎ তাক টুবায় পেলোৱায় তাৎকৈ তাৰ
ভাল হয় ।—
৭ বাধাৰ কাৰণে ব্ৰহ্মাণ্ডৰে সন্তাপ কিয়নো বাধা অৱ
৮ শ্যে হৰ কিন্তু যাৰে দোৱাৰায় বাধা হয় সেই মানুহৰ
সন্তাপ হৰ এয়েৰেই যেদি তোমাৰ হাতেই বা ভৰি
য়েই তোমাক বাধা কৰে তেবে তাক চিঙ্গি তোমাৰপৰা
পেলোৱা দুহতীয়া বা দুভৰিয়া হৈ অনন্তবহ্নিৎ পৰাৎ
কৈ খোৰা বা কুঁটা হৈ জীৱনৎ পুৱেশা তোমাৰ
৯ শুভ । আৰু যেদি তোমাৰ চকুএ তোমাক বাধা কৰে তেবে
তাক কাঢ়ি তোমাৰপৰা পেলোৱা দুচকুৱা হৈ নৰক
বহ্নিৎ পৰাৎকৈ এচকুৱা হৈ জীৱনৎ পুৱেশা তোমাৰ
১০ কুশল । সাৱধান তোমোলাকে এই সৰু মানুহৰো
এটাক্ উতিক্ষিণ ন কৰিবা কিয়নো তোমোলাকৎ ময়
কঁও স্বৰ্গৎ সিবিলাকৰ দুতে আমাৰ পিতৃৰ মুখ সদায়
১১ দেখে । কিয়নো যেয়ে হেৰাইছে তাক্কে ওঁচাৰিবলৈ
১২ মানুহৰ পুতেক্ আহিছে । তোমোলাকে কি বুজা
যেদি কাৰো এশ মেহ হয় তাৰে এটা যেদি হেৰায় তেবে
সি জানো এক্কম এশক্ নেতে আৰু পৰ্ব্বতৰ হিঙ্গলৈ গৈ
১৩ সেই হেৰোৱাটিক্ জানো নি বিচাৰে তোমোলাৎ ময়
স্বৰূপকৈ কঁও তাক যেদি পায় তেবে সেই নে হেৰোৱা
এক্কম এশৎ তাৰ যি আহ্লাদ তাৎকৈও সেই এটাতে
১৪ সৰহ আহ্লাদ পায় । এই সৰু মানুহ বিলাকৰ
এটাৰো বিনাশ হয় এয়ে তোমোলাকৰ স্বৰগি পিতৃৰ

১৫ ঔচ্ছন্ন হয়। যেদি তোমাৰ্ ভাঁয়ায় তোমাৰ্ বিৰোধে
কিবা অপৰাধ্ কৰে তেবে গৈ তেঁওৰ্ অপৰাধ্ তুমি আৰু
তেঁও দুয়ো অকলিয়া হুই তেঁওক্ বোলা যেদি তেঁও তাক্
গাহ্য লয় তেবে তুমি ভায়াঁক্ আপোন্ লাভ্ পাইছা কিন্তু
১৬ যেদি তাক্ গাহ্য ন লয় তেবে আৰু দুয় তিনি মানুহক্
লগত লোৱা তাতে এটায় কথা দুয় তিনি সাক্ষিৰ্ মুখে
১৭ নিশ্চয় হ্বব পাৰে। কিন্তু যেদি তেঁও সিবিলাকক্ হেয়
কৰে তেবে সমূহত কোৱা যেদি সমূহকো হেয় কৰে
তেবে দেৱপূজকৰ্ নিচিনা নাইবা পটোৱাৰিৰ্ নিচিনা
১৮ তোমাৰ্ ওচৰত হোক্। তোমোলাকত ময় সত্য কওঁ
তোমোলাকে যিহক পৃথিবীৰ্ ওপৰত বান্ধা সেয়ে স্বৰ্গত
বন্দিত হ্বব আৰু যিহকো তোমোলাকে পৃথিবীৰ্ ওপৰত
১৯ মেলা সেয়ে স্বৰ্গত মুকলি হ্বব। আৰুও তোমোলাকত
ময় কওঁ পৃথিবীৰ্ ওপৰত যি কোনো পদাৰ্থ তোমোলাকে
খুজিবা তাতে যেদি দুয়ো মানুহ মিল্ হয় তেবে আমাৰ্
২০ স্বৰগি পিতৃৰ্ দোৱাৰায় সেই কাম্ কৰা যাব কিয়নো
যতে দুয় তিনি জন্ মোৰ্ নামে একত্ৰাপত্তি হয় তাত ময়
সিবিলাকৰ্ মাজতে।—

২১ তেতিয়া পিতৰে তেঁওৰ্ ওচৰলৈ আহি সুধিলে হে
পৃভু মোৰ্ ভায়ে যেদি মোক্ প্ৰতি পাতক্ কৰে তেবে তাক্
২২ কেই বেলি মৰষিম্ সাত বেলিলৈকে যিশুএ তেঁওক্
সুধিলে ময় তোমাক্ সাত বেলিলৈকে নো বোলো কিন্তু
২৩ সত্তোত্তৰগুণ সাত বাৰলৈকে। এয়েৰেই যি কোনো
ৰজায় আপোনাৰ্ লগুৱাৰ্ লেখা কৰিব খুজিলে তাৰে

২৪ নিচিনা স্বৰ্গ ৰাজ্য আছে সেই ৰজায় যেতিয়া লেখা কৰি
বলৈ ধৰিলে তেতিয়া দহহেজাৰ্ তালন্তৰ্ ধৰুৱা এটাক্
২৫ তেঁওৰ্ আগলৈ আনি থলে কিন্তু তাৰ্ ধাৰ্ শুজিবলৈ এ
কো নাইকিয়াৎ তাক্ তাৰ্ লৰাতিৰোতা আৰু যিং
আছিল্ এটাইকে বেচি ধাৰ্ শুজিবলৈ তাৰ্ অধিকাৰে
২৬ আজ্ঞা কৰিলে। এই হেতুক্ সেই লগুৱায় মাটিৎ পৰি
তেঁওক্ পুজা কৰি কুলিলে হে প্ৰভু ক্ষমাশালী হোক্ ময়
২৭ এটায় খানি সুজিম। তেতিয়া সেই লগুৱাৰ্ অধিকাৰে
দয়ালু হৈ তাক্ মেলিলে আৰু তাৰ্ ধাৰো এৰিলে।
২৮ কিন্তু সি গৈ তাৰ্ লগৰ্ এটা লগুৱাক্ পালে যেয়ে তাক
এশ সিকি দিব লগা আছিল এই হেতুক তাক আগতে
পায় সি তাৰ্ টেটুং ধৰি কুলিলে তয় যি নিচিলি তাক দে।
২৯ তেতিয়া তাৰ্ সেই লগৰ লগুৱাং তাৰ্ ভৰিৎ পৰি কাবৌ
কৰি কুলিলে মোক্ প্ৰতি গহিন হোৱা তেতিয়া তোমাৰ
৩০ ময় এটায় খানি সুজিম্। সি তাক্ ন কৰিলে কিন্তু সি গৈ
৩১ ধাৰ ন সুজিলে মানে তাক্ বন্দিকৈ থৈছিল্। তেঁওৰ
আন লগুৱাহঁতে তাকে দেখি দুঃখী হৈ আহি যিং হল্
৩২ এটায় খানি সিহঁতৰ্ অধিকাৰৎ কৈ দিলেহি। তেতিয়া
তাৰ্ অধিকাৰে তাক মাতি আনি কুলিলে ৰে দুৰ্জন
৩৩ লগুৱা বন্দি তয় মোৰ্ আগৎ কাবৌ কৰিলি এই হেতুক
সেই এটায় খানি তোক্ এৰি দিলো এয়েৰেই যেনেকৈ
ময় তোক্ দয়া কৰিলো তেনেকৈ তোৰো লগুৱাক্ তয়
৩৪ দয়া কৰিব লগা হয় কি ন হয়। আৰু তাৰ্ অধিকাৰৰ্
খঙ উঠি ধাৰ্ ন সুজে মানলৈকে চাট্টুক ধৰাৰ্ হাতৎ
৩৫ শোধায় দিলে। যেদি তোমোলাকে ও এটায়ে আপ

য়েৰে সৈতে আপোনাৰ্ ভায়াঁৰ্ অগৰ্ নে যেমা তেবে
আমাৰ্ স্বৰ্গি পিতৃএও তোমোলাকক্ তেনে কৰিব।—
পৰ্ব্ব ভাতপাচে য়িশুএ এইবিলাক্ উপাখ্যান কৈ এটাঁয়
১৯ গালিলিৰ্পৰা গল্গৈ আৰু য়ৰদনৰ্ সিপাৰে য়িহুদ
২ ৰাহ্ ৰাজ্যৰ্ সীমাৎ উপগাত হল্গৈ। তেতিয়া বড়
এচল্ মানুহ তেঁওৰ্ পিচৎ গল্ আৰু তেঁও তাতে
সিহঁতক্ সুস্থ কৰিলে।—
৩ মানুহে এটায় কাৰনতে আপোনাৰ্ মৈনিয়েকক্
এড়িব পায় নে না পায় ফাৰিশিহঁতে তেঁওৰ্ পৰীক্ষা
৪ বুজিবলৈ তেঁওৰ্ আগৎ অয়াকে শুধিলে পাচে তেঁও
মাৎলগায় সিহঁতক্ সিদ্ধান্ত কৰিলে বোলে সৃষ্টিকৰ্ত্তা
যি জন তেঁও আদিতে মানুহক্ মনিহ্ আৰু তিৰোতা
৫ কৰি সৃজিলে আৰু কুলিলেও এই নিমিত্তে মানুহ মাক্
বাপেকেৰে বেলেগ হুই থাকিব আৰু আপোনাৰ্ তিৰো
তায় সৈযে গৃহবাস্ কৰিব আৰু সেই দুয়োৰো এক দেহ
৬ হুব তোমোলাকে জানো অয়াক্ পঢ়া নায়। যেদি এনে
হয় তেবে তাৰ্ পাচে সিহঁৎ দুয় ন হয় কিন্তু এক দেহ
এয়েৰেই যিহকে যিহেৰে ঈশ্বৰে সংযোগ কৰিছে
৭ মানুহে তাক্ বেলেগ ন কৰোক্। সিবিলাকে তেঁওক্
কুলিলে তেবে মোশহে কিহেতুক্ বৰ্জন লেখা দি
৮ তাইক্ এড়িবলৈ কুলিলে। তেঁৰও সিহঁতক্ কুলিলে
মোশহে তোমোলাকৰ্ মন্ টানৰ্ হেতুক্ তোমোলা
কৰ্ তিৰোতাক্ এড়িবলৈ তোমোলাকক্ অনুজ্ঞা দিলে
৯ কিন্তু আদিৰেপৰা এনে নাছিল্। ময় তোমোলাকৎ
কঁও যেদি তিৰিৰ্ অনাচাৰ্ বিনে কোনোএ আপোনাৰ্

তিৰোতাক্ এড়ি আন্ তিৰিক্ বিবাহ কৰে সি পৰস্ত্ৰী
গমন্ কৰে আৰু যি কোনোএ সেই এড়া তিৰিকে বিবাহ
১০ কৰে সিও পৰস্ত্ৰী গমন্ কৰে। তেঁওৰ্ শিষ্যসকলে তেঁওক্
কৈলিলে যেদি মনিহ্ তিৰোতাৰ্ এনে গতি হয় তেবে
১১ বিবাহ কৰা ভজ্ ন হয়। তেঁও সিবিলাকক কৈলিলে
এটায় মানুহে এই কথা ধৰিব নোৱাৰে কেৱল্ যিবিলা
১২ কক্ দিয়ে সেই বিলাকেই পাৰে। কিয়নো কোনোবি
লাক্ মানুহ মাকৰ্ পেটৰ্পৰা পইটা হৈ ওপজে আৰু
কোনোবিলাক্ এনেও হয় যিবিলাকক্ মানুহে পইটা
কৰিলে আৰু এনেও কোনোবিলাক্ হয় যিবিলাকে
স্বৰ্গ ৰাজ্যৰ অৰ্থে আপোনাকে আপুনি পইটা কৰিছে।
যি মানুহে ঔয়াক্ লব পাৰে সেয়ে লওক্।—
১৩ তেতিয়া তেঁও সিবিলাকৰ্ ওপৰৎ হাৎ দি প্ৰাৰ্থনা কৰি
বলৈ সৰু ল'ৰাহঁতক্ তেঁওৰ্ ওচৰলৈ অনাগল্ কিন্তু
তেঁওৰ্ শিষ্য সকলে সিহঁতক্ বেজেৰা বেজেৰি কৰিলে।
১৪ তাতে য়িশুএ কৈলিলে ল'ৰাহঁতক্ মোৰ্ কোষৰলৈ
আহিব দিয়া হাক্ নিদিবা কিয়নো এনে বিধৰেই স্বৰ্গ
১৫ ৰাজ্য হয়। তেতিয়া তেঁও সিহঁতৰ্ ওপৰৎ হাৎ দি
তাৰ্পৰা গুচি গল্।—
১৬ পাচে দেখা এক্ মানুহ আহি তেঁওক্ কৈলিলে হে
ধাৰ্ম্মিক্ গুৰু অনন্তায়ু হবলৈ ময় কি সুকৰ্ম্ম কৰিম্
১৭ তেঁও তাক্ কৈলিলে মোক্ ধাৰ্ম্মিক্ কৈলিছা কিয় এক্
ঈশ্বৰ্ বিনে আৰু কোনো ধাৰ্ম্মিক্ ন হয় কিন্তু যেদি
জীৱনৎ নিশ্চয়ে প্ৰবেশিব খোজা তেবে আজ্ঞা মান।
১৮ সি তেঁওক্ কৈলিলে কি আজ্ঞা য়িশুএ কৈলিলে বধ ন কৰিবা

পৰস্ত্ৰী গমন্ ন কৰিবা চুৰ্ ন কৰিবা মিচা সাক্ষী নি দিবা
১৯ তোমাৰ্ পিতৃ মাতৃক্ মান্য কৰা আৰু তোমাৰ্ চাৰিও
২০ ফালৰ্ মানুহক আপোনাৰ্ নিচিনা চেনেহ কৰা। সেই
ডেকা মানুহে তেওঁক্ হুঁলিলে ময় লৰাকালৰেপৰা
২১ এই বিলাক্ কৰিছো আৰু কি কৰিব লাগে। যিশুএ তাক্
হুঁলিলে যেদি পুৰ্ন্নধৰ্ম্মী হব খোজা তেবে তোমাৰ্ যিং
আছে তাকে গৈ বেচি দুখিয়া মানুহক্ দিয়াগৈ তাৰ্
২২ পাচে স্বৰ্গৎ ধন্ পাবা আৰু মোৰ্ লগৎ আঁহা। সেই
ডেকা মানুহে এই কথা শুনি অসন্তোষ লাগি গুচি গল্
কিয়নো তাৰ্ ভালেমান্ ধন্ আছিল্।—
২৩ তেতিয়া যিশুএ আপোনাৰ্ শিষ্যসকলক্ হুঁলিলে ময়
তোমোলাকৎ স্বৰুপকৈ কঁও ধনৱন্তৰ্ স্বৰ্গৰাজ্যৎ
২৪ প্ৰবেশা বড় টান্। আৰু ও ময় তোমোলাকৎ কঁও ধনৱন্ত
মানুহ ঈশ্বৰৰ্ ৰাজ্যৎ সোমোৱাৎকৈ উট্ বেজিৰ্ জল
২৫ ফাই দি সোমোৱা সুকৰ্। তেঁওৰ্ শিষ্যসকলে তাকে
শুনি অতি বিস্ময় মানি হুঁলিলে তেবে কাৰ্ ৰক্ষা হব
২৬ পাৰিব। পাচে যিশুএ সিবিলাকৰ্ ফাললৈ চায় হুঁলিলে
এই মানুহৰ্ অসাধ্য হয় কিন্তু এটায় ঈশ্বৰৰ্ সাধ্য।
২৭ তেতিয়া পিতৰে যাৎ লগায় তেঁওক্ হুঁলিলে দেখোক্
আমাৰ্ এটাইকে এৰি আমি তোমাৰ্ লগৎ আহি
২৮ চোঁ আমি কি পাম্। যিশুএ সিবিলাকক্ হুঁলিলে ময়
তোমোলাকৎ স্বৰুপকৈ কঁও তোমোলাক্ পুনৰ্জ্জন্মৎ
মোৰ্ লগৰিয়া হইছিলা সেই তোমোলাক্ যেতিয়া
মানুহৰ্ পুত্ৰেক্ আপোনাৰ্ জ্যোতিৰ্ম্ময় সিংহাসনৎ
বহিব তেতিয়া তোমোলাকে বাৰে খান্ সিংহাসনৰ্ ও

ৰং বহি যিশৰএলৰ্ বাৰেও পৰিয়ালৰ্ শোধ কৰিবা।
২৯ যিঃ মানুহে মোৰ্ নামে ঘৰকে বা ভায়েক্হঁতকে বা ভনী
য়েক্কে বা বাপেক মাককে বা তিৰোতাকে বা লৰাহঁতকে
বা মাটিকে এৰিছে সি তাৰ এশগুণ পাব আৰু অন
ন্তায়ু পাব।—

পৰ্ব্ব কিন্তু বহু আদি অন্ত হব আৰু অন্ত আদি হব
২০ কিয়নো স্বৰ্গৰাজ্যৰ্ এক্ ঘৰৰ্ গিৰিহঁতৰ্ নিচিনা যি
ৰাতিপুৱায় আপোনাৰ্ দ্ৰাক্ষা খেতিৰ্ নিমিত্তে বনিহ্
২ ধৰিবলৈ গল্। পাচে বনিহ্বিলাকে সৈতে এক্ সিকি
দিবলৈ কথা বান্ধি আপোনাৰ্ দ্ৰাক্ষা পথাৰলৈ পঠি
৩ দিলে। আৰুও এপৰ্ বেলি হলৎ তেঁও গৈ আৰু
মানুহক্ আলিবাটৎ নিস্কামী হই থাকিবৰ্ দেখি
৪ তেঁও সিহঁতক্ ঠুঁলিলে তহঁৎ আমাৰ্ দাক্ষা পথাৰলৈ যা
পাচে যি যোগ্য তাকে তহঁতক্ দিম্ এই হেতুক্ সিহঁৎ
৫ গল্। আৰুও তেঁও দুপৰিয়া আৰু তিনি পৰিয়া ও
৬ গৈ সেই ৰূপে কৰিলে। তেঁও বিয়লি বেলা গৈ আৰু
মানুহক্ অবসৰা হই থিয় হই থাকিবৰ্ দেখি তেঁও
সিহঁতক্ ঠুঁলিলে কিয় দিনযান্ অবসৰা হই থিয়
৭ হই ৰৈআছ। সিহঁতে ঠুঁলিলে আমাক্ কোনো এ
বনিহ্ ন ধৰে এই হেতুক্ তেঁও ঠুঁলিলে তহঁৎ আমাৰ্
৮ দ্ৰাক্ষা পথাৰলৈ যা যি যোগ্য তাকে পাবি। সন্ধিয়া হলৎ
সেই দ্ৰাক্ষা খেতিৰ্ অধিকাৰ্ আপোনাৰ্ ঘৰ্গিৰিক্
ঠুঁলিলে বনিহহঁতক্ মাতি আনি সিহঁতৰ্ বেচ দে শেহৰ্
৯ মানুহকে আদি কৰি আদিৰ্ মানুহতে এৰিবি। তেতিয়া
যিবিলাক্ বিয়লি বেলা আহিল্ সিহঁতৰ্ এটায়ে এসিকিঃ

১০ পালে। কিন্তু যিবিলাক্ আগেই আহিছিল্ সিহঁতে
তেতিয়া সৰহকৈ পাবলৈ মন্ কৰিলে কিন্তু সিহঁতে গায়
১১ পতি এসিকি, পালে। তাকে পায় সিহঁতে সেই ঘৰৰ্
১২ গিৰিহতে সৈতে দ্বন্দ্ব লগালে বোলে ঔহঁতে কেৱল্ আচে
ডাঁৰ্ বেলি বন্ কৰিচে আমি দিনমান্ চৰম্ আৰু
তহ সহিচো সিহঁতক্ আমাৰ্ সমান্ কৰিচা তুমি।
১৩ পাচে তেঁও মাৎ লগায় সিহঁতৰ্ এটাক্ হুঁলিলে হেৰ
ভায় তোক্ ময় একো অনিয়ায় কৰা নায় তয় মোৰে
১৪ সৈতে এসিকিলৈ কথা বন্ধা নায় নে। যি তোৰ তাকে
লৈয়া যিযান্ তোক্ দিয়ে তিমান শেহৰ্ মানুহকো দিব
১৫ আপোনাৰ্ বেহালিৎ আপোন্ ঔচ্ছায় কৰিব লগা
ন হয় নে মোৰ্ ভাল্ হোৱাৎ তোমাৰ্ কুদৃষ্টি হুই
১৬ চে নে। এয়েৰেই অন্তেই আদি হব আদিয়েই অন্ত
হব কিয়নো সৰহ্ আহ্বত তাকৰ্ মনোনীত।—
১৭ পাচে যিশুএ যিৰোশলমলৈ যওঁতে বাটৎ বাৰে জন্
শিষ্যক্ নিৰ্জ্জানলৈ নি হুঁলিলে দেখা আমি যিৰোশলম
১৮ লৈ আহিচো। মানুহৰ প্ৰতেকক্ পুধান্ পুৰোহিতৰ
আৰু অধ্যাপকৰ্ হাতৎ সুম্পিব পাচে সিহঁতেও তেঁওক্
১৯ জগাৰিয়া কৰি মাৰিবলৈ আজ্ঞা দিব। সিহঁতেও
বিকৰ্থনা কৰিবলৈ মাৰিবলৈ আৰু ক্ৰুশৎ দিবলৈ তেঁওক্
নিলগিয়াৰ্ হাতৎ সুম্পিব পাচে তেঁও তিনি দিনৰ্ দিনা
আৰুও উঠিব।—
২০ তেতিয়া জেবিদিৰ্ লৰাহঁতৰ্ মাক্ আপোনাৰ্ প্ৰতেক্
হঁতে সৈতে তেঁওৰ্ ওচৰলৈ আহিল্ পাচে পুজা কৰি তেঁওৎ
২১ এক্ অনুগ্ৰহ প্ৰাৰ্থনা কৰিলে। তেঁও তাইক্ হুঁলিলে তুমি কি

খোজা তাই টুলিলে আপোনাৰ ৰাজ্যং মোৰ এই দুটি
পুত্ৰৰ মাজৰ এটিক আপোনাৰ সোঁফালে এটিক আ
২১ পোনাৰ বাঁওফালে বহিব দিয়োক। পাচে যিশুএ উত্তৰ
কৰিলে বোলে তোমোলাকে যি খোজা সেয়ে কি তাক
তোমোলাকে নেজানা যি বাটীৰে ময় পিয়ো সেই বাটীৰে
কি তোমোলাকে পীব পাৰা আৰু যি ডুবেৰে ময় ডুবো
তোমালাক কি সেই ডুবেৰে ডুবিব পাৰা সিবিলাকে
২৩ তেঁওক টুলিলে আমি পাৰো। তেঁও সিহঁতক টুলিলে
তোমোলাকে নিশ্চয়ে মোৰ বাটীৰে পীবা আৰু যি
ডুবেৰে ময় ডুবো সেই ডুবেৰে ডুবিবাও কিন্তু যিবিলা
কৰ নিমিত্তে আমাৰ পিতৃএ যুগুং কৰিছে সিবিলাকক
এৰি মোৰ সোঁফালে বাঁওফালে বহিবলৈ আনক দি
২৪ বলৈ ময় অধিকাৰ নোহোঁ। আৰু দহোটায় তাকে
২৫ শুনি দুয়ো ভায়েকক খং কৰিলে। পাচে যিশুএ সিহঁ
তক মাতি কলে বোলে আন দেশৰ মানুহৰ ওপৰং
ৰজা সকলে আধিপত্য কৰে আৰু মহামন্ত্রি সকলে সিবি
২৬ লাকৰ ওপৰতো আধিপত্য কৰে তোমোলাকে জেয়াক
জানা তোমোলাকৰ তেনেকুৱা নহব কিন্তু মানুহৰ
পুত্ৰেক যেনেকৈ সেৱনীয় হবলৈ নাহিল কিন্তু সেৱকিয়া
হবলৈ আৰু আপোনাৰ প্ৰাণ ভালেমানৰ উদ্ধাৰার্থে
২৭ দিবলৈ আহিল তেনেকৈ তোমোলাকৰ মাজৰো
কোনো যেদি বড় হব খোজে সি তোমোলাকৰ সেৱকিয়া
২৮ হব আৰু তোমোলাকৰ মাজৰ যি কোনো পুৰান হব
খোজে সি তোমোলাকৰ বন্দী হোক।—
২৯ সিবিলাক যিৰিখোৰপৰা যাবৰ বেলা বড় এজুম

৩০ মানুহ তেওঁৰ লগত গল্। সেই কালত দেখা
দুটা অন্ধলা মানুহ বাটৰ কাষৰত বহিল্ আৰু য়িশু
আহিবৰ্ বতৰা পায় এটাহ্ পাৰি ইুলিলে হে প্ৰভু দাঊ
৩১ দৰ্ সন্ততি আমাক্ কৃপা কৰোক্। তেতিয়া লগৰ্
মানুহে সিহঁতক্ নিজম দে ইুলি হাকি মাৰিলে কিন্তু
সিহঁতে আৰু এটাহ পাৰি ইুলিলে হে প্ৰভু দাঊদৰ্
৩২ সন্ততি আমাক কৃপা কৰোক্। তাতে য়িশুএ স্থিৰকৈ
হই সিহঁতক্ মাতি সুধিলে তহঁতে কি খোজ তহঁতক্
৩৩ময় কি কৰিম্। সিহঁতে তেঁওক কলে হে প্ৰভু আমাৰ্
৩৪ চক্ষু যেন মুকলি হয় তাক্ কৰোক্ এই হেতুক য়িশুএ দয়া
কৰি সিহঁতৰ্ চক্ষু পৰশিলে পাচে তেতিয়ায় সিহঁতে চক্ষু
এ দেখিলে পাচে সিহঁত তেঁওৰ্ লগত গল্।—

পৰ্ব্ব যেতিয়া সিবিলাকে জিতবৃক্ষ পৰ্ব্বতৰ বৈতফাজত ওপগত
১। হই য়িৰোশলমৰ ওচৰ্ পালেগৈ তেতিয়া য়িশুএ দুজন
শিষ্যক্ ইুলি পঠালে তোমোলাকৰ্ সম্মুখৰ্ যি গ্ৰাম্
তালৈকে যোৱাগৈ তোমোলাকে পোৱালিএ সৈতে বান্ধি
থোৱা এজনী গাধী তেতিক্ষণে পাবা তাইকে বান্ধ মেলি
৩ মোৰ কাষৰলৈ আনাগৈ। যেদি কোনোএ তোমোলাকক্
কিবা বোলে তেবে এই কথা কবা হেনে প্ৰভুৰ্ জৈয়াত
৪ প্ৰয়োজন আছে পাচে তেতিয়ায় তাইক এৰি দিব। সিও
নৰ্ জীয়েকত কবা হেনে নম্ৰান্মা হই আৰু গাধাত
অৰ্থাত্ গাধিৰ্ পোৱালিত উঠি তোমাৰ ৰজা তোমাৰ্
৫ ওচৰলৈ আহিছে এই যি কথা আচাৰ্য্যৰ্ দোৱাৰায়
উক্ত হইছিল সেই কথাকে পূৰ কৰিবলৈ এই সকল্

৬ কৰা গল্। পাচে শিষ্যসকলে য়িশুৰ্ আজ্ঞানুসাৰে
সেই গাধিকে আৰু তাইৰ্ পোৱালিকে আনি সিহঁতৰ
৭ ওপৰৎ আপনাৰ কাপড় পাৰিলে পাচে য়িশুক তাতে
৮ তুলিলে। আৰু বহুৎ মানুহেও বাটৰ মাজৎ আপো
নাৰ্ কাপড় পাৰি দিলে আনং মানুহে গচৰ্ ডাল কাটি
৯ বাটৎ পেলাই দিলে আৰু আগে পিচে যোৱা মানুহে
ৰিঙ্গপাৰি হুঁলিলে হে দাঔদৰ্ সন্তুতি হোশানা যি জন্
ঈশ্বৰৰ্ নামে আহে সেই জন ধন্য মহা হোশানা।—
১০ তেঁও য়িৰোশলমৎ ৰলৎগৈ নগৰৰ্ এটায় মানুহে
এঁও কোন এঁও কোন এই হুঁলি ৰিঙ্গাৰাৰ্ৰা কৰিব ধৰিলে।
১১ পাচে মানুহে কলে বোলে গালিলিৰ্ নাজাৰেথৰ্
আচাৰ্য্য য়িশু এঁও।—
১২ তাতপাচে য়িশুএ ঈশ্বৰৰ্ মন্দিৰলৈ গৈ যিবিলাকে
মন্দিৰৎ কিনাবেচা কৰিছিল সেইবিলাকক বাহিৰ
১৩ কৰিলে। আৰু ধনিজাৰুগণৰ টাওপাট আৰু
পাৰ বেচাহঁতৰ দলও ওভোতায় পেলালে পাচে সিহঁ
তক হুঁলিলে আমাৰ্ ঘৰ প্ৰাৰ্থনাগাৰ নামে প্ৰখ্যাত
হব এনে লিখিত্তা আছে কিন্তু তহঁতে জয়াকে চোৰশাল
১৪ কৰিছা। তাত পাচে অন্ধলা খোড়া মানুহ কেতেটি মন্দি
ৰৎ তেঁওৰ কাষৰলৈ আহিল তেঁও সিহঁতক ভাল
১৫ কৰিলে। যি আশ্চৰ্য্য কৰ্ম্ম তেঁও কৰিলে সেই কৰ্ম্ম দেখি
আৰু লৰাইঁতক্ মন্দিৰৎ ৰিঙ্গ পাৰি হে দাঔদৰ্ সন্তুতি
হোশানা জয়াকে হুঁলিবৰ্ দেখি প্ৰধান পুৰোহিত আৰু
১৬ অধ্যাপকহঁতো খঙতে পূৰ হল্ পাচে তেঁওক্ হুঁলিলে
জহঁতে যি বোলে তুমি তাক শুনা নায় নে য়িশুএ কিদিলা

কক্ ইঁুলিল হয় এবাৰ্ যোৱা আৰু লৰাহঁতৰ্ মুখৰ
কথাতে তুমি স্তুতি ইঁুলি মানিছা নে এইকথা জানো
১৭ তোমোলাকে কোনো কালে পঢ়া নায় । তেঁও সিবিলাকক্
এৰি নগৰৰ বাহিৰ্ হৈ বীতানিয়ালৈ গল্ পাচে তাতে
প্ৰবাস কৰিলে ।—
১৮ ৰাত্ৰিপুহা নগৰলৈ ঘুৰতি যাবৰ্ বেলা তেঁওৰ্ ভোক্
১৯ লাগিল্ পাচে বাটতে এজোপা ডিমৰু গছ দেখি তাৰে তল
লৈ গল কিন্তু তাৎ পাৎ বিনে আৰু একো নে পালে সেই
হেতুকে তেঁও ইঁুলিলে এতিয়াৰ্পৰা কোনো কালে তোৰ্
এটি গুটিও নো হোক পাচে তেতিয়ায় সেই ডিমৰু গছ
২০ শুখায় গল্ । শিষ্যসকলে তাকে দেখি বিস্ময় মানিলে
বোলে ডিমৰু গছ জোপা কেনেকৈ লগতিলেই শুখায়
২১ গল্ । যিশুএ মাৎ লগায় সিবিলাকক ইঁুলিলে সঁচা
পকৈ ময় তোমোলাকৎ কঁও তোমোলাকে যদি পতিয়োৱা
সংশয় নকৰা তেবে ডিমৰু গছক যেনে কৰা গৈছে
তেনেকৈ কেৱল তোমোলাকে কৰিবা এনে ন হয় কিন্তু ভয়
২২ লভ সাগৰৎ হোগৈ এনেকৈ এই পৰ্ব্বতকে যদি বোলো
তেবে সিয়ো হব আৰু যিহকে৲ আস্তিককৈ প্ৰাৰ্থনা
কৰা তাকে পাবা ।—
২৩ তেঁও মন্দিৰৎ যেতিয়া পিয়াইছিল্ তেতিয়া প্ৰধান্
পুৰোহিৎসকলে আৰু বৃদ্ধ সকলে তেঁওৰ্ কাষ
ৰলৈ আহি ইঁুলিলে তুমি কি মহিমাৰে এই বন্ কৰিছা
২৪ আৰু এই মহিমা তোমাক্ কোনে দিলে । যিশুএ
সিবিলাকক্ উত্তৰ্ দিলে বোলে ময়ো তোমোলাকৎ
এটি কথা শোধোঁ যেদি তাকে মোৎ কব পাৰা তেবে যি

মহিমাৰে ময় এই বন্ কৰো তাকো তোমোলাকৎ কম্ ।
২৫ য়োহনৰ্ ডুব কৰ্পৰা স্বৰ্গৰ্পৰা কি মৰ্ত্যৰ্পৰা সিবি
লাকে গোট খায় এই আলচিলে যেদি আমি বোলো
স্বৰ্গৰ্পৰা তেবে আমাক্ ডুলিব তোমোলাকে তেঁওৰ্
২৬ কথা ন পতিয়ালা কিয় যেদি আমি কঁও মৰ্ত্যৰ্পৰা
তালৈকো মানুহৎ ভয় লাগে কিয়নো এটায়ে য়োহনক্
আচাৰ্য্যৰ্ নিচিনাকৈ মানে পাচে য়িশুক্ ওত্তৰ্ দিলে
২৭ বোলে আমি জৈয়াক্ কব নোৱাৰো তেতিয়া তেঁও সিবি
লাকৎ কলে বোলে তেবে ময়ো কি মহিমাৰে এই বন্
২৮ কৰো তাকো তোমোলাকৎ ন কঁও । বাৰু তোমো
লাকে জৈয়াৰ্ কি সিন্ধান্ত কৰা এক্ মানুহৰ্ দুয় পুতেক্
আছিল্ পাচে তেঁও প্ৰথম পুতেকৰ্ কাষৰৈলৈ আহি
ডুলিলে হে ডুপায় তুমি আজি গৈ আমাৰ্ দ্ৰাক্ষা পথা
২৯ ৰৎ বন্ কৰাগৈ সি ওত্তৰ্ কৰিলে বোলে ময় যাব
৩০ নোৱাৰো পাচে অমসন্তোষ কৰি তলৈ গল্ । পচে
তেঁও আন্ পুতেকৰ কাষৰৈলৈ আহিও তেনেকৈ
ডুলিলে সি ওত্তৰ্ কৰিলে বোলে বোপায় ময় যাঁও কিন্তু
৩১ নগল্ । এই দুয়োৰো মাজৎ বাপেকৰ্ মনোনীত
কোনে কৰিলে সিবিলাকে তেঁওক্ ডুলিলে প্ৰথম পুতেকে
য়িশুএ সিবিলাকক্ ডুলিলে ময় তোমোলাকৎ স্বৰূপে
কঁও পটোৱাৰিহঁতে বেশ্যাহঁতে তোমোলাকৎকৈ
৩২ আগেই ঈশ্বৰৰ্ ৰাজ্যলৈ যায় । কিয়নো য়োহনে পৰ
মাৰ্থাচৰণ্ কৰিং তোমোলাকৰ্ ওচৰলৈ আহিল্
পাচে তোমোলাকে তেঁওক্ নপতিয়ালা কিন্তু পটোৱাৰি
হঁতে আৰু বেশ্যাহঁতে পতিয়ালে তোমোলাকে তাকে

দেখিও তাৰ্ পাচে তেঁওক্ পতিয়াবলৈ অনুশোচ্ ন
৩৩ কৰিলা।  তেঁও আৰু এক্ দৃষ্টান্ত দি কলে বোলে এক্
গিৰিহৎ আছিল্ তেঁও দ্ৰাক্ষাৰ্ খেতি কৰিলে তাৰে
চাৰিওফালে টাটি দিলে আৰু দ্ৰাক্ষাযন্ত্ৰলৈ তাতে এটা
গাৎ খানিলে আৰু চাং বান্ধিলে পাচে খেয়া ধৰি দি
৩৪ দূৰ্ দেশলৈ গল্ তাৰ্ পাচে গুটিৰ্ দিন্ ওচৰ্ আপি
লৎ তাৰে গুটি আনিবলৈ খেয়াইঁতৰ্ ওলৈ বন্দিইঁতক্
৩৫ পঠায় দিলে পাচে সেই খেয়াইঁতে তেঁওৰ্ বন্দিইঁতৰ্
এটাক্ টঙ্গনিয়ালে এটাক্ বধিলে এটাক্ শিল্ পেলায়
৩৬ মাৰিলে।  আৰুও তেঁও আগৎকৈ সৰহকৈ আৰু
কেতেটি বন্দুৱা পঠিয়ে দিলে পাচে সিইঁতে সেই ৰূপে
৩৭ সিইঁতকো কৰিলে।  সৰ্ব্বশেষৎ সিইঁতে মোৰ পুত্ৰক্
অৱশ্যে সন্মান কৰিব এই বুলি তেঁও আপোনাৰ্
৩৮ পুত্ৰেককে সিইঁতৰ্ ওচৰলৈ পঠিয়ালে কিন্তু খেয়াইঁতে
পুত্ৰেকক্ দেখি আপোনাৰ্ মাজতে বুলিলে এয়ে অধি
কাৰ্ আহ আমি তাক বধো আৰু উয়াৰ্ অধিকাৰ্
৩৯ কাঢ়ি লঁও।  এয়েৰেই সিইঁতে তাক্ ধৰি আনি দ্ৰাক্ষা
৪০ বাৰীৰ বাহিৰ্ কৰি বধ কৰিলে।  এয়েৰেই সেই
দ্ৰাক্ষা খেতিৰ্ গিৰিহতে আহি সেই খেয়াইঁতক্ কি
৪১ কৰিব।  সিহঁলাকে তেঁওক্ বুলিলে তেঁও অৱশ্যে সেই
দুৰ্জনবিলাকক্ সংহাৰণ কৰিব আৰু যিবিলাকে
গুটিৰ্ দিনৎ তেঁওক্ গুটি দিয়ে এনে আন্ খেয়াইঁতক্
৪২ আপোনাৰ্ দ্ৰাক্ষা পথাৰ্ দিব।  যিশুএ সিবিলাকক্
বুলিলে যি শিলক ঘৰসজিয়াই উতিৰ্হিং কৰিলে
সেয়ে চুকৰ্ প্ৰধান্ হল্ এই ঈশ্বৰৰ্ কৰ্ম্ম আৰু আমাৰ্

দৰ্শনৎ আশ্চৰ্য্য তোমোলাকে ধৰম্‌ পুথিৎ জৈয়াক্‌
৪৩ পঢ়া নায নে। এয়েবেই তোমোলাকৎ ময় কঁও ঈশ্বৰৰ্‌
ৰাজ্য তোমোলাকৰ্‌পৰা আনিব লাগিব আৰু যি দেশৰ্‌
মান্নহে তাৰে গুটি বতৰৎ দিয়ে সিহঁতকে দিব লাগে।
৪৪ এই শিলৰ্‌ ওপৰৎ যি কোনো পড়ে সেয়ে ভাগি যাব কিন্তু
যাৰে ওপৰৎ সেয়ে পড়ে তাকে ধূলিৰ্‌ নিচিনাকৈ পিছিব।
৪৫ প্ৰধান্‌ পুৰোহিৎ সকলে আৰু ফাৰিশিসকলে তেঁওৰ্‌
উপদেশ শুনি তেঁও সিবিলাকৎ লগায় কৈছিল্‌ যেন্‌
৪৬ জৈয়াকে বুজি পালে। কিন্তু যেতিয়া তেঁওক্‌ ধৰিব
খুজিলে তেতিয়া মান্নহৎ ভয় কৰিলে কিয়নো এটায়
মান্নহে তেঁওক্‌ আচাৰ্য্য বুলি মানিছিল্‌ ।—
পৰ্ব্ব আৰুও য়িশুএ মাৎ লগায় আৰু দৃষ্টান্ত দি সিবিলা
২২ কৎ কলে। বোলে স্বৰ্গ ৰাজ্য এজন্‌ ৰজাৰ্‌ নিচিনা
তেঁও আপোনাৰ্‌ পুতেকৰ্‌ বিবাহ পাতিলে পাচে নিম
৩ নুনীয় মান্নহক্‌ মাতিবলৈ বহুতাইঁতক্‌ পাঁ·ঠিলে কিন্তু
৪ সিবিলাক্‌ নাহিল্‌ । আৰুও তেঁও আৰু বহুতাক্‌
পাঠিলে বোলে জনোৱা মান্নহবিলাকৎ কগৈ হেনে ময়
ভক্ষ্য দ্ৰব্য যুগুৎ কৰিছো আমাৰ্‌ দমৰাবিলাকো আৰু
আমাৰ্‌ চিকোন্‌ চিকোন্‌ পশুবিলাকো মৰা গৈছে
৫ আৰু এটায় যুগুৎ হুইছে বিয়াঘৰলৈ আঁহা কিন্তু
সিবিলাকে তাক্‌ হেয় কৰি এজন্‌ আপোনাৰ্‌ পথাৰলৈ
গল্‌ এজন্‌ আপোনাৰ বেহা কৰিবলৈ গল্‌ থাকিল্‌
৬ যিবিলাক্‌ সিবিলাকে তেঁওৰ্‌ বহুতাইঁতক্‌ ধৰি হিংসা
৭ আৰু হত্যা কৰিলে। কিন্তু ৰজায় তাকে শুনি খঙ কৰি
আপোনাৰ্‌ বন্ধুৱা পঠিয়ায় দি সেই হত্যাকৰোঁতা

ৱিলাকক্ বিনাশ কৰিলে আৰু সিহঁতৰ্ নগৰ্ পুড়ি
৮ পেলালে। তেতিয়া তেঁও আপোনাৰ্ বহতাহঁতক্
হুঁলিলে বিবাহৰ্ ভোজ যুগুৎ হইআছে হয় কিন্তু
৯ অনোৱা মানুহ যোগ্য ন হয়। এয়েৰেই তহঁৎ আলি
বাটলৈ গৈ যাকে৷ পাৱ সিহঁতকে বিয়ালৈ অনাগৈ।
১০ বহতাহঁতে গৈ যাৰে৷ সৈতে সিহঁতৰ্ দেখা হল্ ভাল্
হোক্ বেয়া হোক্ সেইৱিলাকক ভপায় আনিলে সেয়ে
১১ ৰেই বিয়া দৰ্ ভৰিল্ পাচে ৰজায় অনোৱাক্ দেখি
ৰলৈ ভালৈ গৈ যাৰে গাৎ বিয়াৰ্ কাপড় নায় এনে এক্
১২ মানুহক্ দেখিলে। এয়েৰেই তাক্ হুঁলিলে ৰে ভায়
বিয়াৰ্ কাপড় বিনে তুমি জৈয়ালৈ আহিলা কেনেকৈ
১৩ পাচে সি নিশবদ হল্। তেতিয়া ৰজায় আপোনাৰ্
বহতাহঁতক্ হুঁলিলে জৈয়াৰ্ হাৎ ভৰি বান্ধি বাজৎ
অন্ধকাৰৎ যৎ ক্ৰন্দন্ আৰু দাৎ কৰ্ক্কৰনী তাতে জৈয়াক্
১৪ পেলা কিয়নো ভালেমান্ আহ্বত্ হয় কিন্তু তাকৰ্ মনো
নীত।—

১৫ তেতিয়া ফাৰিশিহঁৎ গৈ যঁদৎ মেৰোৱাৰ্ নিচিনাকৈ
১৬ তেঁওৰ্ কথাতে তেঁওক্ মেৰাবলৈ আলচ কৰিলে। এয়ে
ৰেই সিৱিলাকৰ শিষ্যসকলক হেৰোদিয়া মানুহে সৈতে
তেঁওৰ্ ওচৰলৈ পঠালে হে গুৰু আপুনি সত্য আৰু
ঈশ্বৰৰ্ পথ সত্যৰূপে শিখাইছে কাকো চাটু ন কৰে
১৭ কিয়নো আপুনি কাকো অপেক্ষা ন কৰে আমি জৈয়াকে
জানো এয়েৰেই আমাৎ কঁওক কাইশৰক পঁচা দিব
১৮ লগা কি ন লগা আপোনাৰ্ মনে কি বৰে কিন্তু যিশুএ
সিহঁতৰ্ দুষ্টতা বুজি হুঁলিলে হে কাপুনিকহঁৎ মোৰ্

১৯ পৰীক্ষা ইূক্ষ কিয়েলেই মোক্ পঁচাৰ্ ৰূপ দেখুৱা তেতিয়া
২০ সিহঁতে তেঁওৰ্ আগলৈ এটা সিকি আনিলে। তেঁও সিহঁ
তক্ ইুলিলে এই আকাৰ ওপৰৎ লেখা নাম কাৰ সিহঁতে
২১ তেঁওৎ কলে কাইসৰৰ্। তেতিয়া তেঁও সিহঁতক্ ইুলিলে
এয়েৰেই যি কাইসৰৰ্ তাক্ কাইসৰলৈ দিয়া আৰু যি
২২ ঈশ্বৰৰ্ তাক্ ঈশ্বৰলৈ দিয়া। তেতিয়া সিহঁতে সেই
কথা শুনি বিস্ময় মানি তেঁওৰ্ ওচৰৰ্পৰা গল্।—
২৩ শাদুকি মানুহে বোলে মৃতক্ পুনৰ্ জন্মে সেই দিনা
সিহঁতে আহি তেঁওৎ এই কথা কলে হে গুৰু মোশাহে
২৪ ইুলিলে যেদি কোনো অপুত্ৰক্ হই মৰে তেবে তাঁৰ
ভায়েকে তাৰে তিৰোতাক্ বিয়া কৰি আপোনাৰ্ ভায়ে
২৫ কৰ্ সন্ততি উপজাব আমাৰ মাজৎ সাৎভায় আছিল্
। প্ৰথমটে বিয়া কৰি অপুত্ৰক্ হই আপোনাৰ্ তিৰোতাক্
২৬ সোদৰলৈ এৰি গল্ এনেকৈ দ্বিতীয় সপ্তমলৈকে হল্
২৭ সৰ্ব্ব শেষে সেই তিৰোতা জনী ও মৰিল্। এয়েৰেই
পুনৰ্ উঠিলে সেই সাতোটাৰ্ মাজৰ্ তাই কাৰ্
২৮ তিৰোতা হব কিয়নো এটায়ে তাইকে বিয়া কৰিছিল্।
২৯ য়িশুএ মাৎ লগায় সিহঁতক্ ইুলিলে তহঁতে ঈশ্বৰৰ্
৩০ প্ৰভাৱ আৰু ধৰম পুথিকো নেজানি ভুমিছ কিয়নো
পুনৰুত্থাৎ মানুহে বিয়া ন কৰে নি দিয়েও কিন্তু ঈশ্ব
ৰৰ্ স্বৰগি দুতৰ্ নিচিনা হয়। কিন্তু মৃতক্ মানুহৰ্
পুনৰুত্থাৰ কথা ঈশ্বৰে তহঁতক্ ইুলিলে ময় আব্ৰহা
৩১ মৰ্ ঈশ্বৰ্ আৰু য়িস্হকৰ্ ঈশ্বৰ্ আৰু যাকুবৰ্
৩২ ঈশ্বৰ্ তহঁতে জয়াক্ পঢা নায় নে ঈশ্বৰ্ মৃতকৰ্ ঈশ্বৰ্
৩৩ ন হয় কিন্তু জীয়ায় থকাৰ ঈশ্বৰ্। তেতিয়া সে

ইসমূহে জৈয়াকে শুনি তেঁওৰ্ শিখাৎ বিস্ময় মানিলে।
৩৪ তেঁও শাদ্দুকিঁউক্ নিৰুত্তৰ কৰিছিল ফাৰিশিহঁতে
৩৫ জৈয়াকে শুনি গোট খালে তেতিয়া সিহঁতৰ্ মাজৰ এজন
শাস্ত্ৰপাৰগৈ তেঁওৰ্ পৰীক্ষা হুজিবলৈ জৈয়াকে সুধিলে
বোলে হে গুৰু শাস্ত্ৰৰ্ মাজৰ্ কোন্ আজ্ঞা অতি বড়।
৩৬ য়িশুএ তাক্ হুলিলে তোমাৰ্ জ্বীশ্বৰ য়িহুহাৎ তোমাৰ্
৩৭ সমস্তো আশয় আৰু তোমাৰ্ সমস্তো আত্মা আৰু তো
৩৮ মাৰ্ সমস্তো মন দি প্ৰীতি কৰা পুথম্ আৰু মহা আজ্ঞা
৩৯ এই দ্বিতীয় তেঁওৰ্ নিচিনাকৈ তোমাৰ্ চাৰিওফালৰ্ মানু
৪০ হৎ আপোনাৰ্ নিচিনাকৈ প্ৰীতি কৰা। এই দুয়
আজ্ঞাৰ্ অন্তৰ্গত সকল শাস্ত্ৰ আৰু অচাৰ্য বাক্য।
৪১ তেতিয়া ফাৰিশিহঁৎ গোট খালৎ য়িশুএ সিহঁতক্ এই
৪২ হুলি সুধিলে খ্ৰীষ্টৰ্ দিষিৰ্ তোমোনাকৰ্ মনে কিবাৰ
তেঁও কাৰ্ পুত্ৰেক সিবিনাকে তেঁওক্ হুলিলে দাউদৰ্।
৪৩ তেঁও সিবিনাকক্ হুলিলে য়িহুহ্ মোৰ জ্বীশ্বৰক্ হুলিলে
৪৪ যেতোদিনলৈকে ময় তোমাৰ্ শত্ৰুহঁতক্ তোমাৰ্ পাদপীঠ্
ন কৰো তেতিয়ালৈকে তুমি মোৰ্ সোঁফালে বহা দাউদে
৪৫ আত্মাৰ দোৱাৰাত এই কথা কৈ তেঁওক্ জ্বীশ্বৰ হুলি কয়
যেদি জ্বীশ্বৰ্ হুলি কয় তেবে তেঁও তেঁওৰ্ পুত্ৰেক্ কেনে
৪৬ কৈ।    তাৰ্পাচে কোনোএ একষাৰো উত্তৰ কৰিব
নোৱাৰিলে আৰু সেই দিনৰেপৰা তেঁওৎ কোনোএ
কথা শুধিবলৈ সাহ ন কৰিলে।—

পৰ্ব্ব    তেতিয়া য়িশুএ সেই মানুহজুমকে আৰু আপোনাৰ্
২৩ শিষ্যসকলকে জৈয়াকে হুলিলে অধ্যাপকহঁতে আৰু ফাৰি

তব্ সন্তাপ হব কিয়নো তহঁতে পোদিনাৰে গুৱামহু
ৰিৰে জিৰাৰে দহভাগ কৰি দিয় কিন্তু শোধি দায়া
আৰু বিশ্বাসিতা শাস্ত্ৰৰ এই আতি গুৰুতৰ্ কৰ্ম্ম ন কৰ
তহঁতে ইয়া কৰা আৰু আনক ন কৰাকৈনোথোৱা ওচিত।
২৪ হে অন্ধনাৰ্ নথ দেখোৱাহঁৎ তহঁতে মহক্ এৰি পে
২৫ লাৱ কিন্তু ওটক্ গিলা ন কৰ হে অধ্যাপকহঁৎ ফাৰিশি
হঁৎ কাল্পনিক্হঁৎ তহঁতৰ্ সন্তাপ হব কিয়নো তহঁতে
কাঁহিবাটীৰ্ বাজে ধহঁ কিন্তু ভিতৰ্ৎ অম্বিৰে অসন্তোন্
২৬ পেটাৰে পুৰ হই আছ। হে অন্ধলা ফাৰিশি আগেই
২৭ কাঁহিবাটিৰ্ ভিতৰ্ ধঁহ যেন্ বাজ ফালেও নিকা হয়। হে
অধ্যাপক্হঁৎ ফাৰিশিহঁৎ কাল্পনিক্হঁৎ তহঁতৰ্ সন্তাপ
হব কিয়নো বাজে সুন্দৰ্ দেখা যায় কিন্তু ভিতৰৎ
মৰা মানুহৰ্ অস্থিএ এটাই মলিএ ভৰি আছে যি চুন
২৮ লিপা মৈদাম তাৰে নিচিনা তহঁৎ আছ। তেনেকৈ
তহঁৎ মানুহে দেখাৎ পৰমাৰ্থিক্ দেখা যাৱ হয় কিন্তু
২৯ অভ্যন্তৰৎ কপটেৰে অপৰমাৰ্থেৰে ভৰি আছ। হে
অধ্যাপক্হঁৎ ফাৰিশিহঁৎ কাল্পনিক্হঁৎ তহঁতৰ্ সন্তাপ
হব কিয়নো তহঁতে আচাৰ্য্যসকলৰ্ মৈদাম বান্ধ
৩০ আৰু পৰমাৰ্থিক্ সকলৰ্ মৈদাম সুশোভিৎ কৰ বোল
হেনে আমি আমাৰ্ পূৰ্ব্বপুৰুষৰ্ কালৎ যেদি হলো
হেঁতেন তেবে আচাৰ্য্য সকলৰ্ ৰবৎ আমি মিৰিলাকৰ্
৩১ বৰ্ভাগী ন হলোহেঁতেন এৱেৰেই আচাৰ্য্য ঘাতকী
হঁতৰ্ সন্ততি তহঁ যেন্ এই প্ৰমাণ তহঁতে আপোনাৰ্
৩২ অই দিচ। এৱেৰেই আপোনাৰ্ বাপেৰহঁতৰ পৰিমাণ্
৩৩ পুৰ্ কৰ। হে সাপহঁৎ হে কেউটিয়া সাপৰ্ বংশহঁৎ

৩৪ তহঁতে নরকর্ শাস্তি কেনেকৈ এড়াবি এয়েরেই দেখ
মযু তহঁতর্ ওচরৈ ন আচার্য্যহঁতকে বিদ্বন্তহঁতকে
অধ্যাপকহঁতকে পঠওঁ ও সিহঁতর্ মাজর্ কাকো তহঁতে
বধ করিবি আরু ক্রুশত হত্যা করিবি সিহঁতর্ কেতেটিক্
তহঁতর্ সিনাগগত মারিবি আরু নগরে নগরে সিহঁতর্
৩৫ বিপক্ষতা করিবি। পরমার্থিক্ হাবেলর্ রবরে পরা বর
খিয়াহর্ যি প্রতেকক্ তিমখিয়াহক্ তহঁতে মন্দিরত
যজ্ঞবেদির্ মাজতে বধিলি তার্ বধলৈকে যিমান্ নির্দ্দো
ষীহঁতর্ তেজ পৃথিবীত পড়িল সেইবিলাকর্ প্রতি
৩৬ ফল এই মানুহর্ গালৈ আহিব মযু তোমোলা
কত সত্যরূপে কওঁ ওয়ার্ প্রতিফল্ ইহঁতর্ ওপরলৈ
৩৭ আহিব। হে আচার্য্যঘাতকী আরু যিবিলাক্ তোমার্
এথোলৈ পঠনি হইচে সিহঁতলৈ শিল্ মারোঁতা যি
রোশলমং যেনেকৈ মাতি কুকুড়ায় আপোনার্ পোৱা
লিক্ তওকার্ তলত চপায় লয় তেনেকৈ মযো তোমার্
৩৮ চপাব খুজিচো কিন্তু তোমোলাকর্ মনস্থ ন হল্। দেখ
তহঁতলৈ এড়া যি ঘর্ সি তহঁতলৈ নির্জন হই আচে
আরু মযু তোমোলাকত কওঁ যি জন ঈশ্বরর্ নামে
৩৯ আহে সেয়ে ধন্য তোমোলাকে একৈ নো বোলামানে
মোক্ তোমো লাকে এতিয়ার্পরা দেখিবলৈ নে পাবা।—
পর্ব্ব পাচে যিশু ইগো মন্দিরর্ পরা গুচিগল্ আরু তেঁওর্
২৪ ভকতহঁতে সেই ঘরর্ বান্ধন তেঁওক্ দেখুৱাবলৈ
২ আহিল্। তেতিয়া যিশুএ সিবিলাকক্ কুলিলে তোমো
লাকে ওয়াক্ দেখা নায় নে তোমোলাকত মযু সত্যরূপ
করি কওঁ শিল্ শিলর্ ওপরত নে থাকিব যি ভঙা না

তৰ্ সন্তাপ হব কিয়নো তহঁতে পোদিনাৰে গুৱামহু
ৰিৰে জিৰাৰে দহভাগ কৰি দিয় কিন্তু শোৰি দায়া
আৰু বিশ্বাসিতা শাস্ত্ৰৰ এই আতি গুৰুতৰ কৰ্ম্ম ন কৰ
তহঁতে ইয়া কৰা আৰু আনক ন কৰাকৈ নোযোৱা ওচিত।
২৪ হে অন্ধনাৰ্ পথ দেখোৱাহঁৎ তহঁতে মহক্ এৰি পে
২৫ লাৱ কিন্তু উটক্ গৰান কৰ হে অধ্যাপকহঁৎ ফাৰিশি
হঁৎ কাল্পনিক্হঁৎ তহঁতৰ্ সন্তাপ হব কিয়নো তহঁতে
কাঁহিবাটীৰ্ বাজে ধই কিন্তু ভিতৰৎ অসুৰিৰে অসংযোন্
২৬ পেটাৰে পুৰ হই আছ। হে অন্ধলা ফাৰিশি আগেই
২৭ কাঁহিবাটিৰ্ ভিতৰ্ ধঁহ যেন্ বাজ ফালেও নিকা হয়। হে
অধ্যাপক্হঁৎ ফাৰিশিহঁৎ কাল্পনিক্হঁৎ তহঁতৰ্ সন্তাপ
হব কিয়নো বাজে সুন্দৰ্ দেখা যায় কিন্তু ভিতৰৎ
মৰা মানুহৰ্ অস্থিএ এটাই মলিএ ভৰি আছে যি চুন
২৮ লিপা মৈদাম তাৰে নিচিনা তহঁৎ আচ। তেনেকৈ
তহঁৎ মানুহে দেখাৎ পৰমাৰ্থিক্ দেখা যাৱ হয় কিন্তু
২৯ অভ্যন্তৰৎ কাপটেৰে অপৰমাৰ্থেৰে ভৰি আচ। হে
অধ্যাপক্হঁৎ ফাৰিশিহঁৎ কাল্পনিক্হঁৎ তহঁতৰ্ সন্তাপ
হব কিয়নো তহঁতে আচাৰ্য্যসকলৰ্ মইদাম বান্ধ
৩০ আৰু পৰমাৰ্থিক্ সকলৰ্ মইদাম সুশোভিৎ কৰ বোল
হেনে আমি আমাৰ্ পূৰ্ব্বপুৰুষৰ্ কালৎ যেদি হলো
হেঁতেন তেবে আচাৰ্য্যসকলৰ্ ৰক্তৎ আমি সিবিলাকৰ্
৩১ ৰইভাগী ন হলোহেঁতেন এয়েৰেই আচাৰ্য্য ঘাতকী
হঁতৰ্ সন্তুতি তহঁ যেন্ এই প্ৰমাণ তহঁতে আপোনাৰ্
৩২ আই দিচ। এয়েৰেই আপোনাৰ্ বাপেৰহঁতৰ পৰিমাণ্
৩৩ পুৰ্ কৰ। হে সাপহঁৎ হে কেউটিয়া সাপৰ্ বংশহঁৎ

৩৪ তহঁতে নৰকৰ্ শাস্তি কেনেকৈ এড়াবি এয়েবেই দেখা
ময় তহঁতৰ্ ওচৰৈ ন আচাৰ্য্যইঁতকে বিদ্ধন্তইঁতকে
অধ্যাপকইঁতকে পঠাওঁ সিইঁতৰ্ মাজৰ্ কাকো তহঁতে
হত্যা কৰিবি আৰু ক্ৰুশত্ হত্যা কৰিবি সিইঁতৰ্ কেতেটিক্
তহঁতৰ্ সিনগাগত মাৰিবি আৰু নগৰে সিইঁতৰ্
৩৫ বিপক্ষতা কৰিবি। পৰমাৰ্থিক্ হাবেলৰ্ ৰক্তৰে পৰা বৰ
খিয়াহৰ্ যি পুতেকক্ জিখৰিয়াহক্ তহঁতে মন্দিৰত
যজ্ঞবেদিৰ্ মাজতে বধিলি তাৰ্ ৰক্তলৈকে যিমান্ নিৰ্দ্দো
ষীইঁতৰ্ তেজ পৃথিবীত পৰিল সেইবিলাকৰ্ প্ৰতি
৩৬ ফল এই মানুহৰ্ গাৰৈ আহিব ময় তোমোলা
কত সত্যৰূপে কওঁ তাৰ্ প্ৰতিফল্ ইহঁতৰ্ ওপৰলৈ
৩৭ আহিব। হে আচাৰ্য্যঘাতকী আৰু যিবিলাক্ তোমাৰ্
এথেলৈ পঠনি হৈছে সিহঁতলৈ শিল্ মাৰোঁতা যি
ৰোশলম, যেনেকৈ মাতি কুকুৰায় আপোনাৰ্ পোৱা
লিক্ তওকাৰ্ তলত চপায় লয় তেনেকৈ ময়ো তোমাৰ্
৩৮ চপাব খুজিছো কিন্তু তোমোলাকৰ্ মনস্থ ন হল্। দেখা
তহঁতলৈ এৰা যি ঘৰ্ সি তহঁতলৈ নিৰ্জ্জন হৈ আছে
আৰু ময় তোমোলাকত কওঁ যি জন ঈশ্বৰৰ্ নামে
৩৯ আহে সেয়ে ধন্য তোমোলাকে এনেকৈ নো বোলামানে
মোক্ তোমোলাকে এতিয়াৰ্পৰা দেখিবলৈ নে পাবা।—

পৰ্ব্ব পাছে যিশু ইগো মন্দিৰৰ্ পৰা ওছিগল্ আৰু তেওঁৰ্
২৪ ভকতহঁতে সেই ঘৰৰ্ বান্ধন তেওঁক্ দেখুৱাবলৈ
২ আহিল। তেতিয়া যিশুএ সিবিলাকক্ কুলিলে তোমো
লাকে জীয়াক্ দেখা নায় নে তোমোলাকত সত্যৰূপ
কহি কওঁ শিল্ শিলৰ্ ওপৰত নে থাকিব যি ভঙ্গা না

৩ যাব। তাৰ্ পাচে যিশু জিতবৃক্ষ পৰ্ব্বতৰ্ ওপৰৎ বহি
লৎ তেঁওৰ্ শিষ্যসকলে তেঁওৰ্ ওচৰলৈ গুপ্ততে আহি
কুলিলে আমাৎ কোৱা এইবিলাক্ কথা কেতিয়া মিলিব
তুমি আহিবৰ্ চিন্ আৰু এই জগতৰ্ শেহৰ্ চিন্ কি
৪ হব। যিশুএ যাৎ লাগায় সিবিলাকক্ কুলিলে সাৱ
ধান কোনো মানুহে যেন তোমোলাকক্ ন ভুৰকিয়ায়
৫ কিয়নো ভালেমানেও মোৰ্ নামে আহি কুলিব
৬ মযেই খ্ৰীষ্ট আৰু ভালেমানকো ভুৰকিয়াব। কিন্তু
যেতিয়া তোমোলাকে ৰণৰ্ বতৰা আৰু ৰনৰ্ কিম্বা
ৰাৱা শুনিবা তেতিয়া সাৱধান্ হবা ভাবিৎ নকৰিবা
কিয়নো এইবিলাক্ অৱশ্যে হব কিন্তু শেহ কালৎ এ
৭ তিয়া ন হয়। কিয়নো দেশীহঁৎ দেশীহঁতৰ্ বিৰোধে ৰজা
হঁৎ ৰজাহঁতৰ্ বিৰোধে উঠিব আৰু আঁকাল্ মাঙৰ
৮ ভুকম্প নানা স্থানে হব। এইবিলাক্ দুঃখৰ্
৯ আৰম্ভ। সেইকালৎ মানুহে তোমোলাকে দুঃখ
পাবলৈ সোধায় দিব আৰু তোমোলাকক্ বধ কৰিব
১০ আৰু মোৰ্ নামৰ্ নিমিত্তে তোমোলাক্ সকলো দেশীৰ্
১১ ঘিন্‌লগা হবা তেতিয়া ভালেমান ব্যাহত হব এটায়
এটাৰ্ পৰৰ্ হাতৎ ধৰি দিব এটায় এটাক্ ঘিনাব
ভালেমান মিচা আচাৰ্য্য উঠিব আৰু ভালেমানৰো
১২ ভুৰ জনমাব। আৰু অনাৰম্যাৰ্থ বাঢ়িবলৈ ভালে
১৩ মানৰ্ চেনেহ শৈথিল হই যাব। কিন্তু যেয়ে শেহ
১৪ লৈকে সহে সেয়ে ৰক্ষিৎ হব আৰু ৰাজ্যৰ্ শুভবাৰ্ত্তা
সকলো দেশৎ প্ৰকাশ্ হবলৈ সকলো জগতৎ কীৰ্ত্তন
১৫ কৰিব লাগে তাৰ পাচে শেহকাল হব। এই হেতুক্

যি বিনাশকাৰী বস্তুৰ্ অৰ্থে দানিএল আচাৰ্য্যে কৈছিলে
১৬ যেৱে পঢ়ে সেয়ে বুজুক্ তোমোলাকে সেই বস্তু পবিত্র
স্থানত থাকিত যেতিয়া দেখিবা তেতিয়া যিবিলাক্ যিহু
দাহ্ দেশত সিহঁত পৰ্ব্বতলৈ পলাওক্। যি ঘৰৰ্ চালৰ
১৭ ওপৰত থাকে সি ঘৰৰ্ পৰা কোনো বেহানি নিবলৈ নে
১৮ নামোক্। যি কোনো পথাৰত থাকে সি আপোনাৰ্
১৯ কাপৰ্ আনিবলৈ নোভতোক্। কিন্তু যিবিলাক্ গভ
ৰ্ভী যিবিলাকে তেতিয়া স্তনপান কৰায় সিহঁতৰ্ সন্তাপ
২০ হব আৰু প্ৰাৰ্থনা কৰা যেন তোমোলাকৰ্ পলায়ন
২১ বাৰিষা বা শাবত দিনত নহয়। কিয়নো জগতৰ্
আৰম্ভৰ পৰা এতিয়ালৈকে নহল্ আৰু কোনো কালে
২২ নু হব সেইকালত এনে বড় দুঃখ হব। সেই
কাল সংক্ষেপ নহলে কোনো প্ৰাণিৰ্ ৰক্ষা হব নোৱা
ৰিলেহেঁতেন কিন্তু মনোনীত লোকৰ্ নিমিত্তে সেই
২৩ দিন্ চুঁটি কৰা হব। যেদি কোনোএ তোমোলাকক্
বোলে দেখা খ্ৰীষ্ট এযেত নে তত তাত শক্কাত ন
২৪ কৰিবা। কিয়নো মিছা খ্ৰীষ্ট মিছা আচাৰ্য্য ওহি
মহাচিন্ দেখুৱাব জীয়াতে যেদি শক্তি হয় তেবে মনো
২৫ নীতহঁতকে ভগুনা কৰিব। দেখা ময় তোমোলাকত
আগেই কৈচো এয়েৰেই যেদি কোনোএ তোমোলাকক্
২৬ বোলে দেখা তেঁও হাবিত তেৱো নে যাবা। দেখা
২৭ তেঁও গুপ্তত কোঁঠাত তেনোন পতিয়াবা। কিয়নো যেনেকৈ
পুৰুব ফালে বিজুলিয়ালে পশ্চিম ফালে পহৰ্ হয় তেনে
২৮ কৈ মনুষ্যপুত্ৰৰ্ আগমন হব। কিয়নো যতে শ তত
২৯ শগুণ্ গোট খায়। সেই কালৰ্ দুঃখৰ্ পাচত সূৰ্য্য

অন্ধকাৰময় হব আৰু চন্দ্ৰেও আপোন ৰস্মি নি দিব
তৰা স্বৰ্গৰ্ পৰা খহি পৰিব আৰু স্বৰ্গৰ্ এটাই পৰা
৩০ কম্প লৰিব । সেই কালৎ মনুষ্যপুত্ৰৰ্ চিন্ স্বৰ্গৎ
পৌচিব্ হব তেতিয়া পৃথিবীৰ্ সকলো গোষ্ঠীএ কান্দিব
আৰু সিহঁতে স্বৰ্গৰ্ মেঘাৰূঢ পৰাক্ৰম আৰু মহা
৩১ কান্তিৰে আহিবৰ্ মনুষ্যপুত্ৰক্ দেখিব । তেতিয়া
তেঁও তুৰিৰ্ বড় ধ্বনিকৰোঁতা আপোন্ দূৎসকলক্ পঠি
য়াব সিবিলাকে চাৰিওফালৰ্ পৰা আকাশৰ্ আদ্য
৩২ অন্তলৈকে আপোন্ মনোনীত লোকসবক্ গোটাব । এ
তিয়া ডিমৰু গছৰ্ দৃষ্টান্ত শিখা যেতিয়া তাৰ্ ডাল
কোমল হই কুঁহি পাৎ মেলে তেতিয়া তোমোলাকে
৩৩ জহকাল্ ওচৰ্ চাপিল্ হেন্ জানা তেনেকৈ তোমো
লাকে যেতিয়া এইবিলাক্ দেখিবা তেতিয়া সেয়ে ওচৰ্
৩৪ চাপিল্ যেন্ জানিবা দুৱাৰ্ মুখতে । তোমোলাকৎ
ময় সাৰোদ্ধাৰ্ কঁও এইবিলাক্ পূৰ্ নহলে এতিয়াৰ
৩৫ মানুহ নে যাব । স্বৰ্গো পৃথিবীও লোপ হব কিন্তু
৩৬ মোৰ্ কথা লোপ নহব । কিন্তু সেই দিন সেই দণ্ড কোঁও
নে জানে স্বৰ্গৰ্ দূৎসকলেও নে জানে কিন্তু অকল্
৩৭ আমাৰ্ পিতৃ জানে । কিন্তু নুহৰ্ কালৎ যেনে
৩৮ আছিল্ মনুষ্যপুত্ৰ অহাতো তেনে হব । কিয়নো যেনে
কৈ বৰ্পানীৰ্ আগেই যি দিনা নুহ নাৱৎ উঠিল্ সেই
দিনালৈকে সিবিলাকে খোৱা পিয়া বিবাহ কৰা বিবাহ
দিয়া ব্যৱহাৰ্ আছিল্ বৰ্পানী আহি এটাইকে
উটায় নিয়ালৈকে নে জানিলে তেনেকুৱা মানুহৰ্ পুত্ৰেক্
৩৯ অহাতো হব । সেই কালৎ দুয় জন্ পথাৰৎ হব

৪১ এজন ধৰা এজন এৰা হ্বব। জাঁৎ ঘুৰাবলৈ দুজনী
তিৰী হ্বব সিহঁতৰ্ মাজৰে এজনী ধৰতী এজনী
এৰতী হ্বব এয়েৰেই পৰ্ দিয়া কিয়নো কোন্ ভাঁৱৎ
তোমাৰ্ প্ৰভু আহিব জেয়াৰ্ তোমালোকে নে জানা।
৪২ কিন্তু জেয়াকে জানা ঘৰৰ্ গিৰিহতে যেদি জানিলে
হেঁতেন্ কোন্ পৰৎ চোৰ্ আহিব তেৰে যাপ্ দিলে
হেঁতেন আৰু আপোনাৰ্ ঘৰ্ ভাঙ্গি যাব নিদিলে
৪৩ হেঁতেন। এয়েৰেই তোমোলোক সাতম হোৱা কিয়নো
যি ভাঁৱৎ তোমোলোকে না ভাবা সেই ভাঁৱতে মানুহৰ্
৪৪ পুত্ৰেক্ আহিব। তেবে বিশ্বাসী আৰু গিয়ানী
যি বন্দিকে যোগ্য কালৎ আপোনাৰ্ পৰিয়ালক্ ভক্ষ্য
৪৫ দিবলৈ তাৰ্ গিৰিহতে অধিকাৰ্ পাতিচে সি কোন।
তাৰ্ গিৰিহতে আপুনি আহিবৰ্ বেলা যি বন্দিকে
৪৬ জেয়াকে কৰিবৰ্ দেখে সেই বন্দীএই ধন্য। তোমো
লোকৎ ময় কঁও তেঁও তাক্ আপোনাৰ্ সকলো সম্পত্তিৰ্
৪৭ অধিকাৰ্ পাতিব। কিন্তু সেই দুষ্ট বন্দিএ আপো
নাৰ্ মনতে বোলে যেদি মোৰ্ গিৰিহৎ পলমে
৪৮ আহিব তাতে আপোনাৰ্ লগৰ্ বন্দিহঁতক্ কিলাবলৈ
ধৰে আৰু মাতোৱালিহঁতে সৈতে খোৱা পীয়া কৰিবলৈ
৪৯ ধৰে তেবে যি দিনা সি অপেক্ষা ন কৰে আৰু যি ভাঁৱ নে
৫০ জানে সেই কালৎ সেই বন্দিৰ্ গিৰিহৎ আহিব আৰু
৫১ তাক কাটি পেলাব আৰু যতে কান্দনি আৰু দাঁৎকৰ্ষ
ৰণি ততে কাপ্লনিকহঁতে সৈতে তাক্ ভাগ দিব।—
পৰ্ব্ব সেই কালৎ স্বৰ্গৰাজ্য দহ জনী কন্যাৰ্ নিচিনা

স্বামী যেয়ে চাকি লৈ বব্ দেখিবলে গল্। সিইঁতৰ্
৩ মাজৰে পাঁচ জনী বুদ্ধিমতী পাঁচ জনী অজ্ঞানী।
অজ্ঞানীইঁতে চাকি ললে কিন্তু এটুনি তেলো লগৎ ন
৪ ললে কিন্তু টেঙ্গৰীইঁতে চাকিৰ্ লগতে টাকিৎ তেলো
৫ ললে। দৰা অহাৰ্ পলম স্বৰৰ্ দেখি সিইঁতে এটায়ে
৬ টোপনিয়ালে আৰু নিদ্রা গল্। কিন্তু মাজিয়া ৰাত্রিৎ
শব্দ উঠিল্ বোলে দৰা আহিচে আগ বাঢ়িবলৈ
৭ যাইঁক্। তেতিয়া সেই কন্যাইঁতে উঠি চাকি যুগুৎ
৮ কৰিলে। সেই কালৎ অজ্ঞানীইঁতে বুদ্ধিমতীইঁতক্
বুলিলে তোমালোকে কিছুমান তেল দিয়া কিয়নো আমাৰ্
৯ চাকি নুমায় গল্ কিন্তু বুদ্ধিমতীইঁতে মাত্লগালে
বোলে এনে ন হয় জানোপাচে আমালৈকো তোমালোক
লৈকো তেলে নোযোকা হয় কিন্তু তেলিয়াৰ্ ওলৈ
১০ গৈ আপোনালৈ তেল কিনি আনাগৈ। সিইঁৎ কিনি
বলৈ গলৎ দৰা আহিল আৰু যি কেই জনা প্রস্তুত
হল্ তাইইঁৎ তাৰ্ লগৎ বিয়া ঘৰলৈ সোমাল তাৰ্
১১ পাচে দুৱাৰ্ মৰা গল্। পাচে সি কেই জনী কন্যা
আহি বুলিব ধৰিলে হে প্রভু২ আমালৈ দুৱাৰ মেলা।
১২ কিন্তু তেঁও মাত্ লগালে বোলেময় নিশ্চয় কৰি কঁও
১৩ তইঁতক্ ময় নে জানো। এই হেতুক্ তোমালোকে
পৰ্ দিয়া কিয়নো যি দিনা বা যি ডাঁৰৎ মানুহৰ্ পুত্রেক্
আহে জেয়াক্ তোমালোকে নে জানা।—
১৪ যি কোনো এজন দূৰ দেশলৈ যাবলৈ ধৰিলে যাবৰ্
বেলা বন্দিইঁতক্ মাতি আনি সিইঁতৰ্ হাতৎ আপো
১৫ নাৰ্ ধনবস্তু সোধায় দিলে আৰু এটাক্ পাঁচ তালন্ত

আৰু এটাক্ দুয় তালন্ত এটাক্ এক তালন্ত এটাইকে
যোগ্যানুসাৰে দিলে তাৰ্ পাচে গমন্ কৰিলে তেলে
১৬ ইকে মানুহৰ্ প্ৰতেকৰ্ আগমন্। সেই মানুহ
গলৎ পাচে যি পাঞ্চ তালন্ত পাইছিল্ সি গৈ বেহা কৰি
১৭ আৰু পাঞ্চ তালন্ত লাভ গুলিয়ালে। যি দুয় তালন্ত
১৮ পাইছিল্ সি আৰু দুয় তালন্ত লাভ গুলিয়ালে। কিন্তু যি
এক তালন্ত পাইছিল্ সি গৈ মাটিৎ গাৎ খানি আপোনা
১৯ নাৰ্ অধিকাৰৰ্ ধন্ থুতি থলে। তাৰ্ লং দিন
পাচে সেই বন্দিৰ্ গিৰিহৎ আহি সিহঁতে সৈতে লেখা
২০ কৰিলে। তেতিয়া যিটে পাঞ্চ তালন্ত পাইছিল্ সি আহি
আৰু পাঞ্চ তালন্ত আনি কুলিলে হে দেব মোৰ হাতৎ
তুমি পাঞ্চ তালন্ত থৈ গৈছিলা দেখা ময় তাৰেই আৰু
২১ পাঞ্চ তালন্ত লাভ গুলিয়াইচো। তাৰ গিৰিহতে তাক্
কুলিলে হে সত্ত বিশ্বাসী বন্দি তয় উত্তম বন্ কৰিলি
তয় তাকৰ্ বেহানিৰেই বিশ্বাসী আইছিলি থাক্ তোক্
তালেমানৰো ওপৰৎ অধিকাৰ্ পাতিম আপোনাৰ অধি
২২ কাৰৰ্ সুখৎ সোমা। যিটে দুয় তালন্ত পাইছিল্ সি
আহি কুলিলে হে দেব তুমি মোৰ্ হাতৎ দুয় তালন্ত
২৩ দি গৈছিলা। দেখা ময় তাৰেই আৰু দুয় তালন্ত লাভ
২৪ গুলিয়াইচো। তাৰ্ গিৰিহতে তাক কুলিলে হে উত্তম
বিশ্বাসী বন্দি তয় ভাল কৰিচ তয় তাকৰ্ বেহানিতে
বিশ্বাস কৰিছিলি তোক্ তালেমানৰ্ অধিকাৰ্ পাতিম্
২৫ আপোনাৰ্ অধিকাৰৰ্ সুখৎ সোমা। যিটে এক্ তালন্ত
পাইছিল্ সি আহি কুলিলে হে প্ৰভু তুমি কঠিন্ মানুহ
যতে বোৱা নায় ততে দায়চা যত্ত ছিটা নায় ততে কোঁচা

হৈজা জৈয়াক্কে ময় জানিলো এয়েৰেই ময় ডৰুৱ্ হলো
আৰু তোমাৰ্ তালন্ত মাটিৎ লুকায় থলোগৈ দেখা
২৬ তোমাৰ্ মুল ধন্ আছে। তাৰ অধিকাৰে তাক্
উত্তৰ্ কৰিলে বোলে ৰে দুর্জন আলস্যা বন্দি ময়
যৎ ন বঁও তত্তে ধান্ দঁও যত্তে সিঁচা নায় তত্তে কোঁচও
২৭ জৈয়াকে তয় জানিলি। এয়েৰেই মোৰ ধন ৰনিজাৰুৰ্
দোকানৎ থবলগা উচিৎ আছিল্ তাত্তে ময় আহি
২৮ বাহিঁএ মুলে পালোহেঁতেন্। এয়েৰেই সেই ধন্ জৈয়াৰ্
২৯ পৰা আনি যাৰে দহ্ তালন্ত আছে তাকে দে। কিয়নো
যাৰে আছে তাকে দিবলাগে তাৰেই সৰহ্ আৰু
কিন্তু যাৰে নাই তাৰ্ যি আছে তাকে তাৰ্পৰা
৩০ আনিব লাগে। সেই অলাভ কবোঁতা বন্দিক্ বাজৎ
অন্ধকাৰৎ যত্তে ক্রন্দন্ আৰু দাঁৎকৰ্কৰণি তত্তে
পেলা।—

৩১ যেতিয়া মানুহৰ্ পুত্তেক্ আপোনাৰ্ ঐশ্বর্য্যেৰে আৰু
ও অই এটাই ধৰম্ দূতক্ লগৎ লৈ আহিব তেতিয়া
তেঁও আপোনাৰ্ জ্যোতির্ম্ময় সিংহাশনৰ্ ওপৰৎ বহিব
৩২ এটাই দেশৰ্ মানুহ তেঁওৰ্। ওচৰৎ আনিব পাচে যেনে
কৈ ৰখিয়ায় মেষকে ছাগলিকে বেলেগ কৰে তেনেকৈ
তেঁও সিহঁতৰ্ এক্ মানুহক্ এক্ মানুহৰ্পৰা বেলেগ্
কৰিব তাৰ্ পাচে মেহক্ আপোনাৰ্ সোঁফালে ছাগ
৩৩ লিক্ আপোনাৰ্ বাঁওফালে থব। তেতিয়া যিহ্লাক্
৩৪ সোঁফালে সেইবিলাকক্ ৰজায় কুলিব হে আমাৰ্
পিতৃৰ্ আশীর্ব্বাদ পঁওতা সকল্ যি ৰাজ্য তোমোলাক
লৈ জগতৰ্ খেড় দিবৰেপৰা যুগুৎ হইছে তোমোলাকে

৩৫ আৰু সেই ৰাজ্য লোৱা কিয়নো ময় ভোকেৰে আছিলো
তোমোলাকে মোক্ খাবলৈ দিলা ময় পিয়াহেৰে আছিলো
তোমোলাকে মোক্ পীবলৈ দিলা বিদেশী আছিলো
৩৬ তোমোলাকে মোক্ আলহি কৰিলা ময় ওলঙ্গটে আছিলো
তোমোলাকে মোক্ বস্ত্ৰ দিলা নৰিয়া পড়িছিলো তোমো
৩৭ লাকে মোক দেখিবলৈ আহিছিলা বন্দিশালত আছিলো
৩৩ অকল্ সৰিয়াকৈ নি হুকিয়াব ধৰিলে। তেতিয়া তেঁও
গুভতি আহি আপোনাৰ্ শিষ্যসকলৈ চাই হুঁলিলে
হে শয়তান মোৰ পিচৎ যোৱা যি হেতুক্ ঈশ্বৰৰ্
কথা তোমোলাকৰ্ মন কচে কিন্তু মানুহৰ্ কচে এই হুঁলি
৩৪ পিতৰক্ হুকি মাৰি দিলে। আতঅনন্তৰে তেঁও এটায়
মানুহক্ মাতি কলে বোলে যেয়ে মোৰ পিচৎ আহিব
খোজে সেয়ে জিতেন্দ্রিয় হোক আৰু আপোনাৰ ক্রুশ
৩৫ লৈ মোৰ পিচৎ হোক্ যি হেতুক্ যি কোনোএ আপোনাৰ্
দেহ্ ৰক্ষা কৰিব খোজে সি তাকো হেৰুৱাব আৰু
যিকোনোএ মোৰর্থে আৰু শুভ বাৰ্ত্তাৰর্থে আপোনাৰ্
৩৬ দেহ্ হেৰুৱায় সি তাক ৰক্ষা কৰিব যিহেতুক্ মানুহে
যদি এই সকলো জগৎ পায় কিন্তু আপোনাৰ্ প্রান
৩৭ হেৰুৱায় তেৱে তাৰ্ কি লাভ মানুহে আপোনাৰ্
৩৮ প্রানৰ্ সলনী কি দিব। এই হেতুক্ যিকোনোএ তিৰি
চোৰ্ পাতকী মানুহৰ্ মাজৎ মোতো মোৰ কথাতো
লজ্জুক্ হয় যেতিয়া মানুহৰ্ পুত্ৰক্ আপোনাৰ বাপে
কৰ্ বলেৰে ধৰম্ দূত সকলক লগৎলৈ আহিব
তেতিয়া তেঁওৰ্ কথাৎ লজ্জুক হব।—

পৰ্ব্ব তেঁও সিবিলাকক হুঁলিলে বোলে অকপ কৰি মযু
৯ তোমোলাকৎ কঁও যিবিলাক জীয়াৎ থিয়ৃ আইআছে
সিহঁতৰ্ মাজৰ্ কেতটি মানুহে ঈশ্বৰৰ্ ৰাজ্য

মৰ্থ হৃই আহিবৰ্ নে দেখি মৃত্যুৰসৰ্ সোৱাদ ন
লব ।—
২ তেতিয়া ছ দিনৰ্ পাচৎ য়িশুএ পিতৰকে যশ্যাকুবকে
য়োহনকে লগৎ লৈ এখান্ ওখ পৰ্ব্বতৰ্ টিঙলৈ আকল্
৩ সৰিয়া হৃই গল্ । পাচে সিবিলাকৰ আগতে আন্
মুৰ্ত্তিধৰিলে পৃথিবীৰ্ কোনো ধোবায় যিমান্ বগা কৰিব
নোৱাৰে তিমান্ কান্তিমন্ত হিমৰ্ নিচিনা অতি বগা
৪ তেঁওৰ্ কাপৰ্ হৃইছিল্ আৰু য়িশুএ সৈতে কথা কোৱা
কোই কৰিবৰ্ এলিয়াহকে মোশহকে সিবিলাকে
৫ দেখিছিল্ । তেতিয়া পিতৰে মাৎ লগায় য়িশুক্ হুঁলিলে
হেপ্রভু আমি ঔয়াতে থাকিবলৈ ভাল্ আমি তিনিটি
বস্ত্ৰগৃহ কৰো এটি আপোনালৈ এটি মোশহলৈ এটি এলি
৬ য়াহলৈ তেঁও কি কব তাক নে জানিলে কিয়নো বড় ভয়
৭ লাগিল্ এইহেতুক ইয়াকে হুঁলিলে । তেতিয়া এক মেঘে
আহি সিবিলাকক্ আবৰি ধৰিলে আৰু এই মোহোৰ্
প্রিয় পুত্ৰ ঔয়াৰ কথা শুনা এই হুঁলি মেঘৰ পৰা এক শব্দ
৮ ওহ্লিল্ । তেতিয়ায় সিবিলাকে চাৰিওফাললৈ চায় আ
৯ পোনাকে সহিতে য়িশুক্ এড়ি আৰু কাকো নে দেখিলে ।
সিবিলাক্ পৰ্ব্বতৰ্পৰা নামিলৎ তেঁও সিবিলাকক্ এই
আজ্ঞা কৰিলে বোলে মানুহৰ্ পুত্ৰেক্ মৃত্যুৰপৰা নুহে
১০ মানে এই কথা কাতো ন কবাহক্ এই হেতুক্ মৃত্যুৰ্পৰা
ওহ্লিবৰ্ অৰ্থ কি সিবিলাকে ঔয়াকে অন্যোন্যে সোধা
১১ সোধী কৰিলে । এলিয়াহ্ আগেই আৱশ্যক্ আহিব
অধ্যাপকে সকলে এই কথা কিয় কয় সিবিলাকে তেঁওৎ
১২ ঔয়াকে শুধিলে । তেঁও সিবিলাকক্ সিদ্ধান্ত কৰিলে

বোলে এলিয়াহ্ আহি সকল শোধন্ কৰিব হয় কিন্তু
মানুহৰ্ পুত্ৰেকৰ্ কথাৎ তেঁও দুখ পাব যেন্ আৰু
১৩ হেয় হব যেন তেও লেখা আছে। কিন্তু তোমোলা
কৎ মঁয় কওঁ এলিয়াহ্ আহিল্ আৰু তেঁওৰ্ কথাৰ্
যেনে লেখা হল্ তেনেকৈ যিহঁলৈকে সিবিলাকৰ্ ইচ্ছা
তাকে তেঁওক্ পুতি সিবিলাকে কৰিলে।
১৪ পাচে তেঁও আপোনাৰ্ শিষ্যসকলৰ্ ওচৰলৈ আহি
বৰ্ এজুম্ মানুহক্ সিবিলাকৰ্ চাৰিওফালে আৰু
অধ্যাপক্ সকলে সৈতে ওত্তৰাওত্তৰী কৰিবৰ্ দেখিলে
১৫ তেতিয়া এটায় মানুহে তেঁওক্ দেখি বিস্ময় মানিলে
আৰু তেঁওৰ্ কাষৰলৈ লৰ্ৰি গৈ তেঁওক্ নমস্কাৰ্
১৬ কৰিলে তেতিয়া তেঁও অধ্যাপক্ সকলৎ শুধিলে তোমো
১৭ লাকে সিহঁতৰ্ কাষৰৎ কি ওত্তৰাওত্তৰী কৰা সেই জুমৰ্
মাজৰ্ এক মানুহে মাৎ লগালে বোলে হে গুৰু মোৰ্
আঁকৰা জুতেপোৱা লৰাটিক আপোনাৰ্ কাষৰলৈ মঁয়
১৮ আনিছো আৰু যত্তে তাক্ ধৰে তত্তে তাক টৈপামাৰি
ধৰে তাতে তাৰ মুখে ফেন ওলায় আৰু দাঁৎ কৰচি খি
নায় যায়। মঁয় আপোনাৰ্ শিষ্যসকলৎ তাক্ খেদাবলৈ
১৯ কলো কিন্তু সিবিলাকে নোৱাৰিলে। তেঁও মাৎ লগালে
বোলে আৰে প্ৰতীতিহীন মানুহহঁৎ তহঁতৰ্ লগৎ কেতে
দিন্ নো থাকিম্ আৰু কেতেদিন্ তহঁতক্ সহিম তাক্
২০ মোৰ্ কাষৰলৈ আন্। পাচে সিহঁতে তেঁওৰ্ ওচৰলৈ
তাক্ আনিলে কিন্তু আত্মায় তেঁওক্ দেখিলতেই সেই
লৰাক্ টৈপামাৰি ধৰিলে পাচে সি মাটিত পৰি ঘূৰি
২১ ফেনী কাঢ়ি বাগৰিব ধৰিলে। তেতিয়া তেঁও তাৰ বাপেকৎ

শুধিলে এনে হবৰ্ কেত্তে দিন্ হল্ সি হুঁজিলে লৰা
২২ কালৰেপৰা। আকে জৈয়াক্ মাৰিবলৈ বাৰেবাৰে জুই
তো পানিতো পেলায় কিন্তু যদি কিবা কৰিব পাৰে তেবে
২৩ দায়া কৰি আমাক্ উপকাৰ্ কৰোক্। যিশুএ তাক্
হুঁলিলে যদি তয় পতিয়াব্ তেবে হবও পাৰে যিহেতুক্
২৪ যেয়ে পতিয়ায় তাৰে এটায় সিদ্ধি হয়। সেই লৰাৰ্
বাপেকে লোতকেৰে সৈতে হুঁলিলে হে পভু ময় পতীয়ও
মোক্ পুতীতিহীনক্ উপকাৰ্ কৰেকে যিশুএ এটায়
২৫ মানুহক্ লৰুড়ি আপিবৰ্ দেখি সেই অশুচি জীবক্
হকি মাৰি হুঁলিলে ঐ আঁকৰা কলা জীব ময় তোক্
আজ্ঞা কৰো জৈয়াৰ্পৰা ওলা আৰু কোনো কালে
২৬ জৈয়াৰ্ মাজত্ নো সোমাবি। তেতিয়া সেই জীৱে
বড়কৈ এটাহ্ পাৰি লৰাক্ টেপামাৰি মাজেলে ওলাল্
২৭ তাতে সি মুৰ্চ্ছাগত হল্ পাচে এটায়ে বোলে জী মৰিল্
কিন্তু যিশুএ তাৰ্ হাতত্ ধৰি তাক্ তুলিলে পাচে সি
উঠিল্।—

২৮ তেঁও ঘৰলৈ আহিলত্ সিষ্যসকলে অকলশৰিয়াকৈ
তেঁওত্ শুধিলে আমি তাক্ খেদাব নোৱাৰিলো কিয়।
২৯ তেঁও সিবিলাকক্ হুঁলিলে পাৰ্থনা উপবাস বাতিৰেকে
এই বিলাক্ ভুৎ কদাচিতো নে যায়।—

৩০ পাচে সিবিলাক্ তাৰ্পৰা গালিলিএ দি গল্ তেঁওৰ মনে
৩১ যেন্ কোনেও নে জানিব যিহেতুক্ তেঁও আপোনাৰ্
শিষ্যসকলক্ শিক্ষা কৰায় হুঁলিলে মানুহৰ পুত্ৰেক্
মানুহৰ্ হাতত্ ধৰি দিব লাগে পাচে সিহঁতে তেঁওক্
৩২ মাৰিব কিন্তু মৰিব্ পাচে তেঁও তৃতীয় দিনা উঠিব। কিন্তু

সিবিলাকে সেই কথা ন বুঝিলে আৰু তেঁওতো শুধি
বলৈ ভৰ্ লাগিল্ ।—
৩৩ পাচে তেঁও কফৰ্নয়ামলৈ আহি ঘৰ্ পায় সিবিলাকৎ
শুধিলে তোমোলাকে বাটৎ কি ওত্তৰাওত্তৰী কৰিছিলা?
৩৪ সিবিলাকৰ্ মাজৎ কোন্ বৰ এই ওত্তৰাওত্তৰী সিবি
লাকে অন্যোন্যে কৰিছিল সেই হেতুক্ সিবিলাক্
৩৫ নিশবদ হল্ । পাচে তেঁও বহি সেই বাৰ জনক্
মাতি আনি কলে বোলে যদি কোনো প্ৰধান্ হব খোজে
৩৬ তেৱে সি এটাইৰশেহ এটাইৰে আলিৰা হব । পাচে
তেঁও এটি লৰা আনি সিবিলাকৰ্ মাজতে থৈ কোলাকে আৰু
৩৭ তাক্ কোলাৎলৈ সিবিলাকক্ বুলিলে যিকোনোএ এনে
এটি লৰাক মোৰ্ নামে আলহি পোহে সি মোকে আলহি
পোহে আৰু যি কোনোএ মোক্ আলহি পোহে সি
[illegible] হি পোহে এনে ন হয় কিন্তু যি জনে
[illegible] ওকো আলহি পোহে ।—
[illegible] ৎ লগায় তেঁওক্ বুলিলে হে গুৰু
[illegible] পোনাৰ্ নামকৈ ভূৎ খেদাৱৰ্
[illegible] তেঁওক্ হাক্ দিলো যি হেতুক্ তেঁও
[illegible] । কিন্তু যিশুএ বুলিলে তেঁওক্ হাক্
[illegible] ন মোৰ নামকৈ আশ্চর্য্য কর্ম্ম কৰিব
[illegible] হঠাৎ মোৰ্ অহিৎ কব নোৱাৰে
৪০ যি হেতুক যি আমাৰ্ বিপক্ষ ন হয় সি আমাৰ্ সপক্ষ
৪১ তোমোলাক্ খ্ৰীষ্টৰ্ মানুহ এই বুলি যদি কোনোএ তোমো
লাকক্ এ বাটী পানি মোৰ্ নামে দিয়ে ময় তোমোলাকৎ
৪২ স্বৰূপৈকে কওঁ তাৰ্ ফল্ নে হেৰায় । কিন্তু সিবিলাকে

মোক্ পতিয়ায় যদি সিহঁতৰ্ মাজৰ্ এক সামান্য
মানুহবো হিংসা কৰে তেৱে তাৎকৈ তাক্ ডিঙ্গিৎ জাৎ
ৰান্ধি তাক্ সাগৰৎ পেলায় দিয়ায় তাৰ্ খ্যাতিভাল্
৪৩ যদি তোমোলাকৰ্ হাতে তোমোলাকক্ বাধাকৰে তেৱে
তাক্ কাটি পেলাব্বা যি নুনুমুৱা জুইৎ সিহঁতৰ্ পোক্
৪৪ ন মৰে আৰু জুয়ো নু নুমায় এনে নৰকলৈ যোৱাৎকৈ
৪৫ টুটা হুই জীবনলৈ যোৱা ভাল্। যদি তোমোলাকৰ্
ভৰিএ তোমোলাকক্ বাধা কৰে তেৱে তাক্ কাটি
পেলোৱা যি নুনুমুৱা জুইৎ সিহঁতৰ্ পোক্ ন মৰে
৪৬ আৰু জুয়ো নু নুমায় সেই নৰকলৈ দুভৰিয়া হুই
৪৭ যোৱাৎকৈ খোড়া হুই জীবনলৈ যোৱা ভাল্। যদি
তোমাৰ্ চকুএ তোমাৰ্ বাধা কৰে তেৱে তাক্ কাটি
৪৮ পেলোৱা [illegible] সিহঁতৰ্ পোক্ ন মৰে আৰু জুয়ো নু
নুমায় এনে নৰক্ জুইৎ দুচকুৱা হৈ পড়াৎকৈ এচ
৪৯ কুৱা হুই ঈশ্বৰ [illegible] এটায়
মানুহক জুই [illegible] লাগে আৰু [illegible]
৫০ বলিদান্ লবনে [illegible] নবুন্ ৰস [illegible]
হয় কিন্তু যদি [illegible] তাক্
৫১ নবুন [illegible] কৰিব। [illegible] ৰোজা
হোৱা [illegible] হুই থাকা।—
পৰ্ব্ব তেঁও [illegible] দেশৰ্ সীমাৎ যৰ্দ্দনৰ
১০ সিপাৰৎ ওপগাড় হলগৈ তেতিয়া আৰুও তেঁওৰ্ ওচৰৎ
মানুহ চাপিল্লি তেঁও আপোনাৰ্ আচাৰানুসাৰে
২ সিহঁতক শিখালে। সেই বেলা ফাৰিশিহঁতে তেঁওৰ্
কাষৰলৈ আহি পৰীক্ষা টুঙ্খিবলৈ তেঁওক্ সুধিলে বোলা

আপোনাৰ্ তিৰোতাক্ মানুহে পৰিত্যাগ কৰিবপায় নে
৩ নে পায়। তেঁও সিহঁতক্ উত্তৰ্ কৰিলে বোলে মোশহে
৪ তোমোলাকক্ কি বিধান্ দিলে। সিহঁতে কুলিলে
মোশহে তাইক্ আসুলিকতপা দি পৰিত্যাগ কৰিবলৈ
৫ বিধান্ দিলে। যিশুএ সিহঁতক্ সিদ্ধান্ত কৰিলে
বোলে তোমোলাকৰ্ আশয় কঠিন্ এইনিমিত্তে তেঁও
৬ তোমোলাকক্ এই বিধান্ লিখি দিলে। কিন্তু সৃষ্টিৰ্
আদিতে ঈশ্বৰে সিহঁতক্ মনিহ তিৰোতা কৰি সৃজিলে
৭ এইহেতুক্ মানুহে আপোনাৰ্ মাক্ বাপে কেৰে
৮ বেলেগ হই আপোনাৰ্ তিৰোতায় সৈতে গৃহবাস
কৰিব আৰু সেই দুয়োৰো এক্ দেহ হব এয়েৰেই
৯ সিহঁত তেতিয়াৰপৰা দুই ন হয় কিন্তু এক দেহ। এই
হেতুক্ ঈশ্বৰে যাক্ এক্ কৰিছে তাক্ কোনো মানুহে
১০ বেলেগ ন কৰোক। পাচে ঘৰলৈ গৈ তেঁওৰ্ শিষ্য
সকলে সেই কথা তেঁওক আকও সুধিলে পাচে তেঁও
১১ সিবিলাকক কলে বোলে যি কোনোএ আপোনাৰ্
তিৰোতাক্ এৰি আনক্ বিবাহ কৰে সি তাইৰ্ বিৰো
১২ ধে পৰস্ত্রী গমন্ কৰে আৰু তিৰোতা মানুহেও আপো
নাৰ্ পয়েকক্ এৰি আৰু কাতো বিয়া সোমালে ব্যভি
চাৰিণী হয়।—

১৩ সেই বেলা তেঁও সিহঁতক্ চুবলৈ মানুহে সৰুং লৰা
হঁতক্ তেঁওৰ্ আগলৈ আনিলে কিন্তু যিবিলাকে সিহঁ
তক্ আনিলে সেইবিলাকক্ তেঁওৰ্ শিষ্যসকলে
১৪ হুকিয়ালে। কিন্তু যিশুএ তাকে দেখি মত কৈ কুলিলে

১৫ সৰু২ লৰাহঁতক্ মোৰ ওচৰলৈ আহিব দিয়া হাক্ নি
দিবা যি হেতুকে এইৰূপেৰেই ঈশ্বৰৰ্ ৰাজ্য । তোমো
লাকৎ মই সুৰূপকৈ কওঁ যিকোনোএ ঈশ্বৰৰ্ ৰাজ্য
সৰু লৰাৰ্ নিচিনাকৈ গ্ৰহণ ন কৰে সি তালৈ যাব নো
১৬ ৱাৰে । পাচে তেঁও কোলাৎ লৈ সিহঁতৰ্ ওপৰৎ
হাৎ দি সিহঁতক্ আশীৰ্ব্বাদ কৰিলে ।
১৭ তেঁও বাটে দি যাওঁতে এক্ মানুহ লৰুড়ি আহি আঠু
পাৰি তেওঁৎ সুধিলে হে ধাৰ্ম্মিক্ গুৰু অনন্তায়ুৰ আধি
১৮ পত্য পাবলৈ মই কি কৰিম্ । যিশুএ তাক্ বুলিলে মোক্
ধাৰ্ম্মিক্ বুলিছা কিয় এক্ বিনে আৰু কোনো ধাৰ্ম্মিক্ ন
১৯ হয় তেঁৱেই ঈশ্বৰ্ । তুমি আজ্ঞা শুনিছা পৰস্ত্ৰী গমন্ ন
কৰিবা মহাপ্ৰাণি বধ ন কৰিবা চুৰ্ ন কৰিবা মিছলিয়া
সাক্ষী নি দিবা ভণ্ডনা ন কৰিবা আপোনাৰ্ পিতৃ
২০ মাতৃক্ মান্য কৰা । সি মাৎ লগায় তেঁওক্ বুলিলে
হে গুৰু এইবিলাক্ মই লৰাকালেৰেপৰা কৰিছো ।
২১ তেতিয়া যিশুএ দৃষ্টি কৰি তাক্ চেনেহ কৰি বুলিলে বোলে
তোমাৰ্ আৰু এক্ কৰ্ম্ম কৰিবলগা আছে যোবা
তোমাৰ্ এটায় যানি বেহানি বেচি দুখীয়া মানুহলৈ
দান্ কৰা পাচে স্বৰ্গৎ ধন পাবা আৰু আহা তোমাৰ্
২২ ক্ৰুশ লৈ মোৰ্ লগৎ আহা । সেই মানুহৰ্ বহু
ধন্ আছিল্ এইহেতুকে সেই কথা শুনি অতিশয়
২৩ শোকযুক্ত হই গুচি গল্ । তেতিয়া যিশুএ চাৰিও
ফাললৈ চায় আপোনাৰ শিষ্যসকলক্ বুলিলে ধনবন্ত
২৪ মানুহৰ্ স্বৰ্গ ৰাজ্যলৈ যোৱা কেনে টান্ । শিষ্যস
কলে তেঁওৰ্ সেই কথা শুনি বিস্ময় মানিলে পাচে

যিশুএ আৰও মাৎ লগায় সিবিলাকক্ কুঁলিলে হে লৰা
হুৎ যিবিলাকে ধনৎ বিশ্বাস্ কৰে ঈশ্বৰৰ্ ৰাজ্য লৈ
২৫ যোৱা সেইবিলাকৰ কেনে দুঃসাধ্য। ধনৱন্ত-মানুহৰ্
ঈশ্বৰৰ্ ৰাজ্যলৈ যোৱাৎকৈ বেজিৰ্ জলঙ্গায় দি ওট সৰ
২৬ কায় সুলভ। তাতে সিবিলাকে বিস্ময় মানি আনো আনেঃ
২৭ কুঁলিলে তেবে কাৰ্ নিস্তাৰ্ হব পাৰে যিশুএ সিবিলাক
লৈ চায় কুঁলিলে এয়ে মানুহৰ্ অসাধ্য কিন্তু ঈশ্বৰ
২৮ ৰৰ্ ন হয় যি হেতুক্ এটায় ঈশ্বৰৰ্ সাধ্য। তেতিয়া
পিতৰে তেঁওক্ ঔয়াক কুঁলিবলৈ ধৰিলে দেখোক্ আমি
২৯ এটায়কে এড়ি আপোনাৰ্ লগৎ আহিছো! যিশুএ
উত্তৰ্ কৰিলে বোলে ময় তোমোলাকৎ কঁও যি যি
মানুহে মোৰর্থে আৰু শুভবাৰ্ত্তাৰ্ অৰ্থে ঘৰ্ অথবা
মাটি অথবা ভায়েঁতকে অথবা ভনিয়েকহঁতকে
অথবা বাপেকক্ অথবা মাকক অথবা তিৰোতাকে
অথবা লৰাহঁতকে পৰিত্যাগ কৰে এতিয়া সিহঁতৰ্
৩০ মাজৰে এই কালৎ বিপক্ষে সৈতে এশগুণ অধিক্ ঘৰ
ভায় ভনী মাক্ লৰা মাটি আৰু ভবিষ্যৎ জগতৎ
অনন্তায়ু এই সকল্ যি নেপাব এনে কোনো নায়।
৩১ কিন্তু ভালেমান্ আদি অন্ত হব আৰু অন্ত আদি।—
৩২ আত অনন্তৰে সিবিলাক্ যিৰোশলমলৈ যাওতে যিশু
সিবিলাকৰ্ আগ হল্ তেতিয়া সিবিলাকে বিস্ময় মানিলে
আৰু তেঁৱে সৈতে যাওতেঁ ডৰ্ লাগিল তেঁও আৰও
সেই বাৰেজনক্ আনি আপোনাৰ্ যিযি মিলিব তাকে
৩৩ কব ধৰিলে। দেখা আমি যিৰুশালমলৈ যাও আৰু
মানুহৰ্ সন্ততিক্ প্ৰধান্ পুৰোহিত সকলৰে অধ্যাপক

সকলৰে হাতত ধৰি দিব লাগিৰ সিহঁতে তেওঁক্
মাৰিবলৈ আজ্ঞা কৰিব আৰু তেওঁক্ আন্ দেশৰ্ মানুহ
৩৪ হৰ্ হাতত সমৰ্পি দিব সিহঁতে তেওঁক্ বিগতি কৰিব
আৰু তেওঁক্ কোটোবাৰে কোবাব আৰু তেওৰ্ গাত
থুই পেলাব আৰু তেওঁক্ বধ কৰিব পাচে তিনি দিনৰ
দিনা তেওঁ আকৌ উঠিব।—
৩৫ তাৰ পাচে জেবদিৰ্ পুত্ৰেক্ যাকোবে য়োহনে তেওৰ্
ওচৰলৈ আহি কুলিলে হেগুৰু আমি যি খোজো তাকে
৩৬ আমালৈ কৰোক্। তেওঁ সিহঁলাকক্ কুলিলে মই
তোমালোকলৈ কি কৰিম্ তোমালোকে নো কি খোজা।
৩৭ সিহঁলাকে তেওঁক্ কুলিলে আমাক আপোনাৰ্ প্ৰতাপত তোমাৰ সোফালে এটাক্ বাঁওফালে এটাক্ বহিব
৩৮ দিয়োক্। যিশুএ সিহঁলাকক্ কুলিলে তোমালোকে যি
খুজিছা জৈয়াক্ জানো তোমালোকে নে জানা যি পিয়লাৰে
মই পীয়ো তোমালোকে জানো তাৰে পিব পাৰা। আৰু
মই যি বুড়ত বুড়ো তোমালোকে জানো সেই বুড়ত
৩৯ বুড়িব পাৰা সিহঁলাকে তেওঁক্ কুলিলে আমি তাক্
কৰিব পাৰিম্। পাচে তেওঁ সিহঁলাকক্ কুলিলে যি পিয়
লাৰে মই পীয়ো আৰু যি বুড়ত মই বুড়ো সেই পিয়
৪০ লাৰে পীবা আৰু সেই বুড়ত বুড়িবা কিন্তু মোৰ
সোফালে বাঁওফালে বহিবলৈ যিসকললৈ যুগুত কৰা
হৈছে সেই সকলক্ বাজিৰেকে জৈয়াক্ মই দিবলগা ন
৪১ হয়। সেই বাৰ্হ জনে জৈয়াকে শুনি যাকোবকে য়োহ
৪২ নকে বড় খঙ কৰিব ধৰিলে পাচে যিশুএ সিহঁলাকক্
ওচৰলৈ মাতি আনি কুলিলে বিদেশীৰ্ ওপৰত যিবি

মাক্ বিষয়া হয় সিবিলাকে অধিকাৰ্ কৰে সিইঁতক্
পালে আৰু বড় মানুহে সিবিলাকৰ্ ওপৰতো নকল
৪৩ চলায়। কিন্তু তোমোলাকৰ্ মাজৎ এনে ন হব যি
হেতুকে তোমোলাকৰ্ মাজৎ যেয়ে বড় হব খোজে
৪৪ সেয়ে তোমোলাকৰ্ সেবকিয়া হব। আৰু যি আঁতি
৪৫ প্ৰধান্ হব খোজে সি এটাইৰে বন্দী হব। যি হেতুকে
মানুহৰ্ পুত্ৰেক্ সেৱা কৰবলৈ নাহিল্ নে কিন্তু সেৱা
কৰিবলৈহে আৰু ভালেমান মানুহৰ্ মুকুতৰ্ কাৰণে
৪৬ আপোনাৰ্ প্ৰান দিবলৈ আহিল্। পাচে সিবিলাক্
যিৰিকোলৈ গৈ তেৱে তেঁওৰ্ শিষ্যসকলে আৰু বড়
এজুম্ মানুহে যিৰিকোৰ্পৰা যাবলৈ ধৰিছে সেই
সময়তে অন্ধ বাৰতিমায় নামে তিমায়েৰ্ পুত্ৰেক্ মাগি
৪৭ বলৈগৈ বাটৰ্ কাষৰতে বহিল্। পাচে যিশু নাজৰে
নৰ্ নাম শুনি সি এটাহ পাৰিৎ কৰ ধৰিলে বোলে হে
৪৮ দাঁওদৰ্ সন্ততি যিশু মোক দয়া কৰা। তেতিয়া ভালে
মানেও তাক্ নিজম্ দেৎ বুলি ধমকিয়ালে কিন্তু সি আৰু
ও এটাহ্ পাৰি বুলিলে হে দাঁওদৰ্ সন্ততি মোক্ দয়া
৪৯ কৰা। তেতিয়া যিশুএ থিগীৎ হই তাক মাতি আনি
বলৈ বুলিলে এই হেতুকে নিসংশয় হোওৰ্ তেঁও তোক
মাতিছে এই বুলিলে সিবিলাকে সেই অন্ধলা মানু
৫০ হক্ মাতিলে। পাচে সি আপোনাৰ্ কাপড় পেলায় ওহি
৫১ যিশুৰ্ কাষৰলৈ আহিল্। যিশুএ তাৎ সুধিলে
৫২ বোলে তয় কি খোজ তোক্ ময় যি কৰিম্। সেই
অন্ধলা মানুহে বুলিলে হে প্ৰভু ময় যেন্ চক্ষুএ দেখো
জেয়াকে কৰোক্। যিশুএ তাক বুলিলে যোৱা

তোমাৰ্ প্ৰতীতিএই তোমাক্ নিস্তাৰ কৰিলে । তেতি
য়ায় সি চক্ষুএ দেখি বাটৎ য়িশুৰ্ পিছেৎ গল্ ।—
পৰ্ব্ব সিবিলাক্ য়িৰুশালমৰ্ ওচৰ্ চাপিলৎ আৰু জিত
১১ বৃক্ষ পৰ্ব্বতৰ্ ওচৰৰ্ বৈতফাজ আৰু বৈতানিয়া পায় তেঁও
আপোনাৰ্ দু জন্ শিষ্যক্ আগেহৈ পঠায় হুঁলিলে।
২ তোমোলাকৰ্ সন্মুখৰ্ গাঁৱলৈ যোৱা তাৎ সোমা
য়েই যাৰ্ ওপৰৎ কোনো কালে মানুহ উঠা নায় এনে
এটা বান্ধি থোৱা পোৱালী পাবা তাকে মেলি আনাগৈ।
৩ যদি কোনোএ তোমোলাকক্ বোলে তোমোলাকে এই কন
কিয় কৰা তেবে হুঁলিবা প্ৰভুৰ্ তৈয়াৎ প্ৰয়োজন্ আছে
৪ পাচে তেতিয়ায় সিতাক্ এযেলৈ পঠায় দিব। সিবি
লাকে গৈ যতে দুয় বাট্ একে লগ্ হইছে এনে এক্
হাইৎ দুৱাৰৰ্ বাজৎ বান্ধি থোৱা সেই পোৱালীক্
পালে গৈ তেতিয়া সিবিলাকে তাকে মেলি আনিলে।
৫ সেই বেলা যিবিলাক্ সেই হাইৎ থিয় হই আছিল্
সিবিলাকৰ্ মাজৰে কোনো কোনোএ সিবিলাকক্ হুঁলিলে
৬ তোমোলাকে পোৱালিটক্ মেলি দি কি কৰা। সিবিলাকক্
য়িশুএ যিৰূপে আজ্ঞা কৰিছিল্ সেই ৰূপে সিহঁতৎ
৭ কলে পাচে সিহঁতে সিবিলাকক্ এড়ি দিলে পাচে সিবি
লাকে সেই পোৱালিক্ য়িশুৰ্ কাষলৈ আনি সিবি
লাকৰ্ কাপড় তাৰ ওপৰৎ দিলে পাচে তেঁও তাৰ্ ও
৮ পৰতে উঠিল্। তেতিয়া বহু মানুহে আপোনাৰ্
কাপৰ্ বাটৎ পাৰি দিলে কোনো কোনো মানুহে গছৰ্
৯ দাল্ কাটি বাটৎ থলে। তেঁওৰ্ আগে পিচে যোৱা
১০ মানুহে ৰিঙিয়ায়ৎ হুঁলিলে হোশানা ঈশ্বৰৰ্ নামে

যি জন্ আহে তেঁও ধন্য আমাৰ্ পিতৃ দাঔদৰ্ যি ৰাজ্য
ঈশ্বৰৰ্ নামে আহিছে সিয়ো ধন্য মহা হোশানা ।
১১ পাচে যিশু যিৰুশালমৎ ৈৰ ঈশ্বৰৰ্ মন্দিৰলৈ গল্
আৰু বিয়লিবেলা হলৎ তেঁও চাৰিওফালৰ্ এটা
ইকে দেখি সেই বাৰ জনক্ লগৎলৈ বীতানিয়ালৈ
গল্ ।—
১২ পাচ দিনা সিবিলাক বীতানিয়াৰ্পৰা আহিবৰ্
১৩ বেলা তেঁওৰ্ ভোক্ লাগিল্ পাচে পাতে ভৰপুৰ্ এজোপা
ডিমৰু গছ দুৰৈৎ দেখি তাৎ গুটি আছে নে নায় জৈয়া
বে জানিবলৈ গল্ তাৰ ওচৰলৈ গৈ দেখে স্বদা পাৎ
বিলাক আছে আৰু একো নায় যি হেতুক গুটি ধৰিবৰ্
১৪ কাল তেনিয়া ন হয় । এই হেতুকে যিশুএ যাৎ লগায়
হুঁলিলে এতিয়াৰ্পৰা কোন কালে কোনোএ তোৰ গুটি
ন খাওক্ তেঁওৰ্ শিষ্যসকলে সেই কথা শুনিলে ।—
১৫ পাচে সিবিলাক্ যিৰুশালমলৈ আহিলৎ যিশুএ মন্দি
ৰলৈ গৈ যিবিলাকে তাৰ্ মাজৎ কিনা বেচা কৰিছিল্
সিইঁতক্ তুলি খেদালে । আৰু ধনিয়াইঁতৰ্ চাউপাট্
১৬ পাৰ বেচাইঁতৰ্ আসন্ ওভতায় পেলালে আৰু মন্দিৰে
১৭ দি কোনো বেহানি কঢ়িয়ায় নিব নিদিলে । আৰু তেঁও
সিবিলাকক্ শিখায় হুঁলিলে সকলো ৰাজ্যৰ্ নিমিত্তে
মোৰ ঘৰ্ প্ৰাৰ্থনা গৃহ হুঁলি প্ৰখ্যাত হব এনে লেখা
জানো নায় কিন্তু তহঁতে তাক চোৰৰ্ শাল কৰিছ ।
১৮ তেতিয়া অধ্যাপক সকলে প্ৰধান প্ৰোহিতসকলে তাকে
শুনি তেঁওক্ কেনেকৈ বিনাশ কৰিব এই ছিদ্ৰ চায়
ফুৰিব ধৰিলে এটায় মানুহে তেঁওৰ্ শিক্ষনিতে বিস্ময়

মানিলে সেই হেতুকে সিবিলাকে তেঁওক্ ডৰালে।
১৯ পাচে বিয়লি বেলা হলৎ তেঁও নগৰৰপৰা গতি
কৰিলে।—
২০ প্ৰাতঃ কালে সিবিলাকে যাওঁতে সেই ডিমৰু গছ শিপা
২১ লৈ কে শুকাবৰ্ দেখিলে তেতিয়া পিতৰৰ্ মনৎ পৰিলৎ
তেঁওক্ কুলিলে হে প্ৰভু দেখোক্ যি ডিমৰু গছক্ আপুঁ
২২ নি শাপ্ দিছিল্ সেয়ে শুকায় আছে। যিশুএ মাৎ
লগায় সিবিলাকক্ কুলিলে ঈশ্বৰক্ পতীয়োৱা যি হেতুকে
২৩ তোমোলাকৎ ময় সৰুপ কৰি কও যি কোনোএ এই পৰ্ব্ব
তক্ বোলে ইয়াৰপৰা গৈ সাগৰৎ পৰুগৈ সেই মানু
হৰ মনৎ যদি সংশয় নে থাকে কিন্তু যিহকে বোলে সেয়ে
হব এনেকৈ যদি পতীয়ায় তেবে সেই মানুহে যিহকে
২৪ বোলে সেয়ে হব। এই হেতুকে তোমোলাকক্ ময়
বোলো তোমোলাকে প্ৰাৰ্থনাৰ্ সময় যিহকে বাঞ্চা কৰা
তাকে তোমোলাকে পায় বুলি আস্তিক্ কৰা পাবা।
২৫ যেতিয়া তোমোলাকে প্ৰাৰ্থনা কৰি থিয় হোৱা তেতিয়া যদি
কোনোবায় সৈতে তোমোলাকৰ্ কিবা বিৰোধ থাকে তেবে
তোমোলাকৰ্ পিতৃএ তোমোলাকৰ্ দায় মৰষিবলৈ
২৬ তোমোলাকেও তাক্ মৰষা কিন্তু যদি তোমোলাকে ন
মৰষা তেবে তোমোলাকৰ্ স্বৰ্গৎ থকা পিতৃএ ও
তোমোলাকৰ্ দায় ন মৰষে।—
২৭ সিবিলাক্ আকৌ যিৰুশালমলৈ আহিলৎ পাচে
তেঁও মন্দিৰৎ ফুৰিচে সেই বেলা প্ৰধান্ পুৰোহিৎ
সকলে অধ্যাপক্ সকলে গাঁৱোহুঁচা সকলে তেঁওৰ্ ওচ
২৮ ৰলৈ আহি তেঁওক্ কুলিলে বোলে এই সকল্ কি শক্তি

একে কৰিছো এই সকল্ কর্ম্ম কৰিবলৈ তোমাক্ এই শক্তি
২৯ দিলেইবা কোনে। পাচে য়িশুএ হুঁলিলে ময়ো তোমো
লাকৎ এটি কথা শোঁধো মোক্ সিদ্ধান্ত দিয়া তাৰ পাচে
যিশক্তিএকে ময় এই কর্ম্ম কৰো তাক্ তোমোলাকৎ
৩০ ময় কম্। য়োহনৰ্ হুঁড স্বৰ্গৰপৰা নে মৰ্ত্তাৰ্
৩১ পৰা জৈয়াকৈ মোক্ সিদ্ধান্ত কৰা তেতিয়া সিবিলাকে
অন্যো অন্যো আলচ্ কৰিলে বোলে যেদি আমি স্বৰ্গৰ্
পৰা বোলো তেবে সি হুঁলিব তোমোলাকে তেঁওক্ ন
৩২ পতীয়ালা কিয়। অথবা যদি আমি কঁও মৰ্ত্তাৰ্পৰা
সিবিলাকে মান্নহুক্ ডৰালে যি হেতুক্ এটায় মান্নহে
৩৩ য়োহনক্ নিশ্চয়ে আচাৰ্য্য হুঁলি মানে। এই হেতুক্
সিবিলাকে যাৎ লগায় য়িশুক্ হুঁলিলে আমি জৈয়াক্
কব নোৱাৰো। য়িশুএ যাৎ লগায় সিবিলাকক্
হুঁলিলে যি শক্তিৰে ময় এই সব কর্ম্ম কৰো তাকো তোমো
পৰ্ব্ব লাকৎ ময় ন কঁও।—

১২ পাচে তেঁও সিবিলাকৎ দৃষ্টান্ত দি কবলৈ ধৰিলে। এক্
মান্নহে দ্ৰাক্ষাৰ্ খেতি কৰি তাৰ চাৰিওফালে টাটি দিলে
আৰু দ্ৰাক্ষা চিকোন্ কৰলৈ এটা গাৎ খানিলে আৰু
চাৰিও ফালে চাপ্ বান্ধিলে আৰু খেয়া ধৰিদি তেঁও দূৰৈৰ
২ লৈ গল্। পাচে বতৰৰ্ দিনৎ তেঁও সেই খেয়া
হঁতৰ্ তলৈ দ্ৰাক্ষাফল্ আনিবলৈ এটা বন্দিক্ পঠালে
৩ কিন্তু সিহঁতে তাক্ ধৰি মৰিয়ায় কোবায় শুদাহাতে
৪ পঁাচি দিলে। আকও তেঁও সিহঁতৰ্ তলৈ আৰু
এটা বন্দিক্ পঠালে পাচে সিহঁতে শিল্ মাৰি তাকো পঁাচি

৫ দিলে তাৰ মূৰ ভাঙ্গি অমর্য্যাদা কৰি। আৰু ঔ তেঁও
আৰু এক্ বন্দিক্ পঠালে সিহঁতে তাক্ বধিলে আৰু
কৌনোক্ মৰিয়ালে কোনোক্ বধিলে এই ৰূপে সিহঁতে
৬ ভালেমান্ ভগালে। তেঁওৰ্ এটি আতি স্নেহৰ্ পুত্র
আছিল্ এইহেতুক সিহঁতে মোৰ্ লৰাক্ মর্য্যাদা কৰিব
৭ এই বুলি সর্ব্বশেষৎ তাক্ পঠালে। পাচে যয়াহঁতে
আলচ্ কৰি বুলিলে এয়ে অধিকাৰ্ আহোক্ আমি
ঔয়াক্ মাৰি পেলও তেতিয়া অধিকাৰ্ আমাৰ্ হব।
৮ তেতিয়া সিহঁতে গৈ তাক্ মাৰি পেলায় দ্রাক্ষানীৰ্ বাজ
৯ ভুলিয়ায় পেলেলি। এইহেতুক সেই দ্রাক্ষাৰ্ অধি
১০ কাৰে কি কৰিব তেঁও আহি সেই যয়াহঁতক বিনাশ্
কৰি দ্রাক্ষাৰ্ খেতি আন্ মানুহক দিব। তোমা
লোকে জানো এই লেখাও পঢ়া নায় ঘৰ্ সজিয়া মানুহে
যি শিল্ ঔভিনি॰ কৰিলে সেয়ে চুকৰ্ প্রধান হল।
১১ এই ঈশ্বৰৰ্ কর্ম্ম এয়ে আমাৰ্ দেখাৎ আশ্চর্য্য।
১২ তেতিয়া সিবিলাকে তেঁওক্ ধৰিব খুজিলে কিন্তু মানুহৎ
ভয় কৰিলে যিহেতুক্ তেঁও সেই দৃষ্টান্ত সিবিলাকৎ
লগায় দিছিল্ যেন্ সিবিলাকে জানিলে পাচে তেঁওক্
এৰি সিবিলাক্ গুচি গল্।—
১৩ তাৰ পাচে সিবিলাকে গৈ কেতেটি ফাৰিশি কেতেটি
হেৰোদিয়াহতে তেঁওৰ্ কথাৰেই তেঁওক্ বান্ধিবলৈ পঠা
১৪ লে। সিহঁতে আহি তেঁওক বুলিলে হে গুৰু আপুনি
সত্যবাদী কাতো চাটু ন কৰে যি হেতুক্ আপুনি ঈশ্বৰৰ্
পথ স্বৰূপ্ কৰি শিখায় ঔয়াকে আমি জানো। তাই
সিৰি বীৰ্ কাইসৰক্ দিবলগা হয় নে ন হয় আমি

১৫ দিয় নে নি দিয়। পাচে তেঁও সিহঁতৰ্ ছলবাদ বুজি
বুলিলে কিয় মোৰ্ পৰীক্ষা বুলিছ এটা সিকি ময় দেখিং
১৬ বলৈ জৈয়ালৈকে আন্। সিহঁতে তাকে আনিলে
তেতিয়া তেঁও সিহঁতক বুলিলে এই কাৰ্ আকাৰ্ কাৰ্
১৭ নাম ওপৰৎ লেখা। সিহঁতে তেঁওক্ বুলিলে কাইসৰৰ্
যিশুএ সিহঁতক্ সিদ্ধান্ত কৰিলে বোলে যি কাইসৰৰ্
তাক্ কাইসৰলৈ দে আৰু যি ঈশ্বৰৰ্ তাক্ ঈশ্বৰ
লৈ দে তেতিয়া সিহঁতে তেঁওৰ্ কথাৎ বিস্ময় মানিলে।
১৮ শাদ্দুকিহঁতে বোলে পুনৰুত্থান্ নায় তেতিয়া সিবি
লাকে তেঁওৰ্ ওচৰলৈ আহি জৈয়াকে কৈ তেঁওৎ শুধিলে
১৯ হে গুৰু মোশাহে আমালৈ লেখিলে বোলে যেদি কোনো
মানুহৰ্ ভায়েক অপুত্ৰক্ হই মৰে তাৰ্ তিৰোতাক্
এড়িযায় তেবে তাৰ্ ভায়েকে তাৰ্ তিৰোতাক্ বিয়া
২০ কৰিব আৰু আপোনাৰ ভায়েকৰ্ বংশ ওপজাব। পূৰ্ব্বে
সাৎ ভায়েক্ আছিল্ তাৰে বড় ভায়েকে বিয়া কৰি
২১ নিঃসন্ততি হই মৰি গল্। পাচে তাৰ্ মৰু ভায়েকেও
তাইকে বিয়া কৰি নিঃসন্ততি হই মৰিল্ তেনেকে
২২ তাৰ্ মৰু ভায়েকেও এইৰূপে সেই সাৎ ভায়েকে
তাইকে বিয়া কৰি নিঃসন্ততি হই মৰিল সৰ্ব্ব শেষৎ
২৩ সেই তিৰোতাজনীও মৰিল্। এয়েৰেই পুনৰুত্থা
নৎ যেতিয়া সিহঁৎ উঠিব তেতিয়া তাই কাৰ্
তিৰোতা হব যিহেতুক্ তাই সাতো ভায়েকৰ্ ঘৰী
২৪ নিয়েক আছিল্। যিশুএ মাৎ লগায় সিহঁতক বুলিলে
তহঁতে ধৰম্ পুথি নে জান আৰু ঈশ্বৰৰ্ মহিমা নে
২৫ জান সেই হেতুক্ তহঁতে ন ভুমে নে কিয়নো যেতিয়া

মিহঁৎ মৃত্যুৰপৰা আকও উদ্বিৰ তেতিয়া সিবিলাকে
বিয়া ন কৰে বিয়াও নি দিয়ে কিন্তু স্বৰ্গৎথকা দূতৰ্
২৬ লিচিনা হ্বৰ। কিন্তু মৃতকৰ্ কথাৎ যেন্ সিবিলাক্ উঠে
মোশাৰ্ মাজৰ্পৰা ঈশ্বৰে যি কলে বোলে ময় অব্ৰা
হাময়ৰে যিস্হাকৰ যস্কাকবাৰে ঈশ্বৰ্ তোমোলাকে মোশ
২৭ হৰ পুথিৎ জানো এই কথা পঢ়া নাই। তেঁও মৃতকৰ্
ঈশ্বৰ্ ন হয় কিন্তু জীয়াই থকাৰহে ঈশ্বৰ্ এই হেতু
তোমোলাকৰ্ বড় ভ্ৰম আছে।
২৮ সিবিলাকৰ্ কথা বতৰা শুনি এজন্ অধ্যাপক্ আছিল্
আৰু তেঁও সিবিলাক্ ঠিকোন্ সিদ্ধান্ত কৰিছিল্ জীয়াকে
২৯ হুঁধি তেঁওৎ সুধিলে কি আজ্ঞা সবাৰে প্ৰথম। যিশুএ
সিদ্ধান্ত দিলে বোলে এটায় আজ্ঞাৰ প্ৰথম এই হে যিশ্ৰ
৩০ এল শুনা আমাৰ্ ঈশ্বৰ্ যিহ্বহ এক ঈশ্বৰ আৰু
তোমাৰ ঈশ্বৰ যিহ্বহকে তোমাৰ্ চিত্ত বুদ্ধি আত্মা
৩১ মন্ বলেৰে স্নেহ কৰা এয়ে প্ৰথম্ আজ্ঞা। দ্বিতীয়
তেনেকৈ তোমাৰ্ চাহিওফালৰ্ মানুহকে আত্মা সদৃশ
স্নেহ কৰা আৰু একো আজ্ঞা জীয়াৎকৈ বড় নাই।
৩২ সেই অধ্যাপকে তেঁওক হুঁলিলে বাহু বাপ্পদেৱ আপুনি
স্বৰূপ কৈছে যিহেতুক এক্ ঈশ্বৰ্ আছে তদন্য দ্বিতীয়
৩৩ আৰু কোনো নাই তেঁওকে সৰ্ব্ব চিত্ত সৰ্ব্ব বুদ্ধি সৰ্ব্ব
আত্মা সৰ্ব্ব বল দি স্নেহ কৰা আৰু চাৰিওফালৰ্ মানুহক্
আত্মা সদৃশ স্নেহ কৰা এয়ে সৰ্ব্ব আহুতি বলিদানৎকৈ
৩৪ বড়। যিশুএ তেঁওৰ্ এই উত্তৰ্ উত্তম্ দেখি তেঁওক্
হুঁলিলে তুমি ঈশ্বৰৰ্ ৰাজ্যৎকৈ নিলগ্ নোহোৱা।
তাৰ পাচে তেঁওৎ একো শুধিবলৈ কাহো সাহ ন জন্মিল্

৩৫ যিশুএ মন্দিৰৎ শিখাইছিল তেতিয়া মাৎ লগায় হুঁলিলে
খ্রীষ্ট দাওদৰ সন্ততি এই কথা অধ্যাপক সকলে কেনে
৩৬ কৈ কয় । যি হেতুকে দাওদে আপুনি ইৰয় আত্মাৰ
দোৱাৰায় কলে যিহুৱায় আমাৰ ঈশ্বৰৎ কলে
তোমাৰ শত্ৰুহঁতক তোমাৰ পাদপীঢ় মই ন কৰোমানে
৩৭ মোৰ দক্ষিণ ফালে বহা । এইহেতুকে দাওদে
আপুনি তেঁওক ঈশ্বৰ হুঁলিলে এইহেতুকে তেঁও তেঁওৰ
পুত্ৰেক কেনেকৈ হয় হীনলোকে তেঁওৰ কথা ৰঙ্গমনে
শুনিলে ।—

৩৮ তেঁওৰ শিখোৱাৰ মাজতে সিবিলাকক হুঁলিলে যিবি
লাকে দীঘল কাপড় পিন্ধি যাব খোজে আৰু বজাৰৎ
৩৯ নমস্কাৰ লব খোজে সিনাগগৎ ভাল খোৱাহাইৎ
ৰৈডনিৰা খোজে আৰু যিবিলাকে ৰাঁৰিৰ ঘৰ খায়
৪০ পেলায় আৰু ফন্দ কৰি দীঘল প্ৰাৰ্থনা কৰে এনেকুৱা
অধ্যাপকহঁতৎ সাৰুৱালে থাকা ঐহঁতে ডাঙৰ শাস্তি
পাব ।—

৪১ পাচে যিশুএ ভৰাঁলৰ আগৎ বহি মানুহে কেনেকৈ
ভৰাঁলৎ দান কৰে তাক দেখিলে ভালেমান ধনৱন্ত
৪২ মানুহে তাৰ মাজৎ বহুত ধন পেলায় দিলে কিন্তু এজনী
দুখুনী ৰাঁৰিএ আহি তাতে দুয় মাতি পেলায় দিলে তাৰ
৪৩ মোল এক তিনি বতিয়া । তেতিয়া তেঁও আপোনাৰ
শিষ্য সকলক মাতি কলে তোমোলাকৎ মই স্বৰূপ
কৰি কঁও যি যিবিলাকে যিমান ধন ভৰাঁলৎ পেলায়
দিছে সেই এটাইতেকৈ সৰহ এই দুখুনী ৰাঁৰিএ
৪৪ দিছে । কিয়নো এইবিলাকে আপোনাৰ সৰহী

য়াবিলৰ্ কিছু মান্ ভৰালত্ পেলায় দিছে কিন্তু তাই
আপোনাৰ্ দাৰিদ্যত্ সর্ব্ব বহুত্ দিছে।

পর্ব্ব উঁও মন্দিৰৰ্‌পৰা এলায় গৈছে সেই সময়তে উঁহঁক্
১৩ শিষ্যৰ্ মাজৰে এজনে ইুলিলে হে গুৰু দেখোক্ এই
কেনে শিল্ কেনে ঘাক্ষৰ। যিশুএ উঁহঁক্ উত্তৰ
দিলে বোলে তুমি এই বড় বাক্ষ কি দেখিছা যি শিল্
ভাঙলৈ ন পড়ে এনে এক্ শিলৰ্ ওপৰত্ আৰু এক
৩ শিল্ নে থাকিব। উঁও জিতবৃক্ষ পর্ব্বতৰ্ ওপৰত্
মন্দিৰৰ্ আগত্ বহিলত্ পিতৰে যাকোবে য়োহনে
আন্দ্ৰিএ উঁওত্ বিশ্বাসে সুধিলে আমাত্ কওক্ এই বিলা
৪ ক্ কেতিয়া হব আৰু এই বিলাক্ কথা প্ৰত্যক্ষ হবা
৫ কালৰ্ চিন্ কি। পাছে যিশুএ মাত্ লগায় সিবিলাকত্
কব ধৰিলে বোলে সাৱধান্ কোনোএ যেন্ তোমো
৬ লাকক্ নভুলায়। যি হেতুক্ ময় খ্ৰীষ্ট এনেকৈ ইুলিং
ভালেমান্ মানুহ মোৰ নামকৈ আহিব ভালেমান
ৰো ভুয জন্মাব কন্তু তোমোলাকে ৰনৰ্ ৰত্ৰা শুনি
৭ চিন্তা ন কৰিবা যি হেতুক এইবিলাক্ অৱশ্যে হব লগা
৮ আছে কিন্তু শেহত্ এতিয়া ন হয়। এক্ ৰাজ্যৰ্ মানুহ
এক্ ৰাজ্যৰ্ মানুহৰ্ বিৰোধে আৰু এক্ ৰজাৰ বিৰো
ধে আন্ ৰজা উঠিব। হায়েং ভুমিকম্প আকাল তাক্ষ
৯ হব দুখৰ্ আৰম্ভ এইবিলাক্ কিন্তু তোমোলাক্ সাৱধ্
হোৱা যি হেতুক্ সিহঁতে তোমোলাকক্ মেলত্ সোধায়
দিব নি আৰু জিনগাত্ তোমোলাকে কিল্ খাবা আৰু
ৰজা তাঙ্গৰিয়াৰ্ আগলৈ মোৰর্থে তোমোলাকৰ্ বি
১০ ৰোধে সাক্ষী হবলৈ তোমোলাকক্ আনিব। আগেই

১১ শুভ বাৰ্ত্তা সকলো জেনৎ কীৰ্ত্তন্ কৰা হব। কিন্তু
যেতিয়া সিহঁতে তোমোলাকক্ শোধায় দিয়নি তেতিয়া
কি কয় আগেই এই বুলি চিন্তা ন কৰিবা আৰু ভাবি
১২ চিন্তা ন কৰিবা কিন্তু যিহকে সেই সময়ৎ তোমোলাকক্
দিয়েঁ তাকে কবা যিহেতুক যি জনে কয় তেঁও তোমোলাক্
ন হোৱা কিন্তু ইৰম্ আত্মা ভায়েকে ভায়েকক্ মাৰিবলৈ
সোধায় দিব আৰু বাপেকে পুতেক্ লৰাহঁতে মাক্
১৩ বাপেকক্ পদ্দিয়া কৰি সিহঁতক্ মৰাবলৈ উঠিব আৰু
মোৰ্ নামৰ্ নিমিত্তে তোমোলাকক্ এটায় মানুহে দিলাব
কিন্তু যেয়ে শেহলৈকে সহিব পাৰে সেয়ে ৰক্ষা পাব।—
১৪ যি সৰ্ব্ব নাশ কৰা দিন্লগা যি বস্তুৰ কথা দানিএল
আচাৰ্য্যে কলে তাকে অশুচিত্ ঠাইৎ উপগত হবৰ্
যেতিয়া দেখা যেয়ে পঢ়ে সেয়ে বুজক্ তেতিয়া যেয়ে যি
১৫ যিহুদা দেশৎ থাকে সেয় পৰ্ব্বতলৈ ভাগি যওক্ যি ঘৰৰ
চালৰ্ ওপৰৎ থাকে সিঘৰলৈ নে নামোক্ আৰু ঘৰৎ
১৬ থকা কোনো বস্তু লিবলৈ তাৎ নো সোমওক্। যি
মানুহ পথাৰৎ থাকে সিও আপোনাৰ্ কাপড় লিবলৈ
১৭ নোভাতাক্। কিন্তু যিবিলাক্ সেই কালৎ গৰ্ভ
ৱতী আৰু যিবিলাকে লৰাক্ এবাৰ্ খুৱায় সিহঁতৰ্
১৮ সন্তাপ্ হব। আৰু তোমোলাকৰ্ ভাগি যোৱা
যেন্ জাৰ্ কালে নহয় ঈয়াকে প্ৰাৰ্থনা কৰা যি হেতুক্
১৯ যি সৃষ্টি ঈশ্বৰে কৰিছে সেই সৃষ্টিৰ্ আৰম্ভৰপৰা এতি
য়ালৈকে যেনে ক্লেশ কোনো কালৎ ন হল্ আৰু কোনো
কালৎ ন হবও তেনে বড় ক্লেশ সেই দিনা হব।
২০ ঈশ্বৰে সেই কাল্ চুটি ন কৰিলে কাকো ৰক্ষা ন

পড়ে কিন্তু যাক তেঁওৰ মনত লাগে সেই মনস্থবিলাক
২১ লৈ সেই দিন চুটি কৰিছে। যদি কোনোবায় তোমো
লোকক বোলে দেখা খ্ৰীষ্ট এযোৎ কি তৎ তেৱোঁ ন
২২ পতীয়াবা যি হেতুকে মিচা খ্ৰীষ্ট সকল মিচা আচাৰ্য্য
সকল উপজিব আৰু যদি মনস্থ সকল ভুমিব পাৰে
তেবে যিহতে সিহঁতে ভুমে এনে চিন আশ্চৰ্য্য কৰ্ম্ম
২৩ দেখাব। কিন্তু তোমোলোক সাৱধান হৱা দেখা মই আ
২৪ গেই এটায় খানি কথা তোমোলোকত কৈছো। কিন্তু
২৫ সেই দুখৰ পাচে সেই কালতেই বেলি নোলাব যোনে
ও যোনাক ন কৰিব সৰগৰ তৰা খহি পড়িব আৰু
২৬ সৰগৰ এটায় মহিমা লড়িব। তেতিয়া মানুহৰ পুত্ৰেক
মহা মহিমা ঐশ্বৰ্য্য লগত লৈ মেঘত উঠি আহিবৰ
২৭ সিহঁতে দেখিব সেই বেলা তেঁও চাৰিও ফালৰপৰা
পৃথিবীৰ সীমাৰপৰা সাৰগৰ সীমালৈকে আপোনাৰ
দূত সকলক পঠিয়ায় আপোনাৰ মনস্থ সকলক
২৮ গোটাব। এতিয়া ডিমৰু গছৰ এক উপমা শিখা
যেতিয়া তাৰ ডাল কুই কুহি পাত হবে তেতিয়া জহ
কাল ওচৰ লাগিল বুলি তোমোলোকে জানা এনে কৈ
এইবিলাক কথাও পুৰৰ্ত্তিবৰ দেখি সেয়ে ওচৰ যেন
২৯ দুৱাৰ আগতে হল বুলি জানা। তোমোলোকত মই
৩০ স্বৰূপ কৰি কঁও এই বিলাক পুৰাক ন হলে এই বিলাক
মানুহ ন মৰ আৰু সৰগ পৃথিও বৈ যাব তথাপি মোৰ
কথা বৈ নে যাব।—
৩১ কিন্তু সেই দিন আৰু সেই ডাৱৰ কথা কোনোএ
নে জানে সৰগৰ দূত সকলে ও নে জানে আৰু পুত্ৰেও

৩২ নে জানে কিন্তু কেৱল পিতৃ। সাৱধান হোৱা পৰ্
দি। আৰু প্ৰাৰ্থনা কৰা যিহেতুক সেইবেলা কেতিয়া
৩৩ হব তাক্ তোমোলাকে নে জানা। যেনেকৈ কোনো
মানুহে পর্ব্বাহলৈ যাবলৈ যাত্ৰা কৰি আপোনৰ্ ঘৰ্
৩৪ এড়ে আৰু আপোনাৰ্ বন্দিহঁতকে ঘৰৰ্ অধিকাৰ্ পাতে
আৰু এটাইকে স্বকিয়াং কাৎ নিযোজন্ কৰে আৰু
৩৫ দুৱৰিক্ পৰ্ দিবলৈ বোলে তেনে মানুহৰ্ সন্ততি। এই
হেতুক্ পৰ দিয়া যিহেতুক্ ঘৰৰ্ গিৰিহৎ কেতিয়া
আহে কি বিয়লি বেলা কি মাজনিশা ৰাতি কি কুকুৰায়
৩৬ ডাকে দিবৰ্ বেলা কি ৰাতিপুৱা ঔয়াক্ তোমোলাকে
নে জানা জানি কি অকস্মাতে আহি তোমোলাকক্ টোপ
৩৭ নিতে দেখেহি। যিহকে তোমোলাকক্ ময় বোলো
তাকে এটাইৰে আগৎ কৈ পৰ্ দিয়া।—

পর্ব্ব | দুয় দিনৰ্ পাচৎ পেসাখ আৰু বেখমিৰ্ পিঠাৰ্
১৪ বিস্তৰ হল্ তেতিয়া প্ৰধান্ প্ৰোহিৎসকলে অধ্যাপক্
সকলে তেঁওক্ যন্দ কৰি কেনেকৈ ধৰিব ঔয়াকে বিচাৰি
২ ফুৰিব ধৰিলে। কিন্তু সিবলাকে কুলিলে বিস্তৰৰ্ দিনা
৩ ন হয় আনো পাচে মানুহৰ্ হুহ্ লাগে সেই কালৎ
বৈতানিয়াৎ শীমোন্ কুষ্ঠিয়াৰ ঘৰৎ সোমায় তেঁও
খাবলৈ বহিলৎ এজনী তিৰোতায় বহু মূলয়া জটা
মাংসী তেল্ ভৰি বগাশিলৰ্ এটা টেমা আনি টেমা
৪ ভাঙ্গি তেঁওৰ্ মূৰৎ বাকি দিলে। কিন্তু কেতেটি
মানুহে মনৎ অসন্তোষ পায় কুলিলে বোলে এই
৫ তেল্বিলাক্ বয় কিয় কৰিলে যিহেতুক তাক্ তিনিশ

মিহিলৈ বেচিব পাৰিলেহেঁতেন্ আৰু দুখিয়া মানুহ
হক্ দিব পাৰিলেহেঁতেন্ এই বুলি সিবিলাকে তাইক্
৬ ঘাত কৰিব ধৰিলে। পাচে যিশুএ কলে এড়ি দেলোৱা
তাইক্ অসন্তোষ দিয়া কিয় তাই মোৰ এপৰং
উত্তম বন্ কৰিছে যিহেতুক্ দুখিয়া মানুহ নিতৌ
৭ তোমালোকৰ্ লগৎ থাকে তোমালোকৰ্ জৈষ্টা হলে
কোনো কালৎ সিহঁতৰ্ উপকাৰ্ তোমালোকে কৰিব
৮ পাৰা কিন্তু ময় নিতৌ তোমালোকৰ্ লগৎ নায়। তাই
যিহকে কৰিব পাৰে তাকে কৰিছে তাই মোৰ্ মৈদা
মৎ শুৱৈল মোৰ্ গাৎ তেল ঘঁহিবলৈ আগেই
৯ আহিছে। তোমালোকৎ ময় স্বৰূপ কৰি কওঁ সকলো
ৰাজ্যৎ যতে যতে এই শুভবাৰ্ত্তা শুনোৱা হয় ততে ততে
এই যি বন কৰিলে জৈয়াকে সুমৰিবলৈ কৰিব লাগে।
১০ তেতিয়া বাৰ জনৰ্ মাজৰ্ যিহুদাহ ইস্কাৰিএটা নামে
এজনে তেঁওক্ সিবিলাকৰ্ হাতৎ ধৰি দিবলৈ প্ৰধান্
১১ পুৰোহিৎ সকলৰ্ তলৈ গল্। সিবিলাকে তাকে
শুনি ৰঙ্গ পালে আৰু তেঁওক্ ধন্ দিবলৈ মলে পাচে
তেঁওক্ সিবিলাকৰ্ হাতৎ ধৰি দিবলৈ জল্ চায় ফুৰিব
ধৰিলে।—

১২ তেতিয়া নেমাখিৰ্ যেখ যি দিনা মৰে বেখমিৰ্ পিঠাৰ্
মেয়ে পুৰ্ম দিন্ তেঁওৰ্ শিষ্যসকলে তেঁওক্ বুলিলে
আমি আপোনালৈ নেমাখ কৎ যুগুৎ কৰিমগৈ
১৩ আপোনাৰ্ কি জৈষ্টা। পাচে তেঁও দুয় শিষ্যক্ পঠায়
বুলিলে নগৰলৈ যোৱা তাতে পানিৰ্ কলহ লৈ যোৱা
১৪ এটা মানুহক্ তোমালোকে দেখিবা সেই মানুহ যলে

কে যায় তোমোলাকে তাৰ পিচে২ গৈ সেই ঘৰৰ গিৰি
হতক্ কুঁলিবা হেনে গুৰুএ কুঁলিলে যৎ মোৰ শিষ্য
সকলে সৈতে ময় পেস্তাখামৰ সেই ভোজন গৃহ কৎ।
১৫ তেতিয়া সেই মানুহে অতোৰা সজোৱা ডাঙৰ এটা
চৰাঘৰ তোমোলাকক দেখুৱাব তাতে আমালৈ পেস্তাখ
১৬ যুগুত কৰাগৈ। এই হেতুক শিষ্যসকল নগৰলৈ গল্
আৰু যিৰূপে তেঁও সিবিলাকৎ কৈছিল সেই ৰূপে পালে
পাচে সিবিলাকে পেস্তাখ যুগুত কৰিলে।—
১৭ পাচে সন্ধিয়া বেলা তেঁও বাৰে জনক লগৎলৈ আহিল
১৮ তেতিয়া সিবিলাকে খাবলৈ বহিলৎ যিশুএ কুঁলিলে
তোমোলাকৎ ময় সত্য কৰি কঁও ময়ে সৈতে খাইআ
যি তোমোলাক তোমোলাকৰ মাজৰে এজন মোক
১৯ পৰৰ হাতৎ ধৰি দিব। তাতে সিবিলাকে অসন্তোষ
কৰিব ধৰিলে আৰু এজন২ কৈ শুধিব ধৰিলে মোলে
২০ সেয়ে ময় নে পাচে আৰু এজনে কুঁলিলে সেয়ে ময় নে।
তেঁও মাৎ লগায় সিবিলাকক কুঁলিলে বাৰে জনৰ
মাজৰ যি জনে ময়ে সৈতে কাহিৎ হাৎ দিছে সেই
২১ জন মানুহৰ পুত্ৰকৰ যেনে লেখা আছে তেনেই হব
হয় কিন্তু যাৰ্দ্বাৰা মানুহৰ পুত্ৰক পৰৰ হাতৎ পৰে
সেই মানুহৰ সন্তাপ হব সেই মানুহ কোনো কালে
নোপজা হলে তাৰ বাক্ক আছিল।—
২২ সিবিলাকৰ খাবৰ বেলা যিশুএ পিঠা ললে আৰু
আশীৰ্ব্বাদ কৰি তাকে ভাঙ্গি সিবিলাকক দি কুঁলিলে
২৩ লোৱা খোৱা এয়ে মোৰ শৰীৰ। তেঁও পিয়ালাৰ
স্তুতি কৰি সিবিলাকক দিলে পাচে সিবিলাকে এটায়ে

২৪ তাকে পীলে। তেঁও সিবিলাকক্ কুলিলে নবীন্ নিয়ম
মর্ নিশয় কৰা মোর্ যি তেজ ভালেমানর্ কাৰণে
২৫ ঢলিয়াইছে সেয়ে এই। তোমোলাকৎ ময় সূকুণ কৰি
কঁও ঈশ্বৰর্ ৰাজ্যৎ তোমোলাকে নৈতে ময় ন দ্রাক্ষা
২৬ ৰহ নি পীয়োমানে আৰু ময় দ্রাক্ষা গুটিৰ্ ৰহ নি পীয়ো।
পাছে সিবিলাকে এটি গীত্ গায় জিতবৃক্ষ পর্ব্বতলৈ গল।
২৭ য়িশুএ সিবিলাকক্ কুলিলে আজি ৰাতি তোমোলাকে
মোর্ লগৎ ঘাঁহিৎ হবা যি হেতুক্ ময় মেহ ৰখিয়াক
মাৰিম্ তাকৰ্ মেহ গোছৎ হব এনে লেখা আছে।
২৮ কিন্তু ময় উঠিবর্ পাছে তোমোলাকতকৈ আগেই ময়
২৯ গালিলিলৈ যাম্। পিতৰে তেঁওক্ কুলিলে যদি এটায়
৩০ বন্দি যায় তথাপি ময় তেনে ন হুঁও। য়িশুএ তেঁওক্
কুলিলে ময় তোমাৎ সূকুণ কৰি কঁও আজি কুকুড়ায়
ডাক্ দিবর্ আগেই তুমি তিনিবার্ মোর্ কথাৎ নৈশেনে
৩১ কাটিবা। কিন্তু সি আৰু ভালেমান্ বড় কথা মাতিলে
বোলে ময় যেদি আপোনার্ লগৎ মৰো এই তেঁও
আপোনার্ কথাৎ কোনো কালৎ নৈশেনে কাটিলে থাকিম
সিবিলাক্ সকলেও এই ৰূপে কলে।—
৩২ পাছে সিবিলাক্ গেতসেমনি নামে এক্ ঠাইলৈ আহিল্
আৰু তেঁও আপোনার্ শিষ্যসকলক্ কুলিলে ময়
৩৩ প্রাথনা কৰো মানে তোমোলাক্ জৈয়াতে ৰহা। তেতিয়া
তেঁও পিতৰকে যাকোবকে য়োহনকে লগৎ ললে আৰু
মনৎ আতি শোক্ লাগি ব্যাকুলচিত্ত হব ধৰিলে।
৩৪ আৰু সিবিলাকক্ কুলিলে মোর্ প্রাণ মৃত্যুকালর্
নিচিনাকৈ ওতঃপ্রোত কৰিছে তোমোলাকে জৈয়াতে থাকি

৩৫ পৰ দিয়া পাচে কিছু মান্ আগ বাঢ়ি গৈ তেঁও ভূমিগত
হৈ যদি সেই কালৰ্ গাঁতিৰা লড়িব পাৰে তেবে সেই
৩৬ কাল্ যেন্ তাৰ্পৰা লাড়ে ঔয়াকে প্ৰাৰ্থনা কৰিলে।
আৰু তেঁও কৈলিলে হে পিত্ এটায় তোমাৰ্ সাধ্য এই
পিয়লা মোৰ্পৰা লৈ যোৱা কিন্তু মোৰ্ ঔচ্ছাৎ নো হোক্
৩৭ তোমাৰ্ ঔচ্ছাৎ হোক্। পাচে তেঁও আহি সিবি
লাকক্ টোপনিয়াবৰ্ দেখিলেহি তাতে পিতৰক্ কৈলিলে
হে শীমোন্ তুমি টোপনিয়াইছা নে তুমি এডাৰো পৰ্
৩৮ দিব নোৱাৰা নে পৰীক্ষাৎ ন পড়িবলৈ পৰ্ দিয়া আৰু
প্ৰাৰ্থনা কৰা জীৱ সাভয্ হয় কিন্তু শৰীল্ দুৰ্ব্বল্।
৩৯ আৰুও তেঁও গৈ প্ৰাৰ্থনা কৰি সেই কথাকে কৈলিলে।
৪০ সিবিলাকৰ্ চক্ষু চুলচুলিয়া হৈ আছিল্ এই হেতুকে
তেঁও আৰুও আহি সিবিলাকক্ টোপনিয়াবৰ্ দেখি
লেহি সিবিলাকে তেঁওক্ ওত্তৰ্ দিবলৈ চেষ্টা নে পালে।
৪১ তাৰ পাচে তেঁও তৃতীয় বেলি আহি সিবিলাকক্ কৈলিলে
টোপনিয়োৱা জিৰোৱা এই যথেষ্ট কাল ওপগত হৈ
জেহি দেখা মানুহৰ্ প্ৰত্তেক পাতকীৰ্ হাতত পাড়
৪২ জেহি ওঠা আমি যাওঁ দেখা যেয়ে মোক্ পৰৰ্ হাতত
দিব সিও ওচৰ্ চাপিলি।—
৪৩ তেঁও এনেকৈ কওঁতেই প্ৰধান্ প্ৰৰোহিত অধ্যাপক্
গাঁৱো ইৰা এই সকলৰ্পৰা তৰোৱাল্ টাঙ্গোন্ হাতত
লৈ বড় এচল্ মানুহ লগত লৈ বাৰে শিষ্যৰ্ মাজৰ্
৪৪ য়িহুদাহ্ নামে এজন্ আছিল্। যি তেঁওক্ পৰৰ্
হাতত ধৰি দিব সি সেই মানুহবিলাকক্ চিণ দিলে
বোলে ময় গৈ যাকে চুমা দিযোঁ সেই তেঁওক সাৱধান

৪৫ কৰি লৈ যা পাচ সি আহি এই তেঁওৰ্ ওচৰলৈ বেগাঁয়
লৈ হে ৰাব্বিব হে ৰাব্বিব এই বুলি তেঁওক্ চুমা দিলে।
৪৬ তেতিয়া সিহঁতে তেঁওৰ্ গাৎ হাৎ দি তেঁওক্ ধৰিলে।
৪৭ যিবিলাক্ ওচৰৎ থিয় হৈ আছিল্ সিবিলাকৰ্ এজনে
তৰোৱাল ওলিয়াই প্ৰধান্ পুৰোহিতৰ্ এটা বন্দিৰ
৪৮ মাৰি তাৰ্ কান্ কাটি পেলালে। তেতিয়া যিশুএ যাৎ
লগায় সিবিলাকক্ বুলিলে তহঁতে যেনেকৈ চোৰ্ ধৰি
বলৈ আহাৰ লিচিনাকৈ তৰোৱাল্ টাঙোন্ হাতৎ লৈ
৪৯ মোক্ ধৰিবলৈ আহিছ। মন্দিৰৎ তোমোলাকৰ্ লগৎ
নিতৌ শিখাই আছিলো তেতিয়া তহঁতে মোক্ ন ধৰিলি
৫০ কিন্তু ধৰম্ পুথিৰ্ লেখা সম্পূৰ্ণ হবলগা আছে।
৫১ তেতিয়া সকলোৱে তেঁওক্ এৰি ভাগি গল্। আৰু এটা ডেকা
মানুহ ওলঙটে হৈ গাৎ কাপড় লৈ তেঁওৰ্ লগৎ গল্
৫২ তেতিয়া ডেকা মানুহে তাক্ ধৰিলে পাচ সি কাপড়
পেলায় সিহঁতৰ্ হাতৰ পৰা এড়ায় ওলঙটে পলাল।—
৫৩ তাৰ্ পাচ সিহঁতে যিশুক্ প্ৰধান্ পুৰোহিতৰ্ ওচৰলৈ
লৈ গল্ তেতিয়া প্ৰধান্ পুৰোহিৎ সকলে গাৰোহুঁচা
৫৪ সকলে অধ্যাপক্ সকলে মেল্ পাতিলে। সেই বেলা পিতৰ্
আঁতৰ্ হৈ তেঁওৰ্ পিছে পধান্ পুৰোহিতৰ্ চৰা
দাৰলৈ গৈ বন্দিহঁতৰ্ লগৎ বহি জুই পুৱাবলৈ ধৰিলে।
৫৫ তেতিয়া পধান্ পুৰোহিৎ সকলে এটায় মেলুৱে মানুহে
ও যিশুক্ পদকৎ পেলায় মাৰিবলৈ সাক্ষী বিচাৰ্ কৰিলে
৫৬ কিন্তু নে পালে। তালেমানেও তেঁওক্ পদধিয়া কৰি
বলৈ মিচা সাক্ষী দিলে হয় কিন্তু সিহঁতৰ্ প্ৰমাণ্ এক্
৫৭ ন হল্। শেহৎ কেতটি মিচা সাক্ষীয়ে উঠি কলে বোলে

৫৮ আমি তেঁওৰ এই কথা শুনিলোঁ বোলে ময় এই হাতেৰে
বন্ধা দল ভাঙ্গি তিনি দিনৰ ভিতৰতে আৰু এটা অহা
৫৯ তে দল বান্ধিব পাৰোঁ কিন্তু এই কপে সিহঁতৰো প্ৰমাণ
৬০ এক ন হল। তেতিয়া প্ৰধান পুৰোহিত মাজত থিয়
হই যিশুক শুধিলে বোলে এইহঁতে তোমাৰ অহিতে কি
প্ৰমান দিছে জৈয়াৰ একো উত্তৰ নকৰা কিয় কিন্তু তেঁও
৬১ নিজম দিলে একো উত্তৰ ন কৰিলে। আৰু প্ৰধান
পুৰোহিতে তেঁওক শুধিলে বোলে তুমি ঈশ্বৰৰ পুত্ৰেক
৬২ খ্ৰীষ্ট হয়া কি ন হয়া। যিশুএ কলিলে ময় সেয়ে
হোঁ হয় তোমোলাকে মানুহৰ পুত্ৰেক মহিমাৰ দক্ষিণ
ফালে বহি সৰগৰ মেঘৎ উঠি আহিবৰ দেখিবা।
৬৩ তেতিয়া প্ৰধান পুৰোহিতে আপোনাৰ কাপৰ ছিঙ্গি
কলিলে আৰু আমাৰ সাক্ষীৰ প্ৰয়োজন কি তোমো
৬৪ লাকে এই নিন্দাবানী শুনিছা তোমালাকে কি সিদ্ধান্ত
কৰা সিবিলাকে কলিলে জৈয়াৰ বধাৰ্হ জনৰ আছে।
৬৫ তাতে কেতেটি মানুহে খৰি আচাৰ্য্যৰ কথা কহ এই
কলি তেঁওৰ গাৎ থুই পেলাব ধৰিলে আৰু মুখ ঢাকি
মাৰিব ধৰিলে বন্দীহঁতে তেঁওক চৰালে।—

৬৬ যেতিয়া পিতৰ চৰাঘৰৰ লাযৎ বহি আছিল তেতিয়া
প্ৰধান পুৰোহিতৰ এজনী বেটিয়ে তালৈকে আহি পিত
৬৭ ৰক জুই পুৱাবৰ দেখি তেঁওক অৱলোকন কৰি কলিলে
৬৮ তুমি যিশু নাজৰেথৰ লগৎ আছিলা। কিন্তু সি শপনে
কাটিলে ময় নেজানো তয় কি কৈছ ন বুজিলো তাৰ
৬৯ পাছে পিৰালিলৈ গলৎ কুকুৰায় ডাকিলে। আৰু
এজনী বেটীএ তাক দেখি এচৰৎ থিয় হই থকা মানুহৎ

কৰ ধৰিলে এঁও সিবিলাকৰ এজন্ তাতে তেঁও আকৌ
৭০ শৈনে কাটিলে। বেত্থানিৰ্ পাচে এচৰৎ থিয় হোই
থকা মানুহে হুঁলিলে বোলে অৱশ্যে তুমি সিবিলাকৰ্
লগৰে এজন্ যি হেতুক্ তুমি একে গালিলীয়া আৰু
তোমাৰ্ মাৎ কথা সিবিলাকৰে নিচিনা। কিন্তু এই
৭১ যি মানুহৰ্ কথা তোমোলাকে কৈচা ইয়াৰ্ মেয় একো
নেজানো এই হুঁলি গালি পাৰিব ধৰিলে আৰু শাৎ
কাঢ়িব ধৰিলে তেতিয়া আকৌ কুকুৰাই ডাকিলে। যি কথা
৭২ যিশুএ তেঁওৎ কৈচিল্ বোলে কুকুৰায় দুয় বাৰ ডাকি
বৰ আগেই তুমি তিনি বেলি মোৰ্ কথাৎ শৈনে
কাটিবা সেই কথা পিতৰৰ্ মনৎ পৰি কান্দিব ধৰিলে।
পৰ্ব্ব ৰাতিপুৱা হোৱাৎ প্ৰধান পুৰোহিৎ সকলে গাৱৰা
১৫ ইচাসকলে আৰু ব্যৱস্থাপকসকলে এটায়ে মেল্ পাতি আলচ্
কৰি যিশুক্ বান্ধি লৈ গৈ পীলাতৰ্ আগ কৰি দিলেনি।
২ তেতিয়া পীলাতে তেঁওৎ শুধিলে বোলে তুমি যিহুদী
হঁতৰ্ ৰজা নে তেঁও মাৎ লগায় তেঁওক্ হুঁলিলে তুমি
৩ হুঁলিচা। প্ৰধান্ পুৰোহিৎ সকলে ভালেমান্ অপ
৪ বাদ দিলে। আকৌ পীলাতে তেঁওৎ শুধিলে বোলে
তুমি দেখোন্ একো ওত্তৰ্ ন কৰা দেখা জেহঁতে
৫ তোমাক্ পদকিয়া কৰি কিমান্ সাক্ষী দিচে। কিন্তু
যিশুএ তেতিয়া একে ওত্তৰ্ ন কৰিলে তাতে পীলাতে
বড় বিস্ময় মানিলে।—

৬ আৰু সেই বিষ্কৰ্ এনে আচাৰ্ আছিল্ পুজায়
মাকে খোজে সেই বন্দিয়াৰকে মেলে সেই কালৎ যিবি
৭ লাকে ডকা দি ফুৰিছিল্ আৰু ডকা দি মানুহো মাৰি

জিল সিহঁতে সৈতে বন্দী হুই বাৰাব্বা নামে এটা আছিল্
৮ এয়েৰেই পূৰ্ব্বাপৰ সিহঁতৰ কথাৰে যি যি কৰিছিল্
তাকে কৰিবলৈ এটাই পুজায় তেঁওৰ্ আগৎ এটাহ পাৰি
৯ যুজিলে। পাচে পীলাতে মাৎ লগায় সিহঁতক্ হুলিলে
ময় যিহুদী হঁতৰ্ ৰজাক্ তহঁতৰ্ হাতৎ মেলি দিয়োঁ
তহঁতে কি বোল যিহেতুক্ পুধান্ পুৰোহিৎ সকলে
১০ তেঁওক্ গিয়াল কৰি তেঁওক্ আগৎ কৰি দিছিল্ হুলি তেঁও
১১ জানিছিল্ । পাচে বাৰাব্বাক্ মুকলি কৰিবলৈ যোজ্
হুলি পুধান পুৰোহিৎ সকলে পুজাক্ শিকায় দিলে ।
পীলাতে আকও মাৎ লগায় সিহঁতক্ হুলিলে বোলে
১২ তেবে যাকে যিহুদীহঁতৰ্ ৰজা বোলে তেঁওকে ময় মুকলি
১৩ কৰোঁ, তহঁতে কি বোল । আকও সিহঁতে এটাহ পাৰি২
হুলিলে তাক্ কুশৎ দি মাৰোক্ । তেতিয়া পীলাতে
১৪ সিহঁতক্ হুলিলে কিয় কি অগাৰ্ কৰিছে পাচে সিহঁতে
আকও এটাহ পাৰিলে বোলে তাক্ কুশৎ দি মাৰোক্।
১৫ এইহেতুক পীলাতে পুজাক্ সন্তোহ কৰিবলৈ বাৰা
ব্বাক্ মুকলি কৰি সিহঁতক্ দিলে যিশুক্ কোটোৰাৰে
মৰিয়ায় কুশৎ দিবলৈ বৰি দিলে।—
১৬ তেতিয়া চিপাহীহঁতে তেঁওক্ প্ৰেত্তোৰিয়ম্ নামে
এক্ ঘৰ্লৈ লৈ গৈ তালৈকে এটায় চাওতাঙ্গৰ্ মাতি
১৭ নিলে। পাচে সিহঁতে তেঁওক্ বেগুনাবৰনিয়া
১৮ কাপড় পিন্ধালে আৰু কাইটৰ্ এটা টুপি সাজি তেঁওৰ্
মূৰৎ দিলে পাচে হে যিহুদীহঁতৰ্ ৰজা নমস্কাৰ২
১৯ এই হুলি২ তেঁওক্ সেৱা কৰিব ধৰিলে। সিহঁতে

সৌওকাৰে তেঁওৰ্ মুৰৎ মৰিয়ালে আৰু তেঁওৰ্ গাৎ
থুই দিলে আৰু আঁঠু পাৰি তেঁওক্ ভজনা কৰিলে।
২০ পাচে যেতিয়া সিহঁতে তেঁওক্ বিগতি কৰিছিল্ তেতিয়া
সেই বেঙেনা বৰনিয়া কাপৰ্ সোলোকায় তেঁওৰ্ গাৎ
তেঁওৰ্ সুকিয়া কাপৰ্ পিন্ধালে তাৰপাচে ক্রুশৎ দি
২১ মাৰিবলৈ তেঁওক্ বাজ ওলিয়ালে। আলেক্সান্দ্ৰ
আৰু ৰুফসৰ বাপেক শীমোন্ নামে এক্ কিৰেনী গাঁৱৰ্
পৰা আহিছিল্ এইহেতুকে সিহঁতে তাকে ক্রুশভাৰ্
যোৰায় লৈগল্।
২২ পাচে গল্গতালৈ অৰ্থাৎ মৰিশালিনীলৈ সিহঁতে তেঁওক্
২৩ আনিলে পাচে সিহঁতে দ্ৰাক্ষাৰহৎ মৰ্ মানি তেঁওক্
পীবলৈ দিলে কিন্তু তেঁও তাক্ ন ললে। সিহঁতে তেওক্
২৪ ক্রুশৰ্ ওপৰৎ বান্ধি যৈ গুটিকাপাত কৰি তেঁওৰ্ কাপৰ্
২৫ বাঁটি ললে। এপৰ্ বেলিৎ তেঁওক্ সিহঁতে ক্রুশৎ
২৬ বান্ধিলে। যিহুদীহঁতৰ ৰজা এই দ্রুহিয়া কাৰৎ
২৭ তেঁওৰ্ ওপৰৎ লেখা আছিল্। আৰু দুয় চোৰ্
এটাক্ তেঁওৰ্ সোঁফালে এটাক তেঁওৰ্ বাঁওফালে এই
ৰূপে দুয়োকো তেঁওৰ্ লগতে ক্রুশৎ বান্ধিলে। যি
২৮ পুথিৎ কয় বোলে তেঁওৰ্ শাস্ত্ৰোল্লঙ্ঘকে সৈতে গণনা হল্
সেই পুথিৰ্ কথা সম্পূৰ্ণ হল্। যি যি মানুহে নিন্দা
২৯ কৰিলে আৰু মুৰ্ যোকাৰিং হুঁলিলে আৰে তয় দল্
৩০ ভাঙ্গি তিনি দিনৰ্ ভিতৰৎ বান্ধিবপৰা আপোনাক্
ৰক্ষা কৰি ক্রুশৰ্পৰা নামি আৰু বড় পুৰোহিৎসকলে
৩১ অধ্যাপক্ সকলেও তেনেকৈ বিগতি কৰিং হুঁলিলে
বোলে সি আনক্ ৰক্ষা কৰে আপোনাক্ ৰক্ষা কৰিব

৩২ নোৱাৰে। আমি দেখি যেন পতিয়ঁও তাঁলৈকে য়িশ
ৰএলৰ ৰজা খ্ৰীষ্ট এতিয়া ক্ৰুশৰপৰা নামোক যিবি
লাক তেঁওৎ লগৎ ক্ৰুশৎ বন্ধিৎ হৈছিল সিহঁতে
৩৩ ও তেঁওক বিগতি কৰিলে।—

সেইকালৎ দুপৰিয়াৰপৰা তিনিপৰিয়া বেলিলৈকে
সকলো দেশ এন্ধাৰ হল। তিনি পৰিয়া য়িশুএ
৩৪ বড়কৈ এটাহ পাৰি হুঁলিলে এলোই এলোই লামা
সবাখ্তানি অৰ্থাৎ হে মোৰ ঈশ্বৰ হে মোৰ ঈশ্বৰ
৩৫ মোক কিয় পৰিত্যাগ কৰিলে। যিবিলাক ওচৰৎ
থিয় হই আছিল সিহঁতৰে কোনো কোনোএ ঊয়াকে
শুনি হুঁলিলে দেখা সি এলিয়াহক মাতে তেতিয়া সিহঁ
৩৬ তৰ মাজৰে এটায় লৰি গৈ স্পঞ্জৎ সিৰ্কা ভৰি বেতৰ
আগৎ বান্ধি তেঁওক পীবলৈ দিলে আনং মানুহে
বোলে থাকা এলিয়াহ তাক নমাবলৈ আহে নাহে আমি
দেখো।—

৩৭ য়িশুএ আকও বড়কৈ এটাহ পাৰি প্ৰান এড়িলে
৩৮ তেতিয়া মন্দিৰৰ আঁৰ কাপৰ ওপৰৰপৰা তললৈ কে
৩৯ ফাটি দুফাল হল। তেঁওৰ আগতে থকা এশ
চিপাহীৰ জেমাদাৰ এজনে তেঁওক বড়কৈ এটাহপাৰি
প্ৰাণ এড়িবৰ দেখি হুঁলিলে এই মানুহ নিশ্চয়ে ঈশ্ব
৪০ ৰৰ পুতেক হয়। যিবিলাক তিৰোতা গালিলিৎ
তেঁওৰ লগৎ থাকোতে তেঁওৰ আনুপৰিচাৰ কৰিছিল
৪১ সিহঁতৰ মাজৰে মাৰিয়া মাগ্দলেনী আৰু সৰু যাকো
বৰে য়োশিৰে মাক মাৰিয়া আৰু শলোমী এই বিলাক
তিৰোতা আৰু যিবিলাকে য়িৰুশালমৎ তেঁৱে সৈতে

আছিল্ সিহঁতো আরু তালেযান তিরোতায় তেঁওক দেখিবলৈ নিলগতে রল্।
৪২ তার্ পাচে শৈভরর্ কালৎ অর্থাৎ শারতর্ পূর্ব্ব
৪৩ দিনর্ সন্ধিয়া হলৎ আরামাতিয়ার্ যুসফ নামে এক্
৪ বড় প্রতাপী মন্ত্রী তেঁও ঈশ্বরর্ রাজ্যাভিলাসী আছিল্
তেঁরেই নির্ভয় হই পীলাতর্ ওচরলৈ গৈ যিশুর্ শরীল্
৪৪ খুজিলে। তেঁও এতিয়া মরিল্ জৈয়াতে পীলাতে বিস্ময়
মানিলে এই হেতুকে সেই এশ ঠিপাহীর্ জেমাদারক্
মাতি আনি তেঁও কেতে বেলি মরিল্ জৈয়াকে শুধিলে।
৪৫ তেতিয়া জেমাদারর্ মুখে তাকে শুনি শরীর্ যুসফক্
৪৬ দিলে। তেঁও চেলেউকাপর্ কিনি আনি তেঁওক নমায়
কাপরেরে মেরিয়ালে আরু তেওক্ শিল নীর এক্ মৈদা
মৎ শুয়ালে মৈদামর্ মুখৎ এটা শিল্ দি চাপ্ দিলে।
৪৭ সিরিলাকে তেঁওক্ যৎ থলে তাকে মারিয়া মাগ্দলেনীএ
আরু যোশির্ মাক্ মারিয়ায় চাই দেখিলে।
পর্ব্ব শারৎ বার্ গলৎ মারিয়া মাগ্দলেনীএ আরু যাকোব
১৬ রর্ মাক্ মারিয়ায় আরু শলোমিএ গৈ তেঁওর্ গাৎ
২ ঘঁহিবলৈ গন্ধতৈল কিনিছিল্ সাৎ বারর্ প্রথম্ দিনা
রাতিপুৱা বেলি ওলাবর্ সময়ৎ সিরিলাক্ মৈদামর্
৩ কাষরলৈ আহিলে। তেতিয়া সিরিলাকে অন্যোঅন্যে
হুলিলে মৈদামর্ মুখরপরা আমাক্ শিলটো বাগরায়
৪ কোনে দিব সেই শিল্ বড় ডাঙ্গর্ আছিল্। কিন্তু
সিরিলাকে চায় দেখিলে সেই শিল্ পূর্ব্বে বাগরা
৫ আছে সেই বেলা সিরিলাকে মৈদামৎ সোমায় বগা
কাপোর্ পিন্ধা দীঘল্ এটা ডেকা মানুহক দখিন ফালে

যিয়া হুই থাকিবৰ্ দেখিলে তাতে সিৰিলাকৰ্ ডৰ
৬ লাগিল্ । কিন্তু তেঁও সিৰিলাকক্ হুলিলে নডৰাৰা
তোমোলাকে ক্রুশত মৰা যিশু নাজৰেনক্ বিচাৰিছা
তেঁও উঠিল্ তেঁও ঠীয়াত নাই সিৰিলাকে তেঁওক্ যত
৭ শুৱায় থৈছিল্ তাতো দেখো । কিন্তু যোৱাগৈ তেঁও
তোমোলাকত কৈ আগেই গালিলিলৈ গৈছে হুলি
তেঁওৰ্ শিষ্যসকলতে পিতৰতে কোৱাগৈ যিৰূপে তেঁও
তোমোলাকত কৈছিল্ সেই ৰূপে তাতে তেঁওক্ দেখিবা ।
৮ পাচে সিৰিলাক্ যৈদামৰ্পৰা ওলায় যৰকৈ গল যি
হেতুক্ সিৰিলাক কম্পমান হুই বিস্ময় মানিলে সিৰি
লাকে কোনো মানুহত একো ন কলে যিহেতুক্ সিৰিলা
কৰ্ ডৰ লাগিছিল্ ।—
৯ সাতবাৰৰ প্ৰথম্ দিনাৰ্ ৰাতি পুৱায় যিশুএ উঠি
যি মাৰিয়া মাগ্দলেনীৰ্পৰা সাতোটা ভূতক্ খেদাই
১০ ছিল্ তাইকে প্ৰথমতে দেখা দিলে । তাই গৈ যিৰি
লাকে শোকত কান্দিছিল আৰু তেওৰ্ লগত আছিল্
১১ সিৰি লাকত কলে । যিশু জীয়ায় আছে আৰু তাইক্
দেখা দিছিল্ সিৰিলাকে এই কথা শুনিয়ো ন পতী
য়ালে ।—
১২ ঠীয়াৰ্ পাছে সিৰিলাকৰ্ আৰু দুয়জন দেশলৈ
যাঁওতে তেঁও আন্ ৰূপ ধৰি সিৰিলাকক্ দেখা দিলে ।
১৩ সিৰিলাকে গৈ আৰু শিষ্যসকলত সেই কথা কলে
গৈ তথাপি সিৰিলাকে সিৰিলাকৰ্ কথা ন পতীয়ালে ।
১৪ তাৰ্ পাচে সেই এঘাৰে জন্ শিষ্য খাবলৈ বহিলত
যিৰিলাকে তেঁও উঠিলত তেঁওক্ দেখিছিল্ সেই বিলা

হুক্ সিবিলাকে আস্তিক্ ন কৰিলে তেঁও দেখা দি সিবি
লাকৰ্ অনাস্তিক্ দেখি আৰু নিষ্ঠুৰ্ চিত্ত দেখি সিবি
লাকক্ হকিয়ালে আৰু তেঁও সিবিলাকক্ হুঁলিলে
১৫ সকলো ৰাজ্যলৈ যোৱা আৰু সকলো যানে সকলো
১৬ সৃষ্টিৰ্ কৰ্ণৎ শুভবাৰ্ত্তা কীৰ্ত্তন কৰাগৈ। যেয়ে পতীয়ায়
হুঁড় দিয়ে সেয়ে উদ্ধাৰ হব কিন্তু যি ন পতীয়ায় সি নি
১৭ শেষ নৰকৎ দণ্ডনীয় হব। যিবিলাকে আস্তিক্ কৰে
সেইবিলাকৰ্ এই চিন্ সিহঁতে মোৰ্ নাম কৈ ভূৎ খেদাৰ
১৮ সিবিলাকে নতুনা মাৎ মাতিব সিবিলাকে সাপ দাঙ্গি
ধৰিব আৰু কোনো মৃত্যুকাৰী বেহানি পীলে সিবি
লাকৰ হিংসা ন হব। সিবিলাকে নৰিয়াৰ্ ওপৰৎ
হাৎদিলে নৰিয়াপৰা স্বস্থ হব।—
১৯ তেতিয়া এই কথা সিবিলাকৰ্ কানৎ কলতে প্ৰভুক্
স্বৰ্গ পোৱালেনি তেঁও ঈশ্বৰৰ্ দক্ষিণ ফালে বহিল
হৈগৈ। তেতিয়া ঈশ্বৰে সিবিলাকৰ্ লগৎ বল্ কৰাৎ
আৰু পাচে হব লগা চিনেৰে কথাৰ্ নিশ্চয় কৰাৎ সিবি
২০ লাকে হৈগৈ সকলে যানে কীৰ্ত্তন কৰিলে। আমেন।—

# শুভবার্ত্তা লুকে কৰা।

## ১ প্ৰথম পৰ্ব্ব।

১ হে মহামহন্ত থেয়োফিলিস যিবিলাক্ আদিৰেপৰা
২ প্ৰত্যক্ষ সাক্ষী আৰু বাক্য সেৱক আছিল আমাৰ মাজৎ
দৃঢ় বিশ্বাসৰ যি আখ্যান সিবিলাকে আমাৰ হাতৎ
৩ যেনে কৈ সমৰ্পি দিছিল আৰু ভালেমানেও সেই আখ্যান
অনুক্ৰমে ৰচিবলৈ ধৰিছে এই হেতুকে ময় আতি আদি
৪ ৰেপৰা সেই সকল্ বিশেষ কৰি জানিলৎ যিহতে তুমি
শিখিল তাৰে প্ৰমাণ জানিবলৈ সেই সকল্ কথা অনু
ক্ৰমে তোমাক্ প্ৰতি লেখিবলৈ মোৰ্ মন্ হল্।
৫ যিহুদাহ্ ৰাজ্যৰ্ হেৰোদা ৰজাৰ্ কালৎ আবিয়া
হাৰ পালৰ্ এক্ পুৰোহিৎ আছিল্ তেঁওৰ্ নাম্ জিখ
ৰীয়াহ্ তেঁওৰ্ ঘৈনিয়েক আহৰোন জীয়েক্ তাইৰ্ নাম
৬ এলিশবা। সিবিলাক্ দুয়ো নিৰ্দ্দোষী যিহুহাৰ্ আজ্ঞা
৭ আৰু বিধান্ পালি ঈশ্বৰৰ আগৎ বড় সাধু আছিল্।
এলিশবা বাজি আছিল্ সেই হেতুকে সিবিলাকৰ্ সৃত্তি
৮ সন্ততি নাইকিছিল সিবিলাক দুয়ো বুঢ়া। ঈশ্বৰৰ
আগৎ পূজাৰিৰ কৰ্ম্ম বাৰায় তেঁও আপোনাৰ পালৎ
৯ পূজাৰিৰ কৰ্ম কৰি যেতিয়া অৱসৰ হয় তেতিয়া যিহুহাৰ
১০ মন্দিৰলৈ গৈ ধূপ লগোৱা তেঁওৰ ৰাব আছিল্। সেই

কালৎ এটাই মানুহে ধূপ দগাবৰ বেলা বাজৰেপৰা
১১ প্ৰাৰ্থনা কৰিছিল্ সেই বেলা ধূপৰ্ বেদিৰ্ দখিন ফালে
১২ থিয় হুই যিহোৱাৰ্ এক্ দূতে তেঁওক্ দেখা দিলে।
জিখৰীয়াহ্ তেঁওক্ দেখি ভাবিব ধৰিলে তেঁওৰ্ ত্ৰাস
১৩ লাগিল পাচে সেই দূতে কলিলে হে জিখৰীয়াহ্ ভয়
ন কৰিবা তোমাৰ্ প্ৰাৰ্থনা শুনা গৈছে আৰু তোমাৰ্
ভাৰ্য্যাৰ এলিশবা পুত্ৰ প্ৰসৱ হব তুমি তাৰ্ নাম য়োহন
১৪ থবা। তোমাৰ আনন্দ আহ্লাদ হব আৰু তেঁওৰ
জন্ম্ কালৎ ভালেমান বড় হৰিষিত হব। যিহে
১৫ তুক্ তেঁও যিহোৱাৰ আগৎ বড় হব আৰু দ্ৰাক্ষাৰ
হকে মদকে নিপীব কিন্তু তেঁওৰ মাকৰ্ পেটৎ হবৰে
পৰা তেঁও ধৰ্ম্ম আত্মাৰে পূৰ্ণ হব আৰু য়িশৰএলৰ্
১৬ সন্ততিৰ্ মাজৎ তেঁও বহু মানুহক্ সিহঁতৰ্ ঈশ্বৰ্
যিহোৱাক্ প্ৰতি পালটাব। যিহেতুক্ বাপেকহঁতৰ
১৭ মন লৰাবোৰক্ প্ৰতি আৰু অনাজ্ঞাবৰ্ত্তি সকলৰ মন পৰমা
ৰ্থিকৰ জ্ঞানক্ প্ৰতি পালটাবলৈ আৰু যিহোৱালৈ এক
কুশল যুগুৎ কৰিবলৈ তেঁও এলীয়াহৰ আত্মা মহিমা
যুক্ত হুই তেঁওৰ্ আগৎ যোৱা হব। জিখৰীয়াহ
১৮ ইয়াকে শুনি দূতক কলিলে ময় বুঢ়া মানুহ মোৰ
তিৰোতাও বুঢ়ী এয়েৰেই ময় কেনেকৈ ঈয়াক্ নিশ্চয়
১৯ মানিম্। তেতিয়া সেই দূতে উত্তৰ কৰিলে বোলে
ঈশ্বৰৰ আগৎ যিজন থিয় হয় সেই গাব্ৰিএল ময়েই
তোমাৰ আগৎ কথা কবলৈ আৰু এই শুভবাৰ্ত্তা
তোমাক দিবলৈ ময় পঠনী হুই আহিছো। আৰু
২০ মোৰ এই কথা যথা কালৎ পূৰ হব ঈয়াকে তুমি ন

ভীয়াইছা এই হেতুকে দেখা তুমি খাঁকৰা হবা আৰু
এই সকল কথা পুৰ ন হয় মানে তোমাৰ কথা কবৰ
২১ শকতি নে থাকিব । মানুহে জিখৰীয়াইলৈ বাট চাই
আছিল্ সেই বেলা মন্দিৰৎ তেঁওৰ্ ডালে মানি পলম্
২২ হোৱাৎ বিস্ময় মানিলে । পাচে তেঁও বাহিৰলৈ ওলাই
সিবিলাকৎ কথা কব নোৱাৰিলে এয়েৰেই তেঁও মন্দিৰৎ
যি দৰ্শন দেখিছিল্ তাক্ সিবিলাকে বুজিলে তেঁও সিবি
২৩ লাকক্ হাৎ টাৰ্ব্বাৰ্ কৰি দেখুৱাই নিতম্ দি থাকিল্ ।
তাৰ্ পাচেই তেঁওৰ্ মাটনিৰ্ পাল্ ছুটিলৎ তেঁও আপো
২৪ নাৰ্ ঘৰলৈ গল্ । তাৰ্ পাচে তেঁওৰ্ ভাৰ্য্যা এলিশেবা
২৫ গৰ্ভৱতী হল্ আৰু ঈশ্বৰে যি দিনা লোকৰ্ আগৎ
মোৰ্ লাজ গুচাবলৈ মোলৈ দৃষ্টি কৰিলে সেই দিনাই
মোক্ এনে কৰিলে জীয়াকে কৈ তেঁও পাঁচ মাহ লুকাই
আছিল্ ।—

২৬ পাচে ষষ্ঠ মাহৎ গাব্ৰিএল দুত ঈশ্বৰৰ্ পৰা গালি
২৭ লিৰ্ নাজৰেত নামে এক নগৰৰ্ দাঊদৰ্ বঊহৰ যুসফ
নামে এক্ মানুহলৈ বাগ্দান কৰা এজনী ছোৱালীৰ্
২৮ তলৈ পঁঠনী হইছিল্ সেই ছোৱালীৰ্ নাম মাৰিয়া ।
দুতে তাইৰ্ আগলৈ গৈ কুলিলে হে বৰ অনুগৃহীতা
তোমাৰ্ জয় যিহুহ তোমাৰ্ লগৎ আছে তিৰীৰ্
২৯ মাজৎ তুমি বৰপ্ৰাপ্তা । তাই তেঁওক্ দেখি তেঁওৰ্ কথাৎ
অতি চিন্তাযুক্ত হল্ আৰু মনতে আলচ্ কৰিলে
বোলে জে কি শুভ বতৰা । সেই দুতে তাইক্ কুলিলে
৩০ হে মাৰিয়া ন ডৰাবা তুমি ঈশ্বৰৰ্ অনুগ্ৰহ পাইছা ।

৩১ দেখা তুমি গৰ্ব্ভৱতী হৈ পুত্ৰ প্ৰসৱ কৰিবা তেঁওৰ
৩২ নাম য়িশু থবা। তেঁও মাহাত্মৱন্ত হব আৰু সৰ্ব্বা
ধিপতিৰ পুতেক বুলি খ্যাত হব আৰু ঈশ্বৰ য়িহু
৩৩ হে তেঁওৰ দাঊদ পিতৃৰ সিংহাসন তেঁওক দিব। তেঁও
সৰ্ব্বকালে যাকোবৰ বংশৰ ওপৰত আধিপত্য কৰিব
৩৪ আৰু তেঁওৰ ৰাজ্য পদৰ অন্ত নহব। মৰিয়ায়
দূতক বুলিলে মই মনিহক নেজানো তেবে এয়ে কেনে
৩৫ কৈ হব। সেই দূতে উত্তৰ কৰিলে বোলে পবিত্ৰ আত্মা
তোমাৰ ওপৰলৈ আহি সৰ্ব্বাধিপতিৰ মহিমাৰে
তোমাক আবৰি ধৰিব এই হেতুকে যি পবিত্ৰ তোমাৰ
পেটত জনমিব তেঁওক ঈশ্বৰৰ পুতেক বুলি কব
৩৬ লাগিব। দেখা তোমাৰ বংশৰ যি এলিশেবা তাইৰ
বৃদ্ধ কালত পুত্ৰ গৰ্ভত থিতি হইছে যাক বাঁজী বুলি
৩৭ ছিল তাইৰে এই ছয় মাহ যি হেতুকে একো কথয়
৩৮ ঈশ্বৰৰ অসাধ্য নহয়। পাছে মৰিয়ায় বুলিলে
দেখা মই য়িহুৱৰ বেটী তোমাৰ য়েৰূপ কথা সেই
ৰূপ মোৰ গতি হোক তেতিয়া দূতে তাইক এৰি
গল।—

৩৯ সেই কালত মৰিয়া যত্ন কৰি উঠি পৰ্ব্বতীয়া দেশৰ
৪০ য়িহুদাৰ এখান নগৰলৈ গল এই জিখৰীয়াহৰ
৪১ ঘৰত সোমাই এলিশেবাঁত শুভ বতৰা কলে। মৰি
য়াৰ শুভ বতৰা শুনিলত এলিশেবাঁৰ এনে হল যেনে
উল্লাসিত হৈ তাইৰ গৰ্ভত নাচিব ধৰিলে এলি
৪২ শেবাও পবিত্ৰ আত্মাৰে পূৰ্ণ হল বিশপাৰি বুলিলে
তিৰীৰ মাজত তুমি ধন্য আৰু তোমাৰ গৰ্ভৰ

৪৩ হলো বৈনা। মোৰ্ প্রভুৰ্ মাক যে মোৰ্ ঘৰলৈ
৪৪ আহিছে এয়ে মোৰ্ সদ্ভাগ্য। যি হেতুক্ তোমাৰ্
শুভ বতৰা মোৰ্ কানৎ পৰিলতেই লৰায় হৰষিৎ
হই মোৰ্ গৰ্ভৎ নাচিলে। যি মানুহে পতীয়ালে
৪৫ সিও বৈনা যি হেতুক্ যিহকে তেঁওৰ্ আগৎ ঈশ্বৰে
কলে সেয়ে প্রত্যক্ষ হব।—
৪৬ পাচে মাৰিয়ায় হুঁলিলে মোৰ্ মনে যিহুহক্ বড়
৪৭ হুঁলি মানে আৰু মোৰ্ আত্মা মোক্ ৰক্ষা কৰোঁতা ঈশ্ব
৪৮ ৰৎ আনন্দিৎ হয়। তেঁও দুখুনীবেটীৰ্ ফাললৈ চালে
সেই হেতুক্ দেখা এতিয়াৰেপৰা সদৌ পুৰুষে মোক্
৪৯ বৈনা হুঁলিব যি হেতুক্ যি জন্ পৰাক্রমী তেঁও মোৰৰ্থে
৫০ বড় কাম্ কৰিলে তেঁওৰ্ নাম বৈৰম্। যিবিলাকে
তেঁওৎ ডৰায় সেই সকলৈ তেঁওৰ্ কৃপা পুৰুষা
৫১ নুক্রমে থাকে। তেঁও আপোনাৰ্ বাহুৰে কেৰামৎ
দেখুৱালে আৰু দৰ্পিত্ত মানুহক্ সিহঁতৰ্ মনৰ্ কাম
৫২ নাৰেই তেঁও লান্ছান্ কৰিছে বলৱন্ত মানুহক্
সিহঁতৰ্ তুলীপাটীৰ্পৰা নমাইছে কিন্তু সামান্য মানু
৫৩ হক্ ওখ কৰিছে। আৰু ক্ষুধাতুৰক্ তেঁও উত্তম
ৰেহানি দি তৃপিতি পোৱাইছে কিন্তু ধনৱন্ত সকলক্
৫৪ অবাহাতে পাঠি দিছে। আৰু তেঁও আমাৰ্ পিত্রাদিৎ
অর্থাৎ আব্রহামৎ আৰু তেঁওৰ্ সন্ততি সকলতো
৫৫ অনন্ত কালে যেনেকৈ কৈছিল্ সেই কালে আপোন অক্ষয়
কৃপালৈ মন্ কৰি আপোন্ যিশ্ৰএল বন্দিৰ্ হিৎ আচ
৫৬ ৰিছে। পাচে মাৰিয়া তিনি মাহমান্ তেঁওৰ ল এক্
আছিল তাৰ্ পাচে আপোনাৰ্ ঘৰলৈ উভতি গল্।—

৫৭ এলিশেবাৰ্ প্ৰসৱৰ্ কাল্ পূৰ্ হলৎ তেঁওৰ্ লৰা
উপজিল্ আৰু য়িহুহে তেঁওক্ যি বড় দায়া কৰিছিল
৫৮ তাকে তেঁওৰ্ ওচৰ্ চুবুৰিয়ায় আৰু যিতিৰ্হঁতেও
শুনিলে তাতে সিহঁতে তেঁৱে সৈতে আনন্দ কৰিবলৈ
৫৯ আহিল্। সিহঁতে আঠ্ দিনৰ্ দিনা লৰাৰ্ ছেদ্
কাটিবলৈ আহি তেঁৰ্ বাপেকৰ্ নামৰ্ নিচিনা নাম
৬০ জিখৰীয়াহ থলে। পাচে তেঁওৰ্ মাকে মাৎ লগালে
৬১ বোলে এনে ন হয় তাৰ নাম য়োহন থব লাগে। সিৱি
লাকে তেঁওক্ কলিলে তোমাৰ্ বওহৰ্ মাজৎ কোনো এ
৬২ এই নাম থোৱা নায়। তেতিয়া তেঁওৰ্ বাপেকৰ্
তেঁওৰ্ কি নাম থবলৈ মন্ তাকে জানিবলৈ সিবিলাকে
৬৩ তেঁওৰ্ আগৎ ঊঙ্গিৎ কৰিলে তেতিয়া তেঁও ফলি খুজি
আনি তাৰ্ নাম য়োহন্ ঊয়াকে লেখিলে তাতে সিৱি
৬৪ লাকে এটায়ে বিস্ময় মানিলে। তেতিয়া তেঁওৰ্ মুখ
মুকলি হল্ আৰু তেঁওৰ্ জিবাৰ্ বান্ধ গুচিল্ আৰু
৬৫ তেঁও কথা কৈ ঈশ্বৰৰ্ ধন্যবাদ কৰিলে। তেতিয়া
সিবিলাকৰ্ চাৰিও ফালৰ্ চুবুৰি চহলিয়াৰ্ এটাইৰে
৬৬ ভয় লাগিল্ আৰু এই সকল বতৰা য়িহুদাহৰ্ পৰ্ব্বতীয়
দেশ ব্যাপিলৈগে। এটায় মানুহে এই লৰা কি ৰূপ্
হব এই বুলি এই সকল্ কথা মনৎ ৰাখিলে য়িহুহৰ্
৬৭ হাতো তেঁওৰ্ লগৎ থাকিল্। তেঁওৰ্ বাপেক্ জিখ
ৰীয়াহ ধৰম্ আত্মাৰে পূৰ্ হল্ আৰু আচাৰ্য্যবাক্য
কব ধৰিলে য়িশ্ৰএলৰ্ ঈশ্বৰ্ য়িহুহ ধন্য যি হেতুক্
৮৬ তেঁও আপোনাৰ্ মানুহলৈ দৃষ্টি কৰি সিহঁতক্ মুক্তৎ
কৰিছে আৰু আমি আমাৰ্ শত্ৰুৰ্ হাতৰ্পৰা আৰু

৬৯ যিবিলাকে আমাক্ দিনায় সিহঁতৰ্ হাতৰোপৰা নিস্তাৰ
হব যি ৰূপে আপোন্ যি ধৰ্ম্মৱন্ত আচাৰ্য্য সকল জগতৰ্
আদিৰেপৰা আচিল্ সেই সকলৰ্ মুখে কোৱাইছিল্
৭০ তেঁও সেই ৰূপে আমাৰ্ পিত্ৰাদিক্ প্ৰতি আপুনি দয়া
৭১ কৰিবলৈ যি অঙ্গিকাৰ্ কৰিছিল্ তাকে কৰিবলৈ আৰু
আমি যে আপোনাৰ্ শত্ৰুৰ্ হাতৰ্পৰা মুক্ত হই
৭২ ধৰ্ম্মতো পৰমাৰ্থতো আপোনাৰ্ আয়ু থাকে মানে তেঁওক্
নিৰ্ভয় ৰূপে সেৱিম্ তেঁওৰ্ এই যি ধৰম্ নিৰ্ব্বন্ধ অৰ্থাৎ
৭৩ শপৎ তেঁও আমাৰ্ আবৰহাম্ পিতৃৰ্ আগৎ কাটিলে
৭৪ সেই অনুগ্ৰহ আমাক্ প্ৰতি কৰিবলৈ আপোনাৰ্ দাওদ
৭৫ বন্দিৰ্ ঘৰৎ ৰক্ষাৰ্ এটি শিঙ তুলিয়াইছে। আৰু ঐ
৭৬ লৰা তোৰ্ নাম সৰ্ব্বাধিপতিৰ্ আচাৰ্য্য হব। যি হেতুকে
তুমি য়িহুহৰ্ বাট যুগুত কৰিবলৈ যিবিলাকে এক্সাৰতে
৭৭ মৃত্যুৰ্ ছাঁতে বহে সেই বিলাকক আমাৰ্ ঈশ্বৰৰ্ যে
চেনেহৰ্ দোৱাৰায় পহৰ্ কৰিবলৈ কুশলৰ্ আমাৰৰ্থে
৭৮ বাটে গতি কৰোৱাবলৈ ত্ৰাস্কা মুহুৰ্ত্তৰেপৰা আমাৰ্
৭৯ এযোৎ পহৰ্ হইছে সেইচেনেহতে সিবিলাক পাতক্
মোচনৰ্ দোৱাৰায় আপোন্ মানুহক্ ৰক্ষাৰ্ জ্ঞান্
৮০ দিবলৈ তুমি তেঁওৰ্ অগ্ৰগামী হবা। পাচে লৰা
বাঢি আহিব ধৰিলে আৰু বুদ্ধিমন্ত হই আহিব
ধৰিলে আৰু তেঁওৰ্ য়িশৰএলৰ্ ত বিদিৎ হোৱালৈ
কে হাবিৎ থাকিল্।—

পৰ্ব্ব সেই কালৎ সকলো দেশৰ্ এটায় মানুহ কাকৎ কৰি
২ বলৈ কাইশৰ আগিস্তসৰ্পৰা আজ্ঞা আহিল্। সিৰি
য়াৰ্ অধিকাৰ্ কিৰীনিয়সৰ্ গায়ুপতি প্ৰথমতে কৰা

৩ কাহত এই। তেতিয়া এটাই মানুহ স্বকিয়াং নগৰত
৪ নাম লেখাবলৈ গল্। দাওদৰ পৰিয়ালৰ আৰু
বওহৰ্ মাজত যুসফ আছিল্ এই নিমিত্তে গালিলিৰ্
৫ নাজৰেত নগৰখনৰ পৰা যিহুদাই দেশত বীত্লেহেম নামে
দাওদৰ নগৰত তেঁও আগুত্তা ভাৰ্য্যা গৰ্ভৱতী মাৰিয়ায়
৬ সৈতে নাম লেখাবলৈ গল্। সেই কালত সিবিলাক্
৭ তাতে থাকোতেই তাইৰ্ প্ৰসৱৰ্ কাল পূৰ্ হল। পাচে
তাইৰ্ প্ৰথমতে লৰা ওপজল আৰু তাক্ কাপৰেৰে
মেৰায় চৰিয়াত থলে যিহেতুক সৰাই ঘৰত সিবিলাকৰ্
৮ ঠাই নাইকিছিল্। সেই দেশত কেতেটি গৰখিয়াই
৯ আপোনাৰ্ জাকৰ্ পৰদি ৰাতি থাকে। সেই কালত
দেখা ঈশ্বৰৰ্ দূত সিহঁতৰ্ ওচৰলৈ আহিল্ ঈশ্বৰৰ্
জ্যোতিএ সিহঁতৰ্ চাৰিওফালে দিপিতি কৰিলে তাতে
১০ সিহঁতৰ্ বৰ ভয় লাগিল্। তেতিয়া দূতে সিহঁতক
কলিলে ন ডৰাবিহঁক্ যিহেতুক্ দেখা মহানন্দদায়ক্
বৰ শুভ বাৰ্ত্তা যেয়ে এটায় মানুহৰ্ নিমিত্তে হব
১১ তোমাকে তহঁতক্ মহ দিয়ো। আজি দাওদৰ্ নগ
ৰত এজন্ ৰক্ষাকৰ্ত্তা তেঁও খ্ৰীষ্ট প্ৰভু ওপজিছে আৰু
১২ কাপৰেৰে মেহোৰা চৰিয়াত শুবায় থোৱা সেই লৰাক্
১৩ তহঁতে পাবি এই তহঁতৰ্ এক্ চিন্ হব। তেতিয়া
১৪ স্তুতি কৰিছিল্ আৰু ওখ ঠাইত ঈশ্বৰৰ্ গৌৰৱ পৃথি
বীত কুশল মানুহক্ প্ৰতি অনুগ্ৰহ হোক্ এই কথা
কৈছিল্ এই ৰূপে বৰ্ত্ত সৰগি সৈন্য সেই দূতৰ্ লগত
১৫ আছিল্। সেই দূত সকলে সিহঁতক এৰি সৰগলৈ
গলত পাচে গৰখিয়াইঁতে অনো অনো কলিলে আহ

আমি বৈথ্লেহেমলৈ যাওঁ ঈশ্বরে আমাক যি জনাইছে
১৬ সেই কথা দেখোঁ হঁক। তেতিয়া সিহঁতে বেগায়হঁক যাই
১৭ মৰিয়মক যুসফক আৰু জাবৰত শোৱা লৰাকো পালে। সেই
লৰাৰ কথা সিহঁতৰ আগত যি রূপে ডকুত হৈ ছিল
১৮ সেই রূপে সিহঁতে দেখি প্ৰচাৰ কৰিলে সেই গৰখীয়াহঁত
ত্ব মুখে যিবিলাকে শুনিলে সেইবিলাকে বিস্ময় মানিলে।
১৯ কিন্তু উয়াৰ মাতৃ আপোন এই হৃদয়ত ধৰিলে সেই সকল
২০ কথা মনত ৰাখিলে। আৰু যি রূপে সিহঁতৰ আগত
কৈছিল সেই রূপে সিহঁতে যি শুনিছিল আৰু দেখিছিল
তাতে গৰখীয়াহঁতে ঈশ্বৰক শ্লাঘা কৰি স্তুতি কৰি
২১ উলটি গল। তেতিয়া লৰাৰ ছেল কটাৰ কাল অষ্টম
দিন পূৰ হল যি রূপে তেওঁ গৰ্ভত থিতি হবৰ আগেই
দূতৰ দ্বাৰায় কোৱা হৈছিল সেই রূপে সিবিলাকে
তেওঁৰ নাম যিশু থলে।—
২২ মোশাহৰ শাস্ত্ৰৰ মতে তেওঁৰ অশৌচৰ দিন যেতিয়া
২৩ পূৰ হল তেতিয়া ঈশ্বৰৰ শাস্ত্ৰত যেনে লেখা আছে যি
লৰায় গৰ্ভাৰত্ত মেলে সেয়ে যিহোৱাৰ আগত পৱিত্ৰ হব
তেনেকৈ ঈশ্বৰৰ আগত কৰিবলৈ আৰু যিহোৱাৰ
২৪ শাস্ত্ৰত যেনে লেখা আছে তেনে এযোৰ কপৌ বা দুয়টি
পাৰ পোৱালীকে বলি দিবলৈ সিবিলাকে তেওঁক যিৰু
শালমলৈ আনিলে।—
২৫ যিৰুশালমত শিমিয়োন নামেৰে এক মানুহ আছিল
তেওঁ পৰমাৰ্থিক আৰু ধৰ্ম্মবন্ত যিশ্ৰএলৰ শান্তিলৈ
২৬ বাট আৰু পৱিত্ৰ আত্মা তেওঁৰ ওপৰত তেওঁ ঈশ্বৰে
অভিষেক কৰাজনক নেদেখি মৃত্যুক নেদেখিব উয়াক

তেঁওক প্ৰতি ৰীৰয আত্মাৰ্ দোৱাৰায় কোৱাইছিল
২৭ সেই মানুহ্ ৰীৰয় আত্মায় আকৰ্ষণ কৰাৎ মন্দিৰলৈ
আহিল সেই কালৎ শাস্ত্ৰ সম্মত আচাৰ তেঁওক প্ৰতি
২৮ কৰিবলৈ মাক বাপেকে যিশুক আনিলে। তেতিয়া
তেঁও তেঁওৰ হাতৎ থৈ ঈশ্বৰক স্তুতি কৰি কৈলিলে হে
২৯ ঈশ্বৰ এতিয়া আপোনাৰ যেনে বচন তেনেকৈ কুশলে
৩০ আপোনাৰ বন্দিক পঠিছে যি হেতুকে আন দেশৰ মানু
হুক পহৰ কৰিবলৈ যি জ্যোতি আৰু আপোনাৰ যিশৰ
৩১ এলৰ মানুহৰ গৌৰৱ হবলৈ আপুনি এটায় মানুহৰ
৩২ আগতে যি ৰক্ষা যুগুৎ কৰিছে তাক আমাৰ চকুএ দেখা
৩৩ পাইছে। তাৰপাচে তেঁওৰ কথা যি,যি ওকুত হইছিল সে
৩৪ ই কথাৎ যুসফে তেঁওৰ্ মাকে বিস্ময় মানিলে। তেতিয়া
শিমিওনে সিবিলাকক আশীৰ্ব্বাদ দিলে আৰু তেঁওৰ মাক
মাৰিয়াক কৈলিলে দেখা ভালেমান মানুহৰ মন পসন্ন
কৰিবলৈ আৰু যিশৰএলৰ মাজৎ ভালেমান পৰি
বলৈ আৰুও উঠিবলৈ আৰু বিপৰীত চিনৰ নিমিত্তে
৩৫ এই বালক নিযোজিত আছে আৰু তোমাৰ আপোনাৰ্
প্ৰাণকে কাঁৰেৰে বিন্ধি পেলাব।—
৩৬ তাতে আশৰৰ বংশৰ ফানুএলৰ জীয়েক আনা
নামেৰে এজনী আচাৰ্য্যাণী আছিল। তেঁও অতিশয় বুঢ়ি
আৰু আদিয়ে কালৰেপৰা সাৎবৎসৰ্ গিৰিয়েকৰ্
৩৭ লগৎ আছিল তেঁও চৌৰাশি বৎসৰ মানে বাঁৰি হই
আছিল্ আৰু ঈশ্বৰৰ্ ঘৰ নেড়িলে কিন্তু ব্ৰত কৰি কায
কাৰণ ঈশ্বৰৰ জ্ঞান কয় যয় আচাৰ্য্য সকলকে পাঁচনী
সকলকে সিবিলাকৰ ওচৰলৈ পঠাম্ কিন্তু পৃথিবীৰ্
৫০ ভিত্ত দিবৰেপৰা অৰ্থাৎ হাবেলক যাখিৰাৰপৰা যক্ত
৫১ বেদি মন্দিৰৰ মাজৎ হত জক্কিৰীয়াহৰ মৰালৈকে
যিমান্ আচাৰ্য্য হত হল্ সেইবিলাক্ বধৰ্ প্ৰতিফল
এতিয়াৰ্ কালৰ মান্নহৰ ওপৰৎ পড়িব এই নিমিত্তে
সিহঁতৰ মাজৰে কেতেটি মান্নহক্ সিবিলাকে বধ
কৰিব আৰু কেতেটি মান্নহক টওনিয়াব। তোমো
লাকৎ যয় ঔয়াকে নিশ্চয় কৰি কঁও তাকে এতিয়াৰ্
৫২ কালৰ্ মান্নহক্ ভোগ কৰাব লাগে। হে ব্যৱস্থা
জ্ঞানসকল তোমোলাকৰ সন্তাপ হব যি েতুক তোমো
লাকে জ্ঞানৰূপ চাপ অপহৰণ কৰিছা আপুনিও নো
সোমালা যিবিলাক সোমাইছিল্ সেইবিলাককো তোমো
৫৩ লাকে হাক দিলা। তেঁও সিবিলাকৰ্ আগৎ এই
আখ্যান কইছে সেই সময়তে তেঁওক্ অপবাদ দিবলৈ
৫৪ অন্নসন্ধান্ কৰি তেঁওৰ মুখৰ্ কোনো কথা ধৰিবলৈ
চেণ্ডা কৰি অধীনক্ হঁতে ফাৰিশিহঁতেঁও তেঁওক ভালে
মান্ কথা কোৱাবলৈ প্ৰযত্ন কৰিলে।

পৰ্ব্ব সেই বেলা যেনেকৈ এটাৰ্ ওপৰৎ এটা ওঠে যেনেকৈ
১২ বহু সহস্ৰ মান্নহ গোট্ খালে তেতিয়া য়িশুএ প্ৰথমে
আপোন ভকৎ সকলৰ্ আগৎ ঔয়াকে কবলৈ ধৰিলে
ফাৰিশিহঁতৰ্ মাওয়া অৰ্থাৎ কাল্পনিকতাৰপৰা সাভৰ্
২ হোৱা যিহেতুক্ যি প্ৰৌচ্ছন্ন্ নহ্মাব এনে কোনো পদাৰ্থ
নায় আৰু যিহক জনাবলে নাগিব এনে কোনো গুপ্ত
৩ পদাৰ্থ নায়। এই নিমিত্তে যিহক তোমোলাকে

এন্ধাৰত বোলা তাকে পহৰত শুনিবা আৰু তোমো
লাকে যিহক নির্জ্জানত কানত বোলা তাকে ঘৰৰ চালৰ
৪ ওপৰত কীর্ত্তন কৰা হব। হে মোৰ মিত্তিৰ সকল্
তোমোলাকত ময় জৈয়াকে কঁও যিবিলাকে শৰীৰ
মাৰে আৰু একো কৰিব নোৱাৰে সেইবিলাকক ন
৫ ডৰাবা। কিন্তু যাকে ডৰাব লগা তাক্ তোমোলাকৰ্
আগত ময় কঁও যি জন মৰণ পাচ নৰকত পেলাব পাৰে
তেঁওকে ডৰাবা তোমোলাকত ময় কঁও তেঁওকেই ডৰাবা।
৬ পাঁচটা ঘৰ চৰায় জানো এক তিনিৰতিয়াঁলৈ নেবেচে
সিহঁতৰ্ একোটাৰো ঈশ্বৰৰ্ আগত পাহৰা নে নেযায়।
৭ কিন্তু তোমোলাকৰ্ মূৰৰ্ একোটায় চুলিৰে লেখা আছে
তেবে ন ডৰাবা তোমোলাক ভালেমান্ ঘৰচৰাইতকৈ
৮ মূলিয়া! তোমোলাকত ময় এই কথা কঁও যি কোনো
এ মানুহৰ্ ওচৰত মোক শৈকাচে তাকে মানুহৰ্
সন্ততিও ঈশ্বৰৰ্ দূতসকলৰ্ আগত শৈ কৰিব কিন্তু
৯ যি কোনোএ মানুহৰ আগত মোক আশৈ মাতে সি
ঈশ্বৰৰ্ দূতৰ আগত আশৈ মতা হব। যেদি কোনোএ
১০ এই মানুহৰ্ পুত্তেকৰ বিৰোধে কোনো কথা কয় তেবে
তাৰ্ মৰ্ষণ হব পাৰে কিন্তু কোনোএ যেদি ধৰ্ম্মাত্মাক্
১১ প্ৰতি নিন্দা কৰে তেবে তাৰ মৰ্ষণ নহব। যেতিয়া সিহঁতে
তোমোলাকক্ সিনগগলৈ আৰু অধিকাৰৰ্ আৰু হড়ু
কাৰ আগলৈ আনিব তেতিয়া কেনেকৈ আৰু কেনে কৰা
১২ উত্তৰ কৰিবা অথবা যি কৰা জৈয়াতে চিন্তা ন কৰিবা। যি
হেতুক্ যি কবলগা ধৰ্ম্মাত্মায় সেই দণ্ডে তোমোলাকক্
১৩ তাক্ শিকাব। সেই বেলা জুমৰ মাজৰ্ এক মানুহে

হুঁলিলে হে গুৰু মোৰে সৈতে আধিপত্য বাটিবলৈ মোৰ্
১৩ ভাইৎ কওক। তেঁও তাৎ কলে হে মানুহ তোমোলা
কৰ্ত্ত ওপৰৎ শোধাক্ক আৰু ভাগ কৰোতা মোক কোনে
১৫ পাতিছে। তেঁও সিবিলাকক হুঁলিলে সাৱধান কাৰ্পণ্যৰ্
পৰা আপোনাক ৰাখা যি হেতুক মানুহৰ্ ভোগ্যমান্
১৬ সম্পত্তিৎ তাৰ্ জীৱনৰ ৰক্ষা নায়। তেঁও সিবিলাকৎ
এক্ উপাখ্যান কলে এক ধনৱন্তৰ মাটিৎ বহু উপজিল্।
১৭ এই হেতুক সি আপোনাৰ্ মনতে আলচ কৰিলে
বোলে ময় কি কৰিম্ যি হেতুক মোৰ্ ফল থবৰ্ ঠাই
১৮ নায়। পাচে সি হুঁলিলে ময় এয়াকে কৰিম্ মোৰ
মেৰ ভাঙ্গি আৰু ডাঙৰ মেৰ কৰিম্ তাতে মোৰ এটায়
১৯ উপজা বেহানি আৰু মোৰ ধনো থম। তেতিয়া আপো
নাৰ মনকে হুঁলিম্ হে মন ভালেমান বৎসৰলৈকে
তোমাৰ মহাধন্ সঞ্চিত হইছে শান্ত হোৱা খোৱা
২০ পীয়া কৰি হৰষিৎ হোৱা। কিন্তু ঈশ্বৰে তাক হুঁলিলে
হে মূৰ্খ আগিয়ানি আজি ৰাতি তোৰ জীৱ তোৰপৰা
নীয়া হব তেতিয়া তয় যি মুণ্ডৎ কৰিছ সি কাৰ হব।
২১ যি কোনএ আপোনালৈ ধন সাচে কিন্তু ঈশ্বৰক প্ৰতি ধন
ৱন্ত ন হয় সেই সদৌ মানুহ এনেকুৱা।—
২২ পুনৰপি তেঁও আপোন ভকৎসকলক হুঁলিলে এই হেতু
তোমোলাকৎ ময় কও আপোন জীৱনলৈ কি খাবা
২৩ আৰু গাৎ কি পিন্ধিবা এয়াৎ একো চিন্তা ন কৰিবা।
আহাৰৎকৈ জীৱন বড় আৰু কাপড়ৎকৈ শৰীৰ বড়।
২৪ কাকবিলাকলৈকে মন কৰা যি হেতুক সিহঁতে ন বয়
শহো নে দায় সিহঁতৰ ভৰালো নায় মেৰো নায় কিন্তু

ঈশ্বৰে সিহঁতক পোষণ কৰে তোমালোক চৰাইতকৈ
২৫ কিমান ভাল্। তোমালোকৰ কোনোএ চিন্তা কৰি আপো
২৬ নাৰ্ দিঘল এহাৎ বঢ়াব পাৰে নে। মক বল যেদি
কৰিব নোৱাৰা তেবে আন বসৎ ব্যাকুল কিয় হোৱা।
২৭ পথাৰৰ কনৌৰ গছলৈকে ভাবা সেয়ে যেনেকৈ বাঢ়
ভালেকে যন কৰা সিহঁতে চৰ্যল কৰে সূতাও নে কাটে
কিন্তু এই কথা তোমালোকৎ যয় কঁও শলমন আপোনাৰ্
সকলো মহিমাৰেও ঔবিলাকৰ এজনৰো নিচিনা ছিভূ
২৮ ষিত নাছিল। আজিও বিদ্যমান কালি এযাৎ নেলোৱা
পথাৰৰ ঘাঁহক যেদি ঈশ্বৰে এনেকৈ অলঙ্কৃত কৰে তেবে
হে অল্প প্ৰতীতিযুক্তহঁৎ তোমালোকৰ্ কাপৰ তেঁও সিহঁ
২৯ তৎকৈ সৰহ্ নিদিব নে। যি খাবা যি পীবা ঔয়াৎ
চিন্তা ন কৰিবা আঙ্ক মনৎ সংশয়ও ন কৰিবা যি হেতুক্
৩০ সংসাৰৰ্ যান্ধহেহে এইবিলাক্ বিচাৰে। কিন্তু
তোমালোকৰ্ এইবিলাক প্ৰয়োজন্ আছে যেন তোমো
৩১ লাকৰ্ পিতৃএ ঔয়াক্ জানে। কিন্তু ঈশ্বৰৰ্ ৰাজ্য
কেই বিচাৰা তেবে এইবিলাক্ তোমালোকক্ দিয়া
৩২ হব। হে মক তাক্ ভয় ন কৰিবা যি হেতুক্ তোমো
লাকক্ ৰাজ্য দিবলৈ তোমোলাকৰ্ পিতৃৰ্ বড় ঔচ্ছা
৩৩ আছে। • তোমোলাকৰ্ সম্পত্তি বেচি দান্ কৰা যি
থৈৰলি বস্তুৰ এনে জোলোঙ্গা আপোনালৈ কৰা চোৰ্
যাব্ ওচৰলৈ আহিব নোৱাৰে পোকেও নষ্ট কৰিব
৩৪ নোৱাৰে এনে সৰগৎ অক্ষাৰ্য্য ধন্ সাঁচা। কিয়নো যত্তে
তোমোলাকৰ্ ধন্ তত্তে তোমোলাকৰ্ মন্ হব।—

৩৫ তোমোলোকর কঁকাল বন্ধা হোক আৰু তোমোলোকৰ
৩৬ চাকি জ্বলোক আৰু আপোন অধিকাৰ বিয়া ঘৰৰ
পৰা আহি দুৱাৰৎ চাপৰ মাৰিলে যিবিলাকে তেতি
ক্ষণে দুৱাৰ মেলিবলৈ তেওঁৰ অপেক্ষায় ৰয় তোমো
৩৭ লোক সেই সেই মানুহৰ নিচিনা হোৱা। অধিকাৰ
আহি যিবিলাক বন্দিক অপেক্ষা কৰিবৰ দেখে সিহঁৎ
ধীনা তোমোলোকৎময় স্মৰণ কৰি কওঁ সি আপুনি
৩৮ কঁকালৎ কাপৰ বান্ধি সিহঁতক বজ্রবায় বাহি দিব। সি
যেদি দুপৰিয়া অথবা তিনি পৰিয়া আহি তেনেকৈ দেখে
৩৯ তেন্তো সেই বন্দিহঁৎ ধন্য। জৈয়াকো জানা চোৰ
যি ভাৱৎ আহিব যেদি ঘৰৰ গিৰিহঁতে জৈয়াক জানিলে
হেতেন্ তেৱে পৰিয়া দি ঘৰ ভাঙ্গিব নোৱাৰা কৰিলে
৪০ হেঁতেন। এই হেতুকে তোমোলোক সাতম্ কৰই
থাকা যি হেতুক যি ভাৱৎ তোমোলোকে অপেক্ষা ন কৰা
৪১ সেই ভাৱৎ মানুহৰ পুত্রেক আহিব। পিতৰে তেওঁৰ
কুলিলে হে প্রভু এই উপদেশ কথা আমাতে কৈছে
৪২ নে এটাইতে। কিন্তু প্রভুএ কুলিলে তেৱে যি বিশ্বাসী
আৰু বুদ্ধিমন্ত দাৰ্গীৰক সিহঁতৰ নিয়মৰ ভক্ষা
দিবলৈ অধিকাৰে ঘৰৎ নিয়োজন কৰিব সেই জন কে।
৪৩ প্রভুএ আহি যি বন্দিক বনৎ এনে উদাসী পায় সি ধন্য।
৪৪ ময় তোমোলোকৎ স্মৰণ কৰি কওঁ তেওঁ তাক আপো
৪৫ নাৰ সৰ্ব্ব সম্পত্তিৰ অধিকাৰ পাতিব। কিন্তু সেই
বন্দিএ যেদি মনৎ ভাবে আমাৰ অধিকাৰ অহাৎ পলম
কৰ পাচে বন্দি বেটী বিলাকক মাৰিবলৈ ধৰে আৰু
৪৬ মদপী হঁতে সৈতে খোৱা পীয়া কৰিব ধৰে। তেৱে যি দিনা

তেঁওঁলৈ অপেক্ষা ন কৰে আৰু যি তাৰ সি নে জানে সেই
কালত সেই বন্দিৰ অধিকাৰ আহিব তাক দুখান
৪৭ কৰি অনাস্তিকহঁতৰ লগত তাক ভাগ দিব। যি বন্দিএ
আপোনাৰ অধিকাৰৰ মন বুজি সাজু ন হয় আৰু
তেঁওৰ মনোনীত কৰি বন ন কৰে সি ভালেমান কিল
৪৮ খাব। কিন্তু যি নে জানে মাৰপাৰ্হ কৰ্ম্ম কৰে সি তাকৰ
কিল খাব যি হেতুকে যাৰ হাতত ভালেমান গতোৱা
হইছে তাত ভালেমান খুজিব লাগে যাৰ হাতত
মানুহে ভালেমান থৈছে তাত সৰহ খুজিব। —
৪৯ ময় পৃথিবীত জুই পেলাবলৈ আহিছোঁ আৰু সেয়ে যেন
এতিয়া জলে এই বিনে ময় আৰু একো ভিছা ন কৰোঁ।
৫০ কিন্তু ময় একে বুড়তে বুড়িব লাগে সেয়ে পূৰ ন হয়
৫১ মানে ময় কেনে বাকুল। ময় পৃথিবীলৈ শান্তিক
পঠিয়াবলৈ আহিছোঁ তোমোলাকে এনেকৈ ভাব নে
ময় তোমোলাকত কওঁ সি ন হয় কিন্তু বেলেগ হোৱাকে
৫২ পঠিয়াবলৈ আহিছোঁ। এতিয়াৰেপৰা একে ঘৰৰ
পাঁচোটা বেলেগ হব তিনিটা দুইৰ বিৰোধে দুটা তিনি
৫৩ টাৰ বিৰোধে। বাপেক পুতেকৰ বিৰোধে পুতেক
বাপেকৰ বিৰোধে বেলেগ হব মাক জীয়েকৰ বিৰোধে
জীয়েক মাকৰ বিৰোধে বোৱাৰী আপোন শাহুৱেকৰ
বিৰোধে শাহু আপোন বোৱাৰীৰ বিৰোধে। —
৫৪ পাচে তেঁও মানুহক বুলিলে পশ্চিম ফালে ডাৱৰ বিৰৰ
দেখিলে তহঁতে কৰ বোল বৰষিব আৰু সেয়ে হয় আৰু
৫৫ দক্ষিণা বতাহ বলালে তহঁতে বোল জহ হব আৰু সিও
৫৬ হয়। হে কাল্পনিকহঁত আকাশৰো পৃথিবীৰো মুখ তহঁতে

৫৭ বুঝিব পাৰ কিন্তু এই কালৰ্ কথা বুঝিব নোৱাৰ। কিয়
আপুনি স্বৰূপ দোষী কি নিমিত্তে ন কৰ আপোনাৰ্
৫৮ গুঠৰিয়ায় সৈতে অধিকাৰৰ্ তৈল যাওতে বাটতে তাৰ্ পৰা
মুকলি হবলৈ প্ৰযত্ন কৰ্ জানি কি জানো পাচে তোমাক্
পোৰাকৰ্ হাতত সোঁপায় দিয়ে পোৰাকৰে তোমাক্
যেলুৱৈৰ হাতত সোঁপিয়ে দিয়ে আৰু যেলুৱৈয়ে তোমাক্
৫৯ বন্দি শালত থয়। তোমাত মই কঁও নিঃশেষ কৰি কড়ি
ন শুজিলে তুমি বাজলৈ আহিবলৈ নে পাৱা।

পৰ্ব সেই বেলা কেতেটি মানুহ আহি পীলাতে যে গালিলি
১৩ হঁতৰ্ তেজ্ আপোনাৰ্ বলিদানে সৈতে মিহলি কৰি
২ ছিল্ সিবিলাকৰ্ কথা তেঁওক কলে। য়িশুএ সমি
ধান্ দি সিহঁতক বুলিলে এই গালিলিহঁতে এতেক দুখ্
পাইছে সেই কাৰণে সিহঁত আনবিলাক্ গালিলিতকৈ
৩ পাতকী তহঁতে এনেকৈ জান নে। তোমোলাকত মই
কঁও সি ন হয় কিন্তু মন্ নে পালটায় তহঁতো এটায় সৰ্ব্ব
৪ নাশ কৰি। অথবা যি ওঠৰটাৰ্ ওপৰত শিলোয়াৰ্
গড় পৰি সিহঁতক মাৰি পেলালে সিহঁত য়িৰূশালমৰ্
৫ এটায় গিৰিহতত কৈ দোষীতহঁতে এনেকৈ জান নে
তোমোলাকত মই কঁও সি ন হয় কিন্তু তহঁতো মন্
৬ নে পালটায় সৰ্ব্বনাশ কৰি। তেঁও এই উপাখ্যান
কলে এক মানুহৰ দ্ৰাক্ষাৰীত এজোপা ডিমৰু গছ
ৰোৱা আছিল্ পাছে সি তাৰে গুটি বিচাৰিবলৈ আহি
৭ এটিও নে পালে। তেতিয়া তেঁও আপোন বাৰিচোৱাক্
বুলিলে দেখ তিনি বছৰ্ হল্ এই ডিমৰু গছৰ্ গুটি
বিচাৰি মই পুৰিছোঁ আহোঁ কিন্তু এটিও ন পাঁও তাৰ্

কাটি পেলা তুমির্ ভাবর্ নিমিত্তে মি রিয়েলেই থাকে।
৮ মি সমিধান্ দি তেঁওক্ ইুলিলে হে দেৱ ময় ঔয়ার্
৯ গুৰি মানি মাৰ্ দিয়ো যাৰে এই বৎসৰ্ থাকো। তেতিয়া
যেদি গুটি ধৰেচি কোনেই, কিন্তু যেদি ন ধৰে তেৱে তার্
পাচে কাটি পেলাবা।
১০ তেঁও শাবৎ বাৰে এক্ শিনগগৎ শিখাইছিল্
১১ আৰু ওহেৰ বৎসৰলৈকে এক্ অশক্তিকাৰি জীৱেৰে
অশক্তা আৰু কুজা হই আপোনাক্ একোৰূপে পোন্
কৰিব নোৱাৰে এনে এজনী তিৰোতা তাতে আছিল্।
১২ য়িশুএ তাইক্ দেখি মাতিলে বোলে হে তিৰি তোমার্
১৩ অশক্তিৰপৰা তুমি মুক্ত হলা। তেঁও হাৎ তাইৰ
ওপৰৎ দিলে তাতে তেতিয়ায় তাই পোন্ হই ঈশ্ব
১৪ ৰক্ স্তুতি কৰিলে। য়িশুএ তাইক্ শাবৎবাৰে ভাল্
কৰিলে সেই নিমিত্তে শিনগগৰ্ অধিকাৰে বেজাৰ্
হই ইুলিলে মানুহৰ্ বন্ কৰিবলৈ যোগ্য ছ দিন
আছে এই হেতুক্ সেই দিনা আহি ভাল্ হো শাবৎ
১৫ বাৰে এনে ন হয়। এই হেতুক্ প্রভুএ সমিধান্ দি
ইুলিলে হে কাল্পনিক তইঁতৰ্ প্রতি মানুহে শাবৎ ছপায়
আপোনাৰ্ গৰুক বা গাধিকেই চৰিয়াৰ্ কেৰাবেলিও
১৬ পানি খুৱাবলৈ লৈ নেযায় নে। কিন্তু শয় খুজিলা। যি
বৎসৰ্ যাক্ বান্ধিছিল্ এনে আবৰাহ্‌ গোমোলাকে যেডি
তিৰী এইক্ শাবৎবাৰে এই বন্ধনৰ্ পৰা মুকলা কৰা তোমোলাকৰ্
১৭ লগা ন হয় নে। এই কথা কলে সদা হই এড়া গল্।
বিলাক্ লাজ হল্ আৰু শিষ্ট ঘৰৎ তেঁও যাবলৈ
তেঁও কৰিছিল সেই কৰ্মতে নিৰীক্ষণ কৰিলে। সেই

১৮ স্তুতি কৰিলে। পাচে তেঁও হুঁলিলে ঈশ্বৰৰ ৰাজ্যৰ
ওপমা কি দৃষ্টান্তেৰে দিম্ আৰু কাৰ্ সদৃশ কৰিম্
১৯ এটি শৰীয়হ গুটি এক মান্নহে লি আপোনাৰ বাৰিৎ
সিচিলে পাচে সেয়ে বাঢ়ি ডাঙৰ্ গছ হল্ আকাশৰ্
চৰায়ে আহি তাৰ্ ডালৰ্ ওপৰতে বাহ ললে এনে
২০ এক্ শৰীয়হৰ্ নিচিনা সেয়ে। আৰু তেঁও হুঁলিলে
২১ ঈশ্বৰৰ্ ৰাজ্যৰ্ ওপমা কি দৃষ্টান্তেৰে দিম্ কোনো তিৰোতা
মান্নহে যি খাওয়া তিনি দোন আটিৰ্ মাজৎ এটায় যাবি
ৰ হয় মানলৈকে দিলে এনে খাওয়াৰ্ নিচিনা সেয়ে।
২২ পাচে সিবিলাকক্ নগৰে২ গাঁৱে২ শিকাবলৈ তেঁও
২৩ যিৰুশালমৰ্ ফালৈ গল্ সেই কালৎ এটায়ে তেঁওক্
হুঁলিলে হে প্রভু যিবিলাক্ মান্নহে ৰক্ষা পাব সেয়ে
২৪ তাকৰ নে। তেঁও সিবিলাকক্ হুঁলিলে চেপ্ দুৱাৰে
সোমাবলৈ বড় প্রযত্ন কৰা কিয়নো তোমোলাকৎ মই
কঁও তালেমানেও তাতে সোমাব খুজিব কিন্তু নো
২৫ ৱাৰে। ঘৰৰ্ গিৰিহতে এবেলি উঠি দুৱাৰ্ ডাও
দিলে তোমোলাকে যেতিয়া বাজৰ্পৰা কৰা হে প্রভু
২ এ- -লৈ দুৱাৰ্ মেলোক পাচে তেঁও সমিধান্ দি
তো- -নাকক্ হুঁলিব তোমোলাক্ কৰ মান্নহ জৈয়াক্
২৬ নে পাল- -না। তেতিয়া তোমোলাকে কবলৈ ধৰিবা
আমি এক্- -আগতে আমি খোৱা পিয়া কৰিছিলো
খোৱা আছি- -আমাৰ আলিতে শিকাইছিল্। পাচে
২৭ এটিও নে পাওঁ- -জৈয়াকে বোলো তোমোলাক্ কৰ্পৰা
হুঁলিলে দেখ তিনি- -নে জানো হেৰৈ কুকর্ম্ম কৰোতা
হিতাহি মনু প্রতিৎ- -লিলা হো। যেতিয়া আবৰাহা

যকে য়িস্হককে য়াকুবকে আৰু আচাৰ্য্য সকলকে ঈশ্ব
ৰৰ্ ৰাজ্যৎ তোমোলাকে দেখিবা কিন্তু আপোনাক
বাজৎ দেখিবা তেতিয়া কান্দনী দাৎ কৰ্কৰনী তাতে
২৯ হব। মানুহে পূর্ব্ব পশ্চিমওত্তৰ দক্ষিণ দিশৰপৰা
৩০ আহি ঈশ্বৰৰ্ ৰাজ্যৎ বহিব। দেখা অন্ত যিবিলাক্
সেইবিলাকৰ্ মাজৰে কেতেটি মানুহ আদি হব
৩১ আৰু আদি অন্ত হব। সেই দিনা কেতেটি ফাৰি
শিএ তেওব্ ওচৰলৈ আহি উলিলে জৈয়াৰ্পৰা ওঠি
৩২ বলা কিয়নো হেৰোদে তোমাক্ মাৰিব খুজিছে। তেঁও
সিবিলাকক্ উলিলে তোমোলাকে সেই শিয়ালৎ
কোৱাগৈ দেখা আজিও কালি ও ময় ভূৎইঁতক্ খেদও
আৰু মানুহকো সুস্থ কৰো পাচে তৃতীয় দিনে পূৰ
৩৩ হব। আজিও কালিও তাৰ্ পাচ দিনাও ময় ভূমিৰ
লগা আছে কিয়নো আচাৰ্য্য য়িৰূশালমৰ্ বাজৎ মৰিব
৩৪ নোৱাৰে হে আচাৰ্য্য মাৰোতা আৰু যিবিলাক্ তোমাৰ্
তলৈ পঠনী হইছে সেইবিলাকক্ শিলেৰে মাৰোতা
য়িৰূশালম্ য়িৰূশালম যেনেকৈ মাতি কুকুৰায় আপো
নাৰ্ পোৱালিইঁতক্ আপোনাৰ্ ডেঙৰাৰ্ তলৎ চপায়
ৰাখে তেনেকৈ তোমাৰ্ লৰাইঁতক্ ময় কেবাবেলিও
৩৫ চপাব খুজিলো কিন্তু তোমোলাকে তাক্ ন খুজিলা। যি
জন্ য়িহুৱৰ্ নামে আহে তেঁওক্ তোমোলাকে যেতি
য়ালৈকে ধন্য ন কৰা তেতে দিনলৈকে তোমোলাকৰ্
কাৰণে তোমোলাকৰ ঘৰ্ মানুহ সুদা হই এৰা গল।
পর্ব্ব শাবৃৎবাৰে এক প্ৰধান ফাৰিশিৰ্ ঘৰৎ তেঁও খাবলৈ
১৪ গল্ তেতিয়া সিবিলাকে তেঁওক্ নিৰীক্ষণ কৰিলে। সেই

২ কালতে তেঁওৰ্ দেখা আগৎ এটা জলন্ধৰিয়া আছিল্।
৩ য়িশুএ মাৎ লগায় শাস্ত্রজ্ঞানী সকলতে ফাৰিশিসক
লতে কলে শাবুৎবাৰে স্বস্থ কৰিবলৈ ওচিৎ হয় কি ন হয়
৪ কিন্তু সিবিলাক্ নিজম্ দিলে। তেঁও তাক্ আনি ভাল
৫ কৰি পাঠি দিলে পাচে তেঁও সমিধান্ দি সিবিলাকক্
হুলিলে তোমোলাকৰ্ মাজৰ্ কাৰো যেদি গাধ গৰু
খালৎ পড়ে তেবে শাবুৎবাৰে তোমোলাকে তেতিয়ায়
৬ তাক্ ন তুলিবানে। কিন্তু সিবিলাকে তেঁওৰ্ এই
কথাৰ্ সিদ্ধান্ত কৰিব নোৱাৰিলে।—
৭ নিমন্ত্রিৎ মানুহৰ্ প্রধান্ আসনৎ কেনেকৈ মন্
লাগিল্ এনেকৈ তেঁও সিবিলাকক্ দেখিব এই হেতুক্
তেঁও এই দৃষ্টান্ত সিবিলাকক্ দেখুৱালে। কোনোএ
তোমাক বিয়ালৈ মাতিলে প্রধান্ আসনৎ ন বহিবা আ
৮ নি কি তোমাৎকৈ এজন কোনো শ্রেষ্ঠ যদি সেয়ে নিমন্ত্রণ
কৰে পাচে যেয়ে তোমাকো তেঁওকো মাতিলে সেয়ে
৯ আহি বোলে এই মানুহকো ঠাই দিয়া তেবে তুমি লাজ
১০ কৰই তলৎ বহিবলৈ ধৰা। কিন্তু তোমাক্ যেতিয়া
নিমন্ত্রণ কৰে তেতিয়া আতিতলাপৰৎ বহিবা তাতে যি
তোমাক মাতিছিল্ সি আহি তোমাক্ হুলিব হে
সখি আৰু ভাল্ ঠাইৎ বহা তেতিয়া যিবিলাক্ তুমি
এ সৈতে বহে সিহঁতৰ্ আগৎ তুমি মান্য হবা।
১১ কিয়নো যেয়েং আপোনাক্ বড় কৰে তাকে সৰু কৰা
হব আৰু যি আপোনাক্ সৰু কৰে তাক্ বড় কৰা
হব।—
১২ পাচে যি তেঁওক্ নিমন্ত্রণ কৰিছিল্ তাকে তেঁও হুলিলে

তুমি দিনৎ ৰাত্তিভেই বা যেতিয়া ভোজ পাতা তেতিয়া
তোমাৰ্ সখিসকলকে তোমাৰ ভাইহঁতকেই বা মিত্তি
ৰ্হঁতকেই বা তোমোৰ্ এঠ্ৰুটুঁৰিয়া ধনৱন্তকেই বা
নিমন্ত্ৰণ ন কৰিবা জানো সিহঁতে পুনু তোমাক্ মাতি
১৩ লে সমনী হয়। কিন্তু যেতিয়া ভোজ পাতা তেতিয়া
দুখিয়াহঁতক খোঁড়া কোঙা অন্ধলাহঁতকে মাতিবা তাতে
১৪ তুমি শুৱাধা কৰা কিয়নো সিহঁতে তোমাৰ্ সমনী কৰিব
নোৱাৰে কিন্তু ধাৰ্ম্মিকৰ্ উৎথান্ কালৎ তোমাৰ সম
নী কৰ।—

১৫ সিবিলাকৰ্ লগতে খাবলৈ বহা এটায় এই কথা
শুনি তেঁওক্ ইঁলিলে যি ঈশ্বৰৰ্ ৰাজ্যৎ ভোজন্ কৰে
১৬ সেয়ে শুৱাধা। তেঁও তাক্ ইঁলিলে এক্ মানুহ ৰাতি
১৭ ভোজ পাতি ভালেমানকো নিমন্ত্ৰণ কৰিলে পাচে
আহাহঁক্ এটাই যুগুৎ হল্ এই কথা নিমন্ত্ৰণ্ কৰা
সকলৎ কবলৈ তেঁও ভোজনৰ্ বেলা এক্ বন্দিক্ পঠি
১৮ য়ালে। কিন্তু এটাইএ একোৎ আমোৱাহ দেখুৱাব
ধৰিলে পুথমে ইঁলিলে ময় এখান পথাৰ কিনিচো তাকে
দেখিবলৈ মোৰ্ যাবলগা আচে তেঁও যিহতে মোক্
১৯ খেমে তাকে কৰিবি। আৰু এটায় ইঁলিলে ময় পাঁচ হাল্
বলধ কিনিচো সিহঁতবে ভাল্ বয়া দেখিবলৈ যাঁও তেঁও
২০ যিহতে মোক খেমে তাকে জনাবি। আৰু এটায়
ইঁলিলে ময় বিয়া পাতিচো সেই কাৰণে ময় যাব নো
২১ ৱাৰো। এই হেতুক্ সেই বন্দি ভভতি গৈ আপোন্
প্ৰভুৰ্বাৰৎ সেই কথা কলেগৈ। তেতিয়া ঘৰৰ্

গিৰিহতে খঙ কৰি আপোন বন্দিহঁতক হুঁলিলে নগ
ৰৰ আলিলৈ পদুলিলৈ বেগায় গৈ দুখিয়া খোড়া কোঙ্গা
২২ অন্ধলাহঁতকে এথেলৈ আনগৈ। তাতে সেই বন্দিএ
হুঁলিলে হে প্ৰভু যি ৰূপ আজ্ঞা কৰিছিল সেই ৰূপ কৰা
২৩ গৈছে আৰু এতিয়াও ঠাই আছে পাছে প্ৰভুএ আপোন
বন্দিহঁতক হুঁলিলে আমাৰ ঘৰ ভৰিবলৈ বাটলৈকে
গৰালৈকে গৈ সিবিলাকক আহিবলৈ ওচটাৰাগৈ।
২৪ কিয়নো তহঁতৎ ময় কওঁ যিবিলাক নিমন্ত্ৰিৎ সিবিলাকৰ
মাজৰে এজনে মোৰ ভোজ খাবলৈ নেপাব।—
২৫ ৰৰ জুম তেঁওৰ লগৎ গল তাতে তেঁও মুখ ঘূৰায়
২৬ সিবিলাকক হুঁলিলে কোনো যেদি মোৰ ওচৰলৈ আহে
তেৰে যাক বাপেকক লৰাতিৰোতাক ভায়ভনীয়েকক
২৭ আপোনাৰ প্ৰাণকো অপ্ৰিয় নে দেখে সি মোৰ ভকৎ
হব নোৱাৰে। যি আপোন ক্ৰুশ লৈ মোৰ পিচৎ ন হয়
২৮ সিও মোৰ ভকৎ হব নোৱাৰে। কিয়নো তোমো
লাকৰ মাজৰ কোনোএ গড় বান্ধিবলৈ মন কৰি তাকে
২৯ সাঙ্গ কৰিবলৈ সৰহ ধন হয় নে ন হয় তাঁয়াকে জানি
বলৈ আগেই বাকৎ পত্ৰ হুঁলিবলৈ ন বহে। নাইবা
৩০ পইৰা বান্ধি সাঙ্গ কৰিব নোৱাৰে যেদি তেৰে যিবি
লাকে দেখে সেইবিলাকে ঔ বান্ধিবলৈ ধৰিলে কিন্তু
এটাৰ নোৱাৰিলে এই হুঁলি তাক নিন্দা কৰিবলৈ
৩১ ধৰে। অৰু কোনো ৰজায় আন ৰজায় সৈতে
ৰণ কৰিবলৈ যাত্ৰা কৰি যি কুড়ি হেজাৰ ৰণুৱা
লগৎলৈ তেঁৰে সৈতে ৰণ কৰিবলৈ আহে আপুনি
৩২ দহ হেজাৰ ৰণুৱা লগৎ লৈ তেঁৰে সৈতে ৰণ কৰিব

পাৰিব নে নোৱাৰিব আগেই বহি এই আলচ্ যি ন
৩৩ কৰে এনে কোন্ ৰজা আছে আৰু যেদি নোৱাৰে তেবে
আন্ ৰজাৰ মিলগত্তে থাকি কটকি পঠিয়ায় ৰণ্ ন
কৰিবলৈ কথা বান্ধে। এই হেতুকে তোমোলাকৰ্
মাজৰ্ যি কোনোএ আপোনাৰ্ সদৌকে পৰিত্যাগ্ ন
৩৪ কৰে সি মোহোৰ্ ভকত্ হব নোৱাৰে। লোন্
৩৫ চিকোন কিন্তু যেদি লোন্ সোৱাদ ন হয় তেবে তাৰ্ ৰস্
কেনেকৈ হব সেই মাটিৰ্ কাৰণে ভাল্ ন হয় আৰু
সাৰৰ্ ভেটিৰ্ কাৰণে চিকোন্ ন হয় কিন্তু মানুহে
পেলায়। যাৰ্ শুনিবলৈ কাণ্ আছে সেয়ে শুনুক্।
পৰ্ব্ব তেতিয়া এটাই পটোৱাৰি পাতকি মানুহো তেওঁৰ
১৫ কথা শুনিবলৈ ওচৰলৈ আহিল। কিন্তু ফাৰিশিহঁতে
২ অধ্যাপকহঁতে দন্দ কৰি কলে তেওঁ পাতকিহঁতক লৈ
৩ সিহঁতে সৈতে খায়। তেতিয়া তেওঁ সিবিলাকত্ এই
৪ দৃষ্টান্ত কলে বোলে তোমোলাকৰ্ মাজৰ্ কাৰো যেদি
এশ মেঢ় থাকে সিহঁতৰ্ মাজৰে যেদি এটা হেৰায় তেবে
সি সেই নিৰানব্বৈক হাবিত্তে এৰি গৈ সেই হেৰোৱাটক্
৫ নে পায় মানে তাক্ নিবিচাৰে নে। আৰু তেওঁ তাকে পায়
৬ ৰঙ্গ মনে কান্ধত্ লয়। আৰু ঘৰলৈ আহি আপোনাৰ্
মিত্তিৰহঁতক ওচৰ্চুবুৰিয়াহঁতক মাতি আনি বোলে
ময়ে সৈতে হৰ্ষ কৰা কিয়নো মোৰ্ হেৰোৱা মেঢ়ক্
৭ ময় পালো। তোমোলাকত্ ময় কওঁ যি ধৰ্ম্মৱন্ত মানু
হৰ্ মন্ পালটাৰ লগা নায় এনে নিৰানব্বৈ মানুহত্
কৈ মন্ পালটোৱা এক্ পাতকী মানুহৰ্ কথাত্ স্বৰগত্
৮ সৰহ্ হৰ্ষ হব। অথবা কোনো তিৰোতা মানুহৰ্

দহ্ টকা ৰূপ্ থাকে তাৰ মাজৰে যেদি এটকা হেৰায় তেন্তে
তাই চাকি ন লগায় নে আৰু ঘৰ্ নে সাৰেলে আৰু
৯ তাকে নে পায় মানে নিবিচাৰেনে। পাচে তাকে পালে
সখী সকলকে চুঁৰিয়াকে তাই মাত্তি বোলে ময়ে সৈতে
হৰিষ্ কৰা কিয়নো ময় যিটকা ৰূপ্ হেৰুৱাইছিলো
১০ তাকে পালো। তোমোলাকৎ ময় কঁও ঈশ্বৰৰ্ দূতৰ্
আগৎ মন্ পালটোৱা এক্ পাতকী মানুহৰ্ কথাৎ
হৰিষ্ হয়।—
১১ প্ৰভু তেঁও হুঁলিলে এক্ মানুহৰ্ দুয় পুত্ৰেক্ আছিল্
১২ সৰু পুত্ৰেকে আপোন বাপেকক্ হুঁলিলে হে বোপায়
ময় যি ধনৰ্ ভাগ্ পায় তাকে মোক্ দিয়া তাতে সি
১৩ আপোনাৰ্ সম্পত্তি বাঁটি সিহঁতক্ দিলে। অলপ্ দিনৰ্
পাচে সৰু পুত্ৰেকে আপোনাৰ্ এটাই ধন্ গোটায় লৈ
দূৰদেশলৈ গল্ আৰু আপোনাৰ্ এটাই ধন্ অকাৰ্য্যতে
১৪ ভাঙ্গিলে। এটাই খানি চুকালৎ পাচে সেই দেশৎ
বৰ্ আঁকাল্ হল্ তেতিয়া সি ভক্ষ্যহীন হবলৈ ধৰিলে।
১৫ পাচে সি সেই দেশৰ্ এক গিৰিহতে সৈতে থাকিল্ গি
পাচে গাহৰি চৰাবলৈ তেঁও তাক্ পথাৰলৈ পঠিয়ালে।
১৬ তেতিয়া সি গাহৰিৰ্ চোবাৰেই পেট ভৰাবলৈ বৰ্ ঔচ্ছা
১৭ কৰিলে কিন্তু তাক্ কোনেও নি দিলে। সি চেতন্
পায় হুঁলিলে মোৰ্ বোপাইৰ কেতেটি বনুৱাৰ্ বিস্তৰ্
ভক্ষ্য আছে তাৎকৈও সৰহ কিন্তু ময় ভোকৎ মৰিচো।
১৮ ময় উঠি আপোন্ বোপাইৰ্ তলৈ যাম্ আৰু তেঁওক্
হুঁলিম্ হে বোপায় ময় স্বৰ্গৰ বিৰোধে আৰু তুমি
১৯ দেখাতে ত পাতক্ কৰিচো আৰু এতিয়াৰে পৰা তোমাৰ্

পুত্ৰৰ নামৰ্ যোগ্য নো হোঁ তোমাৰ্ এক্ বন্ধুৱাৰ্
২০ নিচিনা মোক্ কৰা। পাচে সি উঠি আপোন্ বাপে
কৰ্ ওচৰলৈ গল্ কিন্তু সি অতিনিলগতে থাকোতেই
তাৰ্ বাপেকে তাক্ দেখিলে আৰু বৰ্ মৰম্ লাগিব লৰ্
২১ ধৰি গৈ তাৰ্ ডিঙিৎ ধৰি তাক্ চুমা দিলে। তেতিয়া
পুত্ৰেকে তেঁওক্ কুলিলে হে বোপাই ময় স্বৰ্গৰ্ বিৰোধে
আৰু তুমি দেখোতেই পাতক্ কৰিলো এতিয়াৰ্পৰা
২২ তোমাৰ্ পুত্ৰৰ্ নামৰ্ যোগ্য নো হোঁ। কিন্তু বাপেকে
বন্দিহঁতক্ কুলিলে তহঁতে অত্যুত্তম্ কাপৰ আনি তাক্
২৩ পিন্ধা আৰু তাৰ্ আঙুলিৎ আঙঠি আৰু তাৰ ভৰিৎ
পইজাৰ্ দে আৰু চিকোন দাম্ৰি আনি মাৰ্ পাচে
২৪ আমি খাম্ আৰু হৰ্ষিৎ হম্। কিয়নো এই মোৰ্ পো
২৫ মৰি আছিল্ কিন্তু জীয়াই আছে সি হেৰাইছিল্ কিন্তু
পোৱা গৈছে তেতিয়া সিহঁতে হৰ্ষ কৰিব ধৰিলে। কিন্তু
বৰ্ পুত্ৰেক্ পথাৰৎ আছিল্ পাচে ঘৰৰ্ ওচৰলৈ আ
২৬ হোঁতে বাজনাৰ্ নৰ্ত্তনৰ্ শবদ্ শুনিলে। তেতিয়া সি
২৭ এক্ বন্দিক্ মাতি সুধিলে ঔয়াৰ্ কাৰণ কি। সি তাক্
কুলিলে তোমাৰ্ ভায়া আহিছে তোমাৰ্ বাপাই
তেঁওক্ ভাল্ পাইছে এই নিমিত্তে চিকোন দাম্ৰি
২৮ মাৰিছে। তেতিয়া সি খঙ কৰি ঘৰলৈ যাবলৈ বেজাৰ
কৰিলে এই হেতুকে তাৰ্ বাপেকে বাজলৈ আহি তাক
২৯ মাতিলেহি। কিন্তু সি সমিধান্ কৰি আপোন্
বাপেকক্ কুলিলে এতেক্ বৎসৰ্ ময় তোমাক্ শুশ্ৰূষা
কৰিছো আৰু তোমাৰ্ আজ্ঞা কোনো কালে উলঙ্ঘন্ কৰা
নাই কিন্তু ময় মখি সকলে সৈতে ৰঙ্গ কৰিবলৈ মোক্

এটি ছাগলি পোৱালিও তুমি কোনো কালে দিয়া নাই।
৩০ কিন্তু তোমাৰ যি পোৱায় বেশ্যাগীমন কৰি তোমাৰ
এটাইহ ধন ভাঙ্গিলে সি আহিলতেই তুমি তিকোনি
৩১ দাম্বৰি তাৰ্লৈ মাৰিলা। কিন্তু তেঁও তাক হুঁলিলে হে
পুত্ৰ সদায় তুমি মোৰ লগৎ আচা মোৰ সৰ্ব্বৰহৎ
৩২ তোমাৰেই আচে বঙ্গ কৰা আমাৰ ওচিৎ হয় কিয়নো
এই তোমাৰ ভায় মৰি আছিল কিন্তু জীচে হেৰাই
চিল কিন্তু পোৱাগৈছে।—

পৰ্ব্ব পাচে তেঁও আপোন ভকৎ সকলক হুঁলিলে এক ধনৱন্ত
১৬ আচিল তাৰে এক ভৰালি আচিল সেই ভৰালিৰ তেঁএৰ
ধন অন্যায় কৰি ভাঙ্গিচিল হুঁলি পদকিয়া হইচিল।
২ তেতিয়া তেঁও তাক মাতি কলে বোলে তোমাৰ বিষয়ৰ
কথা ময় যি শুনো সেয়ে কি তোৰ বিষয় পোৰায় দে
৩ কিয়নো তয় ভৰালি বিষয়া আৰু হব নোৱাৰ। সেই
ভৰালিএ মনেৎ হুঁলিলে ময় কি কৰিম মোৰ অধিকাৰে
মোক ভৰালি বিষয়া ভাঙ্গিলে ময় মাটি খানিব নোৱা
৪ ৰো মাগিবলৈকো লাজ লাগে। মোৰ বিষয় গুচিলে
মানুহে যেন সিহঁতৰ ঘৰলৈ মোক নিযে জৈয়াকে সিদ্ধি
কৰিবলৈ ময় যি কৰিম তাকে মনৎ নিশ্চয় কৰো।
৫ তেতিয়া সি তাৰ অধিকাৰৰ সদৌ ধৰুৱাহঁতক মাতি
আনি প্ৰথমক হুঁলিলে মোৰ অধিকাৰৰ তয় কিমানৰ
৬ ধৰুৱা সি হুঁলিলে এশ বাত তৈল। সি হুঁলিলে তোৰ
৭ কাকৎ আনি মবুকে বহি তাতে পঞ্চাশ লেখ। তাৰ
পাচে আৰু এটাক হুঁলিলে তোৰ কিমান সি হুঁলিলে
৮ এশ কৰা গোম। সি হুঁলিলে তোৰ কাকৎ আনি

৯ তাতে আপি লেয়্ । সি ভৰালিক্ অন্যায়ী হুঁলি জানিলে
এই কাৰণে তাৰ্ অধিকাৰে তাক্ প্ৰশংসা কৰিলে
ক্রিয়নো এই জগতৰ্ লৰাহঁৎ সিহঁতৰ্ কালৎ পহৰৰ্
লৰাহঁতৎকৈ হুঁক্রিয়ন্ত এই নিমিত্তে ময় এই কথা তো
মোলাকৎ কঁও অন্যায়ৰ্ ধনেৰেই আপোনালৈ উত্ত
কৰা তাতে তোমোলাক্ পড়িলে সিহঁতে অনন্ত
১০ নিবাসৎ তোমোলাকক্ গ্ৰহণ কৰিব। যি তাকৰৎ
বিশ্বাসী সি সৰহতো বিশ্বাসী যি আতি তাকৰৎ অপ
১১ ৰমাৰ্থিক সি সৰহতো অপৰমাৰ্থিক্ তোমোলাকে যেদি
অন্যায়ৰ্ ধনেৰে বিশ্বাসী ন হলা তেবে ন্যায় ধন্ তোমো
১২ লাকৰ্ হাতৎ গতাৰ কোনে। আনৰ্ ধনেৰেও যদি
১৩ তোমোলাক বিশ্বাসী ন হলা তেবে তোমোলাকৰ্ অক্ষিয়া
যি তাকো তোমোলাকক্ দিব কোনে। কোঁও দুয় আপি
কাৰৎ যাটিব নোৱাৰে ক্রিয়নো এজনক্ ঘিনায় আনক্
চেনেহ অথবা এজনৰ্ পক্ষপাতী হই আনক্ উতিক্ষিং
কৰিব তোমোলাকে ঈশ্বৰতে ধনতে যাটিব নোৱাৰা।
১৪ লুভিয়া ফাৰিশিহঁতে এইবিলাক্ কথা শুনি তেঁওক্
১৫ নিন্দা কৰিলে। তেতিয়া তেঁও সিহঁতক্ হুঁলিলে তহঁতে
মানুহৰ্ আগৎ আপোনাকে পৰমাৰ্থিক্ হুঁলি মান
কিন্তু ঈশ্বৰে তহঁতৰ্ আশয় জানে ক্রিয়নো যি মানু
হৰ্ আগৎ ধনী সেয়ে ঈশ্বৰৰ্ আগৎ ঘিন্ লগা।
১৬ বিধান আৰু আচাৰ্য্য য়োহনলৈকে আছিল্ তাৰ্ পাচে
ঈশ্বৰৰ্ ৰাজ্যৰ বাৰ্ত্তা প্ৰচাৰিৎ হল এটায়ে তাৰ্ মাজ
১৭ তে প্ৰয়ত্ন কৰি যায়। শাস্ত্ৰৰ্ এক বিন্দুৰ ব্যৰ্থ হোৱাৎ
১৮ কৈ সৰগো পৃথিবীএ লৰাও হব পাৰে। যি আপোনাৰ্

তিৰোতাক্ এড়ি আনক্ বিয়া কৰে সি পৰস্ত্ৰীগমন্ কৰে
আৰু যি সেই এড়া তিৰীক লয় সিও পৰস্ত্ৰীগমন্
কৰে।—
১৯ এক্ ধনৱন্ত মানুহ আছিল্ সেয়ে বেঙেনাবৰনীয়া
২০ কাপৰ্ আৰু মলমল্ পিন্ধি নিতৌ মজ খাইছিল॥
২১ আৰু ধনৱন্ত মানুহৰ দুৱাৰৰ ওচৰত পৰা আৰু
তেঁওৰ মেজৰ পৰা পৰাৰেই পেট ভৰাবলৈ ইচ্ছা কৰি
ঘালগা লাজাৰ নামেৰে এক্ দুখিয়া আছিল কুকুৰে
২২ আহি তাৰ্ ঘা চেলেকিলে॥ এথেনুক্ থাকি দুখিয়া
মৰিল্ পাচে দূতে তাক্ অবৰাহামৰ হিয়ালৈ লৈ গল;
২৩ ধনীও মৰিল্ মৈদাম্ বান্ধিলে॥ পাচে নৰকত পীড়া
পায় সেই ধনীএ চকু মেলি ডাঙৰমান্ দূৰত অবৰা
২৪ হামক তেঁওৰ্ ঢুকতে লাজাৰক দেখিলে। তেতিয়া সি
মাত্ লগালে বোলে হে পিতৃ অবৰাহাম্ মোক্ দয়া
কৰা আৰু তাৰ্ আঙুলিৰ আগত পানিত ডুবি
দিয়ায় মোৰ্ জিবা ঠাণ্ডা কৰিবলৈ লাজাৰক পঠিয়োৱা;
২৫ কিয়নো এই জুইৰ তাপত মই পীড়া পাও। কিন্তু
অবৰাহামে তেঁওক্ কৈলিলে হে পুত্ৰ তুমি জীয়ায়
থকাত তুমি সুখ পাইছিলা লাজাৰে দুখ জীয়াইলেক
মন কৰা কিন্তু এতিয়া সি শান্তনা পায় তুমি যাতনা॥
২৬ জীয়াকে এড়িও আমাৰে তোমালোকৰে মাজত এক্
মহাগৰ্ত্ত আছয়ান্ তাৰ্ কাৰণে আমাৰ্ কোনো তোমো
লাকৰ্ সেই হাইলৈ যাব নোৱাৰে আৰু তোমোলাকৰো
২৭ কোনো আমাৰ্ এফেলৈ আহিব নোৱাৰে। পাচে
২৮ সি কৈলিলে হে অবৰাহাম্ পিতৃ মই এই প্ৰাৰ্থনা

কৰো মোৰ পাঁচ্ ভায় আছে লাজাৰে সিহঁতৰ্ আগৎ
সাক্ষী দিবলৈ তাক্ আমাৰ্ পিতৃৰ্ ঘৰলৈ পঠিয়াওক্
২৯ জানো সিহঁতে এই যাতনাৎ পৰে। অব্ৰাহামে
তাক্ ছুলিলে সিহঁতৰ্ ওচৰৎ মোশহে আচাৰ্য্য সকলে
৩০ আছে সিহঁতে সিবিলাকৰ্ কথা শুনক্। সি ছুলিলে
হে অব্ৰাহাম পিতৃ সি ন হয় কিন্তু কোনো মৃত্যুৰ্পৰা
৩১ গলে সিবিলাকে মন্ পালটাব। তেঁও তাক্ ছুলিলে
যেদি সিঁহতে মোশহকে আচাৰ্য্য সকলকে ন শুনে তেবে
কোনো মৃত্যুৰ্পৰা উঠিলেও সিবিলাকে উপদেশ ন লব।
পৰ্ব্ব পাচে তেঁও আপোনাৰ্ ভকৎ সকলক্ ছুলিলে বাধা
১৭ ন অহই নে থাকে কিন্তু যাৰ্ দোৱাযায় বাধা হয় তাক্
২ সন্তাপ অব। যেদি জাঁৎ ডিঙ্গিৎ বান্ধি সি সাগৰৎ
পেলোৱাযায় তেবে ঊহিলাকৰ্ মাজৰ্ এক্ সামান্য মানু
৩ হৰ্ বাধা কৰাৎকৈ সেয়ে তাহ্ কুশল্। সাৱধান
হোৱা তোমাৰ ভায়ায় যেদি তোমাৰ্ বিৰোধে পাতক্
৪ কৰে তাক্ অৰিওৱা আৰু যেদি মন্ পালটায় তেবে তাক্
মৰষা আৰু যেদি দিনে সাৎ বেলিও তোমাৰ্ বিৰোধে
পাতক্ কৰে তোমাৰ ফাললৈ উভতি বোলে মই মন্
৫ পালটও তেবে তাক্ মৰষা। পাঁচনী সকলে তেঁওক্
৬ ছুলিলে হে প্ৰভু আমাৰ্ বিশ্বাস বঢ়াওক্। প্ৰভুএ সিবি
লাকক্ ছুলিলে তোমোলাকৰ্ বিশ্বাস্ যেদি এটি শৰীয়হ
গুটিৰ্ মানো হয় তেবে এই স্বকামীন্ গছকে তয় উভলি
সাগৰৎ ৰোৱা হোগে এনেকৈ ছুলিব পাৰা আৰু সি
৭ তোমোলাকক্ মানিব। কাৰো হালোৱা হাল বায় বা

৮ গৰু ৰাখি পথাৰৰ্পৰা আহিলে তাক্ যি এতিয়া আহি
খাবলৈ বহ এনেকৈ হুঁলিব কিন্তু যয় খাবলৈ ৰান্ধ আৰু
৯ যয় খায়পী লেটিও মালৈকে মোক্ বাচি দে তাৰ্পাচে
তয় খাবি বাকৈকে এনেকৈ যি নৈ হুঁলিব তোমোলাকৰ্
মাজৎ এই বিধৰ্ মানুহ কোন আচে। সেই বন্দিএ
পচাঁৰ্ অনুসাৰে বন্ কৰে এই কাৰণে সেই গিৰিহঁতে
মোক্সি অনুগ্ৰহ কৰিচে হুঁলি মানিব নে মোৰ্ মনে
১০ সিন হয়।' এই ৰূপে যিং তোমোলাকক্ আজ্ঞা কৰা
গৈচে তাকে কৰিলেও তোমোলাকে বোলা আমি অনন্ত
গ্ৰাহক বন্দিহঁত আমি আপোনাৰ্ কৰিব লগা মাতোন্
কৰিচো।—

১১ পাচে এনে হল্ যিৰুশালয়লৈ যওঁতে তেঁও শমৰোণৰে
১২ গালিলিৰে মাজ দি গল্। তেঁও এক্ গাঁৱৎ সোমা
লৎ দহোটা কুষ্ঠিয়ায় দূৰৰেপৰা তেঁওক্ দেখা দিলে।
১৩ আৰু এটাই পাৰিং হুঁলিলে হে প্ৰভু যিশু আমাক্
১৪ কৃপা কৰা। তেঁও সিহঁতক্ দেখি হুঁলিলে পুৰোহিৎ
হঁতক্ দেখুৱাগৈ তেতিয়া সিহঁৎ যঁওতে যঁওতেই শুদ্ধ
১৫ হল্। সিহঁতৰ এটা আপুনি ভাল হবৰ্ দেখি ওভতি
১৬ গল আৰু এটাই পাৰিং ঈশ্বৰক্ স্তুতি কৰিলে। আৰু
তেঁওক্ স্তুতি কৰি তেঁওৰ্ হেঁওৰ্ তলৎ মুখমুখায় পৰি
১৭ লৈগৈসি শমৰোণী। কিন্তু যিশুএ মাৎ লগালে বোলে দহো
১৮ টাক্ শুদ্ধ কৰা ন গল কিন্তু নটা কৎ। ঈশ্বৰক স্তুতি
কৰি যি ওভতি আহে এই বিদেশীক্ এড়ি কাকো দেখা
১৯ নায়। পাচে তেঁও তাক্ হুঁলিলে ওঠি যোৱা তোমাৰ্
২০ বিশ্বাসেই তোমাক্ সুস্থ কৰিলে। ঈশ্বৰৰ্ ৰাজ্য

কেতিয়া আহিব ফাৰিশিহঁতে তেঁওঁৎ জৈয়াকে শুধিলে
২১ তেঁও সমিধান দি সিহঁতক্ ঠুলিলে ঈশ্বৰৰ্ ৰাজ্য লক্ষণ
দেখাবেই নাহে এনেৎ দেখ বা তৎ দেখ মানুহে
জৈয়াকো নু ঠুলিব কিয়নো দেখা ঈশ্বৰৰ্ ৰাজ
২২ তোমোলাকৰ মাজতেই। তেঁও আপোনাৰ্ ভকৎ
সকলক্ ঠুলিলে যেতিয়া তোমোলাকে মানুহৰ্ পুতে
কৰ এই দিন দেখিবলৈ ঈচ্ছা কৰিবা কিন্তু তাক্ দেখি
২৩ বলৈ নোপোৱা এনে কাল্ হব। আৰু লোকে ঠুলিব
এথেৎ দেখা বা তৎ দেখা কিন্তু নে যাবা আৰু সিহঁতক্
২৪ পিচুৎ নে যাবা। কিয়নো যেনেকৈ বিদ্যুলি চমক্ আকা
শৰ্ এফালে আকাশক্ আন্ ফালেও পহৰ্ হয় তেনে
২৫ কৈ মানুহৰ্ পুতেক্ আপোন্ কালৎ হব। কিন্তু তাৰ্
আগেই তেঁওক্ নানা দুঃখ ভোগ কৰিবলৈ আৰু এতি
২৬ য়াৰ্ কালৰ্ মানুহে এড়িব লাগিব। নোখৰ্ কালৎ
যেনেহল্ মানুহৰ্ পুতেকৰ্ কালতো তেনে হব যি
২৭ দিনা নোখ জাহাজৎ উঠিল্ আৰু ঢল আহি এটাইকে
সৰ্ব্বনাশ কৰিলে সেই দিনালৈকে সিবিলাকে খোৱা
পীয়া কৰিছিল্ সিবিলাকে বিয়া দিছিল্ আৰু বিয়া কৰি
২৮ ছিল্। তেনেকৈ আৰু লোটৰ্ কালৎ যেনে আছিল্
সিবিলাকে খোৱা পীয়া কৰিছিল্ সিবিলাকে কিনা বেচা
২৯ কৰিছিল্ আৰু ৰুইছিল্ সাজিছিল্ কিন্তু যি দিনা সদম
এড়ি লোট গল্ সেই দিনা জুই আৰু গন্ধক স্বৰ্গৰ্
৩০ পৰা বৰষিলে এটাইকে বিনাশ কৰিলে। যি দিনা মানু
৩১ হৰ্ পুতেক্ বিদিৎ হব সেই দিনাও এনে হব। সেই
দিনা যি ঘৰৰ্ চালৰ্ ওপৰৎ থাকে আৰু তাৰ্ বেহানি

পৰন্ত থাকে সি তাঁকে নিবলৈকো না নাম্বোক্ যি পথাৰৎ থাকে সি এড়া বেহানি আনিবলৈকো ওভতি না
৩২ হোক্। লোটৰ্ ভাৰ্য্যাক্ মনৎ ৰাখা যি কোনোএ
৩৩ আপোনাৰ্ প্ৰাণ ৰাখিব খোজে সি তাকে হেৰুৱাব যি
৩৪ কোনোএ আপোনাৰ্ প্ৰাণ হেৰুৱায় সি তাকে ৰখিব। তোমোলাকৎ ময় কঁও সেই ৰাত্রিৎ দুটা একে খাটীতে
৩৫ থাব এটাক লোৱা য়াব এটাক এড়া যাব। দুজনী তী
৩৬ যোতায় জাঁতেৰে ভুলি থাকিব সিহঁতৰ মাজৰে এজনী লোৱা হব এজনী এড়া হব দুটা পথাৰৎ থাকিব এটা
৩৭ লোৱা হব এটা এড়া হব। সিবিলাকে সম্বিধান্ দি হুঁলিলে হে প্ৰভু কৎ সিবিলাকক্ হুঁলিলে যতে মৰা থাকেততে মগুণ গোট যাব।—

পৰ্ব্ব ১৮

নিতৌ আৰাধনা কৰা তাতে ক্লেশ নো পোৱা মানুহে কৰিব লগা এই আশয়েৰে তেঁও এক্ দৃষ্টান্ত সিবিলা
২ কৎ কলে। বোলে ঈশ্বৰক্ ভয় ন কৰিছিল্ মানুহকো না মানিছিল্ অমুক্ নগৰৎ এনে এক্ শোধীক বডুৱা
৩ আছিল। সেই নগৰত এজনী ৰাৰী আছিল্ তায়ে আহি তেঁওক্ হুঁলিলে মোৰ্ শত্ৰুএ সৈতে মোৰ্ স্বৰূপ
৪ শোধি কৰোক্। কতকাল্ সি ন কৰিলে কিন্তু তাৰ্ পাচে সি আপোনাৰ্ মনতে ভাবিলে বোলে ময় ঈশ্বৰক্
৫ ন ডৰঁও হয় মানুহকো না মানো হয় কিন্তু এই ৰাৰীএ মোক্ বেজাৰ্ লগালে এই কাৰণে তাইৰ্ স্বৰূপ্ শোধি ময় কৰিম্ জানো নিতৌ২ আহি মোক্ দুঃখ
৬ দিয়ে। তেতিয়া প্ৰভুএ হুঁলিলে অন্যায়ী শোধীকৰ এ যি কথা কয় তাকে শুনা। সিবিলাকক বহু দিন

৭ সহিও ঈশ্বৰে আপোনাৰ আগৎ ৰাত্ৰিন্দিৱা প্ৰাৰ্থনা
কৰে যি তেঁওৰ্ মনোনীত্ সকলে তেঁও সিবিলাকৰ্
৮ সুৰুপ শোধি ন কৰিব নে। তোমোলাকৎ ময় কঁও তেঁও
অৱশ্যে অবিলম্বে সিবিলাকৰ্ সুৰুপ শোধি কৰিব কিন্তু
মান্নুহৰ্ পুত্ৰেক্ যি কালৎ আহে সেই কালৎ পৃথিৱীৎ
প্ৰতীতি পাব নে।—
৯ যিবিলাকে আপোনাকে পৰমাৰ্থিক্ বুলি মানিলে
আন্ মান্নুহক্ ঊতিক্ষিং কৰিলে এনে কেতেটি মান্নুহৰ
১০ আগৎ তেঁও এই দৃষ্টান্ত দিলে বোলে। দুয় মান্নুহ মন্দি
ৰৎ প্ৰাৰ্থনা কৰিবলৈ গল্ এটা ফাৰিশি এটা পটোৱাৰি।
১১ ফাৰিশি নিলগৎ থিয় হৈ এই ৰুপ প্ৰাৰ্থনা কৰিলে হে
ঈশ্বৰ ময় চোন্তোৰা অপৰমাৰ্থিক্ চুলুও ঊত্যাদি আন্
মান্নুহৰ্ নিচিনা নোহো আৰু এই পটোৱাৰিৰ নিচিনা
১২ ও নোহো সেই কাৰণে আপোনাকে ময় স্তুতি কৰো
সাৎ বাৰৰ্ মাজৎ ময় দুদিন্ লঘোন্ কৰো মোৰ্ যি
১৩ হীন্ বস্তু আছে তাৰে দশম ভাগ ময় দিয়ো। কিন্তু
পটোৱাৰি নিলগতে থাকি সৰগৰ্ ফাললৈ চকু মেলিব নু
খুজিলে কিন্তু হিয়াৎ চাপৰ্ মাৰি বুলিলে হে ঈশ্বৰ ময়
১৪ পাপিষ্ঠ মোক্ ক্ষেমা কৰোক। তোমোলাকৎ ময় কঁও
এই মান্নুহ এই আন্ মান্নুহৎকৈ পৰমাৰ্থী হৈ আপো
নাৰ্ ঘৰলৈ গল্ কিয়নো যি কোনো আপোনাক্ বড় বুলি
মানে তাক্ সৰু কৰিব লাগে আৰু যি আপোনাক্ সৰু
বোলে তাক্ বড় কৰিব লাগে।—
১৫ তেঁও পৰশিবলৈ মান্নুহে লৰাহঁতক্ তেঁওৰ্ কাষ্লৈ
আনিলে কিন্তু তেঁওৰ্ ভকৎসকলে দেখি সিহঁতক্

১৬ হাক্ দিলে। তাতে যিশুএ সিবিলাকক্ মাতি কলে
যোলে ল্ৰৰাহতক্ মোৰ কাষৰলৈ আহিব দিয়া হাক্
১৭ নি দিবা কিয়নো এই ৰূপেতেই ঈশ্বৰৰ ৰাজ্য ময়।
তোমোলাকৎ সচ্চা কৰি কওঁ যি কোনো এ ঈশ্বৰৰ
ৰাজ্যক্ লৰাৰ নিচিনাকৈ গ্ৰহন ন কৰে সি কোনো ৰূপে
তালৈ নে যাব।—

১৮ এই কালতে এক্ অধিপতিএ তেঁওৎ ঔয়াকে শুধিলে
বোলে হে উত্তম্ গুৰু ময় কি কৰিলে অনন্তায়ু পাম্।
১৯ যিশুএ কুঁলিলে মোক্ উত্তম কুঁলি কোৱা কিয় এক ঈশ্বৰ
বিনে কোনো উত্তম্ ন হয়। তুমি আজ্ঞা জানা পৰ
স্ত্ৰীগমন ন কৰিবা বধ ন কৰিবা চুৰ্ ন কৰিবা মিচলিয়া
২০ সাক্ষী নি দিবা তোমাৰ্ পিত্ মাতৃক্ মান্য কৰা। তেঁও
২১ কুঁলিলে ময় লৰা কালৰে পৰা এইবিলাক্ পালিচোঁ।
২২ যিশুএ তাকে শুনি তেঁওক্ কুঁলিলে এতিয়া এক্ কৰ্ম্ম শেষ
তোমাৰ্ যি আছে বেচি দুখিয়া মানুহক্ দিয়া পাচে
স্বৰ্গৎ ধন্ পাবা আৰু মোৰ্ লগতো আঁহা। তেঁও
২৩ এই কথা শুনি বড় শোক্ কৰিব ধৰিলে কিয়নো তেঁওৰ
২৪ বহুত ঐশ্বৰ্য্য আছিল। যিশুএ তেঁওক বড় শোক কৰি
থক্ দেখি কুঁলিলে ধনীইঁতৰ্ ঈশ্বৰৰ্ ৰাজ্যলৈ যোৱা
২৫ কেনেৰা দুৰ্ঘট। ওট বেজিৰ্ জলঙ্গায় দি যোৱা ধনৱন্ত
মানুহৰ্ ঈশ্বৰৰ্ ৰাজ্যলৈ যোৱাৎকৈ সুগম্। যিৰি
২৬ লাকে শুনিলে সেইবিলাকে কুঁলিলে তেবে ওদ্ধাৰ্ পাব
২৭ পাৰে কোনে তেঁও কুঁলিলে মানুহৰ যি অসাধ্য সেয়ে
২৮ ঈশ্বৰৰ্ সাধ্য। পিতৰে কুঁলিলে দেখোক্ আমি
এটাইকে এৰি আপোনাৰ্ লগতে আঁহিচোঁ তেঁও সিবি

২৯ তাকত্ হুঁলিলে মঁয় সঁচাকৈ তোমালোকক কঁও
এই কালত যি বহু গুণ অধিক্ নে পাব আৰু আহিবৰ্
৩০ ব্ৰহ্মাণ্ডতো যি অনন্তায়ু নু অব দৰকে যাক্ বাপেকক
বা ভায়েক্হঁতকেই ভাৰ্য্যাকেই বালকহঁতকে ঈশ্বৰৰ্
ৰাজ্যৰ্ নিমিত্তে যি এড়িছে এনে কোনো নাই।—
৩১ তাৰ্ পাচে তেঁও সেই বাৰে জনক্ আনি হুঁলিলে দেখা
আমি যিৰূশালমলৈ যাঁও মানুহৰ্ পুত্ৰেকৰ্ অৰ্থে আচাৰ্য্যা
৩২ সকলে যি লিখিছে সেয়ে পূৰ্ণ হব কিয়নো আন্ দেশৰ
মানুহৰ্ হাতত তেঁও সোধায় দিয়া হব সিহঁতে তেঁওক্
৩৩ বিদ্ৰূপনা কৰিব হিংসা কৰিব তেঁওৰ্ গাত থুই দিব।
আৰু সিহঁতে তেঁওক্ মাৰিয়ায় কিলায় বধ কৰিব পাচে
৩৪ তৃতীয় দিনত তেঁও আকও উঠিব। কিন্তু এই কথাৰ্
সিবিলাকে একো নু বুজিলে সিবিলাকত সেয়ে গুপ্ত
৩৫ হই থাকিল্ আৰু সিবিলাকে সেই কথা নু বুজিলে।
৩৬ তেঁও যিৰিযোৰ্ ওচৰত ওপাস্ত হলত পাচে এটা অন্ধ না
৩৭ মগনিয়াৰ্ বাটৰ কাষৰতে বহি আছিল। সেয়ে
জুম সেই বাটে দি যাবৰ সঁহাৰি পায় সুধিলে বোলে
ই কি। সিবিলাকে তাক হুঁলিলে যিশু নাজৰেথ
৩৮ এই বাটে দি যায়। তেতিয়া সি এটাহ পাৰি হুঁলিলে
৩৯ হে দাওদৰ সন্ততি যিশু মোক দয়া কৰা। যিবিলাক্
আগত গৈছিল সেইবিলাকে নিজম দিবলৈ ধমকিয়ালে
কিন্তু সি আৰু বহুকৈ এটাহ পাৰি হুঁলিলে হে দাওদৰ
৪০ সন্ততি মোক দয়া কৰা। যিশুএ থমকি তাক আনি
৪১ বলৈ হুঁলিলে। পাচে সি ওচৰলৈ আহিলত তেঁও তাক
সুধিলে বোলে মঁয় তোক প্ৰতি কি কৰিম তয় কি খোজ।

৪২ সি ইুলিলে হে প্ৰভু ময় যেন দেখিবলৈ পাঁও ঈয়াকে
খোজো। যিশুএ তাক ইুলিলে দেখিবলৈ পা তোৰ
৪৩ প্ৰতীতিএ তোক্ ৰক্ষা কৰিলে। সি তেতিয়া দেখিলে
আৰু তেওঁৰ লগৎ গৈ ঈশ্বৰক্ স্তুতি কৰিলে আৰু
এটাই মানুহে তাকে দেখি ঈশ্বৰক্ স্তুতি কৰিলে।—
পর্ব্ব তেতিয়া তেওঁ যিৰিখোৎ নোমায় তাৰ্ মাজে দি গল্
১৯ আৰু দেখা তাতে জাখাইয়স্ নামেৰে এক প্ৰবীন
পটোৱাৰি আছিল সি ধনৱন্ত। যিশু কেনেকুৱা
৩ মানুহ ঈয়াকে দেখিবলৈ ঈচ্ছা কৰিলে কিন্তু সি চুটি
আছিল্ এই নিমিত্তে জুমৰ নিকোনে নোৱাৰিলে। এই
৪ হেতুক্ আগলৈ লৰি গৈ তেওঁক্ দেখিবলৈ সি এজোপা
সকমোৰ্ গছৎ উঠিল্ কিয়নো তেওঁৰ্ সেই বাটে দি
৫ যাব লগা আছিল্। যিশুএ সেই ঠাইৎ উপগত
হই ওপৰলৈ মূৰকৰি তাক্ দেখি ইুলিলে হে জাখাইয়স
সোনকালে নামি আহা কিয়নো আজি তোমাৰ ঘৰৎ আমি ৰব
৬ লাগিব। তাতে সি লগতেই নামি তেওঁক্ ৰঙ্গ
৭ মনে গ্ৰহণ কৰিলে। যিবিলাকে দেখিলে সেইবিলাকে
এটায়ে বেটেৰ তেতেৰ কৰিলে বোলে তেওঁ পাতকী
৮ মানুহৰ্ আলহি হবলৈ গৈছে। তেতিয়া জাখা
৯ ইযস থিয় হই প্ৰভুক ইুলিলে হে প্ৰভু দেখোক্ মোৰ্
আদখালি ধনৱস্তু ময় দুখিয়া মানুহক্ দিয়ো আৰু
মিচা অপবাদ দি যেদি কোনো মানুহৰ্ কিবা লৈছো
তেহে তাৰ চাৰি গুন ময় ওভোতায় দিয়ো। কিন্তু
যিশুএ তাৎ কলে আজি এই ঘৰলৈ উদ্ধাৰ আহিছে
১০ কিয়নো সিও অব্ৰাহামৰ সন্ততি। কিয়নো মানুহৰ

মনুষ্যি হেৰোৱা বস্তু বিচাৰিবলৈ আৰু উদ্ধাৰ কৰি
বলৈ আহিছে।—
১১ সিবিলাকে এই কথা শুনোতেই তেঁও দৃষ্টান্ত দি আৰু
এটা কথা কলে কিয়নো তেঁও যিৰূশালমৰ ওচৰ চাপিছি
আৰু ঈশ্বৰৰ ৰাজ্য যেন তেতিয়ায় প্ৰচাৰ হব যানুহে
১২ ঈয়ালৈকে অপেক্ষা কৰিলে। তেঁও কুলিলে এক মহা
জন আপোনালৈ ৰাজ্য লবলৈ আৰু তাৰ্পৰা উভতি
১৩ আহিবলৈ দূৰদেশলৈ গল। তেতিয়া তেঁও আপোন
দহবন্দিক মাতি আনি দহ মীনা দিলে আৰু সিহঁতক
১৪ কুলিলে ময় আহোঁগে মানে বেহা কৰহঁক। কিন্তু
তেঁওৰ প্ৰজায় তেঁওক ঘিনালে আৰু তাৰ পিচতো মানুহ
পঠায় কলে আমাৰ ওপৰত ৰজা হবলৈ এই মানুহক
১৫ নোখোজো। ঈয়াৰ পাচে তেঁও ৰাজ্য লৈ উভতি আহি
যি বন্দিহঁতৰ হাতত কণ গতায় থৈছিল সেই এটাই বন্দিয়
বেহা কৰি কি মান লাভ পাইছে ঈয়াকে জানিবলৈ সিহঁ
১৬ তক মাতিবলৈ আজ্ঞা কৰিলে। তেতিয়া প্ৰথমে আহি
কুলিলে হে দেও তোমাৰ এক মীনাৰেই ময় আৰু দহ
১৭ মীনা লাভ উলিয়াইছো। তেঁও কুলিলে এ উত্তম বন্দি
তয় ভাল কৰিছ অতি তাকৰতে বিশ্বাসী হলি সেই কাৰ
১৮ ণে দহ নগৰৰ তয় বিষয়া হো। দ্বিতীয়ে আহি কুলিলে
হে দেও তোমাৰ এক মীনায় মোৰ আৰু পাঁচ মীনা
১৯ লাভ উলিয়াইছে। তেঁও তাক কুলিলে তয় পাঁচ নগৰৰ
২০ বিষয়া হো। আৰু এটায় আহি কুলিলে হে দেও
তোমাৰ মীনা ময় গামোচাত বান্ধি থৈছো সেয়ে এই

২১ দেখা । কিয়নো তুমি টান্ মানুহ যিহক্ নো থোৱা
তাকো গুলিওৱা আৰু যিহক্ বোৱা নায় তাৰো থোক্
২২ কাটা জৈয়াকে জানি তোমালৈ ভয় লাগিল্ । তেঁও তাক
হুলিলে হে দুর্জন বন্দি তোৰ্ মুখৰ্ কথাতে তোৰ্ দোষ
কৰিম্ । ময় টান্ মানুহ যিহক থোৱা নায় তাকো
গুলিয়ুঁও আৰু যিহক্ বোৱা নায় তাৰো থোক্ কাটো
২৩ জৈয়াকে তয় জানিলি । তেবে মোৰ্ ৰূপ্ কি কাৰণে বুদে
নাৰুং নি দিলি তাকে কৰা হলে ময় আহিবৰ্ সময়ং
২৪ আপোনাৰ্ ৰূপ্ বাঢ়িএ সৈতে পালোহেতেন্ । তেতিয়া
যিবিলাক ওচৰত্ থিয় হইছিল্ সেইবিলাকক তেঁও
হুলিলে সেই মীনা তাৰ্পৰা আনি যাৰ্ দাহং দহ
২৫ মীনা আছে তাকে দে । সিহঁতে তেঁওক্ হুলিলে
২৬ হে দেও তাৰ্ দহ মীনা আছে । কিয়নো তঁহতক ময়
বোলো যাৰে আছে সেইং মানুহক্কে দিবলাগে আৰু
২৭ যাৰ নায় তাৰ্ যি আছে তাকো তাৰ্পৰা আনিবলাগে ।
কিন্তু যিবিলাকে খুজিলে বোলে ময় সিহঁতৰ্ ওপৰং ৰিঘয়া
নোহো জৈয়াকে যিবিলাকে আপুত্তিপে মোৰ সেই শত্রু
হঁতক্ জৈয়ালিকে আনি মোৰ্ আগতে মাৰ্ ।—
২৮ তেঁও এই কথা কৈ সিবিলাকৰ্ আগ হই যিৰুশা
লমৰ্ ফাললৈ গল্ ।—
২৯ তেতিয়া তেঁও জিত বৃক্ষ পর্ব্বতৰ্ ওচৰৰ্ বৈতফাজিতে
বৈতানিয়াতেকে আপোন্ দুয় ভকতক্ এই হুলি
৩০ পঠালে । তোমালাকৰ্ সম্মুখৰ্ গাঁৱং সোমায় থোৱা
তাৰে মাজতে গৈ যাব্ ওপৰং কোনো কালে কোনো
ছুটো নায় এনে এটি ৰক্ষা পোৱালিক তোমালাকে পাবা

৩১ তাকে মেলি আনাহঁগৈ। তোমোলাকে পোৱালীক্ কিয়
মেলা এনেকৈ যেদি কোনোবায় শোধে তেৱে তাং কবা
৩২ হেনে প্ৰভুৰ্ ঔয়াৎ প্ৰয়োজন্ আছে। যিবিলাকক্
পঁঠিয়াইছিল্ সিবিলাকে গৈ যেনেকৈ তেঁও সিবিলাকৎ কৈ
৩৩ ছিল্ সেই ৰূপে পালেগৈ। সিবিলাকে পোৱালিক্
মেলিছিল তেতিয়া গৰাকিয়ে হুঁলিলে পোৱালিক্ কিয়ে
৩৪ লৈ মেলা। তেতিয়া সিবিলাকে হুঁলিলে প্ৰভুৰ্ ঔয়াৎ
৩৫ প্ৰয়োজন্ আছে। পাছে যিশুৰ্ ওচৰলৈ সিবিলাকে
তাক্ লৈ গল্ আৰু আপোনাৰ্ কাপড় পোৱালিৰ্ ওপ
৩৬ ৰৎ পাৰি যিশুক্ তাৰ্ ওপৰতে তুলিলে। তেঁও গৈ
ছিল্ সেই সময়ৎ সিবিলাকে আপোন কাপড় বাটৎ
৩৭ পাৰি দিলে। যেতিয়া সিবিলাক জিত বৃক্ষ পৰ্ব্বতৰ্
পৰা নমা দুৱাৰৰ্ ওচৰলৈ আহিছিল্ তেতিয়া যিবিলাক্
৩৮ আশ্চৰ্য্য কৰ্ম্ম সিবিলাকে দেখিছিল্ সেই বিলাকতে
যিহূৱৰ্ নামে আহোতা ৰজাৰ জয় হোক্ স্বৰ্গৎ কুশল
আতি ওপৰৎ মহাত্মা হোক্ ভক্ত সকলে এই হুলিং
হৰ্ষ কৰিবলৈ আৰু এটাই পাৰিং ঈশ্বৰক্ আগং
৩৯ শ্লাঘা কৰিব ধৰিলে। কিন্তু জুমৰ্ মাজৰ কেতিঙ্কি
ফাৰিশিএ তেঁওক্ হুঁলিলে হে গুৰু আপোনাৰ ভক্ত
৪০ সকলক্ ডেকেহিয়াওক্। তেঁও সঁমিধান্ দি সিহঁ
তক্ হুঁলিলে যেদি ঔবিলাকে নিতম্ দিয়ে তেবে শিলে
শব্দ কৰিব ময় তোমোলাকক্ ঔয়াকে বোলো। —
৪১ সেই নগৰক্ ওচৰলৈ আহি তাকে দেখি তালৈকে
৪২ কান্দিলে। তেঁও বোলে হায় যেদি তুমি জানিলাহেঁতেন্
তোমাৰ্ এই সময়তো আপোনালৈ যিং শুভ তাকে যেদি

তুমি জানিলাহেঁতেন্ কিন্তু এতিয়া সেয়ে তোমাৰ্ চকুৰ্
অগোচৰ্ হইআছে। কিয়নো যি কালৎ তোমাৰ্
৪৩ শত্ৰুহঁতে তোমাৰ্ চাৰিওফালে গড় বান্ধিব তোমাক্
বেঢ়িব আৰু তোমাক্ এটায় দিগে নিৰোধ্ কৰিব
৪৪ আৰু তোমাকে আৰু তোমাৰ্ মাজৎ থকা সন্ততি সক
লকে মটিৰ্ সমান্ কৰিব আৰু তোমাৰ্ এটা শি । এটাৰ্
ওপৰৎ ন থব সেই কালেই মিলিচেহি কিয়নো তোমাক
৪৫ দেখিলে যি কালৎ সেই তোমাৰ্ কাল তুমি নে জানিলা।
৪৬ পাচে তেঁও মন্দিৰলৈ গৈ বেচা কিনা কৰাবি লাকক্ বাজলৈ
ওলিয়াবলৈ ধৰিলে। আৰু সিহঁতক্ হুঁলিলে মোৰ্ ঘৰ্
প্ৰাৰ্থনা ঘৰ্ এয়ে লেখা আছে কিন্তু তহঁতে তাকে চোৰ্
শাল্ পাতিলিহঁক্।—
৪৭ তেঁও নিতৌ নিতৌ মন্দিৰৎ শিখাইছিল্ কিন্তু বড়
প্ৰোহিতহঁতে অধ্যাপক্হঁতে গাবোঁ হুঁচাইতেও তেঁওক্
৪৮ বিনাশ কৰিব খুজিলে কিন্তু তাকে কৰিবৰ্ একো উপায়
নে পালে কিয়নো এটায় মানুহে তেঁওৰ্ কথা শুনিবলৈ
মন্ দি আছিল্।—

পৰ্ব্ব সেই কালতে এদিনা মন্দিৰৎ তেঁও শিখাইছিল্ আৰু
২০ শুভবাৰ্ত্তা প্ৰচাৰ্ কৰিছিল্ সেই বেলা বড় প্ৰোহিৎ
হঁতে অধ্যাপক্হঁতে গাবোঁহুঁড়াহঁতে তেঁওৰ্ ওচৰলৈ
১ আহিল। আৰু তেঁওক্ হুঁলিলে তুমি কি মহিমাৰে
এই কৰ্ম্ম কৰিছা আৰু কোনে তোমাক্ এই মহিমা দিলে।
৩ তেঁও সমিধান্ দি সিবিলাকক্ হুঁলিলেময়ো এটি কথা
৪ তোমাৎ শোধো তোমোলাকে মোৎ কোৱা। যোহনৰ্
৫ ডুব স্বৰ্গৰ্ পৰা নে মৰ্ত্ত্যৰ্ পৰা। সিবিলাকে ভাবে

সিয়ে আলচ্ কৰিলে বোলে আমি যেদি কওঁ স্বৰ্গৰপৰা
তেবে এওঁ হুঁলিব কি কাৰণ তেঁওক্ আস্তিক্য ন কৰিলা।
৬ কিন্তু যেদি আমি বোলো মৰ্ত্ত্যৰপৰা তেবে এটায় মানুহে
আমাক্ শিল্ পেলায় মাৰিব কিয়নো য়োহনক্ নিশ্চয়
৭ আচাৰ্য্য হুঁলি মানুহে মানিছে। তাতে সিবিলাকে
সমিধান্ দিলে সেয়ে কৰপৰা আমি জয়াক্ নে জানো।
৮ তেতিয়া য়িশুএ হুঁলিলে ময় কি মহিমাৰে এই কৰ্ম্ম্
কৰো সেয়ে কি তোমোলাকত্ ন কওঁ।—
৯ পাচে তেঁও মানুহৰ্ আগত্ এই দৃষ্টান্ত দি কবলৈ
ধৰিলে বোলে এক্ মানুহে দ্ৰাক্ষা খেতি কৰি তাতে
১০ খেয়া ধৰি দি বহু দিনলৈ দূৰ দেশলৈ গল্। পাচে গুটিৰ্
দিনত্ সেই দ্ৰাক্ষা খেতিৰ্ কেতেটি গুটি আনিবলৈ
এটা বন্দিক্ সেই খেয়াইঁতৰ্ তলৈ পঠালে কিন্তু
খেয়াইঁতে তাক্ মৰিয়ায় কিলায় খুদাহাতে পঠি দিলে
১১ পাচে আৰু এটা বন্দিক্ তেঁও পঠালে সিহঁতে তাকো
মৰিয়ালে তাক্ বৰ অমৰ্য্যাদা কৰিলে পাচে তাকো খুদা
১২ হাতে পঠিলে। তাৰ্ পাচে আৰু এক্ বন্দিক্ পঠালে
১৩ তাকো সিহঁতে ঘালগায় বাজ ওলিয়ায় পেলালেপচে।
সেই দ্ৰাক্ষা খেতিৰ্ অধিকাৰে হুঁলিলে ময় কি কৰিম্
মোৰ্ প্ৰিয় পুত্ৰকে ময় পঠাম্ হবে পাৰিব যেন্
১৪ সিহঁতে তয়াকে মানে। কিন্তু খেয়াইঁতে তাক্ দেখি
এটায়ে আলচ্ কৰি হুঁলিলে এই অধিকাৰ্ আহ আমি
এই অধিকাৰ্ হবলৈ আমি তাক্ মাৰি পেলওঁ।
১৫ পাচে সিহঁতে তাক্ দ্ৰাক্ষাবাৰীৰ্ বাজ ওলিয়ায় মাৰি
পেলালে এই হেতুকে সেই দ্ৰাক্ষা খেতিৰ্ অধিকাৰে সিহঁ

১৬ তেঁও কি কৰিব। তেঁও আহি এই খেতিয়কক সংহাৰণ
কৰিব আৰু আপোন দ্ৰাক্ষা খেতি আন মানুহক দিব
১৭ মিবিলাকে তাকে শুনি ইলিলে সেয়ে নো হোক্। কিন্তু
তেঁও মিবিলাকলৈ চাই ইলিলে তেন্তে যি শিলক ঘৰ সজা
১৮ ঘায় হেয় কৰিলে সেই শিলেই চুকৰ প্ৰধান হৈছে
এনে যি লিখিত্তা আছে ঔ কি যি সেই শিলৰ ওপৰত পৰে
সেয়ে ভাগিব কিন্তু যাৰ ওপৰত সেই শিল পড়িব তাক
চূৰ্ণ কৰিব।—
১৯ সেই ভাৱে বড় পুৰোহিতহঁতে অধ্যাপকহঁতে তেঁওক
হাতেৰে ধৰিব খজিলে কিন্তু মানুহত ভয় কৰিলে
কিয়নো মিবিলাকত লগায় তেঁও এই দৃষ্টান্ত দি ছিল তেন
২০ মিবিলাকে জানিলে এই হেতুকে মিবিলাকে ঘাপ দিলে
আৰু তেঁওৰ কথা ধৰিবলৈ আৰু অধিকাৰৰ মেলত আৰু
শোধত তেঁওক সোধায় দিবলৈ যিবিলাকে ছলকৈ আপো
২১ নাকে ন্যায়বাদি ইলিব এনে চৰিয়া মানুহক পঠালে। পাচে
মিহঁতে তেঁওত ঔয়াকে সুধিলে হে গুৰু আমি জানো
আপুনি স্বৰূপ কথা কয়ো শিখায়ো কিয়নো আপুনি
কাকো চটুন কৰে কিন্তু ঈশ্বৰৰ পথ সত্য ৰূপে শিখায়।
২২ এই হেতুকে কাইসৰক আমি কৰ দিবলগা উচিতলে
২৩ অনুচত। তেঁও মিহঁতৰ ছল বুজি ইলিলে মোক কিয়
২৪ পৰিক্ষা ইৰম এটা দিনাৰি মোক দেখুৱা এই কাৰ
আকাৰ আৰু ওপৰত লেখা মিহঁতে কমিবান্দি তেঁওক
২৫ ইলিলে কাইসৰৰ। তেতিয়া তেঁও মিহঁতক ইলিলে
যি দ্ৰব্য কাইসৰৰ সেই দ্ৰব্য কাইসৰক দে যি দ্ৰব্য
২৬ ঈশ্বৰৰ সে দ্ৰব্য ঈশ্বৰক দে। এই হেতুকে মানুহৰ

আগত সিহঁতে তেঁওৰ কথা ধৰিব নোৱাৰিলে কিন্তু
তেঁওৰ সিদ্ধান্তত বিস্ময় মানি নিতম্ দি ৰল্।—
২৭ পুনৰুত্থান নায় এনেকৈ যি শাদ্ৰুকিহঁতে বোলে সিহঁ
২৮ তৰে কেঁতেটি তেঁওৰ্ ওচৰলৈ আহি এই বুলি তেঁওক
সুধিলে হে গুৰো মোশাহে আমালৈ লেখিলে বোলে
কাৰো ভায়েক্ যেদি বিয়া কৰি অপুত্ৰক্ হই মৰে তেৰে
তাৰ্ ভায়েকে তাৰ্ ঘৈনীয়েকক্ বিয়া কৰি আপোন্
২৯ ভায়েকৰ্ বঙহ্ ওপজাব। এই হেতুকে সাত ভায়েক্
আছিল্ সিহঁতৰে প্ৰথম ভায়েকে বিয়া কৰি অপুত্ৰক্
৩০ হই মৰিল্ পাচে। দ্বিতীয় ভায়েকো ও তাইকে বিয়া
৩১ কৰি অপুত্ৰক্ হই মৰিল। তৃতীয় ভায়েক্ও তাইকে
বিয়া কৰিলে এই ৰূপে সাতো ভায়েকে বিয়া কৰিং অপু
ত্ৰক্ হই মৰিল শেহত সেই তিৰীও মৰিল্।—
৩২ এই হেতুকে পুনৰুত্থানত তাই কাৰ্ তিৰোতা হব
৩৩ কিয়নো সাতোওটায় তাইকে বিয়া কৰিলে। যিশুএ
৩৪ সিহঁতক্ সিদ্ধান্ত কৰিলে বোলে এই ব্ৰহ্মাণ্ডৰ্ লৰা
৩৫ হঁতে বিয়া কৰেও বিয়া দিয়েও। কিন্তু যিবিলাক্ সি
ব্ৰহ্মাণ্ডৰ্ আৰু মৃতকৰ্ পুনৰুত্থানৰ্ যোগ্য হবলৈ
গণনাত পৰে সেইবিলাকে বিয়া ন কৰেও বিয়া নি দি
৩৬ য়েও সিবিলাক আৰু মৰিব নোৱাৰে কিন্তু দূতৰ্ নিচিনা
হই থাকে আৰু পুনৰুত্থানৰ্ লৰা হই ঈশ্বৰৰ্ লৰা
৩৭ হয়। জোপোহাৰ্ ওচৰপৰা যেতিয়া মোশাহে
যিহুহাক্ অবৰাহামৰ্ ঈশ্বৰ্ বুলি যিহুকৰ্ ঈশ্বৰ
বুলি যাকুবৰ্ ঈশ্বৰ্ বুলি কলে তেতিয়া তেঁও মৃতকৰ্
৩৮ পুনৰুত্থানৰ্ প্ৰমাণ দিলে। কিয়নো তেঁও মৃতকৰ্

ঈশ্বৰ ন হয় কিন্তু জীৱৰ্‌ৰ এই হেতুকে এটায় তেঁওৰ্
৩৯ নিমিত্তেই জিয়ে। কেতেটি অধ্যাপকে মাত লগালে
৪০ বোলে হে গুৰু আপুনি উত্তম কৈছে। পাছে আৰু কাবো
তেঁওত সুধিবলৈ সাহ ন হল্।—
৪১ তেঁও সিবিলাকক্ হুলিলে খ্রীষ্টক্ মানুহে দাঊদৰ্
৪২ সন্তুতি হুলি কেনেকৈ কয় কিয়নো দাঊদ আপুনি
গীতৰ্ পুথিত বোলে মোৰ ঈশ্বৰ্ যিহূহাত কলে তোমাৰ্
৪৩ শত্রুহঁতক্ মই তোমাৰ্ পাদপীঠ ন কৰো মানে তুমি
৪৪ মোৰ্ দক্ষিণ ফালে বহা। এই হেতুকে দাঊদে তেঁওক্
পৰমেশ্বৰ হুলি যেদি কয় তেবে তেঁও তেঁওৰ্ সন্তুতি কেনে
৪৫ কৈ হব। পাছে এটাই মানুহৰ্ কৰ্ণ গোচৰত তেঁও
৪৬ আপোনাৰ্ ভকত সকলত কলে। দিঘলিয়া কাপোৰ পিন্ধি
ভ্ৰমি ফুৰাকে আৰু বজাৰত নমস্কাৰ্ পোৱাকে সিন
গাগত পুৰীৰ আসনত বহাকে ভোজত ভাল ঠাঁয়
৪৭ পোৱাকে ভাল্ পায় আৰু ৰাঁৰীৰ ঘৰ্ খায় পেলায় আৰু
ছলকৈ দীঘল্ প্ৰাৰ্থনা কৰে যি অধ্যাপকহঁতে সিহঁতত
সাৱধান্ হোৱা সিহঁতৰ্ বৰ্ড্ড নৰক শাস্তি হব।—
পৰ্ব্ব ধনী মানুহে ঈশ্বৰৰ্ ভঁৰালত দান কৰিছে তেঁও
২১ চায় তাকে দেখিলে আৰু একজনী দুখনী ৰাঁৰীএ দুটি
৩ তিনিৰতীয়া দিলে তেঁও তাকে দেখিলে। পাছে তেঁও
হুলিলে তোমোলাকত মই কওঁ এই দুখুনী ৰাঁৰীএ এটাই
৪ তেওঁকৈ সৰহকৈ দিছে। কিয়নো সেইবিলাকে আপোনাৰ্
বৰ্হু ধনৰ্পৰা ঈশ্বৰৰ্ দানত কিঞ্চিৎ দিছে এই দুখুনী
ৰাঁৰীএ আপোনাৰ্ দাৰিদ্ৰ্যৰপৰা আপোনাৰ সৰ্ব্বস্ব
দিছে।—

হতেৰে দানেৰে মন্দিৰ্ যেনে ঠিকোন হল্ তেতিয়া
৬ কেতেটি মান্নহে উয়াকে কৈছে। তাতে তেঁও ইুলিলে
তোমোলাকে যি দেখিছা সেইবিলাকৰ্ মাজৎ যি লে
ভাগিব এনে এক্ শিল্ আন্ শিলৰ্ ওপৰৎ তেতিয়া নে
৭ থাকিব এনে কাল্ আহিছে। সিবিলাকে তেঁওৎ সুধি
লে হে গুৰু এইবিলাক্ কেতিয়া কৰ আৰু এই বিলাক্
হোবা কালৰ কি চিন্।—
৮ তেঁও ইুলিলে তোমোলাক্ যেন্ ন ভুমা উয়ালৈকে
সাৱধান হোৱা কিয়নো ময় খ্রীষ্ট সেই সময় ওচৰ্
আপিলি এনেকৈ ইুলি মোৰ্ নামে ভালেমান্ মান্নহ
৯ আহিব এয়েৰেই সিহঁতৰ্ পিচৎ নজাবা। যেতিয়া
তোমোলাকে ৰণ লাগিবৰ্ আৰু উৰা দিবৰ্ বতৰা
১০ পোৱা তেতিয়া ভয়াতুৰ্ নহবা কিয়নো এইবিলাক্ কথা
আগেই কৰ লগা আছে কিন্তু শেহৎ এতিয়া ন হয়।
১১ তেতিয়া তেঁও সিবিলাকক্ ইুলিলে এক্ দেশৰ মান্নহে
আন দেশৰ্ মান্নহৰ্ বিৰোধে আৰু এক্ ৰাজা আন্
ৰাজ্যৰ্ বিৰোধে উঠিব ঠায়েং বড় ভুমি কম্পিব আৰু
আঁকাল আৰু মাৰৰ্ আৰু আকাশৎ ভয়ঙ্কৰ্ চিন্ আৰু
১২ বড় কলকৰ্ণ্ কৰ। কিন্তু এইবিলাকৰ্ আগেই সিহঁতে
তোমোলাকক্ হাতেৰে ধৰিব আৰু তোমোলাকৰ্ বি
পক্ষ আচৰিব তোমোলাকক্ সিনগাগৎ আৰু বন্দিসা
১৩ লৎ সোধায় দিব আৰু মোৰ্ নামৰ্ নিমিত্তে তোমোলাক
ৰজা ডাঙ্গৰিয়াৰ্ আগলৈ অনা কৰা এয়ে তোমোলাক
১৪ ক্ প্রতি প্রমাণ কৰ। এই হেতুকে তোমোলাকে কিং ওত্তৰ্

কৰিবা জৈয়াতে আগেই চিন্তা যেন্ ন কৰিবা জৈয়াতে মন্
১৫ স্থিৰ্ কৰা । কিয়নো তোমালাকক্ কোনো শত্ৰুএ যেনেকৈ
উত্তৰ্ কৰিব আৰু নিত্তৰ্ দিয়াব নোৱাৰে তোমালাকক্
১৬ মই এনে মুখ আৰু জ্ঞান দিম্ । তোমালাক আপোন্
পিতৃ মাতৃ ভাই জ্ঞাতি বন্ধুবেই শত্ৰুৰ্ হাতত সোধায়
দিয়া হবা আৰু তোমালাকৰ্ কেতেটি মানুহক সিহঁতে
১৭ মৰোৱাব । আৰু মোৰ্ নামৰ্ নিমিত্তে তোমালাক্
১৮ এটাইৰে ঘিন্ লগা হবা । কিন্তু তোমালাকৰ্ মূৰৰ্
১৯ এডালি চুলিও নয় নহব । এয়েৰেই আপোনাৰ্ মহি
২০ ষ্ণুতাতেই মন্ স্থিৰ্ কৰা । কিন্তু যেতিয়া তোমালাকে
যিৰুশালমক্ ৰন্ধুৱায় আবৰিবৰ্ দেখিবা তেতিয়া তাৰ্
২১ হাবি হোৱা ওচৰ্ চাপিল্ বুলি জানিবা । তেতিয়া
যিবিলাক যিহুদাহদেশত থাকে সেইবিলাক্ পৰ্ব্বতৈলৈ
ভাগি যওক্ যিবিলাক্ তাৰ্ মাজত থাকে সিহঁতো
গুচি যওক্ যিবিলাক্ মানুহ তাৰ্ চাৰিওফালৰ্
২২ গাঁৱত থাকে সিহঁতো তাত নো সোমওক্ । কিয়নো
আগেই সকলো লেখা পূৰ্ত্তাস্ত কৰিবলৈ এয়ে প্ৰতি
২৩ ফল দিবাৰ্ দিন্ । কিন্তু সেই কালত যিবিলাক
গৰ্ভৱতী আৰু যিবিলাকে এবাৰ্ খুৱায় সেইবিলা
কৰ্ সন্তাপ হব কিয়নো দেশৰ্ বড় দুৰ্গতি হব
২৪ আৰু এই মানুহৰ্ ওপৰত খঙ পড়িব । সিহঁত
তৰোৱালৰ মুখত পড়িব আৰু এটায় দেশৰ্ মানুহৰ্
মাজলৈ নিয়া হব আৰু আনদেশৰ্ মানুহৰ্ কাল
পূৰ নহয় মানে যিৰুশালমক্ আনদেশৰ্ মানুহে
২৫ ভৰিএৰে গচকিব । তেতিয়া বেলিতে যোনতে

তৰাতে চিন্ হব পৃথিবীৎ আন্দেশৰ্ মানুহৰ্ দুৰ্গতি
আৰু বিসদৃশ চিন্তা আৰু সাগৰৰ্ আৰু তাৰ্ ঢেউৰ
২৬ গৰ্জ্জন। ভয়ৎ পৃথিবীৎ কিং হব এই অপেক্ষা
কৰোতেই মানুহৰ্ মন্ ব্যাকুল হব কিয়নো স্বৰ্গৰ্
২৭ মহিমা লৰিব। তেতিয়া মহিমাকে মহাকান্তিৰে
লগৎলৈ আকাশৰ্ মেঘৎ আহিবৰ্ মানুহৰ্ সন্ততিক্
২৮ দেখিব। এইবিলাকৰ্ আৰম্ভ হলে ওপৰলৈ মুখ
কৰিবা আৰু তোমোলাকৰ্ মূৰ্ তুলিবা কিয়নো তোমো
লাকৰ্ উদ্ধাৰ্ ওচৰ্ চাপিলি।—
২৯ তেঁও সিবিলাকৰ্ আগৎ এক্ দৃষ্টান্ত দিলে বোলে ডিম
৩০ ৰূলৈ আৰু সদৌ গছলৈকে দেখা। সিহঁতে যেতিয়া
কুঁহিয়েলে তেতিয়া জহকাল্ ওচৰ্ চাপিল্হি বুলি তোমো
৩১ লাকে মনে জানা। সেইৰূপে তোমোলাকে এইবি
লাক্ প্ৰত্যক্ষ হব দেখি ঈশ্বৰৰ্ ৰাজ্য ওচৰ্ জীয়াকে
৩২ জানা। ময় তোমোলাকৎ স্বৰূপ কৰি কঁও এইবি
৩৩ লাক্ ন হলে এতিয়াৰ্ মানুহ ন মৰে। সৰগ্
৩৪ পৃথিবীও বৈ যাব কিন্তু মোৰ কথা ন ৰব। সাৱধ
হোৱা জানো পেট পোহাতে মদ পীয়াতে এই বৃহ্মাণ্ডৰ্
চিন্তাতে তোমোলাকৰ্ হিয়া কেতিয়াবা ভাৰ পীড়িত
হয় তাতে সেই দিন্ অকস্মাৎ তোমোলাকলৈ আহে।
৩৫ কিয়নো সেয়ে ফাঁদৰ্ নিচিনা হই পৃথিবীৰ্ এটাই
৩৬ নিবাসীলৈ আহিব। এয়েৰেই তোমোলাকে এই
বিলাক্ এড়ি জীয়া আৰু পোৰিৰ্ বেলা মানুহৰ্ সন্ততিৰ্
আগৎ থিয় হবৰ যোগ্য হবলৈ দিলে নিত্যোং প্ৰাৰ্থ
৩৭ না কৰা আৰু পৰ দিয়া। তেঁও দিনৎ মন্দিৰৎ শিখাই

ছিল্ ৰাত্তি বাজ়লৈ গৈ জিতুইক্ নামেৰে পৰ্ব্বতৎ থা
৩৮ কিল্। আৰু তেঁওৰ্ কথা শুনিবলৈ এটায় মান্নুহ
ৰাত্তি পুৱায় তেঁওৰ ওচৰৎ মন্দিৰতে আপল্লি।—

পৰ্ব্ব বেখমিৰ্ পিঠাৰ্ পেসাখ নামেৰে বিস্তু ওচৰ আপিল্লি
২২ তেতিয়া তেঁওক্ কেনেকৈ বধিব প্ৰধান পুৰোহিতে আৰু
পণ্ডিতে উপায়ক বিচাৰি ফুৰিলে কিয়নো সিবিলাকে
৩ মান্নুহৎ ভয় কৰিলে। তেতিয়া স্কাৰিওটা নামেৰে
বিদিৎ যিহুদাহ্ নামেৰে বাৰে জনৰ্ মাজৰ একজনৎ
৪ শয়তান সোমাল্। পাচে সি গৈ তেঁওক্ সিহঁতৰ্
হাতৎ কি ৰূপে ধৰি দিব উপায়ে আলচ বড় পুৰোহিৎ
হঁতে ডাঙ্গৰিয়াসকলে সৈতে কৰিলে। তাতে সিবি
৫ লাকে বড় ৰঙ্গ পালে পাচে তাক্ ধন্ দিবলৈ সোলে
৬ তেতিয়া যিহুদাহে মেল কৰি জুমৰ ওচৰৎ নে থাকি
তেঁওক সিহঁতৰ হাতৎ ধৰি দিবলৈ অৱকাশ চায়
ফুৰিব ধৰিলে।—

৭ সেই কালতে বেখমিৰ্ পিঠাৰ্ দিন্ হল্ যতে পেস্তাগা
মাৰে। তেঁও পিতৰকে যোহনকে পঠায় টুলিলে আমি
৮ যবলৈ তোমোলাকে আমালৈ পেস্তাখ্ যুগুৎ কৰাগৈ।
৯ সিবিলাকে তেঁওক্ টুলিলে কৎ যুগুৎ কৰিম্ আপোনাৰ
কি ইচ্ছা। তেঁও সিবিলাকক্ টুলিলে নগৰলৈ গলে
১০ পানিৰ্ কলহ নিয়া এটা মান্নুহক্ তোমোলাকে দেখিবা
১১ সেয়ে যি ঘৰলৈ যায় তাৰ পিছেৎ সেই ঘৰলৈকে যাবা।
পাচে সেই ঘৰৰ্ গিৰিহতক্ টুলিবা হেনে প্ৰভুএ তোমা
লৈ কলে বোলে ময় যৎ আপোনাৰ্ ভকৎসকলে সৈতে
১২ পেসাখ্ খায় এনে যি ভোজন গৃহ সেয়ে কৎ। তেতিয়া

সি সজোৱা ওপৰৰ্ এক্ পকি ঘৰ্ তোমোলাকক্ দেখু
১৩ ৱাব তাতে যুগুত্ কৰাগৈ। এই হেতুকে সিৰিলাকক্
গৈ যেনেকৈ তেঁও সিবিলাকৎ কৈছিল সেই ৰূপে
১৪ পালেগৈ আৰু পেসাখ্ যুগুত্ কৰিলে। সেই ডাঁৰ্
১৫ মিলিলৎ তেঁও বাৰে জন্ পাঠনীএ সৈতে বহিল্। তেতিয়া
তেঁও সিৰিলাকক্ ইুলিলে ময় মৰিবৰ্ আগেই এই
পেসাখ্ তোমোলাকে সৈতে খাবলৈ ময় বড় ঊচ্ছা
১৬ কৰিছো কিয়নো তোমোলাকৎ ময় কঁও ঈশ্বৰৰ্ ৰাজ্যৎ
১৭ সেয়ে পূৰ্ণ নহলে ময় তাক্ আৰু ন খাঁও। তেতিয়া তেঁও
টেমা লৈ স্তুতি কৰি ইুলিলে ঊয়াকে নি তোমোলা
১৮ কৰ্ মাজৎ ভাগ কৰা কিয়নো তোমোলাকৎ ময়
কঁও ঈশ্বৰৰ্ ৰাজ্য নাহিলে ময় দ্ৰাক্ষা গুটিৰ্ ৰহ
১৯ আৰু নি পীয়োঁ। পাচে পিঠা আনি স্তুতি কৰি তেঁও
ভাঙি এই তোমোলাকলৈ দিয়া মোৰ্ শৰীৰ ঊয়াকে
ময় স্মৰিবলৈ কৰা ঊয়াকে ইুলিলে সিৰিলাকক্ দিলে।
২০ মোৰ্ যি তেজ তোমোলাকলৈ পেলোৱা হয় সেই
তেজৎ নবীন নিয়ম এই স্থিৰ কৰোতা পিয়ালা এই ৰাতি
২১ ভোজনৰ্ পাচে তেঁও ঊয়াকে ইুলি পাত্ৰ সিবিলাকক্ দিলে
কিন্তু যি জন মোক্ পৰৰ্ হাতৎ ধৰিদিব দেখা তাৰ্
২২ হাতৎ মেজৰ্ ওপৰৎ মযে সৈতে আছে। যি ৰূপ
নিয়ম্ কৰাগৈছে মানুহৰ্ সন্ততি সেই ৰূপে যায় হয়
কিন্তু যাৰ্ দোৱাৰায় মানুহৰ্ প্ৰত্যেক্ পৰৰ্ হাতৎ
২৩ পৰে তাৰ্ সন্তাপ হব। সিৰিলাকৰ্ মাজৰ্ কোনে
ঊয়াকে কৰিব ঊয়াকে সিৰিলাকে শুধিব ধৰিলে।
২৪ সিৰিলাকৰ্ মাজৎ কোন্ বড় গণ্য হব ঊয়াতে

চিষ্যিলাকৰ্ অন্যোন্যে বিৰোধাবিৰোধি লাগিল্।
২৫ তেঁও চিষ্যিলাকৰ্ কুঁলিলে আন্ দেশৰ্ ৰজা সকলে
সিহঁতক্ প্ৰতিপাল কৰে আৰু সিবিলাকৰ্ ওপৰতো
সকল চলও তাক্ প্ৰতিপালক্ কুঁলি কয়। তোমো
২৬ লাকৰ্ মাজত এনে নহব কিন্তু তোমালাকৰ্ মাজৰ্
যেয়ে বড় হব খোজে সেয়ে সৰুৰ লিচিনা হব আৰু
যি প্ৰধান্ হয় সেয়ে আলুৰাৰ্ লিচিনা হব। কিয়নো
২৭ যি খাবলৈ বহে বা যি আলুৰা জৈহঁতৰ্ মাজতে বড়
কোন যি খাবলৈ বহে সি ন হয়নে কিন্তু ময় তোমো
২৮ লাকৰ্ মাজৰ্ আলুৰাকে বোলোঁ। তোমোলাক
মোৰ্ পৰীক্ষাৰ্ বেলা মোৰ্ লগৰিয়া হইলা আৰু
২৯ তোমোলাকৰ্ মোৰ্ ৰাজ্যত মোৰ্ মেজত খোৱা পীয়া
৩০ কৰিবলৈ আৰু সিংহাসনৰ্ ওপৰত বহি য়িশ্ৰএলৰ্
বাৰেও ফৈদৰ্ শোধ কৰিবলৈ যেনেকৈ আমাৰ পিতৃএ
মোক্ দিলে সেই ৰূপে ময় তোমোলাকলৈ ৰাজ্য
নিৰূপন্ কৰোঁ।—

৩১ পাচে প্ৰভুএ কুঁলিলে হে শীমোন্ শীমোন্ যেনেকৈ
চাল্‌নিৰে সহ চালে তেনেকৈ শয়তানে তোমোলা
কক্ ঘুৰাব খোজে কিন্তু তোমাৰ্ প্ৰতীতি নগুচিবলৈ
৩২ তোমাৰৰ্থে ময় প্ৰাৰ্থনা কৰিচোঁ আৰু তুমি ওলটি
৩৩ গৈ তোমাৰ্ ভায়াইঁতক্ সমৰ্থ কৰাগে। পিতৰে
তেঁওক্ কুঁলিলে হে প্ৰভু তোমাৰ্ লগত বন্দিশাল
৩৪ লৈ বা মৰিবলৈ যাবলৈ সাজু হই আচোঁ। তেঁও
তাক্ কুঁলিলে হে পিতৰ্ তোমাত ময় কঁও তুমি মোক্
চিনা জৈয়াৰে তিনি বেলি তুমি যেঁ না কাঢ়িলে

৩৫ হুহুড়ায় আজি নে ডাকিব।   তেঁও সিবিলাকৰো
উলিলে যেতিয়া মোলা জোলোঙ্গা পইজাৰ নোলো
বাকৈ ময় তোমোলাকক পঠালোঁ তেতিয়া তোমোলা
কৰ জানো কিহবাৰ অসত্তা আছিল সিবিলাকে উলিলে
৩৬ একোৰো না ছিল।   পাচে তেঁও সিবিলাকক উলিলে
এতিয়া যাৰ টোপোলা আছে সি তাকে লওক তেনেকৈ
জোলোঙ্গাকো আৰু যাৰ তৰোৱাল নায় সি কাপড়
৩৭ বেচি এখান কিনোক।   কিয়নো তোমোলাকত ময়
কওঁ তেঁও বাৰুমাৰ বহিৰ্ভূতহঁতে সৈতে গণা হইছিল
এই যি কথা লেখা হইছে সেই কথাৰ মোতে পূৰ
কৰিবৰ পুয়োজন আছে কিয়নো মোৰ লগত যি সিহঁ
তৰ অন্ত হবৰ পুয়োজন আছে।   তাতে সিবি
৩৮ লাকে উলিলে হে পভু দেখোক জৈয়াতে দুখান তৰোৱা
ল আছে তেঁও সিবিলাক উলিলে সেয়ে বিস্তৰ।—
৩৯ পাচে তেঁও বাজৈলে আহি আপোনাৰ আচাৰাৰ
সাৰে জিত বৃক্ষ পৰ্ব্বতলৈ গল আৰু তেঁওৰ ভকত
৪০ সকল তেঁওৰ পিচে২ গল।   সেই ঠাইত থিতি হই
তেঁও সিবিলাকক উলিলে তোমোলাকে পৰীক্ষাত নপড়ি
৪১ বলৈ প্ৰাৰ্থনা কৰা।   পাচে একে বলেই যিমান দৰৈত
শিল পেলাব পাৰে তিমান দূৰ সিবিলাকৰপৰা গৈ তেঁও
৪২ আঠু পাৰি কামনা কৰিলে বোলে হে পিতৃ যেদি
তোমোৰ ঈচ্ছা তেবে এই পাত্ৰ মোৰপৰা নিয়া কিন্তু
তোমাৰ ঈচ্ছাৰ নিচিনা হোক মোৰ ইচ্ছাৰ নিচিনা
৪৩ ন হয়।   তেতিয়া স্বৰ্গৰপৰা এক দূতে তেঁওক সমৰ্থ

৪৪ কৰি দেখা দিলে। তেঁওৰ্ মনৎ বড় যাতনা লাগি
অতিশয়ে আকুং প্ৰাৰ্থনা কৰিলে তাতে মাটিৎ পড়া
বড় তেজৰ্ টোপাৰ্ লিচিনা তেঁওৰ্ ঘাম হুইছিল্।
৪৫ তেতিয়া প্ৰাৰ্থনাৰ্ পৰা উঠি আপোনাৰ্ ভকৎ সকলৰ্
কাষৰলৈ আহি তেঁও সিবিলাকক্ শোকৎ টোপা নয়া
৪৬ ৰব্ দেখিলে। তাতে তেঁও সিবিলাকক্ হুঁলিলে
তোমোলাকে টোপনিয়াইছা কিয় পৰিক্ষাৎ নপড়
৪৭ বলৈ উঠি প্ৰাৰ্থনা কৰা। তেঁও জীয়াকে কৈছে তেনেতে
দেখা এজাক্ মানুহে যিহুদাহ নামে বাৰে জনৰ্
এজনে সিবিলাকৰ্ আগে, হৈ যিশুক্ চুমা দিবলৈ
৪৮ ওচৰ্ চাপিল্। কিন্তু যিশুএ তেঁওক হুঁলিলে হে যিহু
দাহ তুমি চুমাৰ্ দোৱাৰায় মানুহৰ্ পুত্ৰেকক্ পৰৰ্
৪৯ হাতৎ দিছানে তেঁওৰ্ চাৰি ওফালৰ্ মানুহে কি, হব
জীয়াকে বুজি হুঁলিলে হে প্ৰভু আমি তৰোৱালৎ মৰিম্
৫০ নে। তেতিয়া সিবিলাকৰ্ এজনে বড় পুৰোহিতৰ্
বন্দিলৈ মাৰি তাৰ্ সোঁকান কাটি পেলালে। যিশুএ
৫১ মাৎ লগালে বোলে জীমানকে হব দিয়া পাচে তাৰ্
৫২ কান পৰশি তাক্ ভাল কৰিলে। তেতিয়া বড় পুৰো
হিৎ হঁতে মন্দিৰৰ্ অধিকাৰ্ সকলে গাঁৱো হুঁড়া সকলে
তেঁওৰ্ ওচৰলৈ আহিলৎ যিশুএ সিবিলাকক্ হুঁলিলে
তোমোলাকে দেখোন্ চোৰ ধৰাৰ্ লিচিনাকৈ টাঙোন্
৫৩ তৰোৱাল হাতৎলৈ আহিছা। যেতিয়া ময় মন্দি
ৰৎ তোমোলাকে সৈতে নিতৌ, আছিলোঁ তেতিয়া
মোৰ ওপৰৎ তোমোলাকে হাৎ মেলি নি দিলা কিন্তু
৫৪ এই তোমোলাকৰ্ কাল আৰু এন্ধাৰৰ্ পৰাক্ৰম।

৫৫ পাচে সিহঁতে তেঁওক বড় পুৰোহিতৰ ঘৰলৈ লৈ গল
কিন্তু পিতৰ দুৰৈৎ থাকি নিচেৎ গল। সিবিলাকে চৰা
ঘৰৰ মাজৎ যেতিয়া জুই জালি একেলগে জুই বহি
৫৬ জিল তেতিয়া পিতৰ সিহঁতৰ লগৎ বহিল্লে। এজনী
বেটীএ তাক জুইৰ ওচৰৎ বহিবৰ দেখি একে দ্বাৰেই
৫৭ চায় হুঁলিলে জৌ তেঁওৰ লগতে আছিল। কিন্তু
সি তেঁওৰ কথা শৈ না কাটিলে বোলে হুঁয়ে মযু তেঁওক
৫৮ নি চিনো। এখন্তুকৰ পাচে আৰু এটায় তাক দেখি
হুঁলিলে তুমিও সিবিলাকৰ লগৰে এজন তাতে পিতৰে
৫৯ হুঁলিলে মানুহ মযু সি নোহোঁ। পাচে এডাঁৰ
মান বেলিৰ পাচৎ আৰু এটায় দ্বাৰু কৰি হুঁলিলে
সত্য ঔ তেঁওৰ লগৰে কিয়নো সেই গালিলিৰে।
৬০ পিতৰে হুঁলিলে হেৰা মানুহ তুমি যি কৈচা মেয়ে
৬১ কি মযু ঔয়াক নেজানো। আৰু [illegible] যি কালৎ
সি কৈজিল সেই কালতে কুক্ [illegible] তেতিয়া
প্ৰভুএ মুখ ঘুৰায় পিতৰৰ ম[illegible] কুকুড়ায়
ডাকিবৰ আগেই তুমি তিনি বে[illegible]ৎ মিচা
৬২ মাতিবা প্ৰভুএ যি এই কথা তাঁ[illegible]ই কথা
৬৩ তেতিয়া পিতৰৰ মনৎ পড়িল। [illegible]ৰ বাজলৈ
গৈ ভালেমান কান্দিলে।—

যিবিলাকে যিশুক ধৰিলে সিহঁতে তেঁওক বিদ্ৰূপিলে
৬৪ আৰু মাৰিলে। পাচে সিহঁতে তেঁওৰ চক্ষুৎ কাপড়
বান্ধি মুখৎ মাৰিলে আৰু তেঁওক শুধিলে আচাৰ্য্য
৬৫ বাক্য কহ তোমাক কোনে মাৰিলে। সিহঁতে তেঁওক

৬৬ গিয়াল হৱি আৰু ভালেমান্ কথা নিন্দা ৰূপে কলে।
দিন্ হলতেই গাৱোবুঢ়া সকলে বড় পুৰোহিৎ সকলে
৬৭ অধ্যাপকসকলে গোটে খাঁয় তেঁওক্ মেলৈ নি সুধিলে
তুমি খ্রীষ্ট নে কি আমাৎ কোৱা তেঁও সিবিলাক্
সুধিলে যেদি ময় তোমোলাকৎ কঁও তেবে তোমোলাকে
৬৮ ন পতিয়াবা। ময়ো যেদি তোমোলাকৎ শোধোঁ তেবে
তোমোলাকে উত্তৰ্ নি দিবা আৰু মোক্ এড়িও নিদিবা।
৬৯ ঔয়াৰ্ পাচে মান্নহৰ্ পুত্ৰেক্ ঈশ্বৰৰ্ মাইমাৰ্ দক্ষিণ
৭০ ফালে বহিব। সিবিলাকে সকলে সুধিলে তেন
হলে তুমি ঈশ্বৰৰ্ পুত্ৰনে তেঁও সিবিলাকক্ সুধিলে
ময় সেয়ে হোঁ যেন্ তোমোলাকে কৈছা পাচে সিবি
৭১ লাকে সুধিলে আমাৰ্ আৰু সাক্ষিৰ্ প্ৰয়োজন্ কি
কিয়নো তেঁওৰ্ আপোনাৰ্ মুখৰ্ কথা আমি শুনিছো।
পর্ব্ব পাচে সিবিলাকৰ্ এটাই জুম মান্নহ উঠি তেঁওক্
২৩ পীলাতৰ্ ওচৰলৈ লৈ গল্ আৰু দেশৰ্ মান্নহক্
কুপথে প্ৰবর্ত্তাৱৰ্ আৰু আপুনি খ্রীষ্ট নামেৰে ৰজা
বুলি কাইশৰৰ্ কৰ্ দিবলৈ হাক্ দিবৰ্ ঔয়াক্ আমি
২ দেখিছো এই বুলি সিহঁতে তেঁওক্ অপবাদ দিব
৩ ধৰিলে। তেতিয়া পীলাতে তেঁওক্ ঔয়াকে সুধিলে
বোলে তুমি য়িহুদীহঁতৰ্ ৰজানে তেঁও উত্তৰ্ কৰিলে
৪ তেঁওহে বোলে তুমি স্বৰূপ কৈছা। এই হেতুকে পীলাতে
বড় পুৰোহিৎ সকলতে আৰু মান্নহবিলাকতে কলে
৫ এই মান্নহৰ্ একো জগৰ্ ময় পোৱা নায়। কিন্তু
সি গালিলিৰেপৰা ঔয়ালৈকে সকলো য়িহুদাই দেশে
শিক্ষায়ে মান্নহক্ উন্মুখন্ কৰে এই বুলি সিহঁতে

৬ আৰু আত্মকাল কৰিলে। পীলাতে গালিলিৰ্
৭ কথা শুনি শুধিলে বোলে সেই মানুহ গালিলিয় নে।
যেন্ তেঁও হেৰোদৰ অধিপত্যস্থ ঊয়াকে পীলাতে জানি
তেঁওক্ সেই কালৎ যিৰুশালমৎ থকা হেৰোদৰ্ ওলৈ
৮ পঠালে। হেৰোদ যিশুক্ দেখি বড় ৰঙ্গ পালে
কিয়নো তেঁওৰ্ তেঁও ভালেমান্ কথা শুনিছিল্ আৰু
৫৪ আপোনাকে কি হুঁলি মানা। য়িশুএ সমিধান্ দিলে
যেদি ময় আপোনাকে মান্য কৰোঁ তেবে মোৰ্ মান্য
একো ন হয় যাকে তোমোলাকে আপোনাৰ ঈশ্বৰ
হুঁলি কৈছা তেঁৱেই মোৰ্ পিতৃ মোক্ সৎকাৰ্ কৰে।
৫৫ তেঁওক্ তোমোলাকে নেজানা কিন্তু ময় তেঁওক্ জানো।
তেঁওক্ নেজানো এনেকৈ যেদি ময় বোলোঁ তেবে
তোমোলাকৰ্ নিচিনা মিচলিয়া ময় হম্ কিন্তু ময় তেঁওক্
জানো তেঁওৰ্ কথাও পালোঁ। তোমোলাকৰ্ পিতৃ
৫৬ অব্ৰাহামে মোৰ্ কাল দেখিবলৈ আনন্দিৎ হই
বড় ঔচ্ছা কৰিলে তেঁও তাকে দেখি উল্লাসিৎ হই
৫৭ চিল্। তাতে য়িহুদীসকলে তেঁওক্ হুঁলিলে তোমাৰ্
বয়স্ পঞ্চাশ বৎসৰ ন হয় আৰু তুমি অব্ৰাহামক্
৫৮ দেখিছিলা নে। য়িশুএ সিহিলাকক্ হুঁলিলে সত্যৎ
তোমোলাকৎ ময় কওঁ অব্ৰাহামৰ্ আগেই ময়
৫৯ হইছো। এই হেতুক্ তেঁওক্ মাৰিবলৈ সিহিলাকে
শিল ললে কিন্তু য়িশুএ আপোনাক গুপ্ত কৰি আৰু
সিহিলাকৰ্ মাজে দি মন্দিৰৰ্পৰা ওলিগল্ আৰু
এনেকৈ চলি গল।

পৰ্ব্ব আৰু যঁওতে যিশুএ জন্মান্ধ এক মানুহক দেখিলে।
২ তেতিয়া তেওঁৰ ভকৎসকলে তেওঁৎ শুধিলে বোলে
হে গুৰু এই মানুহ অন্ধলা হই জন্মিছে যি পাত
কৎ এয়ে হল সেই পাতক কৰিলে কোনে সি নে
৩ তাৰ মাক বাপেকে। যিশুএ সমিধান কৰিলে এই
মানুহে তাৰ মাক বাপেকেই বা পাতক কৰা নায়
৪ কিন্তু তাতে ঈশ্বৰৰ কৰ্ম্ম বিদিৎ হবলৈহে। যি জনে
মোক পঠিয়ালে দিন্ থাকোতেই তেওঁৰ কৰ্ম্ম ময়
কৰিবলগা আছে যি কালৎ কোনোএ কৰ্ম্ম কৰিব
৫ নোৱাৰিব এনে ৰাতি আহিছে। যেতে ছিন ময়
জগতৰ মাজৎ থাকো তেতে দিন্ ময় জগতৰ পহৰ।
৬ তেওঁ এই ছুলি মাটিৎ থুই পেলালে পাছে সেই
থুই মচুহি বোকা কৰিলে পাছে সেই বোকা অন্ধলা
৭ মানুহৰ চকুৰ পিৰহিৎ লিপি দি তাক ছুলিলে তয়
যা শিলোয়াম অৰ্থাৎ পঁচনী পুখুৰিৎ স্নান কৰ এই
৮ হেতুক সি গৈ স্নান কৰি চকু পায় আহিল। এই
হেতুক তেওঁৰ চুবুৰিয়ায় আৰু যিবিলাকে আগেই
তাক অন্ধলা দেখিছিল সেইবিলাকেও ছুলিলে
যিটো বহি আছিল আৰু মাগিছিল সেয়ে এই ন
৯ হয় নে। কোনো কোনোএ ছুলিলে সেয়ে হয়
আৰু কোনো কোনোএ ছুলিলে ঔ তাৰে নিচিনা কিন্তু
১০ সি আপুনি ছুলিলে ময় সেয়ে হোঁ। এই হেতুক
সিহঁতে তাক ছুলিলে তোৰ চকু ভাল হল কেনে
১১ কৈ। সি ছুলিলে যিশু নামেৰে একজনে মাটি মচুহি
মোৰ চকুৰ পিৰহিৎ লিপি দি বোলে তয় শিলোয়াম

শ্লয়াহিৎ স্নান্ কৰ গৈ তাতে ময় গৈ গা ধুই চক্ষু
১২ পালোঁ। তেতিয়া সিহঁতে তাক্ ছুলিলে সেই জন্
কৎ আছে সি ছুলিলে ময় নে জানো।—
১৩ যি মানুহ আগেই অন্ধলা আছিল্ তাক মানুহে
১৪ ফাৰিশিহঁতৰ ওচৰলৈ আনিলে। যি দিনা যিশুএ
সেই মাটি মচকি তাৰ্ চক্ষু ভাল্ কৰিলে সেই
দিনা শাবৎ এই হেতুক্ ফাৰিশিহঁতে আৰু তেঁওৎ
১৫ শুধিলে বোলে তুমি চক্ষু পালা কেনেকৈ। সি
সিহঁতক্ ছুলিলে তেঁও বোকা মোৰ্ চক্ষুৰ্ পিৰহিৎ
১৬ লিপি দিলে পাচে ময় ধুই দেখিলোঁ। এই হেতুক
কেতেটি ফাৰিশিএ ছুলিলে এই মানুহ ঈশ্বৰৰ্ ন হয়
কিয়নো শাবত নে মানে আন্ৎ মানুহে ছুলিলে
পাতকী মানুহে এই আশ্চর্য্য কর্ম্ম কেনেকৈ কৰিব পাৰে
১৭ সিহঁতৰ্ জীয়াতে দন্দ লাগিল্। সিবিলাকে সেই
অন্ধলাক আৰু ছুলিলে তেঁও তোমাৰ্ চক্ষু ভাল্
কৰিলে তাতে তুমি তেঁওক্ কি ছুলিচা সি ছুলিলে তেঁও
১৮ আচার্য্য। কিন্তু সেই মানুহে যে অন্ধলা আৰু চক্ষু
পালে যিহুদীসকলে সেই চক্ষু পোৱা মানুহৰ মাক্
১৯ বাপেকক্ নে মাতি তাক্ ন পতিয়ালে। এই
হেতুক্ সিবিলাকে সিহঁতৎ শুধিলে বোলে তোমোলা
কৰ যি পোৱা জন্মান্ধ সেয়ে এইনে এতিয়া সি
২০ কেনেকৈ দেখিছে। তাৰ্ মাক্ বাপেকে সমিধান্
দিলে বোলে এই আমাৰ্ পো আছে সি জন্মান্ধো
২১ হয় জীয়াকে আমি জানো কিন্তু এতিয়া সি কেনেকৈ
চক্ষুএ দেখে আৰু তাৰ্ চক্ষু ভাল্ কৰিলে কোনে আমি

জৈয়াক্ নে জানো সি ডাঙৰ হুইছে তাৎ শোধা সি
২১ আপোনাৰ্ কথা আপুনি কয়। তেঁও যিস্তু কোনো
এ যেদি এনেকৈ কয় তেবে তাক্ সিনগগৰ্পৰা বাহিৰ্
কৰিম্ জৈয়াৰ্ আগেই যিহুদীসকলে এই হুঁলি
আলচ কৰিছিল্ সেই হেতুক্ তাৰ্ মাক্ বাপেকে
২৩ যিহুদীসকলৰ্ ডৰৎ এনেকৈ কলে। এই নিমিত্তে
তাৰ্ মাক্ বাপেকে হুঁলিলে সি ডাঙৰ্ হুইছে তাৎ
২৪ শোধা। এই হেতুক্ যি মানুহ্ অন্ধলা আছিল তাক্
আকও মাতি আনি সিবিলাকে হুঁলিলে ঈশ্বৰক্ স্তুতি
২৫ কৰ্ সেই মানুহ পাতকী আমি জানো। সি সমি
ধান দিলে বোলে তেঁও পাতকী নে অপাতকী ময় জৈয়াক্
নে জানো আগেই ময় অন্ধলা আছিলো এতিয়া চকুএ
২৬ দেখোঁ জৈয়াকেহে ময় জানো। পাচে তাক্ সিবি
লাকে আকও হুঁলিলে তেঁও তোমাক্ কি কৰিলে তোমাৰ
২৭ চকু ভাল্ কৰিলে কেনেকৈ। সি সিবিলাকক্ সমিধান্
দিলে বোলে তোমোলাকৎ ময় এবেলি কলো কিন্তু
তোমোলাকে নু শুনিলা এতিয়া তোমোলাকে কিয়েলেই
শুনিবা তোমোলাকে তেঁওৰ্ শিষ্য হুব খোজা নে।
২৮ তেতিয়া তাক্ সিবিলাকে গালি পাৰিলে আৰু বোলে
২৯ তয়েই তাৰ্ শিষ্য কিন্তু আমি মোশহৰ্ শিষ্য। ঈশ্বৰে
মোশহৎ কৈছিল জৈয়াকে আমি জানো এই মানুহ
৩০ কৰ পৰা আহিল্ তাক্ আমি নে জানো। সেই মানুহে
সমিধান্ দি সিবিলাকক্ হুঁলিলে এই বড় আচৰিৎ
কথা মোৰ্ চকু তেঁও ভাল্ কৰিলে কিন্তু তেঁও কৰ্পৰা
৩১ আহিল্ জৈয়াক্ তোমোলাকে নে জানা। ঈশ্বৰে

পাতকী মানুহর কথা ন শুনে ঔয়াকে আমি জানো
কিন্তু যেদি কোনো ঈশ্বরর পূজারি হয় আরু তেঁওর
৩২ মনোনীত করে তেবে তাক তেঁও শুনে। কোন্ জন্মা
ন্ধর চক্ষু কোনে ভাল করিছে ঔয়াক আদিরেপরা
৩৩ কোনো কালত শুনা গৈছে নে। যেদি এই মানুহ ঈশ্বরর
পরা ন হলহেঁতেন তেবে তেঁও একো করিব নোরা
৩৪ রিলেহেঁতেন। সিবিলাকে সমিধান দি তাক কুলিলে
তয় নিস্তারে পাতকতে জন্মিছ তয় আমাক শিখাইছ
তেতিয়া সিবিলাকে তাক বাহির করি দিলে।—
৩৫ সিবিলাকে তাক বাহির করিছিল ঔয়াকে য়িশুএ
শুনিলে এই হেতুকে তেঁও তাক দেখি কুলিলে তয় ঈশ্ব
৩৬ রর পুত্রেকত বিশ্বাস কর নে। সি সমিধান দিলে
বোলে হে প্রভু ময় তেঁওত বিশ্বাস করো তেঁও
৩৭ কোন্। য়িশুএ তাক কুলিলে তয় তেঁওক দেখিছ
৩৮ তেঁও তয়ে সৈতে কথা কইছে। সি কুলিলে হে
৩৯ প্রভু ময় বিশ্বাস করোঁ তাতে তেঁওক ভজিলে। পাচে
য়িশুএ কুলিলে ময় ন্যায়র অর্থে আহিছো যেন যিবি
লাকে নে দেখে সেইবিলাকে দেখে আরু যিবিলাকে
৪০ দেখে সেইবিলাক্ অন্ধলা হয়। তার্ লগরিয়া
কেতেটি ফারিশিএ ঔয়াকে শুনি কুলিলে আমিও
৪১ অন্ধলা নে। য়িশুএ সিহঁতক কুলিলে যেদি তোমো
লাকে অন্ধলা হলাহেঁতেন্ তেবে তোমোলাকর পাতক
ন হলহেঁতেন্ কিন্তু আমি দেখিবলৈ পাঁও এনেকৈ
তোমোলাকে কোরা এই কারণে তোমোলাকর পাতক
থাকে।—

পৰ্ব্ব সচ্চেংময় তোমোলাকৎ কঁও মেষৰ্ পাট গোহালিৰ্
১০ দুৱাৰেদি যি নো সোমায় কিন্তু আৰু কোনো বাটেদি
ওহে সি চোৰ্ আৰু ডকাইৎ। কিন্তু যি দুৱাৰেদি
৩ সোমায় সি মেষ ৰখিয়া। দুৱাৰিএ তালৈ জপনা মেলে
আৰু মেষে তাৰ্ মাৎ শুনে সিও আপোনাৰ্ মেষৰ্
৪ নাম কাঢ়ে আৰু সিহঁতক্ বাজলৈ লৈ যায়। সিও আ
পোনাৰ্ মেষ ওলিয়ায় সিহঁতৰ আগেং যায় মেষ
বিলাকো তাৰ্ পাচেং যায় কিয়নো সিহঁতে তাৰ্ মাৎ
৫ চিনে। সিহঁতো আনৰ্ পাচেং নে জায় কিন্তু তাৰ্ পৰা
৬ পলায় কিয়নো সিহঁতে আনৰ্ মাৎ ন্ন চিনে। যিশুএ
সিবিলাকৎ এই দৃষ্টান্তদি কলে কিন্তু তেঁও কি কথা
৭ কৈছিল্ ঔয়াক্ সিবিলাকে ন্ন চিনিলে। আকও
যিশুএ সিবিলাকক্ কলে সচ্চেং তোমোলাকৎ ময়
৮ কঁও ময় মেষৰ্ পাট গোহালিৰ্ দুৱাৰ। যেতেক্
মানুহ মোৎকৈ আগেই আহিল্ সিহঁৎ এটায় চোৰ্
আৰু ডকাইৎ কিন্তু মেষে সিহঁতৰ্ কথা ন্ন শুনিলে।
৯ ময় দুৱাৰ্ মযে দি যেদি কোনো সোমায় তেবে সি ওদ্ধাৰ্
পাব আৰু ভিতৰলৈ বাজলৈ গৈ ভাল্ পথাৰ্ পাব।
১০ চুৰ্ কৰা মৰা বিনাশ কৰা ঔয়াক্ এড়ি আন প্ৰয়ো
জনে চোৰ্ নাহে। সিহঁতে জীৱন পায় আৰু তাকে
১১ অতিশয় ৰূপে পায় এই নিমিত্তে ময় আহিছো। ময়
ভাল্ গৰখিয়া ভাল গৰখিয়ায় মেষৰ্ অৰ্থে আপো
১২ নাৰ্ প্ৰাণ দিয়ে। কিন্তু যি বয়া গৰাকী ন হয় মেষ
যাৰ্ আপোনাৰ্ ন হয় সি কুকুৰ্নেচিয়া আহিৰৰ্ দেখি
মেষ এড়ি পলায় তাতে কুকুৰ্ নেচিয়ায় সিহঁতক্ ধৰি

১৩ গোটং কৰে। যিয়া যি সি বেচ খোৱা এই নিমিত্তে
১৪ পলায় আৰু মেষলৈ চিন্তা ন কৰে। ময় ভাল গৰ
খিয়া আপোনাৰ মেষক জানা আৰু আপোনাৰ
১৫ মেষৰ পৰা জনা যওঁ। যেনেকৈ পিতৃয় মোক জানে
তেনেকৈ ময় পিতৃক জানো ময়ো মেষৰ অৰ্থে আপো
১৬ নাৰ প্ৰাণ দিয়ো। যিবিলাকে এই পাট গোহালিৰ
নহয় এই মোৰ আৰু মেষ আছে সিহঁতক ময়
আনিবলাগে আৰু সিহঁতে মোৰ মাৎ শুনিব আৰু
১৭ এক পাট গোহালি এক গৰখিয়া হব। এই হেতুকে
মোৰ পিতৃএ মোক চেনেহ কৰে কিয়নো পুনৰ প্ৰাণ পাব
১৮ লৈ ময় আপোন প্ৰাণ দিয়ো। কোনোএ তাক মোৰ
পৰা ন লয় কিন্তু আপোনাৰ ইচ্ছায় ময় তাক দিয়ো
তাক থবলৈ আৰুও লবলৈকো মোৰ শকতি আছে পিতৃৰ
১৯ এই আজ্ঞা ময় পাইছো। এই হেতুকে এই কথাৎ
২০ য়িহুদীইঁতৰ আৰুও জৈয়ে মিয়ে এভাএভি হল। সি
বিলাকৰ মাজৰে কোনো কোনোএ হুঁলিলে তাৰ ভূত
২১ আছে সিও বলিয়া হুইছে তাৰ কথা কিয় শুনা। আৰু
কোনোএ হুঁলিলে ভুতে পোৱাৰ কথা এনে ন হয়। ভুতে
অন্ধলাৰ চক্ষু ভাল কৰিব পাৰেনে।—
২২ য়িৰুশালমৎ পবিত্ৰ কৰা বিন্ধ হুইছিল সেই সময়তে
২৩ জাৰ কাল হুইছিল য়িশু মন্দিৰৎ ফুৰিলে শলমনৰ
২৪ চৰাঘৰৰ পিৰালিৎ। তেতিয়া য়িহুদীসকলে তেওঁৰ
চাৰিওফালে আছি হুঁলিলে তুমি কেতেবেলি লৈকে
আমাৰ সংশয় লগাবা যেদি তুমি খ্ৰীষ্ট হোৱা তেবে
২৫ আমাৎ কোৱা। য়িশুএ সমিধান দিলে বোলে ময়

তোমোলাকৎ কলো কিন্তু তোমোলাকে আস্তিক ন কৰি
লা যি কৰ্ম্ম মোৰ পিতৃৰ নামে ময় কৰো সেই কৰ্ম্মেই
২৬ মোৰ প্ৰমাণ দিয়ে। কিন্তু তোমোলাকে মোৰ মেষ
নো হোৱা কিয়নো তোমোলাকে আস্তিক ন কৰা।
২৭ যেনেকৈ তোমোলাকৎ ময় এই কথা কৈছো মোৰ মেষে
মোৰ মাৎ শুনে ময়ো সিহঁতক জানো আৰু সিহঁতো
২৮ মোৰ পিচৎ হয়। আৰু ময়ো সিহঁতক অনন্ত
আয়ু দিয়ো সিহঁতৰ সৰ্ব্বনাশ কোনো কালে ন
হব আৰু মোৰ হাতৰপৰা সিহঁতক কোনোএ কাঢ়ি
২৯ লব নোৱাৰে। যি জনে সিহঁতক মোলৈ দিলে সেই
মোৰ পিতৃ এটাইতকৈ বড় আছে আৰু মোৰ পিতৃৰ
হাতৰপৰা সিহঁতক কোনোএ কাঢ়ি লব নোৱাৰে. ময়ে
৩০ পিতৃএ এটা। তেতিয়া য়িহুদীসকলে তেঁওক মাৰি
৩১ বলৈ আকৌ শিল্ ললে। য়িশুএ সিবিলাকক্ সমি
ধান্ দিলে বোলে ভালেমান্ ভাল্ কৰ্ম্ম মোৰ পিতৃৰ
পৰা ময় তোমোলাকক্ দেখুৱাইছো তাৰ মাজৰ
কোন্ কৰ্ম্মৰ্ নিমিত্তে তোমোলাকে মোলৈ শিল্ মাৰা।
৩২ য়িহুদীসকলে সমিধান্ দি তেঁওক্ বুলিলে সৎ কৰ্ম্মৰ
নিমিত্তে আমি তোমালৈ শিল্ নেমাৰো কিন্তু ঈশ্বৰ
নিন্দাৰ নিমিত্তেহে আৰু তুমি যে মানুহ হই আপো
৩৩ নাকে ঈশ্বৰ বুলি জানিছা এই নিমিত্তে। য়িশুএ
সিবিলাকক্ সমিধান্ দিলে বোলে ময় বুলিলো তোমো
লাক্ ঈশ্বৰ এই কথা তোমোলাকৰ্ শাস্ত্ৰৎ লেখা
৩৪ নায় নে। যি সকলৰ্ ওলৈ ঈশ্বৰৰ্ কথা আহিল সেই
সকলক যেদি তেঁও ঈশ্বৰ বুলি কয় আৰু ধৰম পুথি

৩৫ মিছা নহয়। তেহে যাকে পিতৃএ পবিত্র কৰি জগতলৈ
৩৬ পঠিয়াইছে মই ঈশ্বৰৰ পুত্ৰেক তেঁও ঈয়াকে কোৱাৎ
তুমি ঈশ্বৰনিন্দা কৰিছা তেঁওক তোমোলোকে এনেকৈ
৩৭ কুলিবা নে। যেদি মোৰ পিতৃৰ কাৰ্য্য মই ন কৰোঁ
৩৮ তেবে মোৎ আস্তিক ন কৰিবা কিন্তু যেদি মই কৰোঁ
তেবে মোক যেদি আস্তিক ন কৰা পিতৃ মোৰ মাজৎ
মই পিতৃৰ মাজৎ ঈয়াক তোমোলোকে জানা ও পতি
৩৯ যোৱা ও এই নিমিত্তে কৰ্ম্মৎ আস্তিক কৰা। এই হেতুক
মিহিলাকে আৰুও তেঁওক ধৰিব খুজিলে কিন্তু তেঁও
৪০ মিহিলাকৰ হাতৰ পৰা এড়ায় গল। আৰু যোহনে
প্ৰথম যিহ্যাইৎ ডুবাইছিল সেই ঠাইলৈকে যৰদ
নৰ সিপাৰলৈ আৰুও গল আৰু সেই ঠাইতে বাস
৪১ কৰিলে। তেতিয়া বহু মানুহ তেঁওৰ ওচৰলৈ আহি
কুলিলে যোহনে একো আচৰিৎ কৰা নাই কিন্তু যোহনে
এই মানুহৰ কথা যি যি কৈছিল সকলো সত্য। আৰু
৪২ সেই ঠাইৎ ভালেমান মানুহে তেঁওক পতিয়ালে।

পৰ্ব্ব পাচে মাৰিয়াম আৰু তাইৰ মাৰ্থা নামেৰে ভনী
১১ যেকে যি গাঁৱৎ আছিল সেই বৈথানিয়া নগৰৰ লা
২ জাৰ নামেৰে এক মানুহ নৰিয়া পৰিছিল। বি মাৰি
য়ায় প্ৰভুৰ গাৎ গন্ধ তৈল ঢালিছিল আৰু আপোনাৰ
চুলিৰে তেঁওৰ ভৰি মচিছিল তাইৰে ভায়েক লাজাৰ
৩ নৰিয়া পৰিছিল। এই হেতুক তাৰ ভনীয়েকে
মানুহ পঠিয়ায় তেঁওৎ কোৱালে বোলে হে প্ৰভু যাকে
৪ তুমি চেনেহ কৰা দেখা সেয়ে নৰিয়া পৰিছে। যিশুএ

তাকে শুনি বুলিলে এই নৰিয়া মৰিবলৈ নহয় কিন্তু
ঈশ্বৰৰ গৌৰৱ কৰিবলৈ ঈশ্বৰৰ পুতেকৰ মহিমা তাৰ্
৫ দ্বাৰায় প্ৰচাৰ কৰিবলৈ। মাৰ্থাকে তাইৰ ভনীয়ে
৬ কক লাজাৰকে য়িশুৱে চেনেহ কৰিলে। এই হেতুক্
তেঁও তাক্ নৰিয়া পৰিবৰ্ খবৰ পায় আৰু দু দিন্ সেই
৭ ঠাইতে থাকিল্। তাৰপাচে তেঁও আপোনাৰ ভকৎ
সকলক্ বুলিলে আঁহা আমি আকৌও য়িহুদাহ্ দেশ
৮ লৈ যাঁওহোক্। তেঁওৰ্ ভকৎ সকলে তেঁওক্ বুলিলে
হে গুৰু অলপ্ দিন্ হল য়িহুদী সকলে তোমালৈ শিল্
৯ মাৰিব খুজিলে আকৌও তালৈকে যাবা নে। য়িশুৱে
সমিধান্ দিলে বোলে দিনমান্ জানো ত্ৰিশদণ্ড নহয়
কোনোৱে যেদি দিনৎ বাট বুলে তেবে নপৰে কিয়নো
১০ এই জগতৰ্ পহৰ্ দেখে। কিন্তু যি কোনোৱে ৰাতি
বাট বুলে সি জুটযায় কিয়নো তাৰ্ মাজৎ পহৰ্
১১ নায়। তেঁও ঐয়াকে কলে তাৰপাচে সিবিলাকক্ বুলিলে
আমাৰ্ মিত্ৰৰ্ লাজাৰে টোপনিয়াইছে কিন্তু তেঁওক্
১২ জগাবলৈ ময় যাঁও। তেঁওৰ্ ভকৎ সকলে বুলিলে
১৩ হে প্ৰভু যেদি টোপনিয়ায় তেবে ভাল্ হব। য়িশুৱে
তাৰ্ মৃত্যুৰ্ কথা কলে কিন্তু তেঁও যেন টোপনিয়াৰ জিৰো
১৪ ৱৰ্ কথা কলে সিবিলাকে এনেকৈ বুজিলে। পাচে
য়িশুৱে সিবিলাকৎ ব্যক্ত কৰিলে বোলে লাজাৰ্ মৰিল্।
১৫ আৰু যি হেতুক ময় তাৎ নাছিলো ঐয়াতে ময় তোমো
লাকৰ্ নিমিত্তে আনন্দৎ হোঁ কিয়নো ঐয়াতে তোমো
লাকে পতিয়াবা কিন্তু এতিয়া আমি তেঁওৰ্ তলৈ যাঁও।
১৬ তেতিয়া দ্বিদিমুস উপাধিৰে থোমাস নামেৰে আপোনাৰ্

লগৰ্ ভক্তং সকলক্ কুলিলে আঁহা তেঁৱে সৈতে
১৭ মৰিবলৈ আমিও যাওঁ। তেতিয়া যৈদামং চাৰি দিন্
সি শুই আছে যেন্ ঔয়াকে যিশুএ তলৈ গৈ জানিবলৈ
১৮ পালে। বীত্তালিয়া যিৰুশালমৰ্ চাৰিদণ্ড মানৰ্ নিলগ
১৯ আইছিল্। এইহেতুকে ভালেমান যিহুদীএ সিহঁতৰ্
ভায়েকৰ্ কাৰণে মাৰ্ত্তাকে মাৰিয়াকে নিচুকাবলৈ গল্।
২০ মাৰ্ত্তায় যিশু আহিবৰ্ বতৰা পায় তেঁওক দেখিবলৈ
২১ গল্ কিন্তু মাৰিয়া ঘৰতে বহি ৰল্। তেতিয়া মাৰ্ত্তায়
যিশুক কুলিলে হে প্ৰভু আপুনি যেদি এথেং থাকিল্
২২ হেঁতেন তেঁৱে মোৰ্ ভায় ন মৰিল্ হেঁতেন। কিন্তু
এতি। ঈশ্বৰৰ্ আগং আপুনি যি কোনো অনুগ্ৰহ
২৩ খুজিব তাকে তেঁও দিব ময় ঔয়াক্ জানো। যিশুএ
২৪ তাইক কুলিলে তোমাৰ ভায়া আকৌ উঠিব। মাৰ্ত্তায়
তেঁওক্ কুলিলে পুনৰুত্থানং অন্তৰ্ দিনা তেঁও আকৌ
২৫ উঠিব ঔয়াক্ ময় জানো। যিশুএ তাইক্ কুলিলে
ময়েই পুনৰুত্থানো জীৱনো যি কোনোএ মোং বিশ্বাস
২৬ কৰে সি যেদি মৰে তথাপি জীব। আৰু যি কেনোএ
জীয়াই থাকি মোং বিশ্বাস কৰে সি কোনো কালে ন
২৭ মৰিব তুমি ঔয়াং আস্তিক্ কৰা নে। তাই কুলিলে হয়
প্ৰভু এই ব্ৰহ্মাণ্ডং অৱতাৰ্ হবলগা ঈশ্বৰৰ্ পুত্ৰ খ্ৰীষ্ট
২৮ তুমি হোৱা যেন্ ঔয়াক্ ময় পতিয়াও। তাই ঔয়াকে
কুলি গল্ আৰু আপোনাৰ্ ভনায়েক্ মাৰিয়াক্ বিশ্বাসে
২৯ মাতি কলে প্ৰভু আহিছে তোমাক্ মাতিছে। তেতিয়া
তাই তাকে শুনি লগতিলেই উঠি তেঁওৰ্ ওচৰলৈ
৩০ গল্। যিশু তেতিয়া গাঁৱং উপগং ন হয় কিন্তু

যত্তে মার্থায় সৈতে ভেটাভেটি হল্ তাত্তে আছিল্ ।
৩১ মাৰিয়া ঘৰৈক ওঠি বাজলৈ গল্ যি য়িহুদীসকলে
তেঁৱে সৈতে ঘৰত থাকি তেঁওক্ নিচুকাইছিল্ সিবি
লাকে তেতিয়া জীয়াকে দেখিলে তেতিয়া এই মৈদামত
৩২ কান্দিবলৈ যাঁও এই বুলি পিছেৎ গল্ । মাৰিয়ায় য়িশুৰ্
ওচৰ্ পায় তেঁওক্ দেখি তেঁওৰ্ ভৰিত পৰি বুলিলে
হে প্ৰভু আপুনি যেদি এযেত থাকিলহেঁতেন মোৰ ভায়
৩৩ ন মৰিল্ হেঁতেন্ । এই হেতুকে য়িশুএ তাইকে আৰু
তায়ে সৈতে যিবিলাক্ য়িহুদী আহিছিল্ সিহঁতকো কান্দি
বৰ্ দেখি মনতে কেঁকালে আৰু অসন্তোষ লাগি বুলিলে
৩৪ তেঁওক্ কত থৈছা । সিবিলাকে তেঁওক্ বুলিলে প্ৰভু
৩৫ আহি দেখোক্ হি । য়িশুএ কান্দিলে । তেতিয়া য়িহুদী
৩৬ সকলে বুলিলে দেখা তেঁও তাক্ কিমান চেনেহ কৰিলে ।
৩৭ আৰু সিবিলাকৰ্ কোনো কোনোএ বুলিলে এই মানুহে
অন্ধলাৰ চকু ভাল্ কৰে এই মানুহ যেনেকৈ ন মৰে
৩৮ তাক্ তেঁও ন কৰিলেহেতেঁন নে । য়িশুএ আকৌ মনতে
কেঁকায় মৈদামৰ্ ওচৰলৈ আহিল্ সেয়ে এটা গহ্বৰ তাৰ
৩৯ ওপৰতো এটা শিল্ । য়িশুএ বুলিলে শিল্ গুচুৱা
সেই মৰা মানুহৰ্ ভনীয়েক মার্থায় বুলিলে হে প্ৰভু
এতিয়া চাগৈ সি দুৰ্গন্ধ হৈছে কিয়নো মৰিবৰ্ আজি
৪০ চাৰি দিন্ হল্ । য়িশুএ বুলিলে মই তোমাক ন কৈছো
যেদি তুমি আস্তিক্ কৰা তেবে ঈশ্বৰৰ্ মহিমা দেখিবা ।
৪১ তেতিয়া শ্মশান্ শালৰপৰা সিবিলাকে শিল্ গুচালে
য়িশুএ ওপৰলৈ চায় বুলিলে হে পিতৃ মোৰ্ কথা তুমি
৪২ শুনিছা সেই নিমিত্তে তোমাক্ মই স্তুতি কৰো তুমি সৰ্ব্বদা

মোৰ্ কথা শুনিছা জীয়াক্ ময় জানিলো কিন্তু তুমি
মোক্ পঠিয়াইছা যেন্ যিবিলাক্ ওচৰৎ থিয়কৈ আছে
জেইঁতে জীয়াতে আস্তিক্ কৰে এই নিমিত্তে সিহঁতৰ্
৪৩ কাৰণে ময় জীয়াকে কৈছো। তেঁও জীয়াকে টুলিলে
পাচে ডৰকৈ ৰিঙ্গি মাৰিলে হে লাজাৰ্ বাজলৈ আহ।
৪৪ তেতিয়া সেই মৰা মানুহ হাৎ ভৰি মৈদামৰ্ কাপ
ৰেৰে বন্ধা আৰু অথৎ এখান গাঁমোচাৰ্ চাকোন্ বাজ
লৈ আহিল। য়িশুএ সিবিলাকক টুলিলে তাক্
৪৫ মেলি এড়ি দিয়া। তেতিয়া ভালেমান্ য়িহুদী মাৰি
য়াৰ ওচৰলৈ আহিছিল্ সেইবিলাকে য়িশুৰ্ এই কৰ্ম্ম
৪৬ দেখি তেঁওক্ পতিয়ালে। কিন্তু সিবিলাকৰ্ মাজৰে
কোনো কোনোএ ফাৰিশিসকলৰ্ ওচৰলৈ গৈ যিং
কৰ্ম্ম য়িশুএ কৰিছিল তাকে কলেগৈ।—
৪৭ পাচে পুৰীান্ যাজক্সকলে আৰু ফাৰিশিসকলে
মেলৎ বহি টুলিলে আমি কি কৰিম্ কিয়নো এই
৪৮ মানুহে ভালেমান আশ্চৰ্য্য কৰ্ম্ম কৰে। তাক্ যেদি আমি
একো ন কৰো তেবে এটাই মানুহে তাতেই আস্তিক্
কৰিব আৰু ৰুমী মানুহে আহি আমাৰ্ দেশকো
৪৯ মানুহকো কাঢ়ি লব। কাইয়াফা নামেৰে সিবি
লাকৰে এজন্ সেই বৎসৰৎ পুৰীান্ পুৰোহিতে
৫০ সিবিলাকক্ টুলিলে তোমোলাকে একো নে জানা। এক্
মানুহ্ মানুহৰ্ পলনী আই মৰে আৰু দেশৰ্ এটাই
মানুহৰ্ সৰ্ব্বনাশ ন হয় এয়ে আমাৰ্ হিৎ তোমো
৫১ লাকে জীয়াক্ নেজানা নে। তেঁও আপুনি এই কথা
কোৱা নাই কিন্তু সেই বৎসৰ্ বড় পুৰোহিৎ আই

৫২ দেশৰ্ মানুহৰ্ পলনী ক্ষই যিশু মৰিব আৰু সেই
দেশৰ্ মানুহৰ্ পলনী কেৱল্ ন হয় কিন্তু ঈশ্বৰৰ্
যিবিলাক্ লৰা গোটে গোটে হয় সিহঁতকে জপাৰ এই
৫৩ আচাৰ্য্যবাক্য কলে। পাচে সেই দিনাৰেপৰা তেঁওৰ্
৫৪ মাৰি পেলাবলৈ সিবিলাকে এটায়ে আলচ্ কৰিলে। এই
হেতুকে যিশু আৰুও প্ৰচাৰ্ কৰি যিহুদী সকলৰ্ মাজৎ
অফুৰিলে কিন্তু সেই ঠাঁই এৰি হাবিৰ্ কাষৰৰ্ এক্
দেশৰ্ এফ্ৰয়িম নামেৰে এক্ নগৰলৈ গল্ আৰু
তাতে আপোনাৰ্ ভকৎ সকলে সৈতে বসতি কৰিলে।
৫৫ তেতিয়া যিহুদীসকলৰ্ পেসাখ্ ওচৰ্ চাপিল্ সেই
পেসাখৰ আগেই বহু মানুহ দেশৰ্পৰা যিৰুশাল
৫৬ মৎ পৱিত্ৰ হবলৈ গল্। সেই কালৎ সিবিলাকে
যিশুক্ বিচাৰিলে আৰু মন্দিৰৎ ঠিয়েসিয়ে কোৱাকুই
কৰিলে বোলে তেঁও এই বিহুলৈ নাহে নে তোমোলাকে
৫৭ কি জানা। কিয়নো বড় পুৰোহিৎ সকলে ফাৰি
শিসকলে এই আজ্ঞা দিছিল্ বোলে তেঁও কৎ আছে
কোনোৱে যেদি উয়াক্ জানে তেৱে সিবিলাকে তেঁওৰ্
ধৰিবলৈ তাকে কব।

পর্ব্ব যি মৰিছিল্ যাকে তেঁও মৃত্যুৰ্পৰা তুলিছিল্ সেই
১২ লাজাৰৰ্ ঘৎ ঘৰ্ তাতে সেই বৈথানিয়ালৈ যিশু পেসাখ্
২ বিহুলৈ ছদিন থাকোতেই আহিল্। তাতে সিবিলাকে
তেঁওলৈ ৰাতি ভোজ পাতিলে মাৰ্থায় বাঢ়ি দিলে কিন্তু
লাজাৰো তেঁৰে সৈতে যেজৎ বহা মানুহৰ্ লগৰে
৩ এটা। সেই কালৎ মাৰিয়ায় আধেৰ্ বহু মুলীয়া
জটামাংসীৰ্ তেল্ আনি যিশুৰ্ ভৰিৎ ঘঁহিলে আৰু

স্বৰৰ্ চুলিৰে ভৰি মচিলে তাতে সেই তেলৰ্ সুগন্ধে
৪ গোটায় ঘৰ্ ভৰি পৰিল্। তেতিয়া শীমোনৰ্ পুত্ৰেক্
৫ য়িহুদাহ্ ইস্কাৰিওটী নামেৰে বিশ্বাসঘাতকী তেওঁৰ্ এজন্
ভকতে হুঁলিলে এই তেল্ তিনিশ ৰুপলৈ বেচি দুখিয়া
৬ মানুহক্ নি দিলে কিয়। দুখিয়া মানুহলৈ ভাৰি
এই কথা কলে এনে ন হয় কিন্তু সি চোৰ্ আছিল্ আৰু
জোলোঙ্গা পায় তাৰ্ ভিতৰৎ যি বেহানি থাকে তাকে
৭ নীয়ে এই কাৰণেহে কলে। তেতিয়া য়িশুএ হুঁলিলে
তাইক্ দুখ নি দিবা মোৰ্ মৈদামৎ শুবলৈ তাই জৈয়া
৮ কে থৈছে। কিয়নো দুখিয়া মানুহ সৰ্ব্বদা তোমো
লাকৰ্ লগৎ কিন্তু ময় সৰ্ব্বদা তোমোলাকৰ্ লগৎ
নোহোঁ।—
৯ এই হেতুকে তেওঁ তৎ আছে বহু য়িহুদী এ ইহাকে জানি
আলৈকে আছিল্ আৰু অকল্ য়িশুৰ্ নিমিত্তে ন হয়
কিন্তু যাকে তেওঁ মৃত্যুৰপৰা তুলিছিল্ সেই লাজাৰকো
১০ দেখিবলৈ আহিল্ কিন্তু বড় পুৰোহিৎসকলে লাজা
১১ ৰকো বধিবলৈ আলচ্ কৰিলে। কিয়নো তাৰে
দোৱাৰায় বহু য়িহুদীএ গৈ য়িশুক পতিয়ালে।—
১২ পাচদিনা সেই বিহুলৈ অহা ভালেমান্ মানুহে
যেতিয়া য়িশু য়িৰুশালমলৈ আহিবৰ্ বতৰা শুনিছিল্।
১৩ তেতিয়া খেজুৰ্ গছৰ্ ঠাৰি লৈ সিহঁতে তেওঁক্ দেখি
বলৈ বাজলৈ ওলাল আৰু এটাহ পাৰ্হি, হুঁলিলে হো
শান্না যি জন্ ঈশ্বৰৰ্ নামে আহেঁ সেই য়িশ্ৰএলৰ্
১৪ ৰজা ধন্য। পাচে য়িশুএ এটা ডেকা গাধ পায়
১৫ তাৰ্ ওপৰতে উঠিল্ যেনেকৈ এই লেখা আছে। হে

শীওনৰ্ জীয়াৰি তুমি ভয় ন কৰিবা দেখা তোমাৰ্
১৬ ৰজা গাধৰ্ পোৱালিৰ্ ওপৰৎ উঠি আহিছে। এই
কথা তেঁওৰ্ ভকৎসকলে প্ৰথমতে ন বুজিলে কিন্তু
যেতিয়া য়িশুৰ্ মহিমা বিদিৎ হল্ তেতিয়া এই সকল্
তেঁওৰ্ অৰ্থে লেখা হল্ তেঁওক্ সিবিলাকে এই সকল্
১৭ কৰিছিল্ যেন্ জীয়াকে মনৎ বুজিলে। এই হেতুক্ যে
তিয়া তেঁও লাজাৰক্ মৈদামৰ্পৰা মাতি তাক্ তুলিলে
যিবিলাক্ মানুহ তেতিয়া তেঁওৰ্ ওচৰৎ আছিল্ সেই
১৮ বিলাকে প্ৰমাণ দিলে। এই নিমিত্তে তেঁও যি এই
আশ্চর্য্য কৰ্ম্ম কৰিছিল্ জুমে তাকে শুনি তেঁৱে মৈতে
১৯ দেখা দেখি কৰৈলৈ গল্। সেই নিমিত্তে ফাৰিশি
সকলে আনো আনো বুলিলে তোমোলোকৰ্ যতনৰ
একো ফল্ নায় দেখা সকলো জগৎ তাৰ্ ফাললৈ গল্
তোমোলাকে জীয়াক্ দেখা নায় নে।—
২০ সেই মহোৎসৱৎ ভজন্ কৰিবলৈ আহা কেতেটি
গ্ৰীক্ মানুহ সিবিলাকৰ্ মাজতো আছিল্। এই
হেতুক্ সিবিলাকে গালিলিৰ্ বৈত সাদাৰ্ ফিলিপৰ্
কাষৰলৈ আহি তেঁওৎ সুদিলে বোলে হে দেৱ্ আমি
২১ য়িশুক্ দেখিব খোজো। ফিলিপে আহি আন্দ্ৰিউৎ
কলে তাৰ্ পাচে আন্দ্ৰিয় ফিলিপে য়িশুক্ বুলিলে।
তেতিয়া য়িশুএ সিবিলাকক্ উত্তৰ দিলে বোলে মানু
২২ হৰ্ পুত্ৰেকৰ মহিমা ওলাবৰ্ কাল্ আইছে। সচ্চে২
তোমোলোকৎ মই কঁও এটি গোম্ মাটিৎ পৰি ন
মৰিলে অকলৈ থাকে কিন্তু যেদি মৰে তেবে বহু গুটি
২৩ ধৰে। যি কোনোএ আপোনাৰ্ প্ৰাণক্ চেনেহ কৰে

২৪ সি তাক্ হেৰুৱাব আৰু যি কোনোএ এই ব্ৰহ্মাণ্ডৰ্
মাজৎ আপোনাৰ্ প্ৰাণক্ ঘিনায় সি অনন্ত আযু
২৫ লৈকে তাক্ ৰাখিব। যেদি কোনোএ মোক্ শুশ্ৰূষা
২৬ কৰে তেবে সি মোৰ্ পিচৎ হোক্ আৰু ময় যত্তে থাকোঁ;
তত্তে মোৰ্ আলহিৰাও থাকিব যেদি কোনোএ মোৰ্
আল ধৰে তেবে মোৰ্ পিতৃএ তাক্ মৰ্য্যাদা কৰিব।
২৭ এতিয়া মোৰ্ মন ব্যাকুলিত হইছে ময় কি কৈলিম্ হে
পিতৃ মোক্ এই কালৰ্পৰা ৰক্ষা কৰা ময় জেয়াক্ কম্
নে কিন্তু এই কাৰণে ময় এই কালৎ আহিলো। হে
২৮ পিতৃ তুমি আপোনাৰ্ নামৰ্ গৌৰৱ কৰা তেতিয়া
স্বৰ্গৰ্পৰা এক্ শব্দ ওলিল্ ময় তাৰ্ গৌৰৱ কৰিছোঁ
২৯ আৰুও তাকে কৰিম্। এই হেতুকে যিবিলাক্ ওচৰৎ
থিয় হই তাকে শুনিলে সেইবিলাকে কৈলিলে মেঘ ধ্বনি
হইছে আন্ মানুহে কৈলিলে এক্ দূতে তেঁৱে সৈতে
৩০ কথা কৈছে। যিশুএ সমিধান্ দিলে বোলে এই শব্দ্
৩১ মোলৈ ন হল্ তোমোলাকলৈহে। এতিয়া এই জগতৰ্
শোধ হয় এতিয়া এই জগতৰ্ ৰজা বাহিৰৎ পেলোৱা
৩২ হব। ময়ো যেদি পৃথিবীৰ্পৰা তোলা হোঁ তেবে এটা
৩৩ ইবিলাক্ মানুহক্ মোৰ্ কায়ৰলৈ টানিব। আপুনি
কোন বিধি মৰণৎ মৰিব জেয়াকে জনাবলৈ তেঁও জে
৩৪ য়াকে কলে। মানুহে তেঁওক্ সমিধান্ দিলে বোলে
খ্ৰীষ্ট সৰ্ব্বদা থাকে জেয়াক্ আমি শাস্ত্ৰৎ শুনিছোঁ এই
হেতুকে মানুহৰ্ পুত্ৰেকক্ তুলি বলাগে তুমি এই কথা
৩৫ কেনেকৈ কোৱা এই মানুহৰ্ পুত্ৰেক্ কোন্। যিশুএ

সিবিলাকক্ হুঁলিলে আরু অলপ্ দিন্ পহর্ তোমো
লাকে সৈতে থাকিব যেতে বেলি পহর্ থাকে তেতে বেলি
গতি করা আলো এক্কারে তোমোলাকক্ ধানে যি মানুহে
এক্কারৎ গতি করে সেই মানুহ্ কলৈ যায় জৈয়াক্
৩৬ নে জানে। যেতে বেলি পহর্ থাকে তেতে বেলি পহরর্
লরা করলৈ পহরতে বিশ্বাস্ করা। যিশুএ জৈয়াকে
কৈ গুছিগৈ সিবিলাকৎ আপুনি লুকাল্।—
৩৭ তেঁও সেই রূপে ভালেমান্ আশ্চর্য্য কর্ম্ম করিছিল্
হয় তথাপি তেঁওৎ সিবিলাকে আস্তিক্ ন করিলে।
৩৮ যিশাজৈয়াহ্ আচার্য্যে যি কথা কৈছিল্ হে য়িহুহ
আমার্ বতরা কোনে পতিয়াইছে ঈশ্বরর্ হাৎ কার্
৩৯ আগৎ বিদিৎ হইছে সেই কথায় সম্পুর্ন হবলৈ।
য়িশাজৈয়াহে আকও হুঁলিলে সিবিলাকে চক্ষুএ নে দেখে
মনে ন হুঁবো আরু মনো নে পালটায় মায়া সিবিলাকক্
৪০ সুস্ত ন করো এই নিমিত্তে তেঁও সিবিলাকর্ চকু অন্ধ
না করাইছে সিবিলাকর্ আপম টান করাইছে এই
৪১ নিমিত্তে সিবিলাকে পতিয়াব নোয়ারিলে। য়িশাজৈয়াহে
যেতিয়া তেঁওর্ গৌরব্ দেখিলে আরু তেঁওর্ কথা কলে
৪২ তেতিয়া এই কথা বলে। অধিপতিসকলর্ মাজর্
ভালেমান্ মানুহে তেঁওৎ আস্তিক্ করিলে কিন্তু ফাঁরি
৪৩ শিসকলর্ ডরৎ তেঁওক্ মোর্ ন হুঁলিলে তানো সিন
গগর্পরা পেলোরা যায় কিয়নো সিবিলাকে ঈশ্বরে করা
৪৪ প্রশংসাৎকৈ মানুহে করা প্রশংসা ভাল দেখিলে। যিশুএ
এটাই পারি হুঁলিলে যি কোনোএ মোক্ পতিয়ায় সি
মোক্ ন পতিয়ায় কিন্তু যি জনে মোক্ পঠিয়ালে তেঁওক্

৪৫ হে পতিয়ায়। আৰু যি মোক্ দেখে যি জনে মোক্ পঠি
৪৬ য়াইছে মি তেঁওক্ দেখে। যি মোত্ পতিয়ায় মি আন্ধ
কাৰত্ নেথাকে এ কাৰণে ময় জগতলৈ এক দিপিস্তি
৪৭ আহিছোঁ। যেদি কোনোএ মোৰ কথা শুনি বিশ্বাস
ন কৰে তেবে ময় তাক্ লো শোধোঁ কিয়নো জগতৰ্
শোধি কৰিবলৈ ময় আহা নায় জগতৰ ৰক্ষা কৰিবলৈহে
৪৮ আহিলোঁ। যি কোনোএ মোক্ অবহেলা কৰে মোৰ্
কথা ন লয় তাৰ্ শোধি কৰিবলৈ এজন্ আছে যি কথা
৪৯ ময় কৈছো শেহৰ দিনা সেই কথায় তাৰ্ শোধি কৰিব।
কিয়নো আপোনাৰ্পৰা ময় কোৱা নায় কিন্তু যিহক
যিহক কবলৈ যি জনে মোক্ পঠিয়াইছে এই পিতৃএ
৫০ তুলিবলৈ মোক্ আজ্ঞা দিছে। তেঁওৰ্ আজ্ঞা অনন্তায়ু
জীয়াক্ ময় জানোঁ এই হেতুক্ যিহকে ময় বোলোঁ তাকে
যেনেকৈ পিতৃএ মোত্ কৈছে তেনেকৈ কওঁ।—

পৰ্ব্ব নিস্তাৰ্ পৰ্ব্বৰ্ আগে এনে হল এই জগত্ এড়ি
১ পিতৃৰ্ ওচৰলৈ যাবলৈ এই কাল্ উপাগত্ হল্ যিশুএ
জীয়াকে জানি ব্ৰহ্মাণ্ডত্ আপোনাৰ্ মানুহক্ চেনেহ কৰি
শেহলৈকে চেনেহ কৰিলে। তেঁওক্ পৰৰ্ হাতত্
দিবলৈ শীমোনৰ্ পুতেক্ যিহুদাহ্ ইস্কৰিওটীৰ্ মনত্
৩ শয়তানে দিলে। ৰাতি ভোজন্ কৰি এটালত্ পিতৃএ
তেঁওৰ হাতত্ সমস্তকে অৰ্পি দিলে আৰু আপুনি
ঈশ্বৰৰ্পৰা আহিছিল্ ঈশ্বৰৰ্ ওলৈকে যাব যিশুএ
৪ জীয়াকে জানি ৰাতি ভোজনৰ্পৰা উঠি কাপৰ্ থোলো
৫ কায় গামোচা কঁকালত্ বান্ধিলে। তাৰ্ পাচে এটা দি
হুত্ পানি বাকি যিশুএ ভকতসকলৰ্ ভৰি ধুবাৰ আৰু

যি গাময়োচাৰে আপোনাক বান্ধিছিল তাৰে মচিবলৈ
৬ ধৰিলে। পাছে তেঁও শীমোন্ পিতৰৰ ওচৰলৈ আহিলত
পিতৰে তেঁওক কুলিলে হে প্ৰভু আপুনি মোৰ ভৰি
৭ ধুৱাব নে। যিশুএ সিদ্ধান্ত কৰিলে বোলে ময় যি কৰোঁ
তুমি তাক এতিয়া নে জানা কিন্তু শেহত জানিবা। পিতৰে
৮ তেঁওক কুলিলে মোৰ ভৰি ধুৱাবলৈ কোনো কালত নি
দিয়ো। যিশুএ তাক কুলিলে যেদি তোমাক ময় ন ধুৱও
৯ তেবে ময় সৈতে তোমাৰ একোৰো ভাগ নায়। শীমোন্
পিতৰে তেঁওক কুলিলে হে প্ৰভু মোৰ কেৱল ভৰিক ন হয়
১০ কিন্তু মোৰ হাতকো মুৰকো। যিশুএ তাক কুলিলে যি
গা ধুইছে তাৰ ভৰিক বিনে ধুবলগা নায় কিন্তু সৰ্ব্বদায়
চিকোন্ আছে আৰু তোমোলাক চিকোন্ কিন্তু এটাই
১১ ন হয়। তেঁওক পৰৰ হাতত দিছে দিব সেয়ে কোন্
তেঁও সেয়াকে জানিলে এই হেতুকে কুলিলে তোমোলাক
সবৌ চিকোন্ নোহোৱা।—
১২ তেঁও সিবিলাকৰ ভৰি ধুৱাই কাপৰ লৈ আকৌ বহি
সিবিলাকক কুলিলে ময় যি কৰিছোঁ সেয়ে কি তোমো
১৩ লাকে তাক জানা নে। তোমোলাকে মোক গুৰু প্ৰভু
কুলিছা তোমোলাকে চিকোন্ কোৱা কিয়নো ময় সেই
১৪ হোঁ। এই হেতুকে ময় তোমোলাকৰ গুৰু প্ৰভুএ ও
যেদি তোমোলাকৰ ভৰি ধুৱাইছোঁ তেৱে তোমোলাকে
১৫ ও ভৰি ধোৱাধুই কৰিবলগা। কিয়নো ময় তোমো
লাকক যেনে কৰিছোঁ তোমোলাকেও তেনে কৰিবলৈ
তোমোলাকক ময় এটা আদেশ দেখুৱাইছোঁ। সচাকৈ
১৬ তোমোলাকত ময় কওঁ বন্দি গিৰিহঁতত্কৈ বড় ন হয়

১৭ আৰু পাঁঠনী পাঁঠনীদিয়ো তাং কৈ বড় ন হয় । তোমো
লাকে যেদি ঔয়াক্ জানা তেবে তাকে কৰি ধন্য হোৱা ।
১৮ তোমোলাকৰ্ এটাইৰে কথা ময় ন কঁও যিবিলাকক্
ভাল্ পাইছো সেইবিলাকক্ ময় জানোঁ কিন্তু ধৰ্ম্ম পুথি
সম্পূৰ্ণ কৰিবলৈ যেয়ে মোৰ্ ভাং খায় সেয়ে মোৰ্ বিৰোধে
১৯ গোৰোৱা তুলিছে । ময় সেই জন কৰ্ম্ম সম্পূৰ্ণ হলে
তোমোলাকে ঔয়াক্ প তিয়াবলৈ এতিয়া পুৰ্ব্বেই আ
২০ গেই ময় তোমোলাকং কঁও । সচ্চে২ ময় তোমো
লাকং কঁও মোৰ্ কোনো পাঠনিক্ আলহি পোহে সি
মোকেই আলহি পোহে আৰু যি কোনোৱে মোক্
আলহি পোহে যি জনে মোক্ পঠিয়ালে তেঁওকেই সি
২১ আলহি পোহে । য়িশুএ ঔয়াকে কৈ আত্মাং কষ্ট
পালে আৰু প্ৰমাণ্ দিলে বোলে সচ্চে২ তোমোলাকং
ময় কঁও তোমোলাকৰ্ মাজৰে এজনে মোক্ পৰৰ্
হাতং দিব । তাতে তেঁও কালৈ এই কথা কলে তকং
২২ সকলৰ্ ঔয়াতে সংশয় লাগি এটায়ে চোৱাচুই কৰিব
২৩ ধৰিলে । সেই সময়তে আপুনি যাকে চেনেহ কৰিলে
য়িশুৰ্ এই এক্ জন্ শিষ্যে আঁৰ্ হৰই য়িশুৰ্ বুকত
২৪ বল্ । এই হেতুকে কাৰ্ কথা তেঁও কৈছিল্ ঔয়াকে
সুধিবলৈ শীমোন্ পিতৰে তেঁওলৈ চকু হান যাৰিলে ।
২৫ এই হেতুকে সেই জনে য়িশুৰ্ বুকত শুই বুলিলে হে
২৬ প্ৰভু সেয়ে কোন । য়িশুএ সমিধান্ কৰিলে বোলে
ময় এডাখৰি তিয়ায় যাকে দিম্ সেয়ে পাচে তেঁও তাকে
তিয়ায় শীমোনৰ্ পুত্ৰেক য়িহুদাহ্ স্কৰিওটাক্ দিলে ।
২৭ সি তিডা ডুখৰি খালং পাচে তাৰ্ মাজং শয়তান

লোমাল্। তেতিয়া যিশুএ কুলিলে যিহকে কৰিব যোজা
২৮ তাকে যৰৈকে কৰা। কি কাৰণে তাক এই কথা কলে
যিবিলাক্ যেজন্ বহিছিল্ সিবিলাকৰ্ মাজৰ্ কোনো
২৯ এজনাকে নে জানিলে। যিহুদাহৰ্ লগৎ জোলোনা
থকাৎ কোনোএ জনাকে ভাবিলে বিস্তৈলেকে আমি যিহক
যোজো তাকে কিনা অথবা দুখিয়া মানুহকে কিছু দিয়া
৩০ যেন্ যিশুএ তাক এই কথা কৈছিল্। পাচে যিহুদাহে
সেই তিয়োৰা ডুথাকি পালতেই বাজলৈ গল্ তেতিয়া
৩১ ৰাতি হল্। সি বাজলৈ গলৎ যিশুএ কুলিলে এতিয়া
মানুহৰ্ পুত্ৰেকৰ্ মহিমা পৌচিক হল্ আৰু তাৰ্
৩২ মাজতে ঈশ্বৰৰ্ মহিমাও পৌচিক হল্। ঈশ্বৰৰ্
মহিমা যেদি তাৰ্ মাজৎ পৌচিক হয় তেৱে আপোনাৰ্
মাজৎ ঈশ্বৰে তেঁওৰ্ মহিমা পৌচিক কৰাব আৰু
তৎক্ষণেই তেঁওৰ্ মহিমা পৌচিক কৰাব হে সৰু লৰা
হুঁৎ তহঁতৰ্ লগৎ আৰু অলপ্ কাল্ ময় থাকিম্
৩৩ তহঁতে মোক্ বিচাৰিবি যেনেকৈ যিহুদীহঁতক্ ময় কুলি
ছিলো ময় যলৈ যাঁও তলৈ তহঁৎ আহিব নোৱাৰ তেনে
৩৪ কৈ তোমোলাকক্ বোলো। এক্ নবীন্ আজ্ঞা
তোমোলাকক্ ময় দিয়ো আনো আনে পীতি কৰা যেনে
কৈ ময় তোমোলাকক্ চেনেহ কৰিছো তেনেকৈ তোমো
৩৫ লাকেও এতনে সি জনক চেনেহ কৰা। যেদি তোমো
লাকে এনেকৈ ইয়েসিয়ে পীতি কৰা তেৱে তোমোলাকক্
৩৬ মোৰ্ তকৎ কুলি এটায়ে জানিব। শীমোন্ পিতৰে
তেঁওক্ কুলিলে হে পুভু আপুনি কলৈ যাব যিশুএ
সিদ্ধান্ত কৰিলে যলৈ ময় যাঁও তলৈ মৱে সেতে জুমি

এতিয়া যাব নোৱাৰা কিন্তু ঔয়াক পাচে মোৰ পিচৎ
৩৭ যাবা। পিতৰে তেঁওক হুঁলিলে হে প্রভু আপোনাৰ লগৎ
এতিয়া যাব নোৱাৰে কিয় আপোনাৰ নিমিত্তে ময় মোৰ
৩৮ প্রাণ দিম্। যিশুএ প্রতিবান দিলে বোলে তুমি আপো
নাৰ প্রাণ মোৰ অর্থে দিবা নে সত্যে২ ময় তোমাক
বোলো মোক যে তুমি জানা ঔয়াতে তুমি তিনি বেলি
নৈ না কাঢ়িলে কুক্কুৰায় ডাক নি দিব।—

পর্ব্ব মনৎ দুঃখ ন কৰিবা তোমোলাকে ঈশ্বৰৎ আস্থিক্
১৪ কৰা মোতো আস্থিক্ কৰা মোৰ পিতৃৰ বাড়ীৎ ভালে
মান ঘৰ আছে এয়ে যেদি ন হলহেঁতেন্ তেবে ময়
তোমোলাকৎ কলোহেঁতেন্ তোমোলাকলৈ ঠায় যুগুত
৩ কৰিবলৈ ময় যাঁও। আৰু ময় গৈ যেদি তোমোলা
কলৈ ঠায় যুগুত কৰোঁ তেবে ময় যত্তে থাকোঁ তোমো
লাকো তত্তে থাকিবলৈ পুনৰু আহি তোমোলাকক আপো
৪ নাৰ ওচৰলৈ নিম্। ময় যলৈ যাঁও তাক তোমোলাকে
৫ জানা সেই বাটো জানা। থমাসে তেঁওক হুঁলিলে
হে প্রভু তুমি যলৈ যোৱা ইয়াক আমি না জানো এয়েহেই
৬ কেনেকৈ বাট জানিম্। যিশুএ তাক হুঁলিলে ময়েই
বাট সত্যো জীৱনো কোনো ময়েদি ন গলে পিতৃৰ
ওচৰলৈ নে যাব। তোমোলাকে যেদি মোক জানি
৭ লাহেঁতেন্ তেবে মোৰ পিতৃকো জানিলাহেঁতেন্ এতি
য়াৰেপৰা তোমোলাকে তেঁওক জানাও তেঁওক দেখিছো
৮ ও। ফিলিপে তেঁওক হুঁলিলে হে প্রভু আমাক পিতৃয়াক
৯ দেখুৱাক তাতে আমি তৃপিতি যাঁও। যিশুএ তেঁওক
হুঁলিলে হে ফিলিপ্ ময় এতেদিন তুমিয়ে সৈতে আছো

ভথাপি তুমি মোক্ নে জানিলা নে। যি কোনোএ
মোক্ দেখিছে সি পিতৃকো দেখিছে এয়েহেই আমাক্
১০ পিতৃয়াক্ দেখুৱক্ এই কথা কেনেকৈ কৈছা। ময়
পিতৃৰ মাজৎ পিতৃও মোৰ্ মাজৎ তুমি জৈয়াক্ ন পতি
যোৱা নে যি কথা তোমোলাকৎ ময় কঁও সেই কথা
আপোনাৰপৰা ময় ন কঁও কিন্তু মোৰ মধ্যস্থ পিতৃ সেই
১১ কৰ্ম্ম কৰে। ময় পিতৃৰ্ মাজৎ পিতৃ মোৰ্ মাজৎ
এই কথা পতিয়োৱা। তাকে যেদি ন কৰা তেবে সেই
কৰ্ম্ম দেখি মোক্কে পতিয়োৱা। সচ্চেং তোমোলা
১২ কং ময় কঁও যি কোনোএ মোৎ বিশ্বাস কৰে যি কৰ্ম্ম
ময় কৰোঁ তাকে সিও কৰিব জৈয়াৎকৈ বড় কৰ্ম্ম সি
কৰিব কিয়নো ময় পিতৃৰ্ ওচৰলৈ যাঁও। যিহকে
১৩ তোমোলাকে মোৰ্ নামে খুজিবা পিতৃৰ্ মান্য পুত্ৰৎ
বিদিৎ হবলৈ ময় তাকে কৰিম্। মোৰ্ নামে যেদি
১৪ তোমোলাকে কিবা খোজা তেবে ময় তাকে কৰিম্।
তোমোলাকে যেদি মোৎ প্ৰীতি কৰা তেবে মোৰ্ আজ্ঞা
১৫ মানা। ময়ো পিতৃৰ্ আগৎ প্ৰাৰ্থনা কৰিম্ আৰু
১৬ তোমোলাকে সৈতে সৰ্ব্বদা থাকিবলৈ তেঁও আৰু এক্
সান্ত্বনাকৰোঁতা তোমোলাকক্ দিব। জগতে যিহকে
১৭ গ্ৰহণ কৰিব নোৱাৰে কিয়নো তেঁওক্ সেয়ে নে দেখে
ও নে জানেও এই সত্যৰ আত্মা তেঁও কিন্তু তোমো
লাকে তেঁওক্ জানা তেঁও তোমোলাকে সৈতে বসতি
কৰিব আৰু তোমোলাকৰ্ মাজৎ হব। ময় তোমো
১৮ লাকক্ অনাথ্ কৰি নেৰোঁ ময় তোমোলাকৰ্ ওচৰলৈ
১৯ আহিম্। আৰু অলপ্ দিনৰ পাচে জগতে মোক্

লে দেখিব কিন্তু তোমোলাকে মোক দেখিবা ময় জীৱন্ত
২০ এই নিমিত্তে তোমোলাক জীৱা। ময় পিতৃৰ মাজৎ
তোমোলাক মোৰ মাজৎ ময় তোমোলাকৰ মাজৎ
২১ যেন সেই দিনা তোমোলাকে জানিবা। যি মোৰ
আজ্ঞা পায় মানে সেয়ে মোৎ প্ৰীতি কৰে আৰু যি
মোৎ প্ৰীতি কৰে সি মোৰ পিতৃৰ চেনেহৰ জব ময়ো
তাক চেনেহ কৰিম আৰু তাৰ আগৎ আপুনি
২২ প্ৰৌচিৎ হম। ঈস্কৰিওটীৎকৈ বেলেগ আন যিহুদাহে
ইুলিলে হে প্ৰভু আমাৰ আগৎ আপোনাকে আপুনি
প্ৰৌচিৰ কৰিব কিন্তু জগতৰ আগৎ ন কৰে ঐ কেনে
২৩ কথা। যিশুএ সমিধান দি তেওঁক ইুলিলে কোনোএ যেদি
মোৎ প্ৰীতি কৰে তেবে সেয়ে মোৰ কথা মানিব মোৰ
পিতৃএও তাক চেনেহ কৰিব আৰু আমি তাৰ লগলৈ
২৪ আহি আমি সিয়ে সৈতে বসতি কৰিম। যি মোৎ
প্ৰীতি ন কৰে সি মোৰ কথা নে মানে আৰু যি কথা
তোমোলাকে শুনিছা সেয়ে মোৰ ন হয় কিন্তু মোক
পাঠোঁৱা পিতৃৰ কথা।—
২৫ ময় তোমোলাকৰ লগৎ থাকি এই কথা তোমোলা
২৬ কৎ কৈছোঁ। কিন্তু সান্ত্বনাকাৰীতায় অৰ্থাৎ বিশুদ্ধাত্মায়
যাক পিতৃএ মোৰ মুৰে পঠিয়ায় দিব তেওঁও তোমোলাকক
এটাইকে শিকাব ময় তোমোলাকৎ যিং কৈছোঁ সেই
২৭ সকল তোমোলাকৰ মনৎ দিব। তোমোলাকৰ
লগৎ মোৰ কুশল ময় থৈও মোৰ কুশল তোমোলাকক
ময় দিয়ো যেনেকৈ ব্ৰহ্মাণ্ডৰ মানুহে দিয়ে তেনেকৈ

ময়ো তোমোলাকক্ নি দিয়ো তোমোলাকৰ্ মনৎ বস্ত
২৮ নে লাগোক্ ভয়ো নে লাবক্।    তোমোলাকৎ ময়
কলোঁ৷ মোলে ময় যাঁও তাৰ্ পাচে তোমোলাকৰ্ ওচ
ৰলৈ আৰু আহিম্ ইয়াক তোমোলাকে শুনিছা যোত্
যেদি তোমোলাকে প্রীতি কৰিলাহেঁতেন্ তেবে ময়
পিতৃৰ্ ওচৰলৈ যাঁও মোৰ্ এই কথাতে তোমোলাক্
আনন্দিৎ হলাহেঁতেন্ কিয়নো মোৎকৈ বড় মোৰ্ পিতৃ
২৯ আছে। এই সকল ওপস্থিৎ হলে তোমোলাকে আস্তিক্
কৰিবা এই নিমিত্তে সেয়ে সম্পূর্ণ হোৱাৰ আগেই
৩০ ময় এতিয়াই তোমোলাকৎ কৈছোঁ।   ঔয়াৰ্ পাচে
তোমোলাকে সৈতে ময় আৰু সৰহ কথা ন কঁও
কিয়নো এই জগতৰ্ ৰজা আহিছে মোৰ্ মাজৎ তাৰ্
৩১ একো নাঁয়। কিন্তু ময় পিতৃৎ প্রীতি কৰোঁ আৰু যি ৰূপে
তেঁও মোক্ আজ্ঞা দিছে সেই ৰূপে ময় কৰোঁ বুজ্জাওৎ
যক্ষা মানুহে ঔয়াকে জানিবলৈ ময় কঁও ওঠা আমি
ঔয়াৰ্পৰা যাঁওহোঁক্।—

পর্ব্ব  ময় স্বৰূপে দ্রাক্ষালতা মোৰ্ পিতৃ খেতিয়ক্। মোৰ্
১৫ যিং ডালে গুটি ন ধৰে সেইং ডাল্ তেঁও গুচায় আৰু
যিং ডালে গুটি ধৰে সেয়ে আৰু গুটি ধৰিবলৈ তেঁও
৩ চিকোন কৰে।    এতিয়া যিং কথা ময় তোমোলাকৎ
কৈছোঁ সেই কথাৰ্ দোৱাৰায় তোমোলাক্ চিকোন্
৪ হইছা।   তোমোলাক্ মোৰ্ মাজৎ ময়ো তোমোলা
কৰ্ মাজৎ যেনেকৈ দ্রাক্ষালতাৎ নে থাকিলে ডালে
আপুনি গুটি ধৰিব নোৱাৰে তেনেকৈ মোৰ্ মাজত্তো
৫ নে থাকিলে তোমোলাকে গুটি ধৰিব নোৱাৰিবা।   ময়

দুষ্কালন্তা তোমোলাক্ হ্লাল্ যি কোনো মোৰ্ মাজং
থাকে ময়ো তাৰ্ মাজং সি বহু গুটি ধৰে কিয়নো ময়
৬ নথকাং তোমোলাকে একো কৰিব নোৱাৰা। কোনো
মোৰ্ মাজং নে থাকি ডালৰ্ নিচিনাকৈ কটা যায় আৰু
শুকাই যায় পাচে মানুহে গোটায় জুইং পেলায় তাতে
৭ সিহঁং পোড়া যায়। যেদি তোমোলাক্ মোৰ্ মাজং
থাকা আৰু মোৰ্ কথাও তোমোলাকৰ্ মাজং থাকে
তেবে যিহং ইচ্ছে তোমোলাকে ঔচ্ছা কৰা তাকে প্ৰাৰ্থনা
৮ কৰিলে তোমোলাকলৈ সিও কৰা হব। তোমো
লাকে বহু গুটি ধৰাতে মোৰ্ পিতৃৰ্ গৌৰব প্ৰকাশিং
হয় এই ৰূপেও তোমোলাক্ মোৰ্ নিশ্চয়ে শিষ্য হবা।
৯ যেনেকৈ পিতৃএ মোক্ চেনেহ কৰিছে তেনেকৈ ময়ো
তোমোলাকক চেনেহ কৰিছোঁ মোৰ্ চেনেহতে থাকা।
১০ মোৰ্ আজ্ঞা যেদি তোমোলাকে মানা তেবে মোৰ্ চেনে
হতে থাকিবা যেনেকৈ ময় মোৰ্ পিতৃৰ্ আজ্ঞা মানি
১১ তেঁওৰ্ চেনেহতে থাকোঁ। ময় তোমোলাকং এই কথা
কৈছোঁ যেন্ তোমোলাকৰ্ মাজং মোৰ আনন্দ থাকে
আৰু যেন্ তোমোলাকৰ্ আনন্দ সম্পূৰ্ন হয়।—
১২ যেনেকৈ ময় তোমোলাকক্ চেনেহ কৰিছোঁ সেই ৰূপে
তোমোলাকেও আন্যোন্যে চেনেহ কৰা এই মোৰ্
১৩ আজ্ঞা। কোনোএ যেদি মিত্তিৰৰ্ অৰ্থে আপোনাৰ্ প্ৰাণ
১৪ দিয়ে তেবে জৈয়াৎ কৈ বড় চেনেহ কাৰো নায়। ময়
তোমোলাকক্ যিং আজ্ঞা দিয়ো তাকে কৰিলে তোমো
১৫ লাক্ মোৰ্ মিত্তিৰ। জৈয়াৰ্ পাচে ময় তোমোলাকক্
বন্দি বুলি ন কওঁ কিয়নো প্ৰভুএ যি কাৰ্য্য কৰে বন্দিএ তাৰ্

নেজানে কিন্তু ময় তোমালোকক্ মিত্তর বুলি মাতিছোঁ
কিয়নো মোর্ পিতৃর্ ওৎ ময় যি২ শুনিছোঁ সেই এটাই
১৬ যালি তোমালোকক্ জনাইছোঁ। তোমালোকে মোক্
ভাল্ নে পালা কিন্তু তোমালোকক্ ময় ভাল পাইছোঁ
আরু তোমালোকক্ নিয়োজনো করিছোঁ যেন তোমা
লোকে বহু গুটি দিবা আরু যেন্ তোমালোকর্ গুটি থাকে
তাতে মোর্ পিতৃর্ কাষৎ মোর্ নামে তোমালোকে
১৭ যিহকে খুজিবা তাকে তেঁও তোমালোকক দিব। ময়
তোমালোকক্ এই আজ্ঞা দিছোঁ তোমালোকে আন্যো
১৮ আন্যে চেনেহ করা। যেদি জগতে তোমালোকক্
ঘিনায় তেবে তোমালোকক্ ঘিনাবার আগেই সি মোক্
১৯ ঘিনালে যেন্ তোমালোকে জানা। যেদি তোমালোক্ এই
জগতর্ মানুহ হলাহেঁতেন্ তেবে জগতে আপোনার্
মানুহক্ চেনেহ করলেহেঁতেন্। তোমালোকে এই
জগতর্ মানুহ নোহোৱা কিন্তু জগতৎ কৈ তোমালো
কক্ ময় ভাল্ পাইছোঁ এই নিমিত্তে জগতে তোমা
২০ লোকক্ ঘিনায়। বন্দি প্রভুৎ কৈ বড় ন হয় এই যি
কথা ময় তোমালোকৎ কৈছোঁ সেই কথা মনৎ রাখা।
সিহঁতে যেদি মোক্ খিয়াল করে তেবে তোমালোককো
খিয়াল করিব মোর্ কথা যেদি সিহঁতে মানে তেবে
২১ তোমালোকর্ কথাও মানিব। যি জনে মোক্ পঠি
য়াইছে তেঁওক্ সিহঁতে নেজানে সেই কারণে এই
খিলাক্ মোর্ নামর্ নিমিত্তে সিহঁতে তোমালোকক্
২২ করিব। যেদি ময় নাহিলোহেঁতেন্ আরু সিহঁতক্
কই নিলোহেঁতেন্ তেবে সিহঁতর্ পাতক্ ন হলহেঁতেন্

২৩ কিন্তু এতিয়া সিহঁতৰ পাতকৰ আচ্ছাদন নাই। যি
২৪ মোক ঘিনায় সি মোৰ পিতৃকো ঘিনায়। যি কর্ম্ম আৰু
কোনোএ কৰা নাই সেই কর্ম্ম যেদি আমি সিহঁতৰ
মাজৎ ন কৰিলোহেঁতেন তেবে সিহঁতৰ পাতক ন
হলহেঁতেন কিন্তু এতিয়া মোকো মোৰ পিতৃকো সিহঁতে
২৫ দেখিছে আৰু ঘিনাইছে। কিন্তু সিহঁতে অকাৰণতে
মোক ঘিনাইছে সিহঁতৰ শাস্ত্ৰৎ এই যি কথা লেখা
আছে সেই কথায় সম্পূর্ন হবলৈ এয়ে হল।—
২৬ যাঁকে তোমোলাকৰ এথৈন পিতৃৰ তৰপৰা ময় পঠি
য়াম এই যি সান্ত্বনাকৰোঁতা অথচ পিতৃৰপৰা ওলোৱা
সত্যৰ আত্মা তেঁৱেই আহি মোৰথে প্ৰমাণ দিব।
২৭ তোমোলাকো আদিৰেপৰা ময়ে সৈতে আছিলা সেই
নিমিত্তে তোমোলাকেও প্ৰমাণ দিবা।—

পর্ব্ব তোমোলাক বাধিৎ ন হবলৈ এই কথা তোমোলা
১৬ কৎ ময় কলোঁ। সিহঁতে তোমোলাকক সিনাগগৰ
পৰা বাজ ওলিয়াব কোনোএ তোমোলাকক বধ কৰি
আপোনাকে ঈশ্বৰৰ শুশ্ৰূষা কৰিবলৈ বুজিব এনে কাল
৩ আহিছে। সিহঁতে পিতৃক মোকো নেজানে সেই
৪ নিমিত্তে এইবিলাক তোমোলাকক কৰিব। কিন্তু ময়
তোমোলাকৎ এই সকল কৈছোঁ যেন সেই সময় আ
হিলে তোমোলাকৰ মনৎ পৰিবলৈ ময় তোমোলাকৎ
এইবিলাক কথা কৈছোঁ। ময় তোমোলাকে সৈতে
আছিলোঁ এই নিমিত্তে আদিতে এই কথা তোমোলা
৫ কৎ ন কলোঁ। কিন্তু এতিয়া যি জনে মোক পঠিয়াইছে
তেঁওৰ ওচৰলৈ ময় যাওঁ আৰু কলৈ যায় তোমোলাকৰ

৬ কোনোএ মোক্ ঔৱাঁক্ নো সোধে। কিন্তু তোমোলাকক্
ময় এই কথা কোৱাৎ তোমোলাকৰ্ মন্ দুঃখেৰে
৭ পূৰ্ হইছে। কিন্তু ময় স্বৰূপ কথা তোমোলাকক্
কওঁ ময় গলে আৰু তোমোলাকৰ্ ভালহে হব কিয়নো
ময় ন গলে সান্ত্বনাকৰোঁতা তোমোলাকৰ্ এথৈল না
হিব কিন্তু ময় গৈ তেঁওক্ তোমোলাকৰ্ এথৈলে পঠি
৮ যাম্। আৰু তেঁও আহি জগতকে পাতককে পৰ
৯ মাৰ্থকে সোধিৎ টুজাব। সিবিলাকে মোৎ বিশ্বাস্
ন কৰে সেই নিমিত্তে পাতকৰ্ জ্ঞান্ দিব। ময়
১০ আপোনাৰ্ পিতৃৰ্ ঠাইলৈ যঁও তোমোলাকে আৰু
মোক্ দেখিবলৈ নে পাবা সেই নিমিত্তে পৰমাৰ্থৰ্ জ্ঞান্
১১ দিব। এই জগতৰ্ ৰজা সোধিৎ হবলৈ সোধৰ্
জ্ঞান্ দিব।—

১২ তোমোলাকৎ মোৰ্ আৰু ভালেমান্ কবলগা
আছে কিন্তু এতিয়া তোমোলাকে তাক্ সহিব নোৱা
১৩ ৰিবা। কিন্তু তেঁও সত্যৰ্ আত্মাৰে আহি সমস্তো
সত্যেৰে তোমোলাকক্ পথ দেখুৱাব কিয়নো তেঁও
আপোনাৰ্পৰা ন কব কিন্তু যিহকে শুনিব তাকে কব।
আৰু ভবিষ্যৎ পদাৰ্থ তোমোলাকক্ তেঁও দেখুৱাব।
১৪ তেঁও মোৰ্ মহিমা প্ৰৌঢ়িক্ কৰিব কিয়নো মোৰ্ যিং
১৫ আছে তেঁও তাকে লৈ তোমোলাকক্ দেখুৱাব। পিতৃৰ্
যিং আছে সেই সকলো মোৰ্ এই হেতুকে ময় টুলিলো
তেঁও মোৰ্ যিং তাকে লৈ তোমোলাকক্ দেখুৱাব।—
১৬ অলপ্ দিনৰ্ পাচেই তোমোলাকে মোক্ দেখিবলৈ
নে পাবা পুনৰ্ অলপ্ দিনৰ্ পাচে তোমোলাকে মোক্

দেখিবলৈ পাবা কিয়নো ময় পিতৃৰ ঠাইলৈ যাম্।
১৭ তেতিয়া তেওঁৰ কেওটি ভকতে অন্যো অন্যে কুলিলে
অলপ দিনৰ পাচে তোমোলাকে মোক দেখিবলৈ নে
পাবা পুনৰ অলপ দিনৰ পাচে মোক দেখিবলৈ পাবা কিয়
নো ময় পিতৃৰ ঠাইলৈ যাম্ এই যি কথা তেঁও আমাৎ
১৮ কয় ইয়াৰ অৰ্থ কি। এই হেতুকে সিবিলাকে কুলিলে
অলপ দিন এই যি কথা এওঁ কয় সেয়ে কি এওঁ যি কথা
কয় তাক আমি বুজিব নোৱাৰোঁ। সিবিলাকে তেঁওৎ
১৯ সুধিব খুজিলে যেন যিশুএ জানিলে এই হেতুকে সিবিলা
কক কুলিলে অলপ দিনৰ পাচে তোমোলাকে মোক দেখি
বলৈ নে পাবা আৰু পুনৰ অলপ দিনৰ পাচে মোক দেখি
বা ময় এই যি কথা কলোঁ তোমোলাকে তাৰে আপোন
২০ পোৱা পোৱি কৰিছা নে। তোমোলাকৎ ময় স্বৰূপ কহি
কওঁ তোমোলাকে হাহাঁকাৰ কৰিবা আৰু কান্দিবা কিন্তু
সংসাৰ আনন্দিৎ হব তোমোলাকে কষ্ট পাবা কিন্তু
২১ তোমোলাকৰ কষ্ট আনন্দতে হবা হাব। পুসব
কালৎ তিৰোতায় কষ্ট পায় কিয়নো তাইৰ পুসবৰ
কাল হয় কিন্তু লৰা ওপজিলে পাচে পুত্ৰ সন্ততি সংসা
ৰৎ পুসবৰ আনন্দতে সেই যাতনা মনৎ নে থাকে।
২২ এই ৰূপে তোমোলাকৰো কষ্ট এতিয়া আইছে হয়
কিন্তু ময় তোমোলাকক পুনৰ দেখিম্ তাতে তোমোলা
কৰ মন আনন্দিৎ হব কোনেও তোমোলাকৰ হৰিষ
২৩ হৰগুজাব। সেই দিনা তোমোলাকে মোৰ আগৎ একো
প্ৰাৰ্থনা ন কৰিবা সচ্চেং তোমোলাকৎ ময় কওঁ মোৰ
নামে তোমোলাকে যিহকে পিতৃৰ আগৎ খুজিবা

২৩ তাকে তেঁও তোমোলাকক্ দিব। এতিয়ালৈকে মোর্
নামে তোমোলাকে একো খোজা নাই খোজা তাতে
তোমোলাকে পাবা তোমোলাকর্ আনন্দ যেন সম্পূর্ন হয়।
২৫ এই সকল্ দৃষ্টান্ত দি তোমোলাকৎ ময় কৈছোঁ কিন্তু যি
কালৎ ময় দৃষ্টান্ত আরু ন কম্ কিন্তু পিতৃর্ কথা ব্যক্ত
২৬ করি জনাম্ সেই সময় আহিছে। সেই দিনা তোমো
লাকে মোর্ নামে প্রার্থনা করিবা আরু ময় ন কঁও যি
ময় তোমালাকর্ কথা পিতৃর্ আগৎ প্রার্থনা করিম্।
২৭ কিয়নো তোমোলাকে মোৎ প্রীতি করিছা আরু তোমো
লাকে পতিয়াইছা যেন ময় পিতৃর্পরা আহিছোঁ সেই
২৮ নিমিত্তে পিতৃ আপুনি তোমোলাকক স্নেহ করে। ময়
পিতৃর্পরা ওলাইলৈ আহিলোঁ পাচে জগৎ এড়ি ময়
পিতৃর্ ঠাইলৈ যাঁও।—
২৯ তেঁওর্ ভক্তৎ সকলে তেঁওক্ কৈলিলে দেখোক্ এতিয়া
আপুনি ব্যক্ত কথা কৈছে দৃষ্টান্তেরে একো কোয়া নাই।
৩০ এতিয়া আমি নিশ্চয় জানো আপুনি সর্ব্বজান্ আরু
কোনোএ আপোনাৎ সুধিবর্ প্রয়োজন্ নাই আপুনি
৩১ ঈশ্বরর্পরা অহা ইয়াকো আমি ইয়াতেই পতিযাঁও।
যিশুএ সমিধান্ দিলে বোলে তোমোলাকে এতিয়া পতি
৩২ য়োবা নে। দেখা যি কালৎ তোমোলাক এটাই
আপোনার্ সংসারৎ গোটাই যাবা আরু মোক্ অকল্
সরিয়াইকৈ এড়ি যাবা সেই কাল্ আহিছে আরু এতি
য়াও আছে কিন্তু ময় অকল্ নো হোঁ কিয়নো পিতৃ মোর্
৩৩ লগৎ আছে। ময় তোমোলাকৎ এই কথা কৈছোঁ যেন্
তোমোলাকে মোতে কুশল পোৱা জগতৎ তোমোলাকে

দুঃখ পাবা  কিন্তু নির্ভয় হোৱা ময় জগতক্ পৰাভৱ
কৰিছোঁ।—

পৰ্ব্ব  য়িশুএ জৈয়াকে তুলি স্বৰ্গৰ্ ফাললৈ চায় তুলিলে হে
১৭ পিতৃ সেই কাল ওপগত্ হইচে তুমি আপোন পুত্ৰক্
যিমান্ মানুহ দিচা তাৰ্ সেইবিলাক্ মানুহক্ অন
২ ন্তায়ু দিবলৈ যি মহিমা সকল্ প্ৰাণিৰ ওপৰৎ তেঁওক্
দিচা সেই মহিমাৰ্ অনুসাৰে যি পুত্ৰে তোমাৰ্ মহিমা
প্ৰৌচক কৰে এই নিমিত্তে তোমাৰ পুত্ৰৰ্ মহিমা প্ৰৌচক
৩ কৰা।   সত্য এক্ ঈশ্বৰ তুমি তোমাক্ জানা আৰু
যাক্ তুমি পঠিয়াইচা যি য়িশু খ্ৰীষ্ট তেঁওক্ জানা এয়ে
৪ অনন্তায়ু।   ময় পৃথিবীৎ তোমাৰ্ মহিমা প্ৰৌচক
কৰিছোঁ যি কাৰ্য্য মোক্ কৰিবলৈ তুমি দিচা তাক্ ময়
৫ সম্পূৰ্ণ কৰিছোঁ।   হে পিতৃ জগতৰ্ আগেই তুমিয়ে
সৈতে থাকি মোৰ্ যি গৌৰৱ আছিল্ সেই গৌৰৱেৰেই
৬ এতিয়া আপোনাৰে সৈতে মোৰ্ গৌৰৱ কৰা।  জগ
তৰ্পৰা যিবিলাকক্ তুমি মোক্ দিচা সিহঁতৰ্ আগৎ
তোমাৰ্ নাম ময় প্ৰৌচক কৰিছোঁ সিহঁত্ তোমাৰ্ আ
চিল্ সিহঁতক্ তুমি মোক্ দিচা আৰু সিবিলাকে
৭ তোমাৰ কথা মানিচে। এতিয়া যিহকেৎ তুমি মোক্ দিচা
সেই বিলাকেই তোমাৰ্পৰা হল্ সিহঁতে জৈয়াক্ জা
৮ নিচে। কিয়নো যি কথা মোক্ তুমি দিচা তাকে ময় সিহঁ
তক দিছোঁ আৰু সিহঁতেও তাকে গ্ৰহণ কৰিচে আৰু
ময় তোমাৰপৰা আহিছোঁ সিহঁতে জৈয়াকো নিশ্চয়ে
জানিচে আৰু তুমি মোক্ পঠিয়াইচা যেন্ জৈয়াকো

৯ সিহঁতে পতিয়াইছে। ময় সিহঁতৰ্ অৰ্থে প্ৰাৰ্থনা
কৰোঁ ময় জগতৰ্ অৰ্থে প্ৰাৰ্থনা ন কৰোঁ কিন্তু যিবিলাকক্
১০ মোক্ দিছা সিহঁতৰ্ অৰ্থে কিয়নো সিহঁত তোমাৰ্।
আৰু যি মোৰ্ সি তোমাৰ্ যি তোমাৰ্ সি মোৰ্
আৰু সিহঁতৰ্ মাজত মোৰ্ গৌৰৱ প্ৰকাশ হইছে।
১১ ময়ো এতিয়া আৰু জগতত নথাকোঁ কিন্তু ঔহঁত জগ
তত থাকে আৰু ময় তোমাৰ্ ওচৰলৈ আহিছোঁ
হে ধৰ্ম্ম পিতৃ যিবিলাকক্ মোলৈ দিছা আমি যেনেকৈ
এক্ হইআছোঁ সিহঁতো যেন্ তেনেকৈ এক্ হয় এই
১২ নিমিত্তে আপোনাৰ্ নাম দি সিহঁতক্ ৰক্ষা কৰা। ময়
যেতে দিন্ জগতত আছিলোঁ তেতে দিন্ সিহঁতক্ তো
মাৰ্ নামে ৰক্ষা কৰিছিলোঁ যিবিলাকক্ তুমি মোলৈ
দিছা সেইবিলাকক্ ময় ৰক্ষা কৰিছোঁ আৰু ধৰ্ম্মপুথিত
যি লেখা পূৰ কৰলৈ সৰ্ব্বনাশৰ্ অধিকাৰক এড়ি সিহঁ
১৩ তৰ্ এটাও নে হেৰাল্। এতিয়া তোমাৰ্ ওচৰলৈ
ময় আহোঁ আৰু মোৰ্ আনন্দ সিহঁতৰ্ মাজত সম্পূৰ্ণ
১৪ হবলৈ ময় এই কথা জগতত কওঁ। সিহঁতক্ তোমাৰ্
কথা ময় দিছোঁ আৰু জগতে সিহঁতক্ ঘিনাইছে কিয়নো
যেনেকৈ ময় এই জগতৰ্ নোহোঁ তেনেকৈ সিহঁতো
১৫ এই জগতৰ্ মানুহ ন হয়। তুমি সিহঁতক্ এই জগ
তৰ্পৰা নিবলৈ ময় প্ৰাৰ্থনা ন কৰোঁ কিন্তু সিহঁতক্ দো
১৬ ষৰ্পৰা তুমি ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা কৰোঁ। যেনেকৈ
ময় এই জগতৰ্ মানুহ নোহোঁ তেনেকৈ সিহঁতো এই
১৭ জগতৰ্ ন হয়। সিহঁতক্ তোমাৰ্ সত্যৰ্ দ্বাৰা
১৮ ন্যায় শুদ্ধ কৰা তোমাৰ্ কথা সত্য। যেনেকৈ মোক্

তুমি এই জগতলৈ পঠিয়াইছা তেনেকৈ ময়ো সিহঁতক
১৯ জগতৰ মাজলৈ পঠিয়াইছোঁ। আৰু সিহঁত সত্যৰ
দোৱাৰায় শুদ্ধ হবলৈ সিহঁতৰ কাৰণে ময় আপো
২০ নাকে পবিত্ৰ কৰোঁ। ময় ঔহঁতৰ নিমিত্তে কেৱল
প্ৰাৰ্থনা ন কৰোঁ কিন্তু যিবিলাকে সিহঁতৰ কথা শুনি
২১ মোক পতিয়াব সিহঁতৰো অৰ্থে। হে পিতৃ ময় প্ৰাৰ্থনা
কৰোঁ যেন সিহঁত এটাই এক হয় আৰু তুমি মোক
পঠিয়াইছা জগতে ঔয়াৎ আস্তিক কৰিবলৈ যেনেকৈ
তুমি মোৰ মাজত ময় তোমাৰ মাজত সিহঁতো তেনে
২২ কৈ মোৰ মাজত এক হয়। যি গৌৰৱ তুমি মোক দিছা
সেই গৌৰৱ ময় সিহঁতক দিছোঁ আমি যেনেকৈ এক
২৩ হোঁ সিহঁতো তেনেকৈ এক হয়। অৰ্থাৎ ময় সিহঁতৰ
মাজত তুমি মোৰ মাজত যেন সিহঁত একেতে সম্পূৰ্ণ
হয় আৰু তুমি মোক পঠিয়াইছা আৰু যেনেকৈ মোক
চেনেহ কৰিছা সেই ৰূপে সিহঁতকো চেনেহ কৰিছা
২৪ জগতে ঔয়াকো জানে। হে পিতৃ যিবিলাকক তুমি
মোলৈ দিছা মোৰ যি গৌৰৱ তুমি কৰিছা সেই গৌ
ৰৱ দেখিবলৈ সিহঁত যি ঠাইত ময় থাকোঁ সেই
ঠাইত মোৰ ওচৰত থাকে ঔয়াকে ময় ঔচ্ছা কৰোঁ
কিয়নো জগতৰ বেৰ দিয়াৰ আগেই তুমি মোৰ
২৫ চেনেহ কৰিছা। হে পৰমাৰ্থিক পিতৃ জগতে তোমাক
নে জানে কিন্তু ময় তোমাক জানিছোঁ আৰু নি যে মোক
২৬ পঠিয়াইছে ঔহঁতে তাকে জানিছে। সিহঁতৰ আঁ
গত ময় তোমাৰ নামে প্ৰচিদ্ধ কৰিছোঁ যি চেনেহেৰে
তুমি মোক চেনেহ কৰিছা সেই চেনেহ সিহঁৰ মাজত

থাকিবলৈ আৰু যয় সিহঁতৰ্ মাজত থাকিবলৈ যয়
তাকে প্ৰৈতিক কৰিম্।

পৰ্ব্ব যিশুএ এই কথা কৈ আপোনাৰ্ ভকত সকলে সৈতে
১৮ কিদৰোন্ নৈ পাৰ্ হল্ সেই ঠাইতে এখান্ বাৰী
আছিল্ সেই বাৰিতে তেঁও আৰু তেঁওৰ্ ভকত সকলো
২ সোমালগৈ। যিহুদাহ বিশ্বাসঘাতকীও সেই ঠাই
জানিলে কিয়নো আপোনাৰ্ শিষ্যসকলে সৈতে যিশু
৩ কোনোৎ বেলি তালৈ যায়। তেতিয়া যিহুদাহ বৰ
পুৰোহিতৰ ফাৰিশি সকলৰো ওচৰৰ্পৰা চিপাহীক
হাৱালদাৰহঁতকে পাঁয় মসৰাতি আৰু আৰিয়া আৰু
৪ অস্ত্ৰ হাতত লৈ সেই ঠাইলৈ আহিল্। এই হেতুক
আপোনাত যি মিলিব সেই সকল্ জানি যিশু বাজলৈ
গল্ আৰু সিবিলাকক্ সুধিলে তোমোলাকে কাক্ বিচা
৫ ৰিচা। সিবিলাকে তেঁওক্ সমিধান্ দিলে যিশু নাজ
ৰেথক। তাতে যিশুএ সুধিলে যয়ে সেই জন্ যিহু
দাহ বিশ্বাসঘাতীও সিবিলাকৰ্ লগতে থিয় হল্।
৬ যয়েই সেই জন্ তেঁও সিবিলাকত এই কথা কওঁতেই
৭ সিবিলাক্ পিছেৰ গৈ মাটিত পৰিল্। তেতিয়া তেঁও
সিবিলাকক্ আকও সুধিলে তোমোলাকে কাক্ বিচা
৮ ৰিচা সিবিলাকে সুধিলে যিশু নাজৰেথক্। যিশুএ
সমিধান দি সুধিলে যয়েই সেই জন্ তোমোলাকত যয়
জোৱাক্ কৈছোঁ এয়েৰেই যেদ যোক বিচাৰিচা তেবে
৯ এবিলাকক্ যাব দিয়া। যিবিলাকক্ তুমি মোলৈ দিছা
সেইবিলাকৰ্ মাজৰ্ এজন্ যয় নে হেৰালো এই যি
কথা তেঁও কৈছিল্ সে কথায় সম্পূৰ্ণ হবলৈ এইবিলাক

১০ হল। শীমোন্ পিতৰৰ্ লগৎ এখান্ তৰোৱাল্ আছিল্
তেঁও তেতিয়ায় তাক্ উলিয়ায় বড় পুৰোহিতৰ্ বন্দিলৈ
মাৰি তাৰ্ সোঁ কান্ কাটি পেলালে সেই বন্দিৰ নাম্
১১ মল্কস। তেতিয়া যিশুএ পিতৰক্ কুলিলে তোমাৰ্
তৰোৱাল্ তাৰৎ আৰুও থোৱা যি টৈমা মোৰ্ পিতৃএ
মোক্ দিছে ময় তাক্ নিপিয়্ নে।—
১২ তেয়াৰ্ পাচে ৰক্ষৱাহঁতে সেনাপতিয়ে যিহুদীহঁতৰ্
১৩ বিষয়াহঁতে যিশুক্ ধৰি বান্ধিলে। আৰু প্ৰথমতে
তেওক্ যান্নৰ্ আগলৈ লৈ গল কিয়না সেই বৎসৰ
ৰৰ কায়াফাস নামে যি বড় পুৰোহিৎ তাৰে শহুৰেক্
১৪ সেই যান্না আছিল। এক্ মানুহ লোকৰ্ হুই
অৱশ্য মৰিবলগা এই বুদ্ধি যিহুদীহঁতক্ যি দিছল্
১৫ এই কায়াফাস সেই। শীমোন্ পিতৰে আৰু এজন্
ভক্তে যিশুৰ্ পিচৎ গল্ সেই ভক্তৰ বড় পুৰো
হিতে সৈতে চিনা পৰিচয় আছিল্ আৰু যিশুএ সৈতে
১৬ বড় পুৰোহিতৰ্ পকিচৰালৈ গল্। কিন্তু পিতৰ্ দুৱা
ৰৰ্ ওচৰৎ বাজৎ থিয় হল্ তেতিয়া যি ভক্তৰ্ বড়
পুৰোহিতে সৈতে চিনা পৰিচয় আছিল্ সেয়ে বাজলৈ
১৭ গৈ দুৱৰিৎকৈ পিতৰক্ ভিতৰলৈ আনিলে। তেতিয়া
সেই দুৱৰিএ পিতৰক্ কুলিলে তুমি এই মানুহৰ্
এজন্ শিষ্য নোহোঁৱা তেঁও কুলিলে ময় নোহোঁ।
১৮ বন্দিহঁতে বিষয়া মানুহেও তাতে থিয হুই জাৰৎ
আঙ্গাৰৰ্ জুই জ্বালি পুৱালে তেতিয়া পিতৰেও সিহঁ
তৰ্ লগতে থিয় হুই জুই পুৱালে।—
১৯ পাছে বড় পুৰোহিতে যিশুক্ তেঁওৰ্ ভক্তৰ্ কথা

২০ আৰু শিক্ষাৰ কথা শুধিলে। যিশুএ তেঁওক সিদ্ধান্ত
দিলে বোলে ময় প্ৰৌচৰ কৰি জগতৎ কৈছোঁ ঘৈল যিহুদী
যীহঁৎ নিতোঁৎ যায় সেই সিনগগতো মন্দিৰতো ময়
সৰ্ব্বদা শিখালোঁ আৰু গুপ্তৎ কৰি ময় একো ন কলোঁ।
২১ মোৎ কিয় শুধিছা যিবিলাকে মোৰ শিক্ষা শুনিছে সেই
বিলাকতে শোধা ময় যি কথা কৈছিলোঁ দেখ তাক সিহঁতে
২২ জানে। তেঁও এয়াকে কঁওতেই ওচৰতে থকা এক
বিষয়া মান্নুহে যিশুক চৰ মাৰিলে বোলে তয় কি বড়
২৩ প্ৰুৰোহিতক এনেকৈ ওতৰ দিয়। যিশুএ সমিধান
দিলে যেদি ময় বয়া কথা কৈছোঁ তেবে সেই বয়া কথাৰ
প্ৰমাণ দিয়া কিন্তু যেদি ময় ভাল কৈছোঁ তেবে মোক
২৪ কিয় মাৰিছা। কায়াফাস নামে বড় প্ৰুৰোহিতৰ ওচৈ
আন্নায় তেঁওক বান্ধেৰেই পঠিয়াইছিল। শীমোন্
২৫ পিতৰে যিয় হুই জুই প্ৰুৱাইছিল তেতিয়া সিবিলাকে
তেঁওক কুলিলে তুমিও এই মান্নুহৰ এজন ভক্তৎ নো
২৬ হোৱা সি সৈ ন কৰি কুলিলে ময় সি নোহোঁ। যাৰ
কান পিতৰে কাটি পেলাইছিল তাৰে সিতিৰ বড়
প্ৰুৰোহিতৰ এটা বন্দএ কুলিলে বাৰিৎ তেঁৰে সৈতে
২৭ তোমাক আমি দেখা নায় নে। তেতিয়া পিতৰে
আকৌ সৈ ন কৰিলে পাছে তেতিয়ায় কুকুৰায় ডাক দিলে।
২৮ তাৰ পাছে সিবিলাকে ৰাতিপুৱায় কায়াফাসৰ ওচৰৰ
২৯ পৰা শোধিৰ ঠৰালৈ যিশুক লৈ গল। আৰু সিবি
লাক অশুচি ন হয় কিন্তু পেস্যাখ খাব পাৰে এই নিমিত্তে
সিবিলাক শোধিৰ ঠৰালৈ ন গল। তেতিয়া পীলাতে
বাজলৈ গৈ কুলিলে এই মান্নুহক তোমোলাকে কি অপ

৩০ ধাৰ্দ্ দিয়ানে। সিবিলাকে ভেঁওক উত্তৰ দিলে বোলে
যেদিসি কুকৰ্ম্মী ন হলহেতেঁন্ তেৱে আমি তোমাৰ্ আগ
৩১ তাক্ ন কৰিলোঁহেতেন্। তেতিয়া পীলাতে সিবিলা
কক্ ইুলিলে তোমোলাকে তাক্ লি তোমোলাৰ শাস্ত্ৰা
নুসাৰে তাৰ্ শোধ কৰা হঁগে। তাতে আমুলি কোন
বিধি মৰণৎ মৰিব জৈয়াকে জনাবলৈ যিশুৰ্ এই যি
৩২ কথা তেঁও কৈছিল্ সেই কথায় পূৰ কৰবলৈ যিহু
দীসকলে ভেঁওক ইুলিলে আমি কাৰো বধ্ কৰিবলগা
৩৩ ন হয়। তেতিয়া পীলাতে আকেও শোধিব্ ঘৰলৈ আহি
আৰু যিশুক্ ডাকি ইুলিলে তুমি যিহুদীহঁতৰ্ ৰজা নে।
৩৪ যিশুএ ভেঁওক্ সমিধান্ কৰিনে বোলে তুমি আপুনি
এই কথা কৈছা নে অথবা আৰু কোনোবায় মোৰ্
৩৫ কথা তোমাৎ কৈছে। পীলাতে উত্তৰ্ কৰিলে বোলে
ময় যিহুদী নে তোমাৰ্ স্বদেশী মানুহে বড় প্ৰোহিৎ
সকলেও তোমাক্ মোৰ্ আগি কৰি দিছে তুমি কি
৩৬ কৰিছা। যিশুএ উত্তৰ্ কৰিলে বোলে মোৰ্ ৰাজ্য
এই জগতৰ্ ন হয় মোৰ্ ৰাজ্য যেদি এই জগতৰ্ হলে
তেন্ তেৱে ময় যিহুদীহঁতৰ্ আগ ন কৰবলৈ মোৰ্
বন্দিহঁতে ৰণ কৰিলেহেঁতেন কিন্তু এতিয়া মোৰ্ ৰাজ্য
৩৭ এই ঠাইৰ্ ন হয়। এই হেতুকে পীলাতে ইুলিলে তেৱে
তুমি ৰজা নে। যিশুএ উত্তৰ্ কৰিলে বোলে ময় ৰজা
হোঁ যেন্ তুমি জৈয়াক্ কৈছা এই নিমিত্তে ময় জন্মিছিলোঁ
সত্যৰ্ প্ৰমাণ দিবলৈ ময় এই জগতলৈ আহিলো যিং
৩৮ মানুহ সত্যক হয় সেয়ে মোৰ্ কথা শুনে। পীলাতে
ভেঁওক ইুলিলে সত্য কি আৰু জৈয়াকে ইুলি সি আকেও

যিহুদীহঁতৰ্ ওঠৰলৈ গল্ সিবিলাক্ক্ কুঁলিলে ময়
৩৯ তাৰ্ এঁকো জগৰ্পোৱা নায়। কিন্তু ময় পেস্যাৰ
সময়ৎ যে ময় তোমোলাকৰ্ আগৎ এটাক্ মুকলি
কৰোঁ এনে এক্ তোমোলাকৰ্ ব্যৱহাৰ্ আছে এতেকেই
ময় যিহুদীহঁতৰ্ ৰজাক্ মুকলি তোমোলাকলৈ কৰোঁ
৪০ তোমোলাকৰ্ এনে উচ্ছা নে। তেতিয়া সিবিলাকে
এটায়ে এটাহ পাৰি কুঁলিলে এই মানুহক্ ন হয় কিন্তু
বাৰাব্বাক্ বাৰাব্বা চোৰ্ আছিল্।—

পৰ্ব্ব পীলাতে যিশুক্ ধৰি কোটোৱা লগালে পাচে ছিপাহি
১৯ হঁতে কাইটৰ্ এটা টকয়া সাজি তেঁওৰ্ মুৰৎ দিলে
২ আৰু এক্ বেঙুনা বৰণিয়া কাপৰ্ তেঁওক পিন্ধালে।
আৰু বোলে হে যিহুদীসকলৰ্ ৰজা নমস্কাৰ সিবি
৩ লাকে তেঁওক্ চৰ মৰিয়ালে। এই হেতুক্ পীলাতে আকও
৪ বাজলৈ গৈ সিবিলাকক্ কুঁলিলে দেখা ময় তাৰ্ এঁকো
জগৰ্ পোৱা নায় যেন্ তোমোলাকে উয়াকে জানিবলৈ
৫ তোমোলকৰ্ আগলৈ ময় তাক্ আনো। তেতিয়া যিশুএ
সেই কাটইৰ্ টকয়া বেঙুনা বৰণীয়া কাপৰ গাৎ লৈ
বাজলৈ ওলাল্। তাতে পীলাতে সিবিলাকক্ কুঁলিলে
৬ সেই মানুহ এই দেখা। এই হেতুক্ বড় পুৰোহিৎ
সকলে বিষয়াহঁতে তেঁওক্ দেখি এটাহ পাৰি কুঁ
লিলে তাক্ ক্রুশৎ বধি কৰা তাক্ ক্রুশৎ বধি কৰা।
৭ পীলাতে সিবিলাকক্ কুঁলিলে তোমোলাকে তাক্ নি
ক্রুশৎ বধি কৰা কিয়নো তাৰ্ এঁকো জগৰ্ ময় দেখা
নায়। যিহুদীসকলে তেঁওক্ উত্তৰ্ কৰিলে বোলে
আমাৰ্ এক্ শাস্ত্ৰ আছে সেই শাস্ত্ৰৰ্ মতে তাৰ্ বধি

উচিৎ কিয়নো আপোনাক ঈশ্বৰৰ্ পুত্ৰ বুলি মানিলে।
৮ এই হেতুক্ সেই কথা শুনি পীলাতৰ আৰু ভয় লা
৯ গিল্। আৰুও শোধৰ্ দৰবৈলৈ গৈ যিশুক্ বুলিলে তুমি
কতপৰা আছিলা কিন্তু যিশুএ একো উত্তৰ্ ন কৰিলে।
১০ তেতিয়া পীলাতে তেঁওক্ বুলিলে তুমি মোক্ উত্তৰ্
নিদিয়া নে তোমাক্ ক্ৰুশৎ বধিবলৈকো মেলিবলৈকো
১১ মোৰ্ শক্তি আছে তুমি জেয়াক্ নেজানা নে। যিশুএ
উত্তৰ্ কৰিলে বোলে ওপৰৰ্পৰা যেদি তাকে তোমাক্
দিয়া ন হলহেঁতেন্ তেবে মোৰ ওপৰৎ তোমাৰ্ একো
শক্তি আৰ নোৱাৰিলেহেঁতেন এই নিমিত্তে যেয়ে মোক
তোমাৰ্ হাতৎ শোধায় দিছে তাৰ্ সৰহ পাতক্
১২ আছে। তেতিয়াৰেপৰা পীলাতে তেঁওক মুকলি কৰিবলৈ
প্ৰযত্ন কৰিলে কিন্তু যিহুদীহঁতে এটাহ পাৰি বুলিলে
যেদি তুমি এই মানুহক্ এড়া তেবে কাইসৰৰ্ মিত্ৰ নো
হোৱা যি আপোনাক ৰজা বুলি মানে সেয়ে কাইস
১৩ ৰৰ্ বিপক্ষে বোলে। এই হেতুক্ পীলাতে সেই কথা
শুনি যিশুক্ বাহিৰ্ কৰিলে আৰু শিল্বন্ধা নামেৰে
এক্ ঠাইৎ শোধৰ্ আসনৎ বহিল্ এব্ৰি ভাষাৎ
১৪ সেই ঠাইৰ্ নাম্ গব্বতা। পেস্যাহ গোটাৰৰ্
দিনা এপৰ্ মান্ বেলিৎ এয়ে হল্ তেতিয়া যিহুদী
১৫ হঁতক বুলিলে তোমোলাকৰ্ ৰজাক দেখা। কিন্তু
সিবিলাকে ৰিঙ্গিয়াই২ বুলিলে নিলগ্ কৰোক২ তাক্
ক্ৰুশৎ বধী কৰোক্। পীলাতে সিবিলাকক্ বুলিলে
ময় তোমোলাকৰ্ ৰজাক বধী কৰিমু নে বড় পুৰোহিত

হঁতে মাৎ লগালে কাহিমহক এঁউ অংমাৰ আন বজা
১৬ ন্যায়। তেতিয়া ক্রুশৎ বধিবলৈ তেঁও তেঁওক সিবিলাকক
হাতৎ শোধায় দিলে আৰু সিবিলাকে যিশুক লৈ গল;
পাচে তেঁও আপোনাৰ ক্রুশ লৈ মূৰ খুলিৰ ঠাই
১৭ পাবৰে কিন্তু এব্রি ভাষাৎ গল্গথা নামে এক ঠাইলৈ
১৮ গল। সিবিলাকে তাতে তেঁওক ক্রুশৎ বান্ধিলে আৰু
দুটাক তেঁবে সৈতে বান্ধিলে একোৎ ফালে এটাং যিশু
১৯ মাজতে। আৰু ক্রুশৰ ওপৰৎ পীলাতে এখান লেখা
দিলে সেই লেখনেই এই যিশু নাজাৰেন যিহুদী
২০ হঁতৰ বজা। তেতিয়া ভালেমান যিহুদীএ সেই
কাকৎ পঢ়িলে কিয়নো যতে যিশু ক্রুশৎ হত হল সেই
ঠাই নগৰৰ ওচৰ। সেই কাকৎ এব্রি গ্রীক লাটিন
২১ ভাষাৰে আছিল। তেতিয়া যিহুদীহঁতৰ বড় পুৰো
হিৎহঁতে পীলাতক হুঁলিলে যিহুদীৰ বজা নে লে
খিব কিন্তু যিহুদীহঁতৰ বজা হুঁলি সি আপোনাকে
২২ মানিলে তেঁয়াকে লেখোক। পীলাতে উত্তৰ কৰিলে
২৩ ময় যি লেখিছো তাঁকে লেখিছো। তেতিয়া চিপাহিহঁতে
যিশুক ক্রুশৎ বান্ধি তেঁওৰ কাপৰ চাৰি ভাগ কৰিলে
চিপাহিটে প্রতি এভাগং তেঁওৰ জোলা সেই রূপে ললে
সেই জোলাৰ জোৰা এটিও নাছিল ওপৰৰেপৰা
২৪ এটাই যানি বোৱা। সিহঁতে মোৰ কাপৰ বাঁটি ললে
আৰু মোৰ জোলাৰ কাৰণে মুঠি কৰিলে যি গ্রথিৎ
এই কথা লেখিলে সেই গ্রথি পূৰ কৰলৈ সিহঁতে
আনোআনো হুঁলিলে আমি তাক ফলা নায় কিন্তু মুঠি

কৰি দেখো যেয়ে কাৰ্ হয় চিপাহীহঁতে এইবিলাক্
কৰিলে।
২৫ যিশুৰ ক্রুশৰ ওচৰতে তেঁওৰ মাক্ আৰু তেঁওৰ
মাহিমাক্ আৰু ক্লেওপাৰ ভাৰ্য্যা মাৰিয়া আৰু মাৰিয়া
২৬ মাগ্দলেনে থিয় হৈআছিল্। এই নিমিত্তে যিশুৱে
আপোনাৰ মাকক্ প্ৰিয় শিষ্যকে থিয় হৈ থকা দেখি
আপোনাৰ মাকক্ কুলিলে হে নাৰী তোমাৰ পোৱাক
২৭ দেখা। পাচে তেঁও সেই শিষ্যক্ কুলিলে তোমাৰ
মাৰাক দেখা তাতে সেই ডাঁৰবেলা সেই শিষ্যে তেঁওক
২৮ আপোনাৰ ঘৰলৈ লৈ গল। এয়ে হলত পাচে
সকলো ক্রিয়া সম্পূৰ্ণ হল যেন্ কুলি যিশুৱে জানি ধৰ্ম্ম
পুথি পুৰ হবৰ কাৰণে কুলিলে মোৰ পিয়াহ লাগিছে।
২৯ সেই সময়াতে সিৰ্কা ভৰা টোদিহ তাতে আছিল্ এয়
বেই সিবিলাকে এক সূঞ্জত সিৰ্কা ভৰি তাৰে হেজোবৰ্
৩০ ওপৰত কৰি তেঁওৰ মুখত দিলে। এই হেতুক্
যিশুৱে সেই সিৰ্কা চাকি কুলিলে সাঙ্গ হল পাচে মূৰ
৩১ ওলোমায় প্ৰাণত্যাগ কৰিলে। গোটাৰৰ্ সময়
হল্ এই হেতুক্ বিশ্ৰাম বাৰে ক্রুশৰ ওপৰত শৰীৰ্ নে
থাকিবলৈ যিহুদীবিলাকৰ্ ভৰি যেন্ ভঙ্গা যায় আৰু সিবি
লাকক্ যেন্ লৈ জায় যিহুদীহঁতে পীলাতত এই প্ৰাৰ্থনা
৩২ কৰিলে কিয়নো সি শাৰুত আতি বড় দিন্। তেতিয়া
চিপাহিহঁতে আহি যিবিলাক্ তেঁৱে সৈতে ক্রুশত ৰক্ষা
আছিল্ সিহঁতৰ মাজৰ প্ৰথমৰ্ ভৰি আৰু আনৰ্
৩৩ ভৰি ভাঙ্গিলে। কিন্তু যিশুৰ কাষৰলৈ আহি তেঁও
এতিয়া মৰা যেন্ কুলি জানি সিবিলাকে তেঁওৰ ভৰি

৩৪ লে ভাঙ্গিলে। কিন্তু এক চিপাহীএ জাঠিৰে তেঁওৰ্
কঁকাল্ খুচিলে তাতে তেজো পানিও লগাতিলেহ ওলাল।
৩৫ আৰু তাকে দেখা এজনে পুমাণ দিলে তাৰ্ পুমাণ সত্য
তোমোলাকে আস্তিক কৰিবলৈ তেঁও সতা কয় যেন্
৩৬ জানে। তাৰ্ এটা হাড়ো ভাঙ্গিব লে লাগিব এই বচন
৩৭ পুৰ কৰলৈ এই বলাক হল। আৰুও এক বচনে
কয় যাকে সিবিলাকে খুচিলে তাইলৈ দৃষ্টি কৰিব।—
৩৮ আৰিমাথেয়াৰ্ যুসফ যিশুৰ্ একতকে আছিল্ কিন্তু
যিহুদীইঁতৰ্ ডৰত অপুচাৰিত শিষ্য জৈয়াৰ পাচে সেই
যসফে পীলাতৰ আগত এই পুাৰ্থনা কৰিলে যোনে যিশুৰ্
৩৯ শৰাৰ মোক্ নিবলৈ দিয়োক্। তেতিয়া পীলাতে তাকে
কৰিবলৈ অনুমতি দিলে এই হেতুক্ তেঁৱেই আহি যিশুৰ
শৰীৰ লৈ গল। যেয়ে পুথম ৰাতি যিশুৰ ওচৰলৈ
আহিছিল সেই নিকদেমস আহি গন্ধৰস আগৰেৰে
৪০ মিহলী দুৰা পঞ্চাশ সেৰ মান্ আনিলে। পাচে যিহুদী
ইঁতৰ মৈদামত দিয়াৰ নীতিৰে সিবিলাকে যিশুৰ শৰীৰ
৪১ নী বাগৰ দি কাপড়েৰে মেৰ্হালে। যিঠাইত যিশু ক্ৰুশত
হত হইছিল্ তাৰে ওচৰতে এখান্ বাৰি সেই বাৰিৰ
মাজতে এটা নবীন্ পকি মৈদাম্ যতে কোনো মানুহক্
৪২ কোনো কালত শুওৱা ন গল্। সেই দিন্ যিহুদী
ইঁতৰ্ যোগাৰৰ দিন্ হইছিল এই নিমিত্তে সিবিলাকে
সেই ঠাইতে যিশুক্ শুৱালে কিয়নো সেই পকি মৈ
দাম্ ওচৰতে আছিল্।—

পৰ্ব্ব সাতবাৰৰ্ পুথম্ দিনা এন্ধাৰ্ থকাৰতে মাৰিয়া মাগ্দ
২০ লেন্ সেই মৈদামৰ্ কাষলৈ আহি দেখিলে শিল

২ ঐমদামৰ্পৰা গুজি আজিল্। তেতিয়া সি লড়ি গৈ শীমোন্
পিতৰতে আৰু যি আন্ শিষ্যক্ যিশুএ চেনেহ কৰিছিল্
তেঁওতো ওচৰলৈ আহি কলে বোলে কোনোবা মানুহে
ঐমদামৰ্পৰা মোৰ্ প্ৰভুক্ লৈ গল্ তেঁওক্ কতুবাৎ
৩ ঐথছে জীয়াক্ মম্ নেজানো। তাতে পিতৰ আৰু সেই
আন্ শিষ্য ওলায় ঐমদামৰ্ কাষৰলৈ আহিল্।
৪ সিবিলাকে লগৎ লড় দিলে কিন্তু আন্ শিষ্য পিতৰৎ
কৈ খৰকৈ লড়িগৈ আগেই ঐমদামৰ্ ওচৰ্ পালেগৈ।
৫ আৰু জাপৰি সেই থোৰা কাপড় দেখিলে কিন্তু ভিত
৬ ৰলৈ ন গল্ তেতিয়া শীমোন পিতৰ তেঁওৰ পিছত আহি
ঐমদামৰ ভিতৰলৈ গল আৰু সেই থোৰা কাপড় দেখি
৭ লে আৰু যি হাঁচটি তেঁও মূৰৎ বান্ধিছিল্ কাপৰৰ্ লগৎ
নায় কিন্তু অড়ালতি কৰা নিলগৎ তাকো দেখিলে।
৮ পাচে যি শিষ্য আন্ ঐমদামৰ্ কাষৰলৈ প্ৰথমতে আহি
ছিল্ তেঁও ভিতৰলৈ গৈ দেখিলে আৰু আস্তিকো কৰিলে
৯ কিয়নো নিশ্চয় পুনৰপি উঠিৰ ধৰ্ম্মপুথিৰ্ এই আশয়
১০ সিবিলাকে এতিয়ালৈকে নে জানিচল্। পাচে শিষ্য
সকল্ আকও সুকিয়াৎ ঘৰলৈ গল্।—
১১ কিন্তু মাৰিয়ায় ঐমদামৰ্ বাজৎ কান্দি থিয় হল্
আৰু কান্দি জাপৰি ঐমদামলৈ চালে। দেখে বগা কাপ
ৰেৰে যিশুৰ্ শৰীৰৰ্ শোৱাহাইতে বহি থাকিবৰ্
দুজন্ দতক্ দেখিলে এজন শিথানৎ এজন্ পথানৎ।
১২ পাচে সিবিলাকে তাইক্ সুধিলে হে নাৰী কিয় কান্দিছ।
১৩ তাই সিবিলাকক্ সুধিলে কোনোবা মানুহে মোৰ্
প্ৰভুক্ লৈ গৈ তেঁওক্ কৎ থৈছে জীয়াক্ মম্ নে জানো

১৩ এই নিমিত্তে কান্দিছো। তাই এইয়াকে বুলি আথ
ঘূৰায় যিশুক থিয় হৈছে দেখিলে কিন্তু এঁৱেই যিশু
১৫ বুলি নে জানিলে। যিশুএ তাইক বুলিলে হে নাৰী
তুমি কিয় কান্দিছা কাক বিচাৰিছা তাই তেঁওক বাৰি
চোৱা বুলি বুলিলে হে দেও যেদি তুমি তেঁওক নিছা
তেৱে তেঁওক কত থৈছা এইয়াক মোত কোৱা তাতে ময়
১৬ তেঁওক তাৰ পৰা লৈ যাঁও। যিশুএ তাইক বুলিলে অ
মাৰিয়া তাই ওভতি তেঁওক বুলিলে ৰাব্বোনি অৰ্থাৎ
১৭ হে গুৰু। যিশুএ তাইক বুলিলে মোক নচুবা
কিয়নো এতিয়া ময় মোৰ পিতৃৰ ঠাইলৈ নৌ উঠো
কিন্তু মোৰ ভায়হঁতৰ তলৈ গৈ সিহঁতত কোৱা মোৰে
তোমালোকৰে পিতৃৰ ঠাইলৈ আৰু মোৰে তোমা
১৮ লোকৰে ঈশ্বৰৰ ঠাইলৈ ময় উঠো। আথুনি
প্ৰভুক দেখা পাইছিল আৰু তেঁও যি এই কথা তেঁওত
কৈছিল মাৰিয়া মাগ্দলেনে আহি শিষ্য সকলত সেই
১৯ বিলাক কথা কলেহি। এয়ে সপ্তাহৰ প্ৰথম দিনা হল
সেই দিনা গোধূলি বেলা যি ঠাইত যিহুদাহঁতৰ
ডৰত শিষ্য সকল গোট খাইছিল সেই ঠাইৰ দুৱাৰ
তাও দিলত যিশু আহি মাজতে থিয় হল আৰু সিবিলা
কক বুলিলে তোমালোকৰ কুশল হোক। তেঁও
২০ এইয়াকে বুলি আপোন হাত কাখ সিবিলাকক দেখু
ৱালে। তেতিয়া শিষ্য সকলে প্ৰভুক দেখি আনন্দিত
২১ হল। সেই কালত যিশুএ আকৌ সিবিলাকক বুলিলে
তোমালোকৰ কুশল হোক যেনেকৈ মোৰ পিতৃএ মোক
পঠিয়াইছে তেনেকৈ ময়ো তোমালোকক পঠিয়াও।

২২ আরু তেঁও এই কথা কৈ সিবিলাকর্ ওপরৎ হামিয়াই
২৩ ইঁলিলে ধর্ম্মাত্মাক লোৱা। যিবিলাকর্ পাতক্
তোমোলাকে মোচন্ কবা সেইবিলাকক্ পুতি তার্
মোচন্ হইছে আরু যিবিলাকর্ পাতক্ তোমোলাকে
এনেই রাখা সি এনেই থাকে।—
২৪ কিন্তু তমাস নামেরে বারে জনর্ মাজরে একন্
তেঁওর্ ওপলক্ষা নাম দ্বিদিমস যেতিয়া যিশু আছিল সেই
২৫ কালৎ তেঁও সিবিলাকর্ লগৎ নাছিল্। এই হেতুক্
আন ভকৎ সকলে তেঁওক্ ইঁলিলে আমি প্রভুক্ দেখি
লো। কিন্তু তেঁও ইঁলিলে তেঁওর্ হাতৎ থকা যিলির্
চিন্ লে দেখিলে, আরু মোর্ আঙ্গুলি যিলির্ চিনৎ নি
দিলে আরু তেঁওর কাখৎ মোর্ হাতো নি দিলে মযু
২৬ পতিয়ার নোৱারো। আঠ্ দি নর্ পাচৎ তেঁওর্
ভকৎ সকলে আকৌ ভিতরৎ আছিল্ তমাসে সিবি
লাকর্ লগতে আছিল্ তেতিয়া দুরার্ তাও দিলৎ যিশুএ
মাজতে থিয় হই ইঁলিলে তোমোলাকর্ কুশল হোক।
২৭ পাচে তেঁও তমাসক ইঁলিলে তোমার্ আঙ্গুলি মেলি
মোর্ হাত দেখা আরু তোমার্ হাৎ মেলি মোর্
কাখলৎ দিয়া আরু অনাস্তিক্ হুইবা প্রতীতিকারী
২৮ হোৱা। তাতে তমাসে প্রতিবাদ্ দি তেঁওক্ ইঁলিলে
২৯ মোর্ প্রভুও মোর্ ঈশ্বরো আপুনি। যিশুএ তেঁওক্
ইঁলিলে হে তমাস মোক্ দেখি তুমি আস্তিক্ কবিচা
যিবিলাকে নে দেখি এই আস্তিক্ কবিছে সেই সকল
ধন্য।—
৩০ যি এই পুথিৎ লেখা নাই এনে আরু তালেমান্

আশ্চর্য্য কর্ম্ম আপোন্ ভকৎ সকলর্ আগৎ যিশুএ
৩১ করিছিল্। কিন্তু যিশুএই ঈশ্বরর্ পুত্র খ্রীষ্ট তোমো
লাকে জৈয়াতে আস্তিক করিবলৈ আরু আস্তিক হৈ
উঁওর্ নামেরে জীবন্ পাবলৈহে জৈয়াকে লেখা
হইছে।—

পর্ব্ব জৈয়ার্ পাচে তিবিরিয়া সাগরর্ তীরৎ আকৌ
২১ ভকৎ সকলর্ আগৎ আপোনাকে দেখুৱালে এই রূপে
৩ উঁও আপোনাকে দেখুৱালে। শীমোন্ পিতরে
থোমাসে যার্ ওপলঙ্গা নাম্ দ্বিদিমস গালিলির্ কানার্
নাথানিএলে জেবদির পুত্তেকে উঁওর্ আন দুজন্ শিষ্য
এক্ঠাই হলৎ শীমোন্ পিতরে মিরিলাকক্ ইঁলিলে ময়
মাচ মারিবলৈ যাঁও মিরিলাকে ইঁলিলে আমিও তোমার্
লগৎ যাঁও। মিরিলাক তেতিয়া গৈ নারৎ উঠিল
৪ সেই রাতি এটাও নে পালে। রাতি পুৱা হলৎ যিশু
বারৎ থিয় হল্ কিন্তু ঐঁও যিশু যেন্ ভকৎ সকলে জৈয়াক্
৫ নে জানিলে। তেতিয়া যিশুএ মিরিলাকক্ ইঁলিলে হে
লরা তোমোলাকর লগৎ খাবলৈ কিবা আচেনে মিরি
৬ লাকে উঁকও নমিরীন দিলে বোলে নায়। উঁও মিরি
লাকক ইঁলিলে নারর্ দক্ষিন্ ফালে জাল্ পাতা তেতিয়া
পাবা এই হেতুক মিরিলাকে জেনেকৈ পেলায় মরচিয়া
৭ মাচর্ ভরৎ টানিব নোরারিলে। এই হেতুক যি
শিষ্যাক যিশুএ চেনেহ করিলে সেই ভকতে পিতরক
ইঁলিলে ঐঁও প্রভু এই। শীমোন্ পিতরে ঐঁও প্রভু জৈয়া
কে শুনি জালোরার্ কাপর গাৎ বান্ধিলে কিয়নো
৮ উলঙ্গটে আচিল্ পাচে সাগরৎ ঝাঁপ্ দিলে। আন্

ভক্ৎ সকলে মাচে সমন্বিতে জাল্ টানিং নাৱেৰে
বায়লৈ আহিল্ কিয়নো কাথৰ্ বন্ধ দূৰ্ নাছিল্ কিন্তু
৯ দুশ হাৎ মান। মিবিলাক্ কাথিৰিৎ চাপি এঙাৰৎ
জলা জুই আৰু তাৰ ওপৰতে মাচ আৰু পিঠাও সেই
১০ ঠাইতে দেখিলে। য়িশুএ সিবিলাকক্ ইুলিলে যি মাচ্
১১ এতিয়া ধৰিলা তাৰে কিছু আনা। শীমোন্ পিতৰে
ইগ তাঙ্গিৰ মাচেৰে ভৰা জাল্ কাথৰলৈ টানিলে এশ
তিপান্নটা মাচ্ কিন্তু এতেক্ সৰহ হলতো জাল্ নিছি
১২ গিল্। য়িশুএ সিবিলাকক্ ইুলিলে আঁহা খোৱাহি
আৰু তুমি কোন্ তেঁওক্ এই ইুলি শুধিবলৈ কোনো
ভকতৰ্ সাহ নাছিল্ কিয়নো তেঁৱেই প্ৰভু জেয়াক্
১৩ সিবিলাকে জানিলে। তেতিয়া য়িশু আহি পিঠা আৰু
১৪ মাচ লৈ সিবিলাকক্ দিলে। আপোনাৰ্ মৃত্যুৰ্পৰা
উঠিবৰ্ পাচে য়িশুএ আপোনাৰ্ ভকৎসকলক্ প্ৰতি
১৫ দেখা দিয়াৰ্ তৃতীয়বাৰ এই। সিবিলাকে খালৎ পাচে
য়িশুএ শীমোন্ পিতৰক্ ইুলিলে হে য়োনাৰ্ পুত্ৰ শী
মোন তয় এই সকলৎকৈ অধিক্ মোৎ প্ৰীতি কৰিচনে
সি তেঁওক্ ইুলিলে হয় প্ৰভু ময় আপোনাক্ প্ৰীতি কৰোঁ
আপুনি জেয়াক্ জানে তেঁও তাক্ ইুলিলে মোৰ্ মেষৰ্
১৬ পোৱালিটিইঁতক্ পোষণ কৰা। তেঁও দ্বিতীয়
বাৰো তেঁওক্ ইুলিলে হে য়োনাৰ্ পুত্ৰ শীমোন্ তয়
মোৎ প্ৰীতি কৰিচ তেঁও ইুলিলে হয় প্ৰভু ময় আপো
নাক্ প্ৰীতি কৰোঁ জেয়াক্ আপুনি জানে তেঁও তেঁওক্
১৭ ইুলিলে তয় মোৰ্ মেষটিইঁতক পোষণ্ কৰ। তেঁও

তেঁওক তৃতীয়বেলি সুধিলে হে যোনাৰ পুত্ৰ শীমোন্
মোক প্ৰীতি কৰিছনে মোক প্ৰীতি কৰিছনে তেঁওক তৃতীয়
বেলি এই কথা কোৱাত পিতৰৰ বিষাদ লাগিল আৰু
সুধিলে হে প্ৰভু আপুনি সৰ্ব্ব জান্ মই আপোনাক
প্ৰীতি কৰো জীয়াক আপুনি জানে যিশুএ তেঁওক সুধিলে
১৮ মোৰ মেষটিহঁতক পোষণ্ কৰ। সত্যে তোমাক
মই কওঁ যেতিয়া তুমি ডেকা আছিলা তেতিয়া আপোনাৰ্
কঁকালত কাপড় বান্ধি তোমাৰ্ মনেৰে জিচা তলৈকে
গৈছিলা কিন্তু যেতিয়া বুঢ়া হবা তেতিয়া তুমি হাত
মেলিবা আৰু কোনোবায় তোমাক্ বান্ধি মনে তোমাৰ্
১৯ জিচা ন হয় তলৈকে তোমাক্ লৈ যাব। তেঁও যি
প্ৰকাৰ মৃত্যুত ঈশ্বৰৰ্ মাহাত্ম্য প্ৰচাৰ কৰিব জীয়াকে
জনাবলৈ তেঁও এই কথা কলে তেঁও এই কথা কৈ তেঁওক
২০ কলে মোৰ্ পিছত আহাঁ। যি ভকতক্ যিশুএ চেনেহ
কৰিছিল ৰাতিৰ্ ভোজনৰ্ কালত তেঁওৰ্ বুকত
আঁউজি দি কলে হে প্ৰভু আপোনাক্ পৰৰ্ হাতত কোনে
দিব পিতৰে আপোন মুখ ঘূৰায় সেই ভকতক্ সিবিলা
২১ কৰ্ পিছত আহিবৰ্ দেখিলে। পিতৰে তেঁওক্ দেখি
২২ যিশুক কলে হে প্ৰভু এই মানুহে কি কৰিব। যিশুএ
তেঁওক কলে সি মই আহোমানলৈকে থাকে এয়ে যেদি
মোৰ্ ইচ্ছা তেবে তাতে তোমাৰ্ কি কাম্ তুমি মোৰ্
২৩ পিছে আহা। তেতিয়া সেই ভকত ন মৰে যেন এই
কথা এটায় ভায়েক্ হঁতৰ্ মাজত ৰাষ্ট্ৰ গল্ তথাপি সি
ন মৰে এই কথা যিশুএ তেঁওক ন কলে কিন্তু সি যেদি
মই আহোমানলৈকে থাকে এয়ে যেদি মোৰ্ ইচ্ছা

২৪ তেৱে তাকে তোমাৰ্ কি কাম্ জৈয়াকে কলে। যি ভকতে
জৈয়াকে পুমাণ দিয়ে আঁকে এই কথা ৰচিজে সেয়ে এই
২৫ আরু তেঁওৰ্ পুমাণ্ সত্য জৈয়াকে আমি জানো। যিশুএ
কৰা আরু বহু ক্রিয়া আছে সেইবিলাক্ যেদি লেখা
যায় তেৱে জগতে আপুনি সেই বিলাক্ পুথি ধৰিব
নোৱাৰে জৈয়াক্ মন্ হুঁকো। আমিন্ ।—

# পাঁচনীৰ কৰ্ম্ম।—

## ১ প্ৰথম পৰ্ব্ব।—

১ য়িশুৱে আপোন্ মনোনীৎ পাঁচনী সকলৰ্ স্থানৰৎ
ধৰ্ম্মাত্মাৰ্ দোৱাৰায় আজ্ঞা দিয়াৰ্ পাচ যি দিনা তেঁও
২ ঊৰ্দ্ধগৃহীৎ হৈছিল্ সেই দিনালৈকে যি, কৰিবলৈ
আৰু শিখাবলৈ তেঁও আৰম্ভ কৰিলে হে থিওফিলস
৩ সেই সকল্ কথাৰ্ সেই পূৰ্ব্ব পুথি মঞি কৰিছো। তেঁও
সেই পাঁচনীবিলাকৰ চল্লিশ্ দিনলৈকে দৃশ্য হৈ আৰু
ঈশ্বৰৰ্ ৰাজ্যৰ্ কথা কৈ ভালেমান্ নিশ্চয় প্ৰমাণ দি
আপোনাৰ্ মৃত্যুৰ্ পাছে আপোনাকে সিবিলাকৰ্
৪ আগৎ দেখুৱালে। আৰু সিবিলাকে সৈতে মেলৎ
স্থিতি হৈ য়িৰুশালম্ এৰি ন যাবলৈ সিবিলাকক্ আজ্ঞা
দিলে কিন্তু ইলিলে পিতৃৰ্ যি, আজ্ঞা তোমোলাকে মোৰ্
৫ মুখে শুনিছা তালৈকে অপেক্ষা কৰা। কিয়নো য়োহনে
পানিৎ ডুবালে হয় কিন্তু অলপ্ দিনৰ পাছৎ তোমো
৬ লাকে ধৰ্ম্মাত্মাৎ ডুবুৱা হবা। পাচে সিবিলাকে মেললৈ
আহি তেঁওৎ সুধিলে হে প্ৰভু আপুনি এতিয়া য়িশ্ৰ
৭ এলক্ ৰাজ্য পুনৰ স্থিৰ্ কৰি দিবনে। তেঁও সিবি
লাকক্ ইলিলে পিতৃএ আপোন্ আধিপত্যৎ যি কাল্
আৰু প্ৰস্তু কাল থৈছে তেঁওৰ্ জানা তোমোলাকৰ্ অধি
৮ পহে ন হয়। কিন্তু ধৰ্ম্মাত্মা তোমোলাকৰ্ ওপৰৎ
আবেশৰ্ পাছে তোমোলাকে প্ৰভাব পাবা। তাতে য়িৰু
শালমতে য়িহুদাহতে শমৰোণ্ দেশতে পৃথিবীৰ্ সীমা

৯ লৈকে তোমোলাক্ মোৰ্ সাক্ষী হবা।   সিবিলাকে
দেখি থাকোঁতেই তেঁও এই কথা কৈ ওপৰলৈ গৃহীত হল্
আৰু সিবিলাকৰ দৃষ্টিৰ্পৰা এক্ মেঘে তেঁওক্ নিলে।
১০ সিবিলাকে তেঁওৰ্ ঊৰ্দ্ধগতি দেখি থাকোঁতেই দেখা শুক্ল
১১ বস্ত্ৰৰে দুজন সিবিলাকৰ্ ওচৰতে উপগত হল্। সিবি
লাকে কৈলে হে গালিলিৰ্ মানুহ সকল্ তোমোলাক
স্বৰ্গৰ্ ফাললৈ চায় কিয় থিয় হই আছা এই যি যিশুক
তোমোলাকৰ্পৰা স্বৰ্গলৈ নীলে তোমোলাকে যেনেকৈ
তেঁওৰ্ স্বৰ্গলৈ গতি দেখিলা তেনেকৈ তেঁও আকৌ
১২ আহিব।   পাচে সিবিলাক্ জিত বৃক্ষ নামে পৰ্ব্বতৰ্
পৰা যিৰূশালমলৈ উভতি গল্ সেই পৰ্ব্বত যিৰূশালমৰ্
পৰা এক্ শাব্বৎ দিনৰ্ বাট।—
১৩ আৰু সিবিলাকে নগৰত সোমায় এক্ ওপৰ্ কোঁঠা লৈ
গল্ তাতে পিতৰে যাকোবে যোহনে আন্দ্ৰিয়ে ফিলপে
তোমাসে বাৰ্থোলমিয়ে মাথিয়ে আলফিৰ্ পুতেক্ যাকো
বে শিমোন্ জিলোতিসে যাকোবৰ্ ভায়েক্ যিহু
১৪ দাহে থাকিল্।   আৰু সেই সকলে প্ৰাৰ্থনা বিনতি
আচৰি এক্ চিত্তে নাৰী সকলৰে যিশুৰ্ মাক মাৰিয়াৰে
তেঁওৰ্ ভায়েক্ সকলৰে লগতে থাকিল্।—
১৫ শিষ্য সকলৰ্ নাম সহে এশ এক্কুড়ি আছিল্ সেই
কালত সিবিলাকৰ্ মাজতে পিতৰে উঠি কৈলে হে
১৬ মানুহ সকল্ ভায় সকল্ যিবিলাকে যিশুক্ ধৰিছিল্
সিহঁতক্ বাট্ দেখুওৱা যিহুদাহৰ্ যি শাস্ত্ৰ দাউদৰ্
মুখেদি ধৰ্ম্মাত্মায় আগেই কোৱাই সেই শাস্ত্ৰ সম্পূৰ্ণ

১৭ ব্বলগা আছিল। কিয়ুনো সেই জন আমিএ সৈতে
১৮ গণিত আছিল্ আর এই সেৱার্ ভাগ পাইছিল্। এই
মানুহে অপরমার্থর্ বেচ্ দি পথার্ কিনিলে পাছে তল
হৈল হৈকে মাটিৎ পড়ি মাজতে ফাটিল্ আর তার্
১৯ এটায় নাড়ীভুডু ওলাই পড়িল্। যিরূশালমৎ
থকা এটাই মানুহে এই কথা জনা হল তাতে সিহি
ঁতর্ মাতেরে সেই পথারর্ নাম হকেলদমা হুলি
২০ কয় অর্থাৎ তেজ পথার্। গীতর্ পুথিৎ এই কথা
লেখা আছে তার্ বসতি হারি হোক্ কোনোএ তার্
মাজৎ বাস ন করোক্ তার্ বিষয় আন এটায় লওক্।
২১ এই হেতুকে যি দিনা তেঁওক্ আমার্ ওচরর্পরা নিলে
য়োহনর্ ডুব দিবর্পরা সেই দিনলৈকে যেতে দিন প্রভু
২২ যিশুএ আমার্ মাজৎ অহাযোৱা করিলে যি৻ মানুহ
আমার্ লগৎ আছিল্ সেই মানুহর্ মাজরে এটাক্
২৩ তেঁওর্ পুনরুৎথানর্ সাক্ষী করিবলগা আছে। এই
নিমিত্তে যুসফে যাকে বার্ণবা বোলে যার প্রখ্যাত
নাম যস্তস্ আর মেতীয়া এই দুজনক্ সিহিঁতে
২৪ নিয়োগ করিলে। তেতিয়া সিহিঁতে প্রার্থনা করিলে
বোলে হে সর্ব্বাশয়জ্ঞ প্রভু তেঁওর্ নিজ স্থানলৈ যাবলৈ
২৫ যিহুদাহে ঘাটি করি যি সেৱার্পরা ভ্রষ্ট হইছিল সেই
সেৱারে পাঁচনী কার্য্যর ভার্ লবলৈ এই দুজনর্ মাজৎ
২৬ যাকে তুমি ভাল্ পাইছা তাকে দেখুওক্। পাছে
সিহিঁতে গুটিপাৎ করিলৎ গুটিকা মাতিয়ার্ ওপ
রৎ পড়িল্ তাতে তেঁওক্ এঘারে জন্ পাঁচনীএ সৈতে
গণিলে।—

পর্ব্ব পেন্তেকস্ত দিন সম্পূর্ণ হই উপগত হলৎ সিবিলাক্
১ এটাই এটা হই এহ্লাইৎ যেন পাতিলে। সেই কালৎ
স্বর্গৰ্পৰা অহা যহা প্রচণ্ড বায়ুৰ্ নিচিনাকৈ অকস্মাতে
শব্দ হল্ আৰু যি ঘৰৎ সিবিলাক্ বহি আচিল্ সেই
৩ ঘৰ্ তাৰেই ভৰিল্। তেতিয়া অগ্নিৰ্ নিচিনা বেলেগ
৪ জিবা দেখিলে এটাইৰে ওপৰৎ বাহল্ তাতে সিবিলাক্
এটাই ধর্ম্মাত্মাৰে ভৰ্ পূৰ্ হল্ আৰু আত্মায় যেনেকৈ
সিবিলাকৎ কৰ দিলে তেনেকৈ আন্ মাত মাতিব ধৰিলে।
৫ সেই কালৎ স্বর্গৰ্ তলৎ থকা প্রতি দেশৰপৰা ধর্ম্ম
৬ বন্ত য়িহুদী সকলে য়িৰুশালমৎ বাস কৰিলে। এই
কথায় প্রচৰিৎ হলৎ জুম এহ্লাইলৈ গল্ এটাই সিবি
লাকৎ আপোন২ মাতেৰে কথা কৈছে সেই এটাইএ জৌ
৭ য়াকে দেখি বিস্ময় মানিলে। এই হেতুকে দেখা যিং
বিলাকে কথা কৈছে সেই এটাই গালিলিয়্ন হয়নে তেবে
৮ আমি আপোন্ জন্মদেশৰ্ মাৎ মাতোতা সিবিলাকৰ্
এটাইকে কেনে শুনো সিবিলাকে বিস্ময় মানি আশ্চর্য্য
৯ দেখি অনোঅনো জৌয়াকৈ কলে। পার্থী আৰু মাদী
আৰু এলমী আৰু মেসাপোতামিয়া আৰু য়িহুদাহ দেশ
আৰু কাপদোকিয়া আৰু পন্তস আৰু আসিয়া আৰু
১০ ফ্রুগিয়া আৰু পম্ফুলিয়া আৰু মিসৰ্ আৰু কিৰেণিৰ্
ওচৰৰ লিবিয়া দেশৰ্ ভাগ এই২ দেশনিবাসী আৰু ৰোম্
১১ বাসী কয়ায় আৰু য়িহুদী আৰু য়িহুদিৰ মতাৰ
১২ লম্বী আৰু ক্রেতীয় আৰু আৰবী আমি এই সকলে
আমাৰ্ সুকয়া২ মাতেৰে ঈশ্বৰৰ্ আশ্চর্য্য কার্য্য
১৩ কওঁতে শুনিছো জৌয়াৰ্ হেতু কি। জৌয়াকে অনো

আনো কৈ সিবিলাকে বিস্ময় মানি সংসয়াপন্ন হল্।
আৰু কোনো কোনএ বিপাত কৰি কুলিলে জৈহঁত নবাস
দ্ৰাক্ষাৰসেৰে মত্তোৱাল্।—
১৪ কিন্তু পিতাৰ এঘাৰ জনাৰে সৈতে থিয় হই এটাহ পাৰি
সিবিলাকক্ পুত কুলিলে হে য়িহুদী মানুহ য়িৰূশা
লমবাসী বিলাক তোমোলাকে জ্ঞাত হবা আৰু মোৰ্
১৫ বচন শুনা কয়নো এপৰ বেলি মাত্তোন্ হলে তোমোলাকে
১৬ যেনে মন্ কৰা তেনে জৈবিলাক মত্তোৱাল্ ন হয়। কিন্তু
য়িশ্বৰে বোলে শেহৰ্ দিনা এনে হব মোৰ্ আত্মা
১৭ ময় সমস্তো প্ৰাণিৰ্ ওপৰৎ ঢালিম্। তাতে তোমো
১৮ লাকৰ্ লৰা ছোৱালিএ আচাৰ্য্যবাক্য কব তোমোলা
কৰ্ ডেকা মানুহে দৰ্শন দেখিব তোমোলাকৰ্
১৯ বুঢ়া মানুহে সপোন্ দেখিব। মোৰ দাসী বোটেৰ্ ওপ
ৰৎ ময় সেই কালৎ আপোন আত্মা ঢালিম তাতে
সিহঁতে আচাৰ্য্য বাক্য কুলিব। আৰু ময় ওপৰিম স্বৰ্গৎ
লক্ষণ দেখুৱাম্ আৰু অধিম পৃথিবীৎ তেজ আৰু জুই
২০ আৰু ধুমময় মেঘ এইবিলাক চিন্ দেখুৱাম্। আৰু য়িহুহাৰ্
সেই বড় আৰু অদ্ভুৎ দিনৰ্ আগেই সূৰ্য্য অন্ধকাৰ্
২১ হই যাব চন্দ্ৰো ৰক্ত হই যাব। কিন্তু যি য়িহুহাৰ্
নামে প্ৰাৰ্থনা কৰে সেয়ে পৰিত্ৰাণ পাব এই যি কথা
য়োএল আচাৰ্য্যে কলে সেই কথাৰে প্ৰমাণ এই।—
২২ হে য়িশ্ৰএল মানুহবিলাক এই কথা শুনা ঈশ্বৰে যি
আশ্চৰ্য্য আৰু অদ্ভুতকৰ্ম্ম আৰু লক্ষণ তেওৰ্ দোৱা
ৰায় তোমোলাকৰ্ মাজৎ কৰিলে যেনেকৈ তোমোলা

কেও জানা এই বিলাকেৰে ঈশ্বৰৰ সম্মত যি এক জন
২৩ যিশু নাজৰেন তেঁও ঈশ্বৰৰ নিশ্চিতাৰ্থবাৰণে আৰু
জ্ঞানেৰে সমৰ্পিত হলত তোমালোকে নি দুষ্টৰ হাতেৰে
২৪ ক্ৰুশত মাৰিছিলা বধ কৰিছিলা। ঈশ্বৰে মৃত্যুৰ যাতনা
গুচায় তেঁওক জীয়ালে কিয়নো তেঁওৰ সেয়ে ধৰি থকা
২৫ অসাধ্য। দাঊদে তেঁওৰ কথা কলে বোলে ময়
২৬ আপোনাৰ আগতে যিহোৱাক সদায় স্থান কৰিছো। এই
নিমিত্তে ময় ন লৰো কিয়নো তেঁও মোৰ দক্ষিণ ফালে।
সেই কাৰণ মোৰ মন হৰিষ মোৰ জিবাও আনন্দিত
২৭ আৰু আচে মোৰ দেহ ভৰসা কৰি শুব। কিয়নো মোৰ
আত্মাক তুমি পৰলোকত এৰি নে যাবা তুমি আপোন
২৮ ধাৰ্ম্মিককো গেলা দেখিবলৈ নি দিবা। মোক তুমি
জীৱনৰ পথ জনাইছা তুমি আপোন মুখ দেখুৱায় মোক
২৯ উল্লাসেৰে পূৰ্ণ কৰিবা। হে মনুষ্য বিলাক ভায়
বিলাক দাঊদ নামে পিতৃলোক তেঁও যে মৰিল মৈদাম
শুৱালে তেঁওৰ মৈদাম আমাৰ একেত আজি লৈকে
আচে জৈয়াকে তেঁওৰ অৰ্থে মোক তোমালোকক নিশ্চ
৩০ পদুৰে কবলৈ দিয়া। তেঁও আচাৰ্য্য হই তেঁওৰ
সিংহাসনৰ ওপৰত বহিবলৈ ঈশ্বৰে তেঁওৰ ঔৰস
সন্ততিৰ পৰা খ্ৰীষ্টক ওপজাব ঈশ্বৰে তেঁওক প্ৰতি এই
কথা শপত কৰি কৈচে তেঁও জৈয়াকে জানি খ্ৰীষ্টৰ উঠনত
থানত তেঁওৰ আত্মা নৰকত এৰা নে যাব তেঁওৰ শৰীৰ
৩১ গেলিবৰ নে দেখিব এই কথা কলে। সেই যিশুক ঈশ্ব
৩২ ৰে তুলিলে তাৰে সাক্ষী আমি এটাই। তেঁও ঈশ্বৰৰ
দক্ষিণ ফালে উঠি পিতৃৰ থানত ধৰ্ম্মাত্মা দানৰ প্ৰতি

৩৩ কাৰ পায় তোমোলাকে যিহকে দেখিছা যিহকে শুনিছা
৩৪ তাকে আমাৰ ওপৰৎ ৱাকিলে। দাঔদ স্বৰ্গলৈ যোৱা
নায় হয় কিন্তু আপুনি হুঁলিলে যিহূহায় মোৰ পৰমেশ্ব
৩৫ ৰক হুঁলিলে যেতিয়ালৈকে তোমাৰ শত্ৰুইঁতক তোমাৰ
পাদ পীঢ় যয় ন কৰো তেতিয়ালৈকে মোৰ দক্ষিণ ফালে
৩৬ বহা এই হেতুকে যাকে তোমোলাকে ক্ৰুশৎ থৰিলা
ঈশ্বৰে সেই যিশুকে প্ৰভু আৰু খ্ৰীষ্ট এই দুয়ু কৰিছে
যিশৰএলৰ মদো ৰওংহে তাকে নিশ্চয় কৰি জানোক।
৩৭ সিবিলাকে ঔয়াকে শুনি হিয়াৎ বিদ্ধ হল আৰু
পিতৰে আন পাঁচনবিলাকক হুঁলিলে হে মনুষ্যবিলাক
৩৮ ভায়বিলাক আমি কি কৰিম পিতৰে সিবিলাকক হুঁলিলে
মন পালটোৱা আৰু পাতক গুছিবলৈ গায়ং যিশু
খ্ৰীষ্টৰ নামে হুঁড় দিয়া তাতে ধৰ্ম্মাত্মা দান পাবা।
৩৯ কিয়নো সেই অঙ্গীকাৰ তোমোলাকলৈ আৰু তোমো
লাকৰ সন্ততিবিলাকলৈকো আৰু যেতেক দূৰৈৎ
থাকে অৰ্থাৎ যেতেক মানুহক আমাৰ ঈশ্বৰ যিহূ
৪০ হায় মাতিব সেই বিলাকলৈকো। পাচে এই বয়া
মানুহবিলাকৰপৰা আপোনা সকলকে ৰক্ষা কৰ: এই
কথা আনং ভালে মান এনে কথাও কৈ তেঁও প্ৰমাণ
৪১ দিলে প্ৰবৃত্তিও জন্মালে। তাতে যেতেক মানুহে ৰঙ্গমনে
তেঁওৰ কথা গ্ৰহণ কৰিলে তেতেক মানুহে হুঁড় দিছিল
আৰু সেই দিনা তিনি হেজাৰমান মানুহ সিবিলাকৰ
৪২ লগৰিয়া কৰা হল। আৰু সিবিলাক পাচনী বিলা
কৰ শিক্ষনীতে সামগ্ৰীমোতে পিঠা ভঙ্গাতে প্ৰাৰ্থনা
৪৩ কৰাতে নিতৌং প্ৰবৃত্ত হল। তাতে এটাই প্ৰাণিৰ

৪৪ বড় ভয় লাগিল্ আৰু পাঁচনী বিলাকৰ্ দোৱাৰায় বহু
আশ্চৰ্য্য কৰ্ম্ম আৰু চিনো কৰা হল্ যিবিলাকে পতি
য়ালে সেইবিলাক্ মানুহ একত্তাপতি হল্ আৰু এটাই
৪৫ বেহানিৰ্ সমানে অধিকাৰ হল্ । আৰু আপো
নাৰ্ আধিপত্যকো বিনকো বেচি সদৌৰে পয়ো অশান্ত
৪৬ সাৰে এটাইকে বাঁটি দিলে । আৰু সিবিলাক্ এক
চিত্ত হৈ মন্দিৰত প্ৰতিদিন থাকি ঘৰে ঘৰে পিঠা ভাঙ্গিৰঙ্গ
মনে এক চিত্তে ঈশ্বৰক্ স্তুতি কৰি এটাইৰে আগত
ঘণ্যা ল'ভ আপোনাৰ্ বেহানি ভজন্ কৰিলে ।
৪৭ আৰু যি ত্ৰাণ্ পাব এনে মানুহক্ ঈশ্বৰে প্ৰতিদিন্
মণ্ডলীৰ্ লগৰ্ কৰিলে ।—

পৰ্ব্ব পাচে প্ৰাথনা কালত অৰ্থাৎ তিনিপৰিয়া বেলিত
৩ পিতৰে যোহনে এক্কেলগে মন্দিৰলৈ গল্ । যি মানুহ
২ মন্দিৰলৈ যাব সেই সকলত মাগিবলৈ যাকে লোকে
মন্দিৰৰ্ সুন্দৰ্ নামে দুৱাৰত নিতৌ থয় মাকৰ্ পেটত
৩ থাকিবৰেপৰা খোঁড়া এটাক তালৈকে লৈ গল্ । মন্দি
ৰলৈ যাবলৈ বিৰোতে পিতৰকে যোহনকে দেখি সেই
৪ মানুহে মাগিলে । তেতিয়া পিতৰে যোহনে তালৈ
এক্কেহৰেই চায় হুঁলিলে আমাৰ্ ফালৈ চা সিবিলা
৫ ৰৰ্ কাষৰত কিবা পাবৰ এসা কৰি সি সিবিলাকৰ্
৬ কথা মানিলে । তাতে পিতৰে হুঁলিলে ৰূপ সোন্
আমাৰ্ একো নায় কিন্তু আমাৰ্ যি আছে তাকে তোক্
৭ দিয়ো যিশু খ্ৰীষ্ট নাজৰেথৰ্ নামে উঠি ফুৰ্ । পাচে
তাৰ্ সোঁ হাতত ধৰি তেঁও তাক্ তুলিলে তাতে তাৰ্
ভৰিএ ভৰিৰ্ গাঁঠিএ তেতিয়াই বল্ পালে । তাতে

৮ সি লাফ্ মাৰি থিয় হই ফুৰিলে আৰু বাট টুলিং
ডেও দিং ঈশ্বৰক্ স্তুতি কৰিং সিবিলাকৰ্ লগৎ মন্দি
৯ ৰৎ সোমাইল। তেতিয়া এটাই মানুহে তাক্ ফুৰিবৰ্
১০ ঈশ্বৰক্ স্তুতি কৰিবৰ্ দেখিলে। যি মানুহ মাগিবলৈ
মন্দিৰৰ সুন্দৰ্ দুৱাৰৎ বহি আছিল্ সেয়ে এই যেন
ঔয়াক্ জানিলে পাচে তাৰ্ যি হল্ তাতে সিবিলাক বড়
১১ যোহেৰে বিস্ময়েৰে ভৰি পড়িছিল। যি খোড়া মানু
হক্ সুস্থ কৰা হল্ সেই মানুহে পিতৰকে যোহনকে
ধৰিলে সেই কালৎ এটাই মানুহে বিস্ময় মানি লৰুড়ি
শলমনৰ্ পিৰালি বুলি খ্যাত পিৰালিলৈ সিবিলাকৰ্
১২ ওচৰলৈ আহিল। পিতৰে তাকে দেখি মানুহ বিলাকক্
বুলিলে হে যিশ্ৰএলী মানুহহঁত তহঁতে ঔয়াৎ আশ্চর্য্য
কিয় মান আপোনাৰ্ প্রভাৱেৰেই বা ধর্ম্মেৰেই আমি
ঔয়াক্ খোজ কঢ়ালৎ যেনেকৈ আমালৈ চালাহেঁতেন্
১৩ তেনেকৈ আমালৈ একেদৃষ্টেৰে চোৱা কিয়। তোমোলাকে
যাক দণ্ডনৰ্ হাতৎ দিলা আৰু পীলাতে যি কালৎ
তেঁওক্ মুকলি কৰিবলৈ নিয়ম্ কৰিছিল্ সেই কালৎ
তেঁওক্ পীলাতৰ্ আগতে শৈ ন কৰিলা এনে যি আপোন্
পুত্ৰ যিশু তেঁওৰ্ মাহাত্ম্য অৱৰাহামেৰে যিস্হাকেৰে যআ্কো
বেৰে ঈশ্বৰে অথচ আমাৰ্ পিতৃলোকবিলাকৰ ঈশ্বৰে
১৪ প্রকাশ্ কৰিছে কিন্তু তোমোলাকে সেই ধর্ম্মিষ্ঠ আৰু
পাৰমার্থিক লোকক শৈ ন কৰিলা আৰু এজন্ বধী
কর্ত্তাক্ তোমোলাকৰ্ হাতৎ দিয়া হয় ঔয়াকে তোমো
১৫ লাকে মাগিলা। যাক ঈশ্বৰে মৃত্যুৰ্পৰা পুনৰুত্থান্
কৰিলে যি কথাৰ্ আমিও সাক্ষী হইছো এনে যি জীৱনৰ্

১৬ ৰজা তেঁওকে তোমোলোকে বধ কৰিলা। আৰু এই যি
মানুহক তোমোলোকে দেখা আৰু চিনা তেঁওৰ নামে
যি বিশ্বাস্ তদ্দ্বাৰায় তেঁওৰ নামে ঔয়াকে বলৱন্ত
কৰিছে আৰু তদ্দ্বাৰায় যি প্ৰতীতি সেই প্ৰতীতিয়ে
তোমোলোকৰ এটাইৰে আগতে তাক এই সম্পুৰ্ণ সুস্থ
১৭ কৰিছে। এই হেতুকে এতিয়া হে ভায়েহঁত তোমো
লোকে আৰু তোমোলোকৰ অধিপতিবিলাকে অজ্ঞানত
১৮ তাকে কৰিলে ঔয়াকে ময় জানো। কিন্তু খ্রীষ্ট মৰিব
এই যি কথা ঈশ্বৰে আপোনাৰ আচাৰ্য্যবিলাকৰ মুখে
প্ৰকাশ কৰিলে তাক তেঁও এই ৰূপে সম্পুৰ্ণ কৰিলে।
১৯ এই হেতুকে জীৱণীকাল যিহোৱাৰ স্থানৰপৰা যেতিয়া
আহে সেই কালত আৰু যাৰ কথা আগেই তোমো
লকৰ ওচৰত কীৰ্ত্তন কৰা গল আৰু যি বিশুদ্ধ আচাৰ্য্য
বিলাক জগতৰ আৰম্ভন কালৰেপৰা আছিল সেই
বিলাকৰ মুখে ঈশ্বৰৰ সৰ্ব্ব বস্তুৰ পুনৰ্ব্বাৰ ব্যৱস্থা কৰাৰ
কথা কৈছিল সেই কাল যেতিয়া ন আহিব আৰু
যাকে স্বৰ্গসকলৰ গ্ৰহণ কৰিবলগা আছে এনে যি
২০ যিশু খ্রীষ্ট তেঁওক তেতিয়া পঠিয়াব। সেই কালত
২১ তোমালোকৰ পাতক গুচিবলৈ পৰায়নন কৰা আৰু
২২ মন পালটোৱা। তোমোলোকৰ ঈশ্বৰ যিহুৱায়
তোমোলোকৰ ভায়বিলাকৰপৰা মোৰ নিচিনা আচাৰ্য্য
এজনক তোমোলোকলৈ অৱশ্যে ওপজাব যি২ কথা
তেঁও তোমোলকত কব সেইবিলাক তেঁওৰ কথা
২৩ শুনিও যি২ মানুহে সেই আচাৰ্য্যৰ কথা ন শুনে
তাকে আপোনাৰ মানুহৰপৰা উচ্ছন্ন কৰিবলাগে

এই কথাকে মোশহে পিতৃ লোকবিলাকৰ আগৎ কলে।
২৪ শামুএলকে আদি কৰি যেতেক্ আচাৰ্য্যবিলাকে কলে
অৰ্থাৎ যেতেকে আচাৰ্য্যে কলে সেই সকলেই এই দিন্
২৫ অৰ যেন্ জৈয়াকে কৈছে। তোমোলাক্ আচাৰ্য্য বিলা
কৰ্ সন্ততি তোমোলাকৰ্ সন্তানে পৃথিবীৰ্ এটাই
বওহে আশীৰ্ব্বাদ পাব অবৰাহামৎ এনে কথা কৈ
ঈশ্বৰে আমাৰ্ পিতৃলোকবিলাকে সৈতে যি নিয়ম
২৬ কৰিলে সেই নিয়মৰ্ সন্ততি তোমোলাক্ তোমোলা
কৰ্ মাজৰ্ প্ৰতি মানুহকে তাৰ্ পাতকৰণৰা ও
ভোতাৰৰ্ দোৱাৰায় তোমোলাকক্ আশীৰ্ব্বাদ দিবলৈ
ঈশ্বৰে আপোন পুত্ৰ যিশুক তুলি আগেই তোমোলা
কৰ ওচৰলৈ পঠিয়াইছে।—

পৰ্ব্ব সিবিলাকে মানুহৎ কথা কওতে পুৰোহিতবিলাকে
৪ মন্দিৰৰ্ অধিকাৰবিলাকে শাদুকিবিলাকে সিবিলাকৰ্
২ মানুহৎ শিখোৱাৎ আৰু যিশুৰ দোৱাৰায় মৃতকৰ্
পুনৰুৎথান্ জনোৱাৎ বেজাৰ্ লাগি সিবিলাকৰ্ ওচ
৩ ৰলৈ আহি সিবিলাকৰ্ গাৎ হাতৎ দিলে পাচ দিনা
দৈলকে বন্দী কৰিলে কিয়নো সন্ধ্যা কাল্ তেতিয়া হল।
৪ কিন্তু যিবিলাকে সেই বাক্য শুনিছিল্ সেই বিলাকৰ্
মাজৰ ভালেমান্ মানুহে আস্তিক্ কৰিলে সেই মানু
৫ হৰ্ সংখ্যা পাঁচ হেজাৰ্ মান্। পাচ দিনা সিবিলাকৰ্
অধিপতিবিলাকে পাঁৰো হুঁচাবিলাকে অধ্যাপকবিলাকে
৬ যনা নামাৰে বড় পুৰোহিৎ কায়াফা যোহন্ আলেক
জান্দ্ৰ বড় পুৰোহিতৰ্ সিতিৰ্ যিবিলাক্ এই সকল
৭ যিৰুশালমৎ মেল পাতিলে। পাচে সিবিলাকক্ মাজত

ৰস্কৰায় সে বলাক শুধিলে বোলে তোমালোকে কি
৮ প্ৰভাৱেৰে অথবা কি নামেৰে এয়াকে কৰিছা । তাতে
পিতৰে ধৰ্ম্মাত্মাৰে ভৰ্পুৰ্ হই সিবিলাকক্ কৈলে ।
৯ হে মানুহৰ্ প্ৰধান্ বিলাক হে য়িশ্ৰএলৰ্ বুঢা বিলাক
সেই নিৰ্ব্বলী মানুহক্ প্ৰতি যি ভাল কৰ্ম্ম কৰা গৈছে
সি কেনেকৈ ভাল্ হল্ এয়াৰে যেদি আমি সোধিৎ হওঁ
১০ তেবে তোমালোকে এয়াক্ জানা আৰু য়িশ্ৰএলৰ্
এটাই মানুহেও এয়াক্ জানোক্ যি য়িশু খ্ৰীষ্ট নাজ
ৰেতক্ তোমালোকে ক্ৰুশৎ হত কৰিলা যাক্ ঈশ্বৰে
মৃত্যুৰপৰা তুলিলে তেঁওৰ্ নাম অৰ্থাৎ তেঁওৰ্ দোৱা
ৰায় এই মানুহ তোমালোকৰ্ আগত সুস্থ হই
১১ থিয় হই আছে । যৰ্সাজিয়া তোমালোকে যি শিল্
অলাগি কৰিলা সিও চুকৰ্ প্ৰধান্ হইছে সেয়ে এই ।
১২ আৰু কাতো ত্ৰাণ নায় কিয়নো স্বৰ্গৰ্ তলৎ মানুহৰ্
মাজৎ যিহতে আমাৰ্ ত্ৰাণ হয় এনে অৱৰ আৰ কোনো
নায় দিয়া নে যায় ।—
১৩ সিবিলাকে পিতৰৰে যোহনৰে নিৰ্ভয় মন্ দেখি আৰু
সিবিলাক অজ্ঞান আৰু বিদ্যাহীন লোক্ এয়াকে বুজি
বিস্ময় মানিলে সিবিলাক্ য়িশুৰ্ লগৎ আছিল্ এয়া
১৪ কো জানিলে । পাচে সিবিলাকৰ্ মাজতে থিয় হবৰ্
সুস্থ মানুহক্ দেখি সিবিলাকে একো দৰুক্তি কৰ নো
১৫ ৱাৰিলে । সিবিলাকক্ যেজৰ্ বাজলৈ যাবলৈ কৈলি
১৬ সিবিলাকে আলোচনো যুক্তি কৰিলে বোলে । আমি
এই মানুহ কেইটাক্ কি কৰিম্ কিয়নো সিহঁতৰ্
দোৱাৰায় আশ্চৰ্য্য এক প্ৰখ্যাত কৰ্ম্ম কৰা হল এয়ে
য়িৰুশালমবাসী এটাইৰে প্ৰত্যক্ষ হইছে আমিও

১৭ ভাক্ শৈ পাকোচি থাকিব নোৱাৰিয। কিন্তু সেয়ে
যেন্ মানুহৰ মাজৎ আৰু নে ব্যাপে সেই নিমিত্তে
আমি সিহঁতক্ এই নামে কাভো ন কবলৈ শাস্তি কৰি
১৮ অঙ্গীকাৰ্ কচায় হাক্ দিয়ো। পাচে সিহিলাকক্ মাতি
সিহিলাকে যিশুৰ্ নামে কাভো একো ন কবলৈ বা শিখা
১৯ বলৈকো হাক্ দিলে। কিন্তু পিতৰে যোহনে সমি
ধান্ দি সিবিলাকক্ ইঁলিলে ঈশ্বৰৰ্ দৃষ্টিতে ঈশ্ব
ৰৰ্ আজ্ঞাৎকৈ তোমোলাকৰ্ আজ্ঞা শুনা ওচিৎ উয়া
২০ কে তোমোলাকে গমি দেখা। কিয়নো যিহকে আমি
দেখিচো আৰু শুনিচো তাকে কোৱাত্ ক্ষমিবনোৱাৰো।
২১ এই হেতুক মানুহৰ্ নিমিত্তে সিবিলাকক্ শাস্তি কৰি
বলৈ একো নে পায় সিবিলাকে সিবিলাকক্ আৰু ভৰি
মাই পাচি দিলে কিয়নো যি কার্য্য কৰাগৈচিল্ তাতে
২২ এটাই মানুহে ঈশ্বৰৰ্ মাহাত্ম্য বখানিলে কিয়নো
যি মানুহৰ্ এই সুস্থ কৰা আশ্চর্য্য কর্ম্ম কৰা গৈচিল্
সেই মানুহৰ্ বয়স্ চল্লিশ্ বৎসৰৎকৈ কিচু অধিক
২৩ সিবিলাক্ এড়ায় আপোনাৰ্ অঠৰ্ কাখবলৈ গৈ
বড় প্রৰোহিৎবিলাকে বৃদ্ধ লোকবিলাকে সিবিলাকৎ
২৪ যি কৈচিল্ তাকে কলে। সিবিলাকে তাকে শুনি
একচিত্ত হই এটাই পাৰি ঈশ্বৰৎ নিবেদন্ কৰিলে
হে প্রভু স্বর্গ পৃথিবী সাগৰ্ সিবিলাকৰ্ মাজৎ থাকে
যেতেক্ এই এটাইকে সৃজোঁতা ঈশ্বৰ তুমি আন্ দেশৰ্
মানুহে কিয় খঙ কৰে মানুহে কিয় ব্যর্থ চিন্তা কৰে।
২৫ পৃথিবীৰ্ ৰাজাবিলাক থিয় হয় অধিপতিবিলাক যিহু

হবে উঁওৰ অভিষিক্তৰ বিৰোধে এক আলচ কৰে।
২৫ আপোন সেৱক দাউদৰ মুখে এই কথা কঁওতা তুমি
যাকে অভিষিক্ত কৰিছা এনে যি তোমাৰ ধৰ্ম্মিষ্ঠ
২৭ শিশু যিশু উঁওৰ বিৰোধে তোমাৰ হাতে তোমাৰ
২৮ নিয়মে যিহকে আগলগা কৰি নিশ্চয় কৰিছিল সেই
কাৰ্য্য কৰিবলৈ হেৰোদে পন্তিয়সে পীলাতে আন দেশৰ
মানুহে যিশৰএলৰ মানুহে সমানিতে মেল পাতিলে
২৯ এয়ে নিশ্চয়। এতিয়া হে যিহুহ সিবিলাকৰ ডাবি
দেখা আৰু সুস্থ কৰিবলৈ আপোন হাত মেলাত
৩০ আৰু চিন্ আশ্চৰ্য্য কৰ্ম্ম তোমাৰ ধৰ্ম্মিষ্ঠ শিশু যিশুৰ
নামেৰ দোৱাৰায় হবাতে আপোন বন্দীইঁতক নিৰ্ভয়
৩১ হৈই তোমাৰ কথা কবলৈ দিয়া। সিবিলাকে
প্ৰাৰ্থনা কৰি থাকোতেই মেলৰ ঠাই লৰিব ধৰিলে
সিবিলাক এটাই ধৰ্ম্মাত্মাৰে ভৰপুৰ হৈই ঈশ্বৰৰ
কথা সাহকৈ কব ধৰিলে।—
৩২ যিবিলাকে পতিয়ালে সিবিলাকৰ মণ্ডলি একচিত্ত এক
আত্মা আছিল আৰু কোনোএ আপোন ধন আপো
নাৰ বুলি নুবুলিলে কিয়নো এটাই বেহানিত এটাই
৩৩ সমান হল। আৰু পাঁচনী সকলে মহাপ্ৰভাৱেৰে
প্ৰভু যিশুৰ পুনৰুত্থানৰ প্ৰমাণ দিলে আৰু সবা
৩৪ লৈকে বৰ অনুগ্ৰহ হল। সিবিলাকৰ কোনো
অকিঞ্চন নাছিল কিয়নো যিবিলাক ভেটি মাটিৰ অধি
৩৫ কাৰ্ আছিল সেই বিলাকে তাকে বেচি বেচ আনি
পাঁচনী সকলৰ চৰণত থুৱ্নি দিলে পাচে প্ৰতিজনৰ প্ৰয়ো
৩৬ জনানুসাৰে গায়পতি বাঁটি দিলে। পাঁচনীবিলাকে যাক

বাৰ্ণবা বুলিলে অৰ্থাৎ সান্ত্বনাৰ পুত্ৰ এনে যোচেস্
৩৬ নামে কুপ্ৰস্ দেশীয় এক লেবি আপোন আধিপত্যৰ্
মাটি বেচিলে আৰু বেচ্ আনি পাঁচনী সকলৰ্ চৰণৎ
দিলে।—

পৰ্ব্ব কিন্তু অননীয়াহ্ নামে এটায় আপোন শফীৰা নামে
৫ তিৰোতায় সৈতে আধিপত্য বেচিলে আৰু আপোনাৰ
ঘৈনীয়েকে জানিলৎ তাৰে বেচৰ কিছু লুকায় থলে পাচে
কিছুমান্ টকা আনি পাঁচনীসকলৰ্ চৰণৎ দিলে।
৩ তাতে পিতৰে বুলিলে হে অননীয়াহ্ ধৰ্ম্মাত্মাৎ মিচা
কথা কবলৈ মাটিৰ্ কিছু মান্ টকা লুকায় ৰাখিবলৈ
৪ শয়তানে তোমাৰ্ আশয় কিয় পূৰ্ কৰিছে। সেই
আধিপত্য যেতিয়া আছিল্ তেতিয়া সেয়ে তোমাৰ্
স্বকীয়া নাছিল নে আৰু বেচিলৎ তাৰ্ বেচ্ তোমাৰ
অধীন ন হয় নে তেবে মনৎ কিয় এই চিন্তা! তুমি মানুহ
৫ হৎ মিচা কথা নোকোৱা কিন্তু ঈশ্বৰৎ। অননীয়াহে
এই বচন্ শুনি পড়ি প্ৰাণত্যাগ কৰিলে তাতে যেতেক্
মানুহে এয়াকে শুনিলে সেই এটাইৰে মহাত্ৰাস্
৬ লাগিল্। আৰু ডেকাইৎ উঠি তাক্ কাপোড়ৰে মেৰায়
৭ বাজলৈ নি মৈদামৎ শুৱালেগৈ। তিনি ডাঁৰ্মান্
বেলিৰ্ পাচে তাৰ্ ঘৈনীয়েকে এইবিলাক্ নে জানি ভিত
৮ ৰলৈ আহিল্। তাতে পিতৰে তাইক্ উত্তৰ্ কৰিলে বোলে
মোৎ কোৱা তোমোলাকে এই বেচলৈ মাটি বেচিছা
৯ নে তাই তেওঁক্ বুলিলে সঁচো এই বেচ্। পিতৰে
তাইক্ বুলিলে তোমোলাকে প্ৰভুৰ আত্মাৰ্ পৰীক্ষা
কৰিবলৈ যে মন্ মেলিছা ঐ কি দেখা থিৰিলাকে তোমাৰ

স্বামীক্ যৈদাযং শুৱালে সিহঁতৰ্ ভৰি দুৱাৰৰ্ ওচ
১০ ৰং আছে আৰু সিহঁতে তোমাকো লৈ যাব। তাতে
তাই তেতিয়াই তেঁওৰ্ ভৰিৰ্ ওচৰং পৰি প্ৰাণ ত্যাগ
১১ কৰিলে। ডেকাহঁতে সোমায় তাইক্ মৰা দেখিলে
পাছে তাইক্ লৈ গৈ যৈদাযং তাইৰ্ গিৰীয়েকৰ্ কাষ
ৰং শুৱালে। তেয়াতে এটাই মণ্ডলীৰ্ ওপৰং আৰু
আনং যোতক মানুহে এই বতৰা শুনিবলৈ পালে সেই
১২ বিলাকৰ ওপৰতো বড় ভয় পৰিল। পাঁচনী সকলৰ্ হতু
ৱায় মানুহৰ্ মাজং ভালেমান লক্ষণ আৰু আশ্চৰ্য্য
কৰ্ম্ম কৰা গল। পাছে সিবিলাক্ এটাই একচিত্তে শল
১৩ মনৰ্ পিৰালিং থাকিল। আনং মানুহৰ্ মাজৰ্ সিবি
লাকৰ্ লগৰ্ কৰিবলৈ কাৰো সাহস হইছিল্ কিন্তু
১৪ এটাই মানুহে সিবিলাকক্ শ্লাঘা কৰিলে। আৰু
স্বনীহ তিৰোতা এই দুয়োৰো মাজং বহুত্ শৰণাগতক্
১৫ প্ৰভুৰ্ লগৰ্ সংলগ্ন কৰা গল। তাতে পিতৰ্ সেই
বাটে দি যাওতে তেঁওৰ্ ছাঁ কোনো প্ৰকাৰে সিহঁতৰ্
কাৰোগাং লাগিবলৈ সিহঁতে নৰিয়াবিলাকক্ পাটীৰে
১৬ খাটেৰে ওপৰং শুৱাই বাটং আনি থলে। চাৰি
ওফালৰ্ নগৰৰ্পৰা বহু জন সমূহে নৰিয়াহঁতকে
অশুচি আত্মায় বিৰাহঁতকে লগং লৈ যিৰুশালমলৈ
আহিল্ তাতে সিহঁতক্ এটাইকে সুস্থ কৰা হল।—
১৭ তাতপাছে বড় প্ৰুৰোহিত তেঁওৰ্ লগৰিয়া শাদূকী
১৮ মতাৱলম্বী মানুহে খঙতে পূৰ্ হই উঠিল্ আৰু পাঁচনী
১৯ বিলাকক্ বিৰি হীনলোকৰ্ বন্দিশালং সোমালে। কিন্তু
ৰাতি যিহোৱাৰ দূতে বন্দীশালৰ্ দুৱাৰ্ মেলি সিবিলা

২০ ৰুক্ ৰাজ ওলিয়াই কলে বোলে। তোমোলাক যোৱা
মন্দিৰ্‌ৎ থিয় হৈ এই জীৱনৰ্ সকলো কথা মানুহৰ্
২১ কানৎ কোৱাগৈ। সিবিলাকে সেই কথা শুনি পুভাতে
মন্দিৰৎ সোমায় শিখালে সেই কালৎ বড় প্ৰৰোহিতে
২২ তেঁওৰ্ লগৰ্ মানুহে যেলুৱেইতকে য়িশৰএলৰ সন্তু
তিৰ মন্ত্ৰীইঁতকে গোটায় সিবিলাকক্ আনিবলৈ বন্দী
২৩ শাললৈ পাঠ্য়লে। পৰিয়াইঁতে গৈ সিবিলাকক্
বন্দীশালৎ নেপালে এই হেতুক্ সিহঁৎ ওভতি আহি
এই কথা কৈ বাৰ্ত্তা জনালে বোলে। আমি বন্দ শালো
বড় আটক্ দেখিলো পৰিয়াইঁতো দুৱাৰ্ মুখতে থিয়
হৈ আছে ঐয়াকো দেখিলো কিন্তু দুৱাৰ্ মেলি ভিত
২৪ ৰৎ কাৰো লগ নেপালো। বড় প্ৰৰোহিতে মন্দিৰৰ্
অধিকাৰ্ বিলাকে পুৰান্ যাজকবিলাকে এই কথা শুনি
২৫ ঐয়াৰ কি হব এই বুলি ভাবিব ধৰিলে। তাতে এটায়
আহি খবৰা কলে বোলে দেখা যিবিলাকক তোমো
লাকে বন্দী কৰিছিলা সিবিলাকে মন্দিৰৎ থিয় হৈ
২৬ মানুহক্ শিখাইছে। তেতিয়া বৰাইঁতে পৰিয়াইঁতে
গৈ যোটা প্ৰটিন কৰাকৈ এ সিবিলাকক্ আনিলে কিয়নো
মানুহে সিবিলাকক্ শিল্ পেলায় মাৰে কি কিয়েই ঐয়া
২৭ তে সিবিলাকৰ্ ভৰ্ লাগিল্। সিহঁতে সিবিলাকক আনি
মেলৎ ৰক্ষৱালে পাচে বড় প্ৰৰোহিতে সিবিলাকৎ
সুধিলে বোলে। আমি এই নামে শিকাবলৈ তোমো
২৮ লাকক্ নিশ্চয় কৰি হাক্ নি দিছিলো কিন্তু দেখা
তোমালোকে য়িৰুশালমক্ তোমোলাকৰ্ শিখনীৰে পুৰ্
কৰিছা আৰু এই মানুহক ৰবীৰ জগৰ আমাৰ্ গালৈ

২৯ মানিব খোজা। তেতিয়া পিতৰে পাঁচনীবিলাকে মাৎ
লগালে বোলে মানুহৎকৈ অধিক কৰি ঈশ্বৰক আমি
৩০ মানিবলগা। যি যিশুক তোমোলাকে গছৰ ওপৰৎ
আঁৰি বধ কৰিলা তেঁওক আমাৰ পিতৃবিলাকৰ ঈশ্বৰে
৩১ জীয়ালে। আৰু আপোনাৰ সোঁহাতেৰে ওঁচ পদস্থ
কৰি যিশৰএলক মন পালটোয়াকে পাতক খণ্ডনকে দিব
৩২ লৈ তেঁওক ৰজাও ত্ৰাণ কৰ্ত্তাও ঈশ্বৰে পাতিছে। আমি
তেঁওৰ পক্ষে শাক্ষী হোঁ আৰু ঈশ্বৰে আপোন আজ্ঞা
অবর্ত্তীহঁতক যি ধৰ্ম্মাত্মাক দিছে তেঁও এই কথাৰ শাক্ষী
৩৩ হয়। সিবিলাকে এই কথা শুনি মনৎ ভেদিত
হইছিল আৰু সিবিলাকক বধিবলৈ আলচ কৰিলে।
৩৪ তেতিয়া ব্যৱস্থাজ্ঞ এটাই মানুহৰে মাননীয় গমালিএল
নামে এক ফাৰিসিএ মেলৎ উঠি পাঁচনীবিলাকক
৩৫ কিছু কাল বাজলৈ নিবলৈ আজ্ঞা দিলে। পাছে
তেঁও সিবিলাকক বুলিলে হে যিশৰএলী মানুহবিলাক
এই মানুহ কেইটাক তোমোলাকে যি কৰিব খোজা
৩৬ তাতে সাৱধান হোৱা। কিয়নো জীয়াৰ আগেই তুদাস
নামে এটায় আপোনাকে কোনো বড় মানুহ বুলি
উঠিল তাৰ সপক্ষ চাৰি শ মান মানুহ আছিল সি মৰা
গল তাৰ যেতেক সহায় সেই এটাইবিলাক বৈশ
৩৭ হল শূন্য হই গল। সেই মানুহৰ পাছে ৰাজ্যৰ
কাহৎ কৰিবৰ সময়ৎ গালিলিৰ যিহুদাহ উঠিল
আৰু ভালেমান মানুহক আপোনাৰ ফলিয়া কৰিছিল
সিও নষ্ট হল যেতেক মানুহে তাক মানিছিল সেই
৩৮ এটাইবোৰ বৈশ হল। এই হেতুকে তোমোলাকৎ

যয় কঁও এই মানুহকেইটাক এৰি দিয়া সিহঁতক একো
ন কৰিবা কিয়নো এই যুক্তি এই কাৰ্য্য যেদি মানুহৰ
৩৯ পৰা হয় তেবে সুলকি পৰিব। কিন্তু যেদি ঈশ্বৰৰ
পৰা হয় তেবে তোমোলাকে তিকিব নোৱাৰা আনো
ঈশ্বৰে সৈতে ৰণ কৰা হুঁলি তোমোলাকৰ নায়
৪০ ওহে। তেঁওৰ কথা সিবলাকৰ মনত লাগিল পাচে
পাঠনীবিলাকক মাতি আনি মৰিয়ায় যিশুৰ নামে ন
কবলৈ আজ্ঞা দিলে পাচে সিবিলাকে সিবিলাকক পাচি
৪১ দিলে। এই হেতুক সিবিলাকে তেঁওৰ নামৰ হন্তে
লাজ পোৱাৰ যোগ্য হল জৈয়াতে আনন্দ কৰি মেলৰ
৪২ আগৰ পৰা গুচি গল। আৰু মন্দিৰে ঘৰে২ সিবি
লাকে দিনযান শিখাবলৈকো যিশু খ্রীষ্টৰ নামে কীৰ্ত্তন
কৰিবলৈকো নেৰিলে।—

পৰ্ব্ব সেই কালত ভকত সকল বৰ বাঢ়িলত নিয়ে দান
৬ কালত গ্রীক সকলৰ বাঁৰীহঁতৰ হেয় হোৱাত এব্ৰী স
১ কলে সৈতে গ্রীক সকলৰ দন্দ লাগিল। তাতে সেই
২ বাৰে জন ভকতৰ মণ্ডলীক মাতি আনি হুঁলিলে
আমি ঈশ্বৰৰ কথা এৰি মেজৰ বন কৰো সেয়ে ওচিত
৩ ন হয় এই হেতুক হে ভায়হঁত যিবিলাকক এই বনত
আমি নিযোজন কৰিব পাৰো যশী অথচ ধৰ্ম্মান্মাৰে
জ্ঞানেৰে ভৰপুৰ। সাত জনক আপোনা সকলৰ
৪ পৰা বাচি লোৱা। কিন্তু আমি প্ৰাৰ্থনা আৰু বাক্য
৫ কীৰ্ত্তন কৰ্ম্ম সেৱাতে নিতৌ লাগি থাকিম। এই
কথায় এটাইৰে সন্তোষ জন্মালে। পাচে ধৰ্ম্মান্মাৰে
ভকতিৰে ভৰপুৰ স্তিফানস নামে এজন ফিলিপকে

প্ৰখোৰসকে নিকানৰকে টিমোনকে পৰমেনাসকে আৰু
নিখলাস আন্টিয়োখৰ এক প্ৰতীতিকাৰী নামেকে সিবি
৬ লাকে বাচি ললে। আৰু পাঁচনী সকলৰ কাষৰলৈ
আনি প্ৰাৰ্থনা কৰি সিবিলাকৰ ওপৰত হাত দিলে।
৭ ঈশ্বৰৰ বাক্য ক্ৰমে বিয়াপিল আৰু যিৰূশালমত চেলা
সকলৰ সংখ্যা অতিশয় বাঢ়িল আৰু বহু পুৰো
হিত প্ৰতীতি ধাৰাবলম্বী হল।
৮ আৰু স্তিফানস বিশ্বাসেৰ প্ৰভাৱেৰে পৰিপূৰ্ণ হই
মানুহৰ আগত লক্ষনো আশ্চৰ্য্য কৰ্ম্মো কৰিলে।
৯ তাতে লিবৰ্ত্তিন কিৰীণীৰে আলেকসান্দ্ৰিয়াৰে কিলিকি
য়াৰে আসিয়াৰ সিনগগৰে কেতেটি মানুহ উঠি স্তি
১০ ফানসে সৈতে মুখামুখি লগালে। কিন্তু যেজ্ঞানেৰে
আত্মাৰে তেঁও কুলিলে তাকে ঘটাবৰ নোৱাৰি সিবি
১১ লাকে কেতেটি মানুহক লোভ দেখুৱায় মাতিলে সেই
মানুহবিলাকে কুলিলে মোশহেও ঈশ্বৰৰ বিপক্ষে নিন্দা
১২ কথা কওতে তেঁওক আমি শুনিলো। আৰু সিবিলাকে
প্ৰজাৰে বৃদ্ধলোক বিলাকৰে অধ্যাপকবিলাকৰে মন
প্ৰবৰ্ত্তলে তেঁওৰ কাষৰলৈ আহি তেঁওক ধৰি মেললৈ
১৩ আনিলে। পাচে যিবিলাকে কুলিলে এই পবিত্ৰ থানৰে
ব্যৱস্থাৰে বিৰোধিলৈ এইটো নিন্দা কথা কবলৈ নেৰে এনে
১৪ মিচলীয়া সাক্ষি কদা কৰিলে। কিয়নো এই যিশু নাজা
ৰেথে এই থান নষ্ট কৰিব আৰু যি আচাৰ মোশহেও
আমাক দিছিল সেই সকলৰ অন্যথা কৰিব তেঁওৰ এই
কথা আমি শুনিছো। সেই কালত যিং মানুহ মেলত

১৫ বহিল্ সেইবিলাকে তেঁওলৈ একেদৃষ্টিৰেই চাই তেঁওৰ
মুখ স্বৰ্গদূতৰ মুখৰ নিচিনা দেখিলে।—

পৰ্ব্ব তেতিয়া বড় পুৰোহিতে কলে এইবিলাক এনে হয়নে।
২ তেঁও কলে হে মানুহবিলাক ভায়বিলাক পিতৃবিলাক
মন কৰা আমাৰ পিতৃ আব্ৰহাম মেসোপোটা
মিয়াত থকা কালত তেঁও হাৰাণত থকাৰ আগেই
৩ জ্যোতিৰ্ম্ময় ঈশ্বৰে তেঁওক দেখা দি কলে বোলে। তয়
আপোন দেশক আপোন মিত্ৰবিলাকক এৰি যি দেশ ময়
৪ তোক দেখুৱায় সেই দেশলৈ আহ। তেতিয়া
তেঁও কাল্দী দেশ এৰি হাৰাণত থাকিল্ গৈ। পাচে
৫ তেঁওৰ বাপেক মৰিলত সেই দেশ এৰি যি দেশত
তোমোলোক এতিয়া আছা এই দেশলৈ আহিল্।
তেঁও তাৰ মাজৰ একোৰো আধিপত্য তেঁওক নি দিলে
এক পদ ভূমিও নি দিলে কিন্তু আধিপত্যৰ হেতু তেঁওক
তাকে দিব আৰু তেঁওৰ কোনো সন্ততি নে থাকিলেও
তাৰ পাচে তেঁওৰ সন্ততিক দিব এই অঙ্গীকাৰ কৰিলে।
৬ তেঁওৰ সন্ততিবিলাক আন দেশত থাকিব আৰু সেই
মানুহে সিহঁতক বন্দুৱা লব আৰু সিবিলাকক চাৰি
শ বছৰলৈকে ক্লেশ দিব যেন ঈশ্বৰে উৱাকে কলে।
৭ ঈশ্বৰে আৰু উলিলে তাৰ পাচে যি দেশৰ মানুহৰ
বন্দী বাবত সিবিলাক থাকিব সেই দেশৰ মানুহকে
ময় অৱশ্যে দণ্ড কৰিম তাৰ পাচে সিবিলাক বাজৈলে
আহি এই থানতে মোক শুশ্ৰূষা কৰিব এইবিলাক কথাও
৮ কলে। তেঁও সুন্নতৰ নিৰ্ব্বন্ধ তেঁওক দিলে পাচে আব্ৰ

হায়ে ইস্হাকক্ জন্মালে অষ্টম্ দিনা তেঁওৰ্ সুন্নৎ
কৰিলে পাচে ইস্হাকে যআকুবক্ জন্মালে যআকুবে
৯ বাৰে জন পিতৃক জন্মালে। পিতৃবিলাকে ঈৰ্ষাৰে
১০ পৰিপূৰ্ণ হই যুসফক্ মিসৰৎ বেচিলে কিন্তু ঈশ্বৰ্ তেঁওৰ্
লগৎ হই তেঁওৰ্ সকলো দুঃখৰ্পৰা তেঁওক্ উদ্ধাৰ্
কৰিলে আৰু মিসৰৰ্ ৰজা ফৰওহৰ্ আগৎ তেঁওক্
অনুগ্ৰহকে জ্ঞানকে দিলে তাতে তেঁও মিসৰ্ দেশৰ
আৰু আপোনাৰ্ সৰ ঘৰৰ্ অধিকাৰ্ তেঁওক্ পাতিলে।
১১ তাৰ্ পাচে মিসৰ্ আৰু কনআন সদৌ দেশৎ আঁকাল্
আৰু বড় দুঃখ হল্ তাতে আমাৰ পিতৃবিলাকে ভক্ষা
১২ দ্ৰব্য নে পালে কিন্তু মিসৰৎ শস্য আছে যআকুবে জৈয়াৰ্
১৩ শুনি আদিতে আমাৰ্ পিতৃবিলাকক্ পঠিয়ালে। পাচে
দ্বিতীয় বেলি যুসফ আপোনাৰ্ ভায়েকহঁতৎ চিনা গল
১৪ যুসফৰ্ মিত্ৰৰ্ মানুহ ফৰওহৎ চিনা গলে। তাৰ্
পাচে যুসফে মানুহ পঠিয়ায় আপোন্ পিতৃ যআকুবক
তেঁওৰ্ এটাই মিত্ৰৰ্ পঞ্চসত্তৰি প্ৰাণিকো আপোনাৰ্
১৫ ওচৰলৈ মাতি আনিলে। তেতিয়া যআকুব্ মিসৰলৈ
গল্ পাচে তেঁৱে আমাৰ্ পিতৃবিলাকে তাতে মৰিল্।
১৬ পাচে সিবিলাকক্ শেকেমলৈ বহন কৰা গৈছিল্ আৰু
যি যৈদাম অব্ৰাহামে ৰূপ দি সিকেমৰ্ বাপেক্ হামোৰ
ৰৰ্ সন্ততিৰ্পৰা কিনিছিল সেই যৈদামতে থোৱা হল।
১৭ কিন্তু অব্ৰাহামৰ্ আগৎ ঈশ্বৰে শপৎ কৰি অঙ্গী
কাৰ কৰিছিল্ সেই অঙ্গীকাৰ্ পৰিপুৰ্ণ কৰিবৰ্ কাল
১৮ যেতিয়া ওচৰ্ লাগিছিল্ তেতিয়া যুসফক্ নে চিনিলে
এনেকুৱা আৰু এক ৰজা উৎপত্ত হোৱালৈকে মানুহ মিস

১৯ বং বাচিল্ আরু আমাৰ অবহ হবলৈ ধৰিলে। সেই
ৰজায় আমাৰ্ গোত্ৰজবিলাকৰ ওপৰৎ টৌটক্ লগালে
বৰ্ ওদ্বহতি আমাৰ্ পিতৃবিলাকৰ ওপৰৎ কৰিলে
তাতে সিবিলাকৰ্ লৰাহঁৎ নিজীৱলৈ শিশুবিলাকে সিহঁ
২০ তক্ বাজৎ পেলালে। সেই কালৎ মোশহ্ ওপজিল্,
অতিসুন্দৰ্ লৰাটি আৰু আপোন্ পিতৃৰ্ ঘৰৎ তিনি
২১ মাহ পোষিৎ হল্। পাচে বাজৎ পেলালে ফৰওহৰ
২২ জীয়েকে তাক্ পায় আপোনাৰ্ পো হুলি তুলিলে তাতে
মিসৰীয়া মানুহৰ্ বিদ্যাৎ পাগৎ হইচিল্ আৰু
২৩ কথাতো কৰ্ম্মতো মোশহ্ পাগৎ হইচিল্। পাচে
তেঁও চল্লিশ বৎসৰিয়া হলৎ তেঁও আপোনাৰ্ ভায়েক্
য়িশৰএলৰ সন্ততিবিলাকক্ দেখিবলৈ যাবলৈ মন্
২৪ কৰিলে। তেতিয়া সিবিলাকৰ্ এটাক্ হিংসিত দেখি
তেঁও তাৰ্ উপকাৰ্ কৰিলে আৰু সেই হিংসিত
মানুহৰ পক্ষে পুতিহিংসা কৰি সেই মিসৰিয়াক্
২৫ বধিলে। যেনো ঈশ্বৰে তেঁওৰ্ হতুৱায় সিহঁতক উদ্ধাৰ
কৰিব তেঁওৰ্ ভায়েক্বিলাকে জেয়াকে বুঝিবলৈ তেঁও
এই মন্ কৰিলে কিন্তু সিবিলাকে তাক নবুঝিলে।
২৬ পাচ দিনা সিবিলাকৰ্ দন্দ লাগিবৰ্ কালৎ তেঁও
আগতে থাকি সিবিলাকক্ মিলাবলৈ ঔষ্ঠা কৰি হুলিলে
হেৰে মানুহবিলাক্ তহঁতে ভায়েৎ অন্যোন্যে অনি
২৭ যায় কিয় কৰহঁক্। কিন্তু যি আপোনাৰ্ ওচৰ্ চুবুৰ্
ৰিয়াক্ অনিষ্টায় কৰিলে সি মোশহক্ ঠেলি পেলায়
হুলিলে তোমাক্ আমাৰ্ স্বামী আৰু শোধৰ্ অধিকাৰ্
২৮ কোনে পাতিছে। যেনকৈ কালি মিসৰীয়াক্ বধিলা

২৯ তেনেকৈ আমাকো বধিবা নে। তেতিয়া মোশহে এই
কথা শুনি পলাল্ পাছে মিদিয়ান্ দেশৎ প্ৰবাসী হই
৩০ থাকিল্ আৰু তাতে তেঁও দুটি পুত্ৰ ওপজালে। পাছে চল্লিশ
বৎসৰ্ গলৎ সিনী পৰ্ব্বতৰ্ হাবিৎ ঝোপোহাৰ
মাজৰ্ অগ্নিশিখাস্থ হই ঈশ্বৰৰ্ দূতে তেঁওক
৩১ দেখা দিলে। মোশহে তাকে দেখি সেই দৃষ্টতে
বিস্ময় মানিলে আৰু দেখিবলৈ ওচৰলৈ আহিল্।
৩২ ময় তোমাৰ্ পিতৃবিলাকৰ ঈশ্বৰ অৰ্থাৎ অবৰাহা
মৰ ঈশ্বৰ ইস্হাকৰো ঈশ্বৰ যাকোবৰো ঈশ্বৰ যিহু
হাৰ্ এই বাণী সেই কালৎ তেঁওৰ্ আগৎ প্ৰচুৰ হল্
৩৩ তেতিয়া মোশহে কম্পমান্ হই দেখিবলৈ ডৰালে।
তেতিয়া যিহুহায় তেঁওৎ কলে বোলে তোমাৰ ভৰিৰ্
পইজাৰ্ সোলা কিয়নো যি ঠাইৎ তুমি থিয় হই আছা
৩৪ সেয়ে পবিত্ৰ ভূমি। মিসৰৎ থকা মোৰ্ মানুহৰ্
দুঃখ ময় নিশ্চয়ে দেখিছো সিহঁতৰ্ আৰ্ত্তনাদ্ ময়
শুনিছো আৰু সিহঁতক্ উদ্ধাৰ কৰিবলৈ নামিছো এই
হেতুক্ এতিয়া আহাঁ ময় তোমাক মিসৰলৈ পঠিয়াম্।
৩৫ তোমাক আমাৰ্ স্বামী আৰু শোধৰ অধিকাৰ কোনে
পাতিছে সিহঁতে যাক এই বুলি যি মোশহক্ অৱহেলা
কৰিলে সেই মোশহেই স্বামীও উদ্ধাৰকৰ্ত্তাও হবলৈ
ঈশ্বৰৰ্ যি দূতে তেঁওক্ ঝোপোহাৰ্ মাজৎ দেখা দিলে
৩৬ সেই দূতৰ্ দোৱাৰায় পঠিয়ালে। তেঁও মিসৰ্
দেশৎ আৰু অৰাবী সাগৰৎ আৰু হাবিৎ চল্লিশ বৎ
সৰলৈকে আশ্চৰ্য্য কৰ্ম্ম কৰি সেই মানুহবিলাকক্ বাজ
৩৭ ওলিয়ালে। তোমোলাকৰ্ ঈশ্বৰ যিহুহে মোৰ্ নিচিনা

এজন আচাৰ্য্যক তোমোলাকৰ্ ভায়াইতৰপৰা তোমো
লাকলৈ ওপজাব তেওঁৰ কথাৎ মন্ দিয়া এই কথা যি
মোশহে য়িশৰএলৰ্ সন্তুতিবিলাকৎ কলে তেঁৱেই এই।
৩৮ যি দূতে শিনই পৰ্ব্বতৰ্ ওপৰৎ তেঁৱে সৈতে কথা কলে
যি জন্ সেই দূতে সৈতে হাবিৎ থকা মণ্ডলীৰ মাজৎ
৩৯ থাকিল। আৰু আমাৰ যি পিতৃবিলাকে আমাক
দিবলৈ সেই জীৱনদায়ক্ বাণী পালে সেই আমাৰ্
পিতৃবিলাকে সৈতে যিজন্ আছিল্ যাকে আমাৰ্ পিতৃ
বিলাকে নে মানিলে কিন্তু আমাৰ্ আগেং যাবলৈ
আমাৰৈ গোশায়িৰ্ মূৰ্ত্তি কৰা কিয়নো এই যি মোশহে
৪০ আমাক্ মিসৰ্ দেশৰ্পৰা আনিলে তেঁও কলৈ গল্
তাৰ্ক্ আমি নেজানো এই কথা আহৰোণৎ কৈ যাৰে
আপোনাৰ্পৰা হেচোক্ মাৰি পেলায় মনেং মিসৰলৈ
৪১ ওভতি গল্ তেঁৱেই এই। সেই কালৎ সিবিলাকে এটি
দামুৰি সাজিলে পাচে সেই মূৰ্ত্তিৰ্ আগৎ ওৎসৰগিলে
আৰু আপোনাৰ্ হাতেৰে কৰা কৰ্ম্মতে আনন্দ কৰিলে।
৪২ হে য়িশৰএলৰ্ বংশ তোমোলাকে হাবিৎ হোম আৰু
৪৩ বলি চল্লিশ বৎসৰলৈকে মোৰ্ আগৎদিয়া হয় কিন্তু
তোমোলাকে পূজা কৰিবলৈ যিং মূৰ্ত্তি সাজিলা এই যি
মিলকোম তাৰ তম্বুক্ তোমোলাকৰ গোঁশায়ি ৰেম্ফা
শৰ তৰাকো তোমালাকে লৈছা আৰু মই বাবেলৰ্
সি ফালৈ তোমোলাকক্ লৈ যাম্। এই কথা যেনেকৈ
আচাৰ্য্যৰ পুথিৎ লেখা আছে তেনেকৈ ঈশ্বৰ্ তেওঁআই
ওভতিল আৰু সিহঁতে স্বৰগী সেনাবিলাকক্ পূজো
৪৪ এই নিমিত্তে সিহঁতক্ এৰিদিলে। মোশহে যি আদৰ্শ

দেখাইছিল্ তদনুসাৰে সাক্ষীৰূপ বস্ত্ৰগৃহ কৰিবলৈ
তেঁওক কৈ যেনেকৈ ঈশ্বৰে নিৰূপণ কৰিছিল্ সেই
সাক্ষী ৰূপ বস্ত্ৰগৃহ হাবিৎ আমাৰ্ পিতৃবিলাকৰ লগত
৪৫ আছিল। যআকুবৰ্ ঈশ্বৰৰ্ আগতে অনুগ্ৰহ
পালে আৰু তেঁওলৈ এক মন্দিৰ্ কৰিব খুজিলে এনে যি
৪৬ দাঊদ তেঁওৰ্ কাল লৈকে যি আন্দেশৰ্ মানুহৰ্ ঈশ্বৰে
আমাৰ্ পিতৃবিলাকৰ আগৰ্পৰা খেদি দিলে সিবি
লাকৰ্ আধিপত্যত যিহোশুআয় সৈতে আমাৰ্ পিতৃ
বিলাকে সেই বস্ত্ৰগৃহ সিবিলাকৰ্ পূৰ্ব্ব পুৰুষৰ্ পৰা
৪৭ পায়ু আনিলে। কিন্তু শলমনে তেঁওৰ্ এক মন্দিৰ্
কৰিলে যিহূহায় বোলে স্বৰ্গ মোৰ্ সিংহাসন পৃথিবী
মোৰ পাদপীঠ্ তোমোলাকে আনো মোলৈ কি
৪৮ দল্ বান্ধিবা মোৰ বিশ্ৰাম স্থান কি। এইবিলাক্ মোৰ্
হাতে সজা ন হয় নে আচাৰ্য্যে এই কথা যেনেকৈ কৈছে
৪৯ তেনেকৈ সৰ্ব্বাধিপতি হাতেৰে কৰা মন্দিৰত না থাকে।
৫০ হেবৰে এক থিয়া আৰু মনতো শুনাতো অসুন্নতিহঁত
৫১ তহঁতে সদাই ধৰ্ম্মাত্মাৰ্ বিৰোধি কৰ তহঁতৰ্ বাপেৰ্
৫২ হঁতে যেনে কৰিলে তেনে তহঁতেও কৰ। তহঁতৰ্
বাপেৰহঁতে আচাৰ্য্য বিলাকৰ মাজৰ্ কাৰ বিপক্ষ কৰা
৫৩ নায় আৰু যি সাধু পুৰুষক্ দুৰ্জ্জনৰ্ হাতত দিয়োতা
আৰু ঘাতকী তহঁত এতিয়া হইছিলি তেঁওক আহিবৰ্
যিবিলাকে আগেই জনালে সেইবিলাকক্ও সিহঁতে
বধিলে সাধিং কৰই যকা দূতবিলাকৰ দোৱাৰা
৫৪ ব্যৱস্থা পাইচ কিন্তু তাক্ মনা নাই। সিহঁতে এই
কথা শুনি মনত বিষ্ফ হল্ আৰু সিবিলাকৰ্ ওপৰত

৫৫ চাঁই কৰ্‌কৰালে। কিন্তু তেঁও ধৰ্ম্মাত্মাৰে পৰিপূৰ্ণ হৈ
স্বৰ্গৰ্ ফাললৈ একে দৃষ্টিৰে চাই ঈশ্বৰৰ্ জোতি আৰু
৫৬ ঈশ্বৰৰ্ দক্ষিণ ফালে থিয় হৈ আছে যি যিশু তেঁওক
দেখি কলে। চয় যেলা স্বৰ্গ আৰু ঈশ্বৰৰ্ সোঁফালে
থিয় হৈ আছে যি মানুহৰ্ পুত্ৰেক্ তেঁওকো দেখো।
৫৭। তাতে সিবিলাকে এটাহ পাৰি কাণৎ সোপাদি একচিত্ত
হৈ তেঁওৰ্ ওপৰে লৰ দি বিলে আৰু নগৰৰ্পৰা তেঁওক
৫৮ বাজ ওলিয়াই শিল্ পেলাই মাৰিলে। আৰু সাক্ষী
হঁতে শাওল্ নামে এটা ডেকা মানুহৰ ভৰিৰ্ কাষ
৫৯ হং আপোন্ কাপৰ থলে। পাচে হে পভু যিশু মোৰ্
জীৱক্ নিয়োক্ এই প্ৰাৰ্থনা কৰি মাতা বোলোতা স্তি
৬০ ফানসক্ সিহঁতে শিল পেলাই মাৰিলে। আৰু সি
আঁঠু পাৰি এটাহ পাৰি কলে হে পভু এই পাতক্ সিহঁ
তক্ পতি ন গণিব। আৰু ঈয়াকে হুলি তেঁওৰ্
টোপনি আছিল্ সেই কালৎ শাওল্ তেঁওৰ্ বধৰ
পক্ষপাতী হল্।

পৰ্ব্ব সেই কালৎ যিৰুশালমৰ্ মণ্ডলীৰ্ ওপৰৎ বৰ
৮ বিপক্ষ হল্ তাতে পাঁচনীবিলাকক্ এৰি যিহুদাতে শম
২ ৰোন্ দেশতে এটাই গোটং হল্। তেতিয়া সন্তুতি
বিলাকে স্তিফানসক্ মৈদামৎ দিবলৈ লৈগল্ আৰু
৩ তেঁওলৈ ডাঙ্গৰ্ কান্দিলে। কিন্তু শাওলে ঘৰেং গৈ
স্ত্ৰিনিহ তিৰোতাক ধলে ধৰি বন্দী কৰিলে মণ্ডলী
৪ বিনাশ কৰিলে। কিন্তু যিবিলাক্ গোটং হল্ সেই
বিলাক কীৰ্ত্তন কৰিং সকলো ঠাই ফুৰিলে।
৫ সেই কালৎ ফিলিপে শমৰোণলৈ গৈ সিবিলাকৰ

৬ আগৎ খ্রীষ্টক কীৰ্ত্তন কৰিলে। তাতে যি আশ্চৰ্য্য
কৰ্ম্ম কৰিলে মানুহে সেই কৰ্ম্ম দেখি কথাও শুনি এক
৭ চিত্তে ফিলিপৰ বাক্য মানিলে। কিয়নো ভালেমান্ ভূতে
পোৱাৰপৰা অশুচি আত্মাও এটাহ পাৰি বাজ ওলাল
আৰু ভালেমান্ পক্ষাঘাতী আৰু খোড়া মানুহক্ ভাল
৮ কৰা হল্ তাতে সেই নগৰত বড় ৰঙ্গ হল্। কিন্তু
আগেই সেই নগৰত শীমোন নামে এজন আছিল
৯ তেঁও ডায়িনীৰ মায়া কৰিছিল আৰু আপুনি মহা
১০ পুৰুষ বুলি শমৰণেৰো মানুহক ভাৰিছিল। এই
মানুহ ঈশ্বৰৰ বৰ প্ৰভাৱ এই বুলি হীন সত্ত এটাই
১১ মানুহে তেঁওক মানিলে ভালে দিনৰেপৰা সেই মানুহ
আপোন ডাইনীৰ মায়া দোৱাৰায় সিহঁতৰ মন
আহৰণ কৰিছিল এই নিমিত্তে সিহঁতে তেঁওক মানিলে।
১২ কিন্তু ঈশ্বৰ ৰাজ্যক যিশু খ্রীষ্টৰ নামৰ কথাকে যেতিয়া
ফিলিপে কীৰ্ত্তন কৰিলে তেতিয়া সিবিলাকে তেঁওৰ সেই
কথাত পতিয়ায় তিৰোতা মুনিহ এটাই বুড়োৱা হল্।
১৩ তেতিয়া শীমনে আপুনি পতিয়ালে আৰু বুড়োৱা হই
ফিলিপৰ ওচৰতে থাকিল আৰু যি আশ্চৰ্য্য কৰ্ম্ম লক্ষণো
প্ৰচাৰ্ কৰা গল্ সেই বিলাক দেখি বিস্ময় মানিলে।
১৪ শমৰোনীয়ইঁতে ঈশ্বৰৰ্ কথা গ্ৰহণ কৰিছিল্ যিৰু
শালমত থকা পাচনীবিলাকে সেই বতৰা পায় পিতৰক
১৫ যোহনকে সিবিলাকৰ তলৈ পঠিয়ালে। সিবিলাকে
সেই ঠাই পায় সেই মানুহবিলাকে ধৰ্ম্মাত্মাক পাবলৈ
১৬ প্ৰাৰ্থনা কৰিলে কিয়নো তেতিয়ালৈকে সিবিলাকৰ্ কাতো
তেঁও নোমো মাইছিল কেৱল সিবিলাক প্ৰভু যিশুৰ নামে

১৭ হুঁড়োৱা হুইছিল্ । তেতিয়া সিহঁতৰ ওপৰৎ সিৱি
১৮ লাকে হাত দিলে আৰু সিহঁতে ধৰ্ম্মাত্মাক্ পালে । পাচঁ
নী বলাকে হাত্ দিয়াত ধৰ্ম্মাত্মা দিয়া হল্ শীমোনে
১৯ তাকে দেখি সিবিলাকৰ আগৈলৈ ৰূপ্ আনি কলে ময়ু
কাৰো ওপৰৎ হাৎ দিলে সেয়ে ধৰ্ম্মাত্মাক্ পায় যেন্
২০ এই প্ৰভাৱ মোক্ দিয়া । কিন্তু পিতৰে তাৎ কলে
ঈশ্বৰৰ্ দিয়া বস্তু ৰূপেৰে কিনিব পাৰে বুলি তয়
ভাবিছ এই হেতুকে তয়ে সৈতে তোৰ ৰূপৰ সৰ্ব্বনাশ
২১ হোক্ । জৈয়াৎ তোৰ আধিপত্য নায় ভাগো নাই
২২ কিয়নো ঈশ্বৰলৈ তোৰ্ আশয় শুদ্ধ ন হয় । এই
হেতুক্ তোৰ্ এই পাতকৰ্ পৰা মন্ পালটা আৰু
প্ৰাৰ্থনা কৰ যেন্ তোৰ্ মনৰ্ ভাবনা কোনোৰূপে ঈশ্ব
২৩ ৰৰ্ আগৎ মৰ্ষন হয় । কিয়নো তয় পিত্তৰ তিতাৰে
২৪ অপৰমাৰ্থৰ বন্ধনৎ আচ জৈয়াক্ জানিছো । তেতিয়া
শীমোনে মাৎ লগালে বোলে তোমাৰ এই কোনো
কথা মোৰ ওপৰৎ ন পড়িবলৈ তোমোলাকে প্ৰভুৰ্
২৫ আগৎ মোৰ্ অৰ্থে প্ৰাৰ্থনা কৰা । পাচে সিবিলাকে
আপোনাৰ্ সাক্ষী দি ঈশ্বৰৰ্ কথা কৈ যিৰুশালমলৈ
উভতি গল্ আৰু শমৰণীয়াহঁতৰ্ ভালেমান গাৱঁৎ,
শুভবাৰ্ত্তা কীৰ্ত্তন কৰিলে ।—

২৬ প্ৰভুৰ এক দূতে ফিলিপৎ কলে তুমি উঠা যি বাটে
যিৰুশালমৰ্ পৰা অজালৈ যায় সেই হাবিৰ বাটে
২৭ দক্ষিণ ফাললৈ যোৱা । তাতে সি উঠি গল আৰু

দেখা কুশদেশীয়াহঁতৰ কাণ্ডাকি নামে কুৱৰীৰ বড়
২৮ বিষয়া আৰু তেওঁৰ সৰ্ব্বধনৰ অধিপতি এজন কুশীয়া
পইটা ভজিবলৈ যিৰুশালমলৈ গৈ ওভতি আহি
ছিল আৰু ৰথৎ বহি যিশাঞিয়াহৰ আচাৰ্য্যবাক্য পুথি
২৯ পঢ়িছিল। তেতিয়া ধৰ্ম্মাত্মায় ফিলিপৎ কলে তুমি
৩০ ওচৰলৈ গৈ সেই ৰথে সৈতে মিল্ হোৱা। এই হে
তুক্ ফিলিপে লৰ্ ড়ি গৈ তেওঁ যিশাঞিয়াহৰ আচাৰ্য্য
বাক্য পুথি পঢ়া এই শাদ্ শুনি কলে যি পঢ়িছা সেয়ে
৩১ কি জৈয়াক্ বুজিছা। তেওঁ বুলিলে কোনো এ মোক
নি শিখালে ময় কেনেকৈ বুজিব পাৰিম তেতিয়া
ৰথৎ উঠি তেবে সৈতে বহিবলৈ তেওঁ ফিলিপৎ কলে।
৩২ পুথিৰ্ যি ঠাইৎ তেওঁ পঢ়িছিল্ সেয়ে এই তেওঁ বধি
বলৈ মেষৰ্ নিচনাকৈ অনা হইছিল্ আৰু লোম
কটাৰ আগৎ মেষৰ পোৱালি যেনে অবাক্ থকা তেনেকৈ
৩৩ তেওঁ মুখ নে মেলিলে। তেওঁৰ দুখৰ্ কালৎ তেওঁৰ্
শোধ হৰণ হল আৰু তেওঁৰ্ বংশাৱলি কোনে কব
কিয়নো তেওঁৰ্ আয়ু পৃথিবীৰ পৰা ছন হল। পাচে
৩৪ সেই পইটাই মোৎ লগায় ফিলিপৎ কলে ময় মিনতি
কৰো আচাৰ্য্যে এই কথা কলে কাৰৈ আপনালৈ নে
৩৫ আন্ কোনোবালৈ জৈয়াক্ মোৎ কওক্ তেতিয়া
ফিলিপে মুখ মেলিলে আৰু সেই শুকৰণকে আৰম্ভন্
৩৬ কৰি যিশুৰ বাৰ্ত্তা তেওঁক বুজালে। মিবিলাকে
গৈ২ এক পানিৰ কাষৰৎ ৰল্ গৈ তেতিয়া পইটায়
বুলিলে দেখা জৈয়াৎ পানি আছে ময় বুৰ দিবলৈ

৩৭ হেতু কি। ফিলিপে কুঁলিলে তুমি সংপূর্ণ চিত্তেৰে
সৈতে যেদি পতিওৱা তেৱে স্তব পাৰে। তেঁও সমি
বীন্ দিলে বোলে যিশু খ্রীষ্টক্ ঈশ্বৰৰ্ পুত্র বুলি ময়
৩৮ পতিয়াঁও। তেতিয়া ৰথ্ থমকাবলৈ তেঁও আজ্ঞা
দিলে আৰু ফিলিপ পইটা এই দুয়ো পানিত নামি
৩৯ লত তেঁও তেঁওক বুৰালে। সিবিলাক্ পানিৰ্‌পৰা
উঠিলত যিহুহৰ্ আত্মায়থাপ্ মাৰি ফিলিপক্ লৈ গল্
তাতে পইটায় আৰু তেঁওক্ দেখিবলৈ নে পালে
৪০ পাচে তেঁও ৰঙ্গমনে গুছি গল্। কিন্তু ফিলিপ আজো
তদত পোৱা গল্ আৰু সেই ঠাইৰপৰা গৈ২ কাই
সাৰিয়াত বয়মানলৈকে শুভবার্ত্তা সকলো নগৰত
কীর্ত্তন্ কৰিলে।—

পর্ব্ব শাওলে তেতিয়ালৈকে প্ৰভুৰ্ ভকত সকলৰ্ ৰি
১ ৰোধে ভাবি আৰু বধী নিশ্বাস্ এড়ি বড় পু.ৰোহিতৰ্
২ তলৈ গল্ আৰু এই মতাবলম্বী মনিহ্ বা তিৰো
তাকে যেদি পায় তেৱে সিহঁতক বান্ধি যিৰুশালমলৈ
আনে যেন্ এনে আশয়েৰে দমাশেকৰ্ এটাই সিনা
৩ গগক্ প্ৰতি তেঁওৰ্ লেখা খুজিলে। তেতিয়া সি
গৈ দমাশেকৰ্ ওচৰ পালত স্বৰ্গৰ্‌পৰা তেঁওৰ্ চাৰিও
৪ ফালে পহৰে অকস্মাৎ দীপতি কৰিলে। তাতে সি
হে শাঁওল্ হে শাঁওল্ কিয়েলেই মোক্ তাড়না কৰিছা
মাটিতে পৰি এই কথা কঁওতা এক্ শব্দ শুনিলে।
৫ তেঁও কুঁলিলে হে প্ৰভু আপুনি কোন্ তাতে প্ৰভুএ
কুঁলিলে যাকে তুমি তাড়না কৰিছা সেই যিশু ময়

কাইটৰ্ ওপৰৎ ভৰি দিয়া তোমাৰ্ বড় দাৰুণ্ কৰ্ম্ম।
৬ তেতিয়া তেঁও কম্পমান্ বিস্ময় মানি কুলিলে হে প্ৰভু
আপোনাৰ্ কি আজ্ঞা ময় কি কৰিম্। প্ৰভুৱে তেঁওক্
কুলিলে উঠা নগৰলৈ যোৱা পাচে যিহকে তুমি
কৰিব লাগিব তাক্ তোমাৰ্ আগৎ কোৱা যাব।
৭ তেঁওৰ্ লগৰ্ মানুহে সেই শব্দ শুনিলে কিন্তু কাকো
৮ নে দেখি বিস্ময় মানি নিজম হই ৰল্। তেতিয়া
শাউল্ মাটিৰপৰা উঠিল তেঁওৰ্ চকু মেলিলি হলৎ
কাকো দেখা নে পালে কিন্তু সিহঁতে হাতৎ ধৰি
৯ তেঁওক্ দমাশেকলৈ আনিলে। আৰু তেঁও তিনি
দিনলৈকে দৃষ্টিহীন হই থাকিল্ আৰু একো খোৱা
পিয়া ন কৰিলে।—
১০ দমাশেকৎ এজন্ ভকৎ আছিল্ তেঁওৰ্ নাম্ অনন
নীয়াহ্ পাচে প্ৰভুৱে এক্ দৰ্শন দি তেঁওৎ কলে হে অনন
১১ নীয়াহ্ তেঁও কুলিলে হে প্ৰভু ময় এই দেখোক্। প্ৰভুৱে
তেঁওৎ কলে তুমি উঠি সোজা নামে আলিলৈ যোৱা
আৰু য়িহুদাহৰ্ ঘৰৎ তাৰ্সসৰ শাউলৰ্ বতৰা
১২ লোৱাগৈ কিয়নো সি প্ৰাৰ্থনা কৰে। আৰু এক্ দৰ্শনৎ
অননীয়া নামে এজনক্ ঘৰলৈ আহি সি দেখিবলৈ
১৩ তাৰ ওপৰৎ হাতৎ দিবৰ্ দেখিলে। তেতিয়া অনন
নীয়াহ্ উত্তৰ্ কৰিলে হে প্ৰভু সেই মানুহে তোমাৰ্
য়িৰুশালেমৎ থকা ধৰ্ম্মবন্ত মানুহক্ কিমান হিংসা
১৪ কৰিছে আৰু এখেতো যিবিলাকে তোমাৰ্ নামে
প্ৰাৰ্থনা কৰে সেই বিলাকক্ বান্ধিবলৈ বড় প্ৰৰোহিৎ

বিলাকৰপৰা পৰাক্ৰম্ পাইছে বন্ধ মান্নহৰ্ মুখে
১৫ ময় তাৰ্ এই কথা শুনিছো।   কিন্তু প্ৰভুএ তেঁওক্
হুঁলিলে তুমি যোৱা কিয়নো খান্ দেশৰ্ মান্নহৰে
ৰজাবিলাকৰে য়িশৰএলৰ্ সন্ততিবিলাকৰ আগৎ
মোহোৰ্ নাম্ লবলৈ সি মোহোৰ এক মনোনীত
১৬ পাত্ৰ হুইছে কিয়নো মোৰ্ নামৰ্ কাৰনে সি কিমান্
দুখ পাব তাক ময় তাক্ দেখুৱাম্।—
১৭   এই হেতুক অননীয়াহ্ গৈ ঘৰৎ সোমায় তেঁওৰ্
ওপৰৎ হাৎ দি হুঁলিলে হে ভায় শাওল্ যি প্ৰভু য়িশু
এ তুমি আহিবৰ্ সময়ৎ তোমাক্ বাটৎ দেখা দিলে
তেঁৱেই তুমি দৃষ্টিপাবলৈকে ধৰ্ম্মাত্মাৰে পুৰ্ হুবলৈকে
১৮ মোক্ তোমাৰ্ ওচৰলৈ পঠিয়াইছে।   পাচে তেতি
ক্ষনে তেঁওৰ্ চকুৰপৰা বাকলিৰ্ নিচিনা কেতোট পড়িল্
পাচে তেতিক্ষণে দৃষ্টি পালে আৰু উঠি হুঁৱোৱা
১৯ হল্। পাচে কিছু খায় বল্ পালে আৰু শাওল্ দমাশে
২০ কৎ ভকৎ সকলে সৈতে দিনা দিয়েক থাকিল্। আৰু
তেতিক্ষণে সিনগাগৎ খ্ৰীষ্টৰ্ কীৰ্ত্তন কৰিলে বোলে
২১ তেঁও ঈশ্বৰৰ্ পুত্ৰ।   কিন্তু মান্নহে এই তেঁওৰ্
কথা শুনি বিস্ময় মানিলে কলেও যিং মান্নহে এই
নামে প্ৰাৰ্থনা কৰিলে যি য়িৰুশালমৎ ইমান বিনাশ
কৰিলে আৰু বড় পুৰোহিৎবিলাকৰ ওলৈ সিহঁতক্
বান্ধি লৈ যাবলৈ এযেলৈকো আহিল্ সেয়ে এই
২২ ন হয় নে।   কিন্তু তেঁও নিশ্চয়ে খ্ৰীষ্ট যেন্ দমা
শেকৎ এই প্ৰমাণ দিবলৈ শাওল্ বৰ সাহিয়াল

হই দম্মাশেক্‌নিবাসী যিহুদীহঁতক্ লদ্ কৰিলে ।
২৩ তালে দিন্ হলৎ যিহুদীহঁতে তেঁওক্ মাৰিবলৈ
২৪ আলচ কৰিলে কিন্তু সিহঁতৰ্ অভিপ্ৰায় শাঔলে
জানিলে আৰু সিহঁতে তেঁওক্ মাৰিবলৈ ৰাত্ৰিন্দিবা
২৫ দুৱাৰেৎ পহৰিয়া দিলে । কিন্তু ভকৎসকলে ৰাতি
এই তেঁওক্ গচৰ গায় দি পাচিৎ ভৰি দিলে ।—
২৬ তাৰ্‌পাচে শাঔলে যিৰুশালমৎ ওপগত হই শিষ্য
বিলাকৰ সৈতে মিলিবলৈ ইছিলে কিন্তু এটায়ে তেঁওক্
২৭ ডৰালে আৰু তেঁও ভকৎ হেন ন পতিয়ালে । কিন্তু
বাৰ্ণবায় তেঁওক্ পাচনীবিলাকৰ্ ওচৰলৈ আনিলে
আৰু বাটৎ তেঁও যেনেকৈ প্ৰভুক্ দেখিছিল্ আৰু
তেঁও তেঁওৎ যেনেকৈ কথা কৈছিল আৰু তেঁও যেনেকৈ
নিৰ্ভয় হই দম্মাশেকৎ যিশুৰ্ নামে যেনেকৈ কীৰ্ত্তন
২৮ কৰিছিল এই বিলাক সিবিলাকক্ জনালে । এই
হেতুক যিৰুশালমতে সিবিলাকৰ্ লগৎ অহাযোৱা
২৯ কৰি সি থাকিল্ । আৰু প্ৰভু যিশুৰ নামে নিৰ্ভয়ৰূপে
কথা কলে আৰু গ্ৰীক মানুহে সৈতে বিবাদাবিবাদি
লগালে কিন্তু সিহঁতে তেঁওক্ বধিবলৈ ওপায় কৰিলে ।
৩০ ভায়েক্ বিলাকে তাকে জানি তেওক্ কাইসাৰিয়ালৈ
লৈ গলৎ তেঁওক্ তাৰ্সসলৈ পঠিয়ালে ।—
৩১ তেতিয়া যিহুদাহ্ দেশৰে গালিলিৰে শমৰোণাৰে
মণ্ডলীবিলাকৰ জিৰণী আছিল আৰু সিবিলাকে
পুৰ্দ্ধ হই প্ৰভুৰ্ ভয়ত ধৰ্ম্মাত্মাৰ্ দোৱাৰায় আনন্দে
আচৰি বাঢিল্ ।—

৩২ পিতৰে সেইবিলাক্ দেখলৈ গৈ২ লদ্দানিবাসি সন্ত
৩৩ বিলাকৰ্ ওচৰ্ পালে গৈ। আৰু আঠ্ বৎসৰৰে
পৰা পাটীৎ পড়ি গাহৰ্ লগা নৰিয়া আইনেয়স্
৩৪ নামে এক্ মানুহক্ তাতে দেখিলে। তেতিয়া
পিতৰে তাক্ কুলিলে হে আইনেয়স যিশু খ্রীষ্টে তোক্
সুস্থ কৰে তয় উঠ্ কহ্ পোন কৰ্ তাতে সি তেতি
৩৫ ক্ষণে উঠিল্। পাচে লদ্দাৰে সাৰোণৰে এটাই
মানুহে তাক দেখি প্রভুৰ্ ফলিয়া হল্।—
৩৬ তাবিতা অর্থাৎ দর্কাস্ নামে এজনী তিৰোতা
শিষ্য জাফোৎ আছিল্ সেই তিৰী আপুনি কৰা সু
৩৭ কর্ম্মৰ দানেৰে ভৰ্পুৰ্ আছিল্। সেই কালৎ
তাই নৰিয়া পড়ি মৰিল্ পাচে সিহঁতে তাইক্ বুৰায়
৩৮ ওপৰৰ্ এক্ কোঠাৎ থলে। লদ্দা জাফোৰ্ ওচৰ্
আছিল্ সেই নিমিত্তে শিষ্যবিলাকে পিতৰ্ তাতে
থাকিবৰ্ বতৰা পাই তেঁওৎ থৰকৈ সিহঁতৰ্ হাইলৈ
৩৯ আহিবলৈ কবলৈ দুটা মানুহক্ পঠিয়ালে। তেতিয়া
পিতৰ্ উঠি সিহঁতে সৈতে গল্। সি মাৎ লগালৎ
সিহতে তেঁওক্ সেই ওপৰ্ কোঠালৈ আনিলে আৰু
এটাই বাৰীহতে চাৰিওফালে কান্দি২ দর্কাসে আপু
নি জীয়াই থাকোতে যি চোলা আৰু কাপড় শিচিল্
৪০ সেই কাপড় দেখুৱায়২ থিয় হল্। কিন্তু পিতৰ এটাই
কে বাজ উলিয়াব আঠু পাৰি প্রার্থনা কৰি পাচে মৃত
কৰ্ শৰীৰৰ্ ফাললৈ উভতি কুলিলে অ তাবিতা উঠ
তাতে সেই তিৰীএ চকু মেলিলে আৰু পিতৰক্ দেখি

৪১ বহিল । তেতিয়া তেওঁ হাতে ধৰি তাইক্ তুলিলে
পাচে সাধুবিলাকক বাৰীহঁতক মাতিয়ানি তাইক
৪২ জীয়াই দিলে । এই কাৰ্য্যৰ্ বতৰা জাফোৰ্ সকলে
ঠানে গল্ তাতে বহুত মানুহে প্ৰভুৎ বিশ্বাস্ কৰিলে ।
৪৩ তাৰ্ পাচে জাফোতে শীমোন্ চমাৰ্ ঘৰৎ তেওঁ ভালে
দিন্ থাকিল্ ।—

পৰ্ব্ব ঔতালীয় বন্দুৰা নামে প্ৰসিদ্ধ বন্দুৰাৰ্ এশ চিপা
১০ হীৰ অধিকাৰ্ কৰ্ণেলিয়স্ নামে এজন কাইসাৰিয়াৎ
২ থাকিল্ তেওঁ ধাৰ্ম্মিক্ আৰু সপৰিয়ালে ঈশ্বৰলৈ ডৰা
ই আৰু মানুহক্ বহু দান্ দিএ আৰু ঈশ্বৰৰ্
৩ আগৎ নিতৌ প্ৰাৰ্থনা কৰে । তেঁৱেই দিনৎ
তিনি পৰিয়া মান্ বেলাৎ এক দৃষ্টিৰে দেখিলে ঈশ্বৰ
এক্ দূতে প্ৰত্যক্ষ হই তেওৰ্ ওচৰলৈ সোমায় কলে
৪ হে কৰ্ণেলিয়স্ । তেওঁ বড় ভয়াৰ্ত্ত হই তেওঁলৈ চুৰ
লাগি চায় সুধিলে হে প্ৰভু এই কি সেই দূতে তেওঁক্
সুধিলে তোমাৰ্ প্ৰাৰ্থনাক তোমাৰ্ দানক ঈশ্বৰৰ্
৫ থানৎ সুমৰিবলগা আছিছে এয়েৰেই, এতিয়া জাফো
৬ লৈ মানুহ পঠিয়ায় যাৰ্ উপনদ্ধা নাম্ পিতৰ্ এনে যি
শীমোন তেওঁক আনোৱা তেওঁ এক শীমোন্ নামে
চমাৰ ঘৰতে আছে তাৰ ঘৰ সাগৰৰ্ তীৰৎ তুমি
৭ যি কৰিবলগা তাক্ তেওঁ তোমাৎ কব । যি দূতে
কৰ্ণেলিয়সৎ কৈছিল্ তেও গলৎ কৰ্ণেলিয়স ঘৰৰ
দুটা লগুৱাক আৰু ঘিৰিলাক তেওৰ অনুৰিচান্
নিতৌ ধৰে সিহঁতৰ্ মাজৰ এক ধাৰ্ম্মিক্ চিপাহীক্

৮ যাত্তি আনি এইবিলাক্ কথা কৈ সিহঁতক্ জাফালৈ
পঠিয়ালে।—
৯　পাচ্ দিনা সিহঁতে গৈ২ নগৰৰ্ ওচৰ্ পালে গৈ
সেই কালৎ দিনৎ দুপৰিয়া পিতৰ প্ৰাৰ্থনা কৰিবলৈ
১০ ঘৰৰ্ চালৰ্ ওপৰলৈ গল্।　তেতিয়া তেঁওৰ্ ভোক্
লাগিলৎ কিছু খাবলৈ খুজিলে কিন্তু সিবিলাকে
১১ যি কালৎ ৰান্ধিছিল্ তেতিয়া তেঁও মূৰ্চ্ছিৎ হৈ পৰিল্।
১২ আৰু স্বৰ্গৰ্ দুৱাৰ্ মুকলি দেখিলে আৰু পৃথিবীৰ্
সকলো বিধি জন্তু বন পশু আৰু উৰগো সকলিৰ্ চৰায়ে
যিহত আছিল্ এনে বড় চেলেংৰ নিচিনা চাৰি চুক্
জোৰা এক্ বস্তু নামি২ পৃথিবীতে নমোৱা হল্ তেঁয়া
১৩ কে দেখিলে।　পাচে এক্ শব্দ তেঁওৰ্ ওচৰৎ উঠিল্
১৪ হে পিতৰ উঠা মাৰ্ খোৱা।　কিন্তু পিতৰে কলিলে
হে প্ৰভু এনে ন হয় কিয়নো কোনো সামান্য অথবা
১৫ অপবিত্ৰ বস্তু ময় কোনো কালৎ খোৱা নায়। দ্বিতীয়
বেলি সেই শব্দে তেঁওৎ কলে ঈশ্বৰে যিহক্ পবিত্ৰ
১৬ কৰিছে তাকে সামান্য ন-কৰিবা।　এই কৰ্ম্ম তিনি
বেলি হল্ তাৰ্ পাচে সেই চেলেং পুনু স্বৰ্গলৈ টানি
১৭ নিলে।　সেই দৰ্শনৰ্ অৰ্থ কি পিতৰে তেঁয়াকে মনৎ
ভাবোতেই দেখা গৈ২ মানুহক্ কৰ্ণে নিয়মে পাঁচি
ছিল্ সিহঁতেই শীমোনৰ্ ঘৰ কৎ তেঁয়াকে সুধিছিল্
১৮ আৰু দুৱাৰ্ মুখৎ থিয় হৈ ৰিদিয়াই সুধিলে। যাৰ্
উপনাম পিতৰ্ এনে যি শীমোন্ তেঁও এই খানৎ

১৯ থাকে নে নে থাকে। যি দৰ্শন্ পিতৰে দেখিছিল্ তেঁও
তাকে ভাবিছিল্ তেনেতে পৰমাত্মায় তেঁওক কলে
২০ দেখা তিনি মানুহে তোমাক্ বিচাৰিছে। এই হেতুকে
উঠা নামা আৰু একো সংশয় ন কৰি সিহঁতৰ্
লগত যোৱা কিয়নো ময় সিহঁতক্ পঠিয়াইছো।
২১ তেতিয়া কৰ্ণেলিয়সে যি২ মানুহক্ তেঁওৰ্ ওচৰলৈ
পঠাইছিল্ পিতৰ্ নামি সিহঁতৰ্ কাখৰলৈ গল্ আৰু
কুলিলে দেখা যাকে তহঁতে বিচাৰিছ তেঁও ময়েই
২২ তহঁত কি কাৰণে আহিছ। সিহঁতে কলে পৰ
মাৰ্থিক্ আৰু ঈশ্বৰলৈ ভয় কৰে আৰু এটাই যিহু
দীৰ্ আগত যশী এশ চিপাহীৰ্ অধিকাৰ্ কৰ্ণে
লিয়সে আপোনাক্ আপোনাৰ্ ঘৰলৈ আনিবলৈ
মানুহ পঠিয়াবলৈ আৰু আপোনাৰ্ মুখে কথা
শুনিবলৈ এক্ ধৰ্ম্মৱন্ত দূতৰ্ দোৱাৰায় পুত্যাদিষ্ট
২৩ হইছিল। এই হেতুকে তেঁও সিহঁতক্ ঘৰলৈ
মাতি নি আলহি থুহিলে পাচ্ দিনা পিতৰ্ সিহঁতে
সৈতে গল্ আৰু জাফাৰ্ ভায়েক্ গোটা দিয়েকো
২৪ তেঁৰ্ সৈতে গল্। পাচ দিনা সিৰিলাক্ কাই
সাৰিয়াত পোমালে আৰু কৰ্ণেলিয়সে আপোনাৰ্
মিতিৰকে ওচৰৰ্ মানুহকে মাতি আনি ঔৰিলাক
২৫ লৈ অপেক্ষা কৰি আছিল্। পিতৰ্ ঘৰত পোমাই
ছে গৈ তেনেতে কৰ্ণেলিয়সে তেঁওৰ্ লগ ললেহি
আৰু তেঁওৰ চৰণত পৰি তেঁওক্ পূজা কৰিলে।
২৬ কিন্তু উঠা ময়ো এজন মানুহ পিতৰে এই কুলি

২৭ তেঁওক্ তুলিলে। পাচে তেঁৱে সৈতে কথা বতৰা কৈহ
ঘৰলৈ গৈ ভালেমান্ মানুহ জাপিবৰ্ দেখিলে।
২৮ তাতে তেঁও সিবিলাকৎ কলে য়িহুদী কুলীয়া কোনো
এ থান্ দেশৰ্ কোনোএ সৈতে মন্নুষা থাক দুৰলৈ
যোৱা কৰিব ন লগা জৈয়াক্ তো যোলাকে জানা কিন্তু
কাকো সামান্য অথবা অপবিত্ৰ জ্ঞান ন কৰিবলৈ
২৯ ঈশ্বৰে মোৰ্ আগৎ প্ৰেৰিত কৰিছে। এই হে
তুক্ মোক্ মানুহে মাতিবলৈ গৈ পালতেই ময়
নিসংশয় হুই আহিছো এয়েৰেই মোক্ কিয়েলেই
৩০ মাতিছা জৈয়াকে ময় শোধোঁ। কৰ্ণেলিয়সে
কুলিলে চাৰি দিন হল্ ময় এতেবেলি লৈকে লঘোন
কাৰ আছিলো তাতে তিনি পৰিয়া বেলিৎ ময় আপো
নাৰ্ ঘৰৎ প্ৰাৰ্থনা কৰিলো পাচে কান্তিমন্ত বস্ত্ৰ পিন্ধি
৩১ এজন্ মোৰ্ আগৎ থিয় হল্। সেই জনে কুলিলে
হে কৰ্ণেলিয়স্ তোমাৰ্ প্ৰাৰ্থনা শুনা গৈছে আৰু
৩২ তোমাৰ্ দান ঈশ্বৰৰ্ মনৰ্ গোচৰ্ হুইছে। এই
হেতুক্ জাফালৈ মানুহ পঠিয়াই যাৰ্ ওপনাম্ পিতৰ
এনে যি শীমোন্ তেঁওকে মতোৱা তেঁও সাগৰৰ্ তীৰৰ্
শীমোন হুচিৰ্ ঘৰৎ বহা কৰিআছে তেঁও আহি তো
৩৩ মাৎ কবা। এই হেতুক্ তেতিক্ষণে ময় আপোনাক্
মাতিবলৈ পঠিয়ালো আপুনি আহিল্ ভাল্ ২ কৰিলে
এই হেতুক্ ঈশ্বৰে আপোনাৰ আগৎ যি কথাৰ
আজ্ঞা কৰিছে সেই সব কথা শুনিবলৈ আমি এটাই
জৈয়াতে ঈশ্বৰৰ্ আগৎ একতানতি হুইছো।—

৩৪ ভেতিয়া পিতৰে মুখ মেলি কলে ঈশ্বৰ নিচাই
৩৫ কিন্তু যিশু খ্রীষ্ট তেঁৱেঁই এটাইৰে প্ৰভু তেঁওৰ দোৱা
৩৬ ৰায় যি কুশল সেই কুশলকে কীৰ্ত্তন্ কৰোতা যি
ঈশ্বৰ তেঁও যিশৰএলৰ সন্ততিবিলাকলৈ যি কথা
৩৭ পঠিয়াইছে সেই কথাৰ অনুসাৰে প্ৰতি দেশৰ মানু
হৰ মাজৎ যি কোনোএ তেঁওলৈ ভৰায় আৰু ওত্তম
কৰ্ম্ম কৰে তাকে তেঁও গ্ৰহণ কৰে জৈয়াক্ ময় নিশ্চয়ে
জানো। শোভন্ কৰ্ম্ম কৰি শয়তানে পোৱা মানু
হকো সুস্থ কৰি ফিৰিলো ঈশ্বৰ তেঁৱে সৈতে আছিল্
৩৮ এনেকৈ ভ্ৰমি ফুৰিলে যি যিশু নাজৰেন্ তেঁওকে ঈশ্বৰ
যি কনে ধৰ্ম্মান্মাৰে মহিমাৰে অভিষেক্ কৰিলে
যোহনে যি ডুব পুৰত্তালে সেই ডুব পৰত্তোৱা কালৰ
৩৯ পাচে তেঁওৰ এই যি কথা গালিলিকে আদি কৰি যিহু
দাহ দেশৎ প্ৰচাৰ কৰা হল্ সেই কথা তোমোলাকে
জানা। তেঁও যিহুদাহ এটাই দেশতে যিৰুশালমতে
যি২ কৰ্ম্ম কৰিলে সেই যি কৰ্ম্মৰ সাৰী আমি তেঁওক্
৪০ সিহঁতে গছৎ আঁৰি বধিলে। তেঁওক্ ঈশ্বৰে তৃতীয়
৪১ দিনা তুলি প্ৰেচিক কৰি দেখুৱালে এটাইৰে আগৎ
দেখুৱালে এনে হয় কিন্তু ঈশ্বৰে আগেই নিয়ো
জন কৰা সাক্ষীবিলাকৰ্ আগৎ অৰ্থাৎ তেঁও মৃত্যুৰ্
পৰা ওঠাৰ্ পাচে তেঁৱে সৈতে খোৱা পীয়া কৰিলো
৪২ যি আমি সেই আমাৰ্ আগৎ। আৰু ৰাজাৰ্
আগৎ কীৰ্ত্তন্ কৰিবলৈ আৰু জীৱক্ মৃতক্ বিচাৰ্
মানুহ সিহঁতৰ শোধীক বিষয়ৎ যি জন্ নিয়োজিৎ

হইছিল তেঁৱেই সেই এই পুমাণ দিবলৈ তেঁও
৪৩ আমাক আজ্ঞা কৰিলে। যি কোনো তেঁওৎ বিশ্বাস
কৰে সেই মানুহৰ পাতক তেঁওৰ নামে যাগুিব যেন্
৪৪ এই পুমাণমদ্যে আচাৰ্য্যে দিয়ে। পিতৰে এই
কথা কৈছে তেনেতে যিবিলাকে কথা শুনিছিল সেই
৪৫ এটাইৰে ওপৰৎ ধৰ্ম্মাত্মা পৰিল। যি সুন্নতী মানুহে
আন্তিক কৰিলে অৰ্থাৎ যেতেক মানুহ পিতৰে
সৈতে আচিল্ সিবিলাকেও অদ্ভুৎ মানিলে কিয়নো
আন্ আন্ দেশৰ্ মানুহৰ্ ওপৰতো ধৰ্ম্মাত্মাৰুপ্
৪৬ দান্ কৰা হল্। কিয়নো নানা মাৎ মাতিবৰ্ আৰু
ঈশ্বৰক্ স্তুতি কৰিবৰ সিবিলাকে সিবিলাকক্
৪৭ শুনিলে। তেতিয়া পিতৰে মাৎ লগালে আমি
যেনেকৈ ধৰ্ম্মাত্মাক্ পাইছো তেঁওকে তেনেকৈ পাই
ছে যি এইবিলাকে এইবিলাকক্ ডুবাবলৈ পানি গুজাৰ
৪৮ কোনে পাৰে। এই হেতুক্ পুভুৰ নামে সিবিলাকক্
ডুবাবলৈ তেঁও আজ্ঞা কৰিলে পাচে আৰু দিনাদেক্
সিবিলাকে সৈতে থাকিবলৈ সিবিলাকে তেঁওক্
মিনতি কৰিলে।—

পৰ্ব্ব আন্ দেশৰ মানুহে ঈশ্বৰৰ্ কথা গুহণ কৰিছিল্
১১ যেন্ যিহুদাহ দেশৎ থকা পাঁচনীবিলাকে ভায়েক্
২ বিলাকেও এইয়াক্ শুনিলে। পাচে পিতৰ্ যিৰুশালমৎ
৩ বলৎ সুন্নতী যিবিলাক সেইবিলাকে তেঁৱে সৈতে
দন্দ লগালে বোলে তুমি অসুন্নতী মানুহৰতলৈ গৈ
৪ সিইঁতে সৈতে খাইছা। তেতিয়া পিতৰে আদিৰে

পৰা সেই এটাই কথা বিশেষ কৰি সিহঁতৰ আগৎ
৫ কলে। তেঁও কলে ময় জাফো নগৰৎ প্ৰাৰ্থনা কৰিছিলো
পাচে মূৰ্চ্ছিৎ হই ময় এক দৰ্শন্ দেখিলো ডাঙৰ
চেলেঙৰ্ নিচিনা এক বস্তু স্বৰ্গৰ্‌পৰা নামিৎ চাৰি
চুকেৰে নামিছিল্ পাচে মোৰ্ ওচৰলৈকে আহিল্।
৬ ময় তাতে চুৰ্ লাগি বিবেচনা কৰিলো পৃথিবীৰ্
জন্তুবিলাককে বনপশুবিলাককে উৰগবিলাকে আকা
৭ শৰ্ পক্ষীবিলাককে দেখিলো। পাচে হে পিতৰ্ উঠা
মাৰ্ খোৱা এই কথা কোৱা এক্ শব্দ ময় শুনিলো।
৮ কিন্তু ময় কলো হে প্ৰভু এনে ন হয় কিয়নো সামান্য
অথবা অপবিত্ৰ কোনো বস্তু মোৰ্ মুখৎ কোনো কা
৯ লে সোমোৱা নায়। সেই শব্দে দ্বিতীয় বেলি মোক্
স্বৰ্গৰ্‌পৰা শমিধান্ দিলে ঈশ্বৰে যিহকে পবিত্ৰ
১০ কৰিছে তাক্ সামান্য ন কুলিবা। এই কৰ্ম্মেই তিনি
১১ বেলি হল্ পাচে এটাই দুব্য স্বৰ্গলৈ আকৰ্ষণ কৰা হলা
দেখা ময় যি ঘৰৎ আছলো সেই কালতে তিনি
মানুহ কাইসাৰিয়াৰ্‌পৰা মোৰ্ তলৈ পাচনী হই
১২ সেই ঘৰলৈকে আহিছিল্। সিহঁতে মৈতে নিসং
শয় হই যাবলৈ পৰমাত্মায় মোক্ আজ্ঞা কৰিলে
১৩ আৰু এই ছয় ভায়ো মোৰ্ লগৎ গল্ পাচে আমি
১৪ সেই মানুহৰ্ ঘৰৎ সোমালোগৈ। জাফালৈ
মানুহ পঠিয়ায় দিয়া আৰু যাৰ উপনাম্ পিতৰ
এনে যি শীমোন্ তেঁওকে মতোৱা তুমিএ তোমাৰ্
এটাই পৰিয়ালো যিহেৰে তৰিবা এনে কথা তেঁও

তোমাৎ কৰ আপোন ঘৰতে যিহু হুই এই কথা কওঁতা
এক্ দূতক্ তেঁও দেখিছিল্ এই কথা তেঁও আমাৎ
৫ ছা নে। পাঁওলে কলে ভায়ে হে এঁৱেই পুধান্ পুৰোহিত জৈয়াক্ ময় নেজানো কিয়নো তোমাৰ্ মান্নহহঁতৰ্ অধিকাৰৰ্ বিৰোধে কুকথা ন কবা

৬ এনে লেখা আছে। যেলৰ্ এভাগ শাদুকি আৰু এভাগ্
ফাৰিশি আছিল্ পাওলে তাকে দেখি মেলতে এটাহ্
পাৰি কলে হে মানুহহঁৎ ভায়হঁৎ ময় ফাৰিশি আৰু
ফাৰিশিৰ্ সন্ততি সেই আশাৰ আৰু মৃতক্ সকলৰ্
৭ পুনৰুৎথানৰে অৰ্থে ময় শোধিৎ হইছো। তেঁও
এই কথা কলৎ পাচ ফাৰিশিহঁতৰে শাদুকিহঁতৰে
৮ দন্দ লাগিল্ তাতে পুজা বেলেগ্ হল্ কিয়নো শাদু
কিহঁতে কয় বোলে পুনৰুৎথান্ নাই দূতো নায় আত্মা
৯ ও নায় কিন্তু ফাৰিশিহঁতে দুয়োকো গাৎ লয়। তেতিয়া
বড় হুহ লাগিল তাতে ফাৰিশিহঁতৰ্ ঘলিয়া অধ্যা
পক সকলে উঠি আমি এই মানুহৰ্ একো অগুৰ্
পোৱা নায় কিন্তু যেদি কোনো আত্মায় অথবা দূতে
তাৎ কৈছে তেৱে আমি ঈশ্বৰে সৈতে যেন্ ৰণ ন
১০ কৰো এই কথা কৈ বিৰোধি কৰিব ধৰিলে। আৰু বড়
কোলাহল্ হোৱাৎ প্ৰধান সেনাপতিএ ভাবিলে জানো
পাচে সিহঁতৰ বলতে পাওল তোখৰ্ হুই ছিগি
যায় এই নিমিত্তে গৈ বলেৰে সিহঁতৰ্ মাজৰ্পৰা
তেঁওক্ আনি গড়লৈ নিবলৈ প্ৰধান্ সেনাপতিএ চীপা
হীহঁতক্ আজ্ঞা কৰিলে।

১১ পাচ ৰাতি প্ৰভুএ তেঁওৰ্ আগৎ থিয় হই কলে হে
পাওল্ তুমি নির্ভয় হোৱা কিয়নো যেনেকৈ মোৰ্ অৰ্থে
যিৰুশালমৎ তুমি প্ৰমাণ দিছা তেনেকৈ ৰোমতো তুমি
১২ প্ৰমাণ দিব লাগিব। দিন্ হলৎ কেতেটি যিহুদীএ মিলি

পাউলক্ বধ ন কৰি আমি খোৱা পীয়া ন কৰো এই
১৩ শাপৰ্ অঙ্গীকাৰেৰে আপোনাকে বন্ধিত কৰিলে। যিহু
দিলাকে এই অঙ্গীকাৰ্ কৰিলে সিহঁত বিচু সৰহ
১৪ চল্লিশটা আছিল। পাচে সিহঁতে প্ৰধান্ পুৰোহিতৰে
বৃদ্ধ লোকবিলাকৰে ওচৰলৈ আহি কহিলে পাউলক্
বধ্ ন কৰি একো ন চাখিম্ যেন্ আমি এক বড়
১৫ শাপৰ্ অঙ্গীকাৰেৰে আপোনাকে বান্ধিচো। এয়েৰেই
মন্ত্ৰিবিলাকে সৈতে তোমোলাকে আৰু কিছু নিশ্চয়
কৰি তেওঁত শুধিবৰ্ ছলে প্ৰধান সেনাপতিত কালি
তেওঁক্ আপোনাৰ্ ঠাইলৈ আনিবলৈ জনোৱা
তেতিয়া আমি তাৰ কাষো ওচৰলৈ অহাৰ্ আগেই
১৬ তাক্ বধিবলৈ যুগুত আম্। পাউলৰ্ ভাগিনে সিবিলাক্
লুকাবৰ্ কথা শুনি আহি গঢ়ালত সোমায় পাউলত
১৭ কলে। পাচে পাউল এশ চিপাহীৰ পতিহঁতৰ মাজৰ্
এটাক্ মাতি কলে এই ডেকা মানুহক্ প্ৰধান্ সেনা
পতিৰ্ আগলৈ লৈ যোৱা কিয়নো তেওঁৰ্ আগত
১৮ ঔয়াৰ কিছু কবলগা আছে। এই হেতুকে সি তাক্ লৈ
প্ৰধান সেনাপতিৰ ওচৰলৈ নি কলে পাউল্ বন্দিয়াৰে
মোক্ মাতি এই ডেকা মানুহক্ আপোনাৰ্ আগলৈ
আনিবলৈ কলে আপোনাৰ আগত তেওঁৰ কিছু
১৯ কবলগা আছে। তাতে প্ৰধান্ সেনাপতিএ তাৰ্
হাতত ধৰি তাক্ এক নিৰ্জ্জন ঠাইলৈ নি সুধিলে
২০ মোৰ্ আগত তোমাৰ্ কি কবলগা আছে। সি কহিল
যিহুদিলৰ্ কিছু কথা আৰু বিশেষ কৰি সুধিবৰ ছলে

যিহুদীহঁতে তেঁওক্ কালি মেললৈ আনিবলৈ
২১ আপোনাৎ জনাবলৈ আলচ্ করিছে। কিন্তু আপুনি
সিহঁতর্ কথাৎ সম্মতি নিদিব কিয়নো সিহঁতর্
মাজরে কিছু সরহ চল্লিশটায় তেঁওক্ ন মরি খোৱা
পীয়া ন করিম্ যেন্ এই শপত্ অঙ্গিকাররে আ
পোনাকে বন্ধিৎ করি লুকায় আছে এতিয়াও সিহঁৎ
আপোনার্ অঙ্গিকারলৈ অপেক্ষা করি যুগুৎ হই
২২ আছে। এই হেতুকে প্রধান্ সেনাপতিএ সেই ডেকা
মানুহক্ বিদায় দি কলে মোৎ যি এই কথা কৈচা
২৩ সাবধান্ হোৱা ইয়াক্ কাকো ন কবা। তেতিয়া
তেঁও এশ সেনাপতি সকলর্ মাজর্ দুজনক্ মাতি
কলে তোমোলাকে দুশ চিপাহীকে সত্তরি ঘোড়া
চোৱাকে দুশ বর্চ্ছিৱাকে এপর রাতিৎ কাইসারিয়ালৈ
যাবলৈ যুগুৎ করাগৈ আরু সিহঁতে সাবধানে পাঁও
২৪ লক্ ফিলিক্স নামে ডাঙরিয়ার্ ঠাইলৈ লৈ যাবলৈ
পাঁওলক্ তাতে তুলিবলৈ সিহঁতর্ বাহন যুগুৎ করা
২৫ গৈ। পাচে তেঁও এই কাকৎ লেখিলে।—
২৬ ক্লাদিয়স লিস্যিয়াসর্ শ্রীযুত মহামহিম ফিলিক্স
ডাঙরিয়াক্ প্রতি নমস্কার্।—
২৭ এই মানুহ যিহুদীএ ধরা হলহেঁতেন আরু সিহঁ
তে মরা হলহেঁতেন সেইকালৎ ময় সৈন্যে আহি
২৮ তেঁওক্ রোমণ্ বুলি জানি তেঁওক্ রাখিলো। পাচে
সিহঁতে তেঁওক্ অপবাদ কি হেতুকে দিলে ঔয়াকে
জানিবলৈ ঔচ্ছা করি ময় তেঁওক সিহঁতর্ মেললৈ

২৯ আনিলোঁ। তাতে তেঁও সিহঁতৰ শাস্ত্ৰৰ কেতবিলাক
তৰ্ক কথাকে অপবাদিয়া হল্ কিন্তু বধৰ্ অথবা বন্ধ
নৰ্ অৰ্হ কিবা কৰিছিল্ তাতে অপবাদিয়া ন হয়
৩০ জৈয়াক্ ময় জানিলো। পাচে য়িহুদীহঁতে সেই
মানুহক্ বধিবলৈ লুকাল এই বতৰা পায় তেঁওৰ্
গুচৰিয়াহঁতক্ আপোনাৰ্ ওচৰৎ তেঁওৰ্ অপবাদ
কবলৈ আজ্ঞা কৰি তেঁওক্ আপোনাৰ্ ওচৰৎ অবি
লম্বে পঠিয়াইচো। আপোনাৰ্ শুভ হোক্
জৈতি।—

৩১ তেতিয়া চিনাহীহঁতে যেনে আজ্ঞা পাইচিল্ সেই
৩২ ৰূপে পাওলক্ ৰাতি আন্তিপাত্ৰিসলৈ লৈগল্। পাচ
দিনা ঘোড়াচোৰাহঁতক্ তেঁওৰ্ লগৎ যাবলৈ
তাতে এড়ি সিবিলাক্ গৰালৈ ওভতি আহিল।
৩৩ সিহঁতে কাইসাৰিয়ায় সোমায় ডাওৰিয়াক্ কাকৎ
৩৪ দি পাওলক্ তেঁওৰ্ আগৎ সোবায় দিলে। ডাওৰি
য়ায় কাকৎ মাতি শুধিলে তেঁও কোন্ নগৰৰ মানুহ
আহে তেঁও কিলিকিয়াৰ মানুহ জৈয়াকে জানি কলে
তোমাৰ গুচৰিয়াহঁৎ আহিলে ময় তোমাৰ্ কথা
৩৫ শুনিম্। তেতিয়া তেঁওক্ হেৰোদৰ্ প্ৰেতোৰিয়
মৎ থবলৈ আজ্ঞা কৰিলে।—

পৰ্ব্ব তেতিয়া ডাওৰিয়াৰ্ ভলৈ পাওলৰ বিপক্ষে যি কথা
২৪ কলে পাঁচ দিনৰ পাচৎ এনে মহনীয়াহ প্ৰধান পুৰো
হিৎ বৃদ্ধলোক সকলকে তেৰ্তলস নামে এক সুন্দৰ

২ বক্তুৰক্ লগৎলৈ আছিল্। তেতিয়া পাওলক্ মাতি
লৎ তেৰ্ত্তুলসে এই কথা কৈ তেওঁক অপবাদ দিব
৩ ধৰিলে হে মহামহিম ফিলিক্স আপোনাৰ অনুগ্ৰহৎ
আমি বড় শান্তি পাঁও আৰু আপোনাৰ পালনৎ এই
৪ দেশৰ্ মানুহবিলাকক্ প্ৰতি বড় ওচিৎ কৰ্ম্ম কৰা হয়।
আমি জৈয়াতে জানি সৰ্ব্বতোভাবে কৃতজ্ঞ হই তাকে
সৰ্ব্বদা সকলে থানে মোৰ্বোলো। কিন্তু আপোনাক্ ময়
আৰু চৰম নি দিবলৈ আপুনি অনুগ্ৰহ কৰি আমাৰ্
অলপ্ কথা শুনোক ময় জৈয়াকে প্ৰাৰ্থনা কৰো।
৫ কিয়নো বড় দুৰ্জ্জন জগতৎ থকা এটায় যিহুদীইঁতৰ্
মাজৎ ৰাজবিৰুদ্ধ কৰ্ম্মজনক নাজৰেথ মতিয়া মানু
হৰ্ মাজৎ এটা প্ৰধান এই মানুহক্ আমি এনে
৬ দেখিচো। সেয়ে মন্দিৰক্ সামান্য হাইৰ নিচিনা
কৰিবলৈ ধৰিচিল তাতে আমি তাক ধৰি আমাৰ
৭ শাস্ত্ৰ নীতিৰে শুহিব খুজিলো। কিন্তু লিসিয়াস্
প্ৰধান সেনাপতিয়ে আমাৰ কোষৰলৈ আহি বড়
বল কৰি তাক্ আমাৰ হাতৰ্পৰা এতুয়ায়লৈ তাৰ
গুচৰিয়াইঁতক্ আপোনাৰ্ ওচৰ্ পাবলৈ আজ্ঞা
৮ কৰিচে। তাতে আপুনি সিইঁতক শোধি পোচ
কৰি যিহৰ্ অৰ্থে আমি তাক্ অপবাদ দিয়ো সেই
৯ বিলাক্ আপুনি জানিব। যিহুদীইঁতেও এই কথা
স্বৰূপ এই বুলি তাতে সম্মতি দিলে।—
১০ তেতিয়া ডাওৰিয়ায় পাওলৎ কবলৈ ঈঙ্গিৎ কৰিলৎ
পাচে তেওঁ মাৎ লগালে বোলে আপুনি এই দেশৰ

মানুহৰ শেষৰ বিচাৰৰ ভাবে দিনক্ষেপণা হইচে
ময় জৈয়াকে জানি অতিৰঙ্গমনে আপোনাৰ কথা
১১ কওঁ। তাতে আপুনি জানিব এতিয়া বাৰে দিনৰ
বেচি ন হয় ময় ভজন কৰিবলৈ যিৰুশালমলৈ গৈ
১২ চিলো। কোনোএ মৈতে মন্দিৰৎ দুষণাদুষলি
কৰিবৰ সিহঁতে মোক নেদেখিলে আৰু মিলনগাৎ
বা নগাৰৎ মানুহৰ মাজৎ এৰাও কৰোতেঁও মোক
১৩ নে দেখিলে। সিহঁতে আমাক যি অপবাদ দিয়ে
১৪ সিহঁতেও সপ্রমাণ কৰিব নোৱাৰে। কিন্তু আপো
নাৰ আগতে ময় জৈয়াক শৈ কৰো সিহঁতে যেনে
কৈ মতান্তৰ বুলি কয় তেনেকৈ ময় ব্যবস্থানুসাৰে
আচাৰ্য্যবাক্যৎ যিমান লেখা আচে সেই এটাইকে
পতীয়ায় মোৰ পিতৃলোকবিলাকৰ ঈশ্বৰক ভজো।
১৫ আৰু পৰমাৰ্থিক অপৰমাৰ্থিক এই দুবিধ মৰা মানু
হৰ পুনৰুৎথান হব সিহঁতে আপুনি এই যি কথা
১৬ শৈ কৰে ময় ঈশ্বৰলৈ প্ৰতি আশা কৰো। আৰু
ঈশ্বৰ মানুহ এই দুয়োকো প্ৰতি নিৰপৰাধিৰূপে
জ্ঞান সৰ্ব্বদা ৰাখিবলৈ কাৰ্য্যৰ ময় কৰো। বহু
১৭ বৎসৰ গলৎ পাচে ময় দান উৎসৰ্গ আপোন
১৮ দেশী। মানুহৰ ওচৰৎ দিবলৈ আহিলো। তাতে
আসিয়ায় কেতেটি যিহুদীএ মোক পবিত্ৰ ৰূপে মন্দিৰৎ
পালে কিন্তু জুম মৈতে ন হয় কোলাহলে মৈতে
১৯ ও ন হয়। যেদি মোৰ বিৰোধে কিবা আচে তেবে
আগতে থাকি মোক অপবাদ দিবলৈ সিহঁতৰ উচিৎ

২০ হয়। মেয়ে ন হলে আজি ময় তহঁতৰ্ দোৱাৰায়
মৃতক মান্নহৰ্ পুনৰুৎথানৰ্ কথাৎ পদ কিয়া হোঁ
২১ এই যি এটি কথা ময় সিহঁতৰ মাজতে থিয় হই
কলো তাক এড়ি ময় মেনৰ আগত যেতিয়া আচিলো
তেতিয়া সিহঁতে মোৰ মাজৎ একো কুকৰ্ম্ম দেখি
লে নে নে দেখিলে জৈহঁতে আপুনি জৈয়াক কওক।
২২ ফিলিক্সে এই কথা শুনি সিহঁতক এই বুলি পলয়
কৰিলে ময় এই কথাৰ আৰু বুঝি লিসিয়াস প্ৰধান
সেনাপতি আহিলৎ তোমোলাকৰ্ গোচৰ শুনিম।
২৩ পাচে এশ বৰুৱাৰ্ শইকিয়াক পাওলক ৰাখিবলৈকে
তেওঁক নেৰাক্সিবলৈকে উপকাৰ্ কৰিবলৈ অথবা
তেওঁৰ ওচৰলৈ আহিবলৈকোনো মিত্ৰিৰক নিষেধ
ন কৰিবলৈকে আজ্ঞা দিলে।—
২৪ দিনাদিয়েকৰ্ পাচে দ্ৰুসিলা নামে আপোন ভাৰ্য্যা
য়িহুদী তিৰীএসৈতে ফিলিক্সে পাওলক আনি খ্ৰীষ্টৰ্
২৫ সম্বন্ধৰ্ অৰ্থে তেওঁৰ্ কথা শুনিলে। তেতিয়া
পাওলে পৰমাৰ্থ পৰিমিত কৰ্ম্ম কৰাৰে ভবিষ্যৎ শোধৰ
কথা কোৱাৎ ফিলিক্সে কম্পমান হই উত্তৰ্ দিলে
বোল তুমি এতিয়া যোৱা মোৰ অৱসৰ হলে ময়
২৬ তোমাক মাতিম। পাওলক তেওঁ মকলি কৰিবৰ্ হই
তেওঁৰ্ হাতৰ্ কণ্ পায় তেওঁৰ এই আশাও আছিল্
সেই কাৰণে ঘনে২ মাতি তেওঁৰে সৈতে কথা কলে।
২৭ কিন্তু দুই বৎসৰ পূৰ্ হলৎ পৰকিয়স্ ফেষ্টস্ ফিলি
ক্সৰ্ সলনী হল্ তেতিয়া ফিলিক্সে য়িহুদীহঁতক তুষ্ট

কৰিবলৈ ঊষ্ঠা কৰি পাওলক্ বন্দীতেই থলে।—
পৰ্ব্ব এই হেতুক্ ফেষ্টস্ সেই নগৰলৈ আহি তিনি
২৫ দিনৰ্ পাচৎ কাইসাৰিয়াৰ্পৰা যিৰুশালমলৈ গল্।
২ তেতিয়া প্ৰধান পুৰোহিতহঁতে যিহুদীহঁতৰ্ ডাঙ-
ৰিয়াহঁতে তেঁওৰ্ আগৎ পাওলৰ্ বিৰোধে কথা
৩ জনালে। আৰু বাটতে তেঁওক্ বধিবলৈ লুকায় থাকি
তেঁওক্ যিৰুশালমলৈ আনিবলৈ তেঁওৰ্ বিৰুদ্ধে
অনুগ্ৰহ মাগি তেঁওৰ আগৎ কাকুতি কৰিলে।
৪ কিন্তু ফেষ্টসে সমিধান্ দিলে পাওলক্ কাইসাৰি-
য়াৎ থোৱা যাব মই আপুনি কিঞ্চিৎ কালৰ পাচে
৫ তালৈকে যাম্ সেই কাৰণে তোমোলাকৰ্ যি২ মানু-
হে তাৰ্ জগৰৰ্ প্ৰমান্ দিব পাৰে সিহঁতে গৈ এই
মানুহৰ কিবা জগৰ যেদি আচে তেবে তাক অপ-
৬ বাদ দিয়োক্। পাচে সিবিলাকে মৈতে দহ দিনৰ্
কিচু বচা থাকি তেঁও কাইসাৰিয়ালৈ গল। তাৰ্
পাচ দিনা শোধিৰ আসনৎ বহি পাওলক আনিবলৈ
৭ আজ্ঞা কৰিলে। তেঁও আহিলৎ পাচে যিবিলাক
যিহুদী যিৰুশালমৰপঁৰা আহিছিল্ সেইবিলাক চাৰি-
ও ফালে থিয় হই যাৰ্ প্ৰমাণ সিহঁতে দিব নোৱা-
ৰিলে এনে ভালেমানেও বড় অপবাদ পাওলৰ্ বিৰো-
৮ ধে দিলে। তেতিয়া তেঁও আপোনাৰ অৰ্থে এই
উত্তৰ কৰিলে যিহুদীহঁতৰ ব্যৱস্থাৰ অথবা মন্দিৰৰ
৯ অথবা কাইসৰৰ বিপক্ষে মই একো কৰা নাই। কিন্তু

ফেস্তসে যিহুদীহঁতক তুষ্ট কৰিবলৈ ইচ্ছা কৰি উত্তৰ
কৰি পাউলৎ কলে তুমি যিৰুশালমলৈ যাবা নে সেই
ঠাইৎ এই কথাৎ মোৰ আগৎ শোধিৎ হবা।
১০ পাউলে কলে যত্তে মোৰ শোধ্ কৰিবলৈ উচিৎ হয়
এনে যি কাইসৰৰ্ মেল্ তাৰ্ আগতে ময় থিয়
হই আছো ময় যিহুদীহঁতৰ্ একো বয়া কৰা নায়
১১ আপুনি ঔয়াক্ ভাল্‌কৈ জানে। কিয়নো যেদি ময়
কিবা জগৰ্ বা কোনো বধাৰ্হ কৰ্ম্ম কৰিছো তেবে
মৰিবলৈ ময় অসম্মতি নোঁহো কিন্তু সিহঁতৰ্ সেই
অপবাদ যেদি একো ন হয় তেবে সিহঁতৰ্ হাতৎ
কোনোএ মোক্ সোধায় দিব নোৱাৰে ময় কাইসৰৰ্
১২ আগৎ আপীল্ কৰো। তেতিয়া ফেস্তসে মন্ত্রি
হঁতে সৈতে আলচ কৰি উঁওক্ উত্তৰ কৰিলে তুমি
কাইসৰৰ্ আগৎ আপীল্ কৰিছা নে বাৰু তুমি
কাইসৰৰ্ ওলৈ যাবা।—

১৩ দিনা দিয়েকৰ্ পাছে আগ্রিপা ৰজায় বেৰনীকি
ফেস্তসক্ সেৱা কৰিবলৈ কাইসাৰিয়ালৈ আহিল্।
১৪ সিবিলাক তালে দিন্ তাতে ৰলৎ পাছে ফেস্তসে পাউ
লৰ্ গোচৰ্ ৰজাৎ জনালে বোলে ফিলিক্সে যাক
বন্দিয়াতে এড়ি গৈছিল্ এনে এটা ঔয়াতে আছে।
১৫ ময় যিৰুশালমৎ যেতিয়া আছিলো তেতিয়া প্ৰধান্
পুৰোহিৎ সকলে যিহুদীহঁতৰ্ বৃদ্ধ লোকবিলাকে

য়াৰ বিৰুদ্ধে শোধ লুজি মোক তাৰ কথা জনালে।
১৬ ছিবিলাকক মই উত্তৰ কৰিলোঁ অপবাদীয়ে প্ৰতি
বাদীহঁতৰ হাজিৰাহাদিৰি কৰা আৰু আপুনি নিজ
ৰেৰে অপবাদী আইচে তাৰ কথাৰ উত্তৰ দিবলৈ
অনুজ্ঞা পোৱাকে ব্যতিৰেকে কাকো বধৰ নিমিত্তে
সোধাই দিয়া ৰোমণ মানুহৰ ব্যৱহাৰ ন হয়।
১৭ এই হেতুকে ছিবিলাকে এঠাই ৰলহি মই পাছ
দিনা অপলমে শোধৰ আসনত বহিলোঁ সেই
১৮ মানুহক আনিবলৈকো আজ্ঞা কৰিলোঁ। প্ৰতি
বাদীহঁতে তাৰ বিপক্ষে থিয় হই মই যি ভাবিছিলোঁ
এনে তাৰ কোনো জগৰ দিহঁতে ন তুলিলে কিন্তু
আপোনাৰ ভজনৰ কথাত আৰু পাওলে যাক জীয়াই
১৯ আছে বোলে এনে যিশু নামে মৃতক এজনৰ কথাত
সেইবিলাক দুৰণাদুৰণি তিহঁতে তেওঁৰ বিৰোধে ক
২০ ৰিলে। মই তাৰাতে সংশয়াপন্ন হই কলা তুমি যিৰু
চালমলৈ গৈ তাত এইবিলাক কথাত সোধিত হবা
২১ নে কিন্তু ৰাজাধিৰাজে শুনিবলৈ থবলৈ পাওলে আ
পীল কৰিলত পাছে মই তেওঁক কাইসৰৰ ওচৰলৈ
পঠিয়াবৰ আহৰি হয় মানে তেওঁক ৰাখিবলৈ আজ্ঞা
২২ দিলোঁ। তেতিয়া আগ্ৰিপায় ফেষ্টসক কলে মই
আপুনি এই মানুহৰ কথা শুনিব খোজো।— তেওঁ
২৩ কলে কালি তেওঁৰ কথা শুনিবলৈ পাবা। এই হেতুকে
পাছ দিনা আগ্ৰিপায়ে বৈৰণিকৈ বড় ঐশ্বৰ্য্যযুক্ত

হৈই আছি পুৰীান সেনাপতিবে নগৰৰ ডাঙৰিয়াবে
আৰু তাঙ্কৰ শুনাৰ হোইৎ সোমালপেতেতিয়া ফেষ্ট
২৪ সৰ আজ্ঞাৰে পাওল আনা হল। তেতিয়া ফেষ্ট
সে কলে হে আগ্ৰিপা ৰাজা আপুনে এটোয় মান্নহো
আচে এই মান্নহৰ কথাৎ য়িহুদীহঁতৰ পুজায় মায়ে
সৈতে য়িৰুশালমতো এথেতো ওতৰাওতৰি কৰিলে
বোলে তাৰ আৰু কিচু কাল জীয়া থাকচিৎ তাক্
২৫ তো মোলাকে দেখিচো। কিন্তু সি মৰীৰ কোনো
কৰ্ম্ম কৰা নায় আৰু আপুনি ৰাজাধিৰাজৰ আগৎ
আনাল্ কৰিলে মায় তেয়াকে জানি তেঁওক পঠিয়া
২৬ বলৈ নিয়ম্ কৰিলো। কিন্তু তেঁওৰ কথা য়হা
ৰাজালৈ মোৰ লেখিবৰ বড়ৰা একো স্থিৰ নায় এই
হেতুক তোমোলাকৰ এটাইৰে আগলৈ আৰু হে
আগ্ৰিপা ৰাজা বিশেষৎ আপোনাৰ আগলৈকো মায়
তেঁওক আনিচো জীয়াতে শোধি হলৎ পাচে মায়
২৭ লেখিবলৈ কিচু হব কিয়নো কোনো বন্দিয়াৰক পঠি
য়াবলৈ তাৰ দিয়া জগৰ নজনা থাকচিৎ যেন এয়ে
মোৰ মনৎ পৰিল।

পৰ্ব্ব তেতিয়া আগ্ৰিপায় পাওলৎ কলে তুমি আপোনাৰ
২৬ ওতৰ কৰিবলৈ অনুমত হৈচা তাতে পাওলে হাৎ
দাঙ্গি ওতৰ কৰিলে।—
২ হে আগ্ৰিপা ৰাজা যিবিলাক কথাৎ য়িহুদীহঁতৰ
পৰা মায় অপবাদী হৈচো সেইবিলাকৰ ওতৰ

আপোনাৰ আগৎ যে আজি ময় কৰো এয়ে মোৰ
৩ বড়া ভাগ্য কিয়নো যিবিলাক কাৰ্য্য আৰু পুশ্ন য়িহুদী
হঁতৰ মাজৎ আছে এইবিলাকৎ আপুনি নিপুন্
আছে জেয়াতে আপুনি ধৈৰ্য্য ধৰি মোৰ্ কথা শুনে
৪ যেন্ ময় এই পুৰ্থনা কৰো। লৰাকালৰেপৰা মোৰ
যিবিলাক্ আচাৰ্ মোৰ্ স্বদেশী মানুহৰ্ মাজৎ
য়িৰুশালমৎ আগেই আছিল সেই সমস্ত আচাৰ্
৫ য়িহুদীহঁতে জানে। যি আদিৰেপৰা মোক জান
লে সিহঁতে যেদি পুমাণ দিব তেবে ময় আদিৰেপৰা
আমাৰ্ ধৰমৰ্ মাজৎ কৰ্ম্মৎ আতি সাৰুধান্ হৈ
মতীয়া যিবিলাক্ হয় সিহঁতৰ্ নিচিনা মযো ফাৰিশি
৬ হঁতৰ্ মতিয়া আছিলো। আৰু যি অঙ্গীকাৰ
ঈশ্বৰে আমাৰ্ পিত্ৰাদিৰ্ আগৎ কৰিলে তাৰে
ফলৰ্ আশাৰ নিমিত্তে ময় এতিয়া শোধৎ দিয়া হৌ।
৭ সেই অঙ্গীকাৰৰ্ ফল্ পাবলৈ আমাৰ বাৰে বংশহে
বা ত্ৰিন্দিৰা পুযত্ন পুৰ্ব্বক্ নিত্যৌ ভজন্ কৰি আশা কৰে
হে আগ্ৰিপা ৰাজা সেই আশাতে ময় য়িহুদীহঁতৰ্
৮ পৰা অপবাদী হইছো। ঈশ্বৰে যি মৃতক্ মানুহ
বিলাকক্ তুলিব আপোনাৎ এয়েন নাপতীয়াবলগা
৯ তুলি মানে নে। য়িশু নাজৰথৰ্ নামৰ বিপক্ষ
ভালেমান্ কৰম্ ময় কৰিবলগা যেন্ জেয়াক্ মযু
১০ আগেই নিশ্চয় কৰিছিলো। তাকো ময় যিৰুশাল
মৎ কৰিলো আৰু পুধান পুৰোহিৎহঁতৰপৰা ভাৰ

পায় বহুত সন্তবিলাক বন্দি কৰিলো আৰু যেতিয়া
সিবিলাকক মৰা গল তেতিয়া ময় সিবিলাকৰ
১১ বিৰোধে প্ৰমাণ দিলো। আৰু এটায় সিনগগত
পুনুঃ শাস্তি দি বল কৰিলে সিবিলাকৰ ঈশ্বৰনিন্দা
কৰিলো আৰু সিবিলাকৰ বিৰোধে অতিশয় চাগুাল
হই সিবিলাকক আন্ দেশৰ নগৰলৈ খেদালৈকে
১২ খেদিলো। ঔয়াতে ময় প্ৰধান পুৰোহিত হঁতৰপৰা
অক্ষমতি আৰু আজ্ঞা পায় দম্মেশেকলৈ গৈছিলো
১৩ তেনেতে হে ৰাজা ময় মধ্যাহ্নকালত বাটত স্বৰ্গৰপৰা
ওলোৱা সূৰ্য্যতকৈও অধিক তেজস্বী এক পহৰ
মোৰে আৰু যিবিলাক মোৰ লগত আছিল সিহঁ
১৪ তৰে চাৰিওফালে দেখিলো। পাছে এটায় মাটিত পৰি
লত হে শাওল হে শাওল মোৰ বিপক্ষতা কিয় কৰা কাঁ
টৰ ওপৰত গোৰ মৰা বৰ টান হয় এৰি কথাৰে মোৰ
আগত এই বচন বোলোঁতা এক শব্দ ময় শুনিলো।
১৫ তেতিয়া ময় কলোঁ হে প্ৰভু আপুনি কোন তেঁও ইুলি
১৬ লে যাৰ বিপক্ষতা তুমি কৰিছা সেই যিশু ময়। কিন্তু
তুমি উঠা আৰু ভৰিৰে থিয় হোৱা কিয়নো মোত
যি বিশ্বাস কৰে তাৰে আন্দেশীহঁতে পাতকৰ বিমো
চন পায় আৰু পবিত্ৰ কৰা যিবিলাক হয় সিহঁতে
১৭ সৈতে আধিপত্য পায়। এই নিমিত্তে সিহঁতৰ চক্ষু
মেলিবলৈকে এন্ধাৰৰপৰা দিপিতিলৈ সিহঁতক পাল
টাবলৈকে সিহঁতক শয়তান আধিপত্যৰপৰা ঈশ্ব

ৰৰ্ ফাললৈ পালটাবলৈকে ময় তোমাক্ মানুহৰ্
১৮ পৰা যিবিলাকৰ্ ওলৈ ময় তোমাক পঠিয়াম এনে
যি আন্ দেশীবিলাক মিহঁতৰ্ হাতৰ্পৰা তোমাক্
উদ্ধাৰ্ কৰি তুমি যি দেখিছা আৰু যিং কর্ম্মৎ ময়
তোমাৰ্ আগৎ বিদিৎ কৰিম এই দুয়োৰো অর্থে
সেৱকীয়া আৰু সাক্ষী কৰিবলৈ তোমাক্ দৰিশন্
১৯ দিছো। সেই কালৰ্পৰা হে আগ্রিপা ৰাজা ময়
২০ সেই স্বৰ্গী দর্শন মনা ন হইছিলো কিন্তু প্রজায় আ
পোনাৰ্ পাতকৰ্পৰা পালটিবলৈ আৰু ঈশ্বৰক্
প্রতি ওভতিবলৈ আৰু পালটাৰ্ উচিৎ কর্ম্ম কৰিবলৈ
ময় আদিতে দমাশক্ প্রজাতে যিৰুশালমতে যিহু
দীৰ এটায় দেশতে তাৰ্ পাছে আন্ দেশীহঁততে
২১ ঈশ্বৰৰ্ কথা বিদিৎ কৰিলো। এয়াতে যিহুদী
হঁতে মোক্ মন্দিৰৎ ধৰিলে আপোনাৰ্ হাতেৰে
২২ বধিবলৈ উদ্যম্ কৰিছিল্। কিন্তু ময় ঈশ্বৰৰ্পৰা
২৩ উপকাৰ্ পায় আজিলৈকে জীয়াঁ আছু খ্রীষ্ট মৰিব
মৃতুৰ্ পৰাতে উপজা অগ্র হব প্রজাকে আন্ দেশী
হঁতক পোহৰ দেখুৱাব এই যি কথা আচার্য্যসকলে
কলে মোচা আৰু জাক্ ব্যতিৰেকে আৰু একো ন
কৰ ময় আপোনাৰ সাক্ষিৰণ্ এটায় মানুহকে প্রমাণ্
দিছো।—
২৪ তেঁও এনেকৈ আপোনাৰ্ উত্তৰ্ কৰিছে তেলেতে
ফেষ্টসে এটাহ পাৰি কলে হে পাঁউল তুয় বলিয়া হইছ

২৫ বক্স বিদ্যায় তোক্ বলিয়া কৰিলে। কিন্তু তেঁও
হুঁলিলে হে মহামহিম ফেস্তস্ ময় বলিয়া নোহো
২৬ কিন্তু সত্যো মিয়ানেৰ কথা কঁও। কিয়নো যিবিলাক
কথা ময় ৰজাৎ লে ভাবিএই কঁও তেঁও এইবিলাক
জানে এই কর্ম্ম তেঁওৰ্ অগোচৰ্ ন হয় যেন্ জৈয়াক্
ময় জানো কিয়নো এই কর্ম্ম চুকৎ কৰা ন হয়।
২৭ হে আগ্রিপা ৰাজা আপুনি আচার্য্যৎ আস্তিক্
কৰিছে নে আপুনি আস্তিক্ কৰিছে ময় জৈাক্
২৮ জানো। তেতিয়া আগ্রিপায় পাওলৎ কলে তুমি
২৯ মোক্ খ্রিষ্টিয়ান হবলৈ উচটাইছা। তাতে
পাওলে কলে আপুনি কেবল্ ন হয় কিন্তু যেতেক্
মানুহে আজি মোৰ্ কথা শুনে এই এটায়বিলাক্
জানো মিয়ো ন হয় কিন্তু এই বন্ধিৎ হোৱা বিনে
৩০ এটায় মোৰ্ মতিয়া হয় এয়ে মোৰ্ বড় বাঞ্ছা। তেঁও
জৈয়াকে কলৎ পাছে ৰজায় অধিকাৰে বৰ্ণীকিএ
যিবিলাক্ সিবিলাকে সৈতে বহিছিল সেইবিলাকে
৩১ উঠিল। আৰু নির্জ্জানলৈ গৈ আলচ্ কৰি অনোন্য
অন্যে কলে এই মানুহে বধৰ্ বা বন্ধনৰ্ অৰ্হ এনো
৩২ কর্ম্ম কৰা নাই। পাছে আগ্রিপায় ফেস্তসৎ কলে এই
মানুহে যেদি কাইসৰৰ্ আগৎ আপীল ন কৰিলে
হেঁতেন্ তেবে মুকলি হব পাৰিলেহেঁতেন্।—
পৰ্ব্ব আমি যি জাহাজৎ ইতালিয়ালৈ গতি কৰিম্
২৭ জৈয়াৰে নিশ্চয় হলে পাছে সিবিলাকে পাওলক

আৰু কেতেটি বন্দিয়াৰ্ মানুহকে যুলিয়স্ নামেৰে
আগস্তান্ বৰ্থৱাৰ্ এপ চিপাহিৰ এক অধিপতিৰ্
২ হাতং সোধায় দিলে। তেতিয়া আদ্ৰামিত্তিয় মৰু
এক্ নাৱং উঠি আসিয়াৰ্ কাষেৰে যাবলৈ মন্
কৰি তেসলোনীকাৰ্ আৰিস্তাৰ্খস নামে এটা মাকি
দোনী আমাৰ্ লগং হলং আমি লঙ্গৰ্ তুলিলো।
৩ পাচ দিনা আমি সীদোনং চাপি লোগে আৰু যুলিয়স
অনুগ্ৰহ কৰি পাঁওলক্ তেঁওৰ্ মিত্তিৰ্ হঁতক্ দেখিবলৈ
৪ ৰে জিৰাবলৈকে যাব দিলে। পাচে লঙ্গৰ্ তুলিলং
পচোৱা বতাহ হল্ সেই কাৰণে আমি তাৰ্ পৰা
৫ কুপ্ৰসৰ্ এচৰলৈ গলো। পাচে কিলিকিয়াৰ্ পম্ফুলি
য়াৰো উচৰস্থ সাগৰে দি গৈ আমি লিকিয়াৰ্ মিৰা
৬ নামেৰে এক্ নগৰং হলো গৈ। জৈতালিয়ালৈ
গৈছে এনে আলেক্সান্দ্ৰিয়াৰ্ এক্ নাৱ জেমাদাৰে
৭ সেই ঠানতে পায় আমাক্ তাতে থলে কিন্তু দিনা
দিয়েক্ লাহেং গৈ পচোৱা বতাহৰ্ নিমিত্তে ক্নিদ
সৰ্ কাষৰ পালতেই আমি ক্ৰীতৰ্ তলং সাল্
৮ মোনীৰ্ পোনলৈ গলো। আৰু তাকো বড় দুখেৰে
তেই সুন্দৰ্ থাল নামে এক্ ঠাইং ৰলোগৈ তাৰ্
৯ ওচৰতে লাসীয়া নগৰ্। তেতিয়া ভালে দিন্
গলং লঘোনৰ দিন্ চৰি গলং আৰু তাতে নাৱং
১০ গতি সঙ্কটৰূপ হলং। পাঁওলে মিৰিলাহং এই
কথা কৈ উপদেশ্ কৰিলে হে দেও সকল এই বাৰ

ভৰাৰে নাৱৰ ভালেমান কষ্ট হানিএ কেৱল হব
এনে ন হয় কিন্তু আমাৰ জীৱনৰো সংশয় হব
১১ ঔয়াক্ ময় বুঝি পাইছো। তথাপি শইহিয়া পাণ্ড
লৰ্ কথাংকৈ গুৰিয়ালৰে নাৱৰ্ আধিকাৰ ইঁতৰে
১২ কথা শৰহকৈ মানিলে। আৰু সেই ঘাট্ খৰালি
কালৎ থাকিবৰ্ যোগ্য ন হয় এই হেতুকে কোনো
ৰূপে খৰালি কালৎ থাকিবলৈ ফেণিকি পাব পাৰি
এই আশয়েৰে সৰহ মানুহে তাকে এৰিবলৈ বুদ্ধি
দিলে। ফেণিকি ক্ৰীতৰ্ এটা ঘাট্ তাৰ্ মুখ
১৩ দক্ষিণা পশ্চিমাও উত্তৰা পশ্চিমাও। পাছে দক্ষিণা
বতাহ অলপং বলালৎ সিবিলাকে ভাবিলে এতিয়া
আৱশ্যক্ বাঞ্ছা সিদ্ধি হয় এয়েৰেই লঙ্গৰ তুলি
১৪ ক্ৰীতৰ্ কাষবলৈ গল্। এথন্তকৰ্ পাছে সিবিলা
কৰ্ আগতে এক্ প্ৰচণ্ড বুমুহা মাৰিলে তাৰ্ নাম
১৫ ঔওৰোক্লিদন্। তাতে নাৱ টল্বল কৰিলৎ
সিবিলাকে নাৱৰ্ মুখৎ বতাহৰ্ আগৎ লগাব
নোৱাৰিলে এই হেতুকে মুখ এৰি বতাহলৈ হেঁচুকি
১৬ পেলালে। আৰু ক্লদা নামে এক্ চাপৰিৰ্ কাষ
ৰলৈ লৰি গলৎ আমাৰ্ নাৱো ৰাখিবলৈ বড়
১৭ দুখ হল্। তাক্ তুলিলৎ সিবিলাকে নাৱ
তলৎ বান্ধি আনং উপায় কৰিলে তাঁনো চৰ্য
ৰিয়াৎ পৰে এই শঙ্কাতে আমি পাল্ পেলায় বতা
১৮ হৎ গুচি গলো। আৰু বুমুহাতে আতিশয় টল্

বল্ কৰি পাচ দিনা সিবিলাকে নাৱ লঘু কৰিলে ।
১৯ আৰু তৃতীয় দিনা আমি আপোন্ হাতে নাৱৰ্
২০ ঠৈবাখক পেলায় দিলোঁ । তেতিয়া দিনাদিয়েক্
বেলী বা তৰা দেখা ন গৈলৎ আৰু বড় বুমুহা
আমাৰ্ আপদলৈ হলৎ ৰক্ষাৰ্ সকল আশা গুচিল ।
২১ কিন্তু বড় লঘোন্ হলৎ পাচে পাউলে সিবিলাকৰ্
মাজতে থিয় হৈ কৈছিলে হে দেৱবিলাক তোমো
লাকে ক্ৰীত নেড়া মোৰ্ এই যি কৈছি তোমোলা
কৰ্ দিলো তোমালাকে জাকে শুনা আৰু এতেক্
বিপত্তিকে হানিকে নোপোৱা তোমোলাকৰ্ উচিৎ
২২ আছিল । কিন্তু এতিয়া ময় তোমোলাকৎ জয়াকে
কওঁ তোমোলাক্ নিসংশয় হোৱা কিয়নো তোমোলা
কৰ্ একোনৰো জীৱন্ নাশ্ ন হব কেৱল্ নাৱ নাশ
২৩ হব । কিয়নো ময় যাৰ্ হোঁ আৰু যাক্ সেৱা
কৰো এনে যি ঈশ্বৰ্ তেওঁৰ্ দূতে আজি ৰাতি মোৰ্
২৪ কাষৰৎ থিয় হৈ কলে । হে পাউল্ তুমি নডৰাবা
তোমাক্ কাইসৰৰ্ আগলৈ আনাহৱা আৰু দেখা
যিবিলাক্ মানুহ তোমাৰ্ লগৎ আছে সেই এটা
২৫ ইকে তোমাক্ ঈশ্বৰে দিছে । এয়েৰেই দেৱবিলাক্
তোমোলাক্ নিৰ্ভয় হোৱা কিয়নো যেনেকৈ ময়
কোৱা হল্ তেনে হবলৈ ময় ঈশ্বৰৎ বিশ্বাস্ কৰো ।
২৬ কিন্তু আমাক্ এটা ডাপৰিৎ পেলাব লাগিব । ঠৈবা
২৭ ৰাত্তি হলৎ আমি ৰতাহৎ ঔফালে সিফালে আদ্রিয়া
সাগৰলৈ হেঁচোক্ মাৰিলৎ মানিথাৰাতি নাৱৰ

মাল্লহে ভাবিলে বোলে কোন্ দেশৰ ওচৰ
২৮ পালিল। এই হেতুকে চিচা পেলায় কুড়ি বাঁহ পানি
পালো পাচে আৰু কিছু দূৰৈ লৈ গৈ আকও চিচা
২৯ পেলায় পোন্ধৰ বাঁহ পালো। তেতিয়া জানো
কোনো শিলনাং পড়ে ঔয়াকে ভাবি সিবিলাকে
নাৱৰ গুৰিফালৰপৰা চাৰিটা লঙ্গৰ পেলায় পুৱা
৩০ হবলৈ অপেক্ষা কৰিলে। কিন্তু নাৱৰ মাল্লহ
বিলাকে নাৱৰ টিঙৰপৰা লঙ্গৰ পেলাবৰ ছলে
নাৱো সাগৰং নমায় নাৱ এড়ি পলাবলৈ উদ্যম
৩১ কৰিলে। সেই কালং পাঙলে জেমাদাৰতে চিপাহি
হঁতকে কলে ঔহঁং যেদি নাৱং নে থাকে তেবে
৩২ তোমোলাক নিস্তাৰ হব নোৱাৰা। তেতিয়া চি
৩৩ পাহীহঁতে নাৱৰ জৰু কাটি তাক এড়ি দিলে। তাৰ
পাচ দিন হইআহোতেই পাঙলে কিছু খাবলৈ
সেইবিলাক মাল্লহক আদেশ কৰি কলে যেতিয়াৰে
৩৪ পৰা তোমোলাকে একো নো খোৱা লঘোনে আছা
তাৰে আজি চৈধ্য দিন হল এই হেতুকে তোমোলা
কক্ ময় কাবৌ কৰো তোমোলাকে কিছু খোৱা
কিয়নো এয়ে তোমোলাকৰ মঙ্গল নিমিত্তে কিয়নো
৩৫ তোমোলাকৰ এডালি চুলিৰো বিনাশ নহব। তেঁও
ঔয়াকে কৈ পিছা লৈ সিবিলাকৰ এটাইৰে আগতে
ঈশ্বৰক স্তুতি কৰি তাকে ভাঙ্গি খাবলৈ ধৰিলে।
৩৬ তাতে সিবিলাকে এটায়ে আশ্বাস পায় কিছু খালে।
৩৭ আৰু আমি নাৱত এটায়ে সৈতে দুশ ছসত্তৰি প্ৰাণী

৩৮ খাইছিলো। তেতিয়া সিবিলাকে তৃপিতি পায় নাৱৰ
সহজ্যা কৰিলে আৰু অৱশেষ্ শস্য সাগৰৎ পেলায়
৩৯ দিলে। তাৰ্ পাচ দিন হলৎ সিবিলাকে সেই
ভূমি নিচিনলে কিন্তু সমান্ গৰাৰে এক্ খাল্ দেখি
লে আৰু যেদি পাৰে তেবে তাতেকে নাৱ লক্কৱায়
৪০ জীয়া লৈকে ইচ্ছা কৰিলে। আৰু সিবিলাকে লঙ্গৰ্
তুলি সাগৰৰ্ মৰমতেই থাকিল্ পাচে বঠাৰ
বান্ধ শোলোকায় বড় পাল্ বতাহৎ তুলি কাষৰৰ্
৪১ ফাললৈ গল্। কিন্তু যতে দুখান্ সাগৰ্ একে
লগ্ হইছে এনে এঠাইৎ পড়ি সিবিলাকে নাৱ
মাটিৰ্ ওপৰৎ তুলিলে আৰু আগ্ টিঙ্গ টানিকে
লগায় ন লড়া হই থাকিল্ কিন্তু পিছফাল্ ঢৌৰ
৪২ আঘাতে ভাগি গল্। আৰু কোনো বন্দিয়াৰ্
সাঁতুৰি ন পলাবলৈ চিপাহীইতে সিহঁতক্ বধিবলৈ
৪৩ আলচ কৰিলে কিন্তু জেমাদাৰে পাওলক্ ৰাখিবলৈ
ইচ্ছা কৰি সিহঁতৰ্ মনোভিলষিৎ নিবাৰিলে আৰু
যিবিলাকে সাঁতুৰিব পাৰে সেই মানুহ প্ৰথমতে সাগ
৪৪ ৰলৈ ডও মাৰি কাষৰ পাবলৈ আৰু অৱশেষ্ মানুহ
বিলাকৰ কেতেটিক্ পটাৰ্ ওপৰৎ কেতেটিক্ নাৱৰ
ভগা ডোখৰৰ্ ওপৰৎ কাষৰলৈ যাবলৈ সিহঁতক
আজ্ঞা দিলে তাতে সিবিলাক্ এটায়ে সকলয়ে বাম্
পালে।—

পৰ্ব্ব সেই ঠাইৰিৰ্ নাম মেলিতা যেন্ সিবিলাকে বাম্
২৮ পায় জীয়াকে জানিলে। তেতিয়া সেই অসভ্য মানুহে

ভালেমান্ চেনেহ আমাক্ দেখুৱালে কিয়নো সেই
কালৰ্ বৰষুনৰে জাড়ৰে নিমিত্তে সিহঁতে জুই জালি
৩ আমাক্ এটাইকে আলহি থুহিলে। তেতিয়া পাওলে
যদি এ পোলা বান্ধি জুই ওপৰৎ দিলে এক্ আহৈ
সাপ জুইৰ্ তাপৰ্ দ্বাৰা আহি তেঁওৰ্ হাতৎ মেৰুায়
৪ ধৰিলে । সেই অৰ্য মানুহবিলাকে তেঁওৰ্ হাতৎ
মেহুৱা সেই সাপক্ দেখি টেটেনিটে কলে আৰু
শ্যক্ এই মানুহ বধিয়া সাগৰে জীয়াক্ এড়ি দিলে
৫ হয় কিন্তু পৰহ দিয়োতাই জীয়াক্ জীব নিদিয়ে। পাচে
তেঁও সেই সাপক্ জুইতে জোকাৰি আপুনি একো
৬ হানি নে পালে। তেঁও ওখহিব বা হঠাতে মৰিব
সিবিলাকে জীয়ালেকে বাট্ চালে কিন্তু এযন্তক্ অপেক্ষা
কৰি তেঁওৰ্ একো বৈগুণ্ নে দেখি মন্ পালটায় কলে
৭ তেঁও দেৱতা। পব্লিয়স্ নামেৰে সেই চাপৰিৰ্
অধিকাৰৰ্ অধিপতি সেই ঠালৎ আচিল্ শেয়েই
আপোনাৰ্ ঘৰলৈ আমাক্ নি তিনি দিন্ আলহি
৮ থুহিলে। সেই কালৎ পব্লিয়সৰ্ বাপেক্ জ্বৰ্
তেজসাঁও যোৱা নৰিয়াৰে পড়ি আছিল তাতে পাওল
তেঁওৰ্ ওচৰলৈ গৈ প্ৰাৰ্থনা কৰি হাত্ তেঁওৰ্ ওপৰৎ
৯ দি তেঁওক্ সুস্থ কৰিলে। সেয়ে হলৎ চাপৰিৰ্
১০ আনং নৰিয়া মানুহ আহি সুস্থ হল। সিবিলাকে
আমাৰ্ ভালেমান্ সৎকাৰ্ কৰিলে আৰু আ
মাৰ্ যাবৰ্ সময়ৎ যিং বেহানিৰ্ প্ৰয়োজন্ আছিল্
১১ তাকো নাৱ দিলে। কাস্তৰৰে পলুক্ষেবি চিহ্নিত আ

লেক্সান্দ্রিয়াৰ এক্ নাৱ জাড় কালৎ সেই চাপৰিতে
আছিল্ এই হেতুকে তিনি মাহৰ্ পাচে আমি তাতে
১২ সোমালো আৰু আমি সৰাকুশৎ হৈ তিনি দিন্
১৩ পৰ্ব্বাহ্ কৰিলো। সেই ঠাই এড়ি ঘূৰি ঘূৰি ৰেগি
১৪ ৰেগি আমি ৰেগিয়মৰ্ পোনে ৰলো আৰু এদিনৰ্
পাচৎ দক্ষিণা বতাহ্ ৱলালে তাতে আমি দুদিনে
পূটিওলিৎ পালোগৈ। তাতে আমি ভায়ইতক্ পালো
সিবিলাকৰ্ ৰীৰাৎ সাৎ দিন্ সিবিলাকে সৈতে
১৫ থাকিলো তাৰ্ পাচে ভাৰশৰা ৰোমলৈ গলো। ভায়
হঁতে আমাৰ বতৰা পায় আমাক্ দেখিবলৈ আপ্পী
ফোৰম্ তিনি সৰাইলৈকে আহিল্। পাঙলে সিবি
লাকক্ দেখি ঈশ্বৰক্ স্তুতি কৰি আশ্বাস পালে।—
১৬ আমি ৰোমৎ পালৎ পাচে জেমাদাৰে বন্দিয়াৰ্
মান্নুহবিলাকক্ হাজাৰি চিপাহীৰ জেমাদাৰৰ্
হাতৎ শোধায় দিলে কিন্তু আপোনাক্ যি পৰ দিয়ে
পাঙলে এনে এক চিপাহীএ সৈতে বেলেগ থাকি
১৭ বলৈ পালে। তেতিয়া তিনি দিনৰ্ পাচৎ পাঙলে
শ্রেষ্ঠ য়িহুদীবিলাকক্ মাতিলে সিবিলাক্ আপিলৎ
তেঁও সিবিলাকক্ কৈলিলে হে মনুষ্যবিলাক্ ভায়
বিলাক্ ময় স্বদেশী মান্নুহৰ্ বা পিতৃবিলাকৰেই
নীতিৰ্ বিৰুদ্ধ একো কৰা নায় তথাপি য়িৰুশালমৰ্
পৰা ৰোমাণ মান্নুহৰ্ হাতৎ ময় বন্দিৎ হই
১৮ সোন্না আছিলো। সিবিলাকে মোক্ শোধিপোচ কৰি
মৃত্যুৰ্ কাহিনি মোৰ্ মাজৎ নে পায় মোক্ মেলিব

১৯ যুজিলে । কিন্তু যিহুদীহঁতে তেঁওৰ্ বিৰোধে কলে
কাইসৰৰ্ আগৎ আপীল্ কৰিবলগা মোৰ্ প্ৰয়ো
জন্ আছিল্ আপোনাৰ্ দেশী মানুহৰ্ কিবা অপ
২০ বাদ্ দিবলগা মোৰ্ আছিল্ এনে ন হয় । কিয়নো
যিশ্ৰএলৰ্ আশাৰ্ নিমিত্তে ময় এই জিঞ্জিৰি লোৱাৎ
বন্ধিৎ হই আছো । সেই কাৰণে তোমোলাকক্
দেখি কবলৈকে তোমোলাকে মৈতে কথা কবলৈকে
২১ ময় তোমোলাকক্ মাতিলো । তেতিয়া সিবিলাকে
তেঁওৎ কলে আমি যিহুদাহ্ দেশৰ্পৰা তোমাৰ্
কথাৰ্ কাকৎ নে পালো যি ভায়হঁতৎ এথেলৈ আহি
ছিল্ সিহঁতৰ্ মাজৰ্ কোনোএ তোমাৰ্ একো অগৰ্
২২ সৌচিক ন কৰিলে ন কলেও । কিন্তু তোমাৰ্ মনে কি
জৈয়াক্ আমি শুনিব খোজো কিয়নো এনেকৈ সকলে
২৩ থানে দুৰ্ষশম্যা যেন্ জৈয়াক্ আমি জানো । সিবি
লাকে এদিন্ নিশ্চয় কৰিলৎ পাচে ভালেমান্ মানু
হ তেঁওৰ্ বহালৈ আহিল্ সিবিলাকৰ্ আগৎ তেঁও
ঈশ্বৰৰ ৰাজ্যলৈ যিশুলৈ প্ৰাতসৰেপৰা সন্ধিয়া
লৈকে মোশহৰ্ বিধানেৰে আচাৰ্য্য বাক্যেৰে ওপ
২৪ দেশ কৰিলে সাক্ষীও দিলে । তাতে কোনো
কোনোএ সেই কথাৎ আস্তিক্ কৰিলে কোনো
২৫ কোনোএ আস্তিক্ ন কৰিলে । আৰু সিবিলা
কৰ্ অন্যোন্যে বেলেগ্ হ'লৎ পাওলে এই
এটি কথা কলৎ পাচে সমাজ ভাগিল্ সেই কথায়
এই ধৰ্ম্মান্মায় যিশাঈয়াহ্ আচাৰ্য্যৰ্ মুখে আমাৰ্

পিতৃবিলাকক আতি চিকোন কৈ এই কথা কোৱা
২৬ লে। এই মানুহবিলাকৰ ওচৰলৈ গৈ বোলা
হেনে শুনিও তোমোলাকে শুনিবা কিন্তু নুবুজিবা
২৭ আৰু দেখিও দেখিবা কিন্তু বুজি নেপাবা। কিয়নো
এই মানুহবিলাকৰ বুদ্ধি ভোঁতা হৈছে আৰু
সিহঁতৰ কাণ শুনিবলৈ গধুৰ হৈছে আৰু সিহঁতে
আপোনাৰ চকু মুদিছে আৰু পাছে সিহঁতৰ চকুৰে
দেখি কাণেৰে শুনি মনেৰে বুজি ঘূৰিলে মই
২৮ সিহঁতক সুস্থ কৰো। এই হেতুকে ঈশ্বৰৰ
নিস্তাৰ আন দেশী মানুহৰ ওচৰলৈ পঠিয়াইছে সিহঁতে
তাকে শুনিব যেন এই কথায় তোমোলাকৰ কর্ণ
২৯ গোচৰ হওক। তেওঁ এই কথা পাছে যিহুদীহঁতে
গৈ অন্যো অন্যে বৰ দুৰ্ণাদুষণি কৰিব ধৰিলে।
৩০ পাছে কোনেও পাওলক নিষেধ কৰিলত তেওঁ
ঈশ্বৰৰ ৰাজ্য বিদিত কৰি আৰু প্রভু যিশু খ্রীষ্টৰ এটায়
কথা নির্ভয় মনে শিকায় ৰোমতে পূৰে দুবছৰ
৩১ আপোনাৰ ভেৰোণিয়া ঘৰত থাকিল। আৰু যিও
বিলাক তেওঁৰ ওচৰলৈ আহিল সেই এটাইকে
গ্রহণ কৰিলে।—

## ৰোমাণ্ মানুহহক প্ৰতি পাওল্ পাঁচনীৰ্ হ্নাকৎ।—

### ১ প্ৰথম পৰ্ব্ব।—

১ দেহৎ দাওদৰ্ বীৰ্য্যে ওপজা আৰু আপুনি ঈশ্ব
ৰৰ্ পুত্ৰ যেন্ জৈয়াকো পুণ্যাত্মাৰূপে মৃতক্ মানুহৰ্
মাজৰ্পৰা পুনৰুৎথানৰ্ দোৱাৰায় অতিশয় প্ৰমা
ণেৰে প্ৰৌচিক্ হল্ যিবিলাকৰ্ মাজৎ তোমোলাকো
২ য়িশু খ্ৰীষ্টৰ্ নিযোজা হ্নইচা এনে যি সৰ্ব্বদেশী মানুহ
সিহঁতে তেঁওৰ্ নামেৰে যি সঞ্জাতৰ্ লালী মানিবলৈ
৩ আমি যাৰ্ দোৱাৰায় অনুগ্ৰহকে পাঁচনীবাবকে
৪ পাইচো এনে যি ঈশ্বৰৰ্ পুত্ৰ আমাৰ্ প্ৰভু য়িশু খ্ৰীষ্ট
তেঁওৰ্ যি শুভবাৰ্ত্তা ঈশ্বৰে আগেই আপোন্ আচাৰ্য্য
বিলাকৰ্ হ্নযে ধৰ্ম্ম পুথিৎ অঙ্গীকাৰ্ হ্নৰিছিল্ সেই
৫ শুভবাৰ্ত্তা প্ৰৌচিক্ হ্নবলৈ পাঁচনী হ্নবৰ্ কাৰণ
নিযোজা বেলেগ কৰা খ্ৰীষ্টৰ্ বন্দী যি পাওল্ ঈশ্ব
ৰৰ্ যিবিলাক্ স্নেহনীয় নিযোজা পুণ্যৱান্ মানুহ
৬ ৰোমৎ আছে সিবিলাকৰ্ তলৈ সেই পাওলে হ্নাকৎ
৭ লেখে। আমাৰ্ পিতৃ ঈশ্বৰবে প্ৰভু খ্ৰীষ্টৰেপৰা
অনুগ্ৰহে কুশলে তোমোলাকক্ প্ৰতি হোক্।—

৮ প্ৰথমতে তোমোলাকৰ সকলোতৰ বতৰা সকলো
পৃথিৱীৎ কোৱা যায় জৈয়ালৈ ময় তোমোলাকৰ এটা
হৈৰে কাৰণে য়িশু খ্ৰীষ্টৰ দোৱাৰায় আপোন ঈশ্ব
৯ ৰৰ শ্লাঘা কৰোঁ। ঈশ্বৰৰ প্ৰসাদৎ তোমোলাকৰ
ওচৰলৈ আহিবলৈ মোৰ কোনো ৰূপে নিৰ্বিঘ্ন যাত্ৰা
হয় এই প্ৰাৰ্থনা কৰি আপোন প্ৰাৰ্থনাকালৎ ময়
১০ তোমোলাকৰ অৰ্থে সৰ্ব্বদা প্ৰাৰ্থনা কৰোঁ। ময়
তেঁওৰ পুত্ৰেকৰ শুভবাৰ্ত্তা মনে সৈতে যাক সেৱা
কৰোঁ এনে যি ঈশ্বৰ তেঁও জৈয়াৎ মোৰ সাক্ষী আছে।
১১ কিয়নো তোমোলাকক দেখিবলৈ তোমোলাক স্থিৰ
হবলৈ কোনো পাৰমাৰ্থিক সামৰ্থ্য তোমোলাকক
১২ দিবলৈ আৰু তোমোলাকৰো মোৰ সঙ্গাতেৰেই
তোমোলাকে সৈতে শান্ত হবলৈ মোৰ বাঞ্ছা আছে।
১৩ হে ভায়হঁৎ যেনেকৈ আন দেশী মানুহৰ মাজৎ
মোৰ ফল আছে তেনেকৈ তোমোলাকৰ মাজতো
ময় কিঞ্চিৎ ফল পাবলৈ তোমোলাকৰ ওচৰৎ উপ
গত হবলৈ ময় ঘনে২ ঔষ্টা কৰিচোঁ কিন্তু এতিয়ালৈ
কেঁ হেৰৎ পৰিলোঁ তোমোলাকে যে এই কথা ন
১৪ জনা হই থাকা জৈয়াক ময় নো খোজোঁ। ময়
১৫ গ্ৰীক ম্লেচ্ছ এই দুয়োৰো আৰু বিদ্বান্‌হে মূৰ্খহঁতৰে
ধৰুৱা হইচোঁ এয়েৰেই আপোনাৰ শক্ত্যনুসাৰে
ৰোমৎ থকা তোমোলাকৰো ওচৰৎ শুভবাৰ্ত্তা কীৰ্ত্তন
১৬ কৰিবলৈ যুগুৎ হই আছোঁ। ময় খ্ৰীষ্টৰ শুভ
বাৰ্ত্তাৎ লাজুৱা নো হোঁ কিয়নো য়িহুদী গ্ৰীকাদিৰ

যাজৎ যিয়ান্ বিশ্বাসী সিবিলাকৰ্ প্ৰতি সেই
১৭ উদ্ধাৰনিষ্পাদক্ ঈশ্বৰৰ্ প্ৰভাৱ। কিয়নো তাতে
ঈশ্বৰৰ্ ধৰম্ সন্তাভেদে হয় সেই ধৰম্ সন্তাতৰ্
নিমিত্তে প্ৰেচিক্ হই আছে কিয়নো এনে লেখা
১৮ আছে ধৰমীবিলাক সন্তাভেদে জীব। যিবিলাক
মানুহে অধৰম্ বাক্যে সঁচাকে বান্ধি থয় সেইবিলা
কৰ্ এটায় অমেৰ্বাৰে অস্বৰূপ কৰমত বিৰোধে
১৯ ঈশ্বৰৰ্ ঘৃণ সৰগৰ্পৰা বিদিৎ হই আছে। কিয়নো
ঈশ্বৰৰ্ যিং জানিবলগা সেয়ে সিবিলাকৰ্ মাজৎ
বিদিৎ হই আছে যি হেতুকে ঈশ্বৰে তাকে সিবিলা
২০ কক দেখুৱালে। কিয়নো তেঁওৰ্ যিং অদৃশ্য অৰ্থাৎ
তেঁওৰ্ অনন্ত প্ৰভাৱ আৰু ঈশ্বৰালি সেই দৃশ্য
বস্তুৰ্ দোৱাৰায় পৃথিবীৰ্ সৃষ্টি কালৰেপৰা স্পষ্টৰ্
ৰূপে জনা যায় সেই কাৰণে সিবিলাকৰ্লৈ উত্তৰ
২১ কৰাৰ্ বাট ন হয় কিয়নো সিবিলাকে ঈশ্বৰক্
জানি ঈশ্বৰৰ্ নিচিনা তেঁওৰ্ সৎকাৰ্ ন কৰিলে আৰু
স্তোৱকো ন হল্ কিন্তু আপোনাৰ্ আলচ বাৰ্থ ৰূপ
২২ হল্ আৰু আপোনাৰ্ বুলিয়া মন্ অন্ধকাৰময়
হলৎ সিবিলাকে আপোনাকে গিয়ানী বুলি মানি
২৩ অবোধ হল্। আৰু ক্ষয়গায় মানুহৰে চৰাইৰে চাৰি
ঠেঙ্গিয়াৰে সাপৰে জন্তুবিলাকৰে নিচিনা মূৰ্ত্তিতে
২৪ অক্ষয় ঈশ্বৰৰ্ শক্তি আৰোপণ কৰিলে। এই নিমি
ত্তে যিবিলাকে মানুহে ঈশ্বৰৰ্ বাক্যৰ্ সত্যৰ্ শলনী
২৫ মিচা বাক্য গ্ৰহণ কৰিলে আৰু যি জন্ মহিমানন্দ

আমেন সেই সৃষ্টিকৰ্ত্তাৰ ভজনৰে সেৱাৰেপৰা
সৃজা বস্তুৰ ভজনে সেৱায় কৰিলে সিবিলাকে আ
পোনাৰ মনোভিলাষিতেৰে আপোনাৎ শৰীৰৰ অন্যো
অন্যে অভৰম কৰে এই নিমিত্তে ঈশ্বৰে নীচ কৰ্ম্ম
২৬ তে সিহঁতক এড়ি দিলে। এই কাৰণেও ঈশ্বৰে
সিহঁতক অধীম চেনেহেৰে এড়ি দিলে কিয়নো
সিহঁতৰ তিৰোতাহঁতেই স্বাভাৱিক নীতি তিয়াগ
২৭ কৰি দুৰাচাৰ কৰিলে। পুৰুষবিলাকে তিৰীৰ
সংসৰ্গ তিয়াগ কৰি পুৰুষে পুৰুষে অসৎ কৰ্ম্ম কৰি
অন্যোঅন্যে কামৎ জলিৎ হল আৰু আপোনাৎ
২৮ ভৰমৰ সমুচিৎ ফল পালে। কিয়নো যেনেকৈ
সিহঁতে আপোনাৰ স্মৰণতে ঈশ্বৰক ৰাখিবলৈ
২৯ যতন ন কৰিলে তেনেকৈ সিহঁতে এটায় অপাৰমা
ৰ্থ্যেৰে ব্যভিচাৰেৰে দৌৰ্জন্যেৰে লোভেৰে কুমতিৰে
ভৰপূৰ হই আৰু যিয়ালেৰে বধেৰে বিৰোধেৰে
৩০ ভণ্ডনাৰে কুটিলতাৰে ভৰি পৰি আৰু ফুচ্ফুচিয়া টুটু
৩১ কিয়া ঈশ্বৰদ্বিনোৰা যিয়লিয়া গৰ্ব্বী আত্মশ্লাঘী কুক
ৰ্ম্মোৎপাদক পিতৃ মাতৃক ন মানা অজ্ঞান নিয়ম
৩২ ভঙ্গা স্বাভাবিক স্নেহৰহিৎ নিৰ্দয়ী নিৰ্ম্মায় হই
কৰিবলগা কৰম কৰিবলৈ ঈশ্বৰে সিহঁতক হীন
মতিৰে এড়ি দিলে।

পৰ্ব্ব যিৎবিলাকে এনে কৰম কৰে সিহঁত মৰা সি
২ হঁতে ঈশ্বৰৰ এই শোদ্ধি জানে কেৱল আপুনি এই
কৰম কৰে এনে ন হয় কিন্তু এনে কৰম কৰাহঁত

৩ তো সন্তুস্ত হয়। এই হেতুকে হে শোধৌঁতা মানুহ
যি কোনো হোৱা তোলৈ উত্তৰ কৰাৰ বাট্ ন হয়
কিয়নো তয় শোৰেৰে আনক্ জগৰিয়া কৰি সেই
কথাতে আপোনাকে দ্রোহী কৰিছ যি হেতুকে হে
৪ শোধৌঁতা তয় আপুনি সেই কৰম্ কৰিছ। কিন্তু এনে
কৰম্‌কৰোঁতালোকৰ্ বিৰুদ্ধে ঈশ্বৰৰ্ যি শোধ্ সেয়ে
সত্যতানুসাৰে আছে যেন্ জৈয়াক্ আমি জানো।
৫ হে মানুহ তয় এনে কৰমকৰোঁতালোকৰ্ শোধ্ কৰি
আপুনি যেদি সেই বন্ কৰ তেবে তয় ঈশ্বৰৰ্
শোধৰ্‌পৰা ৰক্ষা পায় জীবি যেন্ জৈয়াকে নিশ্চয়
৬ কৰিছ নে। বা ঈশ্বৰৰ্ ক্ষমায় তোক্ মন পালটা
বলৈ ওদগায় তয় জৈয়াকে নেজানি তেওঁৰ্ দয়াৰূপ্
৭ ধনকে ক্ষেমাকে বহুকাল্ সহিষ্ণুতাকে জৈতিকিং-
৮ কৰিছ নে। যিবিলাকে সহিষ্ণু হুই নিত্তৌ সুকৰ্ম্ম
কৰোঁতেই মোক্ষকে সৎকাৰকে অমৃততাকে বিচাৰে
সেইবিলাকক্ অনন্ত আয়ু কিন্তু যিবিলাক্ বিবাদী
সত্যতাকো নে মানে কিন্তু অসুৰূপ্ কৰ্ম্ম মানে যিহু
দীকে আদি কৰি অন্য দেশী যিমান কুকৰ্ম্মকাৰী
৯ সিহঁতক্ তাড়না আও দুঃখ যাতনাৰূপ্ ফল্। কিন্তু
যিহুদীকে গ্ৰীককে আদি কৰি আৰু যিমান্ সুকৰ্ম্ম
কাৰী মানুহ সিবিলাকক্ সুকৃতি সৎকাৰ্ কুশল
১০ ৰূপ্ ফল্ এনেকৈ সদৌকে স্বকৰ্ম্মৰ্ ফল্ দিব এনে
যি ঈশ্বৰ্ তুমি তেওঁৰ্ আও সুৰূপ্ শোধি পৌঁচিহ

কৰা দিনলৈকে আপোনাৰ্ টান্ অনন্তুতাপী মনৰ
১১ নিচিনা আপোনালৈ খঙ সাঁচিছানে। কিয়নো ঈশ্বৰে
১২ মৈতে পক্ষপাত ন হয়। যি দিনা যিশু খ্রীষ্টৰ্ দোৱা
ৰায় ঈশ্বৰে শুভবার্ত্তাৰ্ নিচিনাকৈ মানুহৰ্ গুপ্ত
১৩ কর্ম্মৰ্ শোধ্ কৰিব সেই দিনা যিবিলাকে শাস্ত্ৰ
বর্জ্জিত হই পাপ কৰিছে সেইবিলাকৰ্ বিনাশ্ শাস্ত্ৰ
এড়ি হব আৰু যিবিলাকে শাস্ত্ৰপ্ৰাপ্ত হই পাতক্
১৪ কৰিচে সেইবিলাকৰ্ শোধ্ শাস্ত্ৰৰ্ মতে হব। কিয়নো
শাস্ত্ৰ শুনুৱী সকল পৰমার্থিক্ ৰূপে গণ্য ন হয় কিন্তু
১৫ শাস্ত্ৰাৰ্থাচাৰী সকল্ পৰমাৰ্থিক্ বুলি গণ্য হব। যিবি
লাকৰ শাস্ত্ৰ নায় এনে যি অন্যদেশী মানুহ সিহঁত
১৬ যেতিয়া আপোনাৰ্ বাহ্যৰে শাস্ত্ৰৰ্ মতে কৰ্ম্ম কৰে
তেতিয়া সিহঁতে আপোনাৰ্ মনতে লেখা শাস্ত্ৰৰ্
কর্ম্ম প্ৰেচিক্ কৰিলে আৰু সিহঁতৰ্ মন্ প্ৰমাণ্
কৰি সিহঁতৰ্ মনৰ্ অন্যোন্যে দোষ বা হেতুবাদ
কৰিলে শাস্ত্ৰপ্ৰাপ্ত ন হই আপোনাৰ্ শাস্ত্ৰ আপুনি
১৭ হয়। দেখা তুমি যিহুদী আৰু শাস্ত্ৰতো বিশ্বাস্
কৰিছা আৰু ময় ঈশ্বৰৰ অনুগৃহীত এই দম্ভ কথা
১৮ কৈছা আৰু শাস্ত্ৰজ্ঞানী হই তেওঁৰ্ মনোভিলষিতো
জানিছা আৰু অত্যুত্তম্ কার্য্য বিবেচনা কৰিছা আৰু
১৯ আন্ধলা মানুহৰ্ পথ দেখুওৱা এন্ধাৰত থকাবিলা
কৰ্ পহৰ্ অগিয়ান্বিলাকৰ্ অধ্যাপক্ লৰাহঁতক্
২০ শিখোৱা হইআছা আৰু জ্ঞানৰে শাস্ত্ৰৰে সত্য

তাৰূপ্ আকাৰ্ যি তোমাৰ্ আছে এইবিলাকৎ
২১ নিঃসংশয় হুইছা। এই হেতুক্ হে পৰক্ শিযোৱা
২২ তুমি আপোনাক্ নিশিযোৱালে হে পৰ্ স্ত্ৰীগমন্
নিষেধ্ কৰা তুমি পৰ স্ত্ৰীগমন্ কৰা নে হে দেৱ
তাক ঘিনোৱা তুমি ঈশ্বৰে দিয়া বেহানিক সামান্য
২৩ ৰূপে ব্যৱহাৰ কৰানে। হে শাস্ত্ৰজ্ঞানেৰে দৰ্পিত তুমি
২৪ শাস্ত্ৰোল্লঙ্ঘনেৰে ঈশ্বৰৰ্ অপমান কৰানে ! কিয়নো
যেনে লেখা আছে অন্য দেশীহঁতৰ্ মাজৎ ঈশ্বৰৰ্
নাম তোমোলাকৰ্ দোৱাৰা সামান্য ৰূপে ব্যৱহাৰ্
২৫ হুইছে। যেদি তয় শাস্ত্ৰ পাল তেবে তোৰ্ চেলকটাৰ
ফল্ হয় কিন্তু শাস্ত্ৰোল্লঙ্ঘক হলে তোমাৰ্ চেলকটা
২৬ অচেলকটা হুই গল্। এই হেতুক্ চেলকটিয়ায় যেদি
শাস্ত্ৰৰ্ বিৰম্ পালে তেবে তাৰ নকটাচেলকে কটাচে
২৭ লকৈ মনা নে যাবনে। তুমি অক্ষৰ চেলকটা আতি
মানী হুই শাস্ত্ৰোল্লঙ্ঘন্ কৰিছা এই হেতুক্ স্বাভা
বিক্ যি চেল্ ন কটা সেয়ে যেদি শাস্ত্ৰৰ্ বিৰম্ পালে
তেবে শোৰেৰে সি তোমাৰ্ দোষ্ নিশ্চয় ন কৰিব
২৮ নে। কিয়নো বাজৰ্ য়িহুদী সি য়িহুদী ন হয় আৰু
২৯ যি মঙহৰ্ চেল্কটা সি চেলকটা ন হয় কিন্তু অন্তৰৰ্
যি সি য়িহুদী আৰু মনৰ্ যি চেলকটা অক্ষৰৰ্ নিচিনা
ন হয় কিন্তু আত্মাৰ্ নিচিনা, যাৰ্ যশংসা মানুহৎ
নায় কিন্তু ঈশ্বৰৰ্ পৰা হয় সেই চেলকটা।

পৰ্ব্ব তেবে য়িহুদীৰ্ কি লাভ চেলকটাৰ বা ফল্ কি সৰ্ব্ব
৩ পুকাৰে ভালেমান্ আদিতে এই ঈশ্বৰৰ্ অমোঘ বাক্য

৩ মিহঁতৰ্ হাতৎ দিয়া গল্। কিয়নো মিহঁতৰ্ মাজতে
কোনো কোনো২ যেদি মঙ্গাত ন কৰিলে তেবে
ঈশ্বৰৎ যি মঙ্গাতী মিহঁতৰ অমঙ্গাত সেই মঙ্গা
৪ তক্ জানো বিফল্ কৰিব পাৰে। সেয়ে নো হোক্
যেনেকৈ ঔয়ো লেখা আছে তুমি আপোন বাক্যতে
পৰমাৰ্থিক্ মান্য হোৱা আৰু শোধিৎ হই হক্
ওৱা এই নিমিত্তে ঈশ্বৰ্ সত্যবাদী হুঁলি সদো
৫ মানুহ মিচলিয়া হুঁলি মান্য হোক্। কিন্তু আমাৰ্
অপাৰমাৰ্থ্য যেদি ঈশ্বৰৰ্ পাৰমাৰ্থ্য শ্লাঘা কৰে তেবে
আমি কি হুঁলিম্ প্ৰতিফল্ দিয়োতা ঈশ্বৰ্ অপাৰ
৬ মাৰ্থিক নে ময় মানুহৰ্ নিচিনা কৈ কঁও। সেয়ে
নো হোক্ সেয়ে হলে ঈশ্বৰে জগতৰ্ শোধ কৰিব
৭ কেনেকৈ কিয়নো ঈশ্বৰৰ্ শ্লাঘাৰ্ নিমিত্ত মোৰ্ যি মিচা
কথা সেই কথাৰ্ দোৱাৰায় যেদি ঈশ্বৰৰ্ সত্যতা
আৰু সৰহকৈ বিয়াপি থাকে তেবে ময় পাতক্ কৰো
৮ তাৰ্ নিচিনাকৈ কিয় শোধিৎ হোঁ। আৰু আহাঁ
ভালৈলৈ আমি কুকৰ্ম্ম কৰোঁ এই কথা যে আমি কঁও
যি বিলাকৰ্ নৰক্ যাতনা পাবলগা ওচিৎ এনে যি
কোন২ মানুহ মিহঁতে আমাৰ্ অপবাদক্ অৰ্থে
দচায় যি বোলে বৰং আমি সেই কথানুসাৰে
৯ শোধিৎ নো হোঁ কিয়। তেবে আমি মিহঁতৎকৈ শ্ৰেষ্ঠ
নোহোঁ সেয়ে কোনো ৰূপ ন হয় কিয়নো যিহুদী২
অন্যদেশী মানুহে এটাৰ যি পাতকৰ্ অধীন হইছে
১০ এই প্ৰমাণ আমি আগেই দিছো। যেনেকৈ এয়ে

লেখা আছে পরমার্থিক কোনো ন হয় এটাও ন হয়
ইঙ্গিতজ্ঞ কোনো ন হয় ঈশ্বরবিচরা কোনো ন হয়।
১১ এটাই মানুহে বাট এড়ি গল্ সিইঁৎ এটাই অকার্য্য
১২ ভাগী হল্ সুকর্ম্ম করোঁতা কোনো ন হয় এটাও ন
১৩ হয়। সিইঁতর ডিঙ্গির নলী অকলি মৈদামর নিচিনা
সিহঁতে জিবারে ভণ্ডনা করিছে সিইঁতর ওঠর এপা
১৪ বৎ গোম্ সাপর্ বিষ আছে। সিইঁতর মুখ গালি
১৫ পরাকর তিতারে ভরা। সিইঁতর ভরি তেজ ওলিয়া
১৬ বলৈ বেগাল। সিহঁতর গতিতে নাশে অমঙ্গলে
১৭ থাকে। কুশলর বাট সিইঁতে নে জানে ঈশ্বরলৈ ভয়
১৮ সিইঁতর গোচরে একো নায়। শাস্ত্রে যি বোলে
সেয়ে সেহো অধ বক্তিৎ অবলৈ থাকে সর্ব্ব জগৎ
ঈশ্বরর আগৎ অপরাধী অবলৈ শাস্ত্রর অধীন্
১৯ মানুহর বোলে ঊয়াক্ আয়ি জানো। এই
হেতুক শাস্ত্রর কর্ম্মরে কোনো প্রাণী তেঁওর চকুর
২০ গোচরৎ নির্দ্দোষী হুলি গণা নে যাব কিয়নো
২১ শাস্ত্রৎ পাতক বোধ হয়। কিন্তু এতিয়া ঈশ্বরর
যি ধর্ম্ম শাস্ত্র ব্যতিরেকে আছ সেই ধর্ম্মেই
শাস্ত্রে আরু আচার্য্যবিদাকরর বচনতে সম্মান্
২২ অই প্রেচিক অইছে। অর্থাৎ ঈশ্বরর যি ধর্ম্ম
যিশু খ্রীষ্টৎ সত্ত্বাভতে সত্ত্বাৎ করোঁতা সকলর
খানতে সত্ত্বাৎ করোঁতা সকলর ওপরতে আছে
২৩ কিয়নো একো বিশেষ নে থাকে। যি হেতুকে

এটায়ে পাতক্ করিছে আৰু ঈশ্বরৰ্ মহিমা প্রাপ্তি
২৪ বৎ নূন করিছে। পূর্ব্বে করা পাতক্ ঈশ্বরৰ্ সমাতে
যিশুৰ্ দোৱাৰায় তেঁওৰ্ বিবম্ প্রেচিক্ করিবলৈ
২৫ তেঁও যি পৰমার্থিক্ আৰু যি যিশুৎ সঙ্গাৎ করে তাৰ্
২৬ নির্দোষী কৰোতা হয় তেঁওৰ্ এই বির্ম্ম এই কালৎ
প্রেচিক্ করিবলৈ যিহকে তেঁওৰ্ তেজৰ্ দোৱাৰায়
ঈশ্বৰ্ সন্তোষক্ বলি হবলৈ নিযোজন্ করিছে যি
যিশু খ্রীষ্ট তেঁওৰ্ দোৱাৰায় যি মুক্তি তদ্দোৱাৰায়
আমি ঈশ্বরৰ্ অনুগ্রহৎ বিনা মোলে নির্দোষী হই
২৭ ছে। তেবে গর্ব্ব করিবৰ্ ঠাই কৎ সেয়ে বহি
স্কৃত হই আছে কোনো শাস্ত্রৎ কর্ম্মৰ্ সি ন
২৮ হয় কিন্তু সঞ্জাৎ শাস্ত্রৎ। এই হেতুক যি শাস্ত্রৰ্
কর্ম্মক্ ব্যতিৰেকে প্রতীতিৰ্ দোৱাৰায় মানুহ্
নির্দোষ করা হয় এয়াৰে নিশ্চয় আমি করো।
২৯ তেঁও যিহুদীহঁতৰ্ কেৱল ঈশ্বৰ্ নেতেঁও অন্য দেশী
হঁতৰ্ ঈশ্বৰ্ ন হয় নেতেঁও অৱশ্যক্ অন্যদেশী
৩০ হঁতৰ্ ঈশ্বৰ্ আছে। যেয়ে চেল্কটিয়াহঁতক
সঞ্জাততে অচেল্কটিয়াহঁতৰ্ সঞ্জাতৰ্ দোৱাৰায়
৩১ নির্দোষী করিলে তেঁও এক্ ঈশ্বৰ্। এই হেতুক
আমি সঞ্জাতৰ্ দোৱাৰায় শাস্ত্র যে ব্যর্থ করো সেয়ে
নো হোক্ বৰং আমি শাস্ত্রে স্থিৰ্ করোঁ।—

পর্ব্ব তেবে শৰীৰৰ্ অর্থে আমাৰ্ গোত্র যি অবৰা
৪ হাম্ যি পাইছে সেয়ে কি তাৎ আমি কি কুলিম্।
কিয়নো অবৰাহাম্ যেদি কর্ম্মৰ্ দোৱাৰায় নির্দোষী

২ কৰা হলেউঁহ্ তেবে উঁওৰ্ গর্ব্ব কথা কোৱাৰ কাৰণ
হলেনে কিন্তু ঈশ্বৰৰ্ আগৎ উঁওৰ্ গর্ব্ব কথা
৩ কোৱাৰ্ কাৰণ ন হয়। কিয়নো ধৰ্ম্মপুথিৎ কি
বোলে অবৰাহামে ঈশ্বৰৎ সাঞ্জুৎ কৰিলে আৰু
৪ সেই সঞ্জাৎ ধৰ্ম্ম স্বৰূপ্ উঁওক্ প্ৰতি গণিজিল্। যি
কৰ্ম্ম কৰে উঁওৰ্ কোৰ্যৰৎ ফল্ অনুগ্ৰহপৰা দিয়া
৫ ফলৰ্ মাজৎ গণা নে যায় কিন্তু ঋণৰ্পৰা। কিন্তু
যিবিলাকৰ্ অপাৰমাৰ্থৰ্ মৰ্ষণ্ হল্ আৰু যিবিলাকৰ্
পাতক্ আচ্ছাদিৎ হইআছে সেইবিলাক্ ধন্য আৰু
৬ যাৰ্ পাতক্ ঈশ্বৰে লেখাৎ ন গণিব উঁও ধন্য যে
৭ নেকৈ দাঊদে এই কথা কৈ যি মানুহৰ লেখাৎ ঈশ্বৰে
কৰ্ম্মক্ ব্যতিৰেকে ধৰ্ম্মী গণে সেই মানুহৰ আশী
৮ ৰ্ব্বাদৰ বৰ্ণনা কৰে। তেনেকৈ যি কৰ্ম্ম ন কৰে কিন্তু
যি জনে অসেবক্কিয়াহঁতক্ নিৰ্দ্দোষী কৰে তাতে সঞ্জাৎ
৯ কৰে উঁওৰ্ সঞ্জাৎ ধৰ্ম্ম হুলি গণা যায়। তেবে
এই আশীৰ্ব্বাদ কেৱল চেল্কটাহঁতৰ ওপৰলৈ
কে আছে বা অচেল্কটিয়াহঁতৰ্ ওপৰলৈ কো
আছে কিয়নো আমি কওঁ যি সঞ্জাৎ অবৰাহামক্
১০ প্ৰতি ধৰ্ম্ম হুলি গণিত হইজিল্। তেবে সেয়ে কেনে
তাৰ্ চেল্কটিয়া হোৱা বা অচেল্কটিয়া হই থকা
১১ কালৎ অচেল্কটা কালৎ ন হয় কিন্তু চেল্কটা
কালৎ আৰু যেতেক্ মানুহে পতীয়ায় সিহঁতো
যেদি অচেল্কাটিয়া হয় ধৰ্ম্ম সিহঁতক প্ৰতিও গণা
১২ যায় এই কাৰণে উঁও সিহঁতৰ্ গোত্ৰ হয় এই কাৰণে

আৰু যিবিলাক কেৱল্ চেল্কটিয়া ন হয় কিন্তু
অচেল্কটিয়া হুই থকা কালত আমাৰ্ গোত্ৰ
আব্ৰাহামৰ্ যি সঙ্কাৎ আছিল্ সেই সঙ্কাতৰ্
ভৰিৰ্ চিনত গতি কৰে সিহঁতকো প্ৰতি চেলকেটিয়া
গোত্ৰ যি হয় এই নিমিত্তেও অচেল্কটিয়া থাকি
তেঁওৰ্ যি সঙ্কাৎ আছিল্ সে ঐ সঙ্কাৎ কৰ্ বিশ্বাৰ্
১৩ মোহৰ্ ৰূপে তেঁও চেল্কটা কৰ্ চিন্ পালে। কিয়নো
অব্ৰাহাম্ শাস্ত্ৰৰ্ কৰ্ম্মৰ্ দোৱাৰায় জগদাধিকাৰ
হব এই অঙ্গীকাৰ্ তেঁওকে ও তেঁওৰ্ সন্ততিকে
প্ৰতি দিয়া ন গল্ কিন্তু প্ৰতীতিৰূপ্ বিশ্বাস্ দোৱাৰায়।
১৪ কিয়নো শাস্ত্ৰৰ্ কৰ্ম্ম কৰ্ম্মীহঁত জিহিলাহঁত যেদি
অধিকাৰ্ হয় তেৱে সঙ্কাৎ বৃথা অঙ্গীকাৰো নিৰৰ্থক্
১৫ কৰা যায়। শাস্ত্ৰে দণ্ড জনমায় কিয়নো যত্তে
শাস্ত্ৰ ন হয় তত্তে শাস্ত্ৰোল্লঙ্ঘন্ ন হয় সেই হে
তুক ফল অনুগ্ৰহ দোৱাৰায় হোৱাৰ নিমিত্তে সে
১৬ সঙ্কাতৰ পৰা হয়। যি অঙ্গীকাৰ্ সমুদায়
বংশক্ প্ৰতি স্থিৰ্ হয় যি বংশ শাস্ত্ৰানুসাৰে হয়
তাক্ প্ৰতি কেৱল্ ন হয় কিন্তু তোমাক্ তালে
মান্ দেশীহঁতৰ্ আদিপুৰুষ ময় কৰিছোঁ যেনেকৈ
১৭ এই কথা লেখা হুইছে তেনেকৈ মৃতক মানুহ
বিলাকক্ প্ৰাণ দান্ কৰে আৰু যিং বেহানি ন হয়
সেই বেহানি হলে যেনেকৈ তাকে প্ৰখ্যাত কৰিলে
১৮ হেঁতেন্ তেনে কৰে যি ঈশ্বৰে উঁওৰ আগতে যি
হুন আমাৰ্ এটাইৰে বীজ পুৰুষ এনে যি অব্ৰাহাম

উঁএৰ্ প্ৰতীত্যনুসাৰে যি বংশ হইছে তাৰ্ প্ৰতি
ও অঙ্গীকাৰ্ স্থিৰ্ হবলৈ সেই ফল অনুগ্ৰহৰ্
১৯ দোৱাৰায় হবলৈ সন্তুতিতে হয়। তোমাৰ্ বংশ
তেনে হব এই যি কথা লেখা আছে উঁও উদৰ
সাঃৰ বহুদেশী মানুহৰ্ আদিপুৰুষ হব এই আশ
য়ে আশাৰ্ বিৰোধে আশা কৰি পতীয়ালে। তেও
সন্তুতিৎ ক্ষীণ ন হই আপুনি এশ বৎসৰিয়া মান
হলৎ আপোন মৃতকল্প শৰীৰলৈকে শাৰইৰ্ জৰা
২০ যুৰ্ শুষ্কতালৈকে মন্ ন কৰিলে। উঁএৰ্ অনাস্থ
কৰ্ দোৱাৰায় ঈশ্বৰৰ্ অঙ্গীকাৰৎ সংশয়াপন্ন ন
২১ হল্ কিন্তু ঈশ্বৰৰ্ মহিমা প্ৰচাৰিক্ কৰি আৰু উঁও
যি অঙ্গীকাৰ্ কৰিছিল তাকে সিদ্ধ কৰিব পাৰে
২২ ঈয়াতে সংশয়াপন্ন ন হই সন্তুষ্ট বলী আছিল্ সেই
কাৰণে ধৰ্ম্ম স্বৰূপ্ সেই সন্তুত উঁএক্ প্ৰতি গণা
২৩ গল্। সেয়ে উঁএক্ প্ৰতি গণাগল্ এয়ে কেৱল্ উঁএৰ
কাৰণে লেখা হল্ এনে ন হয় কিন্তু যেয়ে আমাৰ্
পাতকৰ্ কাৰণ্ শাস্তি পাবলৈ সোম্পা হইছিল্
২৪ আৰু আমাক্ নিৰ্দোষী কৰিবলৈ পুনৰুত্থাপিৎ হই
ছিল্ এনে যি আমাৰ্ প্ৰভু যিশু খ্ৰীষ্ট উঁওকে যেয়ে
মৃত মানুহৰ্ মাজৰ্ পৰা তুলিলে আমি যেভি তাকে
পতীয়াঁও তেৱে আমাক্ প্ৰতি গণিবলৈ সেয়ে আমাৰ
নিমিত্তে লেখা আছিল্।—

পৰ্ব্ব এই হেতুক্ আমি সন্তুতেৰে নিৰ্দোষী হলৎ যাৰ্
১ দোৱাৰায় যি অনুগ্ৰহৎ স্থায়ী হইছো সেই আৰু

২ গুণৎ সত্তাতৰ্ দোৱাৰায় সোমায় আৰু ঈশ্বৰৰ
৩ সুখ পোৱা আশাতে আনন্দ কৰো এনে যি আমাৰ্
প্ৰভু যিশু খ্ৰীষ্ট তেওঁৰ দোৱাৰায় ঈশ্বৰে সৈতে
৪ আমাৰ্ মিল্ হয়। আৰু এয়ে কেৱল্ এনে ন
হয় কিন্তু দুঃখে যি সহনশীলতা জন্মায় সহনশীল
তায় যি আট্কাল জন্মায় আট্কাল যি আশা জন্মা
৫ য় আশা সঙ্কোচিৎ যি ন কৰে কিয়নো আমাক্ দিয়া
যি ধৰ্ম্মাত্মা তাৰে ঈশ্বৰৰ্ চেনেহ আমাৰ্ মনৎ
৬ সৰ্ব্ব প্ৰকাৰে পড়িছে এই বিলাকক জানি আমি
বিৰুদ্ধ অৱস্থাৎ সাহসিক্ হোঁ। কিয়নো আমাৰ্
সামৰ্থ্যৰহিৎ হোৱা কালৎ ওচিৎ সময়ৎ খ্ৰীষ্ট
৭ অসেৱকিয়াইঁতৰ্ কাৰণ মৰিল্। সাধু মানুহৰ্
কাৰণ্ প্ৰায় কোনো ন মৰিব তথাচ শুভ কৰোতো
মানুহৰ্ কাৰণ্ কোনো মৰিবলৈ কদাচিত সাহসিক্
৮ হব পাৰে। কিন্তু যি কালৎ আমি পাপিষ্ঠ আছিলো
সেই কালতে খ্ৰীষ্ট আমাৰ্ কাৰণ মৰিল্ জৈয়াতেই
ঈশ্বৰে আমাক্ প্ৰতি আপোন্ চেনেহ বাখানিলে।
৯ এই হেতুকে আমি এতিয়া তেওঁৰ্ শোনিতেৰে নিৰ্দোষী
হই তেওঁৰ্ দোৱাৰায় খঙৰ্পৰা ততোধিক্ ওদ্ধা
১০ ৰিৎ হম্। কিয়নো আমি শত্ৰু হই যেদি সেই কালৎ
ঈশ্বৰৰ্ পুত্ৰৰ্ মৃত্যুতে তেওঁৰে সৈতে মিল্ আছিলোঁ
ততোধিকো মিল্ হই আমি তেওঁৰ্ জীৱনৎ তৰণী
১১ পাম। আৰু সেয়ে কেৱল্ এনে ন হয় কিন্তু যাৰ্
প্ৰসাদাৎ আমি প্ৰায়শ্চিত্তৰ ফল্ এতিয়া পাইছো

সেই আমাৰ প্ৰভু যিশু খ্ৰীষ্টৰ দোৱাৰায় আমি
১১ ঈশ্বৰতো সাহসিক হোঁ। এই নিমিত্তে যে নকে
এটাৰ দোৱাৰায় পাতক জগৎ সোমায় আৰু
পাতকৰ দোৱাৰায় মৃত্যু আৰু তাতে এটায় পাতক
১৩ কৰাহেতু মৃত্যু এটাইৰে ওপৰলৈ আহিল। কিয়নো
শাস্ত্ৰ পুৰ্ব্বলৈকে পাতক জগতত আছিল কিন্তু যৎ
১৪ শাস্ত্ৰ নায় তৎ পাতক গণ্যনে যায়। যাৰ আগ
মন হ্ৰবলগা তেঁওৰ ওপমা যি আদম তেঁওৰ পাতকৰ
নিচিনা যিবিলাকে পাতক ন কৰিছিল সেইবিলাকৰ
ওপৰৎ আদমৰেপৰা মোশহলৈকে মৃত্যু ৰাজ্য
১৫ কৰিলে। কিন্তু যেনেকৈ অবিঃপতন তেনেকৈ
বিনা মোলে দান ন হয় কিয়নো একৰ পতনৎ যেদি
বহুত মৰে তেবে ঈশ্বৰৰ অনুগ্ৰহৎ যি দান
সেয়ে একৰ দোৱাৰায় অৰ্থাৎ আমাৰ প্ৰভু যিশু
খ্ৰীষ্টৰ দোৱাৰায় সেই দান ততোধিক ভালেমানক
১৬ প্ৰতি আগলিক্কা আছে। আৰু এক পাতকাৰ
দোৱাৰায় যেনে আছিল দান তদ্ৰূপ ন হয়
কিয়নো এক দোষৰ দোৱাৰায় শাস্তি দিয়ালৈকে
সোৰ্দ্ধ আছিল কিন্তু বিনা মোলে যি দান সেয়ে ভালে
মান দোষৰ নাশাবলৈ পৰমাৰ্থিকীকৰালৈকে আছে।
১৭ কিয়নো একৰ দোষৰ দোৱাৰায় মৃত্যুএ একৰ দোৱাৰায়
ৰাজ্য কৰিলে তেবে যিবিলাকে অনুগ্ৰহৰ বাহুল্য পাৰ
মাৰ্থ ক্ৰ্ণ দান পায় সেইবিলাক কাৎকৈ অধিক
একৰ দোৱাৰায় অৰ্থাৎ যিশু খ্ৰীষ্টৰ দোৱাৰায় জীৱ

১৮ নৎ ৰাজ্য কৰিব। এই হেতুক যেনেকৈ একৰ
পতনতে এটায় মানুহৰ শাস্তি দিয়াটৈলৈকে গোট হল্
তেনেকৈ একৰ্ ধৰ্ম্মতে সকলোৰ্ নিৰ্দ্দোষীকৰাটৈলে
১৯ কে বিনা মোলে দান এটাইলৈকে আছিল্। কিয়নো
যেনেকৈ এটাই জুনৰৰ্ আজ্ঞা ন মনাতে ভালেমান
পাতকী কৰা হল্ তেনেকৈ এজনে জুৰৰ্ আজ্ঞা
২০ মনাতে ভালেমানকো নিৰ্দ্দোষী কৰা হব। দোষ
সৰহ হবলৈ শাস্ত্ৰ সোমাল্ কিন্তু যেনেকৈ
মৃত্যুলৈকে পাতকে ৰাজ্য কৰিছিল্ তেনেকৈ পাৰ
মাৰ্থিব্ দোৱাৰায় অনন্ত আয়ুলৈকে আমাৰ্ প্ৰভু
যিশু খ্ৰীষ্টৰ্ দোৱাৰায় অনুগ্ৰহে ৰাজ্য কৰে এই
নিমিত্তে যতে পাতকৰ্ বাহুল্য আছিল্ তাতে অনু
গ্ৰহৰ্ ততোধিক বাহুল্য আছিল্।—

পৰ্ব্ব তেবে আমি কি কৈলিম্ অনুগ্ৰহৰ্ বাহুল্য হবলৈ
৬ আমি পাতক্ আচৰিম নে সেয়ে নোহোক্। পাতকৰ
প্ৰতি মৰা যি আমি কেনেকৈ আমি তাতে আচ
৩ ৰিম্। তোমালোকে জানা নে আমাৰ্ মাজৎ যি
মান্ মানুহ খ্ৰীষ্টৎ ডুবুৰা হইছিল তিমান্ মানুহ
৪ তেওঁৰ্ মৰণৎ ডুবিছিল্ এই হেতুক যেনেকৈ পিতাৰ্
শক্তিৰ খ্ৰীষ্ট মৃত্যুৰ পৰা উৎথানিৎ হইছিল
তেনেকৈ আমি ও নৱান্ আচাৰ এইলো এই নিমিত্তে
তেওঁৰ্ মৰণৎ ডুবাতেই তেওঁৰ্ সৈতে মৈদামৎ
৫ গোৰুাহোঁ। যেদি তেওঁৰ্ মৰণৰ্ নিচিনাকৈ একে
লগে আমি ৰোৱা হইছিলো তেবে তেওঁৰ্ পুনৰুৎ

৬ থান্ ৰূপে হ্বব । কিয়নো আমি জৈয়াৰ্ পাচে পাত
কৰ্ আশ্ৰয় ন কৰিবলৈ পাতকময় দেহ নষ্ট হ্ববৰ্
নিমিত্তে আমাৰ্ পূৰণি মানুহ তেঁৰে সৈতে ক্রুশৎ
৭ হত হল্ জৈয়াক্ আমি জানোঁ। কিয়নো যেয়ে
৮ মৰিচে সেয়ে পাতকৰ্পৰা মুক্তৎ। এতিয়া আমিও
যেদি খ্রীষ্টসৈতে মৃত হোঁ তেবে খ্রীষ্ট মৃত্যুৰ্পৰা
ওঠাৰ্ হ্বই আৰুও ন মৰে তেঁওৰ্ ওপৰৎ মৃত্যুহে
৯ আধিপত্যনায় জৈয়াক্ জানি আমি তেঁৰে সৈতে জীয়
১০ জৈয়াতে আস্তিক কৰো। কিয়নো তেঁও যি মৰিল্
সয়ে এই তেঁও একেলি পাতকক্ প্ৰতি মৰিল্ কিন্তু তেঁও
১১ যি জীয়ে সেয়ে এই তেঁও ঈশ্বৰক্ প্ৰতি জীয়ে। তো
মোলাকো পাতকক্ প্ৰতি নিশ্চয়ে মৰা কিন্তু আমাৰ্
প্ৰভু যিশু খ্রীষ্টৰ্ দোয়াৰায় ঈশ্বৰক্ প্ৰতি জীয়া
১২ আপোনাকে একেকে গিয়ান্ কৰিবা। এইহেতুক্
পাতকৰ্ যি অভিলাষৎ তদনুসাৰে তোমোলাকে তাকে
নে মানিবলৈ তোমোলাকৰ মৰিবলগা দেহৰ্ পাত
১৩ কক্ আধিপত্য কৰিব নিদিবা। আৰু আপোনাৰ্
অঙ্গো পৰমাৰ্থক্ কৰ্ম্ম কৰা অস্ত্ৰৰ নিচিনাকৈ পাত
কক্ নিদিবা কিন্তু যিবিলাকে মৃত্যুৰ্পৰা প্ৰাণ পাইচে
সেইবিলাকৰ্ নিচিনাকৈ আপোনাকে আৰু স্বৰূপ
কৰ্ম্ম কৰা অস্ত্ৰৰ্ নিচিনাকৈ তোমোলাকৰ্ অঙ্গ
১৪ ঈশ্বৰক্ দিবা। কিয়নো তোমোলাক শাস্ত্ৰৰ্
অধীন্ নো হোৱা কিন্তু অনুগ্ৰহৰ্ অধীন্ এই হেতুক্

পাতকে তোমোলাকৰ্ ওপৰৎ আধিপত্য ন কৰিব।
১৫ তেবে আমি শাস্ত্ৰৰ্ অধীন নোহোঁ কিন্তু অনুগ্ৰ
হৰ্ অধীন্ হোঁ এই নিমিত্তে আমি সেই নিকোনে
১৬ পাতক্ কৰিম্ নে সেয়ে নো হোক্। যি মাননৰ্ কাৰণে
তোমোলাকে যাহ্ কোযৰৎ আপোনাকে সেৱকিয়া
কৰলৈ দিয়া মৃত্যুময় ফলৰ্ অৰ্থে পাতক্ বা স্বৰূপ
কৰ্ম্মময় ফলৰ্ অৰ্থে আজ্ঞা মনা এই দুয়োৰ্ মাজৎ
যেয়ে হোক্ যিহকে তোমোলাকে মানা তাৰে সেৱ
কিয়া তোমোলাক্ আছা তোঁমোলাকে জেয়াক্ নে জা
১৭ না নে। তোমোলাক্ পাতকৰ্ বন্দী আছিলা হয় কিন্তু
যি শিক্ষাৰ্ লালি তোমোলাকক্ দিয়া গল্ তাকে
তোমোলাকে মনে মৈতে মানিছা জেয়াতে ঈশ্বৰৰ্
১৮ স্তুতি হোক্। এইহেতুক্ তোমোলাক্ পাতকৰ্
১৯ পৰা মুক্তৎ হই পাৰমাৰ্থ্যৰ্ সেৱকিয়া হইছা। তো
মোলাকৰ্ দেহৰ্ দুৰ্ব্বলতাৰ্ কাৰণে ময় মানুহৰ্ নিচি
নাকৈ কওঁ কিয়নো তোমোলাকে অপাৰমাৰ্থ্যৰ সেৱ
কিয়া হবলৈ আপোনাকে অপাৰমাৰ্থ্যৰ্ আৰু সমূল্
কৰ্ম্মৰ্ অৰ্থে দিছা তেনেকৈ পুন্যৰ্ নিমিত্তে তোমোলা
২০ কৰ্ অঙ্গ পাৰমাৰ্থ্যৰ্ সেৱকিয়া হবলৈ দিয়া। কিয়নো
যিকালৎ তোমোলাক্ পাতকৰ্ সেৱকিয়া আছিলা
সেই কালৎ তোমোলাক্ পাৰমাৰ্থ্যৰ্ অনধীন আছি
২১ লা। তেবে যি কৰ্ম্মৎ এতিয়া তোমোলাকৰ্ লাজ্ সেই
কৰ্ম্মৎ তেতিয়া তোমোলাকৰ কি ফল্ আছিল্ কিয়নো
২২ সেই কৰ্ম্মৰ্ শেহ মৃত্যু। কিন্তু এতিয়া তোমো

লোক্ পাতকৰ্‌পৰা মুক্তৎ আৰু ঈশ্বৰৰ সেৱক্ৰিয়া
হলে তোমোলাকৰ্ ফল্ পুন্যৰ্ কাৰণ আৰু শেহ
২৩ অনন্ত আয়ু আছে। কিয়নো পাতকৰ্ বেচ মৃত্যু
কিন্তু ঈশ্বৰৰ যি দান্ সেয়ে আমাৰ্ প্ৰভু যিশু খ্ৰীষ্টৰ
দোৱাৰায় অনন্ত আয়ু আছে।

পৰ্ব্ব ময় শাস্ত্ৰৎ পাৰ্গৎ মানুহৎ জৈয়াকে কঁও ভায় হে
১ তোমোলাকে নে জানানে যেতেদিন্ শাস্ত্ৰ জী থাকে তে
২ তেদিন্ তেঁওৰ্ আধিপত্য মানুহৰ্ ওপৰৎ আছে। কিয়
নো যি তিৰোতা মানুহৰ্ গিৰিয়েক্ আছে গিৰিয়েক্
যেতে দিন্ জীয়ায় থাকে তেতে দিন্ শাস্ত্ৰৰ্ বন্ধেৰে
সেই তিৰী আপোন গিৰিয়েকে সৈতে বন্ধিৎ আছে
কিন্তু গিৰিয়েক মৰিলে গিৰিয়েকৰ্ শাস্ত্ৰৰ্ বান্ধ
৩ পৰা মুক্তৎ আছে। এয়েৰেই গিৰিয়েক জীয়ায় থকাৎ
যেদি আৰু কোনো পুৰুষে সৈতে তাইৰ্ বিয়া হয়
তেৱে বেশ্যা বুলি প্ৰখ্যাৎ হয় কিন্তু গিৰিয়েক্ মৰিলে
যি তিৰী সেই শাস্ত্ৰৰ্ বান্ধৰপৰা মুক্তৎ হয় তাতে
যেদি আৰু কোনোএ সৈতে তাইৰ্ বিয়া হয় তেৱে
৪ বেশ্যা ন হয়। এই নিমিত্তে হে মোৰ্ ভায়হঁৎ
তহঁৎ আনে সৈতে বিবাহিত হো অৰ্থাৎ যি
মৃত্যুৰ্‌পৰা ওঠে তেঁৱে সৈতে আৰু আমি ঈশ্ব
ৰক্ প্ৰতি ফল দিবো এই কাৰণে তোমোলাক্ খ্ৰীষ্টৰ্
৫ দেহৰ্ দোৱাৰায় শাস্ত্ৰক্ প্ৰতি মৰা হইছা। কিয়নো
যেতিয়া আমি শৰীৰাৱলম্বী আছিলো সেই কালৎ
মৃত্যুৰ্ প্ৰতিফল্ ওপজাবলৈ শাস্ত্ৰত্তে সিদ্ধ পাপা

৬ তিলাষে আমাৰ অগ্নৎ ব্যাপাৰ কৰিলে। কিন্তু
এতিয়া যিহতে আমি ধৰা আছিলো সেয়ে মৰিলৎ
আমি আত্মাৰ নবীনতাৎ সেৱা কৰোঁ আৰু আৰ
ৰৰ পুৰাতনতাৎ সেৱা ন কৰো সেই নিমিত্তে শাস্ত্ৰ
৭ ৰ পৰা মুক্ত হইছো। তেবে আমি কি কুলিম্
আপনে পাপ সেয়ে নো হোক্ শাস্ত্ৰৰ্ ব্যতিৰেকে ময়
পাতক্ নে জানিলো কিয়নো লোভ ন কৰিবা শাস্ত্ৰে
যেদি এই বাক্য ন কুলিলেহেঁতে তেবে ময় কাম্ নে
৮ জানিলোহেঁতেন। কিন্তু পাতকে আজ্ঞাৰ দোৱা
ৰায় অৱশৰ্ পায় সকল্ বিধি কাম মোৰ্ মাজৎ
জন্মালে যিহেতুক্ শাস্ত্ৰব্যতিৰেকে পাতক্ মৰা।
৯ কিয়নো আগেই ময় শাস্ত্ৰৰ্ ব্যতিৰেকে জীয়ায়
আছিলো কিন্তু আজ্ঞা ভগৎ হলৎ পাতক্ জীলে
১০ আৰু ময় মৰিলো। আৰু যি আজ্ঞা জীৱনৰ্
নিমিত্তে আছিল্ তাকে ময় মৃত্যুৰ্ নিমিত্তে পালো।
১১ কিয়নো আজ্ঞাৰ্ দোৱাৰায় পাতকে আহৰি পায়
১২ মোক্ ভগুনা কৰিলে তাতে মোক্ বধিলে। এই
হেতুক্ শাস্ত্ৰ শুদ্ধ আৰু আজ্ঞা শুদ্ধ স্বৰূপো
১৩ ভালো। তেবে ভাল্ যি সেয়ে মোক্ প্ৰতি
মৃত্যুস্বৰূপ হল্ নে সেয়ে নো হোক্ কিন্তু আপুনি
আজ্ঞাৰ্ দোৱাৰায় অতিশয় পাতকীৰূপে প্ৰেচিক্
হবলৈ মোৰ্ মাজৎ ভাল্ ৰেহানিৰ্ দো ৱাৰায়
মৃত্যু জন্মোতা পাতক্ পাতকৰূপেই প্ৰেচিক্ হবলৈ
১৪ মোক্ প্ৰতি মৃত্যুৰূপ আছিল্। কিয়নো আমি

জানো যি শাস্ত্ৰ আত্মিক্ আছে কিন্তু ময় দৈহিক্
১৫ পাতকৰ্ অধীন্ হবলৈ বেচা হইআছো। ময়
যি কৰো তাক্ মনত ন লঁও কিয়নো ময় যিহকে
ভাল্ পাঁও তাক্ ন কৰোঁ কিন্তু যিহকে ঘিনাঁও তাকে
১৬ কৰোঁ। এয়েৰেই যেয়ে মোৰ্ ইচ্ছনীয় কৰ্ম্ম
ন হয় তাকে যেদি কৰো তেবে শাস্ত্ৰ ভাল্ এই
১৭ পুমাণ ময় দিয়োঁ। এইহেতুকে এই কৰ্ম্ম যি কৰে
সেয়ে ময় নো হোঁ কিন্তু মোৰ্ মাজত থকা পা
১৮ তক্। কিয়নো ময় জানো মোৰ্ মাজত অৰ্থাৎ
মোৰ্ শৰীৰৰ্ মাজত কোনো ভাল্ বেহালি নে থাকে
কিয়নো ইচ্ছা কৰা মোতে উপগত আছে কিন্তু যেয়ে
১৯ ভাল্ তাৰে সিদ্ধি কৰিবৰ্ সামৰ্থ্য ময় ন পাঁও। কিয়নো
যি সুকৰ্ম্ম ময় কৰিব খোজো তাক্ ময় ন কৰো কিন্তু
২০ যি কুকৰ্ম্ম কৰিব নো খোজো তাক্ ময় কৰো। এই
হেতুকে যিহক্ ময় কৰিব নো খোজো তাকে যেদি
কৰো তেবে তাক্ যি কৰে সি ময় নোহো কিন্তু মোৰ্
২১ মাজত থকা পাতক্। এয়েৰেই ময় এনে শাস্ত্ৰ
পাইচো কি যেতিয়া সুকৰ্ম্ম কৰিব খোজো তেতিয়া
২২ কুকৰ্ম্ম মোৰ্ ওচৰত উপগত হয়। কিয়নো অন্ত
ৰৰ পুৰুষৰ্ অনুসাৰে ময় ঈশ্বৰৰ্ শাস্ত্ৰত তুষ্ট
২৩ হইআছো। কিন্তু মোৰ্ মনস্থ শাস্ত্ৰ বিৰুদ্ধ
যুদ্ধ কৰি আৰু মোক আপোন্ অঙ্গস্থ পাতকৰূপ্
শাস্ত্ৰাধীন্কাৰী আন্ এক্ শাস্ত্ৰ ময় আপোন্ অঙ্গত
২৪ দেখিবলৈ পাঁও। হায়২ মনস্তাপী মানুহ যি ময়

এই পাপ দেহৰ্পৰা মোক্ ওবাৰ্ কৰিব কোনে।
আমাৰ্ প্ৰভু য়িশু খ্ৰীষ্টৰ্ দোৱাৰায় ময় ঈশ্বৰক্ স্তুতি
২৫ কৰোঁ। এই হেতুকে ময় আপুনি মনেৰে ঈশ্বৰৰ্
শাস্ত্ৰক্ সেৱা কৰো কিন্তু শৰীৰেৰে পাতকৰ্ শাস্ত্ৰক
সেৱা কৰোঁ।—

পৰ্ব্ব এইহেতুকে যিবিলাক্ খ্ৰীষ্ট য়িশুৎ আছে যিবি
৮ লাক্ শৰীৰানুসাৰে ন প্ৰবৰ্ত্তে কিন্তু আত্মানুসাৰে
২ প্ৰবৰ্ত্তে সেইবিলাকে শাস্তি পাবলগা ন হয়। কিয়
নো খ্ৰীষ্ট য়িশুৎ জীৱন্ দিয়োঁতা আত্মাৰূপ যে
শাস্ত্ৰে পাতকৰে মৃত্যুৰূপ শাস্ত্ৰৰেপৰা মোক্ মুকুৎ
৩ কৰিলে। কিয়নো শাস্ত্ৰ দেহৰ্ দোৱাৰায় নিৰ্ব্বলী
হুই যিহকে কৰিব নোৱাৰিলে সেয়ে শৰীৰানু
সাৰে ন হয় কিন্তু আত্মানুসাৰে আচৰোঁ আমি
৪ আমাৰ্ মাজৎ শাস্ত্ৰোক্ত ধৰ্ম্ম পুৰ্ হবলৈ। শৰী
ৰৎ থকা পাতকক্ দোষ থুঁলি জানি ঈশ্বৰে পাত
কী মানুহৰ্ মূৰ্ত্তিতে দেহযুক্ত পাতক্ খণ্ডিবলৈ আপো
৫ নাৰ্ পুত্ৰেকক্ পঠিয়ায় কৰিছে। কিয়নো যিবিলাক্
দেহৰ্ মতে আচৰোতো সেইবিলাকে দৈহিক
বস্তু মানে কিন্তু আত্মাৰ মতে আচাৰতোবিলাকে
৬ অধ্যাত্ম বস্তুক্ মানে। কিয়নো দৈহিক্ মানন্ মৃত্যু
৭ কিন্তু অধ্যাত্মীয় মানন জীৱনো শান্তি কিয়নো দেহীয়
মানন্ ঈশ্বৰৰ্ বিৰুদ্ধৰূপে শত্ৰুতা যিহেতুকে সেই
অধীন ঈশ্বৰৰ্ শাস্ত্ৰ ন হয় আৰু হবও নো
৮ ৱাৰে। এই হেতুকে যিবিলাক্ দেহতেই থাকে সেই

৯ বিলাকে ঈশ্বৰক তুষিব নোৱাৰে। কিন্তু ঈশ্বৰৰ
আত্মা যেদি তোমোলাকৰ মাজৎ থাকে তেবে তো
মোলাক দেহৎ নোহোৱা কিন্তু আত্মাতে থাকা। যেদি
কোনো ঈশ্বৰৰ আত্মা বিৰোতা ন হয় তেবে সি
১০ তেঁওৰ ন হয়। আৰু যেদি খ্রীষ্ট তোমোলাকৰ
মাজৎ হয় তেবে পাতকৰ দোৱাৰায় শৰীৰ মৰা কিন্তু
স্বৰূপ কৰ্ম্মৰ দোৱাৰায় আত্মা জীৱনৰূপ আছে।
১১ কিন্তু যি জন্ আমাৰ প্ৰভু য়িশু খ্রীষ্টক মৃত্যুৰপৰা
তুলিলে তেঁওৰ আত্মা যেদি তোমোলাকৰ মাজৎ
থাকে তেবে যেয়ে খ্রীষ্টক মৃত্যুৰপৰা তুলিলে তেঁও
তোমোলাকৰ মাজৎ থকা আপোন আত্মাৰ দোৱা
ৰায় তোমোলাকৰ মৰিবলগা দেহো জীয়াবো।
১২ এই হেতুকে ভায়হঁৎ হে আমি ধৰুৱা হোঁ কিন্তু শৰী
১৩ ৰৰ মতে আচৰিবলৈ দেহৰ নোহো। কিয়নো তোমো
লাকে যেদি দেহৰ মতে আচৰা তেবে মৰিবা কিন্তু
যেদি আত্মাৰে দেহৰ কৰ্ম্ম নিপাৎ কৰা তেবে জীৱন
১৪ ভুঞ্জিবা। কিয়নো যিমান্ মানুহ ঈশ্বৰৰ আত্মাৰে
১৫ লড়োৱা তিমান্ মানুহ ঈশ্বৰৰ লৰা। তোমোলাকে
ভয়জনক বন্দী স্বৰূপ আত্মাক আকও পোৱা নায়
কিন্তু যাৰে তোমোলাকে বোপায় বোপায় বুলি মাতা
যি তোলনীয়াপোৰূপ আত্মা তেঁওকেই পাইছা।
১৬ আমি যি ঈশ্বৰৰ লৰা আত্মায় আপুনি আমাৰ
১৭ আত্মায় সৈতে তাৰে প্ৰমাণ কৰে। আৰু লৰা যেদি
তেবে অধিকাৰ অৰ্থাৎ ঈশ্বৰাধিকাৰ আৰু খ্রীষ্ট

মৈতে অধিকাৰ্ তেঁওৰ মৈতে যেদি দুঃখ ভুঞ্জা
১৮ তেবে তেঁৱৰ মৈতে মোক্ষ ভুঞ্জুৰ। কিয়নো এই
বৰ্ত্তমান কালৰ্ দুঃখ আমাৰ্ মাজৎ প্ৰাচিক হব
লগা সুখৰ্ সদৃশ হবৰ্ যোগ্য ন হয় ঔয়াকে
১৯ ময় গণনা কৰো। কিয়নো সৃজা বস্তুলৈ আতি
শয় অপেক্ষায় ঈশ্বৰৰ্ পুত্ৰেক হতৰ্ প্ৰাচিকলৈ
২০ অপেক্ষা কৰিছে। কিয়নো সৃজা বস্তু নিৰৰ্থকতাৰ্
২১ অধীন কৰা হ ল্ ঔচ্ছাপূৰ্ব্বক্ ন হয় কিন্তু সৃজা বস্তু
আপুনিও ক্ষয়ৰ্ বন্দিৰ্ পৰা ঈশ্বৰৰ্ জ্যোতির্ম্ময় মোক্ষ
স্বৰূপৎ হব এইগুণে যেয়ে আশাতে তেঁওক্ অধীন্
২২ কৰিলে তাৰে নিকুনে কিয়নো আমি জানো
এটাই সৃষ্টি এতিয়ালৈকে কেঁকায় আৰু পুনৰ
বেদনাৰ্ নিচিনা বেদনাতে এটাইৰূপে বেদনা পায়
২৩ আছে। সিও কেৱল এনে ন হয় কিন্তু আত্মাৰ্
প্ৰথম ফল পোৱা আমি এই তোলনিয়া পুত্ৰত্ব অৰ্থাৎ
দেহৰ্ মুক্তিলৈ অপেক্ষা কৰি আপোনাৰ্ মাজতো
২৪ কেঁকোও। কিয়নো আমি আশাৰ্ দোৱাৰায়
উদ্ধাৰ্ হোঁ কিন্তু দৃশ্যৎ যিমি আনে আশা ন হয় কিয়
নো মানুহে যিহক্ দেখে তাৰ্ আশা কৰে কিয়।
২৫ কিন্তু যি আমাৰ্ অদৃশ্য তাৰ্ আশা যেদি আমি
কৰো তেবে ধৈৰ্য্যধৰি আমি তালৈ অপেক্ষা
২৬ কৰোঁ। আত্মায়ো আমাৰ্ দুৰ্ব্বলতাৰ্ উপকাৰ্ কৰে
কিয়নো আমাৰ প্ৰাৰ্থনাৎ কিং উচিৎ ঔয়াক্ ময়
নে জানো কিন্তু আত্ময় আপুনি আমালৈ কব ন লগা

২৭ কেঁকনিতে প্ৰাৰ্থনা কৰোৱায়। যেয়ে মন্ শোধি কৰে
তেঁও আত্মাৰ্ মনোভিলষিৎ জানে কিয়নো তেঁও
ঈশ্বৰানুসাৰে ধৰ্ম্মবন্ত মানুহৰ্ অৰ্থে প্ৰাৰ্থনা কৰে।
২৮ ঈশ্বৰৎ প্ৰীতি কৰে অথচ ঈশ্বৰৰ্ নিয়মৰ্ অনুসাৰে
নিযোজ্য যিবিলাক্ হয় সেইবিলাক্ কুশল্ এটায়
কৰ্ম্ম গোটে মায় সিদ্ধি কৰে জীয়াক্ আমি জানো।
২৯ কিয়নো তেঁও যেইবিলাককে আগেই জানিলে সেই
বিলাককে আপোন্ পুত্ৰেকৰ্ আকৃতি সদৃশ্ হবলৈ
তেঁও নিযোজন্ কৰিলে আৰু যিবিলাকক্ আগেই
৩০ নিযোজন্ কৰিলে সেইবিলাকক্ আহ্বান কৰিলে
আৰু যিবিলাকক্ আহ্বান্ কৰিলে সেইবিলাকক্
৩১ পৰমাৰ্থ কৰিলে। তেঁও তায়ইঁতৰ্ মাজৎ প্ৰথমতে
ওপজা হয় এই গুণে যিবিলাকক্ নিৰ্দোষী কৰিলে
সেইবিলাককে মোক্ষ সুখ পোৱালে। তেবে সেই
বিলাকৎ আমি কি কুলিম্ যেদি ঈশ্বৰ্ আমাৰ সপক্ষ
৩২ তেবে আমাৰ্ বিপক্ষ কোন্। যেয়ে আপোন্ পুত্ৰেকক্
মৰম্ ন কৰিলে কিন্তু আমাৰ্ এটায়লৈকে তেঁওক্
দিলে তেঁও তেঁৱে সৈতে বিনামোলে আনবিলাকো
৩৩ আমাক্ নিদিব নে। ঈশ্বৰৰ্ মনোনীত মানুহৰ্
অগাৰ কোনে কৰ পৰমাৰ্থ কৰোতা ঈশ্বৰে নেউঁৰ্
কৰিব কোনে যি জন্ মৰিল বৰং যি জন্ আকও
৩৪ জীয়ায় আছে যি জন্ ঈশ্বৰৰ্ সোঁফালে আছে
৩৫ যি জনে আমাৰ্ অৰ্থে প্ৰাৰ্থনা কৰে এও খ্ৰীষ্টনে।

খ্রীষ্টৰ চেনেহৰ বাহিৰ আমাক কোনে কৰিব
কি দুঃখ কি শোক কি বিপক্ষতা কি আঁকাল কি নাংটে
কি আপদ কি তৰোৱাল যেনেকৈ এয়ে লেখা
৩৬ আছে তোমাৰ কাৰণে মোৰ গোটেই দিন মৰাহঁা
আমি মাৰিবলগা মেচহঁতৰ নিচিনাকৈ গণ্য
৩৭ আছো। যি জনে আমাক চেনেহ কৰিলে তেঁওৰ
প্রসাদত আমি এইবিলাক কর্ম্মত জিকাতকৈও
৩৮ বড়। কিয়নো মৃত্যু বা জীৱন বা দূত সকল বা ৰাজ্য
বা অধিপতিত্ব বা বর্ত্তমান কর্ম্ম ভবিষ্যত কর্ম্ম বা
ওখ বা চাপৰ বা আৰু কোনো সৃজা বেহানিএই
এইবিলাকৰ মাজৰ কোনোএ ঈশ্বৰৰ যি চেনেহ
যিশু খ্রীষ্টত আছে সেই চেনেহৰ বহির্ভূত আমাক
কৰিব নোৱাৰে ঊয়াক মই নিশ্চয়ে জানো।—

পর্ব্ব মই খ্রীষ্টলৈ স্মৰণ কঁও মই মিছা কথা ন কঁও
১ মোৰ মন ধর্ম্মাত্মাত মোৰ সাক্ষী হলতো মই কঁও
২ মোৰ মনত বড় গধুৰালি আৰু নিত্য শোকো
আছে, কিয়নো যিবিলাক ইস্ৰায়েলীয়া যিবিলাকক
পুতি তোলনিয়া পুত্রত্বকে আৰু মাহাত্ম্যকে আৰু
নির্ব্বন্ধকে আৰু শাস্ত্র দিয়াকে আৰু ঈশ্বৰ সেৱাকে
৪ আৰু অঙ্গীকাৰকে দিছিল। পিতৃ লোকো যিবিলা
কৰ আছিল যি জন সর্ব্বাধিপতি সচ্চিদানন্দ ঈশ্বৰ
আমিন এনে যি খ্রীষ্ট তেঁও শৰীৰৰ অনুসাৰে যি
৫ বিলাকৰপৰা হইছিল এনে যি মোৰ ভাইহঁত শৰী
ৰৰ সম্বন্ধে মোৰ গিয়াতি সিবিলাকৰ অর্থে খ্রীষ্টৰ

বহিভূৰ্ৎ ৰূপে শাপগ্ৰস্ত হোৱাৰ্ গতি মোৰ্ হয়
৬ ঊয়াকে যুজিবলৈ ময় যুগুৎ হৈয়াছো। ঈশ্বৰৰ্
কথাৰ্ একো ফল্ ন হলে যেনে হল্হেঁতেন্ সি ন
হয় কিয়নো যিবিলাক্ য়িশ্ৰএলৰ্পৰা ওপজাঃ সিবি
৭ লাক্ এটায় য়িশ্ৰএলীয়া ন হয়। অব্ৰাহামৰ্
সন্তুতি হয়ো সিবিলাক্ সকল্ সন্তুতি হয় এনে ন হয়
৮ কিন্তু য়িস্হাকৎ তোমাৰ্ বওহ প্ৰখ্যাৎ হব। তাৰে
অৰ্থ এই যিবিলাক্ দৈহিক্ সন্তুতি সেইবিলাক্ ঈশ্ব
ৰৰ্ সন্তুতি ন হয় কিন্তু অঙ্গীকাৰতে ওপজা সন্তুতি
৯ বিলাক্ বওহ বুলি গণ্য হয়। কিয়নো অঙ্গীকাৰৰ্
কথা এই যে এতিয়াৰ্ কালৰ্ অনুসাৰে আহিম্
১০ আৰু শাৰাৰ্ এটি পুত্ৰ হব। তেঁয়ো কেৱল্ এনে ন
হয় কিন্তু কৰ্ম্মৰ্পৰা ন হয় কিন্তু যেয়ে আহ্বান্ কৰে
তেঁওৰেপৰা মনন্থৰ্ অনুসাৰে যি ঈশ্বৰৰ্ নিয়ম্
সেয়ে স্থিৰ হয় এই গুণে যেতিয়া এক্ অৰ্থাৎ আমাৰ্
পিতৃ লোক্ য়িস্হাকৰ্পৰা ৰিবিকায় গৰ্ভ ধৰিছিল্ তে
১১ তিয়া যেনে এয়ে লেখা আছে ময় যাকোবক্ চেনেহ
১২ কৰিছো এশাবক্ ঘিনাইছো। তেনেকৈ লৰাহঁৎ
১৩ ভূমিৎ নো পেটোতেই আৰু ভাল্ বয়া একো নৌ
কৰোতেই তাৎ কোৱা হল জ্যেষ্ঠে কনিষ্ঠক্ শুশ্ৰূষা
১৪ কৰিব। তেবে আমি কি কৰিম্ ঈশ্বৰৰ্ জানো অপৰ
১৫ মাৰ্থ আছে সেয়ে নো হোক্ কিয়নো তেঁও মোশহাৎ
কলে যাকে ময় ক্ষেমিব খোজো তাকে ক্ষেমিম্ আৰু
১৬ যাকে দয়া কৰিব খোজো তাকে দয়া কৰিম্। এয়ে

ৰেই যি ইচ্ছা কৰে যি লৰ্ ধৰে সিইঁতৰ্ দোৱাৰায়
১৭ ফল্ ন হয় কিন্তু ক্ষেমোতা ঈশ্বৰৰ্ দোৱাৰায়। কিয়নো
ধৰম্ পুথিৎ ফাৰওহক্ হুঁলিলে তোমাৰ্ মাজৎ
মোৰ্ প্ৰভাৱ দেখুৱাবলৈ আৰু মোৰ্ নাম্ সম্প্ৰদায়
পৃথিৱীৎ প্ৰৌচিক্ কৰবলৈ ময় তোমাক্ উৎপদস্থ কৰি
১৮ ছো। এই হেতুক্ যালৈকে তেঁওৰ্ ঈচ্ছা তাকে তেঁও
কৃপা কৰে যালৈকে তেঁওৰ্ ঈচ্ছা তাকে টান্ কৰে।
১৯ তুমি মোক্ হুঁলিবা তেবে তেঁও কাৰ্ দায় কিয় বোলে
তেঁওৰ্ ঈচ্ছাক্ বাধা কৰে কোনে কিন্তু হে ঈশ্বৰক্ প্ৰতু
ত্তৰ কৰোতা মানুহ তয় কোন সৃজা বস্তুএ ছানো
২০ সৃজোতাক্ হুঁলিব তুমি কিয়েলেই মোক্ এনেকৈ
২১ সৃজিলা। এদলা মাটিৰ্পৰা এটা সৎকাৰ্ নিমিত্তক্
দিহ আৰু এটা অসৎকাৰ্ নিমিত্তক্ দিহ গঢ়িবলৈ
২২ মাটিৰ উপৰৎ কুমাৰৰ্ এই সামৰ্থ্য নায় নে। ঈশ্বৰে
আপোনাৰ্ খঙ প্ৰৌচিক কৰিবলৈ আৰু আপোন
প্ৰভাৱ জনাবলৈ যেদি বিনাশাৰ্থে যুগুৎ কৰা খঙ
২৩ দিহবিলাকক্ সহে আৰু আপুনি মহত্তালিৰ কাৰণে
যিবিলাকক্ আগেই যুগুৎ কৰিছে অৰ্থাৎ কেৱল্
য়িহুদীইঁতৰ্পৰা নিয়োজিৎ ন হয় আন্ দেশীইঁতৰ্
২৪ পৰাও নিযোজ্য কৃপাপাত্ৰ আমাৰ উপৰৎ আপোন্
কৃপাৰূপ ধন্ প্ৰৌচিক কৰিবলৈ ইচ্ছা যেদি কৰিছে
২৫ তেবে কি। যেনেকৈ ওশি পুথিৎ এয়ে লেখা আছে
যিবিলাক মোৰ্ মানুহ না ছিল্ সেইবিলাকক্ ময়
আপোন মানুহক্ হুঁলি মাতিম্ আৰু যি প্ৰিয় না

২৬ ছিল্ তাকে প্ৰিয় বুলি মাতিম্ আৰু যত্ সিবিলাকত্
কোৱা হল তোমালোক্ মোৰ্ মানুহ নোহোৱা তত্
সিবিলাক্ জীৱন্ত ঈশ্বৰৰ্ শিশু বুলি প্ৰখ্যাত হ্বব।
২৭ য়িশায়িয়াহে য়িশ্ৰএলৰ কথাতো এটাহ পাৰি
বুলিলে য়িশ্ৰএলৰ্ সন্ততিবিলাক্ সাগৰৰ্ বালিৰ্
নিচিনা হয় কিন্তু সিইঁতৰ অলপ্ মাত্তোন্ অৱ
২৮ শেষ ওবাৰ্ হ্বব। কিয়নো তেঁও কৰ্ম্ম সমাপ্তি
কৰিব আৰু পাৰমাৰ্থ্যত তাক্ সংক্ষেপ কৰিব
যিহেতুক্ পৃথিৱীত ঈশ্বৰে কৰ্ম্ম সংক্ষেপ কৰিব।
২৯ য়িশায়িয়াহে যেনেকৈ আগেয়ো বুলিছিল্ সৈন্যৰ
য়িহুৱে যেদি আমাৰ্ এটি কঠিয়া নে ৰাখিলেহেঁ
তেন্ তেৱে আমি সদোমৰ্ নিচিনা হলোহেঁতেন্
৩০ আৰু অমৰাহৰ্ নিচিনা কৰিলোহেঁতেন্। তেৱে
আমি কি বুলিম্ পাৰমাৰ্থ্যৰ্ অননুবৰ্ত্তী অন্যদেশী
হঁতে পাৰমাৰ্থাক্ৰমণ কৰিছে অৰ্থাত্ সঞ্জাতত্
৩১ ওনজা পাৰমাৰ্থ্য কিন্তু পাৰমাৰ্থ্য শাস্ত্ৰৰ্ অনুবৰ্ত্তী
য়িশ্ৰএলীহঁতে পাৰমাৰ্থ্য শাস্ত্ৰাক্ৰমণ ন কৰিলে তাৰ্
হেতু কি সিহঁতে সঞ্জাতৰ্ দোৱাৰায় তাক্ নি বিচা
৩২ ৰিলে কিন্তু কৰ্ম্ম শাস্ত্ৰৰ্ বিধিৰ্ দোৱাৰায় যেনেকৈ
৩৩ বিচাৰে তেনেকৈ বিচাৰিলে এই হেতু। কিয়নো
সিহঁতে সেই মুটি খোৱাৰ্ শিলত্ মুঁটী খালে
যেনেকৈ এয়ে লেখা আছে দেখা যয় যটি খোৱাৰ্
এক্ শিল্ বাধা কৰাৰ্ এখান পৰ্ব্বত্ সীওনত্ স্থাপন
কৰো আৰু যি তাতে বিশ্বাস্ কৰে সি লাজহ্ন হ্বব।

পৰ্ব্ব হে ভায়হঁৎ য়িশ্ৰএলীহঁৎ উদ্ধাৰ যি হয় ঈশ্বৰক
১০ আগৎ সিহঁতৰ নিমিত্তে মোৰ মনোভিলাষিৎ প্ৰাৰ্থনা
২ এই । সিহঁতৰ ঈশ্বৰৰ সেৱা কৰিবলৈ তাপ আছে
সিহঁতৰ জীয়াৰে সাক্ষী মই কিন্তু সেই তাপ জ্ঞানা
৩ নুসাৰে ন হয় । কিয়নো সিহঁতে ঈশ্বৰৰ পাৰমাৰ্থ্যৰ
কথা নে জানি আৰু আপোনাৰ বিষয় থাপনা কৰি
বলৈ কাৰ্য্যৰ কৰি ঈশ্বৰৰ পাৰমাৰ্থ্যৰ বশবৰ্ত্তী নে
৪ হল । কিয়নো পাৰমাৰ্থ্যৰ নিমিত্তে আস্তিক কৰোতা
৫ সদোৰে হ্যাইৎ শাস্ত্ৰৰ আশয় খ্ৰীষ্ট । কিয়নো
শাস্ত্ৰৎ ওপজা যি বিষয় তাৰ চৰ্চ্চা মোশহ এই কৰিছে
যি মানুহে তাকে কৰে সি তাৰ দোৱাৰায় জীব ।
৬ কিন্তু সঙ্গাতৎ গহীৎ যি বিষয় সি এনেকৈ কয়
তুমি আপোন মনৎ নে ভাবিবা খ্ৰীষ্টক নমাবলৈ
৭ স্বৰ্গৎ কোন উঠিব । বা খ্ৰীষ্টক মৃত্যুৰপৰা তুলিবলৈ
৮ দৎ নামিব কোন । কিন্তু সি কি বোলে বাক্য অৰ্থাৎ
সঙ্গাতৰ যি বাক্য আমি কীৰ্ত্তন কৰো সেয়ে তোমাৰ
ওচৰৎ অৰ্থাৎ তোমাৰ মনৎ আৰু মুখৎ তাৰ
৯ তাৎপৰ্য্য এই । তুমি মুখেৰে যেদি প্ৰভু য়িশুখ্ৰীষ্টক শৈ
কৰা আৰু ঈশ্বৰে তেঁওক মৃত্যুৰপৰা তুলিব জীয়াকো
১০ যেদি মনেৰে পতীয়োৱা তেৱে তুমি তৰিবা । কিয়নো
মনেদিতে মানুহে বিষয় গ্ৰহণ কৰিবলৈ পতী
য়ায় আৰু তৰিবৰ নিমিত্তে মুখেৰে শৈ কৰে ।
১১ কিয়নো ধৰ্ম্মপুথিএ জীয়াকে বোলে যি কোনোএ তেঁওক
১২ পতীয়ায় তাৰ লাজ ন হব । য়িহুদীৰে আৰু

গ্রীকৰে একো ভেদ নায় কিয়নো এটাইৰে অধিকাৰ্
সেই এক্ প্রভু আপোনাৰ্ আগৎ প্রার্থনা কৰোঁতা
১৩ এটায় মানুহক্ প্রতি তেঁও ধনী আছে। কিয়নো যি
কোনোএ ঈশ্বৰৰ্ নামলৈ প্রার্থনা কৰিব সি মুক্ত
১৪ হব। তেবে যিহঁতে সিহঁতে বিশ্বাস ন কৰিছে
সিহঁতে তেঁওৰ্ আগৎ কেনেকৈ প্রার্থনা কৰিব যাৰ্
কথা সিহঁতে ন শুনি আছে তেঁওৎ কেনেকৈ বিশ্বাস্
কৰিব আৰু কীর্ত্তন্ কৰোঁতা কোনো ন হলে সিহঁতে
কেনেকৈ শুনিব আৰু পাঁচনী ন হই সিহঁতে কীর্ত্তন্
১৫ কৰিব কেনেকৈ। যেনেকৈ এয়ে লেখা আছে
যিবিলাকে কুশল্ দিয়োঁতা শুভবার্ত্তা প্রৌঢ়িক কৰে
ভাল্ কথাৰ্ হৰিষ্ দিয়োঁতা বতৰাও দিয়ে সেইবিলা
১৬ কৰ্ ভৰি কেনে চিকোণ্। কিন্তু সিহঁতে এটায়ে শুভ
বার্ত্তা মনা নায় কিয়নো যিশাজৈয়াহে বুলিলে হে যিহো
১৭ হ আমাৰ্ বতৰাৎ আস্তিক্ কৰিছে কোনে। এই
হেতুক্ শ্রবণৰ্ দোৱাৰায় মঙ্গাৎ ঈশ্বৰৰ্ বাক্যৰ
১৮ দোৱাৰায় শ্রবণ। কিন্তু ময় কঁও সিহতে শুনি
বলেনে পাইছে নে আবশ্যক শুনিছে কিয়নো সিহঁ
তৰ্ শব্দ্ সকল্ পৃথিবীৎ গতি কৰিলে আৰু সিহঁ
১৯ তৰ্ কথা জগতৰ্ সীমালৈকে গল্। কিন্তু ময়
কঁও যিশ্ৰএলে কিবা জনায় নায় প্রথমতে মোশহ
বুলিলে যিবিলাক্ মানুহেই ন হয় সেইবিলাকৰ্
দোৱাৰায় ময় তোমোলাকক্ ভাণিৎ কৰিম আৰু
অজান এক্ দেশী মানুহৰ্ দোৱাৰায় তোমোলাকক্

২০ ধাওাল্ কৰিম্। কিন্তু যিশাঈয়াই অতি নির্ভয়
হই বুলিলে যিবিলাকে মোক্ নিবিচাৰিলে সেই
বিলাকক্ প্ৰতি ময় পোৱা হলো যিবিলাকে মোক্
২১ কাৰণে ন শুধিলে সেইবিলাকৰ্ হাইৎ প্ৰেচিক
আছিলো কিন্তু যিশৰএলৎ কলে নমনাকে বিৰোধি
কৰোতা মানুহকে প্ৰতি ময় চৌপৰ দিন্ বাহু মেলি
আছো।

পর্ব্ব তেবে ময় কওঁ ঈশ্বৰে আপোন্ মানুহবিলাকক্
১১ এড়ি দিছে নে সেয়ে নো হোক্ কিয়নো ময়ো অবৰা
হামৰ্ সন্ততি অথচ বেন্যামিনৰ্ বওহৰ্ এক্ যিশ
২ ৰএলী। ঈশ্বৰে আপোনাৰ্ আগেই জানা
৩ মানুহবিলাকক্ এড়ি দিয়া নায়। এলীয়াহে
কেনেকৈ যিশৰএলৰ্ অহিৎ এই প্ৰাৰ্থনা কৰিলে হে
যিহুহ সিহঁতে তোমাৰ্ আচাৰ্য্যবিলাকক্ বধিলে
তোমাৰ্ যজ্ঞৰ ভেঁটিও খানি পেলালে আৰু ময়
অকলৈ আছো তথাপি সিহঁতে মোৰ্ প্ৰাণ মাৰিব
খোজে ঈর্ষা খুথিৎ তেঁওৰ্ এই যি কথা কয় তোমো
৪ লাকে তাক্ নে জানা নে। কিন্তু ঈশ্বৰৰ্ উত্তৰে
তেঁওক্ প্ৰতি কি বোলে বআলৰ্ আগৎ যি আঁঠু
পৰা নায় এনেকুৱা সাৎ হেজাৰ মানুহক্ ময়
৫ আপোনালৈ ৰাখিছো। তেনেকৈও এই বৰ্ত্তমান
কালৎ অনুগ্ৰহপূর্ব্বক মনস্থানুসাৰে অৱশেষ কিছু
৬ আছে। যেদি সেই অনুগ্ৰহতে হয় তেবে কৰ্ম্মৎ ন
হয় নাইবা অনুগ্ৰহ অনুগ্ৰহেই ন হয় কিন্তু কৰ্ম্মৎ

যেদি হয় তেবে অনুগ্ৰহং ন হয় নাইবা কৰম্
৭ কৰম্ ন হয়। তেবে কি য়িশ্ৰএলে যিহক বিচা
ৰিলে তাক নে পালে কিন্তু মনোনীৎ হঁতে; তাক পালে
৮ আৰু আন্‌বিলাক অন্ধলা হল। যেনেকৈ এই লেখা
টোপনীয়োৱা প্ৰকৃতি আৰু আজিলৈকে নে দেখাৰ
নিমিত্তক চকু নু শুনাৰ নিমিত্তক কান্ সিহঁতক
৯ ঈশ্বৰে দিছে। দাঙদেও কৈলিলে সিহঁতৰ মেজ
সিহঁতৰ এক ফাঁদ ফন্দাও আৰু খুঁটি খোৱাৰ মুছা
১০ ৰূপে কৰা ওইাৰ পলা হোক সিহঁতে নে দেখে
এই কাৰণে সিহঁতৰ চকু অন্ধকাৰেৰে আবৃত হোক
১১ সিহঁতৰ পীঠ সদা সৰ্ব্বদা জাপৰ কৰা। তেৱে
ময় কঁও সিহঁতে পড়িবলৈ খুঁটি খাইছে নে সেয়ে নো
হোক কিন্তু সিহঁতক তাপিৎ কৰিবলৈ সিহঁতৰ পড়াত
১২ পৰিত্ৰাণ অন্য দেশীহঁতৰ ওচৰলৈ আহিছে। এই
হেতুক যেদ্বি সিহঁৎ পড়া জগতৰ ধন হয় সিহঁতৰ
ন্যূনতাও যেদি অন্য দেশীহঁতৰ ধন হয় তেবে সিহঁ
১৩ তৰ পূৰতা অৱ নে কিয়নো যেদি কোনো ৰূপে আ
পোন্ আত্মীয় মানুহক তাপিৎ কৰিব পাৰো আৰু
সিহঁতৰ মাজৰ কেৎবিলাক মানুহক তৰাব পাৰো
এই গুণে অন্য দেশীহঁতৰ পাঁচনী ময় আপোনাৰ
বাবৰ শ্লাঘা কৰি অন্য দেশী যি তোমোলাক তো
১৪ মোলাকং কঁও। কিয়নো যেদি সিহঁতক এড়ি দিয়া
১৫ জগতৰ মিল্ হয় তেবে সিহঁতৰ গ্ৰহণ মৃত্যুৰণৰা

১৬ প্রাণ পোৱা বিনে কি হব কিয়নো যেদি আদিতে
ফল্ পবিত্র হয় তেবে দলিও পবিত্র হয় আৰু
১৭ গুৰি যেদি পবিত্র হয় তেবে ডালো পবিত্র হয়।
আৰু সেই গছৰ ডাল্ কেৎবিলাক্ ভাঙ্গিলে হাবিৰ্
জিত বৃক্ষ তুমি সিহঁতৰ্ ঠাইৎ যেদি লাগি থাকা
আৰু সিহঁতে সৈতে জিত বৃক্ষৰ গুৰি ৰসভোগী
হই থাকা তেবে ডালৰ্ ওপৰৎ গঁফ ন কৰিবা।
১৮ কিন্তু যেদি গঁফ কৰা তেবে তুমি গুৰিৰ্ পোষক নো
হোৱা কিন্তু গুৰি এই তোমাক্ পোষক জৈয়াক্ জানা।
১৯ তেবে তুমি কুলিবা মোক্ লগাবৰ নিমিত্তে ডাল্
২০ ভঙ্গা গৈছিল্। বাৰু সিহঁৎ অনাস্তিকৰ্ কাৰণে
ভঙ্গা গল্ তুমি আস্তিকতে স্থিৰ হইছা অভিমানী
২১ ন হবা কিন্তু ভৰোৱা। কিয়নো ঈশ্বৰে যেদি
২২ স্বৰূপ ডালকে মৰম্ ন কৰিলে। এই হেতুকে
সাৱধান হোৱা জানো তোমাকো মৰম্ ন কৰে এই
২৩ হেতুকে ঈশ্বৰৰ্ ভদ্রতাকে দুর্দণ্ডতাকে দেখা। যিবি
লাক্ পতিৎ সিহঁতক্ প্রতি দুর্দণ্ডতা কিন্তু যেদি তুমি
তেঁওৰ্ ভদ্রতাৎ থাকা তেবে তোমাক্ প্রতি ভদ্রতা
নাইবা তুমিও ছিঁগিবা। আৰু সিহঁত যেদি অনাস্তি
কৎ নে থাকে সিহঁতো আৰুও লাগিব কিয়নো সিহঁ
২৪ তক্ ঈশ্বৰে আকৌও লগাব পাৰে। তুমি হাবিৰ্ জিত
বৃক্ষৰ্ পৰা যেদি ছিঙ্গা হই প্রকৃতি বিৰুদ্ধ ভাল্ জিতৰ্
ফৎ জোড়া লাগা তেবে স্বৰূপ ডাল্হঁৎ আপো

নাইঁতৰ্ জিত বৃক্ষৎ জোৰা লাগিব নে কিয়নো
২৫ ভায়ইঁত্ আপনাৰ্ শোৰৎ তোমোলাকে আপো
নাকে জ্ঞানী নে জান এই নিমিত্তে তোমোলাক্ এই
নিগূঢ় কথাৎ অগিয়ান হবলৈ ময় ঔচ্ছা ন কৰো।
২৬ অন্যদেশী ইঁতৰ্ পূৰ্ণতা ওপগৎ হোৱা লৈকে
২৭ এক ভাগৰ্ অন্ধতা য়িশ্ৰএলৎ মিলিছে। , আৰু
যেনেকৈ এয়ে লেখা আছে মীওনৰ্ পৰা ওদ্ধাৰ কৰো
তা আহিব আৰু যশ্বাকুবৰ্ পৰা অপৰমাৰ্থতা
ওলটাব কিয়নোযিকালৎ ময় সিহঁতৰ্ পাতক্ গুচাও
সেই কালৎ সিহঁতে মৈতে মোৰ্ এই নিৰ্ব্বন্ধ তে
২৮ নেকৈ তাতে এটায় য়িশ্ৰএলীইঁতৰ্ নিস্তাৰ্ হব
শুভ বাৰ্ত্তাৰ্ কথা হুঁলিলে সিহঁৎ তোমোলাকৰ্ কাৰ
ণে শত্ৰু কিন্তু মনোনীতইঁতৰ্ কথা কলে সিহঁৎ পিতৃ
২৯ লোক্ বিলাকৰ্ কাৰণে প্ৰীত আছে। কিয়নো
৩০ ঈশ্বৰৰ্ দানকে নিযোগকে অমন্ পলটোৱা। কি
য়নো যেনেকৈ তোমোলাকে আগে ঈশ্বৰক্ ন পতী
য়ালা কিন্তু এতিয়া সিহঁতৰ্ অনাস্তিকৰ্ দোৱাৰায়
কৃপা পাইছা তেনেকৈও সিহঁতে তোমোলাকৰ্
৩১ পোৱা কৃপাৰ্ দোৱাৰায় কৃপা পায় এই গুণে এতিয়া
৩২ পতীয়োৱা নায়। কিয়নো ঈশ্বৰে এটাইৰে ওপৰৎ
কৃপা কৰে এই কাৰণ্ সেই এটাকে অনাস্তিকৎ
৩৩ নিৰোধি কৰিছে। আহা ঈশ্বৰৰ্ জ্ঞানো বুদ্ধি
ৰূপ্ ধনৰ্ গাম্ভীৰ্য্য তেওঁৰ্ শোধি কেনে নেজানিব
৩৪ লগা তেওঁৰ্ গতি কেনে্ পাব ন লগা। কিয়নো

ঈশ্বৰৰ মানসত কোন্ হইছে তেঁওৰ মন্ত্রী কোন্
৩৫ হইছে যিহতে আপোনাৰ হাতত আকও দিয়া হব
৩৬ এনে যি তাকে আদিতে দিছে সিও কোন্ কিয়নো
তেঁওৰপৰা তেঁওৰ জহত তেঁওৰ প্রতি এটায় বহানি।
তেঁওৰ প্রসংশা সদা সর্ব্বক্ষণে হোক্। আমিন্।
পর্ব্ব এয়েৰেই হে ভায়হঁত ময় ঈশ্বৰৰ কৃপাত বিনয়
১২ পূর্ব্বক বোলো তোমোলাকে এক্ জীয়া পবিত্র গ্রাহ্য
বলি রূপে আপোনাহঁতৰ দেহ ঈশ্বৰৰ আগত উৎ
২ সর্গ কৰা এয়ে তোমোলাকৰ উচিত সেৱা। আৰু
এই জগতৰ সমশীল নহবা কিন্তু ঈশ্বৰৰ সেই
সত গ্রাহ্য শুদ্ধ ঔচ্ছা কি জীয়াৰে প্রমাণ দিবলৈ
৩ আপালাহঁতৰ মন্ নবীন হোৱাৰ দোৱাৰায় অন্যথা
কৰা হোৱা কিয়নো কোনোএ উচিত পৰিমাণতকৈ
আপোনাকে ডাঙৰ নে মানে কিন্তু যেনেকৈ ঈশ্বৰে
সদোকে মঙ্গাতৰ পৰিমাণ দিছে তদনুসাৰে বুদ্ধি
৪ পূর্ব্বক আপোনাৰে যি মানে মোক্ প্রতি ঈশ্বৰে
যি অনুগ্রহ দিছে তদ্দাৰায় ময় তোমোলাকৰ
সদো মানুহত এই কথা কঁও। কিয়নো যেনেকৈ
এক্ শৰীৰতে আমাৰ বহু অঙ্গ আছে আৰু সকলৰ
৫ এক্কর্ম্ম ন হয় তেনেকৈ আমি ভালেমান্ হই
খ্রীষ্টত এক্ শৰীৰ্ আৰু অন্যোন্যে অঙ্গো হোঁ।
৬ এই হেতুকে আমাক্ প্রতি দিয়া যি অনুগ্রহ্ তদনু
সাৰে আমি বেলেগ্ বেলেগ্ ববিয়া হই সেই
আমাৰ্ বাব যেদি আচার্য্যত্ব হয় তেৱে আমি

৭ সঙ্ঘ'তৰ্ পৰিমাণৰ্ অনুসাৰে তাকে কৰো বা সেৱা
৮ কৰা বাৰ্ যেদি হয় তেবে সেৱা কৰো। যি অধ্যা
পক্ সি অধ্যাপন কৰোক্ ওপদেশকে ওপদেশ দিয়োক্
যি দান্ কৰে সি একাগ্রচিত্তে তাকে কৰোক্ যি আধি
পত্য কৰে সি যত্নে তাকে কৰোক্ যি কৃপা কৰে
৯ সি ৰঙ্গ মনে তাকে কৰোক্ চেনেহ ভণ্ডনাক্ ৰাতি
ৰেকে হোক্ কুকৰ্ম্মক ঘিনওতা সুকৰ্ম্মপালক হোৱা
১০ প্ৰিয় ভাইৰ নিচিনাকৈ অন্যোন্যে চেনেহেৰে পূৰ
হোৱা অন্যোন্যে সাদৰ কৰিবলৈ ৰতি কৰোক্
১১ বনৎ এলাহ ৰহিৎ আৰু ঈশ্বৰৰ্ সেৱা কৰি জাগ্
১২ ৰায়মান চিত্ত হোৱা ভৰসাৎ আনন্দিৎ দুঃখৎ স
১৩ হিন্ হোৱা প্ৰাৰ্থনাৎ সদায় প্ৰবৃত্ত হোৱা পৱিত্ৰ
সকলৰ্ দৰিদ্ৰতা ঘুচিবলৈ ব্যয়শীল্ আৰু আলহি
১৪ পূহিবলৈ যুগুৎ হোৱা। যিবিলাকে তোমোলাকক্
তাড়না কৰে সেইবিলাকক্ প্ৰতি আশীৰ্ব্বাদ দিয়া।
১৫ আশীৰ্ব্বাদ কৰা শাপ্ নি দিবা। যিবিলাকে ৰঙ্গ
কৰে সেইবিলাকে সৈতে ৰঙ্গ কৰিবলৈকে যিবিলা
কে কান্দে সেইবিলাকে সৈতে কান্দিবলৈকে অন্যো
১৬ অন্যে কথাৎ একে মন হোৱা। ওখ কথা মনৎ
ন কৰিবা কিন্তু হীন কুলিয়া মানুহক্ প্ৰতি মন কৰিবা
১৭ আপনাইঁতকে বুদ্ধিমন্ত বুলি নে মানিবা অপকাৰৰ্
সলনি কাকো অপকাৰ্ ন কৰিবা এটায় মানুহে
১৮ দেখাৎ যি ক্ষতি শোভন হয় সেই ক্ষতিৎ মন্ দিয়া।
যেদি হব পাৰে তেবে আপোনাইঁতৰ্ শক্ত্যনুসাৰে

১৯ এটায় মানুহে সৈতে নিৰ্ব্বিৰোধি খতি কৰিবা । হে
অতিপ্ৰিয় সকল্ আপোনাহঁতৰ্ কথায় প্ৰতি বৈৰ
ন কৰিবা কিন্তু খঙ দেখি নয়েই হোৱা কিয়নো এনে
লেখা আছে য়িহুদায় কয় প্ৰতিফল্ দিয়া কাম্ মোৰ্
২০ ময় ওঠিৎ ফল্ দিম্ । এয়েৰেই তোমাক্ শত্ৰুৰ্
যেদি ভোক্ লাগে তেৱে তাক্ যুওৱা যেদি পিয়াহ্
লাগে তেৱে তাক্ পীয়োৱা কিয়নো ঔয়াকে কৰাৎ
তুমি তাৰ্ মুৰৰ্ ওপৰৎ আঙ্গঠা দল্ কৰিবা কুকৰ্ম্মৎ
লে হাৰিবা কিন্তু সুকৰ্ম্মৰ্ দোৱাৰায় কুকৰ্ম্মক্ জিনা ।
পৰ্ব্ব সদৌ ওাম পালন্ বাবৰ্ বশবৰ্ত্তি হোক্ কিয়নো ঈশ্ব
১৩ ৰৰ্ নিৰুপণক্ ব্যতিৰেকে কোনো পালন বাব্ নায়
২ যিং পালন্ বাব্ আছে সি ঈশ্বৰৰ্ নিৰুপিৎ । এয়ে
ৰেই যি পালন্ বাবৰ্ বিৰোধি কৰে সি ঈশ্বৰৰ্ নিয়
মৰ্ বিৰোধি কৰে যিবিলাকে বিৰোধি কৰে সেইবি
৩ লাকে আপোনাহঁতৰ্ দোষৰ্ দণ্ড পাব । কিয়নো
অধিকাৰ সকলে সুকৰ্ম্ম কৰোতা মানুহক্ প্ৰতি ভয়
দিয়োতা ন হয় কিন্তু কুকৰ্ম্ম কৰোতাহঁতক প্ৰতি ।
৪ তেৱে তুমি সেই পালন্ বাবৎ ডৰক্ ন হবা নে
সুকৰ্ম্ম কৰা তাতে তোমাৰ্ প্ৰশংস্যা হব । কিয়নো
তোমাৰ্ শুভৰ্ নিমিত্তে তেঁও তোমাক্ প্ৰতি ঈশ্বৰৰ্
৫ আজ্ঞাকাৰী কিন্তু তুমি যেদি কুকৰ্ম্ম কৰা তেৱে ডৰক
হবা কিয়নো তেঁও তৰোৱাল্ নিৰৰ্থক্ ন ধৰে তেঁ ৰুই
ঈশ্বৰৰ আজ্ঞাকাৰী কুকৰ্ম্মিহঁতক প্ৰতি খঙ কৰ্
প্ৰতি ফল্ দিয়োতা এয়েৰেই খঙৰ্ গুণে কেৱল্ সি ন

হয় কিন্তু বিবেকর্ গুণে তোমোলাক্ বশবর্ত্তী হ্বব
৬ লগা আছে। কিয়নো সিহঁৎ এই কর্ম্মৎ নিত্তো
প্রবৃত্ত হুই ঈশ্বরর্ আজ্ঞাকারী হয় এই গুণে পঁচা
৭ দিবা এয়েরেই এটাই মানুহকে যার্ যি পাব লগা
তাক্ দিবা পঁচালোৱাহঁতক্ পঁচা দিবা ফাঁটোৱালহঁ
তক্ দান্ দিবা ভয়কুহঁতক্ প্রতি ভরূপ মর্য্যাদা
৮ দিবা আদরণীয় সকলক আদর্ করা। অন্যো
অন্যে চেনেহ করারূপ ধারক্ ব্যতিরেকে কারো
আন্ বিধর্ ধরুৱা নহ্বা কিয়নো যি আনক্ চেনেহ
৯ করে সি শাস্ত্রার্থ পূর্ করিলে। কিয়নো পরস্ত্রী
ন হরিবা বধ্ ন করিবা চুর্ ন করিবা মিচা সাক্ষী নহ্
হ্বা লোভ ন করিবা এনেং আরু আনো কোনো
আজ্ঞাও যেদি থাকে তেবে আন্ মানুহক্ আপোনার্
সদৃশ চেনেহ করা এই বাক্যর্ মধ্যবর্ত্তি সিও হয়।
১০ চেনেহে ওচরর্ মানুহর্ একো বয়া ন জন্মায় এয়ে
১১ রেই চেনেহ যি সি শাস্ত্রর্ কর্ম্ম পূর্ করা। আরু
এতিয়া টোপনি ভাঙ্গি জাগিবর্ কাল্ হুইছে জৈয়াকেই
জানি তাকেই করা কিয়নো আমার্ আদি সঙ্গাৎ
করা কালৎকৈ এতিয়া আমার্ পরিত্রাণ ওচর্ চাপিচে
১২ তালেমান্ রাত্তি গৈছে দিন্ ওচর্ চাপিছে এয়েরেই
আঁহা আমি অন্ধকারর্ কর্ম্ম এড়ি পহরর্ সাজ
১৩ পিন্ধো। আহা আমি হ্বরাস্থরা মত্ততা অসৎ
কর্ম্ম লুম্পটতা বিরোধি মিয়াল্ এনেং নাচরি দিনর্
১৪ ভিতরে যেনে ওচিৎ তেনে স্বরূপ্ আচরো। কিন্তু

প্ৰভু যিশু খ্ৰীষ্টক কাপৰ হুলি পিন্ধা আৰু শৰীৰৰ্
কামনা পূৰ্ কৰিবলৈ একো নো গোটাবা।—

পৰ্ব্ব যি সঙ্গাতৰ্ কথাৎ নিৰ্ব্বলী তাকে লোৱা কিন্তু অনি
১৪ শ্চয় দুষণাদুষণিৰ কাৰণ ন হয় কিয়নো আপুনি
এটায় বেহানি যি খাব পাৰে কোনে জৈয়াক পতীয়ায়
৩ নিৰ্ব্বলী আৰু কোনো ব্যক্তিএ শাক্ খায়। খাবাঙ্ক
যি ব্যক্তি সি অখাবাঙ্কক্ তৈতিক্লিৎ ন কৰোক আৰু
অখাবাঙ্ক যি সি খাবাঙ্কৰ্ দুৰুক্তি ন কওক্ কিয়নো
৪ ঈশ্বৰে তাক্ গ্ৰহণ কৰিছে হে আন্ মানুহৰ্
বন্দিৰ্ পোবাঁক তুমি কোন্ আপোন্ অধিকাৰৰ্
আগৎ থিয় হয় বা পড়ে তাক্ থিৰ্ কৰা যাব কিয়
৫ নো ঈশ্বৰে তাক্ থিৰি ৰাখিব পাৰে। কোনোএ
বিশেষ্ দিন্ মানে আৰু কোনোএ এটায় দিনকে
সমান্ হুলি মানে পায় প্ৰতি আপোন্ মনৎ অনি
শ্চয় হোক্ যি বিশেষ্ দিন মানে সি ঈশ্বৰৰ্ গুণে
৬ তাকে মানে যি বিশেষ্ দিন্ নে মানে সিও ঈশ্বৰৰ্
গুণে তাক্ নে মানে যি সামান্য জানি খায় সি
ঈশ্বৰৰ্ গুণে খায় কিয়নো ঈশ্বৰক্ প্ৰতি ধন্য বোলে
আৰু যি বিশেষ্ জানি নে খায় সিও ঈশ্বৰৰ গুণে
৭ নে খায় আৰু ঈশ্বৰক্ প্ৰতি ধন্য বোলে। কিয়নো
আমাৰ্ মাজৎ কোন্ আপোনাৰ্ গুণে নি জীয়ে
৮ আৰু কোনো আপোনাৰ্ গুণে ন মৰে আমি জীলে
ঈশ্বৰৰ্ গুনে জীয়ো আৰু মৰিলেও ঈশ্বৰৰ্ গুনে
৯ মৰো। এই হেতুকে আমি জীলে কি মৰিলে

ঈশ্বৰৰ হোঁ। কিয়নো জীয়া আৰু মৰা এই দুয়োৰো
প্ৰভু হবলৈ খ্ৰীষ্ট মৰিল আৰু উঠিল আৰু সজীৱ
১০ হল। কিন্তু তুমি আপোন ভায়াক কিয় দুষিয়া কৰি নিয়
কোৰা আৰু তুমি আপোন ভায়াক কিয় উভিকিং-
কৰা কিয়নো খ্ৰীষ্টৰ শোধৰ আসনৰ পোনে আমি
এটায় থিয় হব লাগিব যি হেতুকে এনে লেখা আছে
১১ যিহোৱায় কয় যেদি ময় জীয়া হোঁ তেবে মোৰ
আগৎ সদৌ আঠু বেঁকা কৰা যাব আৰু ঈশ্বৰৰ
১২ প্ৰতি সদৌ জিভায় শং কৰিব। এই হেতুকে আমাৰ
মাজৎ সদৌকে আপোন কথা ঈশ্বৰৰ আগৎ
১৩ বিশেষ কৰি কব লাগিব এই হেতুকে আমি এটায়
এটাক দুষিয়া হুঁলি আৰু নে মালো কিন্তু যুঁটি খো
ৱাৰ মুচা বা পড়াৰ হেতু আপোন ভায়েকৰ
বাটৎ যেন কোনোএ নি দিয়ে বৰং এই শোধি কৰো
১৪ কোনো বেহানি আপোন স্বভাৱৎ অশুচি ন হয়
প্ৰভু যিশু খ্ৰীষ্টৰ দোৱাৰায় নিশ্চয় হুঁদ্ধি হোঁ
ঐয়াক ময় জানো কিন্তু যি কোনো বেহানি অশুচি
হুঁলি মানে তাক প্ৰতি সেই বেহানি অশুচি আছে।
১৫ কিন্তু তোমাৰ ভায়া যেদি তোমাৰ খাজাৎ ক্ষোভ
হয় তেবে ঐয়াতে তুমি প্ৰীতি নাচৰিজা যাৰ হেতুকে
খ্ৰীষ্ট মৰিল তুমি তেঁওক আপোন খাজাৎ নাশ ন
১৬ কৰিবা। এই হেতুকে তোমাৰ সুকৰ্ম্মৰ অযশস্যা
১৭ যিহৎ হয় তক্ৰুন কৰিবা কিয়নো ঈশ্বৰৰ ৰাজ্য

খোৱা পীয়া ন হয় কিন্তু স্বৰূপ্ কৰ্ম্ম কুশল
১৮ ধৰ্ম্মাত্মাৎ আনন্দ । কিয়নো যি এই কৰ্ম্মৎ খ্ৰীষ্টক্
সেৱা কৰে সি ঈশ্বৰৰ্ গ্ৰাহ্য আৰু মানুহৰ মনো
১৯ নীৎ । এয়েৰেই কুশল কৰোত্তা আৰু যিহতে
এটায় আনৰ্ হিৎ কৰিব পাৰে এই কৰ্ম্মৰ অনুবৰ্ত্তী
যেন্ আমি হোঁ খাজাৰ্ কাৰণ ঈশ্বৰৰ্ কৰ্ম্মৰ্ নাশ
২০ ন কৰিবা । এটাই বেহানি শুচি সেয়ে স্বৰূপ্ কিন্তু
যিহতে পৰৰ্ বাধা হয় যি তাক্ খায় তাৰ্ দোষ্
২১ হয় । মঙহ খোৱা দ্ৰাক্ষাৰ ৰহ পীয়া বা আৰু
কোনো বেহানিৎ তোমাৰ্ ভায়ায় খুঁটি খায় বা
হেকৎ পৰে বা দুৰ্ব্বল হয় ঐয়াক্ খাব লগা ন হয় ।
তোমাৰ্ কি সজ্ঞাৎ আছে তাক ঈশ্বৰৰ্ সম্মুখে
২২ তাকে আপোনাৰ্ কোখৰৎ খোৱা যি আপোন্ ক্ষতে
২৩ আপোনাকে জুহিয়া ন কৰে সি ধন্য । যাৰ্ সংশয়
আছে সি যেদি খায় তেবে দুষিয়া হয় যি হেতুক্
সজ্ঞাতেৰে আগেই খোৱা নায় কিয়নো সজ্ঞাতপূৰ্ব্বক্
যি ন হয় সেয়ে পাতক্ ।

পৰ্ব্ব এই হেতুক্ বলী আমি দুৰ্ব্বলাহঁতৰ্ দুৰ্ব্বলিতা সহা
১৫ আৰু আপোনাহঁতৰ্ সন্তোষ্ ন কৰা ঐয়াকে আমি
২ কৰিবলগা । আমাৰ্ মাজৰ্ সদোএ হিতৰ্
৩ নিমিত্তে আপোন্ ওচৰৎ থকাৰ্ সন্তোষ্ কৰোক্ কিয়
নো খ্ৰীষ্টে আপুনি আপোনাৰ্ সন্তোষ ন কৰিলে। কিন্তু
যিবিলাকে তোমাক্ বিগত্তি কৰিলে সিহঁতৰ্ বিগত্তি
মোৰ্ ওপৰৎ পৰিল্ এই কথা যেনেকৈ লেখা আছে

৪ তেনে কৰিলে। কিয়নো আমি সহনশীলৰে
ধৰ্ম্মগ্ৰন্থিৎ ওপজা সান্ত্বনাৰে আশা পোৱা হোঁ এই
কাৰণ্ আগেই যিং কথা লেখা আছিল্ সেয়ে
৫ আমাৰ্ শিক্ষাৰ্ নিমিত্তে লেখা আছিল্। সদাঃ
তোমাক্ এক্ মন আৰু এক্ মুখেৰে ঈশ্বৰ্ অথচ
৬ আমাৰ্ প্ৰভু য়িশু খ্ৰীষ্টে বাপেকক্ প্ৰশংসা কৰা এই
কাৰণে সহনশীলকে কৰোতা ঈশ্বৰে কৰোক তো
মোলাকে খ্ৰীষ্ট য়িশুৰ্ অনুসাৰে অন্যোন্য এক
৭ চিত্ততাৎ নিবিষ্ট হোৱা। এইহেতুক্ যেনেকৈ
ঈশ্বৰৰ্ মাহাত্ম্য প্ৰেচিৰ্ কৰিবলৈ খ্ৰীষ্টে আমাক্
গ্ৰহণ কৰিলে তেনেকৈ তোমোলাকেও এটায় এটাক্
৮ গ্ৰহণ কৰা। এতিয়া ময় জৈয়াকে কও পিতৃ
বিলাকক্ প্ৰতি ঈশ্বৰৰ্ যি অঙ্গীকাৰ্ আছিল্ সেই
৯ অঙ্গীকাৰকে থিৰ্ কৰিবলৈ আৰু অন্য দেশীহঁতৰ্
মাজৎ ময় তোমাক্ প্ৰতি শৈ কৰিম্ তোমাৰ্
নামৰ্ কথাৎ গীতো গায় আৰু হে অন্যদেশী
১০ হঁৎ তহঁতে তেঁওৰ্ মানুহে সৈতে ৰঙ্গ কৰ্ আৰু হে
অন্য দেশাহঁৎ তহঁতে য়িহুহাক্ স্তুতি কৰ্ হে
এটাই মানুহ তোমোলাকে তেঁওক্ শ্লাঘা কৰা আৰু
১১ য়িশাঈয়াহায় কয় য়িশিৰনৰা এক গুৰি হব আৰু
যেয়ে অন্যদেশীহঁতৰ্ ওপৰৎ আধিপত্য কৰিবলৈ
ওঠিব তেঁওতে অন্যদেশীহঁতে শৰণ লব এনেং কথা
১২ যেনেকৈ লেখা আছে তেনেকৈ অন্য দেশীহঁতে
ঈশ্বৰৰ্ কৃপাৰ্ গুণে তেঁওক্ প্ৰশংসা কৰে এই গুণে

ঈশ্বৰৰ্ সত্য পালিবলৈ চেল্‌কটিয়াইঁতৰ্ এক্ সেৱ
১৩ কিয়া আছিল্। সদাঃ তোমোলাক্ বিশ্বাসৰ্
প্ৰভাৱেৰে আসাতে ভালেমান্ পূৰ্ হোৱা এই গুণে
আসা উপজাবা ঈশ্বৰে তোমোলাকক্ আস্তিক্
১৪ কৰাতে আনন্দতে কুশলতে পূৰ্ কৰোক্। হে
মোৰ্ ভায়ইঁৎ তইঁৎ যি সাজৰে গিয়ানেৰে পূৰ্
আছ আৰু এটায় এটাক্ উপদেশ দিব পাৰ্ জৈয়াক্
১৫ ময় আপুনি তইঁতৰ্ নিশ্চয় কৰি জানিচো। কিন্তু
ভায় হে বিশ্বাসৰে অন্যদেশী মানুহ নৈবেদ্যৰ্
নিচিনা পবিত্ৰ কৰা হুই গ্ৰাহ্য হয় এই নিমিত্তে
অন্যদেশীইঁতৰ্ আগৎ শুভবাৰ্ত্তাৰ্ শুশ্ৰূষা কৰোতা
১৬ যিশু খ্ৰীষ্টৰ সেৱকিয়া ময় হোঁ ঈশ্বৰে মোৰ্ আগৎ
দিয়া যি অনুগ্ৰহ সেই অনুগ্ৰহৰ্ গুণে ময় কিঞ্চিৎ
সাহিয়াল্ হুই তোমোলাকৰ্ মনৎ দিয়াৰ্ নিচিনা
১৭ কৈ তোমোলাকলৈ লেখিচো। এয়েৰেই ঈশ্ব
ৰৰ্ যিং কথাৎ যিশু খ্ৰীষ্টৰ্ দোৱাৰায় মোৰ্ গৰ্ব্ব
১৮ বানী কোৱাৰ্ হেতু আছে। কিয়নো যিহুতে
ময় যিৰুশালমৰ্পৰা চাৰিওফালে ঈলিৰিকিমলৈকে
১৯ খ্ৰীষ্টৰ্ শুভবাৰ্ত্তা সংপূৰ্ণ কৰি কীৰ্ত্তন কৰিচো এনে
যি অতি প্ৰভাৱযুক্ত লক্ষন আশ্চৰ্য্য কৰ্ম্ম তাকে
কৰাৎ আৰু ঈশ্বৰৰ্ আত্মাৰ্ প্ৰভাৱৎ অন্য দেশী
ইঁতক্ বাক্যেৰে কৰ্ম্মেৰে মনা কৰিবলৈ যিহক্ খ্ৰীষ্টে
মোৰ্ দোৱাৰায় কৰোৱা নায় সেই কথা কবলৈ ময়
২০ সাহিয়াল্ নহয়। শুভবাৰ্ত্তা কীৰ্ত্তন কৰিবলৈ

ময় যতন কৰিছোঁ হয় কিন্তু যৎ খ্রীষ্টৰ্ নাম কোৱা
গৈছে তৎ নায় জানো পাচে ময় আন্ কাৰোবাৰ্
২১ বাৰৰ্ ওপৰৎ বান্ধো যিবিলাকৰ্ আগৎ তেওঁৰ্ কথা
কোৱা ন গল্ সেইবিলাকে দেখিব আৰু যিবিলাকে
শুনা নায় সেইবিলাকেও বুজিব এই কথাঃ যেনে লেখা
২২ আছে তেনে কৰিছোঁ। এই নিমিত্তে তোমো
লাকৰ্ ওচৰলৈ আহিবলৈ ময় মেপেং বাধিৎ হই
২৩ ছিলো কিন্তু এতিয়া এই ফালে মোৰ্ আৰু ঠাই ন
হলে আৰু ভালেমান্ বৎসৰৰেপৰা তোমোলাকৰ্
ওচৰলৈ যাবলৈ মোৰ্ বড় ইচ্ছা হলে যি কোনো
কালৎ ময় স্পানিয়ালৈ যাত্রা কৰো সেই কালৎ
২৪ তোমোলাকৰ্ ওচৰলৈ আহিম্ কিয়নো ময় বাটৎ
তোমোলাকক্ দেখিবলৈ আৰু আদিতে তোমোলা
কৰ্ সহবাসৎ কিঞ্চিৎ তৃপিতি পায় তোমোলাকৰ্
উপকাৰৎ সেই ফাললৈ আগ হবলৈ ভৰসা কৰো
২৫ কিন্তু এতিয়া ধৰ্ম্মবন্তবিলাকক্ সেৱা কৰিবলৈ ময়
২৬ যিৰুশালমলৈ যও কিয়নো যিৰুশালমৎ থকা দুখিয়া
ধৰ্ম্মবন্ত সকললৈ কিছু দান্ কৰিবলৈ মাকিদোনিয়াতে
২৭ আখাইয়াতে থকা সকলৰ্ আকাংক্ষা আছিল্। সিহি
লাকৰ্ আকাংক্ষা আছিল্ হয় সিবিলাকে সিবিলাকৰ্
ধৰুৱাও হয় কিয়নো যেদি আন দেশীহঁতে সিহঁত
ৰ্ পাৰমাৰ্থিক্ বেহানি প্রাপ্ত কৰা গৈছে তেবে দৈহিক
বেহানি দি সিবিলাকক্ শুশ্রূষা কৰিবলগা সিবিলা

২৮ কৰ্ আছে। এই হেতুক্ মই এই বন্ কৰি আৰু
সিবিলাকক্ মোহৰ্ চাপাৰ্ নিচিনাকৈ এই ফল্ থিৰ্
কৰি দি তোমালোকৰ্ ওচৰ্ চাপি স্পানিয়ালৈ যাম্।
২৯ যেতিয়া মই আহোঁ তেতিয়া খ্রীষ্টৰ্ শুভবার্ত্তা ৰূপ্ আ
শীর্ব্বাদৰ্ ভৰ্ পূৰতা লগত লৈ আহিম ঔয়াকে মই
৩০ নিশ্চয়ে জানো। সদাঃ ভায়হঁৎ হে য়িহুদা দেশৎ
থকা অনাস্তিক মানুহবিলাকৰ্ হাতৰ্পৰা মই ৰক্ষা
৩১ পাঁও আৰু য়িৰুশালমৎ থকা সকললৈ মোৰ্ যি
সেৱা তাকে ধর্ম্মবন্তে গ্রহণ কৰে ঈশ্বৰৰ ঔচ্ছাক্রমে
৩২ মই ৰঙ্গ মনে তোমালোকৰ্ ওচৰৎ ওপগৎ হোঁ তো
মালোকে সৈতে থাকি ভাল্পাঁও মযে সৈতে প্রার্থনা
৩৩ কৰাৎ যতন্ কৰা মই প্রভু য়িশু খ্রীষ্টৰ অর্থে ধর্ম্মা
ত্মাৰ্ চেনেহৰ্ অর্থেও এই মিনতি কৰো সদাঃ কু
শল দিয়োতা ঈশ্বৰ তোমালোকৰ্ ওচৰ্ হোক্।
পর্ব্ব কেঁক্রেয়াৰ্ মণ্ডলীৰ্ এজনী পৰিচাৰক্ আমাৰ্ ভনী
১৬ ফেবে তোমালোকে পৱিত্রবিলাকৰ্ ওচিৎ মতে
২ তাইকে প্রভুৰ জানি গ্রহণ কৰা আৰু যি কোনো
কথাৎ তোমালোকৰ্পৰা তাইৰ্ ওপকাৰৰ্ প্রয়োজন
হয় সেই কথাৎ তাইৰ্ ওপকাৰ্ কৰা এই গুণে
৩ তাৰে নিমিত্তে হাৎ আথৰ্ মই তোমালোকৰ্ তলৈ
দিয়ো কিয়নো তেঁও ভালেমানক্ প্রতি আৰু মোকো
প্রতিপালিকা হইছে। খ্রীষ্ট য়িশুৎ মোৰ্ ওপ
কাৰী আৰু মোৰ্ প্রাণৰ্ কাৰণ আপোনাৰ্ ডিঙ্গি

৪ দিছে আৰু যিবিলাকৰ প্ৰশংসা কেৱল ময় কও
এনে ন হয় কিন্তু অন্যদেশীইঁতক্ যেতেক মণ্ডলী
সিবিলাকেও সিবিলাকৰ প্ৰশংসা কৰে এনে যি প্ৰিস্কিল্লা
৫ আৰু আকিল্লা সিবিলাকক্ নমস্কাৰ দিবা। সিবি
লাকৰ ঘৰৎ যি মণ্ডলী আছে তেঁওবো নমস্কাৰ্
দিবা। খ্ৰীষ্টক্ প্ৰতি আযায়াৰ্ প্ৰথম্ ফল্ মোৰ্
অতি প্ৰিয় এপেনেতস্ তেঁওকো নমস্কাৰ্ দিবা।
৬ আমাৰ্ নিদানে ভালেমান্ চৰম্ কৰিলে যি মাৰিয়া
৭ তেঁওকো নমস্কাৰ্ দিবা। পাচনীবিলাকৰ্ মাজৎ
সুযশী আৰু মোৰ্ আগেইও খ্ৰীষ্টৎ আছিল্ এনে
যি মোৰ্ আত্মীয় লগৰ্ বন্দিয়াৰ্ যি আন্দ্ৰনিকস্
৮ আৰু যুনিয়া সিবিলাককো নমস্কাৰ্ দিবা। প্ৰভুৎ
মোৰ্ যি প্ৰিয় আম্প্লিয়াস্ তেঁওকো নমস্কাৰ্ দিবা।
৯ উৰ্ব্বানি নামে খ্ৰীষ্টৎ আমাৰ্ লগৰিয়া আৰু মোৰ্
প্ৰিয় ভাখিস্ সিবিলাককো নমস্কাৰ্ দিবা খ্ৰীষ্টৎ পৰী
১০ ক্ষিৎ আপেলসক্ নমস্কাৰ্ দিবা। আৰিস্তবুলসৰ্
১১ পৰিয়াল্ মানুহক নমস্কাৰ্ দিবা। মোৰ্ আত্মীয়
হেৰোদিয়নক্ নমস্কাৰ্ দিবা। নাৰ্কিসসৰ্ পৰি
য়ালৰ্ মাজৎ যিবিলাক্ প্ৰভুৎ আছে সেইবিলাকক্
১২ নমস্কাৰ্ দিবা প্ৰভুৎ চৰম কৰে যি ত্ৰুফেনায় আৰু
ত্ৰুফোসা সিবিলাকক্ নমস্কাৰ দিবা। প্ৰভুৎ ভালে
মান্ চৰম্ কৰিলে যি প্ৰিয়পৰ্সিসে তেঁওকো নমস্কাৰ
১৩ দিবা। প্ৰভুৎ মনোনীৎ যি ৰুফস তেঁওক্ আৰু

তেঁওর্ মাক্ আরু মোর্ আয়কো নমস্কার দিবা ।
১৪ আসন্ক্রিতস্ ফ্লেগোন হর্ম্মস্ পাত্রোবাস্ হর্ম্মিস ঔবি
লাকক্ আরু সিবিলাকে সৈতে যিমান্ খ্রিনাবুলু
১৫ সিবিলাককো নমস্কার দিবা । ফিললোগস্ যুলি
য়া নেরিয়স্ তেঁওর্ ভনিয়েক্ ওলম্পস্ ঔবিলাককো সি
বিলাকর্ লগৎ যিমান্ খ্রিনাবুলু মানুহ্ সিবিলাককো
নমস্কার দিবা । খ্রিনা চুমা দি এ জনে এজনক্
১৬ নমস্কার করিবা । খ্রীষ্টর্ মণ্ডলী যি মান্ ঔবিলা
১৭ কে তোমোলাকক্ নমস্কার করে । হে ভায়হঁৎ
তোমোলাকে যি শিক্ষা পাইছা তার্ বিরোধে বেলেগ্
বাধা যি মানুহ জন্মায় সেইবিলাকক্ নিশ্চয় করা
সিবিলাকর্ ওচরলৈ নে যাবা মর সদাঃ এই মিনতি
১৮ করো । কিয়নো যিবিলাক এইবিধর্ সেইবিলাকে
আমার্ প্রভু যিশু খ্রীষ্টক্ সেৱা ন করে কিন্তু আপো
নার্ পেটক্ সেৱা করে আরু প্রীতি বাক্য মধুর
১৯ কথাৎ কেঁচা মানুহর্ মন্ ভোল করে কিয়নো তো
মোলাকর্ সঞ্চাৎ এটাই মানুহর্ আগৎ প্রৌচিছে
আছে কিন্তু তোমোলাক্ সুকর্ম্মৎ জ্ঞানবুলু কুকর্ম্মৎ
২০ মূর্খ হোৱা ঔয়াকে মর্ খোজো । আরু কুশল্
করোতা ঈশ্বরে কিছু কাল পলমে তোমোলাকর্
ভরির্ তলৎ শয়তানক খেপেটা করিব । আমার প্রভু
যিশু খ্রীষ্টর অনুগ্রহ তোমোলাকর্ ওপরৎ হোক্
আমেন ।—
২১ মোর লগরিয়া তিমোথিয়স মোর আত্মীয় লুকিয় স

আৰু য়াসন্ আৰু সসিপতৰ্ জৌবিলাকে তোমোলাকক্
২১ মনস্কাৰ্ কৰে। এই কাকৎ লেখিলো যি তার্শিয়স্
২৩ নামে আমি প্ৰভুৎ তোমোলাকক্ সেৱা কৰো। মোৰে
এটায় মণ্ডলীৰে আলহি যি গাইয়স্ তেঁও তোমোলা
কক্ সেৱা কৰে। নগৰৰ্ ভাণ্ডৰিয়া যি এৰাস্তস্
আৰু ক্বার্ত্তস্ নামে এজন্ ভায়েক্ জৌবিলাকে তোমোলা
২৪ কক্ সেৱা কৰে। আমাৰ্ প্ৰভু যিশু খ্ৰীষ্টৰ্ অনুগ্ৰহ
তোমোলাকৰ্ এটাইৰে ওপৰৎ হোক্ আমিন।—
২৫ ব্ৰহ্মাণ্ডৰ্ আৰম্ভনৰেপৰা যি গূঢ় অপ্ৰৌচিক্ আ
২৬ ছিল্ কিন্তু এতিয়া প্ৰৌচিক্ হইছে আৰু নিত্যস্থায়ী
ঈশ্বৰৰ্ আজ্ঞাৰ্ অনুসাৰে আচাৰ্য্য সকলৰ্ পুথিৰ্
দোৱাৰায় সঞ্চাৎ মানিবলৈ এটায় দেশীইতৰ্
আগৎ প্ৰৌচিক আছে সেই গূঢ়ানুসাৰে মোৎ
দিয়া শুভ বার্ত্তাৰে যিশু খ্ৰীষ্টৰে কীর্ত্তন্ তদনুসাৰে
২৭ তোমোলাকক্ যেয়ে থিৰ্ কৰিব পাৰে থাক্ বিলে জ্ঞান
বন্ত আৰু কোনো ন হয় তেঁওৰ্ প্ৰশংসা যিশু খ্ৰীষ্টৰ্
দোৱাৰায় সদাসর্ব্বক্ষণে হোক্। আমিন্।—

## কৰিন্থি সকলক্ প্ৰতি পাওলৰ্ প্ৰথম্ কাকৎ ।

### ১ প্ৰথম্ পৰ্ব্ব ।—

১ ঈশ্বৰৰ্ যি মণ্ডলী কৰিন্থিৎ আছে যিবিলাক খ্ৰীষ্ট
যিশুৎ পবিত্ৰ প্ৰণাৰুন্ত ৰূপে প্ৰখ্যাত আৰু যাৰে
পতি যিযান্ মানুহে আমাৰ্ প্ৰভু যিশু খ্ৰীষ্টৰ্ নামে
২ প্ৰাৰ্থনা কৰে তেঁৱেই সেই বিলাকৰো আমাৰো প্ৰভু
সিবিলাকৰ্ তলৈ ঈশ্বৰৰ ঈচ্ছাক্ৰমে যিশু খ্ৰীষ্টৰ্
নিযোজিৎ পাওল্ পাঁচনি আৰু আমাৰ্ ভাই সাস্তেনে
কাকৎ লেখে ।—

৩ আমাৰ্ পিতা ঈশ্বৰৰ প্ৰভু যিশু খ্ৰীষ্টৰপৰা অনু
৪ গ্ৰহ আৰু কুশল্ তোমালোকৰ্ প্ৰতি হোক্ । ঈশ্বৰৰ্
যি অনুগ্ৰহ যিশু খ্ৰীষ্টৰ্ দোৱাৰায় তোমালোকলৈ
দিলে সেই অনুগ্ৰহৰ্ গুণে ময় তোমালোকৰ্ নিমিত্তে
৫ নিতৌ মোৰ্ ঈশ্বৰক্ ধন্য বোলো। খ্ৰীষ্টৰ্ প্ৰমাণ
৬ তোমোলাকৰ্ মাজৎ যেনেকৈ থিৰ্ কৰা গৈছে তেনে
৭ মতে তেঁৱৰ্ দোৱাৰায় তোমোলাক এটায় বাক্যটু
ভাতে এটায় জ্ঞানকৰ্ ধনতে ধনী হইছা আমাৰ্
প্ৰভু যিশু খ্ৰীষ্ট আহিবলৈ অপেক্ষা কৰোতা যি তোমো
৮ লাক্ সেই তোমোলাক কোনো শক্তিৎ নূন নোহোৱা

শেষলৈকে যেয়ে তোমালোকক্ স্থিৰ্ কৰিব এই
৯ তোমালোক আমাৰ্ পভু যিশু খ্রীষ্টৰ্ দিনত নিৰ্দোষ
ৰাখি হোৱা তোমোলাক তেওঁৰ্ পুত্ৰক্ আমাৰ্ পভু
যিশু খ্রীষ্টৰ্ আত্মীয় ৰূপে নিযোজিত আছিলা যেনে
যি ঈশ্বৰ তেওঁ বই বিশ্বাসী।—
১০ হে ভাই সকল্ আমাৰ্ পভু যিশু খ্রীষ্টৰ নামলৈ
মই সদায় এই মিনতি কৰো তোমোলাকে যেন্ এটায়ে
একে কথা কোৱা একো বিৰোধ যেন্ ন হয় কিন্তু
তোমোলাক যেন এক্ মন্ আৰু একে আলচ্ মই
১১ বান্ধৰে যেন্ সম্পদায় বন্ধিত হই থাকা। কিয়নো
ভাই হে তোমালোকৰ্ মাজত বিৰোধ আছে এয়
গ্লোইৰ্ পৰিয়ালহঁতৰ্ দ্বাৰা মোৰ্ আগত প্ৰৈচিহ্
১২ হইছিল্ তোমোলাকৰ মাজৰ্ কোনো কয় মই পাও
লৰ্ কোনো কয় মই আপলসৰ্ কোনো কয় মই
কাইফাৰ্ আৰু কোনো কয় মই খ্রীষ্টৰ তোমো
১৩ লাকত মই এভিয়া জৈয়াকে কও। খ্রীষ্ট ভাগ হই
ছে নে পাওল তোমালাকৰ্ শলনি কুশত হত হই
১৪ ছিল্ নে বা তোমালাক্ পাওলৰ্ নামে ডুবিছিলা সে
মই কৃস্পক্কে গায়সক্কে বাহিৰেকে তোমালাকৰ্
১৫ কাকো ডুবু ৰানায় সেই কাৰণে মই ঈশ্বৰক্ পুতি
ধন্য বোলো জানো কোনোবায় কয় মই আপোনাৰ্
১৬ নামে ডুৰ দিয়ালো। মই স্তেফানসৰ্ পৰিয়ালহঁতক্
ডুৰ দিয়াইছো ভদ্ৰাতিৰেকে মই আৰু কাকোবাক্
ডুৰ দিয়াইছো জৈয়াক্ মই নে জানো।

১৭ কিয়নো তুঁত দিয়াবৰ্ নিমিত্তে ঈশ্বৰে আমাক্ পঠি
য়োৱা নায় কিন্তু শুভবাৰ্ত্তা কীৰ্ত্তন্ কৰিবৰ্ নিমিত্তে সিও
বাক্ চাতুৰিৰে ন হয় জানো, খ্ৰীষ্টৰ্ ক্ৰুশ নিৰৰ্থক
১৮ হয়। কিয়নো নাশ্য যিবিলাক্ সেইবিলাকৰ্
প্ৰতি ক্ৰুশ কীৰ্ত্তন্ কৰা বলিইয়া কিন্তু তাৰিৎ যি আমি
১৯ আমাক্ প্ৰতি সেই কীৰ্ত্তন্ ঈশ্বৰৰ্ প্ৰভাৱ কিয়নো
এই কথাৰ্ আখৰ্ আছে ময় বিদ্বন্ত সকলৰ্ বিদ্যা
নষ্ট কৰিম্ আৰু সাভম্ মানুহৰ্ বুদ্ধিও বিনাশ
২০ কৰিম্ বিদ্বন্ত কৎ বৈয়াকৰণী কৎ এই সংসাৰৰ্ দুষ্
শাদূষণি কৰোতা কৎ ঈশ্বৰে এই ব্ৰহ্মাণ্ডৰ এটায়
২১ জ্ঞানক্ উন্মত্ত ন কৰিছে নে ঈশ্বৰৰ জ্ঞানৎ ব্ৰহ্মাণ্ডৰ্
মানুহে স্বৰ্গীয়ানৰ্ দ্বাৰা ঈশ্বৰক্ নে জানিলে এয়ে
হলৎ পাচে কীৰ্ত্তন্ কৰা ৰূপ্ বলিইয়াৰ্ দোৱাৰায়
আস্তিক্ কৰোতাহঁতক্ উদ্ধাৰিবলৈ ঈশ্বৰৰ্ আশক্তি
২২ আছিল্। কিয়নো য়িহুদীহঁতে কোনো লক্ষণ্
২৩ খোজে গ্ৰীকহঁতে বিদ্যা বিচাৰে কিন্তু য়িহুদীহঁতক্
২৪ প্ৰতি বাধা গ্ৰীকহঁতক্ প্ৰতি বলিইয়া কিন্তু য়িহুদী
গ্ৰীকাদি যিমান্ নিয়োজিৎ মানুহ ঔহঁতক প্ৰতি
ঈশ্বৰৰ্ প্ৰভাৱ ঈশ্বৰৰ্ গিয়ান্ যেয়ে এই ক্ৰুশৎ হত
২৫ খ্ৰীষ্টক্ আমি কীৰ্ত্তন্ কৰো। কিয়নো ঈশ্বৰৰ বলি
ইয়া মানুহৎকৈ গিয়ানী আৰু ঈশ্বৰৰ্ দোৰ্ব্বলা
২৬ মানুহৎকৈ বলী। কিয়নো ভাই হে তোমোলাক
আপোনাহঁতৰ্ বেৰুসায় দেখিলা তাতে সাংসাৰিক
মতিয়া ভালেমান্ পণ্ডিৎ বা ভালেমান্ প্ৰভাৱ বা ভালে

২৭ মান্ বড় মানুহ নায়। কিন্তু কোনো প্ৰাণীএ তেঁওৰ
আগৎ গৰ্ব্ব কথা ন কৰলৈ গিয়ানিহঁতৰ পৰিহানি কৰি
বলৈ ঈশ্বৰে ব্ৰহ্মাণ্ডৰ মূৰ্খ বেহানি মনস্থ কৰিছিল্
২৮ আৰু প্ৰভাবন্ত বেহানিৰ পৰিহানি কৰিবলৈ ব্ৰহ্মা
২৯ ণ্ডৰ নিৰ্ব্বলি বেহানি মনস্থ কৰিছে আৰু ঈশ্বৰে এই
ব্ৰহ্মাণ্ডৰ তল্ নিন্দনীয় বেহানি মনস্থ কৰিছে আৰু
বৰ্ত্তমান বেহানিৰ্ পৰিহানি কৰিবলৈ অবৰ্ত্তমান্ বে
৩০ হানিকো মনস্থ কৰিছে। কিন্তু যি যিশু খ্ৰীষ্ট
বিদ্যাকে পাৰমাৰ্থ্যকে শুদ্ধ সত্ত্বকে মুক্তিকে ঈশ্বৰে
৩১ আমালৈ কৰাহইছে তেঁওৰ্ দোৱাৰায় তোমো
লাক্ খ্ৰীষ্ট যিশুৎ আছা যেনেকৈ এই আগৰ্
আছে যি গৰ্ব্ব কথা কয় সি ঈশ্বৰৰ্ নিমিত্তে গৰ্ব্ব কথা
কওক।—

পৰ্ব্ব ভায় সকল হে ময় যেতিয়া তোমোলাকৰ্ ওচৰলৈ
২ আহিলো তেতিয়া বাক্যৰ্ বা বিদ্যাৰ্ পটুতা কৰি
২ ঈশ্বৰৰ্ প্ৰমাণ পৌচিক কৰিবলৈ ময় নাহিলো।
কিয়নো যিশু খ্ৰীষ্ট আৰু তেঁও ক্ৰুশৎ হত জৈয়াক্
বাঁতিৰেকে আৰু একো ময় তোমোলাকৰ্ মাজৎ
৩ নে জানো মোৰ্ এই নিয়ম্ আছিল। তেতিয়া দুৰ্ব্বল
ভাৱে ভয়েৰে বড় কম্পনেৰে তোমোলাকৰ্ ওচৰৎ
৪ ময় আছিলো। আৰু তোমোলাকৰ্ বিশ্বাস্ মানুহৰ্
৫ বিদ্যাৎ যেন ন হয় কিন্তু ঈশ্বৰৰ্ প্ৰভাৱতে হয় এই
নিমিত্তে মোৰ বাক্য আৰু কীৰ্ত্তন্ মানুহৰ্ বিদ্যাৰে
মনোহৰ্ কথাৎ নাছিল্ কিন্তু আত্মাৰ্ দৃঢ় প্ৰমাণতে

৬ প্ৰভাৱতে আছিল্। সম্পূৰ্ণ যি সকল সেই সকলৰ্
মাজত আমি বিদ্যা কওঁ হয় কিন্তু এই জগতৰ
বিদ্যা বা এই জগতৰ্ নাশ্য অধিপতিহঁতৰ্ বিদ্যা
৭ ন হয় কিন্তু যি গুপ্ত বিদ্যা ঈশ্বৰে আমাৰ মোক্ষাৰ্থে
জগতৰ্ আগেই নিৰ্ম্মিছল যাক এই জগতৰ কোনো
৮ অধিপতিএ নেজানিলে কিয়নো সিহঁতে যেবে তাক
জানিলেহেঁতেন তেবে মহিমাযুক্ত ঈশ্বৰক ক্ৰুশত
হত ন কৰিলেনহেঁতেন ঈশ্বৰৰ্ সেই গুঢ় বিদ্যা
৯ কওঁ। কিন্তু যেনেকৈ এই লেখা আছে যিবিলাকে
ঈশ্বৰক প্ৰেম কৰে সিহঁতৰ্ নিমিত্তে ঈশ্বৰে যি যুগুত
কৰিছে সেয়ে কিং জীয়াক চক্ষুএ দেখা নায় কানে শুনা
১০ নায় মানুহৰ্ মনে সোমোৱা নায়। কিন্তু আপোন
আত্মাৰ্ দোৱাৰায় ঈশ্বৰে আমাৰ আগত তাক
প্ৰৌচিক কৰিছে কিয়নো আত্মায় এটাইবে শোধ কৰে
১১ আৰু ঈশ্বৰৰ্ গম্ভীৰ বস্তুবো শোধ কৰে। কিয়নো
মানুহৰ মাজত আত্মাৰ ব্যতিৰেকে মানুহৰ মনৰ
কথা কোনে জানে তেনেকৈ ঈশ্বৰৰ্ আত্মাক বিনে
১২ ঈশ্বৰৰ্ কথা কোনেও নেজানে। যি বস্তু ঈশ্বৰে
বিনামোলে আমাক দিয়ে সেই বস্তু জানিবলৈ
আমি সংসাৰি আত্মাক পোৱা নায় কিন্তু ঈশ্বৰৰ্
১৩ পৰা অহা আত্মাক পাইছো। লৌকিক বিদ্যা
শিকায় যি কথায় সেই কথাৰে ন হয় কিন্তু ধৰ্ম্মাত্মায়
যি কথা শিকায় সেই কথাৰে আমি এক পাৰমাৰ্থিক

বস্তুৰে আন পাৰমার্থিক বস্তুৰে সৈতে বিবেচনা
১৪ কৰি সেই কথা কওঁ। কিন্তু স্বাভাবিক মানুহ ঈশ্বৰৰ
আত্মাৰ বস্তুন লয় কিয়নো সেই বস্তু তাক প্রতি বলি
য়া সেই পৰমার্থৰে দৃষ্ট হয় এয়েৰেই সি তাক
১৫ জানিব নোৱাৰে। যি পাৰমার্থিক হয় সি এটাইৰে
শোধ কৰে কিন্তু আপুনি কাৰো দ্বাৰা শোধিত নয়।
১৬ কিয়নো ঈশ্বৰৰ মন কোনে জানিছে যি তেওঁক
ওপদেশ কৰিব কিন্তু আমি খ্রীষ্টৰ মন জানিছো।—
পর্ব্ব হে ভাইহঁত পাৰমার্থিকহঁতক যেনে বোলে তেনে
৩ তোমোলাকক ময় কৈব নোৱাৰিলো কিন্তু শাৰী
ৰিক অথচ যি খ্রীষ্টত বালক এনে লোকবিলাকক
২ যেনে বোলে তেনে কৈছো। তোমোলাকক ময়
গাখীৰ খুৱাইছো গুৰু ভক্ষ্য খুওৱা নায়। কিয়নো
এতিয়ালৈকে তোমোলাকে তাক সহিব নোৱাৰিলা
এতিয়াও নোৱাৰা কিয়নো তোমোলাক এতিয়াও
৩ দৈহিক। তোমোলাকৰ মাজত যিয়াল বিৰোধ
পার্থক্য আছে তাতে তোমোলাক দৈহিক নোহোৱা
৪ নে আৰু মানুহৰ নিচিনাকৈ ন প্রবর্ত্তানে। কিয়নো
যেতে বলিলৈকে এজনে বোলে ময় পাওলৰ আৰু
এজনে বোলে ময় আপলসৰ তেতে বেলিলৈকে তো
৫ মোলাক দৈহিক নোহোৱা নে ঈশ্বৰে সাদোকে
যেনেকৈ দিছে তদনুসাৰে যিবিলাকৰ দোৱাৰায়
তোমোলাকে পতীয়ালা এনে সেৱকিয়াক বিলে

৬ পাউল কোন আৰু আপলস্ কোন। ময় ৰুইছো
আপলসে পানি সিচিছে কিন্তু ঈশ্বৰে ফল্ দিছে।
৭ এয়েৰেই যি ৰোৱে সি একো ন হয় যি পানি সিচে
সিও একো ন হয় কিন্তু ফল্ দিয়োঁতা ঈশ্বৰেই এটায়।
৮ যি ৰোৱে যি পানি সিচে সিহঁৎ এক আৰু সদোএ
৯ আপোন্ কৰ্ম্মানুসাৰে ফল্ পাব। কিয়নো আমি
এক্ বন্ কৰা ঈশ্বৰৰ্ যয়া হইছো তোমোলাক
ঈশ্বৰৰ্ সুকিয়া যোঁৎ তোমোলাক্ ঈশ্বৰৰ্ ঘোটনি।
১০ ময় যেনেকৈ ঈশ্বৰৰ্ অনুগ্ৰহ পাইছো তেনেকৈ ঘৰ
সজিয়াৰ্ নিচিনাকৈ বাৰ্ কৰিলো আৰু আন্ যান্নহে
তাৰ্ ওপৰৎ বান্ধে কিন্তু সদোএ তাৰ্ ওপৰৎ কেনেকৈ
১১ বান্ধে ঔয়াৎ সাভস্ হোক্ কিয়নো যি বাৰ্ বন্ধা
গৈছে অৰ্থাৎ যিশু খ্ৰীষ্ট তদ্ভিন্ন আন্বাৰ্ কোনেও
১২ কৰিবপৰা নায় আৰু যেদি কোনোএ সোন্ ৰূপ্
মণি খৰি খেৰ নৰা ঔয়াৰ মাজৰ্ কোনো
১৩ বেহানি এই বাৰৰ্ ওপৰৎ বান্ধে তেবে সদোৰে কৰ্ম্ম
প্ৰৌচিক্ কৰা হব তাকেই জুইৎ পৰীক্ষা কৰা হব
আৰু সদোৰে বান্ধন্ কেনে আছে তাৰ্ পৰীক্ষা
জুইয়ে কৰিব আৰু কালে তাকে প্ৰৌচিক্ কৰিব।
১৪ যেদি কাৰো বাৰ্ তাৰ ওপৰৎ কৰা বন্ থাকে তেবে
১৫ সি ফল্ পাব কাৰোবাৰ্ কৰা বন্ যেদি পোড়ে
তেবে তাৰ্ হানি হব তথাপি সি আপুনি উদ্ধাৰ্
হা উদ্ধাৰ্ হয় তেনেকৈ। তোমোলাকে ঈশ্বৰৰ্

পৰা উদ্ধাৰ হবা কিন্তু যেনেকৈ জুইৰপৰা উদ্ধাৰ
১৬ হয় তেনে। তোমোলাকে নে জানানে তোমো
লাক ঈশ্বৰৰ মন্দিৰ আৰু ঈশ্বৰৰ আত্মা তোমোলা
১৭ কৰ মাজৎ বসতি কৰে যেন যেদি কোনোএ ঈশ্বৰৰ
মন্দিৰ নাশ কৰে তেবে তাক্ ঈশ্বৰে বিনাশ কৰিব
কিয়নো ঈশ্বৰৰ মন্দিৰ পবিত্র সেই মন্দিৰ তোমো
১৮ লাক্। কোনেও আপোনাকে ভণ্ডনা ন কৰোক্ যেদি
তোমোলাকৰ মাজৰ কোনোবায় এই জগতৎ
আপোনাকে বুদ্ধিমন্ত বুলি মানে তেবে বুদ্ধিমন্ত
হবৰ নিমিত্তে সি বলিয়া হোক্ কিয়নো ঈশ্বৰৰ
১৯ আগৎ এই ব্রহ্মাণ্ডৰ বিদ্যা বলিয়া। কিয়নো এই
লেখা আছে তেঁও বুদ্ধিমন্তহঁতক্ সিহঁতৰ কুগিয়া
২০ নৎ আটকায়। আৰু পুনুও কোৱা আছে ঈশ্বৰে
২১ বুদ্ধিমন্তহঁতৰ মনন্ যি জানে সিও অনর্থক্। এয়ে
হেই মানুহক্ নিমিত্ত কৰি কোনোএ গর্ব্ব কথা ন
কওক্ কিয়নো তোমোলাক্ এটাই পাওল্ হোক্ বা
২২ আপলস্ হোক্ বা কাইফা হোক্ বা সংসাৰ হোক্
বা জীৱন্ হোক্ বা মৃত্যু হোক্ বা বর্ত্তমান্ বেহালি
২৩ হোক্ বা হবলগা বেহানি হোক এটাই তোমোলা
কৰ্ তোমোলাক্ খ্রীষ্টৰ্ খ্রীষ্ট ঈশ্বৰৰ।—

পৰ্ব্ব যেনেকৈ খ্রীষ্টৰ্ সেৱকিয়া আৰু ঈশ্বৰৰ গুঢ় কথাৰ
৪ ফুৰুনহঁতৰ কথা গণ্য উচিৎ তেনেকৈ আমাৰো কথা
লোকে গণোক মানুহ বিশ্বাসী হয় ফুৰুন্ বিষয়ে

৩ জৈয়াকে যোতে কিন্তু তোমোলাকৰ্ শোবিৎ বা মানুহ
হুৰ্ শোবিৎ ময় যি শোবিৎ হোঁ জৈয়াকে ময় আতি
৪ সৰু তুলি মানো ময় আপোনাকো শোধ্ ন কৰো কি
য়ুনো ময় আপোনাৰপৰা একো নে জানো জৈয়াৰে ময়
কদাচিতো নিজগাৰিয়া নোহোঁ কিন্তু যেয়ে মোৰ্
শোধ্ কৰে তেঁৱেই ঈশ্বৰ্ এয়েৰেই অন্ধকাৰৎ থকা
গুপ্তৎ বেহানি প্ৰৌচিৰ্ কৰিব আৰু মনৰ্ আলচো
জনাব যি প্ৰভু এ তেঁও নাহিলে সেই ওচিৎ কালৰ আ
গেই তোমোলাকে একো শোবি ন কৰিবা সেই কালৎ
৫ ঈশ্বৰৰ্পৰা সদোৱে প্ৰসংশা হ্নব। হে ভায় তোমো
লাকৰ্ হিতলৈ ময় এই বিলাক্ কথা মোৰ্ আপো
নাৰ্ কথাকে আপলসৰ্ কথাকে দৃষ্টান্ত দি কৈছো যি
৬ আমৰ্ আছে ততোবিৰ্ তোমোলাকে কাকো নে মানা
আমাৰ দোৱাৰায় তোমোলাকে জৈয়াকে শিখা এই নি
মিত্তে আৰু এটাৰ্ অনাদৰ্ কৰি আনৰ্ আদৰ্ কৰিবলৈ
তোমোলাকৰ্ কোনো গৰ্ব্বী নহ্নবলৈ এনেকৈ কৈছো।
৭ কিয়নো তোমাক আন্ বিষ্টু কৰিছে কোনে আৰু
তোমাৰ্ যি আছে তাৰ্ আনৰ্পৰা যি নে পাইছে
এনে কোন্ আছে এই হেতুক্ তুমি যেদি তাক্ আনৰ্
পৰা পাইছা তেবে আনৰ্পৰা নোপোৱাৰ নিচিনাকৈ
৮ গৰ্ব্ব কৰা কিয় সদাঃ তোমোলাক্ পুৰ্ হ্নইছা সদাঃ
তোমোলাক্ ধনী হ্নইছা তোমোলাকে আমাক্ বাঁতি
ৰেকে ৰজা সকলৰ্ নিচিনাকৈ আধিপত্য কৰিছা তো
মোলাকে যি আধিপত্য কৰা জৈয়াক্ ময় ঈশ্বৰৰ্

থানৎ যোজো মেয়ে হলে আমিও তোমোলাকে
৯ মৈতে আধিপত্য করিম্ । পাঁচনী যি আমি আমাক্
মরিবলৈ নিযোজিৎ মানুহর্ নিচিনাকৈ ঈশ্বরে
এটারে শেহৎ প্রেচিক করি চ ঔয়াকে ময় হুঁঝো ।
কিয়নো জগতকে দুতকে মানুহকে প্রতি আমি এক্
১০ বেমালি করা হইছো । খ্রীষ্টর্ কারণ আমি
ঙন্মত্ত হইছো কিন্তু তোমোলাক্ খ্রীষ্টৎ গিয়ানি
আমি নির্ব্বলী কিন্তু তোমোলাক্ বলী তোমোলাক
১১ মাননীয় কিন্তু আমি জৌতিকিৎ । এই বর্ত্তমান
ভারলৈকে আমি ভোকেরে পিয়াহেরে ঙলঙ্গটে মার্
১২ খায় অথির্ বাস আছো আরু আপোন্ হাথেরে
বন করি চরম করো । নিন্দিৎ হই আমি আশীর্ব্বাদ
১৩ দিয়ো তাড়না পায় ময় তাক্ সহোঁ । অখিয়াতি
যুক্ত হই আমি নিবেদন্ করো সংসারর্ মলর
আরু এটাই বেহানিরে মামরর্ নিচিনা আমি
১৪ আজি লৈকে করা হইছো । এই কথা ময় তোমো
লাকর্ লাজর কারণ নেলেখো কিন্তু মোর্ প্রিয় পুত্র
১৫ হুঁতর্ নিচিনা তোমোলাবক্ আদেশ করো ।
কিয়নো খ্রীষ্টৎ যেদি তোমোলাকর্ দশ সহস্র
শিক্ষওতা হয় তথাপি তোমোলাকর্ ভালেমান্
পিত্ ন হয় কিয়নো শুভবার্ত্তার্ দোৱাৰায় খ্রীষ্ট
১৬ যিশুৎ তোমোলাকক্ ময়েই ওপজাইছো এই হেতুক
ময় এই মিনতি করো তোমোলাক্ মোর্ প্রতিনিধি
১৭ হোৱা । খ্রীষ্টৎ মোর্ যি আচার্ সেই আচার্

ময় যেনেকৈ সকলেখানে মণ্ডলীএ প্ৰতি শিখও তেনে
কৈ আচাৰ্ যেয়ে তোমোলাকৰ্ মনৎ দিব সেই
মোৰ্ প্ৰিয় পুত্ৰ আৰু প্ৰভুৎ বিশ্বাসী তিমোথিয়সক্
১৮ ময় এই নিদানে পঠিয়াইছো। তোমোলাকৰ্ ওচ
ৰলৈ মোৰ্ নহা থিৰ্ কৰি তোমোলাকৰ্ মাজৎ
১৯ কেৎ বিলাক্ মানুহ গৰ্ব্বী হুইছে। কিন্তু যেদি ঈশ্ব
ৰৰ্ ঈচ্ছা হয় তেবে ময় কিজু কালৰ্ পাচৎ আহিম্
আহিলে যিবিলাক্ ওথহি আছে সিহঁতৰ্ কেবল
কথা নেজানিম্ কিন্তু সিহঁতৰ্ প্ৰভাৱো জানিম।
২০ কিয়নো ঈশ্বৰৰ্ ৰাজ্য বাক্যতে ন হয় কিন্তু শক্তিতে।
২১ তোমোলাকৰ্ কি ঈচ্ছা ময় ডঁৰ বা চেনেহ কোমল
ভাৱ্ আন্যাক্ লগৎলৈ তোমোলাকৰ্ ওচৰলৈ
আহিম্ নে।

পৰ্ব্ব ৫ যি বিধ্ লুম্পট্স্বভাৱ দেৱতা পুজাৰিহঁতৰ্ মাজৎ
১ কোৱা নে যায় যি কোনো মানুহে আপোন্ বাপেকৰ্
তিৰীএ সৈতে ব্যৱহাৰ্ কৰে এনে কুৱা লুম্পট্ স্বভাৱ
তোমোলাকৰ্ মাজৎ আছে ঈয়াক্ সকলে খানে
২ কোৱা যায়। যি এই বন্ কৰিছে সি তোমোলাকৰ্
পৰা বেলেগ্ হুবলৈ তোমোলাকে তাপিৎ নাচিলা
৩ বৰং গৰ্ব্বী হুইজিলা। যি এই বন্ কৰিছে তাক্
কথাৎ ময় দেহৎ তোমোলাকৰ্ ওচৰৎ অবিদ্য
মান কিন্তু মনৎ বিদ্যমান্ যেনেকৈ দেহৎ বিদ্যমান্
হুই শোধ্ কৰিলো হেঁতেন্ তেনেকৈ এতিয়া শোধ্
৪ কৰিছো প্ৰভু যিশু খ্ৰীষ্টৰ্ প্ৰভাৱ লগৎ লৈ যেতিয়া

প্ৰভু য়িশু খ্ৰীষ্টৰ্ নামে তোমোলাকে মোৰ্ আত্মায়
৪ এক্কে লগ হোৱা তেতিয়া প্ৰভু য়িশুৰ্ দিনৎ তেওঁৰ্
আত্মাৰ্ উদ্ধাৰৰ্ নিদানে এই বিধ্কে তেওঁৰ্ শৰী
ৰৰ্ বিনাশলৈ শয়তানৰ্ হাতৎ সমৰ্পিবলৈ তোমো
৬ লাকৰ্ উচিৎ। তোকৰ্ামোল দয়ু ঠিকোন্ ন হয়
তোমোলাকে নেজানা নে যি অলপ্ খমিৰৎ এটায়
৭ সজিৰ্ তাল্ খমিৰ্ কৰে। এয়েৰেই যেনেকৈ
তোমোলাক্ অখমিৰ্ আছা তেনেকৈ তোমোলাকৰ্
এক্ নুতন তাল হবলৈ পুৰণি খমিৰ্ নিলগোৱা।
৮ কিয়নো আমাৰ্ পলনি আমাৰ্ পেশাখ খ্ৰীষ্ট বলি
কৰা আছে এই হেতুকে আমি বিদ্ধ পালো পুৰনি
খমিৰ্ আৰু হিংসেষ্ঠা দুৰ্মতি খমিৰৎ সেয়ে ন
হয় কিন্তু অভগুনা সত্যতাৰুপ অখমিৰৰ্ পিঠাতে
পালো।
৯ লুম্পট্ মানুহে সৈতে পিৰিতি ন কৰিবলৈ তোমো
১০ লাকৰ্ ওলৈ ময় এক্ কাকৎ লেখিছো। কিন্তু এই
সংসাৰৰ্ লুম্পটে লুভিয়ায় বাতুৰ্বাদীএ দেৱতাৰ
পুজাৰিহতে সৈতে ব্যৱহাৰ্ এটায়ে ন কৰে এনে
ন হয় কিয়নো সেয়ে হলে তোমোলাক্ সংসাৰৰ্
১১ বাজলৈ যাবলগা হয় কিন্তু ময় এতিয়া জৈয়াকে
লেখিছো যাকে ভায় বুলি কোৱা এনে কোনোবা
যেদি লুম্পট্ বা লুভিয়া বা দেৱাতাৰ্ পুজাৰি বা
নিন্দক্ বা মতোৱাল্ বা বাতুৰ্বাদী হয় তেবে সেয়ে
সৈতে সখিত্ব কৰিবলৈ আৰু খাবলৈকো হাক্

১২ দিছো। বাজৰ্ যি মানুহ সিহঁতৰ্ শোধ্ কৰি
বৰ মোৰ্ কি দৰকাৰ্ যিবিলাক্ ভিতৰৎ তোমো
১৩ লাকে সেই বিলাকৰ্ শোধ্ ন কৰা নে। কিন্তু যি
বিলাক্ বাজৎ সেই বিলাকৰ্ শোধ্ ঈশ্বৰে কৰে
এয়েৰেই কৎসিৎ আচাৰেৰে মানুহক্ তোমোলা
কৰ্ মাজৰ্পৰা নিলগোৱা।—

পৰ্ব্ব কোনোবা মানুহৰ্ ওপৰৎ যেদি তোমোলাকৰ্
১ কাৰোবাৰ্ গোচৰ্ ওপাৎ হয় তেবে পুনাৱন্ত সক
লৰ্ আগৎ গোচৰ্ নিদি অধৰ্ম্মীহঁতৰ্ আগৎ দিয়া
২ জৈয়াৎ তোমোলাকৰ্ একো ভৰ্ নায় নে পুনাৱন্ত
সকলে জগতৰ্ শোধ্ কৰিব তোমোলাকে জৈয়াক্
নেজানা নে এয়েৰেই যেদি তোমোলাকৰ্ হতুৱায়
জগতৰ্ শোধ্ হব তেবে অতি সৰু গোচৰ্ শুধি
৩ বলৈ তোমোলাক্ যোগ্য নোহোৱা নে। আমি দূত
সকলৰ্ শোধ্ কৰিম্ জৈয়াক্ তোমোলাকে নে জানলে
এয়েৰেই আমি বৈষয়িক্ কথাৎ যি শোধ্ কৰিম্ এয়ে
৪ তাৎকৈ কি মান্ সৰহ। এয়েৰেই এই বৈষয়িক্
কথাৰ্ কিবা গোচৰ্ যেদি হয় তেবে যিবিলাকৰ্ মণ্ড
লীৎ অযশস্যা আছে তোমোলাকে সেই বিলাকক্
৫ শুধিবলৈ নিযোজন্ কৰিবা নে মই তোমোলাকক্
লাজ্ কৰিবলৈ কওঁ ভায়েকে ভায়েকৰ্ মাজৎ শোধ্
কৰিব পাৰে এনে এটা তোমোলাকৰ্ মাজৎ গিয়ানী
৬ নায় নে। কিন্তু ভায়েকৰ্ ওপৰৎ ভায়েকে গোচৰ্
৭ কৰে সিও আকও অনাস্তিকহঁতৰ্ আগৎ। এয়ে

ৰেই তোমোলাকৰ্ এটায় এটাক্ গোচৰ দিয়াৎ
তোমোলাকৰ্ নিশ্চয়ে অগৰ্ লাগে তোমোলাকে
অন্যায় ক্রিয় ন সহা তোমোলাকে আপোনইৎকে
৮ ভণ্ডক্ ক্ষব ক্রিয় নিদিয়া। কিন্তু তোমোলাকে অন্যায়
ভণ্ডনা কৰা সিও আৰুও তোমোলাকৰ্ ভায়াইঁতে
৯ সৈতে। অপৰমার্থিকহঁৎ ঈশ্বৰৰ্ ৰাজ্যৰ্ অধি
কাৰ্ ন হব তোমোলাকে জৈয়াকে নেজানা নে
তোমোলাকে নেপাহৰিবা লুম্পটৎহঁত বা দেৱতাৰ্
পূজাৰিহঁত বা ব্যভিচাৰ হঁত বা তিৰোতাৰ্ নিচি
নাকৈ ব্যহহাৰ্কৰাইঁত বা পুংমৈথুনীহঁত বা
১০ চোৰহঁত বা লুভিয়াহঁত বা মদপিহঁত বা নিন্দক
হঁত বা ধাতুর্বাদীহঁত ঈশ্বৰৰ্ ৰাজ্যৰ্ অধিকাৰ্
১১ নহব তোমোলাকৰ্ মাজৎ কোনং মানুহ এনেকুৱা
আছিল্। কিন্তু এতিয়া প্রভু য়িশুৰ্ নামতে আমাৰ্
ঈশ্বৰৰ্ আত্মাৰে তোমোলাক্ ধৌত হইছা তোমো
লাক্ নির্ম্মলো হইছা আৰু তোমোলাক্ নির্দ্দোষী
হইছা —

১২ শাস্ত্ৰৰ্ মতে এটাইকে সয় কৰিবলগা হয় কিন্তু
ব্যৱাহাৰৎ এটায় কৰিবলগা ন হয় শাস্ত্র বিচাৰৎ
এটাইকে সয় কৰিবলগা হয় কিন্তু সয় কাৰো বশ
১৩ বর্ত্তি নহয়্। পেটৰ্ নিদানে খাজ্য আৰু খাজ্য
নিদানে পেট কিন্তু জৈয়াকে তাকে এই দুয়োকো
১৪ ঈশ্বৰে বিনাশ্ কৰিব। শৰীৰ্ লুম্পট্ স্বভাৱৰ্
কাৰণে ন হয় কিন্তু প্রভুৰ্ কাৰণ আৰু প্রভু শৰী

১৫ ৰৰ্ কাৰণ। ঈশ্বৰেও প্ৰভুক্ তুলিলে আৰু আপো
১৬ নাৰ্ প্ৰভাৱেৰে আমাকো তুলিব। তোমোলোকৰ্
শৰীৰ্ খ্ৰীষ্টৰ্ অঙ্গ আছে তোমোলোকে তাক্ নেজা
না নে তেবে ময় খ্ৰীষ্টৰ্ অঙ্গলৈ তাক্ বেশ্যাৰ্ অঙ্গ
১৭ কৰিম্ নে সি ন হয়। যি বেশ্যায় সৈতে একে লগ
থাকে সি একাঙ্গ তোমোলোকে তাক্ নেজানা নে।
তেঁও কৈছে বোলে দুয়ো একাঙ্গ হব কিন্তু যি প্ৰভুএ
১৮ সৈতে সংযোগ্ হই আছে সেয়ে একাত্মা। লুম্পট্
স্বভাৱৰ্পৰা পলোৱা সদৌ পাতক্ কোনো বা
মানুহে কৰে তাক্ শৰীৰক্ ব্যতিৰেকে কৰে যি
লুম্পট্ কৰে সি আপোন্ শৰীৰৰ্ বিৰোধে পাতক্
কৰে। তোমোলোকৰ্ শৰীৰ্ ঈশ্বৰৰ্পৰা পোৱা
তোমোলোকৰ্ মাজৎ থকা নিৰ্ম্মলাত্মাৰ্ মন্দিৰ্ তোমো
১৯ লাকে তাক্ নেজানা নে তোমোলোক্ আপোনাৰ
২০ নোহোৱা কিয়নো তোমোলোক্ মোলেৰে কিনা
হইছা এই হেতুক্ ঈশ্বৰৰ্ অধীন্ যি তোমো
লোকৰ্ শৰীৰ্ আৰু আত্মা তাৰে ঈশ্বৰৰ্ মহিমা
প্ৰোচিক্ কৰা।—

পর্ব্ব যিং কথা তোমোলোকে মোৰ্ এখেলৈ নেখিলা
৭ তাৰ্ নিশ্চয় এই পুৰুষে যেদি তিৰীক্ পৰশ্ ন কৰে
তবে বাৰু কিন্তু লুম্পট্ স্বভাৱ ন হবলৈ পুৰুষে প্ৰতি
আপোনং তিৰোতা হোক্ আৰু তিৰীএ প্ৰতি আ
৩ পোনং পতি হোক্। পতিএ ভাৰ্য্যাৎ উচিৎ প্ৰীতি
৪ কৰোক্ তেনেকৈ ভাৰ্য্যায়ো পতিৎ। আপোন

শৰীৰৰ ওপৰত ভাৰ্য্যাৰ আধিপত্য নায় কিন্তু পতিৰ
তেনেকৈ আপোনাৰ গাৰ পতিৰ ওপৰত আধি
৫ পত্য নায় কিন্তু ভাৰ্য্যাৰ। দুয়ো একচিত্তভাবে
কিছু দিন প্ৰাৰ্থনাতে লঘোন্তে বিমগ্ন হোৱাৰ বাঁতি
বেকে তোমোলাক বেলেগ হ হবা তাৰ্পাচে পুন
একলগ হবা তোমোলাকৰ অসহনত শয়তানে
৬ তোমোলাকৰ চিত্ত বিকাৰ যেন্ ন কৰে। কিন্তু
জৈয়াহ্ ময় আজ্ঞানুসাৰে ন কঁও কিন্তু নিষেধে
৭ নায় এই গুণে কঁও কিয়নো এটায় মানুহ মোৰ্
নিচিনা হবলৈ মোৰ্ জৈচ্ছা কিন্তু গায় পুতি স্বকীয়াং
সামৰ্থ্য আছে এটা এক্ বিধ্ আৰু এটা এক বিধ।—
৮ এয়েৰেই আবিয়ৈহঁতকে বাঁৰিহঁতকে ময় এই
কথা কঁও যেদি সিহঁত মোৰ্ নিচিনা হই ৰয় তেবে
৯ বড় চিকোন্। কিন্তু যেদি সিহঁতে সহিব নোৱাৰে
তেবে বিবাহ কৰোক্ কিয়নো বিবাহ কৰা দহনতকৈ
১০ সজ্। বিবাহিতহঁতক্ ময় এই আজ্ঞা দিয়ো সি
ময় নোহোঁ কিন্তু পুভু ঘৈনিয়েকে পয়েকক্ নেড়োক্
১১ কিন্তু যেদি এড়ে তেবে আবিয়ৈ হই ৰওক্ নাইবা
আপোনাৰ্ গিৰিয়েকে সৈতে দনায় মিল্ হোক্
পয়েকেও ঘৈনিয়েকক্ নেড়োক্।—
১২ আন্ বিলাকত ময় কঁও কিন্তু জীশ্বৰে ন কয় যেদি
কোনোবা ভায়েকৰ্ অনাস্তিকা ঘৈনিয়ক্ হয় সেই
ঘৈনিয়েকে তাৰে সৈতে গৃহবাস্ কৰিব খোজে

১৩ তেবে সেই পুৰুষে তাইক্ নেড়োক। যি তিৰোতাৰ্
অনাস্তিক গিৰিয়েক্ আছে সেই গিৰিয়েকে যেদি
তায়ে সৈতে গৃহবাস্ কৰিব খোজে তেবে তিৰীএ
১৪ তাক্ নেড়োক্। কিয়নো অনাস্তিক্ পতি তিৰীৰ্
দোৱাৰায় পবিত্ৰ হয় তেনেকৈ অনাস্তিকা ঘৈনিয়েক্
পতিৰ দোৱাৰায় পবিত্ৰ হয় সেয়ে ন হলে তোমোলা
কন্ লৰা অশুচি হল্ হেতেন্ কিন্তু এতিয়া শুচি হয়।
১৫ কিন্তু যি অনাস্তিক্ সি যেদি নিলগ্ হয় তেবে স্বতন্ত্ৰ
হোক্ এনেকুৱা বনৎ কোনো ভায়েক্ বা ভনীয়েক্
বন্দিৎ ন হয় কিন্তু সমান্ আচৰণৎ ঈশ্বৰে আমাক্
১৬ যোগ কৰিছে। কিয়নো হে সবীৱা তোমাৰ্ পতিক্
তাৰিবা কি নেতাৰিবা তুমি জৈয়াক্ জানিব পাৰা নে
আৰু হে পুৰুষ তুমি আপোন্ তিৰীক্ তাৰিবা কি নে
১৭ তাৰিবা তুমি কেনেকৈ জৈয়াক্ জানিছা কিন্তু যেনেকৈ
ঈশ্বৰে বাঁটি পায় প্ৰতি দিছে আৰু প্ৰভুএ সদেকে যে
নেকৈ যোগ্য কৰিছে সি তেনেকৈ প্ৰবৰ্ত্তোক্ ময়
১৮ এটায় মণ্ডলীতে এই বেৱস্থা লগাওঁ। যেদি কোনো
বা চেল্কটিয়া হুই নিযোজ্য হয় তেবে সি অচেল্
কটিয়া নো হোক্ কোনোবা অচেল্কটিয়া হুই যেদি
১৯ নিযোগ হয় তেবে সি চেল্কটিয়া নোহোক্। চেল্
কটা একো নয় আৰু অচেল্কটাও একো ন হয় কিন্তু
২০ ঈশ্বৰৰ্ আজ্ঞা পালনি এটায়। সদৌ যি বাবৎ
২১ নিযোগ আছিল্ সেই বাবতে থাকোক্। তুমি
বন্দী হুই নিযোগ যেদি হোৱা তেবে একো নে ভাবি

বা কিন্তু যেদি মুক্ত হব পাৰা তেবে তাকে বৰং
২২ মনোনীত কৰা। কিয়নো যি বন্দী হই প্ৰভুত
নিযুক্ত আছে সে প্ৰভুৰ কোয়ৰ মুক্ত তেনেকৈ
যি মুক্ত হই নিযোজিত হয় সেয়ে প্ৰভুৰ বন্দী।
২৩ তোমোলাক মোলেৰে কিনা হইছা এই হেতুক
২৪ মানুহৰ গোলাম নহবা। হে ভায়হঁত যি কোনো
বাবত কোনো নিয়োজিত হয় সি সেই বাবত ঈশ্বৰে
সৈতে থাকোক।—

২৫ এতিয়া অবিবাহিতা জোৱালিহঁতলৈ প্ৰভুৰ পৰা
মই আজ্ঞা পোৱা নাই কিন্তু বিশ্বাসী হবলৈ যি অনু
গ্ৰহ পাইছে এনে কোনো এটাৰ নিচিনা হই মোৰ
২৬ শোধ মই প্ৰেচিক কৰো। এয়েৰেই এই বৰ্ত্তমান
দুৰ্গতিৰ নিদানে মই বুঁজো যেদি কোনোবা এনেই
২৭ থাকে তেবে সেই বৰং চিকোন্। তুমি ঘৈনিয়াৰ
সৈতে সম্বন্ধ আছা তেবে মুক্ত হবলৈ নিবিচা
ৰিবা তুমি ঘৈনিয়াতকৈ মুক্ত আছা তেবে
২৮ ঘৈনিয়াক নিবিচাৰিবা। কিন্তু বিবাহ কৰিলেও
তোমাৰ পাতক নাই অবিবাহিতা জোৱালিক
বিয়া কৰিলে তাইৰো পাতক নাই তথাপি সেইহঁতৰ
দৈহিক দুঃখ হব কিন্তু তোমোলাকক মই মৰম
২৯ কৰো। কিন্তু হে ভায়হঁত মই জনাওঁ কাল
সংক্ষেপ আছে এই হেতুক যিবিলাকৰ ঘৈনিয়েক
আছে সিহঁতে ঘৈনিয়েক নাইকিয়াৰ নিচিনাকৈ
৩০ আচাৰিব লগা আৰু যিবিলাকে কান্দে সেই বিলা

কে ন কন্দাৰ্ নিচিনাকৈ থাকিবৰ লগা আৰু হৰ
ষিৎ যিবিলাক্ সেইবিলাকে ৰঙ্গ নকৰাৰ্ নিচিনা
কৈ থাকিবৰ লগা আৰু কিনোতাইঁতে অগাৰাকিৰ্
৩১ নিচিনাকৈ থাকিবৰ লগা আৰু এই সংসাৰৰ্ ব্যাপা
ৰীইঁতৰ্ যেনেকৈ কুব্যাপাৰ্ নহয় এনেকৈ থাকিবৰ
৩২ লগা কিয়নো এই সংসাৰ্ৰূপ্ বেমালি বই যায় কিন্তু
তোমোলাকক্ নিশ্চিন্ত মই দেখিব খোজো। আ
বিয়ৈ যি সি প্রভুৰ্ সম্বন্ধীয়া বনৎ ঈশ্বৰৰ্ সন্তোষ
৩৩ কেনেকৈ কৰিব পাৰিব জৈয়াকে চিন্তে কিন্তু বিবাহিত
যি সি বৈষয়িক্ বনেৰে আপোন তিৰোতাক্ কেনে
৩৪ কৈ সন্তোষ লগাব জৈয়াকে চিন্তে। আৰু বিবাহি
তাৰে অবিবাহিতা জোৱালিৰে ভেদ আছে আবিয়ৈ
তিৰী যি তাই প্রভুৰ্ সম্বন্ধিয়া বনতে শৰীৰ্ আত্মা
দুয়ো শুদ্ধ হবলৈ কাৰ্য্যাৰ্ কৰে কিন্তু বিবাহিতা যি
তাই বৈষয়িক্ বনতে আপোন্ পয়েকক্ কেনেকৈ
৩৫ সন্তোষ কৰিব জৈয়াৰে ওপায় কৰে। মই এই
কথা তোমোলাকৰ্ লাভৰ্ নিমিত্তে কঁও তোমোলা
কৰ্ ওপৰৎ ফাঁদ পেলাবৰ্ কাৰণ নহয় কিন্তু সুব্যৱ
হাৰৰ্ অৰ্থে আৰু তোমোলাকৰ্ চাঞ্চল্য ৰহিৎ
৩৬ মনাৰ প্রভুৰ্ সেবা কৰাৰ্ নিদানেও। কিন্তু আবিয়ৈ
জোৱালি খোৱা অনুচিৎ বুলি যেদি কোনোবায়
ভাবে তাইৰ্ যৌবনাৱস্থা যেদি চৰি যায় আৰু যেদি
প্রয়োজন্ হয় তেবে তাই আপোন্ ঈচ্ছাৰ্ নিচি
কৰিলে পাতক্ ন কৰে সিহঁতে বিবাহ কৰোক্

৩৭ কিন্তু যি জনীয়ে আপোনাৰ্ মনৎ থিৰ্ কৰিছে আৰু
যাৰ্ প্ৰয়োজন্ নাই কিন্তু আপোন্ অভিলাষৰ্ ওপ
ৰৎ যাৰ্ প্ৰভাব আছে আৰু আপোন্ আবিয়ইস্ত্ৰ
ৰাখিবলৈ মনৎ নিশ্চয় কৰিছে তাই সভ বন্ কৰে ।
৩৮ এয়েৰেই যি বিয়া দিয়ে সি ঠিকোন্ বন্ কৰে কিন্তু
যি বিয়া নিদিয়ে সি তাৎকৈও বচা ঠিকোন বন্ কৰে ।
৩৯ যেতে দিন্ পৈয়েক্ জীয়ে তেতেদিন্ ঘৈনিয়েক্ বিধা
নৎ বন্ধিৎ আছে কিন্তু তাইৰ্ পৈয়েক্ মৰিলে পাছে
আপোনাৰ্ মনস্ত আৰু কোনোএ মৈতে বিয়া কৰা
অনিষেধ্ কিন্তু সি থকল্ প্ৰভুৰ্ সম্বন্ধিয়া মাত্ৰহ
৪০ মৈতে । কিন্তু মোৰ্ বিবেচনাৎ এনেই থাকিলে বচা
সুখিয়া হয় ময় ঈশ্বৰৰ্ আত্মাধিকাৰ্ হোঁ যেন জৈ
য়াকে ময় বুঝোঁ ।

পৰ্ব্ব দেৱতা প্ৰসাদৰ্ কথা এইং জানিবলগা আমাৰ
৮ এটাইৰে গিয়ান্ আছে জৈয়াকে আমি জানো ।
২ গিয়ান্ ওখহায় কিন্তু চেনেহ গঢ়ে । ময় কিছু
জানো জৈয়াক্ যেদি কোনোবায় ভাবে তেৱে জনাৰ
৩ ওচিৎৰূপে সি একো নেজানে কিন্তু যেদি কোনোএ
ঈশ্বৰক্ চেনেহ কৰে তেৱে তাক্ ঈশ্বৰে জানিছে
এই হেতুকে দেৱতাৰ্ পৰমাদ খোৱাৰ্ কথাৎ এইং
৪ মানিবলগা । জগতৎ দেৱতা একো ন হয় এক্
ঈশ্বৰক্ ব্যতিৰেকে আৰু কোনো নাই জৈয়াক্ আমি
৫ জানো । ভালেমান্ ঈশ্বৰৰ্ আৰু ভালেমান্
প্ৰভু আছে হয় কিন্তু স্বৰ্গৎ হোক বা পৃথিবীৎ হোক

৬ যাকে ঈশ্বৰ বুলি কয়এনে দেৱ হোক্ তত্রাপি যাৰ্
এটায় আৰু যাৰ্ মাজৎ আমি এনে যি এক্ ঈশ্বৰ
পিতৃ আৰু যদ্দোৱাৰায় এটায় আৰু যদ্দোৱাৰায়
আমি এনেযি এক্ প্রভু যিশু খ্রীষ্ট ঔয়াক্ বাঁতিৰেকে
৭ আমাক্ প্রতি আৰু কোনো নায়। কিন্তু এটায় মানু
হৰ্ এনে গিয়ান্ নে থাকে কিয়নো এই তাঁৰলৈকে
কোনো কোনোএ দেৱতাক্ মানি তেঁওৰ্ ওচৰৎ থকা
নৈবেদ্য দেৱতাৰ পৰসাদৰ্ নিচিনাকৈ খায় তাতে
৮ সিহঁতৰ্ মন নির্ব্বল আৰু অশুচি হয়। কিন্তু ঈশ্ব
ৰৰ্ ওৰচৎ খাজ্য বেহানি আমাৰ্ ন শলাগে কিয়নো
খালে আমি বচা ভাল্ নোহোঁ আৰু নেখালেও বচা
৯ বয়া নোহোঁ কিন্তু তোমোলাক্ সাৱধান্ হোৱা জানো
এই তোমোলাকৰ্ অনির্ব্বন্ধতত্ব নির্ব্বলমনা মানুহ
১০ হঁতৰ্ খুটি খোৱাৰ্ মচা হয়। কিয়নো গিয়ানী
মানুহ যি তুমি সেই দেৱালয়ৎ খাবলৈ বহিজা
ঔয়াক্ যেদি কোনোবায় দেখে তেবে যি নির্ব্বল
মনা তাৰ্ মন্ দেৱতাৰ পৰসাদ খাবলৈ নির্ভয়ী
১১ হত নষ্ঠ নে আৰু যি নির্ব্বল্মনা ভায়েকৰ্ অর্থে
খ্রীষ্ট মৰিল সি তোমাৰ্ গিয়ানতে নষ্ট নষ্ট নে
১২ কিন্তু যেতিয়া তোমোলাকে ভায়েকহঁতৰ্ বিৰোধে
এনে কৰা পাতক্ কৰা আৰু সিহঁতৰ্ নির্ব্বল্মনা হনন্
কৰা তেতিয়া তোমোলাকে খ্রীষ্টৰ্ প্রতি পাতক্
১৩ কৰা এয়েৰেই যেদি মোৰ্ খাজ্যে মোৰ্ ভায়েক্

পাতক্ কৰায় তেবে আঁহু কেতিয়া ময় মঙহ্ নে খাম্
জানো মোৰ্ ভাইক্ পাতক্ কৰায় ।—

পৰ্ব্ব ময় পাঁচনী নোহোঁ নে ময় অনিৰ্ব্বন্ধিৎ নোহোঁ নে
১ ময় আমাৰ্ প্ৰভু যিশু খ্ৰীষ্টক্ দেখা নায় নে তোমো
লাক্ জানো প্ৰভুৎ ময় কৰা কৰ্ম্মৰ্ ফল্ নোহোৱা
২ নে ময় যেদি আন্ মানুহক্ প্ৰতি পাঁচনী নোহোঁ
তেবে নিঃসংশয়ে তোমোলাকক্ প্ৰতি পাঁচনী হোঁ
কিয়নো প্ৰভুৎ মোৰ্ পাঁচনী ত্বৰ্ মোহৰ্ তোমোলাক্।
৩ যিবিলাকে মোৰ্ বৰৰ্ শোধ্ কৰে সিবিলাকক্ প্ৰতি
৪ মোৰ্ এই উত্তৰ আমাৰ্ খাবৰ্ পীবৰ্ শক্তি নায়
৫ নে আনং পাঁচনী সকলে প্ৰভুৰ্ ভায় সকলে কৈফা
যেনেকৈ কৰে তেনেকৈ এজনা পাৰমাৰ্থিক ভনী তিৰো
৬ তাক আমি লগৎলৈ ফুৰিব নোৱাৰো নে । বা ময়
বাৰ্নবায় অকল্ আমাৰ্ বন্ এড়া শকতি নায় নে ।
৭ আপোনাৰ্ ভগন্ কৰি কোন কালৎ ৰণ্ কৰিবলৈ
যায় কোন দ্ৰাক্ষা পথাৰ ৰোৱে অথচ ফল নে খায়
এনে মানুহ কোন জাকৰ্ গাখিৰ্ নে খায় অথচ
৮ জাক পোহে এনে কোন । ময় মানুহৰ্ নিচিনাকৈ
৯ এই কথা কঁও শাস্ত্ৰেও এনেকৈ নকয় নে । কিয়নো
মোশাৰ্ বিধানৎ এই কথাৰ আখৰ আছে মৰণা
১০ মৰা বলদৰ্ মুখ নে বান্ধিবা । ঈশ্বৰে বলদৰ্
নিদানে কাৰ্য্যৰ্ কৰিছে নে নাইবা এটাই আমাৰ্
অৰ্থে এই কথা কয় যি হাল্ বায় সি ভৰসা কৰি
বায় আৰু যি মৰণা মাৰে সি বাঞ্ছিৎ ফলভাগী হয়

১১ আমাৰ্ অৰ্থেও এয়ে নিঃসংশয় লেখা গল্। আমি
যেদি তোমোলাকক্ প্ৰতি পাৰমাৰ্থিক্ বস্তু বোইচো
তেবে তোমোলাকৰ্ বৈষয়িক্ বস্তু যেদি আমি পওঁ
১২ জৌ বড় কথা নে। যেদি তোমোলাকৰ্ ওপৰৎ আন্
মানুহবিলাকৰ্ এই প্ৰভাৱ হয় তেবে আমাৰ্
তাৎকৈ বঢ়া নহয় নে তথাপি আমি এই প্ৰভাৱৎ
কাৰ্য্যাৰ্ কৰা নায় কিন্তু আমি এটাইকে সহোঁ যেন
১৩ খ্ৰীষ্টৰ্ শুভবাৰ্ত্তাক্ আমি বঞ্চিত ন কৰো। যিবি
লাকে জ্বীশ্বৰৰ্ সেৱাৰ্থ বস্তুৰ্ বন্.কৰে সেই বিলাক
মন্দিৰোপজীবী যিবিলাকে যজ্ঞকুণ্ডৰ্ সেৱা কৰে
সেইবিলাক্ কুণ্ডৰ ভাগভাগী তোমোলাকে জৌয়াক
১৪ নেজানা নে তেনেকৈ যিবিলাকে শুভবাৰ্ত্তা কীৰ্ত্তন কৰে
সেইবিলাকশুভবাৰ্ত্তোপজীবী জ্বীশ্বৰে এনেকৈ নিৰুপণ
১৫ কৰিছে। কিন্তু ময় এই একো ব্যাপাৰ কৰা নায়
মোক প্ৰতি এনে কৰিবলগা হয় জৌয়াৰ নিকোনে ময়
জৌয়াক নে লেখো কিয়নো কোনোএ মোৰ্ এই গৰ্ব্ব
১৬ কথা কোৱাৰ্ বৃথা কৰাৎকৈ ময় মৰায় ভাল। ময়
শুভবাৰ্ত্তা কীৰ্ত্তন্ কৰো হয় তথাচ ময় গৰ্ব্ব কোৱাৰ
কাহিনি নায় কিয়নো আৱশ্যক্ ভাৰ্ মোৰ ওপৰৎ
থোৱাগৈছে ময় যেদি শুভবাৰ্ত্তা কীৰ্ত্তন নিদিয়ো তেবে
১৭ মোৰ সন্তাপ হয়। ময় যেদি জৌচ্ছাপূৰ্ব্বক জৌয়াক কৰো
তেবে মোৰ্ ফল হয় কিন্তু অনিচ্ছাপূৰ্ব্বক্ যেদি তেবে
শুভবাৰ্ত্তাৰ্ পৌচিকৰ ভাৰ্ মোৰ্ হাতৎ সোম্পা
১৮ হুইছে। তেবে মোৰ ফল কি ময় যেতিয়া শুভ

বার্ত্তা কীর্ত্তন করো তেতিয়া এয়ে মোৰ ফল যি শুভ
বার্ত্তাৎ মোৰ প্রভাৱ আছে তাকে ব্যাপার ন করিব
লৈ ময় খ্রীষ্টৰ শুভবার্ত্তা বিনব্যয় বিনা কৰো। ময়
১৯ এটায় মানুহৎকৈ মুক্ত আছো তথাচ সৰহ মানু
হ পাবলৈ আপোনাকে এটাইৰে বন্দী করিছো।
২০ যিহুদীহঁতক্ পাবলৈ ময় যিহুদীহঁতক্ প্রতি যিহুদীৰ্
নিচিনা হইছিলো শাস্ত্রাধীনহঁতক পাবলৈ ময় শাস্ত্রা
ধীনহঁতক প্রতি শাস্ত্রাধীনৰ নিচিনা হইছিলো ময়
২১ ঈশ্বৰক্ প্রতি শাস্ত্রবিহীন্ ন হই কিন্তু খ্রীষ্টক্ প্রতি শা
স্ত্রাধীন্ হই শাস্ত্রবিহীন মানুহ বিলাকক্ পাবলৈ শা
স্ত্র বিহীন্ মানুহ বিলাকক্ প্রতি শাস্ত্রবিহীনৰ্ নিচিনা
২২ হইছিলো। নির্ব্বলী মানুহহঁতক্ পাবলৈ ময় নির্ব্বলী
হঁতক্ প্রতি নির্ব্বলী আছিলো ময় এটায় বিধি কর্ম্ম
কৰাৎ কেৎবিলাক মানুহ তৰিবলৈ এটায় মানুহক্
২৩ প্রতি এটায় বিধি কৰা হয়। ময় তোমোলাকে
সৈতে শুভবার্ত্তাৰ্ ভাগী হবলৈ শুভবার্ত্তাৰ্ পৈচিকৰ্
২৪ নিমিত্তে ইয়াক্ কৰোঁ। তোমোলাকে ইয়াক নেজা
না নে যিবিলাকে কথা বান্ধি লড়ে সেই বলাক্ এটায়
লড়ে কিন্তু কেবল্ এ জনে বেজ পায় তোমোলাকেওঁ
২৫ যিহতে পাব পাৰিবা তেনেকৈ লড়া। যেয়ে২ জিকিব
খোজে সি এটায় কথাতে মিতাচাৰী সেই বলাকে
ক্ষয়নীয় কিৰীটি পাবলৈ ইয়াক্ করে কিন্তু আমি
২৬ অক্ষয়নীয় কিৰীটিৰ্ নিকোনে। এয়েৰেই ময় লড়ো

কিন্তু যেনে অনিশ্চিৎ তেনে নোহোঁ ময় যুজোঁ কিন্তু
২৭ যি আকাহ মাৰে তাৰ্ নিচিনা নোহোঁ। কিন্তু ময়
মোৰ্ শৰীৰ্ দমন্ কৰি ৰাখোঁ তাক্ বশৱৰ্ত্তী কৰোঁ
কিয়নো জানো আনৎ মানুহহঁতক্ প্ৰতি কীৰ্ত্তন্ ক
ৰোঁতা হলে পাছে ময় আপুনি পুক্ষেপণীয় বেহানি
হোঁ।—

পৰ্ব্ব হে ভায়হঁৎ ময় নোখোজোঁ যেন তোমোলাক্ এই
১০ বিলাক্ নেজানা আমাৰ্ পিত্ৰাদি সকল্ মেঘৰ্ তলৎ
আছিল্ আৰু সাগৰৰ্ মাজে দি এটায় গতি কৰি
২ ছিল্ আৰু মেঘৎ সাগৰৎ মোশাক্ প্ৰতি এটায়
৩ বুড়ি ছিল্ আৰু এটায় সেই এক পাৰমাৰ্থিক্ ভক্ষকে
খাইছিল্ আৰু এটায় সেই পাৰমাৰ্থিক্ পীবলগা
৪ বেহানি পীছিল কিয়নো যি পাৰমাৰ্থিক্ পৰ্ব্বৎ সিবি
লাকৰ পিছৎ আছিল্ সিবিলাক্ তাৰ্পৰা পীলে সেই
৫ পৰ্ব্বৎ খ্ৰীষ্ট। কিন্তু সিবিলাকৰ্ ভালেমান্ মানু
হৰ্ উপৰৎ ঈশ্বৰ সন্তুষ্ট নাছিল কিয়নো সিবি
৬ লাক্ হাবিৎ মৰিল্। এইবিলাক্ আমাক্ প্ৰতি
পটল্ আছে যেনেকৈ সিবিলাক্ মকাৰী আছিল
আমি এনেকৈ কুবেহানি কামনা ন কৰোঁ। যেনে
৭ কৈ সিবিলাকৰ্ কেতেটি মানুহ আছিল তেনেকৈ
তোমোলাকৰ্ পূজাৰী নহবা যেনে আখৰ্ আছে
মানুহহঁৎ খাব পীবলৈ বহিল্ পাছে খেলিবলৈ
৮ উঠিল। যেনেকৈ সিবিলাকৰ্ মাজৰ্ কেৎবিলাক্
মানুহ ছুলুঙ্গিয়া কৰি তেইশ হেজাৰ মানুহ একে

দিলেই মৰিল তেনে আমি যেন্ নকৰো। যেনে
৯ কৈ সিবিলাকৰ্ কেতেটি মানুহ্ পৰীক্ষা কৰি সৰ্প্পৰ্
দংশনত মৰিল তেনেকৈ আমি যেন্ খ্ৰীষ্টৰ্ পৰী
১০ ক্ষা ন কৰো। যেনেকৈ সিবিলাকৰ্ কেতেটি মানু
হ বচ্বাচ্য কৰি নাশকৰ্ পৰা বিনাশ হইছিল্ তেনে
১১ কৈ তোমোলাকে বচ্বাচ্য ন কৰিবা। দৃষ্টান্তৰ নিচো
নে এইবিলাক্ সিবিলকৰ্ মিলিল্ আৰু যিবিলাকৰ্
উপৰত জগতৰ্ শেষ ওপগৈ আছে এনে যি আমি
১২ আমাৰ্ হিতলৈ লেখা আছে। এয়েৰেই ময়
থিয় হুই আছো যি মানুহে আপোনাকে এনেকৈ
১৩ মানে সি সাৱধ্ হোক্ কিয়নো আনো পৰে। মানু
হৰ্ মাজত যি সম্ভাব্যৰূপে পৰীক্ষা হয় তদ্ব্যতি
ৰেকে কোনো পৰীক্ষা তোমোলাকত মিলা নায়।
কিন্তু ঈশ্বৰ্ বিশ্বাসী আছে তেওঁ তোমোলাকৰ্ সাধ্য
ৰ বচা তোমোলাকৰ্ পৰীক্ষা কৰিবলৈ নিদিব কিন্তু
পৰীক্ষায় সৈতে এনে ওপায়ও কৰিব যি তাক্ সহিব
১৪ পাৰিবা। এয়েৰেই হে-মোৰ্ ভায়হঁত দেবপূজাৰ্
১৫ পৰা পলোৱা। গিয়ানী মানুহহঁতক্ যেনেকৈ
কয় তেনেকৈ তোমোলক্ ময় কওঁ যিহকে কওঁ
১৬ তাকে বিবেচনা কৰা। যি আশীৰ্ব্বাদ দিয়োতা
পিয়লাক্ আমি আশীৰ্ব্বাদ কৰো সেই পিয়লা খ্ৰীষ্টৰ
তেজৰ্ সাধাৰণ ভোগ নহয় নে যি পিঠা আমি
১৬ কৰা প্ৰৌচিক্ কৰিচে। এয়েৰেই যিযি ভৰিষ্যৎ তাৰ
চাঁৰূপ ভক্ষ্য পেয় বিষয় অমাবাস্যা আৰু শাৰৎ দিন
ইয়াৰ অৰ্থে কোনোএ তোমোলাৰক্ দোষি নকৰোঁক।
১৭ সেই এটাই ভৰিষ্যদ্বিষয়ৰ চাঁৰূপ হয় কিন্তু দেহ
১৮ খ্ৰীষ্টৰ্ আচে। কোনো ইচ্ছাপূৰ্ব্বক দৈন্যৎ ৰত আ
পোন মত্তহীয়া মনৎ গৰ্ব্বী আই যি তাৰ্ অদৃশ্য
তাতে সোমায় দূতইঁতৰ শুশ্ৰূষা কৰিবলৈ ইচ্ছুক্
১৯ আই আৰু গ্ৰাহপৰা সকল গা গাঁথি সিৰেৰে পুষ্টি
পালিৎ আই যুক্ত আই ঈশ্বৰৰ্ বঢ়ানৰে বাঢ়ে, এনে
যি মূড় তাক্ নধৰি কপট কৰি তোমোলাকক্ নেভাঁ
২০ ড়োক। এয়েৰেই স্বেচ্ছাজাত ভজন আৰু দৈন্য আৰু
দেহৰ্ প্ৰতি আৰু কঠোৰ ব্যৱহাৰ আৰু শৰীৰ্ তৃপ্তি
কৰাৎ একো মৰ্য্যাদক্ নহয় যি কৰ্ম্ম এইবিলাক্ম ম
ত্ৰিয় জ্ঞানৰূপ যি সাংসাৰিক জ্ঞানৰ্ মূল আচৰণৎ
২১ কৰিতৰা সেই জ্ঞানৰ্ মূলক্ প্ৰতি তোমোলাক যেদি
খ্ৰীষ্টে সৈতে মৃত হোৱা তেবে সংসাৰৎ যিবিলাক
২২ মানুহে আচৰে সিহঁতৰ্ লিচিনা পৰশ নকৰে নেচা
কে হাতে নকৰে এই কথাকে মানুহৰ আজ্ঞা আৰু
২৩ শিক্ষানুযায়ী বিধানাধীন কিয় হোৱা।—

পৰ্ব্ব এয়েৰেই যেদি তোমোলাক খ্ৰীষ্টে সৈতে উত্থিৎ
৩ হোৱা তেবে ঈশ্বৰৰ্ সোঁফালে যৎ খ্ৰীষ্ট বহি আচে
১ ওপৰিস্থ সেই যিনিৰ বেহানি বিচাৰে। ওপৰিস্থ
বেহানিলৈ মন দিয়া কিন্তু পৃথিবীস্থ বেহানিলৈ নহয়।

৩ কিয়নো তোমোলোক মৃত হইচা আৰু তোমোলোকৰ
জীৱন খ্ৰীষ্টে সৈতে ঈশ্বৰৰ মাজৎ গুপ্তৎ আছে
৪ আমাৰ জীৱন যি খ্ৰীষ্ট তেঁও যেতিয়া প্ৰেচিক হয়
তেতিয়া তোমোলোকে তেঁৱে সৈতে মোক্ষে প্ৰেচিক্
৫ হবা। এয়েৰেই তোমোলোকৰ যি অঙ্গ পৃথিবীৎ
আছে অৰ্থাৎ নটিলীচা অশুদ্ধতা অৱাবুষ্ঠিত চেনে
৬ হ কুৎসিৎ কাম আৰু লোভ অৰ্থাৎ দেৱপূজা যিহুঁৎ
৭ ঈশ্বৰৰ খঙ নমৰা লৰাইঁতৰ ওপৰৎ পৰে যি আ
চাৰ তোমোলোকে আৰু যি কালৎ কৰাৎ কাল্ গঁৱা
৮ ইলা সেই কালৎ সেই আচাৰ কৰিলা। কিন্তু এতিয়া
খঙ ডুম্না হিংসেচ্ছা ঈশ্বৰনিন্দা বয়া আলাপ এইবি
৯ লাক্ তোমোলোকৰ মুখৰপৰা নিলগায় এৰা। পুৰণি
১০ মানুহক্ তাৰ কৰ্ম্মে সৈতে এৰি আৰু যি আপোন সৃষ্টি
১১ কৰ্ত্তাৰ মূৰ্ত্তিৰ অনুসাৰে নবীনীকৃত আছে আৰু যৎ
গ্ৰীক্ নহয় যিহুদী নহয় চেলকটা নহয় অচেলকটা
নহয় ম্লেচ্ছ নহয় স্মৃতি নহয় বন্ধ নহয় মুকুৎ নহয় কিন্তু
খ্ৰীষ্ট এটাই আৰু এটাই এই নবীন মানুহক্ পিন্ধা
১২ এটায় আন এটাৰ আগৎ মিচা কথা নকবা। এয়েৰেই
ঈশ্বৰৰ মনোনীত লোক শুদ্ধ আৰু প্ৰীত যিবিলাক্ হয়
১৩ সিহঁতৰ নিচিনা অনে। অনো ক্ষমা কৰি আৰু অনো
অনো মৰ্ষণ কৰি অন্তৰৰ দয়া আৰু প্ৰীতি আৰু
মনৰ নিৰহঙ্কাৰতা আৰু মৃদুতা আৰু চিৰসহি
১৪ ষ্ণুতা পিন্ধা। যেদি কাৰো সৈতে কাৰো বিৰোধি

থাকে তেবে যেনে খ্রীষ্ট তোমোলাকক্ মৰ্ষিলে তেনে
তোমোলাকে অন্যোন্যনো মৰ্ষণ কৰা আৰু সম্পূৰ্ণতাৰ
১৫ বন্ধন অৰ্থাৎ চেনেহ এইবিলাকৰপৰা সৰহ পিন্ধা
আৰু যিহক্ ভোগ কৰিবলৈ তোমোলাক বিশেষৎ
এক দেহত নিযোজিৎ আঠা ঈশ্বৰৰ সেই শান্তি
তোমোলাকৰ্ আশয়ৎ কৰ্ত্তৃত্ব কৰোক্ আৰু কৃত
১৬ জ্ঞতা শৈশ কাঢ়া। তোমোলাকে মনৎ গুণ বিশিষ্ট
হই প্রভুলৈ গীৎ আৰু স্তবগীতে আৰু পৰমাৰ্থ
গীৎ গোৱাৰে অন্যোন্যনো উপদেশী আৰু হিতাৰ্থ
বাদী হলে খ্রীষ্টৰ্ কথা এটাই জ্ঞানৎ সৰ্ব্বতোভাবে
১৭ তোমোলাকৰ্ মাজৎ বসতি কৰোক্ আৰু বাক্যেৰে
বা ক্রিয়াৰে তোমোলাকে যিং কৰা ঈশ্বৰলৈ আৰু
যাৰ দোৱাৰা পিতৃলৈ আৰু কৃতজ্ঞতা শৈশ কাঢ়ি এটা
ই প্রভু যিশুৰ্ নামে কৰা।—
১৮ হে তিৰোতাইঁৎ যেনে প্রভুৎ বশগীতা হোৱা ও
১৯ চিৎ তেনে আপোনাং পতিইঁতৰ্ বশগীতা হোৱা। হে
পতিহঁৎ তোমোলাক্ স্বকিয়াং তিৰোতাইঁতক্ চেনে
২০ হ কৰা সিইঁতৰ বিৰোধে কেটেৰা নহবা। হে লৰা
হঁৎ এটাই বনৎ তোমোলাকৰ্ পিতৃমাতৃৰ কথা মা
২১ না কিয়নো প্রভুলৈ এই আতি তোষক কৰ্ম্ম। হে পিতৃ
বিলাক্ তোমোলাকৰ্ লৰাইঁতক্ গাও নকঢ়িবা জা
২২ নো সিইঁৎ বিনাশ হয়। হে বন্দিইঁৎ দেহানুযায়ী
যিবিলাক তোমোলাকৰ্ গিৰিইঁৎ সিবিলাকক্ এটা ই
২৩ বনতে মানা মনুষ্য তোষোতাইঁতে যেনে কৰে তেনে

প্রভুক শুশ্রূষা কৰাৰে নহয় কিন্তু ঈশ্বৰলৈ ভয়
কৰাৎ মনে সৈতে কৰা আৰু প্রভুৰপৰা তোমোলাকে
২৪ আধিপত্যৰূপ ফল পাবা ইয়াক জানি তোমোলাকে
যিং কৰা তাক প্রভুলৈ ওদ্দেশ কৰি মনে সৈতে কৰা
আৰু মানুহক ওদ্দেশ কৰি নকৰিবা কিয়নো তোমো
২৫ লাকে প্রভু খ্রীষ্টক শুশ্রূষা কৰা কিন্তু যি অপৰাধ কৰে
সি স্বগতে অপৰাধৰ ফল পাব।—

পর্ব্ব আৰু পক্ষপাত নহয়। হে গিৰিহঁৎ স্বৰ্গৎ তো
৪ মোলাকৰ এক গিৰি আছে ইয়াক জানি যি যোগ্য
২ আৰু কাৰ্য্যৰ নিচিনা তাক আপোন বন্দিইঁতক দিয়া।
৩ আমাৰৰ্থেও নিতৌ প্রাৰ্থনা কৰা আৰু প্রাৰ্থনাৰ দোৱা
৪ ৰা পৰৎ প্রবৃত্ত হোৱা যেন ঈশ্বৰে আমালৈ কথা কো
ৱাৰ দোৱাৰা মেলে যি মই খ্রীষ্টক বিচাৰিবলৈ বন্ধ আ
চো মোৰ সেই তত্ত্ব প্রচাৰিক কৰা যেনে কৰিবলগা
৫ মই তেনেকৈ তাক প্রচাৰিক কৰোঁ। যিবিলাক বাজৎ
আছে তোমোলাকে কাল সাৰ্থক কৰি সিইঁতলৈ জ্ঞান
৬ ৰে ব্যৱহাৰ কৰা। তোমোলাকৰ কথন গুণযুক্ত
আৰু লৱুনেৰে আস্বাদিৎ নিতৌ হোক তোমোলাকে
জানা যে গোয় প্রতি তোমোলাকৰ কিং উত্তৰ দিব
লগা তোমোলাকৰ অৱস্থা জানিবলৈ আৰু তোমো
৭ লাকৰ মন শান্তনা কৰিবলৈ যি প্রিয় ভায় আৰু বিশ্বাসী
৮ সেৱক আৰু প্রভুৎ সহবন্দী তিখিকস কে মই বিশ্বাসী
আৰু প্রিয় ভায় আৰু তোমোলাকৰ একজন যি ওনে

৯ সমন তেঁৱে সৈতে পঠিয়াইছোঁ তেঁও মোৰ এটাই
অনুস্থা তোমোলাৰক জনাব এযেৎ থিং হইছে সেই
১০ এটাই সিবিলাকে তোমোলাকক জনাব। মোৰ সহ
বন্দীয়াৰ আৰিস্তাৰ্খস আৰু বাৰ্নবাৰ ভাগিনীয়েক
মাৰ্কস যাৰ্লৈ তোমোলাকে আজ্ঞা পাইছিলা তেঁও
যেদি আহে তেঁৰ তেঁওক মৰ্যাতা কৰি গ্ৰহণ কৰা।
১১ আৰু য়িশু নামে জস্তস এই কেয়টা চেলৰু টিয়া তো
মোলাকক নমস্কাৰ কৰে ঈশ্বৰৰ ৰাজ্যৰ নিকোনে
মোৰ লগৰীয়াইঁতৰ মাজৎ থিবিলাক মোৰ শান্তনা
১২ কৰোতা আছিল্ সেই এই কেইটা। খ্ৰীষ্টৰ এক
সেৱক অথচ তোমোলাৰক্ এজন এপাফ্ৰাস তোমো
লাকক্ নমস্কাৰ কৰে আৰু প্ৰাৰ্থনাতে তোমোলাকৰ্
নিৰোনে গুণৎ হুই যতন কৰে যেন্ তোমোলা ক
সৰ্ব্বতোভাৱে ঈশ্বৰৰ্ ইষ্ট কৰ্মৎ সম্পুৰ্ণ স্থিৰ হোৱা
১৩ কিয়নো তাৰ্ এই প্ৰমাণ মই দিয়োঁ যেন্ তোমোলা
কৰ্ অৰ্থে আৰু লাওদিকিয়া আৰু হিয়েৰাপোলিস
১৪ নিবাসিহঁতৰ অৰ্থে তাৰ বৰ্ তপৎ আছে। প্ৰিয়
চিকিৎসক লুক আৰু দেমাস তোমোলাৰক্ নমস্কাৰ
১৫ কৰে। লাওদিকীয়াৎ ভায়হঁতক্ আৰু নম্ফাস আৰু
যি মণ্ডলী তেঁওৰ ঘৰৎ আছে সিবিলাককো নমস্কাৰ
১৬ কৰা। যেতিয়া এই কাকৎ তোমোলাকৰ্ মাজৎ
মত হয় তেতিয়া লাওদিকীয়াহঁতৰ্ মণ্ডলীৎ তাক্
মতোৱাবা আৰু লাওদিকীয়াৰপৰা যি কাকৎ আহি
১৭ সে তাক্ তোমোলাকেও মাতা। আৰু আৰ্খিপসক কো

ৱা যি শুশ্ৰূষা প্ৰভুৰপৰা পাইছা তাক্ পূৰ কৰিবলৈ
১৮ বৰ সাৱধান হোৱা। ময় যি পাওল মোৰ হাতে
লেখা নমস্কাৰ এই। মোৰ বন্ধনলৈ মন কৰিবা।
অনুগ্ৰহ তোমালোকে সৈতে হোক্। আমিন্।—

পাওল্ পাঁচনীএ যি প্ৰথম কাকত্ তেসলোনীয়াহঁতলৈ
লিখিছিল্ সেয়ে এই ।—

## ১ প্ৰথম পৰ্ব্ব ।

১ তেসলোনীয়াহঁতৰ যি মণ্ডলী ঈশ্বৰ পিতৃ আৰু প্ৰভু
যিশু খ্ৰীষ্টত আছে তালৈ পাওল্ আৰু সল্বানস আৰু
২ তিমোথিয়সে কাকত লিখে । ঈশ্বৰ আমাৰ পিতৃ
আৰু প্ৰভু যিশু খ্ৰীষ্টৰপৰা অনুগ্ৰহ আৰু শান্তি তো
৩ মোলাকলৈ হোক । হে প্ৰিয় ভাইহঁত আমি আপো
ন প্ৰাৰ্থনাৰে তোমোলাকৰ্ নাম কাঢ়ি ঈশ্বৰ অথচ
আমাৰ পিতৃৰ দৃষ্টিত প্ৰভু যিশু খ্ৰীষ্টত তোমোলাকৰ্
যি মঞ্জাৎপূৰ্ব্বক কৰ্ম্ম আৰু চেনেহপূৰ্ব্বক শ্ৰম আৰু
৪ আশাপূৰ্ব্বক সহিষ্ণুতা এই এটাই নিৰবধি মনে কৰি
ঈশ্বৰকৰ্ত্তৃক তোমোলাকৰ যি মনোনীত হোৱা তাক
জানি তোমোলাক এটাইৰে নিমিত্তে সদায় ঈশ্বৰক্
৫ কাযৰত শলাগো । কিয়নো আমাৰ শুভবাৰ্ত্তাৰ
অকল কথাতে তোমোলাকৰ কাষলৈ নাহিল কিন্তু
পৰাক্ৰমেৰে আৰু বীৰ্য্যন্ত্ৰাৰেআৰু দৃঢ় নিশ্চয়েৰে আ
হিল কিয়নো তোমোলাকে জানা যি আমি তোমোলা
কে মৈতে হই তোমোলাকৰ্ নিমিত্তে কিবিধিমানুহ

৬ আছিলোঁ। আৰু তোমোলাকে বৰ দুঃখত ধৰ্ম্মা
ত্মাকৰ্ত্তৃক আনন্দেৰে বাক্য গ্ৰহণ কৰি আমাৰ
৭ আৰু প্ৰভুৰ এনে অনুকাৰী আছিলা যেন তোমোলা
ক মাকিদোনিয়া আৰু আখিয়াৰ এটাই পতীয়ওতা
৮ হঁতৰ আদৰ্শ আছিলা। কিয়নো প্ৰভুৰ বাক্যৰ ধ্বনি
অকল মাকিদোনিয়া আৰু আখায়াত তোমোলাকৰ
ওচৰৰ পৰা প্ৰচাৰিত ওলাল সি নহয় কিন্তু যিহেতু
আমাৰ কথা কোৱাৰ প্ৰয়োজন একো নথাকে তো
৯ মোলাকৰ ঈশ্বৰত সঞ্চাত যানেপ্ৰতি এনে ব্যাপি
১০ থাকে। কিয়নো তোমোলাকৰ ওচৰত আমাৰ কি
বিধ আগমন আছিল আৰু জীৱন্ত আৰু সঁচা ঈশ্বৰৰ
সেৱাৰ নিমিত্তে আৰু যাক তেঁও মৃত্যুৰ পৰা তুলি
লে যি ভৱিষ্যত খঙৰ পৰা আমাক ৰাখে সেই
তেওঁৰ পুত্ৰ যিশুৰ স্বৰ্গৰ পৰা অহাৰ অপেক্ষা
ও কৰাৰ নিমিত্তে তোমোলাক দেৱতা এৰি যে
নেকৈ ঈশ্বৰলৈ পালটিলা ইয়াক সিহঁতে প্ৰচাৰ
কৰে।—

পৰ্ব্ব কিয়নো হে ভায়হঁত তোমোলাকে জানা যেন
২ তোমোলাকৰ ওচৰলৈ আমাৰ যি আগমন সেয়ে
ব্যৰ্থ নহয় কিন্তু তোমোলাকে যেনে জানা তেনে দুঃখ
আৰু লাজ কৰা অপমান ফিলিপীত পায় আৰু আমি
তাৰ পাচে ভালেমান যতন কৰি ঈশ্বৰৰ শুভবাৰ্ত্তা
৩ তোমোলাকত কবলৈ আপোন ঈশ্বৰত নিৰ্ভয় আছি
লোঁ। কিয়নো তোমোলাকলৈ আমাৰ মিনতি কৰা

কপটেৰে বাক্যস্তুতিভাৱে বা ভণ্ডনাৰে নাছিল কিন্তু শুভ
৪ বাৰ্ত্তা সমৰ্পনৰ পাত্ৰ হবলৈ যেনে তোমোলাক ঈশ্ব
ৰত পৰীক্ষিত আছিলা তেনে মনুষ্য তোষোতাহঁতৰ
নিচিনা নহয় কিন্তু আমাৰ মনক পৰীক্ষক ঈশ্বৰ তো
৫ ষেতাৰ নিচিনা আমি কথা কওঁ। কিয়নো যেনে তো
মোলাকে জানা তেনে আমি কোনো কালত খাতুনিল
গোৱা কথা বা লোভচকো নকৰিলোঁ ইয়াত ঈশ্বৰ সা
৬ ক্ষী আছে আৰু খ্ৰীষ্টৰ পাঁচনী আপোনাক জানি যেতিয়া
আমি তোমোলাকৰ ভাৰ হব পাৰোঁ তেতিয়া মানু
হৰপৰা বা তোমোলাকৰপৰা বা আন কোনোৰপৰা
৭ মৰ্য্যাতা নিবিচাৰিলোঁ। কিন্তু যেনেকৈ মাতৃএ আপোন
লৰাহঁতক প্ৰতিপালন কৰে তেনে আমি তোমোলা
৮ কৰ ওচৰত মৃদু আছিলোঁ। এই নিকোনে তোমো
লাকৰ অৰ্থে আতি ইচ্ছুক হই ঈশ্বৰৰ শুভবাৰ্ত্তা
অকল নহয় কিন্তু আপোন প্ৰাণো তোমোলাকলৈ
দিবলৈ আমি ইচ্ছুক আছিলোঁ কিয়নো তোমোলাক
৯ আমাৰ প্ৰিয় আছিলা। হে ভায়হঁত আমাৰ শ্ৰম
আৰু প্ৰয়াস তোমোলাকৰ স্মৰণত আছে কিয়নো
তোমোলাকৰ কাৰো ভাৰ নকৰিবলৈ আমি ৰাত্ৰি
দিবা বন কৰি ঈশ্বৰৰ শুভবাৰ্ত্তা তোমোলাকলৈ প্ৰচা
১০ ৰ কৰিলোঁ। পতীয়ওতা তোমোলাকৰ মাজত আমি
কেনে নিৰ্ম্মল আৰু পৰমাৰ্থ আৰু নিজগীৰ আচৰিলোঁ
১১ ইয়াৰ সাক্ষী তোমোলাকো ঈশ্বৰো। কিয়নো
যেনেকৈ পিতৃএ আপোন লৰাহঁতক কৰে তেনে যি

১২ আপোন ৰাজ্য আৰু বিভৱেৰে আমাক মাতিছে সেই
ঈশ্বৰলৈ যি আচাৰ যোগ্য সেই আচাৰ কৰিবলৈ
আমি তোমোলাকৰ্ গায় প্ৰতি যেনে মিনতি কৰিলোঁ
আৰু শান্তনা কৰিলোঁ আৰু কাহিনি কথা কলোঁ ই
১৩ য়াক্ তোমোলাকে জানিছা। এই নিকোনে আমি
অবিৰত ঈশ্বৰলৈ শ্লাঘা কৰোঁ কিয়নো আমাৰ মুখে
ঈশ্বৰৰ্ যি কথা তোমোলাকে শুনিলা যেতিয়া তোমো
লাকে সেই কথা গ্ৰহণ কৰিলা তেতিয়া মানুহৰ্
কথাৰ নিচিনা তোমোলাকে তাক্ গ্ৰহণ কৰা নায়
কিন্তু সি নিশ্চয়ে আছে যেনে পতীয়ওঁতা তোমোলা
কৰ্ মাজৎ কাৰ্য্যসাধিক্ ঈশ্বৰৰ্ কথাৰ নিচিনা সেই
১৪ কথা গ্ৰহণ কৰিলা। হে ভায়হঁৎ য়িহুদা দেশস্থ
খ্ৰীষ্ট য়িশুৎ যি মণ্ডলী তোমোলাক্ সেই মণ্ডলী
১৫ এটাইৰে অনুগামী হই ছিলা। কিয়নো যি য়িহুদী
হঁতে প্ৰভু য়িশুক্ আৰু আপোন আচাৰ্য্যহঁতক্ বধি
১৬ লে আৰু আমাৰো বৰ হিংসা কৰিলে আৰু আ
পোনাৰ আৰু পাপৰ পৰিমাণ যিহৎ নিত্তৌ পূৰায়
আনদেশীহঁতৰ তৰণি পাবলৈ সিহঁতৰ আগৎ
কথা কবলৈ আমাক এনে হাক্ দিয়ে আৰু ঈশ্বৰৰ্
তুষ্টি নকৰে আৰু এটাই মানুহৰ বিৰোধীও
আছে সেই য়িহুদীহঁতৰপৰা য়িহুদা দেশস্থ মণ্ডলীএ
যি দুঃখ পালে তোমোলাকে তেনে দুঃখ আপোন

১৭ দেশী মানুহৰপৰা পালা। কিন্তু য়িহুদীহঁতৰ ওপ
ৰৎ নিশেষে খঙ পড়িছে। হে ভায়হঁৎ আমি দে
হৎ মনৎ নহয় এফেৰি কাল তোমোলাকৰ ওচৰ
পৰা নীয়া হুই বৰ আকাঙ্খাৰে তোমোলাকৰ মুখ
১৮ দেখিবলৈ সৰহ যতন কৰিছোঁ। এতদৰ্থে আমি
বিশেষৎ ময় পাওল তোমোলাকৰ্ ওচৰলৈ আহি
বলৈ বাৰম্বাৰ ইচ্ছা কৰিলোঁ। কিন্তু শয়তানে আমাক্
১৯ হাক্ দিলে। আমাৰ ভাৰসা আৰু আনন্দ আৰু
২০ আহ্লাদৰূপ টকুয়া কি আমাৰ প্ৰভু য়িশু খ্ৰীষ্টৰ্ আ
গৎ তেঁওৰ আগমন কালৎ সি তোমোলাক নোহো
ৱা নে কিয়নো তোমোলাক্ আমাৰ গৌৰৱ আৰু
আনন্দ।

পৰ্ব্ব এয়েৰেই যেতিয়া আমি আৰু ধৈৰ্য্য ধৰিব নো
৩ ৱাৰিলোঁ তেতিয়া আথেন্সৎ অকলৈ থকা ভাল এই
ভাবিলোঁ আৰু এই নিকোনে তোমোলাকক্ থিৰ্
কৰিবলৈ আৰু তোমোলাকৰ্ প্ৰতীতিৰ অৰ্থে তোমো
লাকক্ শান্তনা কৰিবলৈ আমাৰ ভায় অথচ ঈশ্বৰৰ্
২ সেৱক অথচ খ্ৰীষ্টৰ্ শুভবাৰ্ত্তাৎ মোৰ লগৰীয়া তিমো
তিয়সক পঠালোঁ এই দুঃখৎ কোনো নতোৱা নহয়
কিয়নো তোমোলাকে জানা আমি যি এই দুঃখ ভুঞ্জি
৩ বলৈ নিয়োজিৎ আছো কিয়নো এতিয়া যেনে হুই
৪ ছে আৰু যেনে তোমোলাকে জানা তেনে আমি আ
গেই তোমোলাকে সৈতে থকা কালৎ তোমোলাকক্
নিশ্চয় কৰিছিলোঁ যেন্ আমি দুঃখ ভুঞ্জিব লাগে।

৫ এই নিকোনে ময় আৰু সহিব নোৱাৰি তোমোলা
কৰ্ সঞ্জাৎ জানিবলৈ পঠালোঁ জানো পৰীক্ষকে
তোমোলাকক্কো পৰীক্ষা কৰে আৰু আমাৰ শ্ৰম ব্যৰ্থ
৬ হয়। কিন্তু হে ভায়ইঁৎ এতিয়া তিমোথিয়স তোমো
লাকৰ্ ওচৰৰপৰা আমাৰ এথেলৈ আহি তোমোলা
কৰ্ সঞ্জাৎ আৰু চেনেহৰ বতৰা আৰু যেনেকৈ
৭ আমি তোমোলাকক্ দেখিব খোজোঁ তেনেকৈ তো
মোলাকে আমাক্ দেখিবলৈ ইচ্ছা কৰি আমাক্ স
দায় ভালকৈ সুঁৱৰা এই সুবতৰা আনিলৎ আমি
সেই নিমিত্তে তোমোলাকৰ্ সঞ্জাতেদে আমাৰ এটা
৮ ই দুঃখতে আৰু যাতনাতে শান্তিৎ আছিলোঁ। কি
য়নো তোমোলাকে যেদি ঈশ্বৰৎ স্থিৰ্ হোৱা তেৱে
৯ আমি জীয়োঁ যি হেতুকে তোমোলাকৰ মুখ দেখিবলৈ
১০ আৰু তোমোলাকৰ সঞ্জাতৰ যি অভাৱ আছে তাক্
পূৰাবলৈ ৰাত্ৰিন্দিৱা অত্যন্ত প্ৰাৰ্থনা কৰোঁতা আমি
যি এটাই আনন্দেৰে তোমোলাকৰ্ নিকোনে ঈশ্বৰৰ
আগৎ আনন্দিৎ হোঁ তাতে ঈশ্বৰলৈ কি স্তুতি তো
১১ মোলাকৰৰ্থে আকও কৰিব পাৰোঁ। এতিয়া ঈশ্বৰ্
আপুনি অথচ আমাৰ পিতৃ আৰু আমাৰ্ প্ৰভু যিশু
খ্ৰীষ্ট তোমোলাকৰ্ ওচৰলৈ যাবলৈ আমাৰ বাট
১২ দেখুৱাৱ। আৰু ঈশ্বৰে কৰোক আমি যেনে তো
মোলাকলৈ তেনে তোমোলাকে অন্যোন্যে এটাই
মানুহলৈ চেনেহেৰে বাঢ়া আৰু বহুল হোৱা আ
মাৰ প্ৰভু যিশু খ্ৰীষ্ট এটাই সাধুবিলাকৰ্ লগৎলৈ

১৩ যেতিয়া আহিব তেতিয়া ঈশ্বৰ অৰ্থাৎ আমাৰ পিতৃৰ
আগত পবিত্ৰতাৰে নিৰ্দোষীয়া তোমালোকৰ মন
স্থিৰ কৰে।—

পৰ্ব্ব আৰু হে ভায়ইঁত আচৰিবলৈ আৰু ঈশ্বৰক তুষ্টি
৪ বলৈ তোমালোকে যিৰূপে কৰিবলগা ইয়াক যেনে আ
মাৰ কাথৰত পাইছিলা তেনে কৰিবলৈ যেন তো
মোলাক আৰু সৰহ যত্নৱন্ত হোৱা ইয়াক প্ৰভু
যিশু খ্ৰীষ্টৰ দোৱাৰা তোমালোকৰ কাথৰত আমি
২ মিনতি কৰোঁ আৰু উপদেশ কৰোঁ। কিয়নো প্ৰভু
যিশু খ্ৰীষ্টৰ দোৱাৰা তোমালোকক আমি যি আজ্ঞা
৩ কৰিলোঁ তাক তোমালোকে জানা। যি হেতুক
তোমালোকৰ শুদ্ধ হোৱা বিশেষত তোমালোকৰ
৪ বেশ্যাগমন ত্যাগ আৰু শুদ্ধতা আৰু সৎকাৰত
আৰু ঈশ্বৰানভিজ্ঞ আন্দেশীইঁতৰ নিচিনা কামেৰে
৫ নহয় তোমালোকৰ সদোৰে স্বকিয়াৰ পাত্ৰ আধি
পত্য কৰা আৰু কোনোত্ৰ কোনো কথাত আপোন
৬ ভাইলৈ জলবান্ধি আৰু ভণ্ডনা নকৰা এয়ে ঈশ্বৰৰ
অভিমত কিয়নো যেনেকৈ আমি আগেই উপদেশ
কৰিলোঁ আৰু প্ৰমাণ দিলোঁ তেনেকৈ ঈশ্বৰ এই এটা
৭ ইবে দণ্ড কৰোঁতা হয়। কিয়নো অশুচি কৰ্ম্ম কৰিবলৈ
ঈশ্বৰে আমাক মতা নাই কিন্তু সুকৰ্ম্ম কৰিবলৈ মা
৮ তিছে। এয়েহেই যি ইতিকিং কৰে সি মানুহক
ইতিকিং নকৰে কিন্তু যি আপোনাৰ ধৰ্ম্মাত্মা আমা
৯ ক দিছে সেই ঈশ্বৰক ইতিকিং কৰে। সৌভ্ৰাতৃ

ৰর্থে যয় তোমোলাকলৈ যি লিখোঁ তোমোলাকৰ্
ইয়াৎ প্রয়োজন নায় কিয়নো অন্যোন্যনো চেনেহ্
কৰিবলৈ তোমোলাক আপুনি ঈশ্বৰকর্ত্তৃক শিক্ষিৎ
১০ অইছা। আৰু মাকিদোনিয়াৰ সকলেথানে যি
ভায়হঁৎ সেই এটাইকে তোমোলাকে তাকো কৰিছা
কিন্তু হে ভায়হঁৎ যয় তোমোলাকৰ্ আগৎ মিনতি
কৰোঁ যেন্ তোমোলাক্ ইয়াৎ ক্রমে২ বাঢ়া আৰু
১১ নির্ব্বিৰোধী হোৱা আৰু আপোনা২ বন্ কৰা যেনে
১২ আমি আজ্ঞা দিলোঁ তেনে আপোনাৰ্ হাতে বন কৰা
বাজৎ লোকলৈ সাৰল্য ব্যৱহাৰ কৰা আৰু যিহৎ
তোমোলাকৰ্ একোৰো অসত্তা নহয় তেনে কৰিবলৈ
যতন কৰা।

১৩ কিন্তু হে ভায়হঁৎ নিদ্রিৎ জনৰ্থে যি তোমোলাক্
অজ্ঞান হোৱা ইয়াক্ যয় নোখোজোঁ যেন তোমো
লাক্ আশাবহিৎ আন্ লোকৰ্ নিচিনা শোকান্বিৎ
নোহোৱা কিয়নো যেদি আমি পত্তিয়ওঁ যিশু মৰিল
১৪ আৰুও উঠিল তেবে যিবিলাক্ যিশুৎ নিদ্রিৎ আছে
সিহঁতকো ঈশ্বৰে তেনেকৈ আপোনাৰ্ নিচিনা আ
১৫ নিব। কিয়নো প্রভুৰ্ কথাৰ দোৱাৰা তোমোলাকৎ
আমি কওঁ জীৱন্ত প্রভুৰ্ অহালৈকে স্থায়ী আমি নি
১৬ দ্রিতহঁতৰ্ অগ্রগামী নহম্। কিয়নো জয়২কাৰ শব্দ
আৰু প্রধান দূতৰ্ বাও আৰু ঈশ্বৰৰ্ তুৰীবাদ্য কৰি
১৭ প্রভু আপুনি স্বর্গৰপৰা নামিব আৰু খ্রীষ্টৎ যিবি
লাক মৃত সিহঁৎ প্রথমতে উঠিব তাৰপাচে জীৱন্ত

আৰু পিচত আমি শূন্যত প্ৰভুৰ সৈতে দেখা কৰিবলৈ
সিহঁতৰ লগত ডাৱৰেৰে আকৰ্ষিত হম তাতে
১৮ প্ৰভুৰ সৈতে নিতৌ থাকিম এয়েৰেই এই কথা কোৱাত
আপোনাক অন্যোন্যে শান্তনা কৰা।

৫ পৰ্ব্ব কিন্তু হে ভাইহঁত তোমালোকৰ একো প্ৰয়োজন
১ নাই যয় কাল আৰু নিয়মিত কালৰ অৰ্থে তোমালো
২ কলৈ লিখোঁ কিয়নো যেনেকৈ ৰাতি চোৰ আহে
তেনেকৈ প্ৰভুৰ দিন আহিব ইয়াক তোমালোকে আ
৩ পুনি নিশ্চয়ে জানা। কিয়নো যি কালত মানুহে বো
লে শান্তি আৰু নিৰাপদ ওপগত সেই কালত যেনে
গৰ্ভৱতী তিৰোতাৰ প্ৰসৱৰ বিষ হয় তেনে তোমালো
কৰ অকস্মাৎ সৰ্ব্বনাশ হব আৰু সিহঁত নিজাব।
৪ কিন্তু হে ভায়হঁত তোমালোক অন্ধাৰত নোহোৱা
সেই দিনা তোমালোকত চোৰ অহাৰ নিচিনা যিলে
৫ তোমালোক এটাই পহৰৰ আৰু দিনৰ লৰাহঁত
৬ আমি ৰাতিৰ-বা অন্ধাৰৰ নোহোঁ। এয়েৰেই
আমি আন মানুহৰ নিচিনা নোটোপনিয়াঁও কিন্তু পৰ
৭ দি আৰু সজ্ঞান হই কিয়নো যিবিলাকে টোপনিয়ায়
সিহঁত ৰাতিতে টোপনিয়ায় আৰু যিবিলাক মতোৱাল
৮ সিহঁত ৰাতিতে মতোৱাল। কিন্তু দিবসীয়া আমি
সঞ্জাত আৰু চেনেহৰূপ গাতি আৰু তৰণিৰ ভাৰসা
৯ ৰূপ টকিয়া পিন্ধি সজ্ঞান হোঁ। কিয়নো খঙ ভুঞ্জি
বলৈ ঈশ্বৰে আমাক নিযোজিত কৰা নাই কিন্তু আমি
১০ জাগোঁ বা টোপনিয়াওঁ তেঁওৰ সৈতে একেলগে বসতি

কৰোঁ এই নিকোনে আমাৰ অৰ্থে মৰিল যি আমাৰ
প্ৰভু যিশু খ্ৰীষ্ট তেওঁৰ দোৱাৰা তৰণি পাবলৈ আ
১১ মাক নিযোজন কৰিছে। এয়েৰেই যেনে তোমোলা
কে কৰা তেনে আপোনাক অান্যোন্যে শান্তনা
১২ কৰা আৰু ক্ৰমে২ গাঁথা। হে ভায়হঁৎ ময় এই মিনতি
কৰোঁ তোমোলাকে আমাৰ মাজৎ যিবিলাকে শ্ৰম
কৰে আৰু প্ৰভুৎ তোমোলাকৰ ওপৰৎ নিযোজিৎ
হয় আৰু তোমোলাকক উবিয়াই সিহঁতক জানা।
১৩ আৰু সিহঁতৰ কৰ্ম্মোৰে সিহঁতক চেনেহ কৰি বৰ
আদৰ কৰা আৰু অন্যোন্যে নিৰ্ব্বিৰোধি হোৱা।
১৪ হে ভায়হঁৎ এতিয়া আমি তোমোলাকক এই উপদেশ
১৫ কৰোঁ যিবিলাক দুৰ্ব্বিনীত সিহঁতক উবিয়োৱা। দুৰ্ব্বল
মনাহঁতক শান্তনা কৰা দুৰ্ব্বলহঁতক বৰি ৰাখা এটাই
১৬ মানুহলৈ সহিষ্ণু হোৱা। কোনোএ কাকো হিংসা
১৭ ৰ নিকোনে হিংসা নকৰোক কিন্তু আপোনা২ মাজৎ
১৮ এটাইলৈকে সদাচাৰ নিতৌ কৰা। সদায় আনন্দ
১৯ কৰা। নিৰন্তৰ প্ৰাৰ্থনা কৰা। এটাইতে শলা
গা কিয়নো তোমোলাকৰ অৰ্থে খ্ৰীষ্ট যিশুৎ এই ঈশ্ব
২০ ৰৰ ইষ্ট কৰ্ম্ম আন্মাক ভ্ৰমোৱা। আচাৰ্য বাক্য
২১ ইতিকিং নকৰিবা। এটাই কৰ্ম্মৰ পৰীক্ষা কৰা যি
২২ সজ তাক শকৎকৈ ধৰা। কুকৰ্ম্মৰ এটাই চাঁকো
২৩ এৰা আৰু শান্তি কৰোতা ঈশ্বৰ আপুনি তোমো
লাকক সমস্তো সম্পূৰ্ণ কৰোক প্ৰভু যিশু খ্ৰীষ্টৰ আ

গমনলৈকে তোমোলাকৰ্ সদম্পায় আত্মা আৰু
২৪ মন আৰু দেহ নিজগাৰিয়া ৰখা হোক্।  যি তো
মোলাকক্ মাতিছে তেঁও বিশ্বাসী আৰু তাকো কৰি
২৫ ব।  হে ভায়হঁৎ আমাৰ অৰ্থে প্ৰাৰ্থনা কৰা। এটা
২৬ ই ভায়হঁতক্ পবিত্ৰ চুমা দি নমস্কাৰ্ কৰা।  প্ৰভুৰ
২৭ নাম কৰি ময় তোমোলাকক্ আজ্ঞা দিয়োঁ যেন এই
২৮ কাকৎ এটাই সাৰি ভায়হঁতলৈ মতা হয়।  আমাৰ
প্ৰভু য়িশু খ্ৰীষ্টৰ্ অনুগ্ৰহ তোমোলাকলৈ হোক্
আমিন্।—

# পাওল্ পাঁচনীএ যি দ্বিতীয় কাকৎ ডেসলোনীয়াহঁতলৈ লিখিলে সেয়ে এই।—

১ প্ৰথম পৰ্ব্ব।

১ ঈশ্বৰ্ আমাৰ পিতৃৎ আৰু প্ৰভু যিশু খ্ৰীষ্টত
ডেসলোনীয়াহঁতৰ্ যি মণ্ডলী তালৈ পাওল্ আৰু
২ সল্বানসে আৰু তিমোথিয়সে কাকৎ লেখে। আমা
ৰ পিতৃ ঈশ্বৰ্ আৰু প্ৰভু যিশু খ্ৰীষ্টৰপৰা অনুগ্ৰহ
৩ আৰু শান্তি তোমোলাকলৈ হোক্। হে ভায়হঁৎ
যেনে ওচিৎ আছে তেনে তোমোলাকলৈ আমাৰ স
দায় ঈশ্বৰৰ্ কাষৰৎ শ্লাঘা কৰিবাৰ প্ৰয়োজন আছে
কিয়নো তোমোলাকৰ্ সঞ্জাৎ এনে অত্যন্ত বাঢ়ে
আৰু তোমোলাকৰ্ সদৌলৈকে তোমোলাকৰ্
৪ অন্যোঅন্যে চেনেহ এনে ক্ৰমেং সৰহ হইছে তো
মোলাকে যি এটাই বিপক্ষতা আৰু দুঃখ পাইছা
তাতে তোমোলাকৰ্ সহিষ্ণুতাৰে আৰু সঞ্জাতৰে
নিকোনে আমি ঈশ্বৰৰ্ মণ্ডলীবিলাকৰ্ মাজৎ তো
৫ মোলাকৰৰ্থে দম্ভ কথা কও। সেই দুঃখ ঈশ্বৰৰ্
৬ পৰমাৰ্থ শোধিৰ এক ঠাকুৰ লক্ষণ তোমোলাক ঈশ্ব
ৰৰ্ যি ৰাজ্যৰ্ নিকোনে দুঃখ পোৱা সেই ৰাজ্য

যোগ্য গণিৎ হোৱা কিয়নো যিবিলাকে তোমোলা
কক্ দুঃখ দিয়ে সিহঁতক আকও দুঃখ দিয়া আৰু যিবি
৭ লাকে ঈশ্বৰক নেজানে আৰু আমাৰ প্ৰভু য়িশু
খ্ৰীষ্টৰ শুভবাৰ্ত্তা নেমানে সিহঁতক সমুচিৎ দিবলৈ
যেতিয়া প্ৰভু য়িশু আপোন বলৱন্ত দূতহঁতক্ লগৎ
৮ লৈ প্ৰজ্বলিৎ জুইৎ স্বৰ্গৰপৰা প্ৰকাশিক্ হব তেতিয়া
দুঃখ ভুঞ্জোতা তোমোলাককে আমাৰি লগৎ জিৰ
৯ ণি দিবলৈ ঈশ্বৰৰ্ যোগ্য। কিয়নো সেই দিনা
আমি যি প্ৰমাণ তোমোলাকৰ্ ঠাইৎ দিলোঁ সেয়ে
সঞ্চাৎ আছিল। যেতিয়া প্ৰভু আপোন সাধুলো
কবিলাকৰ্ মাজৎ আদৃত হবলৈ আৰু যিমান মানু
হে পত্তীয়ায় এটাইতে আতিমান্য হবলৈ আহিব
১০ তেতিয়া সেই দিনা তেঁওৰ আগ হবলৈ আৰু
তেঁওৰ্ পৰাক্ৰমৰ্ কাহিৰপৰা আৰু সিহঁতৰ অনন্ত
১১ সৰ্ব্বনাশৰূপ শাস্তি হব ইয়াক্ দেখি আমি তোমো
লাকলৈ নিত্তৌ প্ৰাৰ্থনা কৰোঁ যেন আমাৰ ঈশ্বৰে
তোমোলাকক্ এই আহ্বান যোগ্য জানে আৰু আ
পোন ভদ্ৰতাৰ ওত্তম অভিলাষ আৰু প্ৰতীতিৰূপ কাৰ্য্য
১২ পৰাক্ৰমেৰে পূৰায় যেন্ প্ৰভু য়িশু খ্ৰীষ্টৰ্ নাম তো
মোলাকৰ্ মাজৎ আমাৰ ঈশ্বৰ আৰু প্ৰভু য়িশু
খ্ৰীষ্টৰ্ অনুগ্ৰহানুসাৰে তোমোলাকে তেঁওৰ্ মা
জৎ গৌৰৱ পোৱা।—

পৰ্ব্ব হে ভায়হঁৎ আমাৰ প্ৰভু য়িশু খ্ৰীষ্টৰ্ আগমনাৰ্থে
২ তেঁওৰ্ ওচৰৎ আমাৰ-সংগৃহীত হোৱাৰৰ্থে এতিয়া

আমি তোমালোকক্ মিনতি কৰোঁ যেন্ খ্ৰীষ্টৰ্ দিন
২ ওচৰ চাপিলে যেনে হল্হেঁতেন তেনে এই অৰ্থে আ
ন্মাৎ বা বাক্যৎ বা আমাৰ ওচৰৰ্পৰা অহা কাকৎ
ৰ্পৰা যেনে হল্হেঁতেন তেনে কাৰুতেৰে তোমালো
কে মনৎ হঠাৎ লাড়িত আৰু ঘাবৰাণ নোহোৱা ।
৩ কোনোৰূপে তোমালোকক্ কোনোএ ভুলওক ক্ৰিয়
৪ নো প্ৰচুৰতি প্ৰথমেতে নহলে আৰু ঈশ্বৰৰ্ নামেৰে
প্ৰসিদ্ধ যিমান পূজিত আৰু যিমান এই এটাইৰে
৫ বিৰোধে এই এটাইৰে ওপৰৎ আপোনাক এনে ওখ
কৰোঁতা আপোনাক ঈশ্বৰ্ বুলি প্ৰেচিক্ কৰি ঈশ্ব
ৰৰ্ নিচিনা ঈশ্বৰৰ্ মন্দিৰৎ বহে এনে যি পাপপুৰুষ
অৰ্থাৎ সৰ্ব্বনাশৰ্ পুত্ৰ প্ৰেচিক্ নহলে এই দিন না
৬ হব ।   তোমালোকে স্মৰণ কৰানে মই যেতিয়া তো
মোলাকে সৈতে আচিলোঁ তেতিয়া তোমালোকৎ
এই কথা কলোঁ এতিয়া সেই পাপপুৰুষৰ্ আপোন
কালৎ প্ৰেচিক্ হোৱাৰ নিৰোধক কি ইয়াক্ তোমো
৭ লাকে জানা কিয়নো অপৰমাৰ্থৰ্ গুহ্যতা সফল হব
লৈ লাগে এতিয়া অকল নিবাৰণ কৰোঁতা ব্যক্তিৰ
৮ মাজৰপৰা নীয়া হোৱালৈকে হাক্ দিব ।   সেইক্ষে
হলে যি পাপ পুৰুষক্ প্ৰভু এ আপোন মুখৰ্ আন্মাৰ
দোৱাৰা সংহাৰ কৰিব আৰু আপোন আগমন কা
৯ লিৰ্ দোৱাৰা বিনাশ কৰিব অৰ্থাৎ এটাই পৰাক্ৰম
আৰু লক্ষণ আৰু মিচা আশ্চৰ্য্য কৰ্ম্মে সৈতে আ
পোনি সকলি হবলৈ যিবিলাকে সত্যতাৰ্ চেনেহ

১০ গ্ৰহণ নকৰিলে। সেই বিনাশীয় মানুহৰ মাজৎ
অপৰমাৰ্থৰ এটাই ভণ্ডনায় সৈতে যাৰ আগমন শয়
তানৰ কৰ্ম্ম কৰাৰ অনুসাৰে আছে সি তেতিয়া
১১ প্ৰেচিত হব। এই নিকোনে ঈশ্বৰে সিহঁতৰ তলৈ
বৰ মায়া পঠিয়াব যেন সিহঁতে মিচা কথা পতীয়ায়
১২ যিবিলাকে সত্যতাৎ নপতীয়ালে কিন্তু অপৰমাৰ্থ
কৰ্ম্মৎ তুষ্ট আছিল সেই এটাই দণ্ডিৎ হয় কিন্তু হে
প্ৰভুৎ প্ৰিয় ভায়হঁৎ তোমোলাকৰৰ্থে ঈশ্বৰলৈ স
১৩ দায় শ্লাঘা কৰিবলৈ আমাৰ প্ৰয়োজন আছে। কি
য়নো আত্মাৰ পবিত্ৰতাৰে আৰু সত্যতাৰ সঞ্জাতৰ
১৪ দোৱাৰা তৰণি পাবলৈ আৰু যাৰ নিকোনে আমাৰ
প্ৰভু যিশু খ্ৰীষ্টৰ গৌৰব পাবলৈ আমাৰ শুভবাৰ্ত্তাৰ
দোৱাৰা ঈশ্বৰে তোমোলাকক মাতিছে সেই তৰণি
পাবলৈ তেঁও আদিৰেপৰা তোমোলাকক মনস্থ কৰি
১৫ লে। এয়েৰেই হে ভায়হঁৎ স্থিৰ হোৱা কথাৰে বা
আমাৰ কাকতেৰে যি ব্যৱহাৰৎ তোমোলাক শি
১৬ ক্ষিৎ আছা সেই ব্যৱহাৰ মানা। এতিয়া আমাৰ
প্ৰভু যিশু খ্ৰীষ্ট আপুনি আৰু আমাক চেনেহ কৰি
১৭ চে আৰু অনুগ্ৰহৰ দোৱাৰা অনন্ত শান্তনা আৰু
উত্তম ভাৱনা দিছে যি আমাৰ পিতৃ ঈশ্বৰ তেঁৱো
তোমোলাকৰ মনৰ শান্তনা কৰোঁক আৰু সদৌ
উত্তম বাক্য আৰু কৰ্ম্মেৰে তোমোলাকক থিৰ
কৰোঁক।—

পৰ্ব্ব   আৰু হে ভায়হঁৎ আমাৰৰ্থে প্ৰাৰ্থনা কৰা যেন্
১ ঈশ্বৰৰ্ বাক্য যেনে তোমোলাকৰ মাজৎ প্ৰৱৰ্ত্তিছে
সেই বাক্য অন্যতে অবাধিৎৰূপে প্ৰবৰ্ত্তে আৰু গৌ
২ ৰৱযুক্ত হয় আৰু অবিবেচক্ আৰু দুৰ্জন লোকৰ
পৰাও যেন্ আমি মুক্ত হোঁ কিয়নো এটাই মানুহৰ্
৩ সঙ্গাৎ নায় কিন্তু তোমোলাকক্ স্থিৰ কৰিব আৰু
৪ পাপৰপৰা ৰাখিব যি ঈশ্বৰ তেঁও সঙ্গাতী। আমি
প্ৰভুৎ তোমোলাৰ্ বথাৎ পতীয়াঁও আমি যিং কৰ্ম্ম
তোমোলাকলৈ আজ্ঞা কৰোঁ তোমোলাকে সেই কৰ্ম্ম
৫ কৰিছা আৰু কৰিবা আৰু ঈশ্বৰৰ্ স্নেহ আৰু
খ্ৰীষ্টীয়া সহিষ্ণুতা প্ৰভুএ তোমোলাকৰ্ মন্ লোৱ
ওক।

৬   হে ভায়হঁৎ যি সদৌ ভায় অনিয়মে চলে আৰু
যি নিয়ম তোমোলাকে মোৰ ঠায়ৰৎ পাইছা
তেনে নহয় তোমোলাকে সেই সদৌৰেপৰা বেলেগ
হোৱা ইয়াক্ আমি প্ৰভু যিশু খ্ৰীষ্টৰ নামে তোমো
৭ লাকক্ আজ্ঞা কৰোঁ। কিয়নো তোমোলাকে জানা
আমাৰ পশ্চাদ্গামী হোৱাৰ তোমোলাকৰ্ কি কি
প্ৰয়োজন কিয়নো তোমোলাকৰ্ মাজৎ আমি অনিয়
৮ মে নচলিলোঁ আৰু কাৰো বেহানি বিনামোলে খোৱা
নায় কিন্তু তোমোলাকৰ্ কাৰো ওপৰৎ ভাৰ নিদিব
লৈ ৰাত্ৰিদিনা যতন আৰু শ্ৰম কৰি বন্ কৰিলোঁ।
৯ আমাৰ পৰাক্ৰম নোহোৱাৎ নহয় তোমোলাকে
আমাৰ পশ্চাদ্গামী হোৱা এই নিকোনে তোমো

১০ লাকৰ্ আদর্শস্বৰ্ নিজোনে তাক্ কৰিলোঁ। কিয়
নো আমি তোমোলাকৰ্ আগতে যেতিয়া আছিলোঁ
তেতিয়া আজ্ঞা কৰিছিলোঁ যি বন্ নকৰে সি খাবলৈ
১১ নেপাব কিয়নো আমি শুনো বন্ নকৰে কিন্তু পৰৰ্
বনৰ্ চৰ্চ্চা কৰে এনে অনিয়মে প্রবর্ত্তে কেৎবিলাক
১২ তোমোলাকৰ্ মাজৎ আছে। এয়েৰেই নিৰ্ব্বিৰো
ধী হই বন্ কৰিবলৈ আৰু স্বকিয়াং বেহানি খাবলৈ
আমি প্রভু যিশু খ্রীষ্টৰ্ নামলৈ তোমোলাকক্ আ
১৩ জ্ঞা দিয়োঁ আৰু ওদগাঁও। কিন্তু হে ভায়হঁৎ তো
১৪ মোলাকে সুকৰ্ম্ম কৰাৎ নেভাগিৰিবা আৰু এই কাক
তৎ আমাৰ বাক্য যেদি কোনোএ নেমানে
১৫ তেবে সেই মানুহৰ নিশ্চয় কৰা আৰু সিএ সৈতে
আলাপ নকৰা যেন্ সি লাজ হয় তেৱো তাক্ শত্রু
বুলি নগণিবা কিন্তু ভায়হঁতৰ্ নিচিনাকৈ তাক্ ডবি
১৬ য়োৱা। এতিয়া শান্তিদিয়োঁতা ঈশ্বৰ সদায় সর্ব্ব
প্রকাৰে তোমোলাকক্ শান্তি দিয়োক। প্রভু তোমো
১৭ লাৰ্ এটাইৰে লগৰিয়া হোক্। ময় পাওল আ
পোন হাতে লিখিৎ মোৰ নমস্কাৰ সদো কাকতৎ
১৮ এই মোৰ চিন্ এনেকৈ ময় লিখোঁ। প্রভু যিশু
খ্রীষ্টৰ্ অনুগ্রহ তোমোলাকৰ্ এটাইলৈকৈ হোক্।
আমিন্।—

পাওল পাঁচনীএ যি প্ৰথম কাকৎ তিমোতিয়সলৈ লিখি
লে সেয়ে এই।—

## ১ প্ৰথম পৰ্ব্ব।

১ আমাৰ তাৰক যি ঈশ্বৰ আৰু আমাৰ ভাৰসা
যি প্ৰভু যিশু খ্ৰীষ্ট তেওঁৰো আজ্ঞাক্ৰমেৰে যিশু খ্ৰীষ্টৰ
পাঁচনী যি ময় পাওল ভক্তিৰে মোৰ পৰমাৰ্থ পুত্ৰ
২ তিমোতিয়সলৈ কাকৎ লেখোঁ। আমাৰ পিতৃ ঈশ্ব
ৰ আৰু প্ৰভু যিশু খ্ৰীষ্টৰপৰা অনুগ্ৰহ আৰু দয়া
৩ আৰু শান্তি তোমালৈ হোক্। আন্ নিশিকাবলৈ
আৰু নিৰৰ্থক ৰচনা আৰু ঈশ্বৰ ভক্তিৰে ক্ৰমেং
বৰ্দ্ধনাপেক্ষা দ্বন্দ্বাদ্বন্দি ওপজায় যি অনন্ত বংশা
৪ ৱলি সেই বিলাক্ নেমানিবলৈ কেতেটি মানুহক্
আজ্ঞা দিবলৈ যেনে ময় মাকিদোনিয়া যাত্ৰা কালত
তোমোলাক এফেসসত ৰবলৈ বুলিলোঁ তেনে কৰা।
৫ নিৰ্ম্মলচিত্ত আৰু ভদ্ৰমন আৰু অকল্পিত সঞ্জাতেৰে
চেনহ আজ্ঞাৰ এইং আশয় কোনো কোনোএ এড়ি
৬ ইফালে সিফালে ঘুৰি আৰু যি কয় আৰু যিহত
বোলে ইয়াক নেজানি শাস্ত্ৰ শিকওঁতা হবলৈ ইচ্ছা
কৰি নিৰৰ্থক দ্বন্দ্বাদ্বন্দিৰ ফাললৈ ওভতিছে।

৭ কিন্তু শাস্ত্ৰ পৰমাৰ্থিক্ মানুহৰ্ নিকোনে নহয় কিন্তু
৮ শাস্ত্ৰানধীন আৰু অমান্যক আৰু অধাৰ্ম্মিক আৰু
৯ পাতকী আৰু অসাধু আৰু ধৰ্ম্মৰহিত আৰু পিতৃঘ্ন
আৰু মাতৃঘ্ন আৰু নৰঘ্ন আৰু বেশ্যাসক্ত আৰু পুং-
১০ মৈথুনী আৰু মানুষচোৰ আৰু মিচলীয়া আৰু মিচা
১১ শপত কৰোঁতা এইবিলাকৰ্ নিকো ন আৰু সচ্চিদা
নন্দ ঈশ্বৰৰ্ যি মাহাত্ম্যযুক্ত শুভবাৰ্ত্তা মোৎ সমৰ্পি
ছিল্ তদনুযায়ী যি সুশিক্ষা আছে তদ্বিপৰীতে যি যি
১২ আন্ কোনো ভাব থাকে এইবিলাকৰ কাৰণো আচে
ইয়াক্ জানি যেদি লোকশাস্ত্ৰৰ যোগ্যৰূপে শাস্ত্ৰা
চাৰ কৰে তেবেই শাস্ত্ৰ ভাল ইয়াকো জানোঁ।—
১৩ আগেই ঈশ্বৰনিন্দক্ আৰু তদাশ্ৰিতহঁতৰ্ বিপক্ষ
তা কৰোঁতা আৰু হিংসক যি ময় মোক বলৱন্ত
কৰিলে যি আমাৰ প্ৰভু যিশু খ্ৰীষ্ট তেঁৱেই এই
শুশ্ৰূষাৎ মোক বিষয়া পাতি বিশ্বাসী বুলি গণিলে
এই নিকোনে ময় তেঁওৰ কাথৰৎ শ্লাঘা কৰোঁ।
১৪ কিন্তু ময় দয়া পালোঁ কিয়নো ময় অজ্ঞান হই সেই
কৰ্ম্ম অনাস্তিকৰ নিকোনে কৰিলোঁ আৰু খ্ৰীষ্ট যিশুৎ
সঞ্চাৎ আৰু চেনেহে মৈতে আমাৰ প্ৰভুৰ অনুগ্ৰহ
১৫ অতিশয় আছিল্। এই কথা বিশ্বসনীয় আৰু সৰ্ব্ব
তোভাৱে গ্ৰাহ্য যি খ্ৰীষ্ট যিশু পাপীহঁতক ৰক্ষা কৰি
১৬ বলৈ আহিল্ যিবিলাকৰ মধ্যে ময়। কিন্তু ময় এই
নিকোনে দয়া পালোঁ ইয়াৰ পাচৎ যিবিলাক অনন্ত
আয়ুলৈকে তেঁওৰ শৰণাগত হব সিহঁতৰ নিমিত্তে

আদর্শস্বৰূপে যিশু খ্ৰীষ্ট প্ৰথমতে মোৰ মাজৎ এটা
১৭ ই দীর্ঘকাল সহিষ্ণুতা প্ৰকাশ কৰে। এতিয়া অনন্ত
অমৰ অদৃশ্য ৰজাৰ অদ্বিতীয় বুদ্ধিমন্ত ঈশ্বৰলৈ
সৎকাৰ আৰু মাহাত্ম্য সদা সর্ব্বক্ষণে হোক।
আমিন।—

১৮ হে পুত্ৰ তিমোতিয়স তোমাৰ কথাৎ পূর্ব্বোক্ত
আচার্য্যবাক্যানুসাৰে তোমাৰ কাগৰৎ এই আজ্ঞা
সম্প্লো ঈশ্বৰ নিন্দা নকৰিবলৈ শিক্ষাৰ নিকোনে ময়
শয়তানৰ কাগৰৎ সম্প্লিচোঁ হমেনায়স আৰু আ
১৯ লেক্সান্দ্ৰ এই দুয়ো যাৰ মাজৎ আছে এনে যি
কেতেটি মানুহ ভক্তি আৰু সদন্তঃকৰণ এড়ি ভ
২০ ক্তিৎ নাৱো ভাঙ্গিছে তুমি সেই ভক্তি আৰু সদন্তঃ
কৰণ গ্ৰহণ কৰি সেই পূর্ব্বোক্ত আচার্য্যবাক্যৰ
হতুৱায় উত্তম ৰণ কৰা।—

পর্ব্ব এয়েৰেই ময় আদেশ কৰোঁ প্ৰথমতে এটাই মানু
২ হলৈ বিশেষত ৰজাহঁতৰ আৰু শাসন কৰোঁতাহঁতৰ
৩ নিকোনে বিনয় আৰু প্ৰার্থনা আৰু মিনতি আৰু শ্লাঘা
কৰা হয় আমি সাধু আচৰণৎ আৰু সৰলাচৰণৎ
৪ শান্ত আৰু নির্ব্বিৰোধি ৰূপে কালক্ষেপণ কিয়নো এটাই
মানুহৰ মোচন আৰু সত্যতা গ্ৰহণৈচ্ছুক যি আমাৰ
তাৰক ঈশ্বৰ তেঁওৰ দৃষ্টিৎ এই প্ৰশস্ত আৰু গ্ৰাহ্য।
৫ কিয়নো এক ঈশ্বৰ আছে আৰু ঈশ্বৰৰে আৰু মানু
হৰে মাজৎ এটা মধ্যস্থ আছে অর্থাৎ মানুহ যিশু

খ্ৰীষ্ট যি উচিৎ কালৎ প্ৰমাণীকৃত হবলৈ এটাইৰে
৬ মোচনৰ মূল্যাৰ্থে আপোনাকে দিলে যয় খ্ৰীষ্টৎ
৭ সত্য কথা কঁও যয় মিচা কথা নকঁও সেই প্ৰমাণ কৰি
বলৈ কীৰ্ত্তন কৰোঁতা আৰু পাঁচনী আৰু খ্ৰীষ্টৰ দ্বাৰা
তে আৰু সঁচাতে আন্দেশীইঁতৰ এক শিক্ষক যয় নি
৮ যোজিৎ আছোঁ। এয়েৰেই যয় খোজোঁ মানুহে
ক্ৰোধেৰে আৰু সন্দেহ বিনা পবিত্ৰ হাৎ সকলে ঠাইতে
৯ তুলি প্ৰাৰ্থনা কৰে। তিৰোতা সলজ্জা আৰু সগাম্ভীৰ্য্যা
হৈ আপোনাক্ সতীৰ্ৎ কাপৰেৰে ভূষিতা কৰে বি
ন্যস্ত কেশেৰে বা স্বৰ্ণ বা মুক্তা বা বহুমূল্য বস্ত্ৰ
পিন্ধাৰে নহয় কিন্তু ঈশ্বৰৰ সেৱাসক্তা তিৰোতা
১০ ইঁতৰ যেনে উচিত তেনে সুক্ৰিয়াতে ভূষিতা হোক্।
১১ সৰ্ব্বতোভাৱে তিৰী বশীভূতা হৈ নিজম দি শিক্ষা
১২ কৰোঁক। কিন্তু তিৰোতাইঁতক যয় শিকাবলৈ বা মুনি
হৰ ওপৰৎ শাসন কৰিবলৈ নিদিয়োঁ কিন্তু নিজম দি
১৩ থাকিবলৈ আজ্ঞা দিয়োঁ। কিয়নো আদম প্ৰথম সৃষ্ট
১৪ আছিল্ তাৰপৰ হাৱা আদম ভণ্ডিত্ নাছিল্ কিন্তু
১৫ তিৰী ভণ্ডিতা হৈ আজ্ঞাভঙ্গ কৰিলে। কিন্তু যেদি
সিহঁৎ সত্তানতায় সৈতে সজ্ঞাত আৰু চেনেহ আৰু
সাধু কৰ্ম্মৎ নিত্তৌ প্ৰবৰ্ত্তে তেবে সন্ততি প্ৰসৱৎ ৰক্ষা
পাব।—

পৰ্ব্ব এই কথা সঁচা যেদি কোনোএ আচাৰ্য্য বাব খোজে
৩ তেবে সি ভাল্ কৰ্ম্ম খোজে এয়েৰেই প্ৰয়োজন আছে
যি আচাৰ্য্য নিৰ্দ্দোষী এক তিৰীৰ্ স্বামী পৰিয়া

সল্লোক্ সদাচাৰী আতিথ্যশীল্ শিক্ষা কৰাবলৈ
৩ যোগ্য হয়; মদপী নহয় মাৰক্ নহয় মযল লভ্যলোভী
নহয় কিন্তু সহিষ্ণু আৰু নিৰ্ব্বিৰোধী হয় ধনলোভী
নহয় আপোন লৰাইঁতক্ বশ কৰি সৰ্ব্বতোভাৱে গা
৪ ম্ভীৰ্য্যেৰে আপোন বাটীক্ সুশাসক্ হয় কিয়নো কো
৫ নো যেদি আপোন বাটীৰ কৰ্ত্তৃত্ব কৰিব নোৱাৰে
তেবে সি ঈশ্বৰৰ্ মণ্ডলীৰ্ কৰ্ম্মৰ চিন্তা কেনেকৈ
৬ কৰিব। অল্পকাল ভক্ত নহয় জানো অহঙ্কাৰেৰে
৭ মত্তোৱাল হই সি শয়তানৰ দোষৎ পৰে। বহি
ৰ্ভূত মানুহৰ কাষৰৎ তাৰ সুখ্যাতি হোৱাৰ প্ৰয়ো
জন আছে জানো অপমানৎ শয়তানৰ ফান্দৎ
পৰে।—

৮ দীকনহঁৎ গহীন অদ্বিজিহ্ব ভালেমান মদপীয়োতা
নহয় মযল লভ্যলোভী নহয় নিৰ্ম্মল মনে খ্ৰীষ্টৰ্
বীৰাৰ্ তত্ব গ্ৰাহক্ যি হয় ইয়াৰ প্ৰয়োজন আছে।
৯ ইহঁতো প্ৰথমতে পৰীক্ষিত হোক্ তাৰপৰ নিৰ্দ্দোষী
১০ জানা গলে দীকন বাবৎ ব্যাপাৰ কৰোক। সিহঁতৰ্
১১ তিৰোতাহঁতে যি গহীনা অপবিবাদিকা নহয় স
ল্লোকা এটাই কৰ্ম্মৎ বিশ্বাসিনী হয় ইয়াৰ্ প্ৰয়োজ
১২ ন আছে। দীকনহঁৎ এক তিৰীৰ স্বামী আৰু আ
১৩ পোন বালক আৰু বাটীৰ সুশাসক্ হোক্। কিয়নো
যিবিলাকে দীকন বাবৎ ভদ্ৰাচৰণ কৰিছে সিহঁতে
আপোনাৰ নিকোনে ওত্তম বাৰ আৰু খ্ৰীষ্ট যিশুৎ
ভক্তিৰে বৰ্ সাহ পায়।—

১৪ কিঞ্চিৎ পাচত তোমাৰ ওচৰলৈ আহিবলৈ ভাৰ
১৫ সা কৰি মই ইয়াক তোমালৈ লিখোঁ। কিন্তু জানোঁ
মোৰ পলম হয় মই ইয়াক লিখোঁ তুমি জীৱত ঈশ্ব
১৬ ৰৰ মণ্ডলী আৰু ভক্তি স্তম্ভ আৰু ভিৎ যি ঈশ্বৰৰ ঘৰ
তাতে যোগ্য আচৰিবলৈ জানা আৰু ঈশ্বৰৰ সেৱা
ৰ তত্বৰ গাম্ভীৰ্য্য নিশ্চয় বৰ যি শৰীৰত প্ৰৌচিক আ
চিল তেঁও আন্যাৎ পৰমাৰ্থী মত দূতহঁতৰকৰ্ত্তৃক
দৃষ্ট আন্দেশীয়াহঁতৰ ওচৰত কীৰ্ত্তিত জগতত পাতী
য়োৱা ঐশ্বৰ্য্যত গৃহীত আচিল।—

পৰ্ব্ব আন্মায় নিশ্চয় কয় ভ্ৰান্তিজনক আন্মা আৰু দেৱ
৪ তাবিলাকৰ শিক্ষামানী তপত লোকে সেকামনা কাল্প
নিকতাৰে মিচা বাক্যবাদী বিবাহ নিষেধোতা আৰু
খাবৰ বেহানি শ্লাঘাৰে সত্যাত্তী আৰু সত্যবেত্তা
৩ হঁতৰ গ্ৰহনীয় হবলৈ ঈশ্বৰে সৃষ্টি কৰিচে সেই
বেহানি তিয়াগিবলৈ আজ্ঞা কৰোঁতা কেতেকি মানুহ
৪ শেহ কালত ভক্তি তিয়াগিব। ঈশ্বৰৰ সৃজা এটাই
বেহানি ভাল আৰু যেদি শলগাৰে লোৱা হয় তেৱে
৫ অগ্ৰহনীয় একো নহয়। কিয়নো ঈশ্বৰৰ বাক্য প্ৰাৰ্থ
নাৰ দোৱাৰা সি পবিত্ৰী কৰা হয় তুমি এইবিলাক
৬ কথা ভায়হঁতৰ স্মৰবায় যি ভক্তি আৰু সুশিক্ষা পাই
৭ চা সে ভক্তি আৰু সুশিক্ষাৰে পালিত যিশু খ্ৰীষ্টৰ
৮ এক ওত্তম সেৱক হবা। কিন্তু বীৰ্য্যৰহিত আৰু বুঢ়ি
তিৰোতাৰ অপোপদেশ গ্ৰহণ নকৰি আপুনি ঈশ্ব
৯ ৰৰ সেৱা কৰ্ম্মত যতন কৰা। কিয়নো শাৰীৰিক

যতনে অত্যল্প ফল্ জন্মায় কিন্তু ঈশ্বর্ সেৱা বর্ত্ত
মান আৰু ভবিষ্যৎ আয়ুর্ প্রতিজ্ঞাধিকাৰ হুই সর্ব্ব
১০ তোভাৱে ফল্জনক্ হয়। এই বিশ্বাস্য আৰু সর্ব্ব
প্রকাৰে গ্রহণ যোগ্য বাক্য কিয়নো যি এটাই মানু
হৰ্ তাৰক বিশেষত সঞ্জাতীহঁতৰ্ সেই জীৱৎ ঈশ্ব
ৰৎ সঞ্চাৎ কৰি আমি ইয়াৰ নিকোনে শ্রম কৰোঁ
১১ আৰু নিন্দিৎ হোঁ। এই এটাই আজ্ঞা দিয়া আৰু
১২ শিকোৱা। কোনোএ তোমাৰ যৌবন ইত্যিকিং ন
কৰোক কিন্তু বাক্য আৰু কথোপকথন আৰু চেনেহ
আৰু আত্মা আৰু বিশ্বাস আৰু নির্ম্মলতাৰে সঞ্জা
১৩ তীহঁতৰ্ আদর্শ হোৱা। মোৰ অহালৈকে পাঠ
১৪ আৰু উদগাঁ আৰু শিক্ষাৎ মন্ দিয়া। তোমাৰ মাজৎ
থকা যি সামর্থ্য বুঢ়াইঁতৰ্ সবাৰে হাৎ দিয়া লগৎ
আচার্য্যবাক্যৎ দিয়া হল্ তাৈল অৱহেলা নকৰিবা।
১৫ তোমাৰ শাস্ত্ৰজ্ঞানৰ ক্রমেং গ্রহণ এটাইবে কায
ৰৎ প্রৌঢ়িক্ হবলৈ এই এটাইতে চিন্তা কৰা আৰু
১৬ সর্ব্বতোভাৱে প্রবৃত্ত হোৱা। আপোনালৈ আৰু আ
পোন শিক্ষাৎ মন্ দিয়া তাৎ নিতো প্রবৃত্তা কিয়নো
তৎ কৰাৰে তুমি আপোনাকে আৰু আপোন শুৰুণী
হঁতকে তৰাবা।—

পর্ব্ব বুঢ়ামানুহক্ মস্কৰিয়াবা কিন্তু পিতৃর্ নিচিনা তেঁওক
৫ মিনতি কৰা। ডেকাইঁতক্ প্রতি ভায়হঁতৰ্ নিচিনা
আৰু বুঢ়ি তিৰোতাইঁতক প্রতি মাতৃর্ নিচিনা আৰু
সর্ব্বতোভাৱে শুদ্ধাচৰণ কৰি যুৱতীইঁতক প্রতি ভনী

৩ হঁতৰ্ নিঠিনা ব্যৱহাৰ কৰা । যি বাৰী স্বৰূপ ৰাৰী
৪ সিহঁতক্ আদৰ কৰা কিন্তু যেদি কোনো বাৰীৰ্
নৰা বা ভতিজা থাকে তেবে ইহঁৎ প্ৰথমতে আপোন
ঘৰৎ সৎকৰ্ম্ম কৰিবলৈ আৰু আপোন পিতৃ মাতৃৰ্
প্ৰত্যুপকাৰ কৰিবলৈ শিকোক কিয়নো ঈশ্বৰৰ্ আ
৫ গৎ এই কৰ্ম্ম ভাল আৰু সুগ্ৰাহ্য । যি স্বৰূপ বাৰী
আৰু অনাথ সি ঈশ্বৰক্ আশ্ৰয় কৰে আৰু ৰাত্ৰি
৬ দিৱা প্ৰাৰ্থনা আৰু মিনতি কৰাৎ নিত্তৌ প্ৰৱৃত্ত হয় ।
৭ কিন্তু যি সুখভোগে কালক্ষেপণ কৰে সি জীৱন কাল
৮ তো মৃতা আছে । সিহঁতৰ্ নিজাগৰিয়া হবলৈ এই
কথা আজ্ঞা কৰি দিয়া কিন্তু যেদি কোনোএ আপোন
পৰিয়ালৰ্ নিকোনে বিশেষত্ত আপোন ঘৰৰ্ মানুহৰ্
নিকোনে নোগোষ্টায় তেবে সি ভক্তি অপহ্নৱ কৰিছে
৯ আৰু অনাস্তিকৰ পৰা অধম । যাঠি বৎসৰ বয়
সীয়া অন্যূন বয়সীয়া অথচ এক পুৰুষৰ ভৰ্য্যা যি হই
১০ জিল অথচ নৰা প্ৰতিপাল কৰি থাকে বা আলহিহঁ
তক্ বহা দিয়ে বা সাধু বিলাকৰ্ ভৰি ধুৱায় বা আপ
১০ দীহঁতৰ্ উপকাৰ কৰে বা সদৌ সুকৰ্ম্ম যত্নপূৰ্ব্বক
কৰিছে ইত্যাদি সুকৰ্ম্মৎ সুখ্যাতা তিৰীক্ ব্যতিৰেক
১১ কোনো বাৰীক কাকৎ নিলিখিবা , কিন্তু ডেকেৰী
বাৰীহঁতক গ্ৰহণ নকৰা কিয়নো যেতিয়া খ্ৰীষ্টৰ্ বি
১২ ৰোবে ৰতীমতী হবলৈ বৰে তেতিয়া আপোনাৰ
প্ৰথম সজ্ঞাৎ এড়ি দোষিনী হই সিহঁতে বিবাহ
১৩ কৰিব । আৰু সিবিলাকে ঘৰে২ ফুৰি২ অলস হব

লৈ শিকে আৰু অকল অলস নহয় কিন্তু বুলিব
নলগা কথা কৈ২ বৰ্ বতুৰ্ আৰু অনাধিপত্য চৰ্চ্চা
১৪ কৰতী হবলৈ শিকে। এয়েৰেই ময় ইচ্ছা কৰোঁ
ডেকেৰি তিৰোতা বিয়া কৰে অপত্য ওপজায় ঘৰৰ্
১৫ বন্ কৰে আৰু বিপক্ষ মানুহক্ নিন্দা কৰাৰ হেতু
নিদিয়ে কিয়নো এতিয়া কোনো কোনোএ শয়
১৬ তানৰ্ পিছে যাবলৈ ওভতিছে। কোনো পতীয়ওঁতা
মানিহৰ্ বা তিৰোতাৰ্ যেদি বাৰী থাকে তেৱে সি
হঁতে সিহঁতক্ প্ৰতিপালন কৰোঁক আৰু মণ্ডলীৰ্
ভগিন কৰা ভৰ্ নোহোৱক্ সিহঁতে স্বৰূপ বাৰীহঁতৰ্
১৭ ওপকাৰ কৰিব পাৰে। যি বুঢ়াহঁতে ভালকৈ শাসন
কৰে সিহঁৎ দ্বিগুণ সৎকাৰ যোগ্য গণিৎ হোক্ বি
শেষত যিবিলাকে বাক্যৎ আৰু শিক্ষাৎ শ্ৰম কৰে
১৮ কিয়নো ধৰ্ম্মগ্ৰন্থে ইয়াক্ বোলে মৰণা মৰা গৰুৰ্
মুখ নেবান্ধিবা আৰু হজুৰা আপোন হজৰ যোগ্য।
১৯ দুই তিনি সাক্ষিৰ্ মুখ ব্যতিৰেকে বুঢ়া মানুহৰ্ ওপ
২০ ৰৎ অপবাদ গ্ৰহণ নকৰিবা। পাপ কৰোঁতাহঁতক্
এটাইৰে আগৎ দ্ৰুষ্কিয়াৰা যেন্ আন্ মানুহে ভয়
২১ কৰে। ওপৰোবেৰে এক্কো নকৰি এটায় এটাৰপৰা
ভাল দেখা ব্যতিৰেক্ ঈশ্বৰ্ আৰু প্ৰভু যিশু খ্ৰীষ্টৰ্
আৰু মনোনীত দূতহঁতৰ্ আগৎ এই কথা পালি
২২ বলৈ ময় তোমাক্ আজ্ঞা দিয়োঁ। হঠাৎ কাৰো ওপ
ৰৎ হাৎ নিদিবা আন্ মানুহৰ্ পাপৰ্ ভাগী নহবা
২৩ আপোনাকে পৰিস্কাৰ ৰাখা। এতিয়াৰপৰা সদা

পাণী নিপীবা কিন্তু তোমাৰ্ পেটৰ্ নিকোনে আৰু
তোমাৰ ঘনেং অসুস্থতৎ কিঞ্চিৎ দ্ৰাক্ষাৰছ পীয়া।
২৪ কাৰোঽ পাপ শোধিব্ নিকোনে মিবিলাকৰ অগ্ৰগামী
২৫ আই প্ৰেচিক্ হয় কাৰোঽ পশ্চাদ্গামী হয় তেনে
কাৰোঽ সুকৰ্ম্ম আগেই প্ৰেচিক্ হয় আৰু যিবিলাক
আন্যতীয়া হয় সিইঁত গুপ্তৎ স্থব নোৱাৰিব।

পৰ্ব্ব এই নিকোনে যিমান বন্দী যুৱলিৰ অধীন হয় সি
৬ ইঁৎ সকিয়াং প্ৰভুইঁতক্ এটাই আদৰ যোগ্য গণনা
২ কৰোক যি ঈশ্বৰৰ্ নামৰ আৰু শিক্ষাৰ নিন্দা নহয়।
যিবিলাকৰ্ সঞ্জাতী প্ৰভু আছে সিইঁৎ ভায় হোৱাৎ
সিইঁতক্ ইতিকিং নকৰোক কিন্তু বিশ্বাসী আৰু প্ৰিয়
আৰু ফলভাগী হোৱাৎ সিইঁতৰ্ অধিক্ সেৱা
কৰোক এই কথা শিকোৱা আৰু উপদেশ কৰা।
৩ যেদি কোনোএ আন্ শিকায় আৰু হিতকাৰী কথা
অৰ্থাৎ প্ৰভু যিশু খ্ৰীষ্টৰ কথা আৰু পূণ্যকৰ্ম্মানুসা
৪ ৰে যি শিক্ষা ইয়াক্ যেদি নৈ নকচায় তেবে সি সৰ্ব্ব
তোভাৱে অজ্ঞান আৰু যিয়াল দ্বন্দ্ব পৰাপবাদ দুস্কৃতি
আৰু সমলমনা সত্যতাৰহিত আৰু লোভক্ মাং
কৰ্ম্ম বুলি মানে যি মানুহে সিইঁতৰ্ দুষণাদুষণ
জনক্ প্ৰশ্ন আৰু বাক্য বিষয়ক্ বিবোবৈৰে মত্ত আই
৫ দন্তী আইচে এনে লোকৰপৰা নিলগা। কিন্তু নিৰা
৬ কাঙ্ক্ষতায় সৈতে ঈশ্বৰ্ সেৱা বৰ্ লাভ। কিয়নো
এই জগতলৈ আমি একো অনা নায় আৰু তাৰপৰা
৭ কিচু লগৎলৈ যাব নোৱাৰে এয়ে নিশ্চয়। এয়েৰেই

৮ আমাৰ খোৱা পিন্ধা হলে আমি নিৰাকাংক্ষ হোঁ।
৯ কিন্তু যিবিলাকে ধনাভিলাষ কৰে সিহঁৎ পৰীক্ষাৎ
আৰু ফাঁদৎ আৰু বিনাশ আৰু সংহাৰৎ লোক মগ্ন
কৰোঁতা অজ্ঞান আৰু হিংসক ভালেমান অভিলাষে
১০ ৰে পৰে। কিয়নো ধন লিপ্সা এটাই কুকর্ম্মৰ মূল্
ভালেমান তল্লোভী হৈ সত্যতৰ বাট পাহৰিছে
আৰু আপোনাক ভালেমান দুঃখৎ বিন্ধি পেলাইছে।
১১ কিন্তু হে ঈশ্বৰৰ মানুহ তুমি এইবিলাকৰপৰা পলো
ৱা আৰু পৰমার্থ আৰু ধর্ম্মতা আৰু সত্যৎ আৰু
চেনেহ আৰু সহিষ্ণুতা আৰু মৃদুতাক অনুগমন
১২ কৰা। প্ৰতীতিৰূপ ভাল্ ৰণ কৰা অনন্তায়ু ভুঞ্জি
বলৈ তুমি আহ্বত আচা আৰু ভালেমান সাক্ষি
হঁতৰ মুখে উত্তম বাব শৈ কাঢ়িছে সেই অনন্ত
১৩ আয়ুক্ ধৰা। এটাইৰে প্ৰাণদাতৃ ঈশ্বৰৰ আৰু
পন্তিয়স পীলাতৰ আগৎ উত্তম প্ৰমাণ দিলে যি যিশু
১৪ খ্ৰীষ্ট তেঁওৰ দৃষ্টিৎ তোমাক্ মই আজ্ঞা দিয়োঁ ধন্য
আৰু অদ্বিতীয় কর্ত্তা ৰজাহঁতৰ ৰজা আৰু প্ৰভুহঁতৰ্
প্ৰভু যদ্ব্যতিৰেক অমৃততা আন্ কাৰো নাই মনুষ্যৰ্
অগম্য তেজোবাসী যাক্ কোনোএ দেখা নাই আৰু
দেখিব নোৱাৰে যালৈ সৎকাৰ আৰু অনন্ত পৰাক্ৰ
১৫ মৰ্ শ্লাঘা হোক্। আমিন্। এনে যি ঈশ্বৰ তেঁও
আপোন কালৎ প্ৰেচিক্ কৰিব যি আমাৰ প্ৰভু যিশু
খ্ৰীষ্ট তেঁওৰ্ প্ৰেচিক্লৈকে তুমি এই আজ্ঞা নিষ্কলঙ্ক

১৬ আৰু অনপেক্ষণীয়কৈ পালোঁ। এই সংসাৰত ধনী
১৭ হঁতক আজ্ঞা কৰা যেন সিহঁত গৰ্ব্বিত নহয় আৰু
১৮ অস্থিৰ ধনত সঞ্জাত নকৰে কিন্তু আমাৰ নিকোনে
সৰ্ব্ববস্তু দিওঁতা জীৱন্ত ঈশ্বৰত সঞ্জাত কৰে আৰু
তেঁওৰ যি সুকৰ্ম্ম ধনেৰে ধনৱন্ত আৰু সম্বিভাগ
১৯ কৰিবলৈ যুগুত হয় আৰু যেন সিহঁত অনন্ত আয়ু
অৱলম্বন কৰিবলৈ ভবিষ্যত কালৰ নিকোনে আপো
নাৰ নিকোনে উত্তম দৃঢ় মূল সাঁচি দান দিবলৈ ইচ্ছুক
২০ হয় হে তিমোথিয়স ধৰ্ম্মৰহিত আৰু নিৰৰ্থক বাক্য
ভণ্ড আৰু মিছা বিদ্যা বুলি প্ৰসিদ্ধ বিদ্যা কোনো
২১ কোনোৱে পক্ষপাত কৰি ভক্তিৰপৰা ফুৰিছে সেই এটা
ইকে এড়ি যি তোমাত সোঁপা আছে তাক পালা।
অনুগ্ৰহ তোমালৈ হোক। আমিন।

পাওল পাঁচনীএ যি দ্বিতীয় কাকৎ তিমোথিয়সলৈ লিখিলে
সেয়ে এই।—

## ১ প্ৰথম পৰ্ব্ব ।

১ যি জীৱন প্ৰতিজ্ঞা য়িশু খ্ৰীষ্টৎ আছে তদনুসাৰে
ঈশ্বৰৰ ইচ্ছাৰ দ্বাৰা য়িশু খ্ৰীষ্টৰ পাঁচনী পাওল
যি ময় আপোন প্ৰিয় পুত্ৰ তিমোথিয়সলৈ কাকৎ
২ লিখোঁ। ঈশ্বৰ পিতৃ আৰু আমাৰ প্ৰভু খ্ৰীষ্ট
য়িশুৰপৰা অনুগ্ৰহ আৰু দয়া আৰু শান্তি হোক্।
৩ ময় আপোন পূৰ্ব্বপুৰুষৰপৰা নিৰ্ম্মল মনেৰে যাক্ শুশ্ৰূ
ষা কৰোঁ এনে যি ঈশ্বৰ তেওঁক ময় শলাগোঁ তোমাৰ
মাতামহ লোইসৎ আৰু তোমাৰ মাতা ইউনিকিৎ
৪ যি অকপট প্ৰতীতি আদিৎ আছিল্ আৰু ময় নিঃসং
শয় আছোঁ যি সি তোমাতো আছে ইয়াক্ যেতিয়া
৫ ময় মন কৰোঁ তেতিয়া আনন্দেৰে পূৰ্ণ হবলৈ তো
মাৰ লোতক্ সোঁৱৰি তোমাক্ দেখিবলৈ অতি ইচ্ছুক
হই ময় নিৰন্তৰাল ৰাত্ৰিন্দিৱা প্ৰাৰ্থনা কালৎ
৬ তোমাক্ সোঁৱৰোঁ। এয়েৰেই মোৰ হাত দিয়াৎ তো
মাৰ মাজৎ থকা ঈশ্বৰে দিয়া যি সামৰ্থ্য আছে তাক্

৭ ধঁহিবলৈ যয় তোমাক্ সুমৰঁও। কিয়নো ঈশ্বৰে
আমাক্ ভয়কৰা আত্মা দিয়া নায় কিন্তু পৰাক্ৰম আৰু
৮ চেনেহ আৰু সদ্বিবেচনাৰ আত্মা দিছে। এয়েহেই
আমাৰ প্ৰভুৰ্ সাক্ষ্য কথাৰে আৰু তেঁওৰ্ বন্দিয়াৰ যি
৯ যয় মোতো লাজ নকৰা। কিন্তু যি আমাৰ কৰ্ম্মৰ
সাৰে নহয় কিন্তু আপোনাৰ যি মানস আৰু অনুগ্ৰ
১০ হ জগতৰ্ পূৰ্ব্ব খ্ৰীষ্ট যিশুৎ আমাক্ দিয়া হল্ কিন্তু
যি মৃত্যু লোপ্ কৰিছে আৰু শুভবাৰ্ত্তাৰ্ এক কীৰ্ত্তন
কৰোঁতা আৰু পাঁচনী আৰু আন্দেশীহঁতৰ্ শিক্ষক্
যয় নিযুক্ত আছোঁ সেই শুভবাৰ্ত্তাৰ দোৱাৰা পহৰ্
১১ আৰু অমৃততা প্ৰৌচিক্ কৰিছে যি আমাৰ প্ৰভু
তাৰক্ যিশু খ্ৰীষ্ট তেঁওৰ্ দৰ্শন দিয়াৎ প্ৰৌচিক্ আছে
তদনুসাৰে আমাক তৰাইছে আৰু পবিত্ৰ আহ্বানে
ৰে আমাক আহ্বান কৰিছে যি ঈশ্বৰে তেঁওৰপৰা
ক্ৰমানুসাৰে তুমি শুভবাৰ্ত্তাযুক্ত দুঃখভাগী হোৱা।
১২ এই নিকোনে যয়ো এই এটাই ভুঞ্জো কিন্তু যয় লাজ
নোহোঁ। কিয়নো যয় জানোঁ যয় কাৰ শৰণ লৈছোঁ
আৰু যয় তেঁওৰ্ হাতৎ যিহক্ সম্পিছোঁ তাক্ তেঁও
১৩ সেই দিনালৈকে ৰক্ষা কৰিব পাৰিব। যি সাৰ্ কথা
মোৰ দোৱাৰা তুমি শুনিছা তাৰ্ বীৰা যিশু খ্ৰীষ্টৎ
১৪ সঞ্জাৎ আৰু চেনেহপূৰ্ব্বক্ তাক্ টানকৈ ধৰা। যি
উত্তম দ্ৰব্য তোমাৎ সোম্পা আছিল্ তাক্ আমাৰ মা
১৫ জৎ থাকোঁতা ধৰ্ম্মাত্মাৰ দ্বাৰা পালা। তুমি জানিছা
যিহঁতৰ্ মাজৎ ফুগিল্লস আৰু হৰ্ম্মগিনিস এনে যি

১৬ আনীযিফৰা সিহঁত এটাই মোৰপৰা ওভতিছে। ওনে-
সিফৰনৰ্ ঘৰৰ্ মানুহক প্ৰতি প্ৰভুএ দয়া কৰোক
কিয়নো তেঁও বাৰম্বাৰ মোক ভাগৰাইছে আৰু
১৭ মোৰ জিঁজিৰিৰে লাজ নুকৰিছিল কিন্তু ৰুমৎ থাকি
১৮ যত্নপূৰ্ব্বক মোক বিচাৰিছিল, আৰু মোক পালে। প্ৰভুএ
এই অনুগ্ৰহ কৰোক যেন্ তেঁও সেই দিনা প্ৰভুৰ
পৰা দয়া পাঁওক এফিসসৎ তেঁও কিমান বনৎ মোক্
শুশ্ৰূষা কৰিলে ইয়াক্ তুমি ভালকৈ জানিছা।—
পৰ্ব্ব এয়েৰেই হে মোৰ পো তুমি প্ৰভু য়িশু খ্ৰীষ্টৎ কথা
২ অনুগ্ৰহেৰে বলী হোৱা আৰু যি কথা ভালেমান
সাক্ষীৰ মাজৎ মোৰ মুখে তুমি শুনিছা তাক আন্
মানুহক্ শিকাবলৈ সমৰ্থ সঞ্জাতী মানুহক সোঁপা।
৩ এয়েৰেই তুমি খ্ৰীষ্টৰ এক ভাল চিপাহীৰ নিচিনা দুঃখ
৪ সহা। ৰণুৱা কোনেও এই সংসাৰৎ আপোনাক
আটকৎ নোপেলায় চিপাহী বাবৎ যি তাক মনস্থ কৰিলে
৫ তাক্ তোষে। কোনোএ যেদি জয়ৰ নিকোনে যতন
কৰে তেঁৱেও বিধানৰ নিচিনা যতন নকৰি কিৰিটি
৬ ধৰাৎ অভিষিক্ত নহয়। শস্যকৰোঁতা খেতিয়ক এটা
৭ ইৰে আগেই ফলভোগী হোৱা উচিৎ আছে। ময় যি
কঁও তাক্ মনৎ ৰাখা আৰু প্ৰভুএ এটাইতে তোমাক্
৮ জ্ঞান দিয়োঁক। ঈশ্বৰৰ কথা বদ্ধ নহয় কিন্তু যাক্
৯ প্ৰৌচিক্ কৰি কুকৰ্ত্তাৰ নিচিনা ময় বন্ধনলৈকে দুঃখ
পাঁও সি মোৰকৰ্ত্তৃক প্ৰকাশিৎ শুভবৰ্ত্তানুসাৰে মৃত্যুৰ
পৰা উঠিছিল যি দাওদৰ বংশজ য়িশু খ্ৰীষ্ট তেঁওক্

১০ যন কৰা। এই নিক্তোনে মযু মনোনীতহঁতৰ নিক্তো
নে এটাই সহোঁ সিবিলাকে য়িশু খ্রীষ্টস্থ তৰণি অনন্ত
১১ গৌৰৱ সমন্বিত পায় এই সঞ্চাতী কথা কিয়নো যেদি
আমি তেঁবেসৈতে মৃত্যু হোঁ তেবে তেঁবেসৈতে জীৱন
ভোগ কৰিম্ যেদি তেঁৱেসৈতে দুঃখ পাঁও তেবে তেঁৱে
১২ সৈতে ৰাজ্য পালিম্ যেদি তেওঁক অপহ্নৱ কৰোঁ তেবে
১৩ তেঁও আমাক্ অপহ্নৱ কৰিব। যেদি আমি নপতীয়ওঁ
তেবে তেঁও বিশ্বাসনীয় থাকে তেঁও আপোন গুণ অপ
১৪ হ্নৱ কৰিব নোৱাৰে। শুনীহঁতক ওলটায়া ব্যতিৰেক
অফল বাক্যৰ বিষয়ৎ বিৰোধ নকৰিবলৈ আজ্ঞা প্ৰভুৰ
আগৎ সিহঁতক দি এই বাক্য সিহঁতৰ্ মনৎ দিবা।
১৫ ঈশ্বৰৰ্ আগৎ মনোনীত সত্যতাৰূপ বাক্যৰ স্বৰূপ
বিভাজ ও অলজ্জাই কৰ্ম্মকৰোঁতা হবলৈ যতন কৰা।
১৬ কিন্তু ধৰ্ম্মৰহিত আৰু নিৰৰ্থক বাগাডম্বৰ এড়ি কিয়
নো ঈশ্বৰৰ্ সেৱা নকৰাৰ সৰহলৈকে সি বাঢ়িব সি
১৭ হঁতৰ বাক্য মাংসৰৰ্ নিচিনা খাব। পুনৰুত্থানে এতি
য়া গৈছে এই কথা বুলি সঁচাৰে অৰ্থে ভ্ৰমী আৰু
কাৰোঁ২ প্ৰতীতি ওলটাইছে যি হুমেনাইয়স আৰু
১৮ ফিলীতস সিহঁৎ সেই পক্ষৰ লোক। কিন্তু প্ৰভু আ
পোনাৰ মানুহক্ জানে ঈশ্বৰে কৰা এই মুদ্ৰাঙ্কিত
১৯ ভিৎ স্থিৰ আছে। যেয়ে২ খ্রীষ্টৰ নাম বোলে সি
২০ অপৰমাৰ্থ্য এড়োক। কিন্তু বৰ্ঘৰৎ সোন ৰূপৰ পাত্ৰ
অকল নহয় কিন্তু কাঠৰ আৰু মৃত্তিকাৰ আচে আৰু
কেৎবিলাক মৰ্য্যাদা আৰু কেৎবিলাক্ অমৰ্য্যাদাৰ

২১ নিকোনে এয়েবেই কোনোএ আপোনাক ইয়াৎকৈ
পৰিষ্কাৰ কৰি পবিত্ৰ আৰু প্ৰভুৰ কাৰ্য্যোপযুক্ত আৰু
২২ প্ৰতি সুকৰ্ম্মে যুগুত মৰ্য্যাতাপাত্ৰ হ্বব। যৌবনজাত
কামৰপৰা পলোঁৱা কিন্তু যিবিলাক শুদ্ধহৃদয়েৰে ঈশ্ব
ৰলৈ নিবেদন কৰে সিহঁতে সৈতে পৰমাৰ্থতা আৰু
প্ৰতীতি আৰু চেনেহ আৰু নিৰ্ব্বিৰোধিতালৈ অনু
২৩ ধাৱন কৰা। কিন্তু অজ্ঞান আৰু বিদ্যাৰহিত প্ৰশ্ন
২৪ বিৰোধ ওপজায় ইয়াক জানি তাক এৰা। প্ৰভুৰ সেৱ
কৰ বিৰোধ কৰা উচিৎ নহয় কিন্তু এটাইলৈকে মৃদু
হোৱা শিকাবলৈ যুগুত হোৱা সহিষ্ণুতা হোৱা আৰু
২৫ মৃদুৰূপে বিপৰীত কৰোঁতাইঁতক শিকওঁতা হোৱা
২৬ উচিৎ যেন্ ঈশ্বৰে সত্যতা শৈ কৰাবলৈকে পৰামনন
কোনোক্ৰমে সিহঁতক দিয়ে শয়তানৰ ইচ্ছাৰে ধৃত সি
হঁত তদুৎপন্ন মোহৰপৰা আপোনাক সচৈতন
কৰে।—

পৰ্ব্ব ইয়াকো জানা শেহ কালত সঙ্কটময় সময় হ্বব
৩ কিয়নো মানুহ আনাক চেনেহকৰিতোঁ লোভী দৰ্প
৩ বোলোতা গৰ্ব্বাল নিন্দক পিতামাতা নেমানোতা কৃতঘ্ন
অধাৰ্ম্মিক স্বাভাবিক স্নেহৰহিত বন্ধবৈৰ মিথ্যা অপ
বাদি অজীতেন্দ্ৰিয় টান সাধুক ইতিকিং কৰোঁতা
৪ বিশ্বাসঘাতি গোটোৰা গৰ্ব্বেৰে ওফন্দা ঈশ্বৰৰপৰা
সৰহ সুখ চেনেহকৰোঁতা ঈশ্বৰ সেৱাৰ আকৃতি
৫ ধৰোঁতা কিন্তু তৎসামৰ্থ্য হেয়জ্ঞানকৰোঁতা এনে
৬ লোকৰপৰা ওভতা। কিয়নো পাপেৰে বেৰা নানা

কামেৰে ভুৱা স্বদায় শিকায় সত্যতাৰ জ্ঞান গ্ৰহণ
৭ কেতিয়া কৰিব নোৱাৰে এনে যি অবোধ তিৰীহঁৎ
সিহঁতক যিবিলাকে ঘৰৎ সোমায় ভুলুকায় সিহঁৎ
৮ এই বিধ। যেনে যান্নিস আৰু আম্ব্ৰিস মোশহ
বিপক্ষাচৰণ কৰিছিল তেনে ইহঁৎ সত্যতাৰ বিপক্ষ
তাচৰণ কৰে ইহঁত নষ্টবুদ্ধি আৰু ভক্তিৎ অসং
৯ গ্ৰাহ্য আছে। কিন্তু সিহঁৎ আৰু আগ বাঢ়িব নো
ৱাৰে কিয়নো যেনে সিহঁতৰ তেনে ইহঁতৰ উন্মত্ততা
১০ এটাইৰে কাষৰৎ প্ৰৌচিক হব। কিন্তু মোৰ শিক্ষা
আৰু ব্যৱহাৰ আৰু অভিপ্ৰায় আৰু ভক্তি আৰু দীৰ্ঘ
১১ কাল সহিষ্ণুতা আৰু চেনেহ আৰু সহিষ্ণুতা আৰু
আন্তিওখৎ য়িকোনিয়ৎ আৰু লস্ত্ৰাৎ মোৰ ওপৰৎ
যি বিপক্ষতা আৰু দুঃখ হইছিল যয় যি বিপক্ষতা সহি
লোঁ এই এটাই তুমি ভাল্কৈ জানিছা কিন্তু সেই এ
১২ টাইৰপৰা প্ৰভুএ মোক্ উদ্ধাৰ কৰিলে। যিমান মা
হুঁহ খ্ৰীষ্ট য়িশুৰ সেৱাচৰণৎ কালক্ষেপণ কৰিব
১৩ খোজেঁ সিহঁতে বিপক্ষতা পাবে। কিন্তু দুষ্ট মানুহ
আৰু ভণ্ডুকহঁতৰ ভণ্ডিবলৈ আৰু ভণ্ডিৎ হইং ক্ৰমেং
১৪ বয়া হব। কিন্তু যাৰ ঠাইৎ শিকিছা আৰু যি ধৰ্ম্ম
গ্ৰন্থ য়িশু খ্ৰীষ্টৰ প্ৰতীতিৰে তোমাক তৰণিৰে বিজ্ঞ
১৫ কৰিব পাৰে তুমি লৰা কালৰেপৰা সেই ধৰ্ম্মগ্ৰন্থজ্ঞ
হইছিলা ইয়াক জানি যিহক শিকিছা আৰু দৃঢ়জ্ঞা
১৬ ন্ত হইজা তাতে থকা। এটাই ধৰ্ম্মগ্ৰন্থ ঈশ্বৰাবে
শেৰে দিয়া হইছে আৰু শিক্ষা আৰু বিবেক আৰু

১৭ শাসন আৰু পৰমাৰ্থ বন্ উপদেশৰ নিকোনে ফলদী
যোঁতা আছে ঈশ্বৰীয়া মানুহ সম্পূৰ্ণ হয় এটাই
সুকৰ্ম্মৎ সৰ্ব্বতোভাৱে সজ্জীভূৎ হয়।—

পৰ্ব্ব এয়েৰেই ঈশ্বৰৰ আগৎ আৰু আপোনি প্ৰৌচিক
৪ কালৎ আৰু আপোন ৰাজ্যৎ জীৱৎ আৰু মৃত মা
নুহক শোধি কৰিব যি প্ৰভু য়িশু খ্ৰীষ্ট তেঁওৰেই আ
২ গৎ ময় এই আজ্ঞা দিয়োঁ। বাক্য কীৰ্ত্তন কৰা কা
লৎ আৰু অকালৎ কাৰ্ম্মাৰী হোৱা এটাই দীৰ্ঘকাল
সহন আৰু সুশিক্ষায় সৈতে বিবেকী কৰা আৰু সু
৩ কিয়োৱা আৰু উদগোঁৱা কিয়নো যিকালৎ সিহঁতে
সৎশিক্ষা নসহিব কিন্তু কানখজুৱনিযুক্ত হৈই আপো
নাৰ ইচ্ছাৰ নিচিনা আপোন নিকোনে শিক্ষক গো
৪ টাব সেই কাল আহিব। সিহঁৎ সত্যতাৰপৰা কাণ
৫ ঘূৰায় ইতিহাস কথালৈ উভতিব। কিন্তু তুমি এটাই
কৰ্ম্মৎ পৰ দিয়া দুঃখ সহা শুভবাৰ্ত্তা বোলোতাৰ
বন কৰা তোমাৰ সেৱা বাবৰ পূৰপ্ৰমাণ কৰা।
৬ কিয়নো ময় এতিয়া উৎসৃষ্ট হবলৈ উদ্যমী আছো
৭ মোৰ যাত্ৰা কাল ওচৰ হৈইছে। ময় উত্তম ৰণ
কৰিছো ময় যিতালৈ লড় পূৰাইছো ময় ভক্তি পালি
৮ ছো পৰমাৰ্থ শোধাৰু প্ৰভু সেই দিনা মোহ যিহকে
দিব আৰু মোকেই অকল নহয় কিন্তু যিমান মানুহে
তেঁওৰ প্ৰৌচিক ভাল দেখে সেই এটাইকেও দিব এনে
৯ পৰমাৰ্থকন কিৰিটি মোলৈ ৰখিৎ আছে। মোৰ

এখেলৈ খৰ্‌কৈ আহিবলৈ যতন কৰা কিয়নো দেমস
১০ এই বৰ্ত্তমান্ সংসাৰৎ অনুৰক্ত হই মোক্ এৰিছে
আৰু থেসলোনীকালৈ গৈছে ক্রেস্কংস গালাতীয়া
১১ গৈছে আৰু তিতস দালমাতীয়া গৈছে। অকল
লূক মোৰ লগৎ আছে মাৰ্ক্ক আপোনাৰ লগৎ
১২ আনা কিয়নো সেবাৎ তেঁও উত্তম উপকাৰী। তিখি
১৩ কসক্ ময় এফিসস্‌লৈ পঠিয়াইছো। সি আচ্ছাদন
বস্ত্ৰ ময় ত্রোয়াসৎ কাৰ্পসৰ্ কাখৰৎ এৰিলোঁ তাক্
আৰু পুস্তক কিন্তু এটাইৎকৈ বৰ্ সেই চালৰ পুথি
১৪ তোমাৰ অহা কালৎ লগৎ আনা। আলেক্সান্দ্ৰ
কহাঁৰ মোক্ বৰ্ উপদ্ৰৱ কৰিলে প্ৰভুএ তাৰ্ কৰ্ম্মানু
১৫ সাৰ্ ফল্ তাক্ দিওক্। তুমি তাৰপৰা সাৱধানে
থাকিবা কিয়নো সি আমাৰ কথাৰ বৰ্ বিপৰীত
কৰিলে।—

১৬ আমাৰ প্ৰথম উত্তৰ দিয়া কালৎ কোনোএ মোৰ্
লগৎ নেথাকিল্ কিন্তু এটায় মোক্ এৰি গল্ ইয়াক্
১৭ সিহঁতৰ্ লেখাৎ লিখা নোহোক্। কিন্তু মোৰ্ দো
১৮ ৱাৰা শুভবাৰ্ত্তা কীৰ্ত্তন এটাই জনা হবলৈ আৰু আন্
দেশী এটাইৰে শুনিবলৈ প্ৰভু মোৰ ওচৰৎ থিয় হই
ছিল্ আৰু মোক্ বলী কৰিলে আৰু ময় সিংহৰ্
১৯ মুখৰ্‌পৰা এৰাইছিলোঁ। আৰু প্ৰভুএ মোক্ সদো
কুকৰ্ম্মৰ্‌পৰা মুকলি কৰিব আৰু আপোন স্বৰ্গ
ৰাজ্যলৈকে ৰক্ষা কৰিব তেঁওৰ্ সদায় সৰ্ব্বদা গৌৰৱ
হোক্। আমিন।—

২০ প্ৰিস্কিল্লাক্ আৰু আকল্লাক্ আৰু ওনেসিফৰসৰ
পৰিয়াল মানুহক সেৱা কৰা। এৰাস্তস কৰিন্থত
থাকিল কিন্তু ত্ৰোফিয়স্ নৰিয়া পৰিলত মই তেঁওক্
২১ মিলেতসত এৰিলোঁ। জাৰ্ কালৰ আগেই আহিব
যতন কৰা। ইওবুলস্ আৰু পুদেঁস আৰু লীনস্
আৰু ক্লদিয়া আৰু এটাই ভায়ইঁত তোমাক্ সেৱা
২২ কৰে। প্ৰভু যিশু খ্ৰীষ্ট তোমাৰ আত্মায় সৈতে
হোক্। অনুগ্ৰহ তোমালৈ হোক্। আমিন্।—

পাওল পাঁচনীএ যি কাকৎ তীতসলৈ লিখিছিল্ সেয়ে
এই।—

## ১ প্ৰথম পৰ্ব্ব।

১ ঈশ্বৰৰ্ মনোনীত মানুহৰ্ ভক্ত্যানুসাৰে আৰু
মিছা কৰণৰা ঈশ্বৰ্ যি অনন্ত আয়ু জগতৰ্ আৰ
২ ম্ভৰ্ আগেই প্ৰতিজ্ঞা কৰিলে কিন্তু যি কীৰ্ত্তন সেৱা
মোৰ্ কাষৰৎ সোম্পা আছে তদ্দ্বাৰা ঈশ্বৰ্ আমাৰ
৩ তাৰকৰ্ আজ্ঞানুসাৰে আপোন কথা এতিয়া ওচিত
কালৎ প্ৰৌচিক্ কৰিছে সি অনন্ত আয়ুৰ্ আশাৎ
ঈশ্বৰ সেৱানুসাৰে সত্যতা গ্ৰহণ তদনুসাৰে ঈশ্ব
৪ ৰৰ্ সেৱক্ আৰু য়িশু খ্ৰীষ্টৰ্ পাঁচনী পাওল সাধা
ৰণ ভক্ত্যানুৰূপ অকিয়া প্ৰত্যেক তীতসলৈ কাকৎ
৫ লিখে। ঈশ্বৰ পিতা আৰু আমাৰ্ তাৰক্ প্ৰভু
য়িশু খ্ৰীষ্টৰ্পৰা অনুগ্ৰহ আৰু দয়া আৰু শান্তি
হোক্।—
৬ অপূৰ্ণ যি কাৰ্য্য সেই কাৰ্য্য সজাবলৈ যেনে ময়
তোমাৎকৈ নিৰূপিছিল তেনে যেদি কোনো নিৰ্দোষী

৭ হয় এক তিৰীৰ্ স্বামী আৰু যাৰ্ সন্তাতী আৰু অপ
ব্যয়েৰে অনপবাদিত আৰু অশিভ নহয় এনে লৰা
৮ আছে এনে মানুহক্ নগৰে প্ৰতি বুঢ়াইঁতৰ্ বাবৎ নি
৯ যোজিত কৰিবলৈ তোমাক্ মই ক্ৰেতৎ থলোঁ। কি
য়নো ঈশ্বৰৰ্ বড়ুৱাৰ নিচিনা নিজগাৰীয়া আৰু স্বে
চ্ছাচাৰী নহয় হঠাৎ খঙাল নহয় মদপানশীল্ নহয়
মাৰক্ নহয় মমল লভ্যলোভী নহয় কিন্তু অলহীয়া
আৰু সাধু চেনেহকৰোঁতা আৰু সংযমী আৰু
ন্যায়কৰোঁতা আৰু সাধু আৰু মিতাচাৰী আৰু ওপ
দেশানুসাৰে সঞ্জাতবাক্য ধৰোঁতা সুশিক্ষাৰ্ দোৱা
ৰা বিপৰীত কৰোঁতাইঁতক্ ওপদিষ্ট আৰু সম্মত
১০ কৰিব পাৰে আচাৰ্য্যৰ্ এনে হোৱাৰ প্ৰয়োজন। কি
য়নো যিবিলাকৰ্ মুখে অৱশ্য বান্ধিব লগা হয় যি
বিলাকে মমল্ লাভৰ্ নিকোনে শিক্ষিব নলগা কথা
শিক্ষাকৰোঁতা ঘৰই সম্প্ৰদায় পৰিয়ালইঁতক্ এলটায়
১১ পেলায় এনে ভালেমান্ অশিভ আৰু নিৰৰ্থক্ বোলো
তাইঁৎ আৰু ভ্ৰান্তিজনক্ লোকইঁৎ আছে চেল্কেটীয়া
মানুহৰ্ মাজৎ সৰহ ক্ৰেতীয়াইঁৎ সদায় মিচাবো
১২ লোভাদ্ধত পশু দুশ্চল্ পেট্ এই কথা সিইঁতৰ্ এটায়
১৩ অৰ্থাৎ সিইঁতৰ্ সুকিয়া আচাৰ্য্য এটায় কুলিলে। এই
প্ৰমাণ সঁচা এয়েৰেই সিইঁতক্ টান হুকিয়োঁৱা যি সি
১৪ ইঁতে য়িহুদীয়া ইতিহাস আৰু সত্যতা ওলটওতা
মানুহৰ্ আজ্ঞা নেমানি খ্ৰীষ্টৰ্ মতৎ পৰিপক্ক হয়।
১৫ নিৰ্মল মানুহক্ প্ৰতি এটাই নিৰ্ম্মল কিন্তু অশুচি

আৰু অনাস্তিকহঁতক প্ৰতি একো নিৰ্ম্মল নহয় কিন্তু
সিহঁতৰ বুদ্ধি আৰু মন অশুচি সিহঁতে কয় যি
১৬ ঈশ্বৰক জানে কিন্তু নিলগা আৰু নেমানোতা আৰু
সুকৰ্ম্মো প্ৰতি অকৰ্ম্মণ্য হুই কৰ্ম্মেৰে তেঁওক অপহ্নব
কৰে।

পৰ্ব্ব কিন্তু বুঢ়া মুনিহহঁত যি সংযমী আৰু গহীন
২ আৰু মিতাচাৰী আৰু ভক্তিত আৰু চেনেহত আৰু
সহিষ্ণুতাত নিপুন হয় সুশিক্ষাৰ এইৰূপে উচিত কথা
৩ কোৱা। বিৰ্ম্মত যি আচাৰ শুব্বায় বুঢ়ি তিৰোতাহঁত
৪ সেই আচাৰ কৰে মিচা বোলতী নহয় আৰু অতিশয়
সুৰাপায়িতী নহয় আৰু ভাল কথা শিখতী হয় সুকী
য়া পতি আৰু লৰাহঁতক চেনেহ কৰে আৰু ঈশ্বৰৰ
বাক্যৰ অযশস্যা নহয় এই নিকোনে সংযমনশীলা
৫ আৰু বিবেচিকা আৰু সতী আৰু স্বগৃহস্থায়িনী আৰু
ভদ্ৰা আৰু স্বস্বামি বশঙ্গতাহয় তেকেৰী তিৰোতা
হঁতক এই কথা শিকতী হয় এই কথা সিহঁতক কো
৬ ৱা। এটাই কৰ্ম্মেৰে আপোনাকে সুকৰ্ম্মৰ আদৰ্শ
দেখুওৱা যেন বিপক্ষ মানুহে তোমালোকৰ একো
৭ অখ্যাতি কৰিবলৈ নেপায় লাজ হয় শিক্ষাত অবিকা
৮ ৰিত্ব গাম্ভীৰ্য্য সৰলতা আৰু অদুষ্য সাৰ বাক্য দেখু
৯ ৱায় ডেকাস্ত্ৰিহঁতক সংযমনশীলৰপৰা উপদেশ
১০ কৰা। বন্দিহঁতক আজ্ঞা দিয়া সিহঁতে মনিবীন নিন্দি
আৰু চুৰ নকৰি কিন্তু ওত্তমৰূপে সজ্ঞাতাচাৰ কৰি
১১ আপোনাৰ প্ৰভুহঁতৰ বশঙ্গতা আৰু তুষ্টিকৰোঁতা

হয় যেন্ সিইঁতে সদায় আমাক্ তৰওতা ঈশ্বৰৰ্
১২ শিক্ষাক অলঙ্কৃত কৰে। কিয়নো ঈশ্বৰ্ সেৱা
আৰু সাংসাৰিক্ কাম্ হেয়জ্ঞান কৰি সেই আশ্চৰ্য্য
য় আশাৰ প্ৰতীক্ষা কৰি অৰ্থাৎ আমাক্ এটাই অপৰ
মাৰ্থৰপৰা মুকলি কৰিবলৈ আৰু আপোনাৰ নিকো
১৩ নে সুকৰ্ম্ম কৰিবলৈ উদামী বিশেষ এক লোকসমূহ
পবিত্ৰ কৰিবলৈ আমাৰৰ্থে আপোনাকে দিলে যি পৰমে
শ্বৰ্ অৰ্থাৎ আমাৰ তাৰক য়িশু খ্ৰীষ্ট তেওঁৰ্ তেজো
ময় প্ৰকাশৰ্ প্ৰতীক্ষা কৰি এই বৰ্ত্তমান্ জগতত্ সংয
১৪ মন ৰূপে আৰু পৰমাৰ্থৰূপে সেৱা আৰু ঈশ্বৰ
কৰণ ৰূপে আচৰণ কৰিবলৈ আমাক্ শিকায় যি
ত্ৰাণজনক ঈশ্বৰৰ্ অনুগ্ৰহ সেই অনুগ্ৰহ এটাই
১৫ মানুহলৈ প্ৰেচিক আছে। এই কথা কোৱা আৰু
উপদেশ কৰা আৰু এটাই কৰ্ত্তৃত্ব পূৰ্ব্বক্ ধমকিয়াঁবা।
কোনেও তোমাক্ ইতিকিং নকৰোক্।—

পৰ্ব্ব ৰাজাধিৰাজাধিকাৰ্ আৰু পৰাক্ৰম ধৰোতাইঁতৎ
৩ বশহঁতত্ হবলৈ আৰু কৰ্ত্তাইঁতক্ মানিবলৈ আৰু সু
২ কৰ্ম্মে প্ৰতি যুগুত্ হবলৈ আৰু কোনোও অসূয়া নকৰি
বলৈ আৰু বিৰোধী নুহবলৈ কিন্তু মৃদু হবলৈ আৰু
এটাই মানুহলৈ এটাই বিধি নমুতা দেখোৱা হবলৈ
৩ সিইঁতৰ্ মনত্ দিয়া। কিয়নো আমি আপুনি পূৰ্ব্ব
কালত্ অজ্ঞান আৰু নেমানোতা আৰু ভ্ৰমী আৰু
নানা কামৰ্ আৰু সুখসেৱক্ আৰু দুৰাচাৰী আৰু
খিয়ালাচাৰী আৰু ঘৃণাময় আৰু অন্যোন্যে ঘি

৪ নওতা আছিলোঁ। কিন্তু যান্ধহলৈ আমাৰ তাৰক্
৫ ঈশ্বৰৰ্ চেনেহ আৰু নৰানুৰাগ প্ৰৌচিক্ হলে তেঁও
৬ আমাৰ্ স্বজত পৰমাৰ্থ কৰ্ম্মেৰে নহয় কিন্তু পুনৰ্জ
ন্মৰূপ বোৱাৰে আৰু আমাৰ্ তাৰক্ যিশু খ্ৰীষ্টৰ্
দোৱাৰা আমাৰ ওপৰৎ বাহ্ণলাৰুপ অভিনিষ্প্তিত
ধৰ্ম্মাত্মাকৰ্ত্তৃক আকেঁও নুতন কৰাৰে আৰু অপোন
৭ কৃপানুসাৰে আমাক্ ত্ৰাণ কৰিলে। আমি তেঁওৰ
অনুগ্ৰহৎ পৰমাৰ্থীজত হই অনন্ত আয়ুৰ্ ভৰসা
৮ নুসাৰে অধিকাৰী হই এই বাক্য সঞ্জাতী আৰু ময়
৯ খোজোঁ তুমি নিত্তৌ এই কথা দৃঢ়ৰূপে বোলা যি
ঈশ্বৰৎ বিশাসীহঁৎ সুকৰ্ম্মৎ পটু হবলৈ যত্নবন্ত
১০ হয়। যান্ধহঁতলৈ এইৎ ভাল্ আৰু ফলদায়ক্।
কিন্তু অনৰ্থ প্ৰশ্ন আৰু বংশাৱলি আৰু বিবাদ আৰু
শাস্ত্ৰৰ্ প্ৰৌচ্বাদ এড়া কিয়নো সি অফল আৰু নিষ
১১ প্ৰয়োজন। যি বিধৰ্ম্মী সি ভ্ৰষ্ট আৰু স্বতোদোষী
হই পাপ কৰে ইয়াক্ জানি তাক্ প্ৰথম বা দ্বিতীয়
ফকিৰ্ পাচৎ এড়া।—

১২ যেতিয়া ময় আৰ্ত্তেসমক্ বা তিখিকসক্ তোমাৰ
ওচৰলৈ পঠিয়াওঁ তেতিয়া নিকপলিসলৈ আসিবলৈ
১৩ যতন কৰা কিয়নো জাৰকালৎ সেইখানৎ থকাৰ্
১৪ নিয়ম ময় কৰিছোঁ জেনস তাৰ্কিকক্ আৰু আপল্ল
সক্ সিহঁতৰ্ যাত্ৰাৎ যতনপূৰ্ব্বক্ ওপকাৰ কৰা যেন্
১৫ এঃকা দ্ৰব্যৰ্ নুন সিহঁতৰ্ নহয়। আমাৰ যান্ধহে
অৱশ্য বনৰ্ লিকোনে যত্নপূৰ্ব্বক্ সুকৰ্ম্ম কৰিবলৈ

১৫ শিকোক্ যেন্ সিহঁৎ অফল নহয়। মোৰ্ লগৰিয়া এটায়ে তোমোলাকক্ সেৱা কৰে। যিবিলাক্ খ্ৰীস্তৰ্ সঞ্জাত সম্বন্ধে আমাক্ স্নেহ কৰে সিবিলাকক্ সেৱা কৰা। তোমোলাকৰ্ এটাইৰে ওপৰৎ অনুগ্ৰহ হোক্। আমিন্।—

পাওলে যি কাকৎ ফিলিমনলৈ লিখিলে সেয়ে এই।—

## ১ প্ৰথম পৰ্ব্ব।

১ য়িশু খ্ৰীষ্টৰ বন্দিয়াৰ পাওল আৰু তিমোতিয়স
২ ভায় আমাৰ প্ৰিয় লগৰিয়া ফিলিমনক্ আৰু প্ৰিয়
অপ্পিয়াক্ আৰু আমাৰ সহসেনা আৰ্খিপ্পসক আৰু
তোমাৰ ঘৰৎ যি মণ্ডলী আছে সেই এটাইলৈকে
৩ কাকৎ লিখে। ঈশ্বৰ আমাৰ পিতৃৰপৰা আৰু প্ৰভু
য়িশু খ্ৰীষ্টৰপৰা অনুগ্ৰহ আৰু শান্তি তোমোলাকলৈ
৪ হোক্। প্ৰভু য়িশুৰ আৰু এটাই পবিত্ৰলোকক প্ৰতি
৫ তোমোলাকৰ যি সঙ্গাৎ আৰু চেনেহ আছে তাক্
৬ শুনি ময় আপোন প্ৰাৰ্থনা কালৎ তোমাৰ নাম নিতৌ
কাঢ়ি আমাৰ ঈশ্বৰক্ স্তুতি কৰোঁ য়িশু খ্ৰীষ্ট সম্বন্ধি
যিং গুণ তোমাৎ আছে তাক্ শৈ কৰাৰে তোমাৰ
৭ প্ৰতীতিৰ সাৰ্থকতা সফল হয়। কিয়নো হে ভায়
তোমাৰ চেনেহৎ আমাৰ বড় আনন্দ আৰু সান্ত্বনা
৮ আছে যি হেতুক পবিত্ৰলোকৰ অন্তৰ তোমাকৰ্ত্তৃ

৯ আপ্যায়িৎ হয় । সেই নিকোনে যি যোগ্য তাক্
তোমাক আজ্ঞা কৰিবলৈ ময় খ্রীষ্টৎ সাহিয়াল অৱ
পাৰোঁ হয় তেবো ময় বুঢ়া পাওল আৰু এতিয়াও য়িশু
খ্রীষ্টৰ্ এক বন্দিয়াৰ অই চেনেহৎ তোমাক্ মিনতি
কৰোঁ —
১০ ময় আপোন যি পুত্ৰক্ মোৰ্ বন্ধন কালৎ ওপ
জালোঁ যি আগেই তোমোলাকৰ্ অলাভ কৰোঁতা
আছিল কিন্তু এতিয়া তোমাৰে আৰু মোৰে লাভ
১১ কৰোঁতা অইছে যাক্ ময় আকওঁ পঠিয়াইছোঁ
১২ অৰ্থাৎ ওনেসিমসৰ নিকোনে তোমাক্ মিনতি কৰোঁ
এয়েৰেই মোৰ্ অক্রিয়া আঁতৰ্ নিচিনা যি তেঁওক্
১৩ গ্রহণ কৰা । তোমাৰ প্রতিনিধিৰূপে শুভবার্ত্তাৰ
১৪ নিমিত্তক্ বন্ধনৎ মোক্ শুশ্রূষা কৰিবলৈ ময় আপোন
নিকটে তেঁওক্ ৰাখিব খোজিলোঁ কিন্তু তোমাৰ সম্ম
তিক্ ব্যতিৰেক্ ময় একো কৰিব নোখোজোঁ যেন্
তোমাক ওপকাৰ কৰা প্রয়োজনৎ ওপজা ওপকাৰৰ্
১৫ নিচিনা নহয় কিন্তু মনে সৈতে হয় । কিয়নো বুজো
১৬ তেঁও কিছু কাল তোমাক্ এড়ি গল্ যেন্ তুমি তাক্
১৭ সর্ব্বকাললৈকে গ্রহণ কৰা । এতিয়া বন্দিৰ নিচিনাকৈ
গ্রহণ কৰিবা সি নহয় কিন্তু বন্দিৎকৈ বড় অর্থাৎ
প্রিয় ভাইৰ্ নিচিনা বিষেশৎ মোলৈ কিন্তু দৈহিক্
১৮ কথাৎ আৰু প্রভুৰ্ কথাৎ কি পুন তোমালৈ । এয়ে
ৰেই তুমি যেদি মোক্ সহভাগীকৈ মানা তেবে তাক্
১৯ মোৰ্ নিচিনাকৈ গ্রহণ কৰা । যেদি সি তোমাৰ

ক্ৰিবা হানি কৰিছে বা তোমাৰ কিবা ধৰুৱা হৈছে
তেবে তাক মোৰ্ লেখাৎ লেখা ময় পাওল আপোন
হাতে লিখিছোঁ যি ময় তাক্ শুজিম্ কিন্তু ময় তোমাৎ
নকওঁ তুমি মোৰ্ কাযৰৎ আপোন প্ৰাণৰ্ ধৰুৱা
২০ আচা। হে ভায় প্ৰভুৎ তোমাৰ্ দোৱাৰা মোৰ্
আনন্দ হোক্ প্ৰভুৎ মোৰ অন্তৰ আপ্যায়িৎ কৰা।
২১ তোমাৰ আজ্ঞাবৰ্ত্তিত্বৎ সঞ্জাৎ কৰি তুমি মোৰ্
কাতোকৈ সৰহ্ কৰিবা ইয়াক্ জানি ময় তোমালৈ
২২ লিখিছোঁ। কিন্তু মোৰ্ অৰ্থে বহা যুগুৎ কৰা কিয়নো
ময় সঞ্জাৎ কৰোঁ তোমোলাকৰ্ প্ৰাৰ্থনাৰ্ দোৱাৰা
২৩ ময় তোমোলাকৰ্ কাযৰৎ দিয়া হম্। খ্ৰীষ্ট যিশুৎ
২৪ মোৰ লগৰ্ বন্দিয়াৰ এপাফ্ৰাস আৰু মোৰ লগী
ৱিয়া মাৰ্কস আৰু আৰিস্তাৰ্খস আৰু দেমস আৰু
২৫ লূক্ তোমাৰ সেৱা কৰে। আমাৰ প্ৰভু যিশু খ্ৰীষ্টৰ্
অনুগ্ৰহ তোমাৰ আত্মাৰ্ লগৎ হোক্। আমিন্।

## যি কাকত এব্ৰীয়াহঁতক প্ৰতি লিখা গৈছিল সেয়ে এই।—

### ১ প্ৰথম পৰ্ব্ব।

১ বিবিধকালত আৰু নানাপ্ৰকাৰত আচাৰ্য্যবিলাকৰ
দোৱাৰা পূৰ্ব্বকালত পিতৃলোকবিলাকক হুঁলিলে যি
২ ঈশ্বৰ তেঁও যাক সৰ্ব্বাধিকাৰী কৰিছে যাৰ হতুৱায়
৩ এটাই জগতক সৃজিলে যি তেঁওৰ মহিমাৰ কান্তি আৰু
তেঁওৰ ভাৱৰ তত্ব হই আৰু আপোনাৰ পৰাক্ৰম ময়
বাক্যেৰে এটাই ধাৰোণ কৰি আপোনাৰ দোৱাৰা
৪ আমাৰ পাপ গুচায় অধিকাৰিত্বপূৰ্ব্বক দূতবিলাকৰ
নামৰ্পৰা যি উত্তম নাম পাইছিল তদনুসাৰে সিহঁ
তৰপৰা উত্তমীভূত হই ঊৰ্দ্ধস্থ ঐশ্বৰ্য্যৰ দক্ষিণে
বহিল এনে যি পুত্ৰ তেঁওৰ দোৱাৰা আমাক এই
৫ শেহকালত কৈছে। কিয়নো তেঁও দূতহঁতৰ মাজত
কাৰ আগত কোন কালত কৈছে যি তুমি মোৰ পুত্ৰ
আজি তোমাক উপজাইছো আৰু আৰওঁ ময় তাৰ
৬ পিত হয় আৰু তেঁও মোৰ পুত্ৰ হব। আৰু যেতিয়া

প্ৰথমতে ওপজাক জগতলৈ আনে তেতিয়া তেঁও বোলে
৭ যি ঈশ্বৰৰ এটাই দূতহঁতে তেঁওক ভজোক্। দূতহঁ
তৰ্ অৰ্থে তেঁও কয় যি আপোন্ দূতবিলাকক আন্মা
আৰু আপোন সেৱকহঁতক জুইৰ আগ কৰে।
৮ কিন্তু পুত্ৰক তেঁও কয় হে ঈশ্বৰ্ তোমাৰ্ সিংহা
সন সদায় থাকে আৰু তোমাৰ ৰাজ্যৰ ৰাজদণ্ড সি
৯ পৰমাৰ্থৰূপ ৰাজদণ্ড। তুমি পৰমাৰ্থতা ভাল দেখি
চা আৰু অপৰমাৰ্থতা ঘিনাইচা এই নিমিত্তে
ঈশ্বৰ অৰ্থাৎ তোমাৰ্ ঈশ্বৰ তোমাৰ সখিহঁতৰ
পৰা তোমাক্ আনন্দৰূপ তৈলাভিষিক্ত কৰিছে।
১০ আৰু হে য়িহুহ তুমি প্ৰথমতে পৃথিবীৰ মূল কৰি
১১ চা আৰু স্বৰ্গ তোমাৰ হস্তকৃত সিহঁতৰ্ ক্ষয় হব
১২ কিন্তু তুমি বৰ্ত্তমান আচা সেই এটাই কাপৰৰ্ নিচিনা
পুৰণি হই যাব আৰু তুমি কাপৰৰ্ নিচিনাকৈ তাক্
জাপিলে সি আনৰূপ হব কিন্তু তুমি নিত্য আৰু
১৩ তোমাৰ্ কালৰ্ ক্ষয় নহব। কিন্তু কি তেঁও দূত
হঁতৰ্ মাজৎ কোন কালৎ কাক্ কৈলিলে যেতিয়া
লৈকে তোমাৰ্ শত্ৰুহঁতক্ তোমাৰ্ পাদপিঢ় ময় ন
১৪ কৰোঁ তেতিয়ালৈকে মোৰ্ সোঁফালেবহা। সেই
এটাই ত্ৰণাধিকাৰিহঁতক সেৱা কৰিবলৈ পঠোৱা
সেৱাকৰোঁতা আন্মা নহয় নে।—

পৰ্ব্ব এয়েৰেই যিং আমি শুনিচোঁ তাৎ অধিক্ মন্
১ দিবলগা জানোঁ কেতিয়াবা তাক্ ক্ৰবলৈ দিয়োঁ।
২ কিয়নো দূতহঁতৰ্ দোৱাৰা ওক্ত কথা যেদি স্থিৰ হল্

আৰু প্ৰত্যেক্ লঙ্ঘন আৰু অমানন্ স্বৰূপ ফল যেদি পালে
৩ তেৱে যি ত্ৰাণৰ কথা প্ৰথমতে প্ৰভুৰ দোৱাৰা ওক্ত
৪ হুইছিল আৰু ঈশ্বৰ্ চিহ্ন আৰু আশ্চৰ্য্য কৰ্ম্ম আৰু
আপোন ইচ্ছাৰ নিচিনা আৰু নানা অসম্ভব কৰ্ম্ম আৰু
ধৰ্ম্মাত্মাকৰ্ত্তৃক দত্ত সামৰ্থ্য দি তাৰ প্ৰমাণ কৰিলে যিবি
লাকে তেঁওৰ কথা শুনিলে সিহঁতৰ্ দোৱাৰা মোৰ্ কা
যৰৎ প্ৰমাণীকৃত যি আতি বৰ্ ত্ৰাণ যেদি আমি
৫ তেঁওক্ হেলা কৰোঁ তেবে কেনেকৈ জীম। কিয়নো যি
ভবিষ্যৎ সংসাৰৰ্ কথা আমি কওঁ সেই সংসাৰ তেঁও
দূতহঁতৰ্ অধীন কৰি সিহঁতৰ্ হাতৎ সমৰ্পিৎ কৰা
৬ নায়। কিন্তু অন্যক ঠাই এক জন এই প্ৰমাণ দিলে
মানুহ্ কোন্ যি তুমি তাৰৰ্থে মন্ কৰা আৰু মানু
৭ হৰ্ সন্তুতি কোন যি তুমি তাক্ দেখা দিয়া দূতহঁতৰ
পৰা কিচু তলৎ তুমি তাক্ কৰিচা তুমি তাক্ গৌৰৱ
আৰু সৎকাৰৰূপ কিৰিটিৰে ভূষিৎ কৰিচা আৰু
আপোন হস্তকৃত এটাইৰে ওপৰৎ নিযুক্ত কৰিচা
তুমি তেঁওৰ ভৰিৰ্ তলৎ এটাইকে বশগত কৰিচা।
৮ কিয়নো তেঁও যিবিলাক্ তেঁওৰ বশগতা কৰিছিল্
তাৰ্ অৰ্থ এই তাৰ্ অবশীভূত তেঁও কিচু নেৰাখি
৯ লে। কিন্তু এতিয়া আমি এটাই তেঁওৰ্ বশীভূত নে
১০ দেখোঁ কিন্তু যি মৃত্যু ভুঞ্জিবলৈ ঈশ্বৰৰ্ অনুগ্ৰহৰ্
দোৱাৰা সদৌৰে কাৰণ মৃত্যুৰস ভুঞ্জিবলৈ অল্প
কাল দূতবপৰা তলীকৃত হুইছিল্ এনে যি যিশু
১১ তেঁওক গৌৰৱ আৰু সৎকাৰৰূপ কিৰিটিৎ বিভূষিৎ

১২ আমি দেখোঁ। কিয়নো যাৰ্ নিকোনে এটাই আৰু
যাৰ্কৰ্ত্তৃক এটাই ভালেমান পুতেকহঁতক গৌৰৱ
প্ৰাপ্ত কাৰৎ সিহঁতৰ্ তৰণৰ্ সেনাপতিক্ ক্লেশৰ্
১৩ দোৱাৰা সম্পূৰ্ণ কৰা তেঁওৰ যোগ্য আছিল্। কিয়নো
যি শুদ্ধ কৰে আৰু যিবিলাক্ শুদ্ধ হয় সিহঁৎ এটাই
একুৰ্ এই নিকোনে মোৰ্ ভায়হঁতৰ্ কাষৰৎ তো
মাৰ্ নাম প্ৰেচিক কৰিব মণ্ডলীৰ্ মাজৎ তোমাৰ
স্তুতিগীত ময় গায় এই কথা কুলি তেঁও সিহঁতক্
১৪ ভায় কুলি মাতিবলৈ লাজ নহয়। আকওঁ ময় তেঁওৰ
শৰণ লম্ আৰু আকওঁ মোকে আৰু ঈশ্বৰদত্ত
১৫ মোৰ লৰাহঁতকে দেখা। এই হেতুক লৰাহঁৎ
মঙহ তেজযুক্ত হলে তেঁও মৃত্যুৰ দোৱাৰা মৃত্যুৰ প্ৰভা
ৱৰ্ অধিকাৰী শয়তানক্ ভ্ৰষ্ট কৰিবলৈ আৰু যিবি
লাকে মৃত্যুৰ্ ভয়ৎ আপোনাৎ এটাই জীৱনকাললৈকে
বন্দিত্বৰ্ বশগত আছিল সিহঁতক্ ওদ্ধাৰিবলৈ তেঁও
১৬ তদ্ৰুক্ত আছিল। কিয়নো তেঁও দূতহঁতৰ্ প্ৰকৃতি
নধৰিৰি অব্ৰাহামৰ সন্ততিৰ প্ৰকৃতি ধৰিলে এয়ে
১৭ নিশ্চয়। এয়েৰেই মানুহৰ্ পাতকৰ নিকোনে
পৰাচিৎ কৰিবলৈ ঈশ্বৰ্ সম্বন্ধীয়া এটাই কৰ্ম্মেৰে
দয়ালু আৰু সঞ্চাতী প্ৰধান প্ৰৰোহিত হবলৈ সৰ্ব্ব
তোভাবে আপোন ভায়হঁতৰ সদৃশান্বিত হোৱা
১৮ তেঁওৰ যোগ্য কিয়নো তেঁও আপুনি পৰীক্ষিৎ হই
ক্লেশ পাইছে তাতে যিবিলক্ পৰীক্ষিৎ হয় সিহঁতক্
ওপকাৰ্ কৰিবলৈ শকৎ আছে।

পর্ব্ব　এয়েৰেই হে সাধু ভায়ইঁৎ স্বৰ্গীয় আহ্বান
৩ ভাগী যেনে যোশহ আপোন সম্প্ৰদায় দাৰৎ সঞ্জাতী
২ আছিল্ তেনে তন্নিয়োজকক্ পুতি সঞ্জাতী আছিল্ যি
আমাৰ মতৰ পাঁঠনী আৰু পুৰান প্ৰৰোহিৎ য়িশু
৩ খ্ৰীষ্ট তেঁওলৈ মন্ কৰা। কিয়নো এই মানুহ যোশ
হৰ্পৰা মৰ্য্যাদা যোগ্য গণিৎ আছিল্ যিহেতুক্
দাৰৰ্ গুনুকাৰিৰ্ মৰ্য্যত্তা দাৰৰ্ মৰ্য্যতাৎকৈ সৰহ।
৪ সদৌ দাৰ্ কাৰো নিকোনে গুথিৎ আছে কিন্তু যি এটাই
৫ বেহানি নিৰ্ম্মিচে তেঁৱেই ঈশ্বৰ। পাচৎ কবলগা ক
থাৰ্ পুমাণৰ্ নিকোনে যোশহে আপোন্ দাৰৰ্ সকলে
৬ যানে বন্ধিৰ্ নিচিনা বিশ্বাসী আছিল হয় কিন্তু যেনে
৭ প্ৰতেক্ আপোন দাৰৎ তেনে খ্ৰীষ্ট। সেই সাহ আৰু
আশাৰ্ দম্ভ যেদি আমি শেহলৈকে টানকৈ ৰবোঁ
৮ তেবে আমি তেঁওৰ্ দাৰ্। এয়েৰেই যেনেকৈ
ধৰ্ম্মান্মায় কয় আজি যেদি তোমোলাকে তেঁওৰ্
কথা শুনিব খোজা তেবে তোমোলাকৰ্ পিতৃবিলাকে
যৎ চল্লিশ বৎসৰলৈকে-মোক্ পৰীক্ষা কৰিলে আৰু
৯ মোৰ্ শোধি কৰিলে আৰু মোৰ্ কৰ্ম্ম দেখিলে সেই
হাবিৎ পৰীক্ষা কালৎ যাও ওহ্বাৎ যেনে হইছিল
১০ তেনে আপোন্ মন্ টান নকৰিবা। তাতে ময়
তৎকালিন মানুহৰ্ কথাৎ বিৰক্ত আছিলোঁ আৰু
কুলিলোঁ সিহঁৎ সদায় মনৎ পাহৰে আৰু মোৰ্
১১ বাট নেজানে। এয়েৰেই ময় আপোন যাওৎ শপৎ

কৰিলোঁ যেন্ সিহঁৎ মোৰ্ জীৱণি ঠাইলৈ সোমাব
১২ নোৱাৰিব। হে ভায়হঁৎ সাৱধান হোৱা জানোঁ যি
হৎ জীৱন্ত ঈশ্বৰ অপসৰণকৰোঁতা পাতকী অসঙ্গা
১৩ তী মন্ তোমোলাকৰ্ কাৰো মাজৎ হয় কিন্তু যেতে
বেলিএ আজি কোৱা হয় তেতেবেলি নিতৌ অন্যো
অন্যে ওপদেশ কৰা যেন পাতকৰ্ কপটৰে তোমো
১৪ লাকৰ্ কাৰো মন টান্ কৰা নহয়। কিয়নো যেদি
আমি শেহলৈকে আপোন সঞ্জাতৰ্ মুল্ টান্কৈ
১৫ ধৰোঁ তেবে আমি খ্ৰীষ্ট ভাগীদত হোঁ। আজি
শদ্ধ যেতেবেলিএ কোৱা হয় তেতেবেলি যেদি তাৰ্
কথা শুনিবা তেবে যেও ওহাৰ্ যেনে আছিল তেনে
১৬ আপোন্ মন্ টান নকৰিবা। কিয়নো কোনো কোনাএ
শুনি যেও তুলিলে কিন্তু মোশহৰ দোৱাৰা মিসৰ মা
নুহ মিসৰৰ্পৰা বাজলৈ ওলায় আহিল সেই এটাই
১৭ নহয়। কিন্তু তেঁও চল্লিশ বৎসৰ্লৈকে কালোবালৈ
বিৰাগী হুইছিল যিবিলাকে পাপ কৰিছিল্ আৰু যি
বিলাকৰ্ শ হাবিৎ পড়িছিল সি সিহঁতৰর্থে নহয়
১৮ নে। অসঙ্গাতী মানুহক্ এড়ি তেঁও আন্ কাৰো
কাযৰৎ শপৎ কৰিলে নে যেন সিবিলাকে তেঁওৰ্
১৯ জীৱণি ঠাইৎ সোমাব নোৱাৰে। এয়েৰেই আমি
জানিবলৈ পাঁও সিহঁৎ অসঙ্গাতৎ সোমাব নোৱা
ৰিলে।—

পৰ্ব্ব এয়েৰেই তেঁওৰ্ জীৱণি ঠাইৎ সোমোৱাৰ্ প্ৰতি
৪ জ্ঞা আমাৰ কাযৰৎ স্থাপিৎ হলে আমি ভয় কৰোঁ জা

নোঁ আমাৰ কাৰো সেই হ্বাই পোৱাৎ ন্যুন হো
২ ৱাৰ্ প্ৰতিভাও হয় ।   কিয়নো আমালৈ শুভবাৰ্ত্তা
যেনে কীৰ্ত্তন কৰা হয় তেনে সিহঁতলৈকো কীৰ্ত্তন
৩ কৰা গৈছিল্ হয় কিন্তু ঘোষিৎ বাক্য শ্ৰোতাহঁতৰ্ যা
জৎ সঞ্চাতেৰে মিহলি নহলে সিহঁতৰ্ একো ফল না
৪ চিল ।  কিন্তু জগতৰ্ মূল কৰণৰেপৰা কাৰ্য্য চুকালৎ
তেৱো যেনে তেঁও হুঁলিলে যয় যাউ ওহি এই শপৎ
কাচিলোঁ সিহঁৎ মোৰ্ জীৰণি হাঁইৎ নোসোমাব
তেনে জীৰণি হ্বাই শব্দ প্ৰয়াণৎ পতীয়ওঁতা আমি
৫ তেঁওৰ্ জীৰণি হ্বাইৎ সোমওঁ ।   কিয়নো অন্যক
হ্বাইৎ তেঁও সপ্তম দিনৰে এই কথা কলে ঈশ্বৰে
সপ্তম দিনা আপোন এটাই কাৰ্য্যৰপৰা জীৰালে ।
৬ আৰু আৰুও এই হ্বাইৎ যেদি সিহঁৎ মোৰ্ জীৰণি
৭ হ্বাইৎ সোমাব আৰুও দাওদৎ তেঁও এই কথা কৈ এক
কালৰ্ নিৰুপণ কৰে আজি ইযান কালৰ্ পাচৎ
যেনে ওক্ত আছে আজি যেদি তোমোলাকে তাৰ্ বাক্য
৮ শুনিবা তেবে আপোন মন্ টান নকৰিবা ।   কিয়নো
যেদি য়িহোশুআয় সিহঁতক্ জীৰণি দিয়ে তেবে ইয়াৰ্
৯ পাচে এক দিনৰ কথা তেঁও নকইছিল্ ।   এয়েৰেই
১০ ঈশ্বৰৰ্ মানুহহঁতৰ্ নিকোনে ভবিষ্যৎ জীৰণি
১১ আচে ।   কিয়নো যি তেঁওৰ জীৰণিৎ সোমাইছে সি
ঈশ্বৰৰ্ নিচিনা আপোন বন কৰিবলৈকো এড়িছে ।
১২ কাকং তাৰ্ মাজৎ সোমাব লাগিব আৰু যিবিলা
কৰ্ কাথৰৎ বাক্য প্ৰথমতে কীৰ্ত্তন কৰা হল্ সিহঁতে

১৩ অসঙ্গাতৰ্ নিকোনে নোসোমাল্। এয়েৰেই সেই
অসঙ্গাৎ আদর্শানুসাৰে কোনো নপড়িবলৈ আমি
সেই জীৱণি হ্নাইৎ সোমাবৰ্ নিকোনে যত্নপূর্ব্বক
১৪ শ্ৰম কৰোঁ। কিয়নো ঈশ্বৰৰ্ বাক্য জীৱৎ আৰু
প্রাদুর্ভাৱী দ্বিধাৰ তৰোৱালৎকৈও চোকা প্ৰাণৰে আ
ত্মাৰে আৰু গাঁঠিৰে মজ্জাৰে দ্বিধা কৰালৈকে পৰি
ভেদক্ আৰু অন্তঃকৰণৰ্ সঙ্কল্প আৰু সন্ধানৰ্ শো
ধোঁতা তেঁওৰ্ দৃষ্টিৎ কোনো সৃষ্টি অপ্ৰোচিক নহয়
কিন্তু যাৰ্ কাযৰৎ আমাৰ্ কথা কোৱা হয় তাৰ্
চকুৰ্ আগৎ এটাই ওদং আৰু অনাবৃতা আছে।
১৫ এয়েৰেই স্বৰ্গৎ সোমোৱা যিশু ঈশ্বৰৰ্ পুতেক্ আ
মাৰ মহা প্ৰধান পুৰোহিৎ হলে আমি আপোন মতা
ৱলম্ব টানকৈ ধৰোঁ। কিয়নো আমাৰ্ এনে প্ৰধান
পুৰোহিৎ নহয় আমাৰ দৌৰ্ব্বল্যেৰে পীড়িত্ হব
নোৱাৰে কিন্তু পাপক্ এড়ি তেঁও এটাই বিধৎ আ
১৬ মাৰ নিচিনা পৰীক্ষিৎ আছিল। এয়েৰেই দয়া
আৰু প্ৰয়োজন কালৎ ওপকাৰ্ কৰিবলৈ অনুগ্ৰহ
পাবলৈ আমি প্ৰশাদ সিংহাসনৰ্ ওচৰলৈ নির্ভয় হুই
আহোঁ।—

পর্ব্ব মানুহৰ্ মাজৰপৰা নীত সদৌ প্ৰধান মনুষ্য
৫ হঁতৰ্ পক্ষে ঈশ্বৰীয় কৰ্ম্মৰ্ নিকোনে দান আৰু পাপ
২ দ্ন বলিদান কৰিবলৈ নিযোজিৎ আচে। আপুনি
দৌৰ্ব্বল্যেৰে বেষ্টিৎ হোৱাৎ অজ্ঞানিহঁতক্ বাট বহি
৩ ভূতহঁতক্ দয়া কৰিবলৈ সমৰ্থ ইয়াতে যেনে লোক

হঁতৰ্ নিমিত্তে তেনে আপোনাৰ্ নিজোনে পাপদু
৪ বলিদান কৰিবলৈ তেঁওৰ প্ৰয়োজন আছে। আৰু
আহাৰণৰ্ নিচিনা ঈশ্বৰে নিযোজিৎ হোৱাক ব্যতি
ৰেকে কোনোএ আপোনালৈ এই সৎকাৰ্ নলয়।
৫ এই নিজোনে খ্ৰীষ্টো প্ৰধান পুৰোহিৎ হবলৈ আপুনি
আপোনাক্ বৰ্ নকৰিলে কিন্তু যি তাৎ কলে যি তুমি
মোৰ্ পো আজি তোমাক্ ময় ওপজাইছোঁ তেঁও তাক্
৬ বৰ্ কৰিলে। যেনেকৈ তেঁও আন্ এঠাইতো বোলে
তুমি মেল্কিসেদেকৰ্ বীৰোণৰ নিচিনা নিত্যৌ প্ৰধান
৭ যাজক্ আছা। আপোন দেহবিশিষ্ট হোৱা কালৎ
যি তাক্ মৃত্যুৰপৰা ৰাখিব পাৰিলে তেঁও তাৰ্ কাষ
ৰৎ বৰ্ ক্ৰন্দন আৰু লোতকপূৰ্ব্বক প্ৰাৰ্থনা আৰু মিনতি
কৰিছিল আৰু ভয়ানক্ দশাৰপৰা মুক্ত হইছিল্।
৮ তেঁও পুত্ৰেক্ হয় তেৱো যি দুঃখ পালে সেই দুঃখৰ্
৯ দোৱাৰা আজ্ঞাবৰ্ত্তিতা শিকিলে আৰু সম্পূৰ্ণ হৈত হই
মেল্কিসেদেকৰ বীৰোণৰ্ নিচিনা ঈশ্বৰে নিযোজিৎ
১০ প্ৰধান পুৰোহিৎ হই আপোনাৰ আজ্ঞাবৰ্ত্তি এটাই
১১ ৰে অনন্ত তৰণিজনক হল্। তেঁওৰৰ্থে ভালে
মান ময় কবলগা হয় আৰু তোমোলাক্ শুনিবলৈ
১২ গধুৰ ইয়াতে সেই কথা দুৰ্জ্জ্ঞেয় কিয়নো ইমান কা
লৎ তোমোলাকৰ্ শিক্ষক হোৱা যোগ্য হয় তথাপি
তোমোলাকৰ্ দৰ্কাৰ আছে যি তোমোলাকক্ কোনো
১৩ এ আকওঁ শিক্ষায় ঈশ্বৰৰ্ বাক্যৰ প্ৰথম সূত্ৰ কিং আৰু
যিবিলাকৰ্ গাক্ষীৰ খোৱাৰ প্ৰয়োজন আৰু টান

যাবৰ বেহানি যোৱা যুগুৎ নহয় এনে তোমোলাক্
১৪ হুইছা । যিং গাস্কীৰ যায় সি পৰমাৰ্থৰূপ বাক্য
চৰ্গৎ অজ্ঞান কিয়নো সেই লৰা কিন্তু যিবিলাকৰ্
পূৰ্ণ বয়স যিবিলাক্ জ্ঞানেন্দ্ৰিয় ব্যৱহাৰেৰে ভাল্ বয়া
জানিবলৈ শক্তিমন্ত আছে টান বেহানি সিহঁতৰ্
নিকোনে আছে।—

পৰ্ব্ব এয়েৰেই মৃত কৰ্ম্মৰ্পৰা পালটা আৰু ঈশ্বৰলৈ
৬ সঙ্গাৎ আৰু ডুঁড়ৰ শিক্ষা আৰু হাৎ দিয়া আৰু
২ মৃতলোকৰ পুনৰুত্থান আৰু অনন্ত শোধ এটাই
মূল্ শিক্ষা আৰুও নকৰি খ্ৰীষ্টৰ শিক্ষাৰ মূল সূত্ৰ এড়ি
৩ আমি ভৰ্পূৰৰ ফালে যঁও। আৰু ঈশ্বৰে অনুমতি
৪ দিলে আমি ইয়াকো কৰিম্। কিয়নো যিবিলাক এ
৫ বেলি দীপ্তিমন্ত আছিল্ আৰু স্বৰ্গীয় দানৰ ৰহ
৬ সোৱাদ লৈছিল আৰু ধৰ্ম্মাত্মাৰ ভাগী হুইছিল্
ঈশ্বৰৰ্ উত্তম বাক্য আৰু ভবিষ্যৎ জগতৰ পৰাক্রম
ৰহৰ সোৱাদ লৈছিল আৰু খ্ৰীষ্টৰ ধৰ্ম্ম লোপ হুই
৭ ছে সিহঁতে আপোনালৈ ঈশ্বৰৰ্ পুত্ৰেকক্ আৰুও
ক্ৰুশৎ হত কৰে আৰু তাক্ প্ৰৌঢ়িকৰূপে লজ্জাই বেহা
নি কৰে এই হেতুকে সিহঁতৰ মাজৎ পালটন আৰুও
৮ ওপজাবলৈ অসাধ্য। কিয়নো তাৰ্ ওপৰলৈ বাৰম্বাৰ
অহা বৰষুন পীয়োঁতা আৰু তাৰ্ খেতিয়কহঁতৰ্
যোগ্য শাকোপজতা মাটিএ ঈশ্বৰৰ্পৰা আশীৰ্ব্বাদ
পায় কিন্তু কাইট আৰু শ্যালুক ওপজঁওতা যি সি হেয়
জ্ঞানত আৰু শাপগ্ৰস্থৎ প্ৰায় আছে আৰু যাৰ

৯ শেহ দণ্ড হোৱা কিন্তু হে প্ৰিয়হঁৎ আমি এনেকৈ
বোলোঁ হয় তেৱো তোমোলাকৰ্ কথাৎ ইয়াৎকৈ
সত কৰ্ম্ম আৰু ত্ৰাণসম্বন্ধীয়া কৰ্ম্ম আশা কৰোঁ।
১০ কিয়নো ঈশ্বৰ এনে অপৰমাৰ্থ নহয় পুণ্যৱন্তহঁতৰ্
যি শুশ্ৰূষা তোমোলাকে কৰিছিলা আৰু এতিয়াও
১১ কৰিছা তাতে তোমোলাকৰ্ চেনেহৰ যি কৰ্ম্ম আৰু
পৰিশ্ৰম তোমোলাকে তেঁওৰ নামলৈ প্ৰৌঢ়িক্ কৰি
১২ ছিলা তাতে পাহৰে। আমি বৰ ইচ্ছা কৰোঁ তোমো
লাক্ আলস্কৱা নোহোৱা কিন্তু তোমোলাকৰ্ যাজৎ
১৩ গায়প্ৰতি শেহলৈকে ভাৰসাৰ পূৰ্ণ নিশ্চয় কৰিবলৈ
সেইবিধি কৰ্ম্মশীলতা দেখুৱায় সিহঁতে সঞ্জাৎ আৰু
দীৰ্ঘ সহিষ্ণুতাৰ্ দোৱাৰা প্ৰতিজ্ঞাধিপত্য ভুঞ্জিছে
১৪ তোমোলাকে সিহঁতৰ অনুকাৰী হোৱা কিয়নো
যেতিয়া ঈশ্বৰে আবৰাহামলৈ প্ৰতিজ্ঞা কৰিলে তে
তিয়া আপোনাৎকৈ বৰ্ নাম লৈ শপৎ কৰিব নোৱা
ৰি তেঁও এই কথা কৈ আপোনাৰ্ নাম লৈ শপৎ
১৫ কৰিলে অবশ্য আশীষ দিয়াৎ তোমাক্ ময় আশীষ
দিম্ আৰু বৃদ্ধি কৰাৎ তোমাক্ বৃদ্ধি কৰিম্ আৰু
ইয়াতে তেঁও দীৰ্ঘকাল সহিলৎ সেই প্ৰতিজ্ঞাত বস্তু
১৬ পালে। যি শ্ৰেষ্ঠতৰ তাৰ্ নাম লৈ মানুহে শপৎ
কৰে হয় আৰু স্থিৰ্ কৰিবলৈ শপৎ এটাই বিবাদৰ্
১৭ শেহ। ইয়াতে যিহৎ ঈশ্বৰৰ্ যিচা কথা কোৱা
অসাধ্য হয় এনে যি দুয় অনন্যথাভাবী তাতে যি
ভাৰসা আমাৰ্ আগৎ স্থাপিৎ আছে তাক্ ধৰিবলৈ

আশ্ৰয় কৰিবলৈ পলাইছোঁ আমি যি তোমোলাকৰ্
১৮ দৃঢ় সান্ত্বনা হবলৈ ঈশ্বৰ প্ৰতিজ্ঞাতাধিকাৰিইঁতক্
আৰু অতিশয়ৰূপে আপোন নিয়মৰ্ অনন্যথাভাৱ
প্ৰৌচিক্ কৰিবলৈ ইচ্ছা কৰি শপতৰ্ দ্বাৰা তাক্
১৯ স্থিৰ্ কৰিলে । সেই ভাৰসা বিশ্বাসী আৰু স্থিৰ
আত্মাৰ লঙ্গৰৰ্ নিচিনা আমাৰ আছে আৰু মেল্
২০ কিসেদেকৰ্ ধাৰোণৰ্ অনুসাৰে নিতৌ প্ৰধান
যাজকীস্বত যিশু অগ্ৰগামী হৈ আমাৰ নিকোনে
সোমাইছে এনে যি যাজৎ আঁৰ্কাপৰ্ তাৰ্ ভিতৰৎ
যি আছে তাৎ সোমায় ।—

পৰ্ব্ব কিয়নো ৰজাইঁতৰ্ মাৰণৰ্পৰা ওভতিছিল্ যি
১ আব্ৰাহাম্ সিএ সৈতে বাটৎ মিলি তাক্ আশীষ
২ দিলে আৰু যাক্ আব্ৰাহাম্ এটাইৰে দশমাংশ
৩ দিছিল্ ওপৰিস্থতম্ ঈশ্বৰৰ্ যাজক্ শালমৰ্ এই
মেল্কিসেদেক্ ৰজা অৰ্থাৎ প্ৰথমতে ধৰ্ম্মৰ্ ৰজা
দ্বিতীয়তঃ শালমৰ্ অৰ্থাৎ শান্তিৰ্ ৰজা অপিতৃক্ অ
মাতৃক্ অপত্যাৰহিৎ আয়ুৰ্ আদি আৰু জীৱনকা
লৰ্ অন্তহীন আৰু ঈশ্বৰৰ্ পুত্ৰেক সদৃশীকৃত
৪ হই নিতৌ যাজক্ৰূপে থাকে । এতিয়া যাক্ গো
ত্ৰকৰ্ত্তী আব্ৰাহাম্ আপুনি লুটাৰ্ দশমাংশ দিলে
এনে যি মানুহ তেঁও কেনেকৈ বৰ্ তাক্ বিবেচনা
৫ কৰা । লোকহঁতৰ্ মাইৎ অৰ্থাৎ আব্ৰাহামৰ্
কঁকালৰ্পৰা ওলোৱা আপোন ভায়হঁতৰ্ মাইৎ
শাস্ত্ৰৰ্ নিচিনা দশমাংশ গ্ৰহণাজ্ঞা পাৱোহিৎ

ধাবগ্ৰাহী লেবিৰ্ বওহ্ জনহঁতৰ্ প্ৰতি আছে এই
৬ নিশ্চয়। কিন্তু যাৰ্ বংশ সিহঁতৰ্পৰা গণা নহয়
তেঁও আব্ৰাহামৰপৰা দশমাংশ গ্ৰহণ কৰিলে
৭ আৰু প্ৰতিজ্ঞাতাধিকাৰিক্ আশীষ দিলে। আৰু এই
নিঃসংশয় যেন্ সৰু মানুহে ওত্তম্ পুৰুষৰ্ ঠাইৎ
৮ আশীষ পায়। এযেতো মৰণীয় মানুহে দশমাংশ
গ্ৰহণ কৰে কিন্তু তৎ যাৰ্ জীৱৎ হোৱাৰ্ প্ৰমাণ
৯ আছে সি গ্ৰহণ কৰে। যেনে কবও পাৰোঁ লেবিএ
দশমাংশ গ্ৰহণ কৰে তেঁও অব্ৰাহামৰ্ দোৱাৰা
১০ দশমাংশ দিলে। কিয়নো যেতিয়া মেল্কিসেদে
কৰ্ সিএ সৈতে মিল হল্ তেতিয়া তেঁও আপোন
১১ পিতৃবিলাকৰ্ ককালৎ আছিল্। এয়েৰেই যেদি লৈব
সম্বন্ধীয় যাজকতাৰে সম্পূৰ্ণতা হল্হেঁতেন কিয়নো
তদ্বিদ্যমান্ কালৎ মানুহে শাস্ত্ৰৎ পালে তেবে
মেল্কিসেদেকৰ্ ধাৰণৰ্ অনুসাৰে প্ৰসিদ্ধ কিন্তু
আহোৰণৰ্ ধাৰণৰ্ অনুসাৰে অপ্ৰসিদ্ধ আন্ এক
১২ পুৰোহিতৰ্ ওৎপত্তিৰ্ প্ৰয়োজন কি। কিয়নো যাজক
তা আন্‌বিধ কৰা হলে শাস্ত্ৰৰ আনবিধ কৰাহো
১৩ ৱাৰ্ প্ৰয়োজন আছে। কিয়নো যাৰ্ অৰ্থে এইবি
লাক ওকুৎ আছে তেঁও যজ্ঞভেটিৰ্ সেৱাৰ্ অনধি
১৪ কাৰী আন ফৈদীয়া। কিয়নো এই প্ৰসিদ্ধ আছে
যাজকতা কৰাৰ্ কথাৎ মোশহে যি ফৈদৰ্ একো
নকলে সেই য়িহুদাহৰ্ ফৈদৰ্পৰা আমাৰ প্ৰভু

১৫ ওৎপন্ন আছিল। এয়ে আনং সৰহো প্ৰসিদ্ধ আছে
কিয়নো সাংসাৰিক আজ্ঞাৰ্ণ শাস্ত্ৰানুসাৰে কৰা ন
১৬ হয় কিন্তু অক্ষয় আয়ুৰ্ সামৰ্থ্যানুসাৰে কৰা মেল্কি
সেদেকৰ্ ওপমাৰে আৰু এক পুৰোহিৎ ওপজিছে।
১৭ কিয়নো তেঁও এই প্ৰমাণ দিয়ে তুমি মেল্কিসেদেকৰ
১৮ ৰীৰণৰ্ অনুসাৰে নিত্তৌ পুৰোহিৎ আচা। সেই
অগ্ৰবৰ্ত্তি আজ্ঞাৰ্ দুৰ্ব্বলতা আৰু নিৰৰ্থতাৰে তাৰ্
লোপ হল হয় কিয়নো বিধান একো সম্পুৰ্ণ নকৰে কিন্তু
আৰু শ্ৰেষ্ঠ ভাৰসা সোমাইছিল সেই ভাৰসাৎ
১৯ আমি ঈশ্বৰৰ্ ওচৰলৈ যঁও। আৰু যিহৎ তেঁও শ
২০ পৎ ব্যতিৰেকে বাবাৰ্পিৎ নাচিল। কিয়নো সেই
পুৰোহিৎইঁৎ শপৎ ব্যতিৰেক্ নিযোজিৎ আচিল
২১ কিন্তু যি তাক্ টুলিলে যিহ্বহায় শপৎ কৰিছে আৰু
পালটন নকৰিব তুমি মেলকিসেদেকৰ্ ৰীৰণৰ্ অনু
২২ সাৰে এক নিত্তৌ পুৰোহিৎ আচা তাৰ্ হতুৱায় এই
মানুহ শপতৰ দোৱাৰা পুৰোহিত কৰা হল্ তাৰে
২৩ ই যিশু আন্ ওত্তম নিৰ্ব্বন্ধৰ্ লগা লোৱা হল। সিহঁ
২৪ তো মৃত্যুৰ হেতুক্ স্থায়ী হব নোৱাৰিলে এই নিকোনে
ভালেমান পুৰোহিত আচিল্ কিন্তু এই মানুহ নিত্য
স্থায়ী এই নিকোনে তাৰ্ অনন্যথাভাবি যাজকতা
২৫ আছে। তাতে যিবিলাক্ তেঁওৰ দোৱাৰা ঈশ্বৰৰ্
ওচৰলৈ আহে সিহঁতক্ তেঁও সৰ্ব্বতোভাৱে ত্ৰযাব
পাৰে যিহেতুক্ সিহঁতৰ্ নিকোনে নিবেদিবলৈ তেঁও
২৬ নিত্তৌ জীয়াই আছে। কিয়নো পুণ্যাত্মা অহিং

সক্ নিৰ্ম্মল পাতকী মানুহৎকৈ বেলেগ আৰু
স্বৰ্গৎকৈ ওখ কৰা প্ৰধান যাজক্ আমাৰৰ্থে শুৱায়
২৭ সেই প্ৰধান পুৰোহিতৰ্ নিচিনা প্ৰথমতে আপোন
পাপৰ্ নিকোনে পাচৎ লোকহঁতৰ্ নিকোনে উৎস
ৰ্গিবলৈ তাৰ্ নিতৌ প্ৰয়োজন সি নায় কিয়নো যেতি
য়া আপোন প্ৰাণ উৎসৰ্গিছিল তেতিয়া তেঁও এক
২৮ কালীন তাক্ কৰিলে । কিয়নো বিধান দুৰ্ব্বলতাযুক্ত
লোক্হঁতক্ প্ৰধান যাজক্ কৰে কিন্তু বিধানৰ অতি
ৰিক্ত শপতৰ্ কথা নিতৌ অভিষিক্ত পুতেকক্ যাজক্
পাতে ।—

পৰ্ব্ব এতিয়া আমি যিং কৈলিছেঁ তাৰ্ তাৎপৰ্য্য এই
৮ স্বৰ্গস্থ মহত্বৰ্ সিংহাসনৰ্ সোঁফালে বহোঁতা আৰু
পবিত্ৰ বেহানিৰ্ আৰু যি সঁচা পবিত্ৰ তাম্বু ঈশ্বৰে
২ স্থাপিলে কিন্তু মানুহ নহয় তৎসেৱক্ এক প্ৰধান
৩ পুৰোহিৎ আমাৰ্ আছে । কিয়নো সদৌ প্ৰধান যা
৪ জক দান আৰু বলি উৎসৰ্গিবলৈ নিযোজিৎ আছে
এয়েৰেই ইয়াৰ্ উৎসৰ্গিব লগা যিং থাকে ইয়াৰ
৫ প্ৰয়োজন আছে । কিয়নো তেঁও যেদি পৃথিবীৎ থাকিল্
হেঁতেন তেবে যাজক্ হ্ব নোৱাৰিলেহেঁতেন যিহে
তুক্ বিধানানুসাৰে দান উৎসৰ্গোতা আৰু স্বৰ্গীয়
বেহানিৰ্ আদৰ্শ আৰু ছাঁৰ্ নিচিনা সেৱা কৰোঁতা
পুৰোহিতহঁৎ আছে যেনেকৈ মোশহে পবিত্ৰ তাম্বু
নিৰ্ম্মাণ কৰিবলৈ উদ্যমী হই ঈশ্বৰকৰ্ত্তৃক্ উপদিষ্ট
আছিল কিয়নো তেঁও কৈলিলে যি আদৰ্শ পৰ্ব্বতৎ

তোমাক্ দর্শিৎ হইছিল তাৰ্ নিচিনাকৈ এটাই
৬ বেহানি নির্ম্মা। কিন্তু এতিয়া তেঁও উত্তমতৰ প্ৰতি
জ্ঞাৰ্ ওপৰৎ স্থাপিৎ উত্তমতৰ্ নিৰ্বন্ধৰ্ মধ্যস্থ যিহেৎ
৭ আছে তাতে আৰু উত্তম সেৱা বাব পাইছে। কিয়
নো সি প্ৰথম নির্ব্বন্ধ যেদি নির্দোষী হল্হেঁতেন তেবে
দ্বিতীয়ৰ্ নিকোনে স্থানৰ্ বিচাৰ্ নহল্হেঁতেন।
৮ কিন্তু সিহঁতৰ্ জগাৰ টুলি তেঁও কয় যিহোৱায় বোলে
দেখা ময় যিশৰএল আৰু যিহুদাহৰ্ বওহে সৈতে
যেতিয়া নবীন্ এক নির্বন্ধ কৰিম্ সেই সময় আহি
৯ ছে। যিহোৱায় কয় যেতিয়া সিহঁতক্ মিসৰৰ্পৰা
বাজ ওলিয়াবলৈ সিহঁতৰ হাতৎ ধৰিলোঁ তেতিয়া
যি নির্ব্বন্ধ সিহঁতৰ্ পিতৃবিলাকে সৈতে ময় কৰিলোঁ
তদনুসাৰে নহয় কিয়নো সিহঁতে মোৰ্ নির্ব্বন্ধ নেপা
লিলে আৰু ময়ো সিহঁতক্ সৎকাৰ কৰিলোঁ।
১০ কিন্তু যিহোৱায় কয় সেই কালৰ্ পাচৎ ময় যিশৰএলৰ
বওহে সৈতে যি নির্ব্বন্ধ কৰিম্ সেয়ে এই ময় আপো
ন আজ্ঞা সিহঁতৰ্ মনৎ দিম্ আৰু সিহঁতৰ্ মনৎ
লিখিম্ ময় সিহঁতৰ্ ঈশ্বৰ হম্ আৰু সিহঁৎ মোৰ
১১ মানুহ হব। যিহোৱাক্ জানা এই কথা কৈ সিহঁৎ
গায়প্ৰতি আপোন চুবুৰিয়াক্ আৰু গায়প্ৰতি আপোন
ভায়েকক্ নিশিকাব কিয়নো আপাময়ৰ সাধাৰণ এ
১২ টাইএ মোক্ জানিব। কিয়নো সিহঁতৰ্ অপৰমা
র্থক্ প্ৰতি ময় কৃপাৱন্ত হম্ আৰু সিহঁতৰ্ পাপ আৰু

১৩ অনৰমার্থ কর্ম্ম আৰু মনৎ নেৰাখিম্।    তেঁও
নবীন নির্ব্বন্ধ শব্দ কোৱাৎ প্ৰথমক্ প্ৰৰণি কৰিছে
এতিয়া যি ক্ষীণ হুঁচা হইছে সি অন্তর্হিত হবলৈ
ওদায়ী ।—

পর্ব্ব    প্ৰথম পবিত্ৰ তাম্বুৰ্ আৰু ঈশ্বৰৰ্ সেৱাৰ্থ বিধান
৯ আৰু সাংসারিক্ পবিত্ৰ স্থান আছিল্ ।    কিয়নো
যাৰ মাজৎ এক বাত্তিৰ গছা আৰু থগা আৰু
দেখনিয়াৰ্ পিঠা থাকিল পবিত্ৰ স্থান হুঁলি প্ৰসিদ্ধ
এনে পবিত্ৰ তাম্বু নির্ম্মিছিল এই প্ৰথম ভাগ ।
৩ আৰু দ্বিতীয় আৱৰণৰ্ পাচৎ মহাপবিত্ৰ নামে
প্ৰসিদ্ধ পবিত্ৰ তাম্বু যিহৎ সোনৰ্ ধূপৰচ্ছু আৰু
৪ যানৰ্ সোনৰ চৰু আৰু আহৰোণৰ্ মঞ্জৰিৎ দণ্ড
আৰু নির্ব্বন্ধৰ পাট থবোঁতা চাৰিওফালে সোন মতো
৫ ৱা নির্ব্বন্ধৰ পেৰা আৰু তাৰ্ ওপৰৎ দয়াসনৰ্ চাঁক
বোঁতা আৰু গৌৰৱযুক্ত কিৰুবীৰা যাৰ্ বিশেষ কথা
৬ আমি এতিয়া কব নোৱাৰোঁ ।    এই বিলাক্ এনেকৈ
নিৰুপিৎ হলৎ প্ৰৰোহিৎ হঁতে ঈশ্বৰৰ্ সেৱা পুৰো
৭ ৱাৰ আদিতে পবিত্ৰ তাম্বুলৈ নিতৌ যায় কিন্তু দ্বিতী
য়ৎ বৎসৰি বৎসৰি এবেলি অকল প্ৰধান প্ৰৰোহিৎ
৮ যায় সিও তেজক্ ব্যতিৰেক্ নহয় তেঁও সেই তেজ আ
পোন অৰ্থে আৰু লোকহঁতৰ্ ভ্ৰমৰ্ অৰ্থে উৎসর্গে ।
৯ ধর্ম্মাত্মায় এই অৰ্থ জনায় বোলে সমঞ্জসাৰ্ কাললৈ
কে ব্যৱস্থাপিৎ বিশেষ খাদ্য পেয় নানা বিধ স্নান আৰু

শাৰীৰিক্ ব্যৱস্থা মাত্ৰাত্মক যি সেৱা আৰু মনৰ্
অৰ্থে সেৱা কৰোঁতাৰ্ শোধনাশক্ত দান আৰু বলি
দান যি পবিত্ৰ তাম্বুৎ উৎসৰ্গিছিল সেই বৰ্ত্তমান কা
১০ লৰ্ এক আদৰ্শ সেই প্ৰথম পবিত্ৰ তাম্বু থকাৎ মহা
১১ পবিত্ৰ তাম্বুৎ সোমোৱাৰ্ বাট প্ৰৌচিক্ নহল্। কিন্তু
খ্ৰীষ্ট ভবিষ্যৎ শুভনিমিত্তক্ প্ৰধান যাজক হই উপগত
হই শ্ৰেষ্ঠতৰ্ আৰু সম্পূৰ্ণতৰ অহস্তকৃত অথাৎ
এই সৃষ্টনৰ্ নিচিনা নহয় যি এক পবিত্ৰ তাম্বু তাৰ্
দোৱাৰা আৰু ছাগলিৰ্ আৰু পোৱালিৰ্ তেজৰ দো
১২ ৱাৰা নহয়। কিন্তু আমাৰ্ নিকোনে অনন্ত মোক্ষ
পায় আপোনাৰ্ তেজৰ্ দোৱাৰা পবিত্ৰ ঠাইৎ এবে
১৩ লি সোমাল। কিয়নো ভতৰাৰ্ আৰু ছাগলিৰ
তেজ আৰু অশুচিবিলাকক্ অভ্যুক্ষণ কৰি দোৱ
তী গৰুৰ্ ছায় কায় নিকোৱাৎ যেদি পবিত্ৰ কৰে তেবে
অনন্ত আত্মাৰ দোৱাৰা আপোনাকে নিশ্চিদ্ৰকৈ ঈশ্ব
১৪ ৰৰ্ উদ্দেশে উৎসৰ্গিলে যি খ্ৰীষ্টে তেঁওৰ্ তেজ তো
মোলাকৰ্ জীৱন্ত ঈশ্বৰৰ্ সেৱা কৰাৰ্ নিকোনে
আৰুও তোমোলাকৰ্ মন মৃতক্ৰিয়াৰপৰা নিৰ্ম্মল
১৫ কৰিব নে। আৰু এই নিকোনে তেঁও নবীন নিৰ্ব্বন্ধৰ্
যি প্ৰথম নিৰ্ব্বন্ধকালৎ যি লঙ্ঘন আছিল সেই লঙ্ঘন মো
চনাৰ্থে মৰণৰ্ দোৱাৰা আহুত লোকবিলাক্ অনন্ত
১৬ আধিপত্য প্ৰতিজ্ঞা পায়। কিয়নো যৎ নিয়মপত্ৰ
আছে তাৎ কাকৎ দিয়োঁতাৰ্ মৰিবলগা আছে।
১৭ কিয়নো মানুষ মৰিলে নিয়মকাকৎ প্ৰবল হয় কিন্তু

কাকৎ দিয়োঁতায় জীৱন থকাৎ সি একো প্ৰবল নহয়।
১৮ ইয়াতে সেই প্ৰথম নিয়মকাৰৎ আৰু তেজক্ ব্যতি
১৯ ৰেকে পবিত্ৰীকৃত নাচিল। কিয়নো মোশহে বিধানা
নুসাৰে সদৌ আজ্ঞা লোকহঁতক্ প্ৰতি কৈ পোৱালি
আৰু চাগলিৰ্ তেজ আৰু পানি আৰু শেন্দুৰিয়া মে
২০ চৰ্‌ লোম আৰু আইজব গাজলৈ আৰু যি নির্ব্বন্ধ
ঈশ্বৰে তোমোলাকে সৈতে কৰিছে তাকে থিৰ্ কৰাৰ্
তেজ এই এই কথা কৈ পুথিৰ ওপৰৎ আৰু এটাই
২১ মানুহৰ ওপৰৎ ছিটা দিলে। তেঁও পবিত্ৰ তাম্বু
২২ আৰু সেৱাৰ্ এটাই পাত্ৰ তেজেৰে ছিটাইলে। আৰু
ব্যৱস্থানুসাৰে প্ৰায় এটাই বেহানি তেজেৰে পবিত্ৰী
কৃত হয় আৰু তেজ পড়াক এড়ি একো পাপ মোচন
২৩ নহয়। এয়েৰেই প্ৰয়োজন আছিল হয় যি স্বৰ্গস্থ
বেহানিৰ্ আদৰ্শ এটাইৰে দোৱাৰা পবিত্ৰীকৃত হয়
কিন্তু স্বয়ং স্বৰ্গীয় বেহানি ইয়াৰপৰা ওত্তম বলিৰ
২৪ দোৱাৰা। কিয়নো সঁচা পবিত্ৰ ঠাইৰ্ অদৰ্শ যি হস্ত
কৃত পবিত্ৰ ঠাই তাৎ খ্ৰীষ্ট নোসোমায় কিন্তু আমাৰ
নিকোনে ঈশ্বৰৰ্ আগৎ বৰ্ত্তমান থাকিবৰ নিকো
২৫ নে স্বয়ং স্বৰ্গৎ সোমাইছে। আৰু যায় প্ৰৰোহিৎ
যেনেকৈ বৎসৰি বৎসৰি তেজলৈ পবিত্ৰ ঠাইৎ সো
মায় তাৰ্ নিচিনা বাৰম্বাৰ আপোনাকে যি ওৎসর্গ
২৬ কৰিব সি নহয় সেয়ে হলে জগতৰ ভিৎ কৰাৰেপৰা
তেঁওৰ্ ভালেমান বাৰ মৰিবলগা হলহেঁতেন কিন্তু

এতিয়া জগতৰ শেহকালত আপুনি বলিদানৰ দ্বাৰাই
পাপ মোচনৰ নিমিত্তে সি এবেলি প্ৰকাশিত হৈছে ।
২৭ আৰু যেনে মানুহবোৰৰ একেবেলি মৰণ আৰু তাৰ
পাছে শেষবিচাৰ নিৰূপিত আছে তেনে ভালেমানৰ পাপ
২৮ ভুঞ্জিবলৈ খ্ৰীষ্ট এবেলি উৎসৃষ্ট হৈছিল আৰু যিবি-
লাকে তেওঁলৈ অপেক্ষা কৰে সিহঁতৰ কাৰণে তেওঁ
পাপৰহিত হৈ ত্ৰাণৰ নিমিত্তে দ্বিতীয় বেলি দেখা
দিলে ।—

পৰ্ব্ব কিয়নো বিধান ভবিষ্যত শুভৰ ছাঁ মাত্ৰ হৈ
১০ আৰু স্বয়ং বস্তুবিলাকৰ আকৃতি নহৈ যি বলি সিবি-
লাকে বছৰি বছৰি নিতৌ উৎসৰ্গে তদ্দ্বাৰা ভদা
২ শুচিহঁতক সিদ্ধ কৰিব নোৱাৰিলে । নেদেয়ে হলে
তদুৎসৰ্গ কৰা নিবৃত্ত নহলহেঁতেন নে কিয়নো পূজা-
ৰিহঁত একেবেলি পৰিষ্কৃত হলে সিহঁতৰ আৰু পাপ
৩ মনন নহলহেঁতেন । কিন্তু সেই বলিদানত বছৰি
৪ বছৰি পাতক স্মৰণ হয় । কিয়নো ভতৰাৰে আৰু
ছাগলিৰে তেজ কেতিয়াও পাতক খণ্ডাব নোৱাৰে ।
৫ এয়েৰেই তেওঁ জগতত সোমায় বোলে বলিদান আৰু
৬ উৎসৰ্গ তুমি ইচ্ছা নকৰিলা কিন্তু আমালৈ শৰীৰ যু-
৭ গুত কৰিলা হোম আৰু পাপৰ নৈবেদ্যত তোমাৰ
একো সন্তোষ নাছিল তেতিয়া মই কৈছিলোঁ যি পুথিৰ
এক প্ৰকৰণত মোৰ কথাত লিখা আছে দেখা হে
ঈশ্বৰ তোমাৰ ইচ্ছা কৰ্ম্ম কৰিবলৈ মই আহিছোঁ ।
৮ আগেই যেতিয়া তেওঁ কৈছিলে বিধানানুসাৰে উৎ-

মৃত্ত বলি আৰু ওৎসৰ্গ আৰু হোম্ পাপঘ্ন নৈবেদ্য
তুমি খুজিলা আৰু তাৎ সন্তোহিৎ নহইছিল।
৯ তেতিয়া ময় কলোঁ হে ঈশ্বৰ দেখা তোমাৰ্ ইষ্ট
কৰ্ম্ম কৰিবলৈ ময় আইছোঁ। তেঁও দ্বিতীয় নিৰ্ব্বন্ধ
১০ থিৰ্ কৰিবলৈ প্ৰথমক্ লোপ কৰে। সেই ইষ্ট
কৰ্ম্মৰ দোৱাৰা অৰ্থাৎ যিশু খ্ৰীষ্টৰ্ শৰীৰ্ এবেলি
১১ বলি দিয়াৎ আমি পবিত্ৰীকৃত হোঁ। সদৌ পুৰো
হিতে সেৱা কৰিং আৰু পাপমোচনাশক্ত সেই এক
১২ ৰূপ বলিদান বাৰম্বাৰ কৰিং নিতৌ থিয় হয় কিন্তু
এই মানুহ পাপঘ্ন এক বলি দিলে পাচে তেতিয়াৰে বা
শত্ৰুহঁৎ তেঁওৰ্ পাদপিঠীকৃত যেতিয়ালৈকে নহয়
১৩ তেতিয়ালৈকে প্ৰতীক্ষা কৰি নিতৌ ঈশ্বৰৰ্ সোঁফালে
১৪ বহিলে। কিয়নো যিবিলাক্ পবিত্ৰীকৃত আছে
সিহঁতক্ তেঁও এক নৈবেদ্যৰ দোৱাৰা নিঃশেষকৈ
১৫ সম্পূৰ্ণ কৰিছে। কিয়নো যিহুহায় কয় যি নিৰ্ব্বন্ধ
ময় সেই কালৎ সিহঁতে সৈতে কৰিম্ সেয়ে এই।
১৬ সিহঁতৰ্ মনৎ ময় আপোন আজ্ঞা থম্ আৰু সিহঁ
১৭ তৰ্ মনৎ তাক্ লিখিম্ আৰু সিহঁতৰ্ পাপ আৰু
১৮ অপৰমাৰ্থ্য ময় আৰু মন নকৰিম্ বিৰ্ম্মান্যায় আগেই
১৯ এই কথাকৈ আমালৈ ইয়াৰ সাক্ষী আছে। এতিয়া
ইয়াৰ খণ্ডন যৎ আছে তৎ পাপঘ্ন নৈবেদ্যৰ্ প্ৰয়ো
জন নায়।—
২০ এয়েৰেই হে ভায়হঁৎ যিশুৰ্ তেজৰ্ দোৱাৰা

মহাপবিত্ৰ ঠাইলৈ সোমাবলৈ আমাৰ অনিষিদ্ধতা
হলে আৰু যাজৎ আৰ্কানৰ্ অৰ্থাৎ আপোন শৰীৰৰ্
দোৱাৰা যি এক নবীন আৰু জীৱন্ত বাট তেঁও আমা
২১ লৈ পবিত্ৰ কৰিছে সিও হলে আৰু ঈশ্বৰৰ্ ঘৰৰ্ অধি
২২ কাৰ আমাৰ এক মায় পুৰোহিতো হলে আমি কুবিবে
চনাৰপৰা প্ৰোক্ষিৎ মন হই আৰু নিৰ্ম্মল্ জলে
ধৌত শৰীৰ্ হই সঞ্জাতৰ্ পুৰ্ণ মাহ কৰি সচিত্ত
২৩ হই ওচৰলৈ যায় । আমি আপোনাৰ ভাৰসাৰ থিৰ্
২৪ মৈ আঁটি ধৰোঁ কিয়নো যি প্ৰতিজ্ঞা কৰিলে তেঁও বিশ্বা
২৫ সী । কেৎবিলাক্ মানুহৰ্ ব্যৱহাৰৰ্ নিচিনা এক
লগে অহা নেড়ি কিন্তু এটায় আন্ এটাক্ ওপদেশ দি
চেনেহ আৰু সুকৰ্ম্ম কৰিবলৈ এটায় এটাকৈ ওদগাব
লৈ ধৰোঁ আৰু দিন ওচৰ্ চাপিছে ইয়াক্ জানি ততো
২৬ ধিকো কৰোঁ। কিয়নো সত্যবিষয়ক্ জ্ঞান পাবৰ্ পিচৎ
যেদি আমি ইচ্ছাপূৰ্ব্বক্ পাতক্ কৰোঁ তেবে পাপদূ
২৭ আন্ কোনো বলিদান নেথাকে কিন্তু দণ্ডৰ্ আৰু বৈৰি
নাশক অগ্নিময় খাণ্ডৰ্ প্ৰজ্বলনৰ্ ভয়জনক্ অপেক্ষা
২৮ মাতোন যি মোশহৰ্ বিধান ইতিকিৎ কৰিলে দুয়
তিনি সাক্ষীৰ প্ৰমাণেৰে সেইটৰ নিৰ্দয় মৰণ হল ।
২৯ এয়েৰেই যি ঈশ্বৰৰ্ পুতেকক্ ভৰিৰে গচকিছে আৰু
নিৰ্ব্বন্ধৰ্ যি তেজেৰে সি আপুনি পবিত্ৰীকৃত আছিল্
৩০ তাক্ সাধাৰণ বুলি মানিছে আৰু অনুগ্ৰহকৰোঁতা
আত্মাৰ্ বিপৰীৎ কৰিছে সি আকও তোমোলাকৰ্
শোধেৰে সৰহ যাতনাদায়ক্ শাস্তিযোগ্য গণিৎ

৩১ স্মৰ নে । কিয়নো যি কৈছিলে যি যিহুদাৰ বয় প্ৰতিহিংসা কৰা মোৰ্ আধিপত্য ময় পৰহ দিম্ । আৰু আকও যিহুদাহে আপোন মানুহবিলাকৰ্ শোধি
৩২ কৰিব তাক্ যয় জানোঁ । জীৱন্ত ঈশ্বৰৰ্ হাতত পৰা মহাভয়ময় বিষয় । কিন্তু তোমালোক্ দীপ্তি প্ৰাপ্ত হলে পাচে অংশতঃ যিমান্ কাল্ তোমালোক্ নিন্দাৰে আৰু দুঃখৰ্ দোৱাৰা কৌতুকীকৃত হৈ
৩৩ ছিলা আৰু অংশতঃ যিবিলাকৰ্ এনেকুৱা দশা তো মালোকে যিমান কাল সিহঁতৰ্ লগ ৰিয়া হৈ অতি শয় দুঃখত হৰ্ষ যি সময়ইত সহিছিলা সেই পূৰ্ব্বকাল
৩৪ স্মৰা । কিয়নো মোৰ বন্ধনত তোমালোকে মোক্ দয়া কৰিলা আৰু স্বৰ্গত যি তোমালোকৰ্ আন্ উত্তম আৰু অক্ষয় বেহানি আছে তোমালোকে আপোনাৰ মাজত ইয়াক্ নিশ্চয় কৰি আনন্দপূৰ্ব্বক্
৩৫ আপোনাৰ ধন্ বিনাশ গ্ৰহণ কৰিলা । এতেকেই তোমালোকৰ্ এই আতি বৰ্ ফল্ যুক্ত সাহ পেলায়
৩৬ নিদিবা । কিয়নো ঈশ্বৰৰ্ ইচ্ছা কৰ্ম্ম কৰাৰ পাচত প্ৰতিজ্ঞাত বেহানি পাবলৈ তোমালোকৰ্ সহিষ্ণুতাৰ
৩৭ প্ৰয়োজন আছে । কিয়নো আৰু এফেৰিৰ্ পাচত আহিবলগা যি তেঁও আহিব আৰু পলম্ নকৰিব ।
৩৮ পৰমাৰ্থিক মানুহে সত্যাভেয়ে কালক্ষেপণ কৰিব কিন্তু যেদি কোনোৱা পাচগুচে তেবে তাত মোৰ
৩৯ মনত একো সন্তোষ নহব । যিবিলাক্ নাশলৈকে পাচগুচে সিহঁতৰ্ মাজত আমি নোহোঁ কিন্তু যিবি

লাক্ আন্মাৰ তৰণি পাবলৈ পতীয়াই সিহঁতৰ্
মাজৎ হয় ।—

পর্ব্ব প্ৰত্যাশীত বেহানিৰ্ দৃঢ় আশা আৰু অদৃষ্ট বেহা
১১ নিৰ্ প্ৰমাণ সঞ্জাতেই । কিয়নো তাতে ইঁচাইঁতে
৩ যশস্যা পালে । আমি সঞ্জাতৰ্ দোৱাৰা জানোঁ
জগৎ ঈশ্বৰৰ্ বাক্যেৰে এনে সৃষ্ট আছিল্ দৃষ্ট বে
৪ হানি অদৃষ্ট বেহানিৰপৰা নির্ম্মিৎ আছিল । সঞ্জা
তেৰে হেবেল কাইনৰ্ বলিৰপৰা উত্তম বলি ঈশ্বৰৰ্
উদ্দেশে দিলে তাতে ঈশ্বৰে তাৰ্ দানৰ্ কথাৎ প্ৰমা
ণ দিলে আপুনি পৰমার্থিক্ ইয়াৰ প্ৰমাণো তেঁও
পালে আৰু তাতে তেঁও মৃত হয়ো এতিয়া কথা
৫ কয় । সঞ্জাতেৰে হনোক্ সশৰীৰে স্বৰ্গলৈ গল্
যি মৃত্যুক্ নেদেখে আৰু ঈশ্বৰৰ্ তাক্ সশৰীৰে
স্বৰ্গলৈ গ্ৰহণেৰে তেঁও পোৱা নহল্ কিয়নো তাৰ্
সশৰীৰে সৰ্গলৈ যোৱাৰ্ আগেই তাৰ্ এই প্ৰমাণ
৬ আছিলতেঁও ঈশ্বৰক্ তুষিলে । কিন্তু সঞ্জাতক্
এতি ঈশ্বৰক্ তুষিবলৈ অসাধ্য কিয়নো ঈশ্বৰ্ বর্ত্ত
মান আৰু যিবিলাকে তেঁওক্ যত্নপূর্ব্বক্ বিচাৰে তেঁও
সিহঁতক্ ফলদিয়োঁতা যি ঈশ্বৰৰ্ কাষৰলৈ আহে
৭ সি জনৰ্ পতীয়োঁৱাৰ প্ৰয়োজন আছে । সঞ্জা
তেৰে নূহে তৎকালীন অপ্ৰৌচিক্ বনৰ্ অর্থে ঈশ্বৰ
কর্ত্তৃক প্ৰত্যাদিষ্ট হই ভয়ৎ উদাসীনত হই আ
পোন বঙহৰ্ ৰক্ষাৰ নিকোনে নাও সাজিলে যিহে
ৰে তেঁও জগতৰ্ জীৱৰ্ প্ৰমাণ দিলে আৰু সঞ্জা

৮ তেৱে যি পাৰমাৰ্থ্য তদধিকাৰী হল্। আবৰাহাম
যি ঠাইৰ্ আধিপত্য পাচৎ পাৱে সেই ঠাইলৈ
যাবলৈ আহুত হই সঞ্জাতেৱে মানিলে আৰু কলৈ
৯ গৈচো ইয়াক্ নেজানি বাজ ওলায় গল্। তেঁও
বিদেশৎ থাকিবৰ্ নিচিনা সেই প্ৰতিজ্ঞাতাধিকাৰী
যিস্থাক্ আৰু যখাকুবৰ্ লগৎ তাম্বুতে বাস কৰি
১০ প্ৰতিজ্ঞাত দেশৎ সঞ্জাতেৱে বাস কৰিলে। কিয়নো
যি নগৰৰ্ বুনিয়াদ আছে যাক্ নিৰ্ম্মাতা আৰু গ্ৰন্থন
কৰোঁতা ঈশ্বৰ সেই নগৰলৈ তেঁও অপেক্ষা কৰিলে।
১১ শাৰাহে আপুনি সঞ্জাতেৱে গৰ্ভধাৰণ শক্তি পালে
আৰু ৰজোনিবৃত্তি কালৰ্ পাচৎ পুত্ৰ প্ৰসৱ হল্ কি
য়নো যি প্ৰতিজ্ঞা কৰিছিল্ তেঁও যি বিশ্বাসী ইয়াক্
১২ মনৎ নিশ্চয় কৰিলে। তাতেই মৃতৰূৎ একজনীৰ্ পৰা
আকাহৰ্ তৰাৰ নিচিনা ভালেমান আৰু সাগৰৰ্
কাষৰিৎ থকা বালিৰ নিচিনা অগণনীয় লোকহঁ
১৩ তৰ্ উৎপত্তি হল্। এইং এটাই মানুহ প্ৰতিজ্ঞাত
বেহানি নেপায় কিন্তু তাক্ দুৰৈৎ দেখি আৰু তাতে
নিঃসংশয় হই আৰু তাক্ গ্ৰহণ কৰি আৰু আ
পুনি পৃথিবীৰ ওপৰৎ পৰদেশীয়া অথচ ভ্ৰমণকৰোঁ
১৪ তা ইয়াক্ শৈ কৰি সঞ্জাতযুক্ত হই মৰিল। কিয়
নো যিবিলাকে এনেকুৱা কথা কয় সিহঁৎ এক দেশক
১৫ বিচাৰে ইয়াক্ প্ৰোচিক্ কৰি বোলে। আৰু সিহঁৎ
যেদি আপোনাৰ পৰিত্যক্ত দেশলৈ চিন্তিলেহেঁতেন
তেৱে নিঃসংশয় সিহঁতৰ্ সেই দেশলৈ আকও

১৬ যাবৰ্ উপায় হব পাৰিলেহেঁতেন। কিন্তু এতিয়া
সিহঁৎ উত্তমতৰ্ অৰ্থাৎ স্বৰ্গীয় এক দেশলৈ আকা
ঙ্ক্ষা কৰে। এয়েৰেই ঈশ্বৰ সিহঁতৰ্ ঈশ্বৰ বুলি
প্ৰসিদ্ধ হোৱাৎ লাজ নহয় কিয়নো তেওঁ সিহঁতৰ্
১৭ অৰ্থে এখান নগৰ্ যুগুৎ কৰিছে। অব্ৰাহাম আৰু
পৰীক্ষিৎ হই সজ্ঞাতেৰে য়িস্হাকক্ নৈবেদ্য কৰিলে
১৮ যি প্ৰতিজ্ঞা পাইছিল্ তেওঁ আপোনাৰ পুত্ৰাৰ্থে কোৱা
হল্ য়িস্হাকৰ্ নামে তোমাৰ সন্ততিহঁৎ প্ৰসিদ্ধ হব।
১৯ ঈশ্বৰ মৃত্যুৰ্পৰা তেওঁক্ তুলিব আকও পাৰিব ইয়াক্
শোধি কৰি সেই এক পুত্ৰক্ বলি দিলে মৃত্যুৰ্ পৰাও
২০ এক দৃষ্টান্তেৰে তেওঁ তাক্ পালে। সজ্ঞাতেৰে য়িস্হাক্
ভবিষ্যৎ গতিৰ্ কথাৎ যাক্কুবে আৰু এশাহক্
২১ আশীষ দিলে। যাক্কুবে সজ্ঞাতেৰে আপোন মৰণ
কালৎ যুসফৰ্ দুয় পুত্ৰেকক্ আশীষ দিলে আৰু
আপোন লাখুটিৰ মুৰৎ ভৰ্ দি ভজনা কৰিলে।
২২ সজ্ঞাতেৰে যুসফে মৰণৰোগ কালৎ য়িশ্ৰএলৰ্ সন্ত
তিহঁতৰ্ সেই হাইৰপৰা যাত্ৰাৰ কথা কলে আৰু
২৩ আপোন হাড়ৰ কথাৎ আজ্ঞা দিলে। সজ্ঞাতেৰে
মোশহে আপোন জন্মকালৎ আপোন পিতৃমাতৃ
২৪ হতুৱাৰ তিনি মাহ গুপ্তৎ হই আছিল কিয়নো তেওঁ
সুদৃশ্য লৰা ইয়াক্ সিহঁতে দেখিলে আৰু ৰজাৰ্
২৫ আজ্ঞাৎ ভীৎ নহল। সজ্ঞাতেৰে মোশহ বৰ
হই পাতক্ কৰাৎ যি সুখ তাৰ কিচুকাল ভোগ
কৰাৰপৰা ঈশ্বৰৰ্ লোকহঁতে সৈতে দুঃখ ভুঞ্জা য়

২৬ নম্ৰ কৰি মিচৰৰ এটাই ধনৰপৰা খ্ৰীষ্টৰ নিকোনে
যি নিন্দা তাক্ বৰ ধন মানি ফৰৌণৰ জীয়েকৰ পুত্ৰ
বুলি প্ৰসিদ্ধ হোৱা হেয়জ্ঞান কৰিলে কিয়নো তেওঁ
২৭ কৰ্ম্মৰ ফলৰ্ ফাললৈ চালে। সঞ্জাতৎ তেওঁ
ৰজাৰ্ খঙৎ ভয় নকৰি মিচৰ এড়িলে কিয়নো
অদৃষ্ট যি তেওঁক্ তেওঁ দৃষ্টভাৱে মানি মন্ স্থিৰ ক
২৮ ৰিলে। যি প্ৰথমতে ওপজাহঁতক্ বিনাশ কৰিলে
২৯ তেওঁৰ্ সিহঁতক্ নচুবলৈ তেওঁ সঞ্জাতেৰে পেশাখ
৩০ আৰু তেজ প্ৰোক্ষণ বিধান পালিলে। যেনে শুকান
মাটিএ দি যোৱা তেনে সিহঁৎ সঞ্জাতেৰে অৰবি
সাগৰে দি গতি কৰিলে মিচৰীয়াহঁতে তেনে কৰি
৩১ বলৈ ধৰি বুড়ি মৰিল। সঞ্জাতেৰে য়িৰিগুৰ্ বেৰ্
৩২ সাত দিন প্ৰদক্ষিণৰ্ পাচৎ পৰিল। সঞ্জাতেৰে
ৰাহাব বেশ্যা চৰিয়াহঁতক্ কুশলে অতিথি কৰি অনা
৩৩ জ্ঞিহঁতে সৈতে মৰা নগল। ময় আৰু কি কম্
কিয়নো যিবিলাকে সঞ্জাতেৰে ৰাজ্য পৰাস্ত কৰিলে
পাৰমাৰ্থ্য কৰিলে প্ৰতিজ্ঞাত পালে সিংহবিলাকৰ
মুখ বন্ধ কৰিলে অগ্নিৰ অতিজ্বলন নুমালে তৰো
৩৪ ৱালৰ্ ধাৰ্ এড়িলে দৌৰ্ব্বল্যৰ্পৰা বলৱন্ত কৰা হল্
ৰণৎ ক্ৰমেৎ প্ৰতাপৱন্ত হল্ আন্দেশীয়াহঁতৰ্ সৈন্য
বিলাকক্ পলুৱালে এনেকুৱা যি গিদিওন আৰু বাৰাক্
আৰু শিমশোন আৰু য়িফতাখ আৰু দাঊদ আৰু
শামুএল আৰু আচাৰ্য্যহঁৎ এই বিলাকৰ্ কথা কোৱা
৩৫ ৰ্ সময়ই নহয়। তিৰোতাহঁৎ আকৌ সজীৱ আপো

নাৰ্ মৃত লৰাহঁতক্ পালে আৰু আন্ ওত্তম পুনৰু
ত্থান পাবলৈ যাতনা মোচন গ্ৰহণ নকৰি আন্ আন্
৩৬ লোকহঁতে যাতনা ভুঞ্জিলে। আন্ আন্ কাৰো নিন্দা
আৰু মাৰ্ খোৱা আৰু বন্ধন আৰু বন্দিশালৎ থকা
৩৭ ৰৰ্ পৰীক্ষা হৈছিল। সিহঁৎ শিল পেলোৱাৎ
মৰা গৈছিল্ সিহঁৎ কৰাতেৰে চিৰা হৈছিল সিহঁৎ
পৰীক্ষিৎ আছিল্ সিহঁৎ তলোৱালেৰে কটা গৈ
ছিলসিহঁৎ মেচ্ আৰু ছাগলিৰ্ চালেৰে আচ্ছাদিৎ
হৈ ওন্নাস্তিক্ আৰু দুঃখী আৰু ক্লেশিৎ হৈ ভ্ৰমণ
৩৮ কৰিলে। সংসাৰ সিহঁতৰ্ আধাৰ হবলৈ
যোগ্য নহয় সিহঁৎ হাবিৎ আৰু পৰ্ব্বতৎ আৰু
পৃথিবীৎ থকা গাতৎ আৰু গহ্বৰৎ ভ্ৰমণ কৰিলে।
৩৯ এইবিলাক্ মানুহ আমাক্ ব্যতিৰেকে পুৰ নহয়
৪০ এই নিকোনে ঈশ্বৰে আমাৰ অৰ্থে ইয়াৎকৈ কো
নো বিলক্ষণ বেহানি যুগুৎ কৰিলে সিহঁতে সঞ্জাতে
ৰে যশস্যা পায় প্ৰতিজ্ঞাত নেপালে।—

পৰ্ব্ব এয়েৰেই আমি ইমান্ বৰ্ সাক্ষিৰূপ ডাৱৰেৰে
১২ বেষ্টিত হৈ আপোনাৰ আগৎ থিত আনন্দৰ নি
২ কোনে অপমান ইতিকিং কৰি ক্ৰুশৰ্ যাতনা ভুঞ্জি
লে আৰু এতিয়া ঈশ্বৰৰ্ সিংহাসনৰ সোঁফালে
বহি আছে যি আমাৰ সঞ্জাতৰ্ জনক্ সম্পূৰ্ণকৰ্ত্তা
৩ য়িশু তেঁওলৈ চায় আমি সদৌ ভাৰ্ আৰু যি পাপ
আমাক্ আতি অপ্ৰয়াসে বেৰে তাক্ এড়ি আমাৰ
আগৎ থকা ধাবনীয়া থানৎ সহিষ্ণু হৈ লৰোঁ।

৪ কিয়নো যি আপোন বিৰুদ্ধে পাপি লোকহঁতৰ্ ইমান
বৈপৰীত্য সহিলে তেঁওক মনত ভাবা যেন্ তোমো
৫ লাক্ ক্লেশিত আৰু মনত দুৰ্ব্বল নোহোৱা ।      তো
মোলাকে পাপৰ্ বিনৰাত যতন কৰি তেজপাতলৈকে
৬ প্ৰতিৰণ নোকৰা ।     হে মোৰ্ পুত্ৰ যিহুহকৰ্ত্তৃক
শাস্তি ইতিকিং নকৰিবা আৰু তেঁওৰ্ কৰ্ত্তৃক অনু
যুক্ত হই নিৰ্ব্বলী নহবা কিয়নো যিহুহে যাক্ শাস্তি
দিয়ে তাকে চেনেহ কৰে আৰু যি প্ৰত্যেক পুতেকক্
গ্ৰহণ কৰে তাকে মাৰে যি উপদেশ তোমোলাকলৈ
লৰাহঁতৰ্ নিচিনা এই কথা কয় তাক্ তোমোলাকে
৭ পাহৰিছা ।   যেদি তোমোলাকে শাস্তি ভুঞ্জা তেবে
ঈশ্বৰে তোমোলাকে সৈতে পুত্ৰৰত ব্যাপাৰ্ কৰে
কিয়নো যাক্ পিতৃএ শাস্তি নিদিয়ে এনে কোন পুতেক্
৮ আচে ।     কিন্তু যাৰ্ ভাগী এটাই হয় এনে শাস্তি
এৰা যেদি তোমোলাক্ হোৱা তেবে তোমোলাক্
৯ জহৰা সন্ততি ঔৰসপুত্ৰ নোহোৱা ।   আৰু বোলোঁ
যিবিলাকে আমাক্ শাস্তি দিলে তাতে আমি সিহঁ
তক্ সৎকাৰ কৰিলোঁ এনে কায়িক্ পিতৃহঁত আমাৰ
আচিল্ কি আৰুও আমি আত্মাহঁতৰ্ পিতৃৰ্ বশগত
১০ হই জীম্ কিয়নো সিহঁত দিনা দিয়েক্ আমাৰ বিবে
চনানুসাৰে আমাক শাস্তি দিলে কিন্তু তেঁও হিতাৰ্থে
আমাৰ কৰে যেন্ আমি তেঁওৰ্ পবিত্ৰতাৰ ভাগী
১১ হোঁ ।     কোনো শাস্তি বিদ্যমানত আনন্দদিয়োঁতা

দেখা নহয় হয় কিন্তু দুঃখদিয়োঁতা কিন্তু তাৰ্ পিচৎ
যিবিলাকে তাক্ ভুঞ্জে সিহঁতক্ প্ৰতি সেই পুণ্য
১২ ৰূপ শান্তি ৰূৰ্ ফল্ ওপজায় । এয়েৰেই ওদং হাৎ
আৰু দুৰ্ব্বল্ আঁঠু তোলা আৰু খোঁড়া যি সি বাটৰ্
১৩ পৰা নোভৃত্তে কিন্তু স্বস্থীভূত হয় এই নিকোনে ভৰিৰ্
১৪ নিকোনে পোন্ বাট কৰা । ঈশ্বৰৰ্ অনুগ্ৰহ
পোৱাৰ কথাৎ কাৰো নূন জানোঁ হয় তিতাৰ একো
১৫ গুৰি জানোঁ বাঢ়ি দুঃখ দিয়ে আৰু তাতে ভালেমান
মানুহ অশুচি হয় জানোঁ কোনোবা লুম্পট বা এডো
১৬ খৰ্ খাদ্যৰ্ নিকোনে আপোন জ্যেষ্ঠাধিপত্য বেচিলে
যি এশাব তাৰ্ নিচিনা ধৰ্ম্মৰহিৎ কোনো লোক জা
নোঁ হয় ইয়াতে যত্নপূৰ্ব্বক্ সাৱধ হুই এটাই মানুহে
সৈতে মিল্ হোৱা আৰু যদ্ব্যতিৰেকে ঈশ্বৰৰ্ দৰ্শন
কোনোএ পাব নোৱাৰিব এনে যি সাধুতা তাৰ্ অনু
১৭ ধাৱন কৰা । কিয়নো তাৰ পিচৎ যেতিয়া এশাবে
সেই আশীৰ্ব্বাদ ভুঞ্জিব খুজিলে তেতিয়া হেয়জ্ঞানী
ভূৎ আছিল্ আৰু যতন কৰি লোতক্ পেলোৱাৎ পা
১৮ লটনৰ্ ঠাই বিচাৰিও তেৱো তাক্ নেপালে । কিয়
নো স্পৰ্শনীয় পৰ্ব্বত আৰু জলা জুই আৰু ঘোৰ্ ডাৱৰ্
আৰু অন্ধকাৰ আৰু বৰ্ধুন আৰু তুৰী বাজোৱা
এইৎ এটাইবে ওচৰৎ আৰু বাক্যৰ্ যি ধ্বনি শুৰণী
১৯ হঁতে শুনি প্ৰাৰ্থনা কৰিলে যেন্ সেই কথা আৰুও
সিহঁতৰ্ আগৎ কোৱা নহয় সেই বাক্যৰ্ ধ্বনিৰ্
২০ ওচৰলৈ তোমালোক্ ওপগত নোহোৱা । কিয়নো

যি আজ্ঞা দিয়া হল্ তাক্ সিহঁতে সহিব নোৱাৰিলে
কোনো পশুএও যেদি পৰ্ব্বত চোয়মাতোন তেবে শিলেৰে
২১ বধ্য বা কাঁড়েৰে ভেদনীয় হয়। আৰু এনে বৰ্
ভেতবা সেই দৰ্শন আছিল্ মোশহেও কৈলিলে ময়
২২ বৰ্ ভয় কৰোঁ আৰু কপোঁ। কিন্তু তোমোলাক্
সীওন পৰ্ব্বত আৰু জীৱন্ত ঈশ্বৰৰ্ নগৰ্ অৰ্থাৎ
২৩ স্বৰ্গীয় যিৰুশালম আৰু যিতায়ং দূত আৰু স্বৰ্গৎ
লিখিৎ প্ৰথমতে ওপজাহঁতৰ্ সৰ্ব্বাধিষ্ঠিৎ সভা আৰু
মণ্ডলী আৰু এটাইৰে শোধাৰু ঈশ্বৰ আৰু সাধুবি
২৪ লাকৰ্ শুদ্ধীকৃত আত্মা আৰু নবীন নিৰ্ব্বন্ধৰ্ মাজৎ
থকা যিশু আৰু হেবেলৰ্ তেজৰপৰা ভাল্ কথা কয়
যি প্ৰোক্ষণকৰোঁতা তেজ এইং বিলাকৰ্ ওচৰৎ তো
২৫ মোলাক্ ওপগৎ আচা। সাভয হোৱা যেন্ বো
লোঁতাৰ্ অৱজ্ঞা নকৰা কিয়নো যিবিলাক্ পৃথিবীস্থ
বোলোঁতাৰ্ অৱজ্ঞা কৰিলে সিহঁৎ যেদি নিজালে
তেবে স্বৰ্গৎ থাকি যি কথা কয় যাৰ্ কথা তেতিয়া
২৬ পৃথিবী লড়ালে কিন্তু এতিয়া প্ৰতিজ্ঞা কৰিছে ইয়াৰ্
পিচৎ এবেলি ময় স্বদা পৃথিবী নলড়ায় কিন্তু স্বৰ্গো
লড়ায় তাৰ্পৰা ওভতলে আমি কেনেকৈ তায়্।
২৭ এতিয়া এবেলি এই শব্দৰ্ অৰ্থ এই অলড়িতবা বেহা
নিৰ্ থিৰ্ থাকিবলৈ লাড়িৎ যি বেহানি সেই বেহা
২৮ নি নিৰ্ম্মিত বেহানিৰ্ নিচিনা স্থানান্তৰ্ কৰা। এয়ে
ৰেই অলড়িতবা এক ৰাজ্য পায় আমি সৎবাৰ
আৰু ঈশ্বৰৰ্ সেৱাৎ ওচিৎ ভয় কৰি স্বগ্ৰাহৰূপে

ঈশ্বৰৰ সেৱা যিহে কৰিব পাৰোঁ এই অনুগ্ৰহ পাওঁ।
২৯ কিয়নো আমাৰ ঈশ্বৰ সংহাৰক জুই ।—
পর্ব্ব সৌভ্রাত্র থাকোক। আনদেশী লোকবিলাকক
১৩ অতিথি কৰিবলৈ নেপাহৰিবা কিয়নো তাতে কোনো
কোনোএ অজ্ঞানে দূতবিলাকক আলহি থৈছিছে।
৩ যেনেকৈ সিহঁতে সৈতে বন্ধ তেনে বন্দিয়াৰহঁতক
মন কৰা আৰু যেনেকৈ আপুনি শৰীৰী হই তেনে
৪ বিপদগ্ৰস্তহঁতক মন কৰা। এটাই মানুহৰ মাজে
বিবাহ মৰ্য্যাদাৰ্হ আৰু তাৰ শয্যা শুচি কিন্তু লুম্পট
৫ আৰু পৰস্ত্ৰীগমোতাহঁতক ঈশ্বৰে দণ্ড দিব। তো
মোলাকৰ আচৰণ লোভ বিনা হোক আৰু তো
মোলাকৰ যি সম্পদ আছে তাতে সন্তোষ হোৱা
কিয়নো তেঁও কৈছে তোমাক ময় কেতিয়াও নেড়িম
৬ আৰু কেতিয়াও তিয়াগ ন কৰিম। এয়েৰেই
যিহুৱহ মোৰ উপকাৰী ময় নডৰওঁ মানুহে মোক
কি কৰিব পাৰে এই কথা আমি নির্ভয়ে কব
৭ পাৰোঁ। যিবিলাকে তোমোলাকৰ ওপৰে কর্তৃত্ব
বাব পায় ঈশ্বৰৰ কথা তোমোলাকে কৈছে সিহঁতক
আচৰণৰ অভিপ্ৰায় বিবেচনা কৰি সিহঁতৰ প্ৰতীতিৰ
৮ অনুসৰণ কৰি সিহঁতক মন কৰা। যিশু খ্ৰীষ্ট গত
৯ কল্য আৰু আজি আৰু সর্ব্বদা একেৰূপ আছে। বি
বিধ প্ৰকাৰ আৰু অসম্ভৱ শিক্ষাৎ ভ্ৰমী নহবা কিয়
নো অনুগ্ৰহৰ দোৱাৰা অন্তঃকৰণৰ থিৰ হোৱা
ভাল আৰু যিবিলাকে সেই ব্যাপাৰ কৰিছে সিহঁতৰ

লাভ যিহেৎ নহল্ এনে যি খাদ্য বিশেষ তদ্দ্বাৰা যিৰ
১০ হোৱা ভাল্ নহয়। যাৰ্ বেহানি পবিত্ৰ তাম্বু সেৱ
কীয়াইঁতৰ্ খাদ্য নহয় এনে এক যজ্ঞবেদি আমাৰ
১১ আছে পাপ নাশৰ্ নিমিত্তে যি জন্তুৰ্ তেজ প্ৰধান্
যাযক্ পবিত্ৰ ঠাইৎ আনে সিহঁতৰ্ শৰীল ছাঙনিৰ
১২ বাজৎ পোড়া হয়। এই নিমিত্তে আপোন তেজ দি
লোকইঁতক্ পবিত্ৰ কৰিবলৈ যিশু দুৱাৰৰ্ বাজৎ মৃ
১৩ ৰিল। এতেকেই তেওঁৰ্ অপমানৰ্ ভাগী হই
১৪ আমি ছাঙনিৰ বাজৎ তেওঁৰ্ কাষলৈ যাওঁ। কিয়
নো আমাৰ এঠাৎ ৰাস কৰাৰ নগৰ্ নহয় কিন্তু
১৫ ভবিষ্যৎ একৰ বিচাৰ কৰোঁ। এতেকেই তেওঁৰ্
নামৰ স্তুতি কৰি স্তুৰূপ যজ্ঞীয় বস্তুৰ্ অৰ্থাৎ আ
মাৰ ওঠৰ ফল্ আমি তেওঁৰ দোৱাৰা ঈশ্বৰৰ্ আ
১৬ গৎ নিতৌ নিবেদন কৰোঁ। কিন্তু পৰৰ উপকাৰ
কৰিবলৈ আৰু দান্ কৰিবলৈ নেপাহুৰিবা কিয়নো
১৭ এইবিধি যজ্ঞেৰে ঈশ্বৰ্ সন্তুষ্ট হয়। যিবিলাক্ তো
মোলাকৰ্ ওপৰৎ কৰ্ত্তৃত্ব কৰে সিইঁতক্ মানা আৰু
সিহঁতৰ্ বশীভূৎ হোৱা কিয়নো যিবিলাকৰ্ আ
পোন্ বনৰ্ ভাল ৰয়া হুঁলিব লগা হয় সিহঁতৰ্ নিচি
না সিহঁতে তোমালাকৰ্ আত্মাৰ্ চকি দিয়ে যেন্
সিহঁৎ সানন্দ হই আৰু দুঃখযুক্ত নহই তাক্ কৰ
কিয়নো সি তোমোলাকৰ্ কাষৰৎ অফল হয়
১৮ আমাৰ নিমিত্তে প্ৰাৰ্থনা কৰ্ কিয়নো আমি নিশ্চিৎ
আছোঁ আমাৰ্ সত বিবেচনা আছে আমি পৰমাৰ্থ

১৯ আচৰিব খোজোঁ। কিন্তু ময় যিনতি কৰোঁ তাক্
কৰ্ ময় যৰকৈ তোমোলাকৰ্ কাখৰৎ দত্ত হোঁ।
২০ সম্প্ৰতি যি অশেষ নিৰ্ব্বন্ধৰ্ তেজ দি মেচৰ সেই
বৰ ৰখিয়া আমাৰ প্ৰভু য়িশুক্ মৃত্যুৰপৰা আকৌ
আনিলে এনে যি শান্তিকৰোঁতা ঈশ্বৰ যাক্ সদায়
২১ গৌৰৱ হোক্। আমিন্। তেঁও য়িশু খ্ৰীষ্টৰ্
দ্বাৰাৰে আপোন্ গোচৰৎ বৰ্ তোষতো যি কৰ্ম্ম
সেই কৰ্ম্ম তোমোলাকৰ্ মাজৎ সিদ্ধ কৰি আ
পোনাৰ্ ইষ্ট কৰ্ম্ম কৰিবলৈ তোমোলাকক্ প্ৰতি
২২ উত্তম কৰ্ম্ম সম্পূৰ্ণ কৰোক্। হে ভায়হঁৎ ময়
মিনতি কৰোঁ তোমোলাকে উপদেশ কথা সহা
কিয়নো ময় অলপ কথাৰে তোমোলাকলৈ কাকৎ
২৩ লেখিলোঁ। আমাৰ ভায় তিমোথিয়সৰ্ মুকলি
আছে ইয়াক্ জানিবা যেদি তেঁও আহে তেবে তেঁৱে
সৈতে ময় কিছিতৰ্ পাচৎ তোমোলাকক্ দেখিম্।
২৪ যিবিলাকে তোমোলাকৰ ওপৰৎ কৰ্ত্তৃত্ব কৰে সিহঁতক্
২৫ আৰু এটাই পবিত্ৰলোকহঁতক্ নমস্কাৰ কৰা। ইতা
লি দেশীহঁতে তোমোলাকক্ নমস্কাৰ কৰে। তো
মোলাক্ এটাইলৈ অনুগ্ৰহ হোক্। আমিন্।—

## যথাকুবৰ সাধাৰণ কাকৎ।

### ১ প্ৰথম পৰ্ব্ব।

১ ঈশ্বৰৰ আৰু প্ৰভু যিশু খ্ৰীষ্টৰ সেৱক যথাকুবে
২ সেই গোটা গোটা বাৰে ফৈদক নমস্কাৰ কৰে। হে
মোৰ ভায়ইঁত তোমোলাকৰ সঞ্জাতৰ পৰীক্ষাৰে
৩ সহিষ্ণুতা যি জন্মে ইয়াক জানি যেতিয়া তোমোলাক
নানা পৰীক্ষাত পৰা তেতিয়া তাক সৰ্ব্বতোভাৱে আ
৪ নন্দকে গণন কৰা। কিন্তু সহিষ্ণুতা সম্পূৰ্ণ কৰ্ম্মৰ
পৰা দিয়া যেন তোমোলাক পৰিপূৰ্ণ আৰু সাকল্য
৫ যুক্ত হোৱা তোমোলাকৰ নুন একোতো নহয়। যেদি
তোমোলাকৰ মাজত কাৰো জ্ঞানৰ অভাৱ হয় তেবে
এটাইকে ইচ্ছাপূৰ্ব্বক দিয়ে গাৰিহা নকৰে যি ঈশ্বৰ
সি তাৰ কাষৰত মাগোক তাতে তাক দিয়া হব।
৬ কিন্তু সি একো অস্থিৰ নকৰাই সঞ্জাত কৰি প্ৰাৰ্থনা
কৰোক কিয়নো যি অস্থিৰ হয় সি বতাহে ঢেলা
আৰু টলবলীয়াত সাগৰৰ কোনো ঢৌৰ নিচিনা
৭ আছে। কিন্তু সি ঈশ্বৰৰ পৰা কিবা পাব তাৰ আশে

৮ ক্ষা নকৰোক্। দ্বিমনা মানুহ আপোন এটাই
৯ গতিৰে অস্থিৰ। ইতৰ ব্যবস্থ ভায় আপোনাৰ
ওখীভূত হোৱাৎ আৰু ধনৱন্ত আপোনাৰ তলী
১০ ভূত হোৱাৎ আনন্দ কৰোক্ যিহেতুক্ ঘাঁহৰ ফুলৰ
১১ নিচিনা সি ধৈ যাব। কিয়নো বেলী বৰ্ তাপ কৰি
ওলাৰ্ যাত্ত্ৰোন ঘাঁহক্ শুকায় আৰু তাৰ ফুল সৰি
পৰে আৰু তাৰ ৰূপৰ সৌন্দৰ্য্যৰ নাশ হয় তেনেকৈ
ধনৱন্ত ব্যক্তি আপোনাৰ গতিৰে শুকায় যাব।
১২ যি পৰীক্ষা সহে সি ধন্য কিয়নো প্ৰভুএ জীৱৰূপ
কিৰিটি সপ্ৰেমকহঁতক্ প্ৰতিজ্ঞা কৰিছে সেই পৰী
১৩ ক্ষিৎ হৈ তাক্ পাব। কোনো পৰীক্ষিৎ হৈ
ময় ঈশ্বৰকৰ্ত্তৃক্ পৰীক্ষিৎ আচোঁ এই কথা নক
ওক্ কিয়নো ঈশ্বৰ বেয়াৰে পৰীক্ষিৎ নহয় তেঁও
১৪ কাৰো পৰীক্ষা নকৰে। কিন্তু গায়প্ৰতি আপোন
কামৎ উদগোৱা আৰু ভুৰী হৈ পৰীক্ষিৎ হয়।
১৫ পাচে কামে গৰ্ভধাৰণ কৰি পাপ প্ৰসৱ কৰে আৰু
১৬ পাপ সম্পূৰ্ণ হৈ মৃত্যু প্ৰসৱ কৰে। হে মোৰ্ প্ৰিয়
১৭ ভায়হঁৎ নেপাহৰিবা। সদৌ উত্তম আৰু সম্পূৰ্ণ
দান ওপৰৰপৰা আহে আৰু যাৰ অন্যথাভাৱ
আৰু আন্ধিৰি হোৱাৰ চাঁও নায় এনেকুৱা যি
১৮ তেজোময় পিতৃ তেঁওৰ ওচৰ্ পৰা নামে। তেঁও
আপোন ইচ্ছাৰে সঁচাৰূপ বাক্যেৰে আমাক্ উপজালে
যেন আমি তেঁওৰ সৃষ্টিৰ একবিধ প্ৰথম ফল হোঁ।

১৯ এয়েৰেই আমাৰ প্ৰিয় ভায়হঁৎ সায়প্ৰতি শুনিবলৈ
সৰ্‌কৈ কবলৈ সহান আৰু সওঁৎ সহিন হোক্।
২০ কিয়নো মানুহৰ সওঁ ঈশ্বৰৰ পৰমাৰ্থ নোপজায়।
২১ এয়েৰেই এটাই মলি আৰু কাপুৰুষত্বৰ বাহুল্য এৰি
দিয়া আৰু মৃদু হই যি পয়বন্ধ বাক্য তোমোলাকৰ্
আত্মা উদ্ধাৰ কৰিব পাৰে সেই বাক্য গ্ৰহণ কৰা।
২২ কিন্তু বাক্যাচাৰী হোৱা আৰু আপোনাকে ভণ্ডনা
২৩ কৰি শ্ৰৱণী মাত্তোন নহবা। কিয়নো কোনো
যেদি বাক্য শ্ৰৱণী হয় আৰু তৎকৰোঁতা নহয় তেৱে
আৰ্শিৎ আপোন শাৰীৰিক মুখ দেখোঁতা কাৰো
২৪ নিচিতা সি হয়। কিয়নো সি আপোনাকে দেখি
যায় আৰু আপুনি কেনেকুৱা মানুহ ইয়াক্ তেতি
২৫ ক্ষণে পাহৰে। কিন্তু যি মুক্তিৰ্ সম্পূৰ্ণ বিধানেৰে চায়
আৰু তাতে নিত্যৌ প্ৰবৃত্ত হয় সি পাহৰোঁতা শ্ৰৱণী
নহই কিন্তু বন্ কৰোঁতা হই আপোন কৰ্ম্মেৰে ধন্য
২৬ হব। তোমোলাকৰ্ মাজৎ কোনো যেদি ধাৰ্ম্মিকৰ্
নিচিনা দেখা হয় আৰু আপোন জিবা সংযমন নক
২৭ ৰে কিন্তু আপোন মন্ ভুলায় তাৰ্ ধৰ্ম্ম ব্যৰ্থ। ঈশ্ব
ৰৰ্ অথচ পিতৃৰ্ আগৎ যি ধৰ্ম্ম শুদ্ধ আৰু নিৰ্ম্মল্
সেই ধৰ্ম্ম পিতৃহীন আৰু বাৰিহঁতক্ সিহঁতৰ্ দুঃখ
কালৎ দেখিবলৈ যোৱা আৰু সংসাৰৰ্পৰা আপো
নাক্ দুশ্চিহ্নৰহিত ৰক্ষা।—

পর্ব্ব হে মোৰ ভায়হঁত মানুহৰ মুখ চায় আমাৰ
২ মহিমাবিশিষ্ট প্ৰভু যিশু খ্ৰীষ্টলৈ ন পতীয়াবা। কিয়নো
যদি স্বর্ণাঙ্গুৰীয়া আৰু উত্তম বস্ত্ৰেৰে ভূষিত এটা
তোমোলোকৰ সভালৈ আহে আৰু মলিন কাপোৰেৰে
কাপৰী আৰু এক ভিক্ষুক যদি সেই ঠাইলৈ আহে।
৩ তাতে যদি তোমোলোকে সুন্দৰ বস্ত্ৰেৰে বস্ত্ৰান্বিত
ব্যক্তিক মর্য্যাদা কৰি কোৱা হেনে আপুনি এইখিনিতে
উত্তম ঠাইত বহোক আৰু দৰিদ্ৰক যদি কোৱা তয়
সেইখিনিত থিয় হোঁৱা বা এইখিনিতে মোৰ পাদপীঠৰ
৪ তলত বহা। তেৱে তোমোলোক আপোনাৰ মাজত
ওপৰোধি আৰু অপ্ৰকৃত কথাৰ শোধাৰু নোহোৱানে।
৫ হে মোৰ প্ৰিয় ভায়হঁত তোমোলোকে শুনা প্ৰতীতিৰে
ধনৱন্ত আৰু যি ৰাজ্য ঈশ্বৰে স্নেহকহঁতক দিবলৈ
প্ৰতিজ্ঞা কৰিছে সেই ৰাজ্যাধিকাৰী এই জগতৰ
৬ দৰিদ্ৰহঁত তেওঁ সিহঁতক মনস্থ কৰা নায়। কিন্তু
তোমোলোক দৰিদ্ৰহঁতক ইতিৰিং কৰিছা ধনৱন্তহঁ
তে তোমোলোকৰ ওপৰত অন্যায় নকৰেনে আৰু শো
৭ ধৈলে তোমোলোকক নেটানেনে। মর্য্যাদিক নামে
তোমোলোক প্ৰসিদ্ধ আছা সিহঁতে সেই নামক নিন
৮ ন্দে নে। তোমাৰ ওচৰিয়াক আপোনাৰ সদৃশ চেনেহ
কৰা ধর্ম্মগ্ৰন্থত লিখিত এই কথানুসাৰে এই ৰাজকীয়
বিধান যদি তোমোলোকে পালা তেৱে ঠিকেন কৰা।
৯ কিন্তু যদি মানুহবিলাকৰ মুখ চায় কৰা তেৱে
তোমোলোক আজ্ঞা লঙ্ঘকবোৰ্ত্তা হোৱা ইয়াতে শা

১০ স্বৎ প্ৰমাণীকৃত হৈ জগৰীয়া হোৱা। কিয়নো যি
কোনোৱে এটাই বিধান পালন কৰে কিন্তু এক কথাৎ
১১ জগৰ লগায় সি এটাইতে দোষি। কিয়নো যি হুলি
লে পৰস্ত্ৰী নগমিবা তেঁও হুলিলে নৰবধিবা এয়েৰেই
যেদি তুমি পৰস্ত্ৰী নগমিজা তেৱো যেদি বধা তেবে শাস্ত্ৰ
১২ লঙ্ঘন কৰোঁতা হৈজা। মুক্তি শাস্ত্ৰেৰে বিচাৰণীয়
লোকহঁতৰ নিচিনা তোমোলোকে কথা কোৱা আৰু
১৩ বল্ কৰা কিয়নো যি একো দয়া নকৰে তাৰ শোধ দয়া
১৪ বিবৰ্জ্জিত হব আৰু দণ্ডৰ ওপৰৎ দয়ায় দম্ভ কৰে। হে
মোৰ ভায়হঁৎ যেদি কোনোৱে বোলে মোৰ সঞ্জাৎ
আছে সি মানুহৰ কৰ্ম্ম যেদি নহয় তেবে তাৰ কি
১৫ ফল্ সঞ্জাতে তাক তাৰিব পাৰে নে যেদি কোনো ভায়
বা ভগ্নী নাঙ্গট আৰু নিতৌ ভক্ষ্যহীন হৈ থাকে
১৬ আৰু তোমোলোকৰ এটায় সিহঁতক বোলে কুশলে
যোৱা তপত হোৱা আৰু তৃপ্ত হোৱা তেৱো দৈহিক
যি বেহানিৰ প্ৰয়োজন তাক সিহঁতক যেদি নিদিয়া
১৭ তেবে তাৰ কি ফল। তেনে সঞ্জাৎ যেদি সুকৰ্ম্মযুক্ত
১৮ নহয় তেবে অকল হৈ মৃত আছে। আৰু কোনোৱে
ইয়াক কব পাৰে তোমাৰ সঞ্জাৎ আছে আৰু মোৰ
কৰ্ম্ম আছে তোমাৰ কৰ্ম্মৰহিত তোমাৰ সঞ্জাৎ মোক
দেখুওৱা আৰু মোৰ কৰ্ম্মৰ দোৱাৰা মই আপোন
১৯ সঞ্জাৎ তোমাক দেখুৱাম। তুমি পতীয়ইজা যেন্
এক ঈশ্বৰ আছে তুমি সজ কৰিজা হয় শয়তান
২০ হঁতেও পতীয়ায় আৰু কঁপে। কিন্তু হে হুদ্ধিম

অভিমানী মানুহ সঞ্জাৎ কৰ্ম্মক্ ব্যতিৰেকে মৃত আছে
২১ যেন্ তুমি ইয়াক্ জানিব খোজানে। মোৰ পিতৃ
আবৰাহাম যেতিয়া আপোন পুত্ৰেক্ যিস্থাকক্
যজ্ঞাবেদিৰ ওপৰৎ নিবেদন কৰিলে তেতিয়া সি ক
ৰ্ম্মৰ দোৱাৰা পৰমাৰ্থী জিত নোহোল্ তুমি নেদেখা
২২ নে তাৰ কৰ্ম্মে ৰ সহযুক্ত সঞ্জাৎ যি ৰূপ কৰ্ম্ম কৰিলে
আৰু কৰ্ম্মৰ্ দোৱাৰা সঞ্জাত ভৰপূৰ্ আছিল আৰু
২৩ আবৰাহামে ঈশ্বৰক্ পতিয়ালে আৰু পৰমাৰ্থস্বৰূপ
মিবিনাৰ্ কাযৰৎ গণিৎ আছিল্ আৰু সি ঈশ্বৰৰ্
বন্ধুৰূপ প্ৰসিদ্ধ আছিল ধৰ্ম্মগ্ৰন্থৰ এই কথা পূৰ্ হয়
২৪ এয়েৰেই তোমোলাকে দেখা মানুহৰ কৰ্ম্মেৰে পৰমা
২৫ ৰ্থী জিত হয় আৰু সুদা সঞ্জাতেৰে নহয়। ৰাহাব্
বেশ্যা যেতিয়া তাই পাঁচণীইঁতক্ আলহি প্ৰহি
আন্ বাটে পাঠি দিলে তেতিয়া সেই কৰ্ম্মৰ দোৱোৰা
২৬ পৰমাৰ্থী জিত নোহোল্ নে। কিয়নো যেনে আত্মাক্
ব্যতিৰেক্ শৰীৰ্ মৃত হয় তেনেকৈ কৰ্ম্মক্ ব্যতিৰেক্
সঞ্জাত মৃত।—

পৰ্ব্ব হে ভায়ইঁতৎ আমি সৰহ দণ্ড পাওঁ ইয়াক্ জানি
৩ ভালেমান শিক্ষক্ নহবা কিয়নো ভালেমান্ কথাৎ
২ আমি টায়ে জগাৰ লগাওঁ যেদি কোনোএ বাক্যেৰে
জগাৰ্ কৰে তেবে সি সম্পূৰ্ণ ধৰ্ম্ম আৰু এটাই দেহ
৩ সযাহিত কৰিব পাৰে। দেখা আমি ঘোঁটকবিলা
কৰ্ মুখৎ দন দিয়োঁ যেন্ সিইঁতে আমাক্ মানে
৪ আৰু সিইঁতৰ্ এটাই দেহ ঘূৰায়। নাৱো আৰু

দেখা সিহঁৎ ইমান বড় আৰু প্ৰচণ্ড বতাহঁৎ হৈ
থালে সিহঁতলে লাড়িত কিন্তু তেৰো যলে আধি
৫ কাৰৰ্ ইচ্ছা তলৈ সৰু বঠাৰে ওভতোৱা হয়। এনে
কৈ জিবা সৰু এক অঙ্গ হয় আৰু বৰ্ বৰৰ্ কথা গাঁফ
কৰি কয় দেখা তাকৰ্ জুইতে বৰ্ বেহানি প্ৰজ্বলিৎ
৬ হয়। জিবাও এক জুই কুকৰ্ম্মৰ্ এক সংসাৰ আমা
ৰ অঙ্গৰ্ মাজৎ জিবা এই বিধি যি সি সৰ্ব্বাঙ্গ অশুচি
কৰে আৰু সৃষ্টিৰ এটাই ধাৰোণ জলায় আৰু আপু
৭ নি নৰকাগ্নিৎ জ্বলিৎ হয়। কিয়নো এটাই বিধি
পক্ষ আৰু চৰাই আৰু সৰ্প আৰু সাগৰচৰ্ পোহণী
য়াৰ হয় আৰু মানুহকৰ্ত্তৃক পোহণীয়াৰ কৰা হৈ
৮ ইছে। কিন্তু জিবাক্ কোনোএ পোহণীয়াৰ কৰিব
নোৱাৰে সি অদম্য আৰু মৃত্যুদিয়েঁ তা বিহেৰে
৯ পূৰ্ এক কুবেহানি। তাতে আমি ঈশ্বৰ অথচ পিতৃক্
সলাগোঁ আৰু তাতে আমি ঈশ্বৰৰূপে নিৰ্ম্মিত মানু
১০ হক্ শাও দিয়োঁ। এক মুখৰপৰা আশীৰ্ব্বাদ আৰু
শাও ওলায় হে মোৰ ভায়হঁৎ এনে হোৱা অ
১১ নুচিৎ। জৰণীএ একাইৰপৰা মোৱাদ আৰু তিতা
১২ ওলিয়ায়। হে মোৰ ভায়হঁৎ ডিমৰু গছে জিত
ফল ফলিব পাৰে নে বা দ্ৰাক্ষা লতায় ডিমৰু গুটি ধৰি
ব পাৰে নে তেনেকৈ কোনো জৰণীএ লোন্ আৰু সো
১৩ ৱাদ পানি ওলিয়াব নোৱাৰে। তোমোলাকৰ্ মাজৎ
জ্ঞানী আৰু বিদ্বন্ত কোন্ সি উত্তম আচৰণৰ্ দোৱা
ৰা জ্ঞানৰ কোমলতায় সৈতে আপোন কৰ্ম্ম প্ৰেচিক্

১৪ কৰোক্। কিন্তু যেদি তোমালোকৰ্ তিতা খিয়াল
আৰু দ্বন্দ্ব মনত থাকে তেবে দম্ভী নহবা আৰু মিছা
১৫ কথাৰ বিৰুদ্ধ মিছা নকবা। এই বিদ্যা ওপৰৰ্পৰা
নহয় কিন্তু সংসাৰিক আৰু দৈহিক আৰু শয়তা
১৬ নীয়া আছে। কিয়নো যত খিয়াল আৰু বিৰোধ তত
১৭ উৎপাত আৰু এটাই কুকৰ্ম্ম। কিন্তু ওপৰৰ্পৰা যি
বিদ্যা সি প্ৰথমতে নিৰ্ম্মল তাৰ্পাচত শান্তিকৰোঁতা
আৰু কোমল আৰু সুগমত প্ৰাৰ্থিত আৰু দয়া আৰু
১৮ উত্তম ফলেৰে পূৰ্ণ আৰু ওপৰোধ আৰু নিকপটী।
আৰু মিলকৰোঁতা মানুহবিলাকৰ্ নিমিত্তে পৰমাৰ্থৰ
ফল্ শান্তিৰে বোৱা হয়।—

পৰ্ব্ব তোমালোকৰ্ মাজত যি ৰণ আৰু দ্বন্দ্ব হয় সি
৪ কাৰপৰা হয় তোমালোকৰ্ অঙ্গৰ্ মাজত ৰণ ক
২ ৰোঁতা যি কাম্ সি তাৰপৰা নহয় নে। তোমালো
কে ইচ্ছা কৰা অথচ নোপোৱা তোমালোক্ বধ কৰা
আৰু আকাঙ্ক্ষা কৰা অথচ পাব নোৱাৰা তোমা
লোকে ৰণ আৰু দ্বন্দ্ব লগোৱা কৰ্ত্তুপত নোপোৱা
৩ কিয়নো তোমালোকে প্ৰাৰ্থনা নকৰা। তোমা
লোকে প্ৰাৰ্থনা কৰা কৰ্ত্তুপত নোপোৱা যিহেতুকে আপো
নাৰ্ কাম্ পুৰাবলৈ ভগন্ কৰিবৰ্ নিমিত্তে তোমো
৪ লোকে অনুচিতকৈ প্ৰাৰ্থনা কৰা। পৰস্ত্ৰী গমোঁতাহঁত
আৰু বাভিচাৰিণীহঁত তোমালোকে নেজানা নে
এই জগতৰ্ মিত্ৰতা যি সি ঈশ্বৰ শত্ৰুতা এয়েৰেই
যি কোনো জগতৰ্ মিত্ৰ হব খোজে সি ঈশ্বৰৰ্

৫ শাস্ত্ৰু । তোমোলাকে কি মন্ কাৰা ধৰ্ম্মগ্ৰন্থ ব্যৰ্থ
কয় আমাৰ মাজং থাকোঁতা আত্মা মাৎসৰ্য্যশালী
৬ আছে । কিন্তু তেঁও সৰহ অনুগ্ৰহ কৰে সেই
নিকোনে তেঁও কৈছে ঈশ্বৰে গৰ্ব্বালহঁতক্ বেদায়
৭ কিন্তু নম্ৰ লোকবিলাকক্ অনুগ্ৰহ কৰে । এতেকেই
ঈশ্বৰৰ্ বশীভূত হোৱা শয়তানৰ্ বিৰুদ্ধাচৰণ কৰা
৮ তেতিয়া সি তোমোলাকৰ পৰা পলাব । ঈশ্বৰৰ্
ওচৰলৈ যোৱা তেবে তেঁও তোমোলাকৰ্ ওচৰীয়া
হব হে পাপীহঁৎ তোমোলাকৰ্ হাত নিকোৱা আৰু
হে দ্বিমনাহঁৎ তোমোলাকে আপোনাৰ্ মন শুদ্ধ
৯ কৰা । দুঃখী হোৱা শোক্ আৰু ক্ৰন্দন কৰা
তোমোলাকৰ্ হাঁহিৰ্ ঠাইৎ শোক্ হোক্ আৰু তো
১০ মোলাকৰ্ আনন্দ নিৰানন্দ হোক্ । প্ৰভুৰ্ দৃষ্টিৎ
আপোনাক্ নম্ৰ কৰা তেবে তেঁও তোমোলাকক্ তুলি
১১ ব । হে ভায়হঁৎ কোনেও কাৰো বয়া নকওক্ যি কো
নাএ আপোন্ ভায়েকৰ্ বয়া কয় সি শাস্ত্ৰৰ্ বয়া কয়
আৰু শাস্ত্ৰৰ অগাৰ লগায় কিন্তু শাস্ত্ৰৰ অগাৰ যেদি
লগায় তেবে তুমি শাস্ত্ৰোক্ত কৰ্ম্মকৰোঁতা নোহোৱা
১২ কিন্তু শোধাৰু মাতোন্ । তাৰিবলৈ শকৎ আৰু মাৰি
বলৈ শকত এক বিধানকৰোঁতা আছে হে পৰৰ্ শো
১৩ ধকৰোঁতা তুমি কোন । আজি বা কালি আমি অমুক্
নগৰলৈ যাম্ আৰু তাৎ এবৎসৰ মান থাকিম্
আৰু ক্ৰয় বিক্ৰয় কৰি লাভ কৰিম্ এই বাক্য বো
১৪ লোঁতা তোমোলাকে অবুধান্ কৰা । কিয়নো কালি

কি হব তোমোলাকে ইয়াক্ নেজানা কিয়নো তো
মোলাকৰ্ আয়ু কি সি অলপ কাল্ দৃশ্য আৰু তেতি
১৫ ক্ষণেই অদৃশ্য এক কুঁৱলি যাতোন্। কিয়নো তোমো
লাকৰ্ ইয়াক্ কোৱা ওচিত যেদি প্রভুৰ্ ইচ্ছা হয় তেবে
১৬ আমি জীম আৰু ইয়াক্ তাক্ কৰিম্। কিন্তু এতিয়া
তোমোলাকৰ্ দম্ভেৰে তোমোলাকৰ্ আনন্দ আছে
১৭ এই এটাই আনন্দ অধম। এয়েৰেই যি সুকর্ম্ম কৰিব
জানে অথচ তাক্ নকৰে সেয়ে তাৰ্ পাপ।—

পর্ব্ব হে ধনৱন্ত লোকবিলাক্ তোমোলাকৰ্ হব
২ লগা দুর্গতিৰ্ কথাৎ ক্রন্দন আৰু হাঁহাঁকাৰ্
কৰা। তোমোলাকৰ্ ধন নষ্ট আৰু তোমোলা
৩ কৰ্ বস্ত্র পোকে খোৱা। তোমোলাকৰ্ সোন
আৰু ভিৰীকন যামৰে খায় গৈছে সিহঁতৰ্
যামৰ্ তোমোলাকৰ্ বিৰোধে এক সাক্ষী হব আৰু
জুইৰ্ নিচিনা তোমোলাকৰ্ শৰীল খায় পেলাব
৪ তোমোলাকে শেহকালৰ্ নিকোনে ধন্ সাঁচিছা।
দেখা যি মনিহ্ বিলাকে তোমোলাকৰ্ পথাৰ
দাইছে সিহঁতৰ্ যি বেচ্ চলেৰে তোমোলা
কৰ্ কর্ত্তৃক বন্ধ আছে সেই বেচে এটাইঁ পাৰি
ছে আৰু দাওয়ালিহঁতৰ্ এটাহ্ সৈন্যৰ যিহ্ব
৫ হৰ্ কানৎ সোমাইছে। তোমোলাকে সুখ
ভোগেৰে পৃথিবীৎ কালক্ষেপণ কৰিছা আৰু ওম
লাতে ৰত হইছা তোমোলাকে বধ দিনৰ্ নিচি
৬ না আপোনাহঁতৰ মন পুষ্ট কৰিছা। তোমো

লাকে পৰমাৰ্থিকক্ জগাৰীয়া কৰিছা আৰু বধ
কৰিছা অথচ তেঁও তোমোলাকৰ্ একো বিপৰীৎ
৭ নকৰে। এয়েৰেই হে ভায়হঁৎ প্ৰভুৰ্ আগমনলৈ
কে সহিষ্ণু হোৱা দেখা যেতিয়কে মাটিৰ্ বহুমূল্য
ফলাপেক্ষা কৰে আৰু প্ৰথম আৰু শেহ বৰ্ষুন
পোৱালৈকে তাৰ্ নিকোনে বৰ্ ধৈৰ্য্যৱন্ত আছে।
৮ তোমোলাকো সহিষ্ণু হোৱা তোমোলাকৰ্ অন্তঃক
ৰণ থিৰ্ কৰা কিয়নো প্ৰভুৰ আহা ওচৰ্ আপিছে।
৯ হে ভায়হঁৎ কোনেও কাৰো ওপৰৎ খিয়াল নকৰোক্
যেন তোমোলাক্ নিশ্চিৎজগাৰ নোহোৱা দেখা
শোধিকৰোঁতা দুৱাৰৰ্ কাখৰতে থিয় হুই আছে।
১০ হে মোৰ্ ভায়হঁৎ যি আচাৰ্য্যবিলাকে প্ৰভুৰ নামে
তোমোলাকৎ কৈছে সিহঁতক্ অতিশয় দুঃখ পোৱাৰ্
১১ আৰু সহিষ্ণুতাৰ আদৰ্শৰ নিচিনা কৈ যানা। দেখা
যিবিলাকে দুঃখ সহে সিহঁতক্ আমি সুখী বুলি
যানোঁ তোমোলাকে আয়োবৰ্ সহিষ্ণুতাৰ কথা
শুনিছা আৰু প্ৰভু বৰ্ দয়ালু আৰু চেনেহৱন্ত এই
১২ প্ৰমাণে ঈশ্বৰৰ্ আশয় দেখিছা। কিন্তু হে মোৰ্
ভায়হঁৎ তোমোলাকে স্বৰ্গৰ নাম কাঢ়ি নাইবা
পৃথিবীৰ্ নাম কাঢ়ি নাইবা আন্ কোনো শপৎ কৰি
শপৎ নকৰিবা কিন্তু তোমোলাকৰ্ য়োঁ য়োঁ হোক্
আৰু তোমোলাকৰ্ ওহোঁ ওহোঁ হোক্ যেন্
১৩ তোমোলাক জগাৰৎ নপৰা। তোমোলাকৰ্

মাজৎ যেদি কোনোবা দুঃখীয়া হই থাকে তেৱে
সি জনে প্ৰাৰ্থনা কৰোক্ কোনোবা যেদি ৰসিক্
১৪ হই থাকে তেৱে সি জনে বীযৰ গীত গাওক। তো
মোলাকৰ্ মাজৎ যেদি কোনোবা নৰিয়া পড়ি থাকে
সি জনে মণ্ডলীৰ হুঁচা লোকবিলাকক্ মাতোক্ আৰু
সিবিলাকে প্ৰভুৰ নামে তেঁওক্ তেল ঘহাঁয় তেঁওৰ
১৫ ওচৰ চাপি প্ৰাৰ্থনা কৰোক্। আৰু প্ৰতীতিযুক্ত
প্ৰাৰ্থনায় নৰিয়া পড়াক তৰাব আৰু ঈশ্বৰে তেঁওক্
সুস্থ কৰিব সি যেদি পাতক্ কৰি থাকে তেৱে
১৬ তাৰো মৰ্ষণ কৰা হব। তোমোলাকে এক জনে
আন্ এক জনৰ কাখৰৎ আপোনাহঁতৰ্ জত জগাৰ্
শৈ কৰা আৰু আপোনাহঁতৰ্ সুস্থ হবৰ্ নিকোনে
এক জনে আন্ এক জনৰ্ নিকোনে প্ৰাৰ্থনা কৰা
পৰমাৰ্থিক্ মানুহৰ মঙ্গল্ একান্ত প্ৰাৰ্থনাৰ্ বৰ
১৭ ফল্। এলিয়াহ আমাৰ নিচিনা যন্তাল্ মানুহ
আছিল্ আৰু সি বৰ্ প্ৰাৰ্থনা কৰিলে যেন বৰষুন
নহয় পাচে তিনি বৎসৰ আৰু ছয় মাহলৈকে
১৮ সেই দেশৎ বৰষুন নহল্। পাচে সি আৰুও
প্ৰাৰ্থনা কৰিলৎ আকাহে বৰষুন আনিলে আৰু
১৯ পৃথিবীএ আপোন ফল্ ওপজালে। হে ভায়হঁৎ
যেদি তোমোলাকৰ্ মাজৎ কোনোবা সঁচা বাক্যৰ
পৰা ভ্ৰমী হই থাকে আৰু কোনোএ তাক ওভতায়
২০ তেৱে সি জনে জানোক যেন কোনো পাতকিলোকক্
তাৰ কৰ্ম্মৰ্ ভ্ৰমৰ্পৰা যি জনে ওভতায় সেই জনে

মৃত্যুৰপৰা এক আত্মাক ৰক্ষা কৰে আৰু সমূহ পাতক ঢাকে।—

## প্ৰথম পৰ্ব্ব পিতৰৰ্ সাধাৰণ কাকৎ।—

### ১ প্ৰথম পৰ্ব্ব।—

১ আজ্ঞাপালনৰ্ নিকোনে আত্মাৰে যি পবিত্ৰ কৰা
তদ্দ্বাৰা আৰু যিশু খ্ৰীষ্টৰ তেজ চটিয়োৱাৰ্ দো
ৱাৰা ঈশ্বৰ পিতৃৰ পূৰ্ব্ব জ্ঞানানুসাৰে মনোনীত পন্তস
আৰু গালাতিয়া আৰু কাপাদোকিয়া আৰু আসিয়া
আৰু বিতনিয়া দেশৎ গোট গোট বিদেশী লোকবি
লাকক্ প্ৰতি যিশু খ্ৰীষ্টৰ্ এক পাঁচনী পিতৰে কাকৎ
২ লিখে। তোমোলাকক্ প্ৰতি অনুগ্ৰহ আৰু নিচুক্
৩ ক্ৰমে ক্ৰমে সৰহীয়া হোক্। আমি চেতনাময়
ভাৰসা পওঁ এই নিকোনে আপোনাৰ আতিশয় কৃপা
নুসাৰে যিশু খ্ৰীষ্টৰ্ মৃত্যুৰ্পৰা পুনৰুত্থানৰ্ দোৱা
ৰা আমাক্ আৰুও ওপজাইছে আৰু শেহ কালৎ
৪ প্ৰৌচিক্ স্থৰৰ্ নিকোনে যুগুৎ যি পৰিত্ৰাণ সেই
পৰিত্ৰাণ পাবৰ্ নিকোনে ৰক্ষিত যি তোমোলাক্
তোমোলাকৰ্ নিকোনে স্বৰ্গৎ সংৰক্ষিৎ অক্ষয়
নীয় আৰু নিৰ্ম্মল আৰু অমলিন আধিপত্য পাবৰ্

নিকোনে তোমোলাকক্ আকও ওপজাইছে যি আ
মাৰ প্ৰভু য়িশু খ্ৰীষ্টৰ্ ঈশ্বৰ্ অথচ পিতৃ তেঁও ধন্য ।
৫ আৰু যাক্ নেদেখি তোমোলাকে চেনেহ কৰা আৰু
যাক্ এতিয়াও নে দেখি অথচ প্ৰতীতি কৰি তোমো
লাকে আপোনাহঁতৰ্ প্ৰতীতিৰ্ ফল্ অৰ্থাৎ আপো
নাহঁতৰ্ আত্মাৰ্ পৰিত্ৰাণ পায় কৰনলগা আৰু
৬ গৌৰৱপূৰ্ণ আনন্দেৰে যিহেৰে আনন্দ কৰা এনে
যি য়িশু খ্ৰীষ্ট তেঁওৰ্ প্ৰৌচিক্ হোৱা কালৎ তোমো
লাকৰ্ প্ৰতীতিৰ পৰীক্ষা অগ্নিৎ পৰীক্ষিৎ ক্ষয়ণীয়া
৭ সোণৰ্ পৰীক্ষাৎকৈও উত্তম হই স্তুতি আৰু সৎ
৮ কাৰ আৰু গৌৰৱদিয়োঁতা পোৱা হয় এই নিকোনে
প্ৰয়োজন হলে তোমোলাকে ভালেমান পৰীক্ষাৰে
৯ অলপ কালৎ দুঃখী হই এই শেহ কালৎ প্ৰৌচিক্
১০ কৰিবলগা পৰিত্ৰাণৎ অতিশয় আনন্দ কৰা । তো
মোলাকৰ্ ওপৰলৈ আহিবলগা যি অনুগ্ৰহ তালৈ
চুলিছে যেন্ আচাৰ্য্যবিলাক্ সিবিলাকে যেতিয়া
আপোনাহঁতৰ্ মাজৎ থকা খ্ৰীষ্টৰ্ আত্মা খ্ৰীষ্টৰ্
যাতনা আৰু তাৰ্ ফলস্বৰূপ ভবিষ্যৎ গৌৰৱৰ
১১ প্ৰমাণ পূৰ্ব্বে দিলে তেতিয়া সি কি আৰু কিবিধ
কাল জনালে সেই পৰিত্ৰাণৰ্ অৰ্থে অনুসন্ধান
১২ কৰি কৰি সুধিলে আৰু বৰ্ যতনে বিচাৰিলে । সি
হঁতৰ্ কাথৰৎ প্ৰৌচিক্ হইছিল যি স্বৰ্গৰপৰা প্ৰেৰিত
ধৰ্ম্মাত্মাৰ্ দোৱাৰা শুভবাৰ্ত্তা তোমোলাকৰ্ কাথৰৎ
যিবিলাকে ঘোষণা কৰিলে সিহঁতৰ্ যি কথা তোমো

লোকৰ্ কাযৰৎ কোৱা হয় যিহক্ চাবলৈ দূতহঁতেও
বৰ্ ইচ্ছা কৰে সেই কথাৰ্ শুশ্ৰুষা আচার্য্যবিলাকে
আপোনাক্ প্ৰতি নোকৰে কিন্তু আমাক্ প্ৰতি কৰি
১৩ ছে। এয়েৰেই যিশু খ্ৰীশ্তৰ প্ৰৌচিক হোৱা কালৎ
যি অনুগ্ৰহ তোমোলাকৰ্ ওচৰলৈ অনা হব সেই
অনুগ্ৰহৰ নিকোনে তোমোলাকে মনক্ কৰালৎ
টঙ্গালি বন্ধায় সজ্ঞান হই শেহলৈকে ভাৰসা
১৪ কৰা। তোমোলাকৰ্ যি পূর্ব্বৰ্ বাঞ্ছা আছিল্
১৫ তদনুসাৰে আপোনাহঁতক্ ৰচিৎ নকৰি কিন্তু যি
জনে তোমোলাকক্ নিযোজন কৰিলে তেঁও যেনেকুৱা
শুদ্ধ তেনেকুৱা তোমোলাকে আজ্ঞাবর্ত্তী লৰাহঁতৰ্
১৬ নিচিনা এটাই আচাৰৎ শুদ্ধ হোৱা। কিয়নো লি
খিতা আছে যেন তোমোলাক শুদ্ধ হোৱা কিয়নো
১৭ ময় শুদ্ধ হোঁ। ভাপৰি নোবোলায় গায়প্ৰতি
আপোন আপোন কর্ম্মানুসাৰে শোধ কৰে যি পিতৃ
তেঁওৰ কাযৰৎ যেদি তোমোলাকে প্ৰাৰ্থনা কৰা
তেবে তোমোলাকৰ্ এযেৎ পর্বাহ কাল ভয়াচৰণ
১৮ পূর্ব্বক ক্ষেপণ কৰা। কিয়নো তোমোলাকে জানা
যেন তোমোলাকে আপোনাহঁতৰ্ পিতৃবিলাকৰ্পৰা
গৃহীত অনর্থক আচাৰৰ্পৰা স্বর্ণ ৰূপ্যাদি ক্ষয়ি বে
১৯ হানিৰ্কৰণক ক্ৰীত নাছিলা কিন্তু নিখুন্ আৰু বয়া
সাঁচ নথকা মেচৰ্ পোৱালিৰ্ নিচিনা যি খ্ৰীষ্ট তেঁওৰ্
২০ তেজেৰে ক্ৰীত আছিলা। তেঁও নিশ্চয় জগতৰ্
২১ মূল্ কৰাৰ্ আগেই নিয়োজিৎ আছিল্ হয় কিন্তু তো

যোলাকৰ প্ৰতীতি আৰু ভাৰসা ঈশ্বৰৎ হয় এই নি
কোনে তেওঁক মৃত্যুৰপৰা তুলিলে আৰু গৌৰৱ দিলে
যি ঈশ্বৰে তেওঁৎ পতিয়ওঁতা তোমোলাকৰ নিকোনে
২২ এই শেহকালৎ প্ৰৌচিৰ আছিল । আৰু ভায়ে
কহঁতক অকপট চেনেহ কৰাৰ হেতু তোমোলাকে
সঁচা কথা পালন কৰাৎ আত্মাৰ দোৱাৰা আপোনা
২৩ হঁতৰ মন পৰিষ্কাৰ কৰিচা এই নিকোনে ক্ষয়ণীয়া
কঠিয়াৰে নহয় কিন্তু অক্ষয়ণীয়াৰে অৰ্থাৎ সদাজী
বী আৰু স্থায়ী ঈশ্বৰৰ বাক্যকৰণক ওপজা হুই শুদ্ধ
অন্তঃকৰণে সৈতে বাগ্ৰতাৰূপে অন্যোঅন্যে চেনেহ
২৪ কৰা । কিয়নো এটাই প্ৰাণী তৃণ আৰু মানু
২৫ হৰ এটাই ঐশ্বৰ্য্য তৃণৰ ফুলৰ নিচিনা । তৃণ
শুকায় যায় আৰু তাৰ ফুল সৰি পৰে কিন্তু প্ৰভুৰ
বাক্য সদায় থাকে আৰু যি বাক্য শুভবাৰ্ত্তাৎ তোমো
লাকৰ কাষৰৎ কীৰ্ত্তিৎ হুইচে সেয়ে এই ।—

পৰ্ব্ব এতেকেই এটাই হিংসাল আৰু কপট আৰু কাল্পনি
২ কতা আৰু মাৎসৰ্য্য আৰু এটাই পৰৰ অযশস্যা
কৰিবলৈ এড়ি প্ৰভু যেন দয়ালু ইয়াক যেদি তোমো
৩ লাকে চাকি থাকা তেৱে অচিৰ ওপজা লৰাহঁতৰ নি
চিনা তোমোলাকে তদ্দ্বাৰা বাঢ়িবৰ নিকোনে বাক্য
৪ ৰূপ পৰমাৰ্থ গাখীৰ খোজা । মানুহকৰ্ত্তৃক অগ্ৰ
জ্ঞাত কিন্তু ঈশ্বৰকৰ্ত্তৃক মনোনীত আৰু বহুমূল্য জী
৫ ৱৎ শিলৰ নিচিনা যি প্ৰভু তেওঁৰ এঠৰলৈ আহি
তোমোলাকেও জীৱৎ শিলৰূপে পাৰমাৰ্থিক এক

গৃহৰূপে ৰচিত আছা আৰু যিশু খ্ৰীষ্টৰ দোৱাৰা
ঈশ্বৰৰ ওচৰৎ সুগ্ৰাহ্য পৰমাৰ্থিক যজ্ঞ কৰিবলৈ
৬ শুদ্ধ এক যাজকতাৰূপে নিয়োজিতো আছা। এয়ে
ৰেই ধৰ্ম্মপুস্তকৎ এই লিখিতা আছে দেখা চুকৰ্
নিকোলে শ্ৰেষ্ঠ আৰু মনোনীত আৰু বহুমূল্য
এক শিল্ মই সীওনৎ থওঁ যি জনে তাৰ ওপ
৭ ৰৎ মঙ্গাৎ কৰে সি লাজ নহব। এয়েৰেই
পতীয়াওঁতা তোমোলাকক্ প্ৰতি তেঁও বহুমূল্য কিন্তু
যিবিলাক্ নেমানোঁতা সিহঁতক্ প্ৰতি যি শিল্ ঘৰ স
জিয়াহঁতে ইতিহিং কৰিলে সেয়ে চুকৰ্ ঘায় হই
৮ ছে। আৰু জুঁটি খোৱাৰ শিল্ আৰু বাধাহবোঁতা
পৰ্ব্বত কৰা হইছে যিহৰৰ্থে সিহঁৎ নিযোজিৎ আ
৯ ছিল তাৰৰ্থে সিহঁৎ নেমানোতা হই বাক্যৎ জুঁট
১০ খায়। কিন্তু যি জনে এন্ধাৰৰ্পৰা আপোনাৰ্
আশ্চৰ্য্য দীপিতিৰে তোমোলাকক্ মাতিলে তেঁওৰ্ গুণ
প্ৰৌচিক্ কৰিবৰ্ নিকোনে তোমোলাকে মনোনীত
এক জাতি আৰু ৰাজকীয় এক যাজকতা আৰু পবিত্ৰ
এক বৰ্ণ আৰু পূৰ্ব্বকালৎ মানুহ নাছিল্ কিন্তু এতিয়া
ঈশ্বৰৰ্ মানুহ হইছা আৰু দয়ম্ না পাইছিলা
কিন্তু এতিয়া দয়ম্ পাইছা এনেকুৱা এক বিশিষ্ট
১১ মানুহ সমূহো তোমোলাক্ আছা। হে আতি
প্ৰিয়হঁৎ মই তোমোলাকক্ মিনতি কৰোঁ যেন্
তোমোলাকে আন্দেশীয়া লোকহঁতৰ্ মাজৎ
পৰমাৰ্থাচৰণ কৰি বিদেশী আৰু পৰিব্ৰাজকহঁতৰ্

নিচিনাকৈ মনৰ প্ৰতিকূল্ ৰণকৰোঁতা শাৰীৰিক্ কামৰ্
১২ পৰা ক্ষমা দিয়া। যেন্ যিহেৰে লোকহঁতে কুকর্ম্ম
কৰোঁতাহঁতৰ্ নিচিনাকৈ তোমোলাকক্ বয়া বোলে
তাৰেই সিহঁতে তোমোলাকৰ্ সুকর্ম্ম দেখাৰে দৃষ্টি
১৩ কৰা দিনৎ ঈশ্বৰৰ্ গৌৰৱক্ সলাগে। সর্ব্বোপৰিস্থ
মান্য ৰজাক্ প্ৰতি হোক নাইবা দুষ্টহঁতৰ দমন
আৰু সুকর্ম্মকৰোঁতাহঁতৰ্ শ্লাঘাৰ নিকোনে তাতে
পঁঠনী শাসকহঁতক্ প্ৰতি হোক মানুহৰ জত সদো
১৪ ব্যৱস্থাৰেই বশৱীত প্ৰভুৰ্ নিকোনে হোৱা। কিয়নো
এই ঈশ্বৰৰ্ ইচ্ছ যেন্ তোমোলাকে অনির্ব্বন্ধহঁতৰ্
নিচিনা হৈ আৰু আপোনাহঁতৰ্ অনির্ব্বন্ধতা কুসঙ্গ
১৫ নাচ্ছাদনৰ্ নিকোনে ব্যাপাৰিত নকৰি কিন্তু ঈশ্বৰ
সেৱকহঁতৰ নিচিনা হৈ সুকর্ম্ম কৰাৰে অজ্ঞানী
১৬ লোকহঁতৰ্ অজ্ঞতা বিবৃত্ত কৰা। এটাই লোকবি
লাকক্ সৎকাৰ কৰা ভ্ৰাতৃত্বাৱচ্ছেদে চেনেহ কৰা।
১৭ ঈশ্বৰলৈ ভয় কৰা ৰজাক্ সন্মান কৰা। হে বন্দি
হঁৎ সর্ব্বতোভাৱে ভয়যুক্ত হৈ সুক্ৰিয়া অক্ৰিয়া গিৰি
১৮ হঁতৰ্ বশৱীত হোহঁক্ ভালহঁতৰ আৰু কোমলহঁ
তৰে বশৱীত অকল সি নহয় কিন্তু দুর্জনহঁতৰো।
১৯ কিয়নো যেদি ঈশ্বৰলৈ মনৰ্ নিষ্ঠা কৰিবৰ্ নিকো
নে কোন মানুহে অন্যায়েৰে দুঃখ সহে এয়ে শ্লাঘ্য।
২০ কিয়নো তোমোলাকে যেদি আপোনাৰ্ জগিৰেৰে
প্ৰহাৰিত হৈ তাক্ সহা তেৰ সি শ্লাঘ্য নে কিন্তু

২১ মুকৰ্ম্ম কৰি আৰু তন্নিমিত্তে দুঃখ পায় যেদি তাক্
২২ সহা এয়ে ঈশ্বৰগ্ৰাহ্য ইয়াক্ কৰণেৰেও তোমো
২৩ লাক্ নিযোজিৎ আছিলা। কিয়নো যি জনে একো
পাতক্ নকৰিলে আৰু যাৰ্ মুখৎ ভণ্ডনা পোৱা নহল্
আৰু যি জনে নিন্দিৎ হয়ো প্ৰতিনিন্দা নকৰিলে যি
জনে যাতনা পায়ো দুঃখ প্ৰতিদানৰ্ প্ৰতিজ্ঞা নকৰিলে
২৪ কিন্তু যি জনে পাৰমাৰ্থৰূপে শোধি কৰে তেঁওৰ্ কাম
ৰৎ আপোনাকে সোদায় দিলে আৰু আমি পাতকৰ্
ফালে মৃতস্বৰূপ হই পাৰমাৰ্থৰ্ ফালে আচৰণ কৰোঁ
এই নিকোনে যি জনে বৃক্ষৰ্ ওপৰৎ আপোনাৰ্ শৰী
ৰৎ আপুনি আমাৰ্ পাতক্ ভোগ কৰিলে আৰু যাৰ
প্ৰহাৰেৰে আমি স্বস্থ হোঁ এনে যি খ্ৰীষ্ট তোমোলা
কৰ্ তেঁওৰ্ পাদবিন্যাসানুবৰ্ত্তী হোৱাৰ নিকোনে
তেঁও আমাৰ্ নিকোনে এক আদৰ্শ দি আমাৰ্ শলনি
২৫ যাতনা পালে। কিয়নো তোমোলাক্ হেৰোৱা
মেৰ্ইঁতৰ্ নিচিনা আছিলা কিন্তু এতিয়া আপোনা
ইঁতৰ্ আত্মাৰক্ষক আৰু অধ্যক্ষৰ্ কাষৰলৈ আকও
আহিছা।—

পৰ্ব্ব ৩ হে ভাৰ্য্যাইঁৎ তহুঁত আপোনাৰ্ পতিৰ্ বশগীভূতা
১ হোইঁক্ যেদি কোনোএ কথা নেমানে তেবে তোমোলা
কৰ্ ভয়যুক্ত সতীত্বাচৰণ দেখোৱাৎ সিহঁতে ভাৰ্য্যা
ইঁতৰ্ আচৰণৰ্ দোৱাৰা বাক্যক্ ব্যতিৰেকে আকৃ
৩ ষিত হয়। কেশবিন্যাস আৰু স্বৰ্ণালঙ্কাৰ আৰু
বস্ত্ৰ পৰিধান এনেৰূপা বাজৎ ভূষণ তোমোলাকৰ্

৪ ভূষণ নোহোক্ কিন্তু মনৎ গুপ্ত মানুহৰ্ অক্ষয়ণী
য়া অৰ্থাৎ ঈশ্বৰৰ্ দৃষ্টিৎ বহুমূল্য যি লাবন্য আৰু
৫ শান্ত মন তদান্যক্ ভূষণ হোক্। কিয়নো যি
পুণ্যৱতী তিৰোতাহঁতে ঈশ্বৰৎ সঞ্জাৎ কৰিলে সি
হঁতে সুক্ৰিয়া সুক্ৰিয়া পতিৰ্ বশনীতা হই আপোনা
৬ হঁতক্ পূৰ্ব্বকালৎ এনেকুৱা বিভূষিতা কৰিলে যেতিয়া
লৈকে তোমোলাকে সুকৰ্ম্ম কৰা আৰু কোনো ভয়ৎ
ভয়াৰ্ত্ত নোহোৱা তেতিয়ালৈকে যাৰ্-জীয়াৰি তোমো
লাক হোৱা এনেকুৱা যি শাৰা তাই যেনেকৈ আব্ৰাহা
৭ মক্ ডাঙ্গৰিয়া বুলি কলে তেনেকুৱা। হে পতিবিলাক্
তোমোলাকেও সিহঁতক্ দুৰ্ব্বলতাৰ্ পাত্ৰৰ নিচিনা
৮ জানি ওচিত ভৰণ পোষণ কৰি আৰু জীৱনৰূপ অনু
গ্ৰহৰ্ সহাধিকাৰী হই জ্ঞানানুসাৰে সিহঁতে
সৈতে বসতি কৰা যেন্ তোমোলাকৰ্ প্ৰাৰ্থনা বাধিত
৯ নহয়। বাস্তৱৎ আশীৰ্ব্বাদৰূপ আধিপত্য পাবৰ্
নিমিত্তে যি তোমোলাক্ ইয়াত নিযোজিত আছা
ইয়াক্ জানি হিংসাৰ শলনি হিংসা নাইবা নিন্দাৰ্
শলনি নিন্দা নকৰি কিন্তু তদ্বিপৰীতৎ আশীৰ্ব্বাদ কৰি
১০ তোমোলাকে এটাই একমনা হোৱা। পৰৰ্ দুঃখৎ
দুঃখী হোৱা সৌভ্ৰাত্ৰ পালন কৰা দয়ালু হোৱা
প্ৰিয়ম্বদ হোৱা। কিয়নো যি আয়ুক্ ভাল্ দেখিব
খোজে আৰু সুখৎ কালক্ষেপণ কৰিব খোজে সি
বয়াৰ্পৰা আপোনাৰ্ জিবা আৰু ভগুনা কথাৰ্পৰা
১১ আপোন ওহু নিবাৰণ কৰোক। সি কুকৰ্ম্ম

এড়োক্ আৰু সুকৰ্ম্ম কৰোক সি শান্তি বিচাৰোক্
১২ আৰু তদনুবৰ্ত্তী হোক। কিয়নো পুণ্যৱন্তহঁতৰ্
ওপৰৎ য়িহ্বহৰ্ দৃষ্টি আৰু সিহঁতৰ্ প্ৰাৰ্থনাৰ প্ৰতি
তেঁওৰ্ কান মেলি আছে কিন্তু যিবিলাকে কুকৰ্ম্ম
১৩ কৰে সিহঁতৰ্ বিপক্ষে য়িহ্বহাৰ্ মুখ আছে। তো
মোলাক্ যেদি সুকৰ্ম্মানুবৰ্ত্তী হোৱা তেবে কোনে
১৪ তোমোলাকৰ্ হানি কৰিব। কিন্তু যেদি তোমো
লাক্ পাৰমাৰ্থৰ্ নিকোনে দুঃখ পোৱা তেবে তোমো
লাক্ চহকি সিহঁতৰ্ ভয়ৎ ভয়াৰ্ত্ত নহবা আৰু চিন্তি
১৫ তো নহবা। কিন্তু আপোনাৰ অন্তঃকৰণৎ য়িহ্বহ্
ঈশ্বৰক্ পবিত্ৰ বুলি মানা আৰু সমনা হই তোমো
লাকৰ্ মধ্যস্থিত ভাৰসাৰ্ হেতু সোধোতা গায়প্ৰতি
১৬ কোমলতাৰে আৰু ভয়েৰে উত্তৰ্ দিবলৈ নিতৌ
সাজম হোৱা যি খ্ৰীষ্টৎ তোমোলাকৰ্ ভদ্ৰাচৰণৰ্
মিছা অপবাদকহঁৎ তোমোলাকক্ কুকৰ্ম্মকৰোঁতাহঁতৰ্
স্বৰূপ মানি যিহৎ তোমোলাকৰ্ অৰ্থে বয়া বোলে
১৭ তাতে লাজ হয়। কিয়নো ঈশ্বৰৰ্ ইচ্ছা যেদি এনে
হুৱা হয় তেবে সুকৰ্ম্ম কৰাৰে তোমোলাকৰ্ দুঃখ
পোৱা কুকৰ্ম্ম কৰাৰে দুঃখ পোৱাৎকৈ ভাল।
১৮ কিয়নো খ্ৰীষ্ট শৰীৰৎ মৰা গৈ কিন্তু আত্মাকৰ্ত্তৃক
সজীবী কৰা গৈ আমাক্ ঈশ্বৰৰ্ ওচৰলৈ আনিবৰ্
নিকোনে অপৰমাৰ্থিকহঁতৰ্ শলনি পৰমাৰ্থিক্ পাপৰ্
১৯ নিকোনে এবেলি দুঃখ পালে। যি জাহাজৰ্ মাজৎ
অলপ অৰ্থাৎ আঠ প্ৰাণী জলৎ ৰক্ষা পালে নুহৰ্

২০ কালৎ যেতিয়া সেই জাহাজ যুগুত কৰিবৰ্ সময়ৎ
ঈশ্বৰৰ্ দীঘল সহিষ্ণুতালৈ অপেক্ষা কৰিলে সেই
কালৎ যিবিলাক্ আজ্ঞা নেমানোঁতা আছিল্ সেই
বন্দিয়াৰ্ আত্মাবিলাকৰ্ ওচৰলৈ তেঁও গৈ আত্মাৰ
২১ হতুৱায় বাক্য কীৰ্ত্তন কৰিলে। স্বৰ্গলৈ যোৱা
ঈশ্বৰৰ্ দক্ষিণ হাতৎ বহোঁতা আৰু যাৰ্ অধীন
দূতহঁৎ আৰু শাসকবিলাক্ আৰু পৰাক্ৰম হয় এনে
হুৱা যি যিশু খ্ৰীষ্ট তেঁওৰ্ পুনৰুত্থানৰ্ দোৱাৰা
২২ তেনেহুৱা দৃষ্টান্ত অৰ্থাৎ ডুঁব এতিয়া আমাক্ পৰি
ত্ৰাণ কৰে শৰীৰৰ্ মল্ পৰিষ্কাৰ কৰা তেনে নহয়
কিন্তু ঈশ্বৰক প্ৰতি মনৰ্ যি সমিধান সি।—
পৰ্ব্ব খ্ৰীষ্ট আমাৰ নিকোনে শৰীৰৎ দুঃখ পাইছা এয়ে
৪ সেই তোমোলাকে আপোনাহঁতক্ সেই মন্ দি স
২ জোৱা। কিয়নো যি জনে শৰীৰৎ মৃত্যু ভোগ
কৰে সেই জনে পাপ তিয়াগ কৰিছে যি শৰীৰাচৰ
শেষে মানুহৰ্ কাম পূৰ্ কৰিবলৈ আগলিকা কাল
৩ ক্ষেপণ নকৰে কিন্তু ঈশ্বৰৰ্ ইচ্ছানুসাৰে কালক্ষেপণ
৪ কৰে। কিয়নো আমি লম্পটতা আৰু কাম আৰু বহু
মদপান আৰু বিটলিয়াচৰণ আৰু উৎসৱ কৰা আৰু
ঘিনলগা দেৱপূজা যি কালৎ কৰিলোঁ আমাৰ আয়ুৰ্
সেই যোৱা ভাগৎ দেৱপূজাৰিহঁতৰ্ ইষ্ট কৰ্ম্ম যি
৫ পূৰ্ কৰিছোঁ এয়েই সৰহ। জীৱন্তহঁতকে আৰু মৃত
হঁতকে শোধ কৰিবলৈ ওদামী ঈশ্বৰৰ্ কাষৰৎ যিবি

লাকক্ আপোনাহঁতৰ্ কৰ্ম্মৰ্ কাহিনি কব লাগিব সি
হঁ-ত তোমোলাকৰ বয়া ঢুলি আশ্চৰ্য্য দেখে যেন্ তো
মোলাক্ এইবিলাক্ কৰ্ম্মেৰে সিহঁতৰ নিচিনা নিবিষ্ট
৬ নোহোৱা। কিয়নো মৃতকহঁতৰ্ ঠাইৎ শুভবাৰ্ত্তা
কীৰ্ত্তন কৰা হল্ যেন্ সিহঁত শৰীৰবিশিষ্ট মানুহৰ্
নিচিনা হুই শোধিত হয় কিন্তু আত্মাবিশিষ্ট লোক
বিলাকৰ্ নিচিনাকৈ ঈশ্বৰানুযায়ী আচৰণ কৰে।
৭ কিন্তু এটাইৰে শেহ সমীপ আছে এয়েৰেই সজ্ঞান
৮ হোৱা আৰু প্ৰাৰ্থনা কৰাৰে পৰ দিয়া। এটাইতে
কৈ সৰহীয়া আপোনাহঁতৰ্ মাজৎ প্ৰজ্বলিৎ স্নেহ
যুক্ত হোৱা কিয়নো চেনেহেৰে পাপসমূহ ঢকা
৯ হয়। এক জনে আন্ এজনক্ প্ৰতি অনুশো
১০ চনক্ ব্যতিৰেকে আলহি ব্যৱহাৰ কৰা। তো
মোলাকৰ্ মাজৎ গায়প্ৰতি যেনে সামৰ্থ্য পাইছে
তেনেকৈ ঈশ্বৰৰ্ বহুবিধ অনুগ্ৰহৰ উত্তম কৰ্ম্মচাৰি
হঁতৰ্ নিচিনা তোমোলাকে অন্যোঅন্যে তদ্দান
১১ দিয়া। যেদি কোনোএ কথা কয় তেবে সি ঈশ্বৰৰ্
প্ৰত্যাদিষ্ট বাক্যৰ্ নিচিনাকৈ কওক্। কোনোবায়
যেদি দান্ দিয়ে তেবে যি শক্তি ঈশ্বৰে তাক্ দিছে
সেই শক্ত্যানুসাৰে সি জনে দিয়োক যি এটাই কৰ্ম্মেৰে
যিশু খ্ৰীষ্টৰ্ দোৱাৰা ঈশ্বৰে মাহাত্ম্য পায় যাক্
স্তুতি আৰু ৰাজ্য সদায় সৰ্ব্বক্ষণে দিয়া হোক্
আমিন্।—
১২ হে প্ৰিয়হঁৎ যি অগ্নিময় পৰীক্ষায় তোমোলাকৰ্

পৰীক্ষা কৰিব কোনো অসম্ভাব্য গতি তোমোলাকত
মিলিলে যেনেকুৱা হলহেঁতেন তেনেকুৱা তাক অসম
১৩ ম্ভাব্য নেভাবিবা। কিন্তু খ্ৰীষ্টৰ দুঃখভাগী হো
ৱাত আনন্দ কৰা যেন তেওঁৰ গৌৰৱ প্ৰচিহ্ন
হোৱা কালত তোমোলাকে অতিশয় আনন্দেৰে
১৪ আনন্দিত হোৱা। যেদি খ্ৰীষ্টৰ নামৰ নিমিত্তে
তোমোলাক নিন্দিত হোৱা তেবে তোমোলাক
ধন্য কিয়নো গৌৰৱৰ আৰু ঈশ্বৰৰ আত্মা তোমো
লাকৰ ওপৰত অৱস্থিতি কৰে সিহঁতৰ পক্ষে তেওঁ
অপবাদিত হয় কিন্তু তোমোলাকৰ পক্ষে তেওঁ
১৫ মহদ্ৰূপে মানিত আছে। কিন্তু তোমোলাকৰ কো
নোএ মানুহবধী নাইবা চোৰ নাইবা অনধিকাৰ
১৬ চৰ্চ্চাৰ নিমিত্তে দুঃখ নাপাওক কিন্তু যেদি কোনোএ খ্ৰীষ্টি
য়ানৰ নিমিত্তে দুঃখ পায় সি জন লজ্জিত নোহোক
১৭ কিন্তু এই নিমিত্তে ঈশ্বৰক স্তুতি কৰোক। কিয়নো
ঈশ্বৰৰ মন্দিৰত দণ্ড দিয়াৰ আৰম্ভৰ কাল উপগত
হইছে আৰু আমাৰ ওচৰত যেদি সি প্ৰথমতে হয়
তেবে যিবিলাকে ঈশ্বৰৰ শুভবাৰ্ত্তা নেমানে সিহঁতৰ
শেহ কি হব পাৰমাৰ্থিকৰ পৰিত্ৰাণো যেদি দুঃসাধ্য
হয় তেবে অমেৰুক আৰু পাতকি লোকহঁত কত
১৮ দেখা হব। এতেকেই যিবিলাকে ঈশ্বৰৰ ইচ্ছাৰ
মতে দুঃখ পায় সিহঁতে তেওঁক সত্যবাদী সৃষ্টিকৰ্ত্তা
বুলি জানি সুকৰ্ম্ম কৰাৰে আপোনাহঁতৰ আত্মা
তেওঁৰ কাষত সুস্থি দিয়োক।—

পৰ্ব্ব যি বুঢ়ালোকইঁৎ তোমোলাকৰ্ মাজৎ আছে
১ সিবিলাকক্ বুঢ়া অথচ খ্ৰীষ্টৰ যাতনাৰ্ এক সাক্ষী
অথচ যি গৌৰৱ প্ৰৌচিক্ক কৰিবলগা তাৰ্ এক ভাগী
২ মই এই উপদেশ কৰোঁ । ঈশ্বৰৰ্ যি জাক্ তোমো
লাকৰ্ মাজৎ আছে তাৰ্ ৰক্ষাকৰণ ধাৱ আনৰ্
৩ বলাৎকাৰৎ নহয় কিন্তু স্বেচ্ছাপূৰ্ব্বক্ ময়ল লোভেৰে
নহয় কিন্তু ব্যগ্ৰমনেৰে গ্ৰহণ কৰি আৰু আধিপত্যৰ্
ওপৰৎ দম্ভ কৰণৰূপে তেনেকুৱা নহয় কিন্তু জাক
ৰ অদৃশ্যৰ্ নিচিনা হই সেই জাকক্ চৰোৱা ।
৪ আৰু প্ৰধান ৰক্ষক্ যেতিয়া আহিব তেতিয়া তোমো
৫ লাকে অক্ষয় এক গৌৰৱৰূপ কিৰিটি পাবা । হে ডে
কাইঁৎ তোমোলাক্ বুঢ়াইঁতৰ্ বশীভূত হোৱা আৰু
এটাই আন্যোন্যে বশীভূত হোৱা আৰু নম্ৰতাৰে
পৰিহিত হোৱা কিয়নো ঈশ্বৰে অহঙ্কাৰিইঁতৰ্ বৈপ
ৰীত্য কৰে কিন্তু নম্ৰলোকইঁতক্ প্ৰতি অনুগ্ৰহ কৰে ।
৬ ঈশ্বৰে তোমোলাকৰ্ নিকোনে চিন্তা কৰে এয়েৰেই
৭ তোমোলাকৰ্ এটাই চিন্তা তেঁওৰ্ ওপৰৎ পেলায় তেঁ
ওৰ্ পৰাক্ৰমী হাতৰ্ তলৎ আপোনাইঁতক্ নম্ৰ কৰা
৮ যেন তেঁও উচিত কালৎ তোমোলাকক্ তোলে । তো
মোলাক্ সজ্ঞান হোৱা পৰ্দিয়োঁতা হোৱা কিয়নো
কাকোবাক্ খায় পেলাব পাৰিব এই বিচাৰি তোমো
লাকৰ্ শত্ৰু শয়তান গৰ্জ্জোঁতা সিংহৰ্ নিচিনাকৈ
৯ ফুৰিছে । তোমোলাকৰ্ যি ভায়ইঁৎ জগতীত আছে
সিইঁতৰ্ মাজৎ সেই দুখ্য পূৰ্ণ হয় ইয়াক্ জানি

১০ প্ৰতীতিৰে থিৰ হুই তাৰ্ বিৰুদ্ধে কৰা। কিন্তু খ্ৰীষ্ট
যিশুৰ দোৱাৰা আমাক্ আপোন অনন্ত গৌৰৱেৰে
আহ্বান কৰিছে এনেকুৱা যি সৰ্ব্বানুগ্ৰহদিয়োঁতা ঈশ্ব
ৰ তেওঁ তোমোলাকৰ কিছু কাল দুঃখ পাবৰ্ পিছৎ
তোমোলাকক্ সম্পূৰ্ণ আৰু স্থিৰ্ আৰু বলৱন্ত আৰু
১১ অলড় কৰোক। তেওঁক্ প্ৰতি মাহাত্ম্য আৰু
কৰ্ত্তৃত্বৰ্ শ্লাঘা সদা সৰ্ব্বক্ষণে হোক্। আমিন্।
১২ মোৰ্ শোধিৎ বিশ্বাসী এক ভায় সিল্বানসৰ্ দোৱাৰা
ময় উপদেশ কৰি আৰু যি অনুগ্ৰহেৰে তোমোলাক্
থিয় হুইছা সেয়ে ঈশ্বৰৰ্ সঁচা অনুগ্ৰহ এই প্ৰমাণ
কৰি সংক্ষেপে তোমোলাকক্ প্ৰতি লেখিছোঁ তোমাৰ্
১৩ সহমনোনীত বাবেলস্থ মণ্ডলীএ তোমোলাকক্ নমস্কাৰ্
কৰে তেনেকৈ মোৰ্ পুত্ৰ মাৰ্কে কৰে চেনেহৰূপ
১৪ চুমাৰে এজনে আন্ এজনক্ আলিঙ্গন কৰা। তো
মোলাকৰ্ যিমান মানুহ প্ৰভু যিশু খ্ৰীষ্টৎ হয় সেই
লোকবিলাকৰ্ কুশল্ হোক্। আমিন্।—

## পিতৰৰ্ দ্বিতীয় সাধাৰণ কাকত ।—

### ১ প্ৰথম পৰ্ব্ব ।

১ যিবিলাকে ঈশ্বৰৰ্ আৰু আমাৰ্ তাৰক্ যিশু
খ্ৰীষ্টৰ্ পৰমাৰ্থত আমাৰ নিচিনাকৈ বহুমূল্য প্ৰতী
তি পাইছে সিবিলাকক্ প্ৰতি যিশু খ্ৰীষ্টৰ্ সেৱক্ আৰু
পাঁচনী সিমোন পিতৰে কাকত লিখে ।—
২ যি জনে আপোনাৰ্ গৌৰৱেৰে আৰু প্ৰভাৱৰ্ দো
৩ ৱাৰা আমাক্ মাতিছে আৰু তোমোলাকে জগতীস্থ
কামজাত পাতক্ আচাৰৰ্পৰা উদ্ধৃত হই ঈশ্বৰী
৪ য়া স্বভাৱভাগী হোৱা এই নিকোনে যাৰ্ দোৱাৰা
আমাক্ অত্যন্ত ডৰ্ আৰু বহুমূল্য প্ৰতিজ্ঞা দিয়া হয়
তদ্বিষয়ক্ জ্ঞানৰ্ দোৱাৰা যেনেকৈ তেওঁৰ্ ঈশ্বৰীয়
৫ পৰাক্ৰম পৰমায়ুৰ্ নিকোনে আৰু ঈশ্বৰ্ সেৱাৰ্ নি
কোনে এটাই বেহানি আমাক্ দিছে তেনেকৈ ঈশ্বৰ্
আৰু আমাৰ্ প্ৰভু যিশুবিষয়ক্ জ্ঞানৰ্ দোৱাৰা তো

মোলাকক্ প্ৰতি অনুগ্ৰহ আৰু কুশল্ ওত্তৰোত্তৰ্
৬ বাঢ়োক্। এই নিকোনে তোমোলাকে যত্তন কৰি
আপোনাৰ্ প্ৰতীতিৰ্ লগৎ প্ৰভাৱ সাঁচা আৰু
প্ৰভাৱৰ লগৎ জ্ঞান আৰু জ্ঞানৰ্ লগৎ জিতেন্দ্ৰিয়
৭ তা আৰু জিতেন্দ্ৰিয়তাৰ্ লগৎ সহিষ্ণুতা আৰু
সহিষ্ণুতাৰ্ লগৎ ঈশ্বৰসেৱা আৰু ঈশ্বৰসেৱাৰ
৮ লগৎ সৌভাত্ৰ আৰু সৌভাত্ৰৰ্ লগৎ চেনেহ সং
যুক্ত কৰা কিয়নো যেদি এইবিলাক্ তোমোলাকৰ্
মাজৎ হয় আৰু সৰহো হয় তেৱে সি তোমোলা
কক্ এনেকুৱা কৰিব যেন্ আমাৰ প্ৰভু য়িশু খ্ৰীষ্টৰ্
বিষয়ক্ জ্ঞানেৰে তোমোলাকে আলস্থুৱা আৰু অ
৯ ফল্ নহুৱা। কিন্তু যাৰ্ এইবিলাকৰ্ অসত্তা
হয় সেই জন অন্ধলা আৰু আপোনাৰ্ চকু মুদিৎ
কৰিচে আৰু আপুনি যেন্ আপোনাৰ্ পূৰ্ব্বৰ
পাতকৰ্পৰা পৰিষ্কৃত হল্ তাতে পাহৰিচে।
১০ এয়েৰেই হে ভায়হঁৎ তোমোলাক্ আপোনাহঁতৰ্
আহ্বত আৰু মনোনীত্ হোৱা স্থিৰ কৰিবৰ্ নিকো
নে তাতে সৰহ যত্নৱন্ত হোৱা কিয়নো যেদি তোমো
লাকে এই কাম্ কৰা তেবে কেতিয়াও নপৰিবা।
১১ আৰু এনেকুৱা আমাৰ প্ৰভু আৰু তাৰক য়িশু খ্ৰীষ্টৰ্
অক্ষয় ৰাজ্যৎ সোমাবলৈ আতি বহল্কৈ তোমো
১২ লাকক্ দিয়া যাব। এয়েৰেই তোমোলাকে এই কথা
জাত কৰিচা আৰু এই বৰ্ত্তমান্ সত্যতাৰে স্থিৰো হই
চা হয় তথাপি তোমোলাকক্ এই কথা নিতৌ সুঁৱৰা

১৩ বলৈ ময় আলঙ্গৰা ক্ষন্ময়। আমাৰ প্ৰভু যিশু
খ্ৰীষ্ট যেনেকৈ মোক দেখুৱাইছে কিঞ্চিৎ কালৰ
১৪ পাচৎ মোক এই মোৰ তাম্বু এড়িব লাগিব ময়
ইয়াকো জানি যেতেবেলি এই তাম্বুৎ থাকোঁ
তেতেবেলিলৈকে তোমোলাকৰ মনৎ দিবৰ দোৱাৰা
তোমোলাকক ঘাটিবলৈ যি যোগ্য তাক ময় শোধ
১৫ কৰোঁ। ময় যতনো কৰিম যেন মোৰ মৰণৰ পাচৎ
১৬ এই কথা তোমোলাকৰ মনৎ নিতৌ থাকে। কিয়
নো যেতিয়া আমাৰ প্ৰভু যিশু খ্ৰীষ্টৰ পৰাক্ৰম আৰু
আগমন আমি তোমোলাকৰ কাণৰৎ প্ৰেচিক কৰি
লোঁ তেতিয়া আমি স্বকপোলৰচিৎ কাহিনীৰ অন্ক
১৭ গামী নাচিলোঁ। কিন্তু তেঁওৰ মহিমাৰ প্ৰত্যক্ষ
১৮ সাক্ষী আচিলোঁ। কিয়নো এয়ে মোৰ প্ৰিয়পুত্ৰ
যিহৎ মোৰ বৰ তুষ্টি আচে এই বচনবোৰিক শবদ
যেতিয়া তেঁওক প্ৰতি সেই উত্তম কান্তিৰপৰা ওলাল
তেতিয়া ঈশ্বৰ পিতৃৰপৰা তেঁও সৎকাৰ আৰু গৌ
ৰৱ পালে আমি যেতিয়া পবিত্ৰ পৰ্ব্বতৎ তেঁৱে সৈতে
আচিলোঁ তেতিয়া স্বৰ্গৰপৰা অহা সেই শবদ আমি
১৯ শুনিলোঁ। আমাৰ ইয়াৎকৈও স্থিৰ আচাৰ্য্য
২০ বাক্য আচে আৰু বীৰ্ম্মগ্ৰন্থৰ কোনো আচাৰ্য্যবাক্য
মান্নহৰ স্বমনোজাত যেন নহয় ঈয়াক প্ৰথমতে
জানি যেতিয়ালৈকে তোমোলাকৰ মনৎ ৰাতি নপু
ৱায় আৰু ভোটা তৰা যেতিয়ালৈকে নোলায়
তেতিয়ালৈকে যেনেকৈ অন্ধময় ঠাইৎ দীপিতি

কৰোঁতা জ্যোতিক্ প্ৰতি নিৰীক্ষণ কৰা হয় তেনেকৈও
২১ তাক্ প্ৰতি নিৰীক্ষণ কৰা তোমোলাকৰ্ সজ । কি
য়নো পূর্ব্বকালৎ মানুহৰ্ ইচ্ছাদোৱাৰা আচাৰ্য্যবাক্য
প্ৰৌচিক্ নাচিল্ কিন্তু ধৰ্ম্মাত্মাৎ প্ৰবৃত্ত ঈশ্বৰৰ্ পুণ্য
ৱন্ত লোকবিলাকে কলে ।—

পৰ্ব্ব কিন্তু লোকবিলাকৰ্ মাজৎ মিচা আচাৰ্য্যবিলাকো
২ আছিল্ তেনেকৈও যি প্ৰভুএ সিহঁতক্ ক্রয় কৰিলে
তঁওৰ্থে শৈং নেকাচি আৰু আপোনাহঁতৰ্ ওপৰৎ
২ সর্ব্বনাশ ধৰ্মকৈ আনয়ন কৰি দণ্ডনীয় হেৰেশী গুপ্ততে
সোমওতা মিচা শিক্ষওঁতাহঁতো তোমোলাকৰ্ মাজৎ
হ্বৰ আৰু সিহঁতৰ্ নাশক্ বাটৰ্ অনুবৰ্ত্তী ভালে
মান হ্বৰ যিহেতুক্ সত্যবাক্য বাটৰ্ অযশস্যা
৩ হ্বব । আৰু সিহঁতে লোভৰ্ নিকোনে কপটে কথা
কৈ তোমোলাকক্ বেচিবলগা বেহানি কৰিব সিহঁ
তৰ্ শাস্তিএ এতিয়া ভালে দিনৰেপৰা পলম নকৰে
৪ আৰু সিহঁতৰ্ সর্ব্বনাশে নোটোপনিয়ায় । কিয়নো
৫ যেদি ঈশ্বৰে সেই পাতক্ দূতহঁতক দয়া নকৰি
লে কিন্তু শোধিৰ্ নিকোনে ৰক্ষিত সিহঁতক্ নৰ
কৎ পেলায় দি অন্ধকাৰৰূপ জিজিৰৎ অৰ্পি দিলে
আৰু পূৰণি জগতকো দয়া নকৰিলে কিন্তু ঈশ্বৰ
সেৱক্ জগতৰ্ ওপৰৎ পানি বনিয়া আনি পৰ
মাৰ্থ কীৰ্ত্তনকৰোঁতা অষ্টম পুৰুষ নূহক্ পৰিত্রাণ কৰি
৬ লে আৰু সদোম আৰু ওমৰাহ্ নগৰ্ ভস্ম কৰি তাৰ্
পাচৎ ঈশ্বৰ্দ্রোহৰ আচৰণাচাৰী যিমান মানুহে

ইহঁতর আদর্শ করি বিনাশেরে সিহঁতর জগার
৭ প্রতাঙ্ক করিলে আরু দুর্জ্জন লোকহঁতর অপবিত্রতে
৮ বার্ত্তাৎ শোকান্বিত যি পরমার্থিক লোট তাক নিস্তার
করিলে কিয়নো সি পরমার্থিক পুরুষ সিহঁতে সৈতে
বসতি করি সিহঁতর অশাস্ত্র কর্ম্মৎ আরু তাক
দেখা শুনাৎ আপোনার পরমার্থিক মন দিনৌ দিনৌ
৯ শোকান্বিৎ করিলে। ঈশ্বরে স্বসেবকহঁতক পরী
ক্ষারপরা ওদ্ধার করিবলৈ আরু অপরমার্থিকহঁতক
শাস্তি পাবলৈ শোধর দিনালৈকে রক্ষা করিব জা
১০ নে। কিন্তু যিবিলাকে শারীরাভিলাষানুসারে
কুকর্ম্ম করে আরু রাজশাসন ইতিকিং করে
১১ এটাইতেকৈ সরহ সিহঁতক। সিবিলাক নির্ভয়
আরু স্বেচ্ছাকরোঁতা আরু মহৎ বাবর অযশস্যা
১২ করিবলৈ ভয় নকরে। কিন্তু সিবিলাকতকৈও
বলবন্ত আরু পরাক্রমী দূতহঁতে প্রভুর আগৎ
নিন্দাকরোঁতা অপবাদ সিহঁতর বিপরীতে নিদিয়ে।
১৩ কিন্তু ইহঁৎ স্বাভাবিক বীর্য্য নাশিতবা অবোধ পশুর
নিচিনা যিহক নবুজে তাক অপবাদ দিয়ে আরু
অপরমার্থর ফল পায় আপোনাহঁতর নেওরৎ এটাই
১৪ বিলাক বিনাশ হব। ইহঁতে দিনৎ ক্ষত্রিয়া
আচারকো সুখ বুলি আরু সাঁঠ আরু খুন হই
আরু তোমালোকে সৈতে যি কালৎ ভোজন করে
১৫ সেই কালৎ আপোনাহঁতর কপটে সৈতে ক্রীড়া
করি আরু পরস্ত্রীগজোঁতালিরে পূর্ণ আরু পাপ

তিয়াগ কৰিব নোৱাৰে এনেকুৱা চকুযুক্তো হই
১৬ আৰু চঞ্চলমনাহঁতৰ ভণ্ডকো হই আৰু লোভাচাৰী
অন্তঃকৰণবিশিষ্টো হই আৰু শাপগ্ৰস্ত লৰাহঁৎ
হই আৰু প্ৰকৃত বাট এড়ি অপৰমাৰ্থৰ বহনমূল্য
তে চেনেহকৰোঁতা আপোন অপৰমাৰ্থতাৰ নিকোনে
অনুযুক্ত বোশৰৰ পুত্ৰেক্ বিলআমৰ বাটগামীও
হই ভ্ৰমী হইছে আঁকৰা গাধ মানুহৰ কথা কৈ
১৭ সেই আচাৰ্য্যৰ বলিইয়া হাক্ দিলে। যিবিলাকৰ
নিকোনে সদাসৰ্ব্বক্ষণলৈকে অন্ধকাৰৰ কালিমা
সংৰক্ষিত আছে এনে যি ইহঁৎ নিপাণি নাদ আৰু
বতাহৎ বাহিৎ ডাৱৰ আৰু যিবিলাকে ভ্ৰান্ত্য
১৮ চাৰিহঁতক্ এড়ি সাৰিজিল্ সিবিলাকক্ শাৰীৰিক্
কাম্ আৰু বৰ্ লম্পটতাকৰণক্ সিবিলাকে মহাঘাতি
হা কথাকৈ ভুলায় যিকালৎ সিবিলাকক্ প্ৰতি সিবি
লাকে মোক্ষ প্ৰতিজ্ঞা কৰে সেই কালৎ আপোনাহঁৎ
১৯ গোলাৰ্ বন্দী কিয়নো যিহৎ কোনো পৰাজিৎ হয়
২০ তাৰে সি জন দাসত্বৰ্ অধীন কৰা যায়। আমাৰ্
প্ৰভু আৰু তাৰক্ যিশু খ্ৰীষ্টবিষয়ক্ জ্ঞানৰ্ দোৱাৰা
সংসাৰৰ্ অশুচিতা এড়ি সৰাৰ্ পাচৎ যেদি সিহঁৎ
তাৰেই আটকি থাকে আৰু পৰাজিত হয় তেন্তে
২১ সিবিলাকৰ্ শেহ প্ৰথমৎকৈও বয়া। কিয়নো
পৰমাৰ্থৰূপ বাট জানিলৎ পাচে যি পবিত্ৰ আজ্ঞা
সিহঁতক্ দিয়া হল্ সেই আজ্ঞা তিয়াগ কৰা
২২ হলৈ পৰমাৰ্থৰূপ বাট নজনা ভাল্। কিন্তু সিহঁ

তৰ্ ওপৰৎ সেই সত্য দৃষ্টান্তানুসাৰে ঘটিছে
যি কুকুৰে আপোনাৰ্ বাঁতি খাবলৈ আৰু বোৱা
গাহৰি বোকাৎ বাগৰিবলৈ ওভতিছে।—

পৰ্ব্ব হে প্ৰিয়বিলাক্ এই দ্বিতীয় কাকৎ ময় এতিয়া
৩ তোমোলাকলৈ প্ৰতি লিখোঁ যিহেতুকে ময় স্মৰণ দিবৰ্
নিমিত্তে তোমোলাকৰ্ শৰল্ মন সচেতন্ কৰোঁ।
২ তেওঁৰ্ আগমনৰ্ প্ৰতিজ্ঞা কৎ কিয়নো পিতৃবিলাকৰ্
নিদ্ৰাগত হোৱাৰ্ পাছৎ সৃষ্টিকালৰ্ প্ৰথমৰেপৰা
যেনেকুৱা আছিল তেনেকুৱা এটাই বেহানি থাকে
৩ এই বাক্যবোলোঁতা আপোনাইঁতৰ্ অভিলাষৰ্ মতা
চাৰী নিন্দকবিলাক্ শেহকালৎ হব তোমোলাক্
প্ৰথমতে ইয়াক জানি আগেই পুণ্যবান আচাৰ্য্যবিলা
কৰ্ মুখে যি কথা কোৱা গৈছে সেই কথা আৰু
প্ৰভু অথচ ত্ৰাণকৰ্ত্তাৰ্ পাঁচনী যি আমি আমাৰ্ আ
৪ জ্ঞাও মনৎ ৰাখা। কিয়নো সিহঁতে স্বেচ্ছাপূৰ্ব্বক ই
য়াৎ অজ্ঞান্ যি স্বৰ্গ আৰু জল ওলায় আৰু পানিৰে
৫ প্ৰতিপালিৎ পৃথিবী পূৰ্ব্বকালৎ ঈশ্বৰৰ্ বাক্যদোৱাৰা
আছিল্ যিহেতুকে সেইকালৰ্ জগৎ জলাপ্লাবিৎ হৈ
৬ নষ্ট হল্। কিন্তু সোধ কৰণ আৰু ঈশ্বৰসেৱক্ লোক
বিলাকৰ্ বিনাশ দিনলৈকে জুইৰ্ নিমিত্তে সং
৭ ৰক্ষিৎ এই বৰ্ত্তমান স্বৰ্গ আৰু পৃথিবী সেই বাক্য
৮ কৰণকে ৰক্ষিত আছে। কিন্তু হে প্ৰিয়হঁৎ তো
মোলাকে এই বিষয়ৎ অজ্ঞান নহ্বা যি প্ৰভুৰ
লগৎ এক দিন সহস্ৰ বৎসৰৰ্ নিচিনা আৰু সহস্ৰ

৯ বৎসৰ এক দিনৰ্ নিচিনা। যেনেকৈ লোকহঁতে
শৈথিল্য বুজে তেনেকৈ আপোন প্ৰতিজ্ঞাৰ্ অৰ্থে
ঈশ্বৰ শিথিল নহয় কিন্তু কোনো জনৰ্ সৰ্ব্বনাশ
অনিচ্ছুক্ তথাপি এটাই মান্নাহে যেন্ মনপাল
টায় এতদিচ্ছুক্ হুই তেঁও আমাক্ প্ৰতি বহুকাল
১০ সহিষ্ণু আছে। কিন্তু যেনেকৈ ৰাতিতে চোৰ্
আহে তেনেকৈ যিহৎ ঝঞ্জন শবদ কৰি স্বৰ্গ
লুপ্তৎ হব আৰু মহা ওত্তাপৎ সৃষ্টি পমি যাব আৰু
পৃথিবী তাৰ্ এটাই কাৰ্য্য সমন্বিতে দগ্ধ হব ঈশ্ব
১১ ৰৰ্ দিন এনেকৈ আহিব। এতেকেই এইবিলাক্
যেদি পমি যাব তেবে যি দিশা স্বৰ্গ প্ৰজ্বলিত হুই
পমি যাব আৰু সৃষ্টি মহোত্তাপেৰে পমি যাব তো
মোলাকে ঈশ্বৰৰ্ সেই দিনাপেক্ষী আৰু তৎসমীপে
১২ বেগগামী হুই মন কৰা যেন্ এটাইবিধ পুণ্যা
চৰণ আৰু ঈশ্বৰসেৱা কৰণেৰে তোমোলাকৰ্
১৩ কি বিধ লোক হোৱা ওচিত। কিন্তু যিবিলাকৰ্
মাজৎ পৰমাৰ্থে বসতি কৰে এনেকুৱা নবীন স্বৰ্গ
আৰু নবীন পৃথিবীলৈ আমি তেঁওৰ্ প্ৰতিজ্ঞানুসাৰে
১৪ অপেক্ষা কৰোঁ। এতেকেই হে প্ৰিয়হঁৎ তোমো
লাকে এইবিধ বেহানিলৈ অপেক্ষক্ হুই কাৰ্য্যৰ্ কৰা
১৫ যেন্ তোমোলাক্ সাঁচ আৰু দোষৰহিত তেঁওৎ পোৱা
হোৱা আৰু ইয়াক্ মানা যেন্ প্ৰভুৰ্ দীৰ্ঘ সহিষ্ণু
তাই ত্ৰাণস্বৰূপ আমাৰ প্ৰিয়ভায় পাওল যি জ্ঞান

তেঁওক্ দিয়া গৈছে তদনুসাৰে তোমোলাকক্ প্রতি
যেনেকৈ লিখিছে আৰু তেঁওৰ্ এটাই কাকতৎ যেনে
কৈ এতদ্বিষয়ক্ কথা লিখিছে যিহৎ কেৎবিলাক্
১৬ দুৰ্ব্বোধ্যবাক্য হয় যি অজ্ঞান আৰু অস্থিৰ্ লোকহঁতে
যেনেকৈ ধৰ্ম্মগ্রন্থৰ্ আন্ আন্ বাক্য অৰ্থান্তৰ্ কৰে
তেনেকৈ আপোনাহঁতৰ্ সৰ্ব্বনাশাৰ্থ অৰ্থান্তৰ্ কৰে।
১৭ এয়েৰেই হে প্রিয়হঁৎ তোমোলাকে ইয়াক্ আগেই
জ্ঞাত হই সাৱধান হোৱা জানো দুষ্টহঁতৰ্ ভ্রম্ৎ
ভ্রান্ত হই তোমোলাকে আপোনাহঁতৰ্ স্থিৰতাৰপৰা
চ্যুত হোৱা কিন্তু অনুগ্রহৎ আৰু আমাৰ্ প্রভু আৰু
১৮ ত্রাৰক্ য়িশু খ্রীষ্টবিষয়ক্ জ্ঞানৎ বাঢ়া। তেঁওৰ্
মাহাত্ম্য এতিয়া আৰু সদায় হোক্। আমিন।—

# য়োহনৰ্ প্ৰথম সাধাৰণ কাকৎ।—

## ১ প্ৰথম পৰ্ব্ব।

১ জীৱনদীয়োঁতা বাক্যৰ্ যি যি প্ৰথমৰেপৰা আ
ছিল্ যিহক্ আমি শুনিছোঁ আৰু আপোনাইঁতৰ্ চক্ষু
ৰে যিহক্ দেখিছোঁ আৰু যাৰ্ ওপৰৎ আমি দৃষ্টি
পাৎ কৰিছোঁ আৰু আপোন হাতেৰেও যিহক্ প্ৰত্যক্ষ
২ কৰিছোঁ তাক্ আমি জনঁও। কিয়নো জীৱন
প্ৰৌচিক্ কৰা গল্ আৰু আমি তাক্ দেখিছোঁ
আৰু তাতে প্ৰমাণ দিয়োঁ আৰু অনন্ত আয়ু পিতৃৰ্
কাষৰৎ আছিল্ আৰু আমাৰ কাষৰৎ প্ৰৌচিক্
হইছিল তাক্ তোমোলাকৰ্ প্ৰতি আমি জনঁও।
৩ আমি যিহক্ দেখিছোঁ আৰু শুনিছোঁ তাক্ আমি
তোমোলাকৎ প্ৰৌচিক্ কৰোঁ যেন্ আমাৰ লগৎ তো
মোলাকৰ্ একশীলতা হয় আৰু এয়ে নিশ্চয় যেন্
আমাৰ একশীলতা পিতৃ আৰু তেওঁৰ্ পুত্ৰ যিশু
৪ খ্ৰীষ্টে সৈতে আছে। আমি তোমোলাকক্ প্ৰতি
এই কথা লিখোঁ যেন্ তোমোলাকৰ্ আনন্দ পূৰ্ণ হয়।

৫ যি কথা আমি তেঁওর্ কাষৰৎ শুনি তোমোলকক
প্রতি পৌচিব্ কৰোঁ সেই কথা এই ঈশ্বর জ্যোতিঃ
স্বৰূপ আৰু তেঁওর্ মাজৎ একো অন্ধকাৰ নায়।
৬ যেদি আমি কঁও তেঁৰে সৈতে আমাৰ একশীলতা আ
চে অথচ অন্ধকাৰৎ ভ্রমণ কৰোঁ তেবে আমি মিচা
৭ কথা কঁও আৰু সঁচা কৰ্ম্ম নকৰোঁ কিন্তু যেনে তেঁও দী
প্তিৎ আচে আমি যেদি তেনে দীপ্তিৎ আচৰণ কৰোঁ
তেবে আমাৰ অন্যোঅন্যে একশীলতা হয় আৰু তেঁ
ওর্ পুত্র য়িশু খ্রীষ্টর্ তেজে আমাক্ এটাই পাপৰ্পৰা
৮ পবিত্র কৰে। যেদি আমি কঁও আমাৰ পাতক্
নায় তেবে আমি আপোনাইঁতর্ ভ্রান্তি উপজওঁ
৯ আৰু সত্যতা আমাৰ মাজৎ নায়। আমি
যেদি আপোনাইঁতর্ পাপ শ্বী কৰোঁ তেবে আমাৰ
পাপ মৰ্ষণ কৰিবলৈ আৰু আমাক্ এটাই অপৰমা
র্থৰ্পৰা পৰিষ্কাৰ কৰিবলৈ তেঁও বিশ্বাসি আৰু পৰ
১০ মার্থিক্ আচে। যেদি আমি কঁও বোলোঁ আমি পাপ
কৰা নায় তেবে তেঁওক্ মিচলীয়া কৰোঁ আৰু তেঁওর্
বাক্য আমাৰ মাজৎ নায়।—

পর্ব্ব হে মোৰ্ সৰু লৰাইঁৎ তোমোলাকলৈ ময় এই
২ কথা লিখোঁ যেন তোমোলাকে পাতক্ নকৰা যেদি
কোনোএ পাপ কৰে তেবে পিতৃর্ ওচৰৎ আমাৰ এক
২ কটকি আচে তেঁৰেই য়িশু খ্রীষ্ট পৰমার্থিক্। তেঁৰেই
আমাৰ্ পাতক্ খণ্ডনার্থ প্রায়শ্চিত্ত আৰু অকল্ আ
৩ মাৰ্ নহয় কিন্তু এট্টাই জগতৰ। যেদি আমি তেঁওর্

আজ্ঞা পালোঁ তেবে আমি তদ্দ্বাৰা নিশ্চয় জানোঁ
৪ যি তেঁওক্ জানোঁ। আমি তেঁওক্ জানোঁ যি তেঁওৰ্
আজ্ঞা নেপালি এই কথা কয় সি মিছলীয়া আৰু
৫ তাৰ্ মাজৎ সচা নায় কিন্তু যি তেঁওৰ বাক্য পালে
ঈশ্বৰৰ্ চেনেহ তাৰ্ মাজৎ নিশ্চয় পুৰ্ণ আছে
৬ ইয়াৎ আমি জানি আমি তেঁওৰ মধ্যবৰ্ত্তী। যি
কয় বোলে ময় তাৰ্ মধ্যবৰ্ত্তী তেঁও আপুনি
যেনেকৈ আচৰিলে তেনেকৈ আচৰিবৰ্ তাৰ্
৭ প্ৰয়োজন। হে ভায়হঁৎ ময় কোন্ নবীন
৮ আজ্ঞা নিলিখোঁ কিন্তু যি প্ৰথমৰেপৰা তোমোলাকৰ্
কাষৰৎ আছিল সেই পুৰণ আজ্ঞা লিখোঁ যি কথা
তোমোলাকে প্ৰথমৰেপৰা শুনিছা সেই পুৰণি আ
৯ জ্ঞা। আকৌ ময় এক নবীন আজ্ঞা তোমোলাকক
প্ৰতি লিখোঁ সেই বাক্য তেঁওৰ্ মাজৎ আৰু তোমো
লাকৰ্ মাজতো সঁচা আছে কিয়নো অন্ধকাৰ্ এতি
১০ য়া গত হুইছে আৰু সঁচা পহৰে দীপিতি কৰে। যি
আপোন্ ভায়েকক্ ঘিনায় ময় পহৰৎ থাকোঁ এই
১১ কথা কয় সি এতিয়ালৈকে অন্ধকাৰত আছে। যি আ
পোন ভায়েকক্ চেনেহ কৰে সি দীপ্তিৎ থাকে আৰু
তাৰ্ মাজৎ যুটি খোৱাৰ্ কাৰোণ একো নায়।
কিন্তু যি আপোন ভায়েকক্ ঘিনায় সি অন্ধকাৰৎ
থাকে আৰু অন্ধকাৰৎ ভ্ৰম ফুৰে যায় ত সেই নে
জানে কিয়নো অন্ধকাৰে তেঁওৰ চক্ষু অন্ধলা কৰি
১২ ছে। হে সন্ত লৰাহঁৎ তোমোলাকলৈ ময় লিখোঁ

কিয়নো তেঁওৰ্ নামৰ নিকোনে তোমোলাকৰ্ পাপ
১৩ মৰ্ষণ হুইচে। হে পিতৃবিলাক ময় তোমোলাক
লৈ লিখোঁ কিয়নো যি প্ৰথমৰেপৰা আচে তাক্ তো
মোলাকে জানিচা। হে ডেকাহঁত তোমোলাকক্
প্ৰতি ময় লিখোঁ কিয়নো তোমোলাকে দুষ্টক্ পৰাজয়
কৰিচা হে সৰু লৰাহঁৎ তোমোলাকলৈ ময় লিখোঁ
কিয়নো তোমোলাকে পিতৃক্ জানিচা। হে পিতৃ
বিলাক তোমোলাকলৈ ময় লিখিচোঁ কিয়নো প্ৰথমৰে
১৪ পৰা যি তেঁওক্ তোমোলাকে জানিচা। হে ডেকা
হঁৎ তোমোলাকলৈ ময় লিখিচোঁ কিয়নো তোমো
লাক্ বলৱন্ত আচা আৰু ঈশ্বৰৰ্ বাক্য তোমোলা
কৰ্ মাজৎ অৱস্থিতি কৰে আৰু তোমোলাকে সেই
১৫ দুষ্টক্ পৰাজয় কৰিচা। জগতক আৰু জগতীয়
বেহানিক চেনেহ নকৰা যেদি কোনোএ জগতক্
চেনেহ কৰে তেবে পিতৃৰ্ চেনেহ তাৰ্ মাজৎ নায়।
১৬ কিয়নো সংসাৰৰ্ মাজৎ যিবিলাক আচে অৰ্থাৎ
শাৰীৰিক অভিলাষ আৰু চকুৰ্ অভিলাষ আৰু বি
ষয়াৰ্থক অহঙ্কাৰ সেই পিতৃৰপৰা নহয় কিন্তু সং
১৭ সাৰৰ্পৰা হয়। আৰু সংসাৰ্ আৰু তদভিলাষ
বৈ যায় কিন্তু যি ঈশ্বৰৰ্ ইষ্ট কৰে সি সদায় থাকিব।
১৮ হে সৰু লৰাহঁৎ শেহ কাল হুইচে আৰু বিপৰীত
খ্ৰীষ্ট হুব এই কথা তোমোলাকে যেনে শুনিচা
তেনে এই কালতো ভালেমান বিপৰীত খ্ৰীষ্ট আচে
১৯ এয়েৰেই আমি জানোঁ এই শেহ কাল। সিহঁৎ

আমাৰ ওচৰৰ্‌পৰা গল্ হয় কিন্তু সিহঁৎ আমাৰ ম
লীয়া নাচিল্ কিয়নো নিঃসংশয় সিহঁৎ যেদি আমাৰ
মলীয়া হল্‌হেঁতেন তেবে আমাৰ লগৎ থাকিল্‌হেঁ
তেন কিন্তু সিহঁৎ এটাই আমাৰ মানুহ নহয় এয়ে প্ৰৌ
২০ চিক্ হবলৈ সিহঁত গল্। কিন্তু ধৰ্ম্মস্বৰূপ যি তেঁওৰ্
ওচৰৰ্‌পৰা তোমোলাকৰ্ এক অভিষেক আচে আৰু
২১ তোমোলাকে এটাই জানা। তোমোলাকৰ সত্যতা
নজনাৎ মই তোমোলাকলৈ নিলিখোঁ কিন্তু তোমোলা
কৰ তাক জনাৎ আৰু সত্যতাৰপৰা একো মিচা
২২ কথা নোহোৱাতো লিখিচোঁ। যিশুই খ্ৰীষ্ট যি
এই কথাৎ শৈং নেকাচে সেইটক এড়ি মিচলীয়া আন্
কোন সি পিতৃৰ্ আৰু পুত্ৰৰ অৰ্থে শৈং নকৰোঁতা
২৩ বিপৰীত খ্ৰীষ্ট। যি কোনোএ পুত্ৰেকৰ অৰ্থে শৈং নে
কাচে পিতৃও তাৰ্ নহয় কিন্তু যি পুত্ৰেকক্ শৈং কাচে
২৪ পিতৃও তাৰ্। এয়েৰেই প্ৰথমৰেপৰা যিহক্ তো
মোলাকে শুনিচা সেয়ে তোমোলাকৰ মনৎ থাকোক্
যিহক্ তোমোলাকে প্ৰথমৰেপৰা শুনিচা সেয়ে যেদি
তোমোলাকৰ্ মাজৎ থাকে তেবে তোমোলাক্ পিতৃ
২৫ আৰু পুত্ৰৰ মাজৎ থাকিবা। তেঁও যি প্ৰতিজ্ঞা আ
২৬ মাৰ আগৎ কৰিচে সেয়ে এই অনন্ত আয়ু। যি
বিলাকে তোমোলাকক্ ভুমায় সিহঁতৰ্ অৰ্থে মই তো
২৭ মোলাকক্ প্ৰতি এই কথা লিখিচোঁ কিন্তু যি অভিষেক্
তোমোলাকে তেঁওৰ্ কাষৰৎ পাইচা সি তোমো
লাকৰ্ মাজৎ থাকে আৰু তোমোলাকৰ্ প্ৰয়োজন

নহয় যি কোনো লোকে তোমালোকক শিকায় কিন্তু
যেনে সেই অভিষেকে তোমালোকক এটাই শিকায়
আৰু সঁচা আছে আৰু মিচা নহয় আৰু যেনেকৈ
সি তোমালোকক শিকায় তেনে তোমালোক তাৰ
২৮ মাজৎ থাকিবা। হে সৰু লৰাহঁৎ যেতিয়া তেঁও
প্ৰৌচিক্ হব আমাৰ তৎকালৎ সাহিয়াল হোৱাৰ
নিমিত্তে তেঁওৰ অহা কালৎ তেঁওৰ আগৎ লাজ
নোহোৱাৰ নিমিত্তে তোমালোক তেঁওৰ মাজৎ
২৯ থাকা। তেঁও পৰমাৰ্থিক তোমালোকে যেদি ইয়াক
জানা তেবে যিং জনে পৰমাৰ্থ কৰে সেই তজ্জাত
ইয়াকো তোমালোকে জানা।

পৰ্ব্ব দেখা পিতৃ কি বিধি চেনেহ আমাক দিছে আমি
৩ ঈশ্বৰৰ পুত্ৰ প্ৰখ্যাত হোঁ এয়েৰেই জগতে আমাক
২ নেজানে কিয়নো তেঁওক নেজানিলে। হে প্ৰিয়হঁৎ
এতিয়া আমি ঈশ্বৰৰ পুত্ৰ কিন্তু যি হব সি এতিয়া
জনা নহয় কিন্তু আমি জানি যেতিয়া তেঁও প্ৰৌচিক্ হব
তেতিয়া আমি তেঁওৰ অনুৰূপ হম্ কিয়নো তেঁও
৩ যেনে আছে তেনে আমি তেঁওক দেখিম্। আৰু
যেনে তেঁও শুদ্ধ আছে তেনে এই আশাবিশিষ্ট
৪ সদায় আপোনাক শুদ্ধ কৰে। যি পাতক কৰে
সি শাস্ত্ৰলংঘনো কৰে কিয়নো পাপেই শাস্ত্ৰলংঘন।
৫ আৰু তোমালোকে জানা তেঁও আমাৰ পাতক
মোচনাৰ্থে বিদিৎ আছিল্ আৰু তেঁওৰ মাজৎ পাতক
৬ নাই। যি তেঁওৰ মাজৎ থাকে সি পাতক নকৰে

যি পাতক্ কৰে সি তেঁওক্ দেখা নায় আৰু জনা
৭ নায়। হে সৰু লৰাহঁৎ কোনোএ যেন্ তহঁতক্
ভণ্ডনা নকৰে তেঁও যেনে পৰমাৰ্থিক্ তেনে পৰমাৰ্থ
৮ কৰ্ম্ম কৰোঁতা জনো পৰমাৰ্থিক্। যি ব্যক্তিএ পাতক্
কৰে সি শত্ৰুৰ্পৰা হইছে কিয়নো আদিৰেপৰা
শত্ৰে পাতক্ কৰে এই হেতুকে শত্ৰুৰ্ কৰ্ম্ম নষ্ট কৰি
৯ বলৈ ঈশ্বৰৰ্ পুতেক্ বিদিৎ হইছিল্। ঈশ্বৰৰ্পৰা
উপজা যি জন সেই জনে পাতক্ নকৰে কিয়নো
তাৰ্ মাজৎ তাৰ্ কঠিয়া থাকে আৰু তাৰ্ ঈশ্বৰ
১০ জাত হোৱাৎ সি পাতক্ কৰিব নোৱাৰে। ইয়াতে
ঈশ্বৰৰ্ লৰাহঁৎ আৰু শয়তানৰ্ লৰাহঁৎ প্ৰৌচিক
হয়। যি পৰমাৰ্থ কৰ্ম্ম কৰোঁতা নহয় আৰু যি
আপোনাৰ্ ভায়েকক্ চেনেহ নকৰে সেই ঈশ্বৰৰ্
১১ নহয় কিয়নো যি কথা তোমোলাকে প্ৰথমৰেপৰা
শুনিছা সেয়ে এই আমি অন্যোন্যে চেনেহ
১২ কৰোঁ। সি দুষ্টৰপৰা হল্ আৰু আপোন ভায়ে
কক্ বধিলে এনে যি কায়িন তাৰ্ নিচিনা নহয় সি
তাক্ কিহৰ্ নিকোনে বধিলে তাৰ্ কৰ্ম্ম বয়া আৰু
১৩ তাৰ্ ভায়েকৰ্ কৰ্ম্ম ভাল্ হোৱাৎ। হে মোৰ্ ভায়
হঁৎ যেদি জগতীয় মানুহে তোমোলাকক্ ঘিনায়
১৪ তেবে বিস্ময়াপন্ন নহবা। আপোন ভায় মানুহবিলা
কক্ চেনেহ কৰাৎ আমি জানোঁ যেন্ আমি মৃত্যু এড়ি
জীৱনলৈ আহিছোঁ। যি আপোন ভায়েকক্ চেনেহ

১৫ নকৰে সি মৃত্যুৎ থাকে। যি আপোন ভায়েকক
ঘিণায় সি হত্যাকৰোঁতা আৰু তোমোলাকে জানা
যেন্ কোনো হত্যাকৰোঁতাৰ মাজৎ অনন্ত আয়ু
১৬ নথাকে। তেওঁৰ প্ৰাণ আমালৈ দিয়াৎ আমি খ্ৰীষ্টক্
চেনেহ দেখোঁ আৰু ভায়েকহঁতৰ নিকোনে আমা
১৭ ৰো স্বক্ৰিয়াং প্ৰাণ দিবলগা। কিন্তু এই সংসাৰৰ্
ধনৎ ধনী যি আপোন ভায়েকৰ্ দীনতা দেখি আৰু
আপোনাৰ্ দয়া তাক্ প্ৰতি ৰুদ্ধ কৰে সেই জনৰ্
১৮ মাজৎ ঈশ্বৰৰ্ চেনেহ কেনেকৈ থাকে। হে
মোৰ্ সৰু লৰাহঁৎ আমি বাক্য বা জিবা মাত্ৰে
চেনেহ নকৰি কিন্তু কৰ্ম্মেৰে আৰু সত্যতাৰে।
১৯ ইয়াতে আমি জানোঁ আমি সত্যতা সম্বন্ধিয়া
মানুহ আৰু তাৰ্ আগৎ আপোনাহঁতৰ্ চিত্ত
২০ নিৰ্ভয় কৰোঁ। কিয়নো যেদি আমাৰ মন আ
মাৰ দোষৰ্ প্ৰমাণ দিয়ে তেবে ঈশ্বৰ আমাৰ মনক
২১ পৰা বৰ্ আছে আৰু এটাই জানে। হে প্ৰিয়হঁৎ
যেদি আমাৰ মন আমাৰ দোষৰ প্ৰমাণ নিদিয়ে
২২ তেবে ঈশ্বৰক্ প্ৰতি আমাৰ সাহ আছে। আৰু
আমি যি যি প্ৰাৰ্থনা কৰোঁ তাকেই তেওঁৰ্ ঠাইৎ
পও কিয়নো আমি তেওঁৰ্ আজ্ঞা মানোঁ আৰু তেওঁৰ্
২৩ আগৎ যি তোষক সেই কাৰ্য্য কৰোঁ এই তেওঁৰ আ
জ্ঞা যেন্ আমি তেওঁৰ্ পুত্ৰ যিশু খ্ৰীষ্টৰ্ নামে বিশ্বাস
কৰোঁ আৰু তেওঁ যেনেকৈ আমাক আজ্ঞা দিলে তেনে
২৪ কৈ অন্যোন্যে চেনেহ কৰোঁ। আৰু যি তেওঁৰ্

আজ্ঞা পালে সিএই তাৰ মাজৎ থাকে আৰু তেঁও
তাৰ মাজৎ বসতি কৰে। আৰু তেঁও যি আত্মা
আমাক দিছে তদ্দ্বাৰা আমি জানোঁ তেঁও আমাৰ
মাজৎ থাকে।—

পৰ্ব্ব হে প্ৰিয়হঁৎ প্ৰতি আত্মায় সঞ্জাত নকৰা কিন্তু
৪ আত্মাবিলাকক শোধি কৰা সিহঁত ঈশ্বৰৰ্পৰা হয়
নে নহয় কিয়নো ভালেমান মিচা আচাৰ্য্য জগতৰ
২ মাজৎ গৈছে ইয়াতে তোমোলাকে ঈশ্বৰৰ আত্মাক
জানা যেন্ সদৌ আত্মায় শৰীৰৎ অৱতীৰ্ণ যিশু
খ্ৰীষ্টক শৈ কাছে সেয়েই ঈশ্বৰৰ্পৰা হুইছে আৰু
যি যি আত্মা দেহৎ অৱতীৰ্ণ যিশু খ্ৰীষ্টক শৈ নকৰে
৩ সেয়ে ঈশ্বৰৰপৰা নহয়। যি বিপৰীৎ খ্ৰীষ্টৰ
ভবিষ্যৎ হোৱাৰ কথা তোমোলাকে শুনিছা সেয়ে
৪ তেঁওৰ আত্মা সি এতিয়াও জগতৎ আছে। হে
সৰু লৰাহঁৎ তহঁৎ ঈশ্বৰৰ্পৰা হুইছে আৰু সিহঁত
ভক্ হৰুৱাইছে কিয়নো তোমোলাকৰ মাজৎ যি
৫ তেঁও জগতৰ মধ্যস্থায়ীতকৈ বৰ্। সিহঁত সাংসা
ৰিক এয়েৰেই সংসাৰীয়া কথা কয় আৰু সাংসা
৬ ৰিক মানুহে সিহঁতৰ কথা শুনে। আমি ঈশ্বৰৰ
পৰা হুইছোঁ যি ঈশ্বৰক জানে সি আমাৰ কথা শুনে
যি ঈশ্বৰৰ নহয় সেয়েই আমাৰ কথা নশুনে।
৭ ইয়াতে আমি সত্যতাৰ আত্মা আৰু ভ্ৰমৰ আত্মাৰ
ভেদ জানোঁ। হে প্ৰিয়বিলাক আমি অন্যোন্যে
চেনেহ কৰোঁ কিয়নো চেনেহ ঈশ্বৰৰ্পৰা হুইছে

চেনেহ কৰোঁতা সদৌ মানুহ ঈশ্বৰৎ জন্মিছে আৰু
৮ ঈশ্বৰক্ জানে। যি চেনেহ নকৰে সি ঈশ্বৰক্
৯ নেজানে কিয়নো ঈশ্বৰেই চেনেহ। ঈশ্বৰে আ
পোনাৰ অদ্বিতীয়জাত পুত্ৰক্ জগতলৈ পঠিয়াইছে
যেন্ আমি তেওঁৰ্ দোৱাৰা জীৱোঁ ইয়াতে আমাক্
১০ প্ৰতি ঈশ্বৰৰ্ চেনেহ প্ৰৌচিহ্ন হইছে। ইয়াতে
চেনেহ আমি যেন্ ঈশ্বৰক্ চেনেহ কৰিছিলোঁ সি
নহয় কিন্তু তেওঁ আমাক চেনেহ কৰিছিল্ আৰু আ
মাৰ পাপ মোচনাৰ্থে পৰাচিত হবৰ্ নিকোনে আ
১১ পোন পুত্ৰেকক্ পঠিয়ালে। হে প্ৰিয়বিলাক যেদি
আমাক ঈশ্বৰে এনেকৈ চেনেহ কৰি থাকে তেৱে আ
মাৰ অন্যোন্যে চেনেহ কৰিব লগা কোনোএ
১২ কোনো কালৎ ঈশ্বৰক্ দেখা নায় আমি যেদি
অন্যোন্যে চেনেহ কৰোঁ তেৱে ঈশ্বৰে আমাৰ্
মাজৎ থাকে আৰু তেওঁৰ্ চেনেহ আমাৰ মাজৎ
১৩ ভৰপুৰ্ হয়। তেওঁ আপোনাৰ আত্মা আমালৈ
দিলে ইয়াতে আমি জানোঁ আমি তেওঁৰ্ মাজৎ
১৪ থাকোঁ আৰু তেওঁ আমাৰ মাজৎ থাকে। আৰু
আমি দেখিছোঁ আৰু প্ৰমাণো দিয়োঁ পিতৃ জগত্তাৰক
১৫ হবৰ্ নিকোনে পুত্ৰেকক্ পঠিয়াইছে। যি কৈশ কাচে
য়িশু ঈশ্বৰৰ্ পুত্ৰেক্ ঈশ্বৰ্ তাৰ্ মাজৎ থাকে আৰু
১৬ সি ঈশ্বৰৎ থাকে। ঈশ্বৰৰ্ যি চেনেহ আমালৈ
আছে তাক্ আমি জানিছোঁ আৰু তাৎ পতিয়াইছোঁ।
১৭ ঈশ্বৰ চেনেহ আৰু যি চেনেহৎ থাকে সেয়েই ঈশ্ব

ৰৎ বসতি কৰে আৰু ঈশ্বৰ তাৰ্ মাজৎ বসতি
১৮ কৰে। ইয়াতে আমাৰ মাজৎ চেনেহ পৰিপুৰ্ণ
হয় যেন্ আমি শোধিৰ্ দিনা নির্ভয়তা পাঁও কিয়নো
তেঁও যেনে আছে আমি এই জগতৎ তেনেকুৱা হোঁ।
চেনেহৎ একো ভয় নায় কিন্তু সম্পুৰ্ণ চেনেহ ভয়ক্
বাজ ওলিয়াই পেলায় কিয়নো ভয় যাতনাযুক্ত আছে
যি ভয় কৰে সি ভয়ৎ সম্পুৰ্ণ নহয়। তেঁও প্ৰথম
তে আমাক চেনেহ কৰিলে এই নিকোনে আমি
১৯ তেঁওক চেনেহ কৰোঁ। আমি ঈশ্বৰক্ চেনেহ
কৰোঁ যেদি কোনোবায় আপোনাৰ ভায়েকক্ দিনায়
এই কথা কয় তেবে সি মিচলীয়া কিয়নো যাক দেখি
২০ চে এনে আপোন ভায়েকক্ যেদি কোনোএ চেনেহ ন
কৰে তেবে যাক্ নেদেখিচে এনে ঈশ্বৰক্ কেনেকৈ
২১ চেনেহ কৰিব পাৰে এই আজ্ঞা আমি তেঁওৰপৰা
পাইচোঁ ঈশ্বৰক্ যি চেনেহ কৰে সি আপোনাৰ
ভায়েককো চেনেহ কৰে।—

পৰ্ব্ব যি যি পতীয়ায় যেন্ যিশু এই খ্ৰীষ্ট সেই ঈশ্বৰৎ
৫ জাত আৰু জন্মদিয়োঁতাক্ যি চেনেহ কৰে সি তজ্জাত
২ কো চেনেহ কৰে। যেতিয়া আমি ঈশ্বৰক্ চেনেহ
কৰোঁ আৰু তেঁওৰ্ আজ্ঞা পালোঁ তেতিয়া আমি তা
তে জানোঁ যেন্ আমি ঈশ্বৰৰ্ লৰাইঁতক্ চেনেহ
৩ কৰোঁ। কিয়নো এই ঈশ্বৰীয়া চেনেহ আমি তেঁওৰ্
আজ্ঞা পালন কৰোঁ আৰু তেঁওৰ আজ্ঞা কষ্টদিয়োঁ
৪ তা নহয়। কিয়নো ঈশ্বৰজাত যি সি জগত্ৰ[illegible]

৫ আৰু জগাজুয়ী জয় এই আমাৰ সঞ্জাত। যি
পতিয়ায় বোলে য়িশু ঈশ্বৰৰ্ প্ৰতেক তাক্ এড়ি
৬ জগাজুয়ী কোন। এই তেঁও যি তেজ আৰু
পানীয়ে সৈতে আহে অৰ্থাৎ য়িশু খ্ৰীষ্ট অকল তেঁও
পানীযুক্ত হুই নাহিল্ কিন্তু পানী আৰু তেজযুক্ত
৭ হুই আহিল্। আৰু আত্মায় প্ৰমাণ দিয়ে কিয়
৮ নো আত্মা সত্যতা। কিয়নো স্বৰ্গৎ প্ৰমাণ দিয়োঁতা
তা তিনি আছে পিতৃ আৰু বাক্য আৰু ধৰ্ম্মাত্মা এই
তিনিও এক আৰু পৃথিবীৎ প্ৰমাণ দিয়োঁতা তিনি
বেহানিও আছে আত্মা আৰু পানী আৰু তেজ আৰু
৯ এই তিনি একেতে মিল্ হয়। আমি যেদি মানুহৰ্
প্ৰমাণ লঁও তেবে ঈশ্বৰৰ্ প্ৰমাণ তাৎকৈ বৰ্ কিয়নো
যি প্ৰমাণ ঈশ্বৰে আপোনাৰ প্ৰতেকৰ্ অৰ্থে দিছে
১০ এয়েই সেই প্ৰমাণ যি ঈশ্বৰৰ্ প্ৰতেকক্ পতীয়ায়
সি আপোনাৰ মাজৎ সেই প্ৰমাণ ধৰোঁতা হয়
যি ঈশ্বৰক্ নপতীয়ায় সি তেঁওক্ মিচলীয়া কৰে
কিয়নো ঈশ্বৰে যি প্ৰমাণ আপোনাৰ প্ৰতেকৰ্
১১ অৰ্থে দিছে সেই সি পতীয়োঁৱা নায় প্ৰমাণৎ
আৰু সেই প্ৰমাণ এই যি ঈশ্বৰে আমাক্ অনন্ত
আয়ু দিছে আৰু সেই আয়ু তেঁওৰ্ প্ৰতেকৎ আছে।
১২ প্ৰতেক যাৰ্ তেঁওৰ্ আয়ু আৰু ঈশ্বৰৰ্ প্ৰতেক যাৰ
১৩ নায় আয়ু তাৰ নায়। ঈশ্বৰেৰ প্ৰতেকৰ্
নামে পতীয়ওঁতা তোমোলাকৰ্ তলৈ মই ইয়াক লে
খিছোঁ যেন্ তোমোলাকে জানা তোমোলাক্ অনন্ত

আয়ুৰ অধিকাৰী আৰু ঈশ্বৰৰ পুত্ৰেকৰ নামে পত্যি
১৪ য়োঁৱা তেঁওক প্ৰতি আমাৰ যি সাহ সেয়ে এই আমি
যেদি তেঁওৰ ইচ্ছানুসাৰে কিচুমান প্ৰাৰ্থনা কৰোঁ
১৫ তেবে তেঁও আমাৰ কথা শুনে। যেদি আমি জানোঁ
তেঁও আমাৰ কথা শুনে তেবে আমি জানোঁ আমি যি
১৬ যি প্ৰাৰ্থনা কৰোঁ তাক পাঁও। যি পাতক মৃত্যুযুক্ত
নহয় যেদি কোনোএ আপোনাৰ ভায়েকক এনেকুৱা
পাতক কৰিবৰ দেখে তেবে সেই প্ৰাৰ্থনা কৰোক
আৰু যিবিলাকে মৃত্যুযুক্ত পাতক নকৰে সিহঁতৰ নি
কোনে তেঁও পৰমায়ু তেঁওক দিব মৃত্যুযুক্ত পাতক
আচে ময় নোবোলোঁ সি তাৰ অৰ্থে প্ৰাৰ্থনা কৰিব।
১৭ এটাই অপৰয়াৰ্থ পাতক আৰু মৃত্যুযুক্ত নহয় এনে
১৮ কুৱা পাতক আচে। আমি জানোঁ ঈশ্বৰৎ জাত
গায়প্ৰতি পাতক নকৰে কিয়নো ঈশ্বৰজাত জনে আ
পোনাকে ৰক্ষা কৰে আৰু সেই দুষ্ট তাক ন পৰশে।
১৯ আমি জানোঁ আমি ঈশ্বৰৰপৰা হোঁ আৰু সমস্ত
২০ জগৎ পাতকৎ শুই থাকে। আমি জানোঁ ঈশ্বৰৰ
পুত্ৰেক আহিচে আৰু সঁচা ব্যক্তিক জানিবৰ নিকো
নে আমাক বুদ্ধি দিচে যি সঁচা তেঁওৰ মাজৎ আমি
ও হোঁ অৰ্থাৎ তেঁওৰ পুত্ৰেক য়িশু খ্ৰীষ্টৰ মাজৎ এয়ে
২১ সঁচা ঈশ্বৰ আৰু অনন্ত পৰমায়ু। হে সৰু লৰা
হুঁৎ দেৱেৰপৰা আপোনাহঁতক ৰক্ষা কৰহঁক।
আমিন্।

## য়োহনৰ দ্বিতীয় কাকত ।—

১ মই যিবিলাকক্ সত্যভাৱে চেনেহ কৰোঁ আৰু
অকল মই সি নহয় কিন্তু যিমান মানুহে সত্যতা
জানে সিবিলাকেও যি সত্যতা আমাৰ মাজত থাকে
২ আৰু আমাৰ লগত সদায় থাকিব সেই সত্যতাৰ
নিকোনে যিবিলাকক্ চেনেহ কৰোঁ এনেকুৱা মনোনী
তা গোহানী আৰু তেঁওৰ লৰাইঁত সিহঁতক ইঁচা যি
৩ সি কাকত লিখো। ঈশ্বৰ পিতৃৰপৰা আৰু সত্যতা
আৰু চেনেহৰে যি পিতৃৰ্ পুত্ৰেক আছে এনেকুৱা
যি য়িশু খ্ৰীষ্ট তেঁওৰপৰাও অনুগ্ৰহ আৰু দয়া
৪ আৰু শান্তি তোমোলাকক্ প্ৰতি হোক্। আমি
পিতৃৰ্পৰা যেনে আজ্ঞা পাইছিলোঁ তদনুযায়ী সত্য
চৰণ তোমাৰ লৰাইঁতৰ্ মাজত কোনো কোনোএ
যি কৰে মই এই কথা জানিবলৈ পায়ে বৰ্ হৰষিত
৫ হইছিলোঁ। আৰু হে গোহানি মই তোমাক্
মিনতি কৰোঁ যেন্ আমি অন্যোঅন্যে চেনেহ কৰোঁ
মই যি কোনো নবীন আজ্ঞা তোমাৰ তলৈ লিখোঁ

সি নহয় কিন্তু যি আজ্ঞা আমি প্ৰথমৰেপৰা পাই
৬ জিলোঁ সেয়েই।    চেনেহ এই যেন্ আমি তেওঁৰ্
আজ্ঞানুসাৰে প্ৰবৰ্ত্তোঁ আজ্ঞা এই যেন্ তোমালোকে
প্ৰথমৰেপৰা যিহক্ শুনিছা তদনুসাৰে যেন্ প্ৰবৰ্ত্তা
৭ কিয়নো দেহৎ অৱতীৰ্ণ যিশু খ্ৰীষ্টক্ যিবিলাকে স্বী
নেকাচে এনে ভালেমান ভণ্ডক জগতৎ সোমাইছে
৮ ভণ্ডক আৰু বিপৰীত খ্ৰীষ্ট সৌ।    সাৱধান হোৱা
আমি যি কৰিছোঁ যেন্ সেয়ে নেহেৰাওঁ কিন্তু যেন্
৯ আমি পূৰ্ণ ফল্ পাওঁ।    যি পাপ্ৰতি আজ্ঞা লঙ্ঘন
কৰে আৰু খ্ৰীষ্টৰ্ শিকনিৎ নেথাকে সি ঈশ্বৰযুক্ত
নহয় কিন্তু যি খ্ৰীষ্টৰ্ শিকনিৎ থাকে সি পিতৃ আৰু
১০ পুত্ৰ এই দুয়োতো যুক্ত।    যেদি কোনোএ এই শিক
নিক্ লগৎ নৈলে তোমালোকৰ্ ওচৰলৈ আহে তেবে
তাক্ তোমালোকৰ্ ঘৰৎ আলহি সুধ্ৰহিবা আৰু
১১ তোমাৰ শুভ হোক এই কথা তাকে নকবা কিয়নো
তোমাৰ শুভ হোক্ এই কথা তাক যি কয় সি তাৰ্
১২ কুকৰ্ম্ম ভাগী।    তোমালৈ মোৰ ভালেমান কথা
লিখিব লগা তথাপি ময় কাকৎ মহিৰে লিখিবলৈ
ইচ্ছা নকৰিলোঁ কিন্তু তোমাৰ ওচৰলৈ যাবলৈ আৰু
সাক্ষাতে কথা কবলৈ মোৰ ভাৰসা আছে যেন্
১৩ আমাৰ আনন্দ পূৰ্ণ হয়।    তোমাৰ মনোনীত
তা ভনীয়াৰ লৰাইঁতে তোমালৈ নমস্কাৰ দিয়ে।
আমিন।—

# য়োহনৰ তৃতীয় কাকৎ।

১ যাক্ ময় সত্যতাৰ্ অৰ্থে চেনেহ্ কৰোঁ এনে যি
২ প্ৰিয় গায়সলৈ ইঁচা যি ময় কাকৎ লিখোঁ। হে
প্ৰিয় ময় খোজোঁ যেন্ তোমাৰ মনৰ্ ক্ৰমেং উন্নতিৰ্
অনুসাৰে তোমাৰ উন্নতি আৰু স্বাস্থ্য সৰ্ব্বদা হয় কি
৩ য়নো তোমাৰ সত্য আচাৰানুসাৰে তোমাৰ সত্য
তাৰ প্ৰমাণ যেতিয়া ভায়হঁতে আহি দিলে তেতিয়া
৪ মোৰ বৰ্ আনন্দ হল। আমাৰ লৰাহঁতৰ্ সত্যা
চাৰ কৰাৰ্ বত্তৰা শোনাৰপৰা আমাৰ আন্ বৰ্
৫ আনন্দ নায়। হে প্ৰিয় তুমি ভায়হঁতকে আৰু
অতিথিহঁতকে যি কৰিছা তাক্ বিশ্বাসী ৰূপে কৰিছা
৬ সিবিলাক্ মণ্ডলীৰ আগতো তোমাৰ্ চেনেহৰ্ প্ৰমাণ
দিছে সিহঁতক্ যেদি তুমি ঈশ্বৰ্মেৰানুসাৰে সিহঁ
তৰ্ বাটৎ উপকাৰ্ কৰা তেবে উত্তম কাৰ্য্য কৰিবা।
৭ কিয়নো তেঁওৰ নামেৰে সিহঁৎ আন্ দেশীয়াহঁতৰ্
৮ পৰা একো নলৈ যাত্ৰা কৰিলে। এয়েৰেই এনে
লোকবিলাকৰ্ আদৰ্ কৰি আমাৰ গ্ৰহণ কৰিব
লগা যেন্ আমি সত্যতাৰ্ সহোপকাৰী হোঁ

৯ ময় মণ্ডলীলৈ লিখিলোঁ কিন্তু সিইঁতৰ মাজৎ
১০ প্ৰধানেষ্টুক্ দিয়ত্ৰিফেস আমাক্ গ্ৰহণ নকৰে এয়েৰেই
ময় যেতিয়া আহোঁ তেতিয়া আমাৰ বিৰোধে বৈৰ্
কথাৰে বাবদূকতা ব্যাপাৰ কৰি সেই যি কৰ্ম্ম কৰে
সেই কৰ্ম্ম ময় মনৎ কৰিম্ সি তাক্ কৰি আৰু তৃপ্ত
নেপায় আপুনি ভায়েকইঁতক্ অতিথি নকৰে আৰু যি
বিলাকে কৰিব খোজে সিইঁতকো হাক্ দিয়ে আৰু
১১ মণ্ডলীৰ্পৰা বাজ ওলিয়াই দিয়ে। হে প্ৰিয় পাপানু
গামী নহবা কিন্তু ভদ্ৰ কৰ্ম্মানুগামী হোৱা। যি সু
কৰ্ম্ম কৰে সেয়েই ঈশ্বৰৰ্পৰা হয় যি কুকৰ্ম্ম কৰে
১২ সেয়েই ঈশ্বৰক্ দেখা নায়। এটাই মানুহৰ্
দ্বাৰৎ আৰু সত্যতাৰ্পৰাও দেমেত্ৰিয়সৰ প্ৰশংসা
আছে আমিও তাৰ্ প্ৰমাণ দিয়োঁ আৰু তোমালাকে
১৩ জানা যেন্ আমাৰ প্ৰমাণ সত্য। মোৰ্ ভালেমান
লিখিবলগা কিন্তু এতিয়া মহি কাপেৰে তোমালৈ
ময় নিলিখোঁ কিন্তু কিচু কালৰ্ পিচৎ তোমাক্ দেখি
বলে আৰু মুখামুখি কৈ কথা কবলৈ মোৰ্ ভাৰসা
১৪ আছে। তোমাৰ শান্তি হোক্ মোৰ্ মিত্ৰইঁতে
তোমাক্ নমস্কাৰ কৰে। নাও কাঢ়ি কাঢ়ি বন্ধু
বিলাকক্ নমস্কাৰ কৰা।—

## যিহূদাহৰ্ সাধাৰণ কাকৎ।

১ যিবিলাক ঈশ্বৰ পিতৃৎ পবিত্ৰীকৃত হয় আৰু যিশু
খ্ৰীষ্টৎ ৰক্ষিৎ আৰু নিযোজিৎ সিহঁতক্ যিশু খ্ৰীষ্টৰ্
২ সেৱক্ আৰু যাকোবৰ্ ভায়া যিহূদাহে কাকৎ লিখে।
দয়া আৰু শান্তি আৰু চেনেহ তোমোলাকলৈ
৩ বাঢ়োক। হে প্ৰিয়বিলাক যেতিয়া সাধাৰণ পৰি
ত্ৰাণৰ্ কথা তোমোলাকলৈ লিখিবলৈ ময় যতন কৰি
লোঁ তেতিয়া উপদেশ কৰি তোমোলাকলৈ লিখিবলৈ
প্ৰয়োজন আছিল্ আগেই সাধুবিলকৰ্ ওচৰৎ যি
মজ্ঞাতৰ্ লালা সোম্পা হইছিল্ সেই মজ্ঞাতৰ্ নি
৪ কোনে তোমোলাকে প্ৰাণপন্ কৰি যতন কৰা। কিয়
নো পূৰ্ব্বকালাৱধি এই দণ্ডৰ্ নিকোনে লিখিত ঈশ্বৰসে
ৱক্ লুম্পটভাৱে আমাৰ ঈশ্বৰৰ্ অনুগ্ৰহৰ্ অন্যথা
কৰোঁতা আৰু অদ্বিতীয় প্ৰভু ঈশ্বৰ্ অৰ্থাৎ প্ৰভু যিশু
খ্ৰীষ্টৰ্ হেয়জ্ঞান কৰোঁতা লোকবিলাক গুপ্তৎ ৰূপে ভি
৫ তৰলৈ সোমাইছে। এতেকেই তোমোলাকে আগেই
এই কথা জানিলেও ময় তোমোলাকৰ্ স্মৰণ জনাব

ঘোৱেঁা যেন্ যিহূহায় লোকবিলাকক্ মিসৰৰ্পৰা
ত্ৰাণ কৰি তাৰ্ পাচে যিবিলাকে নপতীয়ালে সিহঁতক
নষ্ট কৰিলে আৰু যি দূতবিলাকে আপোনাহঁতৰ্
৬ প্ৰথম দশা পালন নকৰিলে কিন্তু আপোনাৰ বসতি
এড়িলে সিহঁতক্ সেই মহাদিনৰ্ শোধিবলৈকে তেঁও
অক্ষয় জিজিৰেৰে বন্ধিৎ কৰি এন্ধাৰৰ্ তলৎ থৈছে
৭ আৰু সদোম আৰু অমৰাহ্ আৰু সিহঁতৰ চাৰিওফা
লৰ নগৰ্ তেনেকৈ লুম্পটতাৎ নিবিষ্ট হৈ আৰু অপ্ৰা
কৃত সঙ্গাভিলাষীও হৈ অনন্তানলৰূপ প্ৰতিফল্ ভুঞ্জৎ
৮ আদৰ্শৰূপ প্ৰেৰিত আছে তেনেকৈ এই স্বপ্ন দেখোঁ
তাহঁৎ শৰীৰ অশুচিও কৰে শাসন ইতিকিৎ কৰে
৯ আৰু বৰ্ধাৰক নিন্দে। কিন্তু প্ৰধান দূত মিখাএল
যেতিয়া শয়তানে সৈতে দ্বন্দ্বাদ্বন্দি কৰি মোশহৰ
শৰীৰৰ্ অৰ্থে উত্তৰ্ সমীধান দিলে সেই কালৎ
তাৰ্ বিপৰীতে সনিন্দাপৰাদ কৰিবলৈ নিৰ্ভয় নাচি
১০ লোঁ কিন্তু হুলিলে যিহূহায় তোমাক্ ডবিয়ওক কিন্তু
ইহঁতে যি নেজানে তাৰ্ অপশংসা কৰে আৰু অবোধ
পশুৰ্ নিচিনা যিহক্ স্বভাৱতঃ জানে তাতে সিহঁৎ
১১ অশুচি কৰা হয়। সিহঁতৰ্ সন্তাপ হব কিয়নো সি
হঁৎ কায়িনৰ্ বাটগামী হৈছে আৰু লোভৎ নিবিষ্ট
হৈ বিলআমৰ ভ্ৰমে ভ্ৰমণ কৰিছে আৰু কোৰাখৰ্
১২ বিপৰীত কৰণৎ বিনাশ হৈছে। ইহঁতে যেতি
য়া তোমালোকে সৈতে ভোজন কৰে তেতিয়া নিৰ্ভয়

ভোক্তা হৈ তোমালোকৰ চেনেহ পোষক্ ভোজনৰ্
হুমাঁচ হয় । সিহঁত বায়ুএ প্ৰক্ষিপ্ত নিপানি ডাৱৰ
শুষ্ক স্বল্প অথাৎ ফলহীন অথচ দুবেলি মৰা অথচ
১৩ মূলসমন্বিতে ওভলা গছ। আপোনাৰ্ লাজৰূপ
ফেণওঠা সাগৰৰ্ ভয়ঙ্কৰ্ ঢৌ যাৰ্ নিকোনে অ
ন্ধকাৰৰ্ কলা অনন্ত কাললৈকে সংৰক্ষিৎ আছে
১৪ এনে ভ্ৰমণ কৰোঁতা সিহঁতে হয় । আদমৰ্ অ
বিস্তুন সপ্তম পুৰুষ যানোকে ভবিষ্যৎ কথা কৈ সিহঁ
তৰ্ অৰ্থে এই কথা কলে দেখা এটাইবে সম্মতিৎ দণ্ড
দিবলৈ আৰু সিহঁতৰ মাজৎ যিমান ঈশ্বৰমেৰুক্
বিলাক্ যিমান ঈশ্বৰমেৰা কৰ্ম্ম ঈশ্বৰ্মেৰাৰুমাৰে
১৫ কৰিছে। আৰু ঈশ্বৰমেৰুক্ পাতকীলোকহঁৎ যিমান
কঠোৰ্ কথা তেঁওৰ্ বিৰোধে কৈছে সিহঁতক্ এই
এই এটাই জগত নিশ্চয় কৰিবলৈ আপোন অযুতৰ
১৬ পুণ্যৱন্ত লগৎলৈ ঈশ্বৰ আহিছে। দন্দুৰা স্বদশাৎ
বেজাৰী আপোনাৰ অভিলাষৰ্ নিচিনা আচৰোঁতা
আৰু লোভেৰে মানুহবিলাকৰ্ মুখচওঁতা হৈ
যিবিলাকৰ্ মুখে গৰিমাৰ বৰ্ ওখহায় কথা কয়
১৭ এনে লোক্ ইহঁৎ। কিন্তু হে ভায়হঁৎ আমাৰ্
প্ৰভু যিশু খ্ৰীষ্টৰ্ পাঁচনীহঁতৰ্ মুখে যি কোৱা
১৮ গৈছে সেই কথা মনৎ ৰাখা সিবিলাকে তুলিলে
শেহকালৎ আপোনাহঁতৰ্ ঈশ্বৰমেৰুক্ অভিলাষা
১৯ নুযায়ী আচাৰী নিন্দকহঁৎ হব। যিবিলাকে
আপোনাহঁতক্ বেলেগ কৰে শৰীৰীয়া অথচ আত্মা

২০ বিশিষ্ট নহয় এই সিহঁৎ।    কিন্তু হে প্ৰিয়হঁৎ
তোমোলাকে আপোনাহঁতক্ আপোনাৰ্ অতিপবিত্ৰ
প্ৰতীতিৰূপ মূলৰ্ ওপৰৎ গাঁথনি কৰি ধৰ্ম্মাত্মাৎ প্ৰাৰ্থ
২১ না কৰি অনন্ত আয়ুৰ নিকোনে আমাৰ প্ৰভু যিশু
খ্ৰীষ্টৰ্ দয়াপেক্ষা কৰি আপোনাহঁতক্ ঈশ্বৰৰ্ প্ৰেমে
২২ হৎ থিৰ্ কৰা।    আন্ আন্ মানুহবিলাকক শো
২৩ ধৰ দোৱাৰা বেলেগ কৰি দায়া কৰা।  আৰু আন্
আন্ কোনোবিলাকক্ শাৰীৰীক্ মাঁহেৰে চিন্দিয়া
কাপৰ্ আৰু ঘিনায় ভয়যুক্ত হুই জুইৰ্পৰা ওলিয়াই
২৪ লৈ ত্ৰাণ কৰা।    যি পৰাৰ্পৰা তোমোলাকক্
ৰাখিব পাৰে আৰু মহানন্দপূৰ্ব্বক তোমোলাকক্
নিজগিৰীয়াৰূপ আপোনাৰ্ মহিমাৰ্ ওচৰৎ সাক্ষাৎ
২৫ কৰিবলৈ পাৰে।    সেই অদ্বিতীয় জ্ঞানৱন্ত ঈশ্বৰ্
অৰ্থাৎ আমাৰ্ তাৰকৰ্ গৌৰৱ আৰু মহাত্ম্য আৰু
পৰাক্ৰম আৰু শাসন ইহ কালে আৰু সৰ্ব্বতি কালে
হোক্ আমিন্।—

## ঈশ্বৰৰ্ সেৱক্ য়োহনৰ্

### কাযৰৎ যি প্ৰৌচিক্ হইচিল্ সেয়ে এই।—

### ১ প্ৰথম পৰ্ব্ব।

১ কিঞ্চিৎ কালৰ পাচৎ হবলগা বিষয় আপোনাৰ্ সেৱকহঁতক্ জনাবলৈ য়িশু খ্ৰীষ্টৰ্ যি প্ৰৌচিক ঈশ্বৰে দিবিলাকৰ্ কাযৰৎ কৰিলে সেই প্ৰৌচিকৰ কথা এই।—

২ আৰু যি ঈশ্বৰৰ্ বাক্য আৰু য়িশু খ্ৰীষ্টবিষয়ক প্ৰমাণ আৰু আপুনি যি যি দেখিলে সেই এটাইবে
৩ প্ৰমাণ দিলে এনে যি তেঁওৰ সেৱক্ য়োহন্ তেঁওৰ কাযৰৎ তেঁও আপোন দূতৰ্ মধ্যে পঠায় তাক্ জনালে। যি পঢ়ে আৰু যিবিলাকে এই আচাৰ্য্য বাক্য শুনে আৰু তাৰ মাজৎ যি লিখিতা আছে তাক পালন কৰে সেই লোক ধন্য কিয়নো কাল ওচৰ আছে।—

৪ যি সাৎ মণ্ডলী আসিয়াৎ আছে সেই মণ্ডলীলৈ
য়োহনে কাকৎ লিখে। যি বৰ্ত্তমান আৰু অতীত
আৰু ভবিষ্যৎ আৰু তেওঁৰ সিংহাসনৰ সম্মুখস্থ যি
৫ সাৎ আত্মা আৰু বিশ্বাসী সাক্ষী অথচ মৃত্যুৰ প্ৰথম
জাত অথচ পৃথিবীৰ ৰজাহঁতৰ ৰজা যি য়িশু খ্ৰীষ্ট
তেওঁৰপৰা অনুগ্ৰহ আৰু শান্তি তোমালোকলৈ
৬ হোক্। যি আমাক চেনেহ কৰিছে আৰু আ
পোন তেজেৰে আমাৰ পাপ ধুই পেলাইছে আৰু
ঈশ্বৰ অথচ আপোন পিতৃৰ কাৰণে আমাক ৰজা
আৰু যাজক কৰিছে তেওঁৰ গৌৰৱ আৰু শাসন
৭ বাৰ সদায় হোক্। আমিন। দেখা তেওঁ মেঘৎ
আহিছে আৰু সদৌ চকুৱে তেওঁক দেখিব আৰু যিবি
লাকে তেওঁক বিন্ধিলে সিহঁতে তেওঁক দেখিব আৰু
পৃথিবীস্থ যিমান বংশ সেই এটাইৱে তেওঁলৈ বিনাব
মেয়ে হয়। আমিন।—
৮ প্ৰভুৱে কয় বোলে ময় ক আৰু ক্ষ আদি আৰু অন্ত
বৰ্ত্তমান আৰু ভূত আৰু ভবিষ্যৎ সৰ্ব্বশক্তিমান।—
৯ তোমালোকৰ ভায় আৰু দুঃখ আৰু য়িশু খ্ৰীষ্টৰ
১০ ৰাজ্য আৰু সহিষ্ণুতাৰে সহভোগী য়োহন যি ময়
ঈশ্বৰৰ বাক্য আৰু য়িশু খ্ৰীষ্টৰ প্ৰমাণৰ নিক্তোনে
১১ পাট্মস নামে জাপৰিৎ আছিলোঁ। প্ৰভুৰ দিনৎ
ময় আত্মাৎ আছিলোঁ আৰু মোৰ পাচৰপৰা তূৰী
বোৱাৰ নিচিনা এই এই বাক্য বোলোঁতা মহাশব্দ

শুনিলোঁ যয় ক আৰু ক্ষ আদি আৰু অন্ত তুমি যিহক
দেখিছা তাক্ এক পুথিৎ লিখা আৰু এফিসস
আৰু স্মৰ্ণা আৰু পৰ্গামস আৰু থিয়াতেৰা আৰু
সাৰ্দিস আৰু ফিলাদেল্‌ফিয়া আৰু লাওদিকিয়া আসি
য়াৎ থকা এই সাৎ মণ্ডলীৰ্ কাথৰৈলৈ তাক্ পঠি
১২ য়োৱা । যি শবদে মোৎ কথা কলে সি কি ইয়াক্
দেখিবলৈ যয় ওভতিলোঁ আৰু ওভতি সাৎ স্নবৰ্ণৰ
১৩ প্ৰদীপ দেখিলোঁ । আৰু ভৰিলৈকে বস্ত্ৰেৰে বস্ত্ৰান্বিত
১৪ হিয়াৎ সোনৰ গাতি বন্ধা মানুহৰ সন্ততিৰ নিচিনা
এক জনিহক্ সেই সাৎ প্ৰদিপৰ মাজৎ যয় দেখিলোঁ
তেঁওৰ মুৰ আৰু চুলি মেচৰ লোমৰ নিচিনা বগা
১৫ বৰ্ণ বৰফৰনিচিনা বগা বৰ্ণেই তাৰ্ চক্ষু জুইৰ
শিখাৰ নিচিনা আৰু তেঁওৰ ভৰি আফৰৎ প্ৰজ্বলিৎ
উত্তম পিত্তলৰ নিচিন আৰু তেঁওৰ কথা ভালেমান
১৬ পানিৰ মাতৰ্ নিচিনা । তাৰ্ সোঁ হাতৎ সাৎ
তৰা আৰু তাৰ্ মুখৰপৰা ওলোৱা দ্বিধাৰ চোকা
তলোৱাৰ্ আৰু তেঁওৰ মুখ প্ৰচণ্ড তেজস্কৰ বেলিৰ
১৭ নিচিনা । তেঁওক্ দেখি যয় মৰাৰ্ নিচিনা তেঁওৰ
ভৰিৎ পৰিলোঁ তেতিয়া তেঁও আপোন সোঁ হাৎ মোৰ্
১৮ ওপৰৎ দি মোৎ কলে ভয় নকৰা যয় আদি আৰু
অন্ত যি জীৱন্ত আছে আৰু মৃত আছিল আৰু দেখা
১৯ যয় সদায় জীৱন্ত থাকোঁ আমিন । আৰু যয়
নৰক্ আৰু মৃত্যুৰ্ চাপৰিবোঁতা তুমি যিহক্ দেখি
ছা আৰু যি বৰ্ত্তমান আৰু ইয়াৰ পিচৎ যি হব সেই

২০ এটাই লিখা। মোৰ্ হাতৎ যি সাৎ তৰা তুমি দেখি
জা তাৰ্ তত্ব আৰু সেই সাৎ সোনৰ্ চাকি তাৰো তত্ব
এই এই সেই সাৎ তৰা সাৎ মণ্ডলীৰ দূৎ আৰু সেই
সাৎ চাকি সেই সাৎ মণ্ডলী।—

পৰ্ব্ব এফিসসৎ যি মণ্ডলী তাৰ্ দূতক প্ৰতি লিখা।
২ আপোন সোঁ হাতৎ সেই সাৎ তৰা ধৰোঁতা আৰু
২ সেই সাৎ প্ৰদীপৰ মধ্যচাৰী এই কথা কয় বোলে
তোমাৰ কৰ্ম্ম আৰু তোমাৰ ভাগৰ আৰু সহিষ্ণুতা
আৰু যেন্ তুমি দুষ্ট লোকবিলাকক্ সহিব নোৱাৰা
আৰু যি আপোনাহঁতক্ পাঁচনী বুলি মানে কিন্তু
বাস্তৱৎ সি নহয় তুমি সিহঁতক্ শোধি কৰি সিহঁ
৩ তক্ মিচলীয়া নিশ্চয়ে কৰিছা আৰু যি তুমি সহিছা
আৰু সহিষ্ণুতা ব্যৱহাৰ্ কৰিছা আৰু মোৰ্ নামৰ্
নিমিত্তে শ্ৰম্ কৰিছা আৰু ক্লান্ত নুহুৱাইছা এই এটাই
৪ ময় জানোঁ। কিন্তু তোমাৰ্ বিৰোধে মোৰ্ কিছু
আছে কিয়নো তুমি আপোনাৰ্ প্ৰথম চেনেহ এড়িছা
৫ এতেকেই যাৰপৰা তুমি পড়িছা তালৈ স্মৰণ কৰা
আৰু পৰিবৰ্ত্তন্ কৰা আৰু তোমাৰ প্ৰথম কৰ্ম্মৰ্
অনুষ্ঠান কৰা সেয়ে নহলে ময় সত্বৰে তোমাৰ ওচৰ
লৈ আহি তুমি পৰিবৰ্ত্তন্ নকৰিলে তোমাৰ চাকি
৬ স্বস্থানৰ্পৰা লড়াম। কিন্তু তোমাৰ এই গুণ আছে
ময় যাক্ ঘিনওঁ সেই নিকোলাতীহঁতৰ্ কৰ্ম্ম তয়ো ঘি
৭ নাইছ। মণ্ডলীবিলাকক্ আত্মায় যি কয় কৰ্ণযুক্ত তাক

৮ শুনোক। ঈশ্বরৰ আৰদিসৰ মধ্যস্থিত জীৱনদায়ী
গচৰ গুটি ময় জয়িক খাবলৈ দিম।—
অর্থাৎ যি মণ্ডলী তাৰ দূতক প্রতি লিখা। যি
আদি আৰু অন্ত যি মৃত আছিল আৰু জীৱন্ত আছে
তেঁও এই কথা কয় তোমাৰ কর্ম্ম আৰু দুর্গতি আৰু
৯ দৰিদ্রতা ময় জানোঁ তথাচ তুমি ধনৱন্ত আছা। যি
বিলাকে আপোনাইঁতক যিহুদী বুলি মানে বাস্তৱৎ
যিহুদী নহয় কিন্তু শয়তানৰ শিনগগীয়া সিইঁতৰ
১০ নিন্দাও ময় জানোঁ। যি দুর্গতি তুমি পাবা তাৎ
একো ভয় নকৰিবা দেখা তোমোলাকৰ ফলীয়া কৰি
বৰ নিকোনে তোমোলাকৰ কেৎবিলাক মানুহক
শয়তানে বন্দিশালৎ পেলাব আৰু তোমালাকৰ দহ
দিন দুঃখ হব কিন্তু তুমি মৃত্যুলৈকে বিশ্বাসী হোৱা
আৰু জীৱনৰূপ কিৰিটি তোমোলাকক ময় দিম।
১১ আন্মায় মণ্ডলীবিলাকক যি বোলে কর্ণযুক্ত জনে
তাক শুনোক। যি জয় কৰে দ্বিতীয় মৃত্যুৰ হতু
ৱায় তাৰ একো হিংসা নহব।—
১২ পর্গামসৎ যি মণ্ডলী তাৰ দুতক প্রতি লিখা।
যি দ্বিধাৰ চোকা তলোৱাৰ ধৰোঁতা তেঁও এই কথা
কয় তোমাৰ কর্ম্ম আৰু যি ঠাইৎ শয়তানৰ সিংহা
সন আছে সেয়ে তোমাৰ বাসস্থান ইয়াক ময় জানোঁ
১৩ তুমি মোৰ নাম টান্‌কৈও ধৰিছা আৰু যি ঠাইৎ
শয়তানৰ নিবাস সেই ঠাইৎ তোমোলাকৰ মাজৎ
মোৰ বিশ্বাসী সাক্ষী আন্তিপাস যি সময়ৎ হত হই

ছিল্ সেই সময়ইতো মোৰ্ নাও তুমি শৈ নকচা নায়।
১৪ কিন্তু তোমাৰ বিৰোধে মোৰ্ কিছু কিছু আছে কিয়নো
দেৱেৰ পৰ্সাদ খাবৰ্ নিকোনে আৰু বেশ্যাগমনৰ্
নিকোনে য়িশৰএলৰ্ সন্ততিহঁতৰ্ আগত জুঁটি খো
ৱাৰ অচা পেলাবলৈ যি বিলআমে বলাকক্ শিকালে
সেই বিলআমৰ্ শিকনি যিবিলাকে মানে এনেবিধ
১৫ মানুহ তোমোলাকৰ্ মাজত আছে। ময় যিহক্
ঘিনওঁ যি নিখোলাইতীৰ শিকনি তদনুগত লোকো
১৬ তোমাৰ মাজত আছে। তুমি পৰামনন কৰা সি
নহলে ময় তোমাৰ ওচৰলৈ সত্বৰে আহি আপোন
মুখস্থ তলোৱালেৰে সিহঁতে সৈতে ৰণ কৰিম।
১৭ মণ্ডলীবিলাকক্ আন্মায় যি বোলে কৰ্ণযুক্ত জনে
তাক্ শুনোক্। জয়িক্ ময় সেই গুপ্ত মান খাবলৈ
দিম আৰু এক বগা শীলো ময় তাক্ দিম্ আৰু যি
জনে তাক্ পায় সেই জনক্ এড়ি আন্ এটাইতে অ
জ্ঞাত এক নবীন নাম সেই শিলত লিখিত।—
১৮ তিয়াতেৰাত যি মণ্ডলী তাৰ দূতক্ প্ৰতি লিখা যাৰ্
১৯ চকু জুই শিখাৰ্ নিচিনা আৰু ভৰি ওত্তম পিতলৰ্
নিচিনা এনেকুৱা যি ঈশ্বৰৰ্ পুতেক্ তেঁও এই কথা
কয় বোলে তোমাৰ কৰ্ম্ম আৰু চেনেহ আৰু সেৱা
আৰু সঞ্চাত আৰু সহিষ্ণুতা আৰু তোমাৰ শেহ
কৰ্ম্ম যেন্ প্ৰথম কৰ্ম্মতকৈ সৰহ্ ময় এইবিলাক্ জা
২০ নোঁ। কিন্তু তোমাৰ বিৰোধে মোৰ্ কিছু কিছু আছে

ক্রিয়নো যি তিৰী। যেজেবেল আপোনাকে আচার্য্য
নী বুলি যানে তাইক শিকাবলৈ আৰু বেশ্যাগমন
আৰু দেৱোৎসর্গাদ খোৱা যিহৎ হয় এনে ওপদেশে
ৰে আমাৰ সেৱকহঁতক ভুলাবলৈ অনুমতি দিছে।
২১ পৰাযনন কৰিবলৈ ময় তাক কাল্ দিছোঁ কিন্তু তাই
আপোনাৰ্ ব্যভিচাৰৰ অর্থে পৰাযনন কৰিবলৈ
২২ ইচ্ছা নকৰিলে। দেখা তাইক্ ময় এক শয্যাৎ
পেলায় আৰু যিবিলাকে তায়ে সৈতে বেশ্যাগমন কৰি
ছে সিহঁতে যেদি পৰাযনন নকৰে তেবে সিহঁতকো
২৩ তাইৰ্ লগতে মহাক্লেশৎ ময় পেলায আৰু মৃত্যুৰ্
হতুৱায় তাইৰ্ লৰাহঁতক্ ময় বধ কৰিম আৰু এটাই
মণ্ডলীএ জানিব যেন্ ময় মনৰ্ গুপ্তৎ অর্থ আৰু মন
শোধিকৰোঁতা তোমোলাকৰ্ গায়প্রতি স্বক্রিয়া স্বক্রিয়া
২৪ অযাগ্নী ফল্ ময় দিয়্। কিন্তু তোমোলাকক্ আৰু
তিয়াতেৰাৰ্ মাজৎ আন্‌২ যিমান লোকবিলাকৰ্
এই শিকনি নহয় শিহঁতক্ আৰু সিহঁতৰ্ কথানুসা
ৰে শয়তানৰ্ গাম্ভীর্য্য যিবিলাকে নেজানিছে সিহঁত
২৫ কো ময় এই কথা কঁও তোমোলাকৰ্ ওপৰৎ ময়
আন্ ভাৰ্ নিদিয়্ কিন্তু যি তোমোলাকৰ্ আছে
২৬ তাক্ ময় আহোযানলৈকে টানকৈ ধৰা। যি
জয় কৰে আৰু শেহলৈকে মোৰ্ কথা পালে যেনে
কৈ ময় আপোন পিতাৰপৰা পাইছোঁ তেনেকৈ এটাই
২৭ লোকৰ্ ওপৰৎ শাসনবাৰ ময় তাক্ দিয়্। আৰু

তেঁও লোৰ্ দণ্ডেৰে সিহঁতক্ শাসন কৰিব আৰু সিহঁ
২৮ তৰ্ কুম্ভকাৰৰ্ পাত্ৰৰ্ নিচিনাকৈ চূৰ্ণ হব আৰু ভো
২৯ টা তাৰা ময় তাক্ দিম।    মণ্ডলীবিলাকক্ প্ৰতি
আত্মায় যি বোলে কৰ্ণযুক্ত জনে তাক্ শুনোক।—
পৰ্ব্ব  সাৰ্দ্দিস্ যি মণ্ডলী তাৰ্ দূতক প্ৰতি লিখা। ঈশ্বৰৰ্
৩ সাত আত্মা আৰু সেই সাত তৰা ধৰোঁতায় এই
কথা কয় বোলে তোমাৰ কৰ্ম্ম আমি জানোঁ আৰু
তুমি জীৱন্তৰূপে খ্যাত হোৱা কিন্তু মৃত আচা ইয়া
২ কো ময় জানোঁ।    চকি দিয়াশীল হোৱা আৰু
মৰিবৰ্ নিচিনা যি যি আচে তাক্ শক্তিমান কৰা কি
য়নো ঈশ্বৰৰ্ গোচৰত্ তোমাৰ কৰ্ম্ম ময় সম্পূৰ্ণ
৩ দেখা নায়।    এতেকেই তুমি যেনেকৈ পাইচা
আৰু শুনিচা তাকৈ স্মৰা আৰু টান্কৈ ধৰা আৰু
পৰামনন কৰা।    তুমি যেদি চকি নিদিয়া তেবে
যেনেকৈ চোৰ্ আহে তেনেকৈ ময় তোমাৰ ওপৰলৈ
আহিম আৰু যি দণ্ডত ময় তোমাৰ ওপৰলৈ আহিম
৪ তাক্ তুমি নেজানিবা। যিবিলাকে অকিয়াৎ কাপৰ্ অপ
ৱিত্ৰ নো কৰে এনেকুৱা সাৰ্দ্দিসতো তোমাৰ অলপ
নাম আচে সিহঁত বগা বস্ত্ৰত্ পৰিহিত হই মোৰ্
৫ লগত ফুৰিব কিয়নো সিহঁত্ যোগ্য।    জয়ী যি
জন সেই জন বগা বস্ত্ৰত্ বস্ত্ৰান্বিত হব আৰু তাৰ্
নৰ প্ৰথিৱিপৰা তাৰ্ নাও ময় নেকাটিম কিন্তু মোৰ্
পিতৃৰ গোচৰত্ আৰু তেঁওৰ দূতহঁতৰ গোচৰত্

৬ তাৰ্ নাম ময় শৈ কাঢ়িম্। মণ্ডলীহঁতৰ আত্মায়
যি বোলে কৰ্ণ যুক্ত জনে তাক্ শুনোক্।—
৭ ফ্লেলাদেল্ফিয়া যি মণ্ডলী তাৰ্ দূতক্ প্ৰতি লিখা যি
পুণ্যস্বৰূপ যি সত্য যি দাঔদৰ চাব ধৰোঁতা যি
মেলিলে কোনেও বন্ধিৎ নকৰে আৰু যি বন্ধিৎ
কৰিলে কোনেও নেমেলে তেঁৱেই এই কথা কয়।
৮ তোমাৰ কৰ্ম্ম ময় জানোঁ দেখা তোমাৰ আগৎ
ময় মুকলি এখান দুৱাৰ থৈছোঁ আৰু তাক্ কোনেও
বন্ধিৎ কৰিব নোৱাৰে কিয়নো তোমাৰ অলপ বল
আছে আৰু মোৰ কথা তুমি পালিছা আৰু মোৰ্
৯ নাও শৈ নকৰা নায়। দেখা যিবিলাক্ য়িহুদী
নহয় কিন্তু মিচা কথা কৈ আপোনাহঁতক য়িহুদী বুলি
মানে অথচ শয়তানৰ্ পিনপতীয়া হয় সিহঁতক্ ময়
তোমাৰ ভৰিৰ্ আগৎ যোৱোৱায় প্ৰণাম কৰোৱাম
আৰু ময় তোমাক্ চেনেহ কৰিছোঁ যেন ইয়াক্
১০ সিহঁত জানিব। মোৰ সহিষ্ণুতাৰ কথা তুমি
পালন কৰিছা এয়েৱেই পৃথিৱীৎ থাকোঁতা মানুহ
বিলাকক্ পৰীক্ষা কৰিবলৈ যি পৰীক্ষা কাল এটাই
সংসাৰৎ মিলিব সেই দণ্ডৰ আপোদৰণৰা ময়
১১ তোমাক্ ৰক্ষা কৰিম। দেখা ময় সত্বৰে আহিছোঁ
তোমাৰ যি আছে তাক্ শকৎকৈ ধৰা যেন কোনেও
১২ তোমাৰ কিৰিটি নলয়। জয়ী যি তেঁওক্ ময়
আপোন ঈশ্বৰৰ্ মন্দিৰৎ এক স্তম্ভ কৰিম আৰু সি
আৰুও বাজলৈ নেজাব্ মোৰ্ ঈশ্বৰৰ্ নাও আৰু

মোৰ্ ঈশ্বৰৰ্ ওচৰৰপৰা স্বৰ্গৰপৰা ওলোৱা মোৰ্
ঈশ্বৰৰ্ নগৰ্ অৰ্থাৎ নবীন যিৰুশালয় তাৰ্ নাও
১৩ আৰু মোৰ্ নবীন নাও তাৰ্ ওপৰৎ মই লিখিম্।
মণ্ডলীবিলাকক্ আত্মায় যি বোলে কৰ্ণযুক্ত তাক্
শুনোক্।—

১৪ লাওদিকেয়াৎ যি মণ্ডলী তাৰ্ দূতক্ প্ৰতি এই
১৫ কথা লিখা। যি আমিন আৰু সত্য আৰু বিশ্বা
সী সাক্ষী আৰু ঈশ্বৰৰ্ সৃষ্টিজনক্ তেঁও বোলে তো
মাৰ্ কৰ্ম্ম মই জানোঁ তুমি চেঁচা নোহোৱা আৰু
১৬ তপৎ নোহোৱা। মই খোজোঁ যেন তুমি চেঁচা
নাইবা তপৎ হোৱা এয়েৰেই তুমি চেঁচা নোহোৱা
আৰু তপৎ নোহোৱা কিন্তু কদুষ্ণ সেই নিকোচনে মই
১৭ আপোন মুখৰপৰা তোমাক্ ওগাৰোঁ। তুমি কৈছা
বোলা মই ধনৱন্ত আৰু সম্পত্তিৰে বাঢ়িছোঁ আৰু
মোৰ্ একোৰো অসত্তা নায় আৰু নেজানা যেন তুমি
দীনহীন আৰু বৰ্ দুঃখী আৰু ভিকন্ধ আৰু অন্ধলা
আৰু নাঙ্গটা এয়েৰেই জুইৎ পৰীক্ষিৎ সোন মোৰ্
১৮ কাখৰৎ কিনা তুমি ধনৱন্ত হোৱা আৰু বগা বস্ত্ৰ
কিনা তুমি পৰিহিৎ হোৱা আৰু তোমাৰ্ নাঙ্গ
টতাৰ্ নিকোচনে লাজ প্ৰৌচিক নহয় আৰু চকুৰ্ দৰ
বৰে তোমাৰ্ চকু ঘঁহা যেন তুমি দেখিবলৈ পোৱা।
১৯ মই যিমান্ মানুহক চেনেহ কৰোঁ তিমান্ মানুহক্
ডবিয়ওঁ আৰু শাসন কৰোঁ এয়েৰেই বাগ্ৰমনা হোৱা

২০ আৰু পৰায়নন্ কৰা। দেখা ময় দুৱাৰৰ্ কাষৰৎ
থিয় হৈ কোব মাৰোঁ যেদি কোনোএ মোৰ্ কথা শুনে
আৰু দুৱাৰ্ মেলে তেবে তেঁওৰ কাষৰলৈ ময় ভিত
ৰলৈ আহিম্ আৰু সিএ সৈতে ভোজন কৰিম্ আৰু
২১ সি মোৰ লগৎ ভোজন কৰিব। ময় যেনেকৈ
জয় কৰি আপোন পিতৃৰ্ লগৎ তেঁওৰ সিংহাসনৰ্
ওপৰৎ বহি জয়িক্ ময় আপোন সিংহাসনৰ্ ওপৰৎ
২২ আপোনাৰ্ লগৎ তেনেকৈ বহিবলৈ দিম্। আ
ত্মায় মণ্ডলীহঁতলৈ যি কথা কয় কৰ্ণযুক্ত জনে তাক্
শুনোক্।—

পৰ্ব্ব ঊয়াৰ পাচৎ ময় চালোঁ আৰু দেখা স্বৰ্গৎ এক মুক
৪ লি দুৱাৰ আৰু যি প্ৰথম শবদ ময় শুনিলোঁ সেই শব
দ তুৰী বজোৱাৰ নিচিনা মোৰ্ লগৎ বাক্য বোলোঁতা
আছিল সেই শবদ হুঁলিলে ওপৰৎ এথেলৈ আহিল
ঊয়াৰ পাচৎ হবলগা কথা ময় তোমাক্ দেখুৱাম।
২ সেইক্ষণৎ ময় আত্মাৎ আছিলোঁ আৰু দেখা স্বৰ্গৎ
স্থাপিৎ এক সিংহাসন আৰু সেই সিংহাসনোপবিষ্ট
৩ এক পুৰুষ। তদুপবিষ্ট যি পুৰুষ তেঁও সূৰ্য্যকান্ত
৪ আৰু প্ৰবাল শিলৰ নিচিনা দৃশ্য। আৰু চুনিৰ নিচিনা
দৃশ্য সিংহাসনৰ চাৰিওফালৰ এক মেঘধনুক্ আৰু
সিংহাসনৰ্ চাৰিওফালস্থ চতুৰ্ব্বিংশতি সিংহাসন
আৰু সিংহাসনোপবিষ্ট শুক্ল বস্ত্ৰেৰে বস্ত্ৰান্বিত চৱিশ
প্ৰাচীন লোকক্ ময় দেখিলোঁ আৰু সিহঁতৰ মুৰৎ
৫ ওপৰৎ সোণৰ্ কিৰিটি আছিল। সেই সিংহাসনৰ

পৰা বিদ্যুৎ আৰু মেঘগৰ্জ্জন আৰু শবদ ওলাল। আৰু
সিংহাসনৰ সম্মুখে প্ৰজ্বলিৎ জুইৰ সাৎ প্ৰদীপ
৬ অৰ্থাৎ ঈশ্বৰৰ সাৎ আত্মা। সিংহাসনৰ সম্মুখত
স্ফটিকৰ নিচিনা কাঁচৰ এক সমুদ্ৰ আছিল আৰু সিং
হাসনৰ মাজৎ আৰু সিংহাসনৰ চাৰিওফালে আ
৭ গৎ পাচৎ চকুৎ পূৰ্ণ চাৰি জন্তু আছিল। প্ৰথম জন্তু
সিংহৰ নিচিনা দ্বিতীয় জন্তু দামুৰিৰ নিচিনা তৃতীয়
জন্তু মনুষ্যমুখ আৰু চতুৰ্থ জন্তু উড়ুয়মান কুৰলৰ
৮ নিচিনা। সেই চাৰি জন্তুবিলাকৰ জন্তুএ প্ৰতি ছয় ডেউকা
আৰু তাৰ গাৎ ভিতৰৎ সিহঁৎ চকুৰে পূৰ্ণ আৰু
ধৰ্ম্ম ধৰ্ম্ম ধৰ্ম্ম ভূত বৰ্ত্তমান আৰু ভবিষ্যৎ যিজন সৰ্ব্বশ
ক্তিমান ঈশ্বৰে এই কথা কৈ সিহঁৎ ৰাত্ৰিন্দিৱা নিবৃত্ত
৯ নহয়। আৰু সদা সৰ্ব্বদা জীৱী সিংহাসনোপবিষ্ট
সেই পুৰুষৰ গৌৰৱ আৰু সন্মান আৰু কৃতজ্ঞতাৰ
শ্লাঘা যি কালৎ সেই চাৰি জন্তুএ কৰে সেই কালৎ
১০ সিংহাসনোপবিষ্ট পুৰুষৰ সম্মুখৎ সেই চব্বিশ প্ৰাচী
১১ ন লোক পৰি সদা সৰ্ব্বদা জীৱীক পূজা কৰে। আৰু হে
প্ৰভু তুমি মাহাত্ম্য আৰু সন্মান আৰু পৰাক্ৰম প্ৰসং
শা যোগ্য কিয়নো তুমি এটাই সৃষ্টি কৰিছা আৰু
তোমাৰ ইচ্ছাৎ সিহঁৎ হয় আৰু সৃষ্ট আছিল এই
কথা কৈ সিহঁতে আপোন কিৰিটি সিংহাসনৰ স
ম্মুখে পেলালে।—

পৰ্ব্ব ভিতৰে আৰু বাজে লিখা সাৎ মোম কৰা এক পুথি
৫ মই সিংহাসনোপবিষ্ট পুৰুষৰ দক্ষিণ হাতৎ দেখি

লোঁ পুথি মেলিবলৈ আৰু তাৰ্ ছাপ মেলিবলৈ যোগ্য
২ কোন বৰ্কৈ এটাইহপাৰি এই কথা ঘোষণা কৰোঁতা
৩ এক বলী দূতকো ময় দেখিলোঁ। আৰু স্বৰ্গৎ বা পৃথি
বীৎ বা পৃথিবীৰ তলৎ পুথি মেলিবলৈ আৰু তাৰ্
ছাপ মেলিবলৈ আৰু তাৎ দৃষ্টি কৰিবলৈ শক্তিমান
৪ কোনো নাছিল। পুথি মেলিবলৈ বা পঢ়িবলৈ বা
তাৰ ওপৰৎ দৃষ্টি কৰিবলৈ কাকো নোপোৱাৎ ময় বৰ
৫ কান্দিলোঁ। আৰু সেই বুঢ়াহঁতৰ্ মাজৎ এজনে
মোক্ বুলিলে নেকান্দিবা দেখা য়িহুদাহ বংশীয়া
সিংহ দাঊদৰ মূল যি তেঁও পুথি মেলিবলৈ আৰু তাৰ
৬ সাৎ ছাপ মেলিবলৈ জয়ী হুইছে। পাছে ময়
চালোঁ আৰু দেখা সেই সিংহাসন আৰু চাৰি জন্তুহঁ
তৰ্ মাজৎ আৰু সেই চৱিশ বুঢ়া লোকবিলাকৰ্
মাজৎ হত হলে যেনে হলহেঁতন তেনে সাৎ শৃঙ্গ
আৰু সাৎ চক্ষুযুক্ত এক মেচ্ৰ পোৱালি থিয় হল্
সেই সাৎ চক্ষু সৰ্ব্ব পৃথিবীতে পঠনী ঈশ্বৰৰ্ সাৎ
৭ আত্মা। তেঁও আহি সিংহাসনোপবিষ্ট পুৰুষৰ্ দক্ষিণ
৮ হাতৰপৰা সেই পুথি ললে। যেতিয়া তেঁও সেই পুথি
লইছিল তেতিয়া সেই চাৰি জন্তু আৰু চৱিশ বুঢ়ালোক
বিলাক্ গায়প্ৰতি নেবেল আৰু সুগন্ধি দ্ৰব্যেৰে
অৰ্থাৎ পুণ্যৱন্ত লোকবিলাকৰ্ প্ৰাৰ্থনাৰে পৰিপূৰ্ণ
সোনৰ পাত্ৰ লৈ মেচ্ৰ্ পোৱালিৰ্ আগৎ পড়িল
আৰু কলে বোলে তুমি পুথি লবলৈ আৰু তাৰ ছাপ
৯ মেলিবলৈ যোগ্য কিয়নো তুমি হত আছিলা আৰু

সদৌ বওহ আৰু ভাষী আৰু লোক আৰু গণৰ
পৰা আপোনাৰ তেজ দি আমাক ঈশ্বৰৰ নিকোনে
১০ মকলি কৰিছে। আৰু আমাৰ ঈশ্বৰৰ ফালে
আমাক ৰজা আৰু পুৰোহিত পাতিছা আৰু আমি
পৃথিবীৰ ওপৰৎ কর্ত্তৃত্ব কৰিম এই কথাময় এক নবীন
১১ গীত গালেঁ। পাচে ময় দেখিলেঁা আৰু সিংহা
সন আৰু সেই জন্তু আৰু বুঁঢাহঁতৰ চাৰিওফালে
ময় ভালেমান দূতবিলাকৰ শবদ শুনিলেঁা সিবিলা
কৰ সংখ্যা অযুত গুণ অযুত আৰু সহস্ৰ গুণ সহস্ৰ।
১২ সিবিলাকে কলে বোলে মেচৰ পোৱালি পৰাক্ৰম আৰু
ধন আৰু জ্ঞান আৰু বল আৰু সৎকাৰ আৰু মাহা
১৩ ত্ম্য আৰু ধন্যবাদ পাবৰ যোগ্য আছে। আৰু স্বর্গ
স্থ আৰু পৃথিবীস্থ আৰু পৃথিবীৰ তলস্থ আৰু সাগ
ৰস্থ সদৌ প্ৰাণী আৰু সিহঁতৰ মাজৎ থকা যিমান
সেই এটাইকে সিংহাসনোপবিষ্ট পুৰুষ আৰু মে
চৰ পোৱালিৰ ধন্যবাদ আৰু সৎকাৰ আৰু গৌ
ৰব আৰু পৰাক্ৰম সদাসর্ব্বক্ষণে হোক এই কথা
১৪ কৰৰ শুনিলেঁা। পাচে সেই চাৰি জন্তুএ হুঁলিলে
আমিন আৰু সেই চব্বিশ বুঁঢ়া লোকবিলাকে পৰি
ভজন কৰিলে।—

পর্ব্ব যেচৰ পোৱালিএ ইয়াৰ এক থাম মেলিলৎ ময়
৬ দেখিলেঁা আৰু আহা দেখা এই কথা কৈ মেচৰ গর্জ্জ
নৰ নিচিনা সেই চাৰি জন্তুৰ এক জন্তুৰ শবদ ময় শু
২ নিলেঁা ময় দৃষ্টি কৰিলেঁা আৰু দেখা এক বগা ঘোড়া

আৰু তদাৰূঢ় পুৰুষ তেঁওৰ এক ধনুক আছিল আৰু
তেঁওক্ এক কিৰিটি দিয়া হল্ আৰু তেঁও জয়ী হুই
আৰু জয় কৰিবৰ্ নিকোনে গল ।—
৩ পাচে তেঁও দ্বিতীয় ছাপ মেলিলে পাচে ময় দ্বিতীয়
৪ জন্তুৰ এই কথা শুনিলোঁ বোলে আহা । আৰু ৰঙা
আন এটা ঘোড়া বাজ ওলাল্ আৰু তদাৰূঢ় পুৰুষক্
পৃথিবীৰপৰা শান্তি লবলৈ পৰাক্ৰম দিয়া হল যেন
সিহঁতে অন্যোন্যক্ বধে আৰু বৰ্ এক তলোৱাৰ
তাক্ দিয়া হল ।—
৫ তেঁও তৃতীয় ছাপ মেলিলৎ ময় তৃতীয় জন্তুৰ এই
কথা শুনিলোঁ বোলে আহা দেখা পাচে দৃষ্টি কৰিলোঁ
আৰু দেখা এটা কলা ঘোড়া আৰু তদাৰূঢ় পুৰুষৰ
৬ হাতৎ এখান তৰ্জু আছিল্ । সেই চাৰি জন্তুহঁতৰ্
মাজৰপৰা এই বাক্য বোলোঁতা এক শবদো ময় শুনি
লোঁ বোলে চাৰি চৰতীয়াৎ এদোন গোম আৰু এক
আদুহিয়াৰ্ তিনি দোন্ যৱ আৰু তৈল আৰু দ্ৰাক্ষা
ৰহৰ হানি নকৰিবা ।—
৭ তেঁও চতুৰ্থ ছাপ মেলিলৎ পাচে ময় চতুৰ্থ জন্তুৰ
এই কথা শুনিলোঁ আহা দেখা ভালৈ ময় চালোঁ আৰু
৮ দেখা পাটেল বৰ্ণ এক ঘোড়াক্ ময় দেখিলোঁ তদাৰূঢ়
পুৰুষৰ্ নাও মৃত্যু আৰু তাৰ্ অনুচৰ্ নৰক্ তলো
ৱালেৰে আৰু ভোকেৰে আৰু মৃত্যুৰে আৰু পৃথিবীৰ্
বনৰিয়া জন্তুৰে মাৰি পেলাবলৈ পৃথিবীৰ্ চতুৰ্থ ভাগৰ
ওপৰৎ পৰাক্ৰম তেঁওক্ দিয়া হল ।—

৯　তেঁও পঞ্চম ছাপ মেলিলত ঈশ্বৰৰ বাক্যাৱলম্বী
হোৱাত আৰু আপোনাইঁত যি প্ৰমাণাৱলম্বী আ
ছিল্ সেই প্ৰমাণেৰে যিবিলাক হত আছিল্ সিহঁতৰ্
১০ আত্মা ময় যজ্ঞবেদিৰ্ তলত দেখিলোঁ।　আৰু
সিবিলাক এটাইপাৰি কলে বোলে হে ধৰ্ম্মস্বৰূপ
আৰু সঁচা প্ৰভু শোধ কৰিবলৈ আৰু পৃথিবীনিবাসি
হঁতৰ্ ওপৰত আমাৰ বধৰ্ প্ৰতিফল দিবলৈ তুমি কি
১১ মান কাল পলম কৰিছা।　সিহঁতৰ্ গায়প্ৰতি বগা
বস্ত্ৰ দিয়া হল আৰু সিহঁতৰ সহবন্দিহঁত আৰু যিবি
লাক সিহঁতৰ্ নিচিনাকৈ হত হব এনে যি সিহঁতৰ্
ভায়হঁত আৰু যেতিয়ালৈকে সিহঁতৰ্ সংখ্যা পূৰ
নহয় তেতিয়ালৈকে কিচু কাল ধৈৰ্য্যাৱলম্বন কৰিবলৈ
সিহঁতক কোৱা হল্ ।—
১২　তেঁও ষষ্ঠ ছাপ মেলিলত পাচে ময় চালোঁ দেখা মহা
ভূমিকম্প হল আৰু সূৰ্য্য লোমেৰে ৰচিত চটৰ্ নিচিনা
১৩ কলা হল আৰু চন্দ্ৰ ৰক্তৰ্ নিচিনা হল আৰু মহা
বায়ুত লৰা ডিমৰু গছৰ যেনেকৈ অকালজাত গুটি
সৰে তেনেকৈ স্বৰ্গৰ্ তৰা খহি পৃথিবীত পৰিল।
১৪ আৰু যেনেকৈ পাত গোটোৱা হয় তেনেকৈ স্বৰ্গ
গোটোৱা হল আৰু প্ৰতি পৰ্ব্বত আৰু উপদ্বীপ স্থানা
১৫ ন্তৰলৈ নীয়া হল।　আৰু পৃথিবীৰ্ ৰজাহঁত আৰু
বৰ্ মানুহবিলাক আৰু ধনৱন্তবিলাক আৰু প্ৰধান
সেনাপতিহঁত আৰু বলৱন্ত লোকবিলাক আৰু গায়
১৬ প্ৰতি বন্দি বা মুকলি ইহঁতেও পৰ্ব্বতৰ্ গহ্বৰত আৰু

শৈলৎ আপোনহঁতক লুকালে আৰু সিহঁতে পৰ্ব্বৎ
হঁতকে আৰু শৈলহঁতকে কুঁলিলে আমাৰ ওপৰৎ
পৰা আৰু সিংহাসনোপবিষ্ট যি পুৰুষ তাৰ মুখৰ
১৭ পৰা আৰু মেচৰ পোৱালিৰ কোপৰপৰা আমাক
লুকোৱাহঁক কিয়নো তেঁওৰ খঙৰ মহাদিন উপগত
আছে আৰু স্থিৰ হব পাৰিব কোন ।—

পৰ্ব্ব ইয়াৰ পাচৎ পৃথিবী বা সাগৰ বা কোনো বৃক্ষৰ
৭ ওপৰৎ বতাহ নবলায় এই নিকোনে পৃথিবীৰ চাৰি
চুকৎ থকা চাৰি বায়ু ধৰোঁতা চাৰি দূতক ময় দে
২ খিলোঁ আৰু জীৱন্ত ঈশ্বৰৰ মোহৰ ধৰোঁতা বেলি
ওলোৱা ফালৰপৰা উৰ্দ্ধগামী আন এক দূতক ময়
দেখিলোঁ আৰু যি চাৰি দূতক পৃথিবী আৰু সাগৰক
হিংসা কৰিবলৈ দিয়া হইছিল্ সিহঁতক তেঁও বৰকৈ
৩ ৰিঙ্গি মাৰি কুঁলিলে, যেতিয়ালৈকে আমি আপোন
ঈশ্বৰৰ সেৱকহঁতক সিহঁতৰ কপালৎ মোহৰ ন
কৰিছোঁ তেতিয়ালৈকে পৃথিবী বা সাগৰ বা বৃক্ষবি
লাকক্ হিংসা নকৰিবা যিবিলাক মোহৰৎ ছাপ
দিয়া হল্ সিহঁতৰ একন্ ময় শুনিলোঁ য়িশ্ৰএলৰ্
এটাই ফৈদবিলাকৰ্ এশ চৌৱাল্লিশ হেজাৰটা ছাপ
দিয়া হল্ । য়িহুদাহ ফৈদৰ্ বাৰে হেজাৰ ছাপ দিয়া
৪ হল্ ৰিওবেণৰ্ ফৈদৰ্ বাৰে হেজাৰ ছাপ দিয়া হল্
৫ গাদৰ্ ফৈদৰ বাৰে হেজাৰ্ ছাপ দিয়া হল আশো
ৰৰ্ ফৈদৰ বাৰে হেজাৰ ছাপ দিয়া হল্ নপ্তালিৰ্
৬ ফৈদৰ বাৰে হেজাৰ্ ছাপ দিয়া হল্ মনশেহৰ্

ফইদৰ্ বাৰে হেজাৰ্ ছাপ দিয়া হল্ শিমিওনৰ্ ফই
দৰ্ বাৰে হেজাৰ ছাপ দিয়া হল্ লবিৰ্ ফইদৰ বাৰে
৭ হেজাৰ ছাপ দিয়া হল্ য়িস্সাকৰ্ ফইদৰ বাৰে হেজা
৮ ৰ ছাপ দিয়া হল্ জবুলূনৰ্ ফইদৰ বাৰে হেজাৰ
ছাপ দিয়া হল্ যুসফৰ্ ফইদৰ বাৰে হেজাৰ ছাপ
দিয়া হল্ বেন্যামিনৰ্ ফইদৰ্ বাৰে হেজাৰ ছাপ
৯ দিয়া হল্। ইয়াৰ পাচে ময় চালোঁ আৰু দেখা
যিহক্ কোনেও গণনা কৰিব নোৱাৰে সৰ্ব্বদেশীয় আৰু
সবংশীয় আৰু সৰ্ব্বলোকীয় আৰু সৰ্ব্বভাষীয় এনে এক
অতিশয় জুম্ বগা বস্ত্ৰেৰে পৰিহিত আৰু তালবৃক্ষ
কৰ্ হই সিংহাসন আৰু মেচৰ পোৱালিৰ্ আগৎ
১০ থিয় হল্। আৰু এটাহ পাৰি এই কলে বোলে সিংহা
সনোপৰিস্থ আমাৰ ঈশ্বৰ আৰু মেচৰ পোৱালিক্
১১ প্ৰতি তৰণিৰ্ শ্লাঘা হোক্। তাতে এটাই দূতবি
লাকে সিংহাসনৰ্ আৰু সেই বুঢ়া লোকবিলাকৰ্
আৰু চাৰি জন্তু চাৰিওফালে থিয় হই সিংহাসনৰ্
১২ আগৎ ওবুড়ি হই পড়িল আৰু ঈশ্বৰৰ্ পূজা কৰি
কলে আমিন শ্লাঘা আৰু মহাত্ম্য আৰু জ্ঞান আৰু
কৃতজ্ঞতা স্বীকাৰ আৰু সৎকাৰৰ্ আৰু পৰাক্ৰমৰ্
আৰু বলৰ্ শ্লাঘা সদাসৰ্ব্বদা আমাৰ ঈশ্বৰক্ প্ৰতি
১৩ হোক আমিন। তেতিয়া সেই বুঢ়া লোকহঁতৰ্ মা
তৎ এজন উত্তৰ কৰি বুলিলে বগা বস্ত্ৰেৰে বস্ত্ৰান্বিত
হইছে কোন আৰু কৰ্পৰা আহিল্ তাক্ ময় কলোঁ

১৪ হে দেও তুমি জানা। আৰুও তেঁও মোত কলে
মহাদুঃখৰপৰা আহোঁতা আৰু মেচৰ পোৱালিৰ
তেজেৰ আপোনাহঁতৰ কাপৰ ধুই বগা বৰ্ণ কৰি
১৫ চে যিবিলাকে এই সিবিলাক। এই নিকোনে সি
বিলাকে ঈশ্বৰৰ সিংহাসনৰ আগত থাকে আৰু
সিবিলাকে তেঁওৰ মন্দিৰত ৰাত্ৰিন্দিৱা তেঁওক সেৱা
কৰে আৰু যি সিংহাসনৰ ওপৰত বহে তেঁও সিবি
১৬ লাকৰ মাজত বসতি কৰিব। সিহঁতৰ আৰুও ভোক
বা পিয়াহ নহব আৰু ৰদ বা কোনো তাপ সিহঁতৰ
১৭ ওপৰত নেলাগিব। কিয়নো সিংহাসনৰ মাজত
থকা মেচৰ পোৱালিএ সিহঁতক চৰাব আৰু পানিৰ
অমৰ ভুউৰ কাখৰত সিহঁতক নিবে আৰু সিহঁতৰ
চকুৰপৰা ঈশ্বৰে এটাই লোতক মচি পেলাব।—

পৰ্ব্ব তেঁও সপ্তম মাম মেলিলত পাচে আদ্ধওয়াৰ
৮ স্বৰ্গৰ মাজত নিঃশব্দতা আছিল আৰু ঈশ্বৰৰ আ
গত যি সাত দূত থিয় হয় সিবিলাকক মই দেখিলোঁ
২ আৰু সিবিলাকক সাত তুৰী দিয়া হল আৰু সোনৰ
ধূপৰ বটিহাতত আন এক দূত আহি যজ্ঞভেটিৰ
কাষৰত থিয় হল আৰু সিংহাসনৰ আগত থকা
৩ সোনৰ যজ্ঞভেটিৰ ওপৰত এটাই পুণ্যৱন্ত লোকবিলা
কৰ প্ৰাৰ্থনায় সৈতে উৎসৰ্গিবলৈ ভালেটি ধূপ তেঁ
৪ ওক দিয়া হল। আৰু সেই দূতৰ হাতৰপৰা
পুণ্যৱন্ত লোকবিলাকৰ প্ৰাৰ্থনায় সৈতে সেই ধূপৰ
৫ ধূম ঈশ্বৰৰ আগত উদগত হল। পাচে সেই

দূতে ধূনাৰ বটি লৈ যজ্ঞভেটিৰ অগ্নিৰে পূৰ কৰি
পৃথিবীত পেলায় দিলে তাতে শবদ আৰু মেঘৰ গা
৬ জনি আৰু বিদ্যুৎ আৰু ভূমিকম্প হল্‌। পাচে তুৰী
ধাৰী সেই সাত দূতবিলাকে বাজাবলৈ আপোনাকে
৭ সাজন কৰিলে। প্ৰথম দূতে বাজালে তাতে শিল্‌
আৰু তেজেৰে মিশ্ৰিত জুই হল্‌ আৰু পৃথিবীত
পেলাব্বা হল্‌ তাতে পৃথিবীৰ তৃতীয়াংশ আৰু বৃক্ষৰ
তৃতীয়াংশ আৰু এটাই কুচি ঘাঁহ দগ্ধ হল্‌।—
৮ দ্বিতীয় দূতে বজালে তাতে প্ৰজ্বলিত মহাপৰ্ব্বতৰ
নিচিনা বেহানি সাগৰত পেলাব্বা হল্‌ আৰু সাগৰ
৯ তৃতীয়াংশ তেজ হল্‌ আৰু সাগৰত যিমান প্ৰাণি
ইহঁতৰ তৃতীয়াংশ মৰিল আৰু জাহাজবিলাকৰ
তৃতীয়াংশ নষ্ট হল্‌।—
১০ তৃতীয় দূতে বজালে তাতে প্ৰদীপৰ নিচিনা প্ৰজ্বলি
ত এক মহা তৰা স্বৰ্গৰপৰা খহি পৰিল আৰু নদী
আৰু পানিৰ জৰণিৰ তৃতীয়াংশৰ ওপৰত পৰিল।
১১ সেই তৰাৰ নাম নাগদানা এয়েৰেই পানিৰ তৃতী
য়াংশ নাগদানা হল্‌ আৰু সেই পানি তিতা হোৱাত
ভালেমান মানুহ তাক খায় মৰিল।—
১২ চতুৰ্থ দূতে বজালে তাতে বেলিৰ আৰু জোনৰ
আৰু তৰাৰ তৃতীয়াংশ মৰা গল্‌ তাতে সিহঁতৰ
তৃতীয়াংশ অন্ধকাৰীভূত হল্‌ আৰু দিনৰ তৃতীয়াং
১৩ শ দীপ্তি নহল্‌ আৰু ৰাতিও তেনেকুৱা। পাচে মই
দৃষ্টি কৰিলোঁ স্বৰ্গৰ মাজে দি উড়ুয়মান মহাদূত

এটাই পাৰি এই কথা কৰব শুনিলোঁ বাদৰিষ্যৎ আৰু তিনি দূতবিলাকৰ তুৰীৰ্ শবদেৰে পৃথিবীনিবাসিহঁত ৰ্ সন্তাপ সন্তাপ সন্তাপ হব।—

পৰ্ব্ব পঞ্চম দূতে বজালে তাতে স্বৰ্গৰপৰা পৃথিবীৰ
৯ ওপৰৎ এক তৰা খহি পড়িবৰ্ যয় দেখিলোঁ আৰু
২ তাক্ অতলস্পৰ্শ খাৰ্ব্বৰ চাবি দিয়া হল্। তেঁও
অতলস্পৰ্শ খাৰ্ব্ব মেলিলে তাতে জুইৰ্ বৰ্ কুণ্ডৰপৰা
যেনে ওহে এনে ধুঁৱৰ নিচিনা ধুঁৱ সেই খাৰ্ব্বৰপৰা
ওঠিল সেই খাৰ্ব্বৰ ধুঁৱেৰে বেলি আৰু আকাহ
৩ অন্ধকাৰময় হল্। সেই ধুঁৱৰপৰা কচুৰা ফড়িঙ্গ
পৃথিবীৰ ওপৰৎ ওলাল আৰু পৃথিবীৰ কাঁকড়াবিচা
বিলাকৰ্ পৰাক্ৰমৰ নিচিনা পৰাক্ৰম সিহঁতক্ দিয়া
৪ হল্। আৰু যি লোকবিলাকৰ্ কপালৎ ঈশ্বৰৰ্
মোহৰ নায় সেই লোক বেলেগ পৃথিবীৰ ঘাঁহো বা
কোনো সবুজ বেহানি বা কোনো বৃক্ষ হিংসা নকৰিলে
৫ আজ্ঞা সিহঁতক্ দিয়া হল্। আৰু সেই লোকবিলা
কক্ বধ নকৰিবলৈ সিহঁতক্ আজ্ঞা দিয়া হল্ কিন্তু
কেৱল যেন্ সিহঁতে পাঁচ মাহলৈকে যাতনা পাও এই
আজ্ঞা দিয়া হল্ কাঁকড়াবিচায় মানুহক কামুড়িলে
যেনে যাতনা হয় তেনে যাতনা দিয়োঁতা সিহঁত।
৬ সেই কালৎ লোকবিলাকে মৃত্যু বিচাৰিব কিন্তু তাক
নেপাব সিহঁতে মৰিবলৈকো বৰ ইচ্ছা কৰিব কিন্তু
৭ মৃত্যু সিহঁতৰ ওচৰৰপৰা পলাব। ৰণ কৰিবলৈ
সাজুয ঘোড়াবিলাকৰ যেনে ৰূপে তেনে ৰূপে সেই কচু

দ্ধা ঘোড়াবিলাকৰ হয় আৰু সিহঁতৰ মূৰৰ ওপৰত
সোনৰ নিচিনা কিৰিটি আৰু সিহঁতৰ মুখ মানুহবি
৮ লাকৰ মুখৰ নিচিনা হয়। আৰু সিহঁতৰ চুলি
তিৰোতাহঁতৰ চুলিৰ নিচিনা আৰু সিহঁতৰ দন্ত সিং
৯ হৰ দন্তৰ নিচিনা আৰু সিহঁতৰ লোৰ গাতিৰ নিচিনা
গাতি হয় আৰু ৰণ কৰিবলৈ ধাবমান ৰথ আৰু
ভালেমান ঘোড়াবিলাকৰ শবদৰ নিচিনা সিহঁতৰ
১০ ডেউকৰ শবদ। আৰু কাকঁড়াবিছাবিলাকৰ লেজৰ
নিচনা লেজ সিহঁতৰ হয় আৰু সিহঁতৰ লেজ হুল
যুক্ত হয় আৰু মনুষ্যবিলাকক পাঁচ মাহলৈকে হিংসা
১১ কৰিবলৈ সিবিলাকৰ পৰাক্ৰম হয়। ইব্ৰী ভাষাৰে
আবাদ্দন কিন্তু গ্ৰীক ভাষাৰে আপল্য নামে অতলস্পৰ্শ
১২ গাৰ্ত্তৰ দূত সিহঁতৰ ৰজা। এক সন্তাপগত হল
দেখা আৰু দুয় সন্তাপ ভবিষ্যৎ আছে।—
১৩ ষষ্ঠ দূতে বজালে তাতে ঈশ্বৰৰ সম্মুখস্থ স্বৰ্ণ বে
১৪ দিৰ চাৰি শৃঙ্গৰপৰা ময় এক শবদ শুনিলোঁ। তুৰীধ
ৰোঁতা ষষ্ঠ দূতক সেই শবদে কলে ফৰাৎ নামে ম
হানদীৎ যি চাৰি দূতবিলাক বন্ধিৎ আছে সেই দূত
১৫ বিলাকক মুক্ত কৰা। তাতে মানুহৰ তৃতীয়াংশ
মাৰিবলৈ যি চাৰি দূতবিলাক এক দণ্ড আৰু এক দিন
আৰু এক মাস আৰু এক বৎসৰৰ নিকোনে যুগুত
১৬ কৰা গৈছিল সেই দূতবিলাক মুক্ত কৰা হল। সে
ই অশ্বাৰূঢ় সৈন্য বিংশতি কোটি সংখ্যক আৰু ময়
১৭ সিহঁতৰ সংখ্যা শুনিলোঁ। সেই দৰ্শনত ঘোড়াবিলা

ৰক্ এনেকৈ দেখিলোঁ আৰু অগ্নি আৰু নানা আৰু
গন্ধকবুক পাট যুক্ত তদাৰূঢ় লোকবিলাকক্ মই দেখিলোঁ
সেই ঘোড়াবিলাকৰ মূৰ সিংহৰ মূৰৰ নিচিনা আ
ছিল্ আৰু সিহঁতৰ মুখৰ্পৰা জুই আৰু ধূম আৰু
১৮ গন্ধক ওলাল। সিহঁতৰ মুখৰ্পৰা ওলওঁৱা জুই
আৰু ধূম আৰু গন্ধক এই তিনি আঘাতৎ মানুহৰ্
১৯ তৃতীয়াংশ মৰা গল্। কিয়নো সিবিলাকৰ্ মুখ
আৰু নেজৎ সিহঁতৰ্ পৰাক্রম আছে আৰু সৰ্পৰ্
নিচিনা মূড়াযুক্ত সিহঁতৰ নেজ হয় আৰু তাৰেই
২০ সিহঁতে হিংসা কৰে। আৰু এইবিলাক্ আঘাৎ
যিবিলাক লোক হত নহল্ সেই আগলিকা লোকবি
লাকে আপোনাৰ হস্তাদিত বস্তুলৈ পৰামনন নকৰিল
যেন্ দেৱোবিলাকৰ অৰ্চ্চ আৰু দেখিবলৈ আৰু
শুনিবলৈ আৰু গতি কৰিবলৈ অসমৰ্থ সোন ৰূপ
পিতল পুস্তৰ্ কাষ্ঠ নিৰ্ম্মিত ঠাকুৰবিলাকৰও অৰ্চ্চ
২১ নকৰে আৰু সিবিলাকে আপোনাইঁতৰ্ বধ আৰু
ডাইন ক্রিয়া আৰু ব্যভিচাৰ্ আৰু চৌৰ্য্যৰ্ বিষয়েও
পৰামনন নকৰিলে।—

পৰ্ব্ব মেঘৎ পৰিহিত মূৰ ধেন্ন টঙ্কাৰেৰে বিভূষিত সূৰ্য্য
১০ ৰ নিচিনা মুখ জুই স্তম্ভৰ নিচিনা ভৰি স্বৰ্গৰপৰা অৱ
ৰোহক্ আন এক বলৱন্ত দূতক মই দেখিলোঁ তাৰ্
২ হাতৎ এক মেলা সৰু পুথি আৰু তেওঁ সাগৰৰ্ ওপ
৩ ৰৎ সোঁ ভৰি আৰু ভূমিৰ ওপৰৎ বাঁও ভৰি দি সিং
হৰ গৰ্জ্জনৰ্ নিচিনা এটাইপাৰি কলে আৰু তেঁওৰ্

কৰুৰ পিচৎ মেঘৰ্ সাৎ গৰ্জন আপোনাহঁতৰ্ শব্দ
প্ৰৌচিক্ কৰিবে সেই মেঘৰ সাৎ গৰ্জন আপো
৪ নাৰ্ শবদ প্ৰৌচিক্ কৰিলে পাচে ময় লিখিবলৈ
ওদ্যম কৰিলোঁ তাতে মেঘৰ সাৎ গৰ্জন যি যি
কথা প্ৰৌচিক্ কৰিছে তাক্ ধ্যান কৰি বন্ধ কৰা
আৰু নিলিখিবা মোৰ্ কাণৰৎ এই বাক্য বোলোঁ
৫ তা এক আকাশী বাণী ময় শুনিলোঁ। পাচে সা
গৰ্ আৰু ভূমিৎ দণ্ডাকাৰ দূতক্ ময় দেখিলোঁ সেই
দূত স্বৰ্গ ফাললৈ সোঁ হাত তুলি নিত্যো বৰ্ত্তমান
৬ আৰু স্বৰ্গৎ তন্মাজৎ থকা পৃথিবী আৰু তন্মাজৎ থকা
সাগৰ আৰু তন্মাজৎ থকা বেহানিৰ সুজোতাৰ
নাম কাঢ়ি শপৎ কৰিলে বোলে আৰু কলা নহব।
৭ কিন্তু আপোনা আচাৰ্য্য সেৱকবিলাকৰ কাণৰৎ ঈশ্ব
ৰে যেনেকৈ প্ৰৌচিক্ কৰিছে তেনেকৈ সেই সপ্তম
দূতৰ্ কালৎ অৰ্থাৎ সি যেতিয়া বাবলৈ ধৰিব তেতি
৮ য়া ঈশ্বৰ্ গূঢ় বিষয় সাঙ্গ হব। যি আকাশী বাণী
ময় শুনিলোঁ সেই বাণী। আকৌ মোৎ কলে সাগৰ
আৰু ভূমিৎ দণ্ডাকাৰ দূতৰ্ হাতৎ থকা যি মুক্ত মে
৯ লা পুথি সেই পুথি লোৱা। তাতে সেই দূতৰ
ওচৰলৈ গৈ ময় তাৎ কলোঁ সেই মুক্ত পুথি মোক্
দিয়া সি হুঁকিলে তাক্ লোৱা ভক্ষণ কৰা পাচে সি
তোমাৰ পেটকডিতা কৰিব কিন্তু তোমাৰ মুখৎ মৌৰ
১০ নিচিনা সোৱাদ হব। তেতিয়া সেই মুক্ত পুথি
দূতৰ্ হাতৰপৰা লৈ ময় খায় পেলালোঁ সি মোৰ্

অথচ্ মোৰ্ নিচিনা মোৱাদ হল্ কিন্তু তাক্ খালতে
১১ মোৰ্ পেট তিতা হল্। পাচে তেঁও মোক্ কলে তালে
মান মানুহ আৰু দেশীয়া আৰু ভাষীয়া ৰজাবি
লাকৰ আগৎ তুমি আচাৰ্য্যবাক্য আকৌ কব লা
গিব।—

পৰ্ব্ব পাচে দণ্ডৰ্ নিচিনা এটা নল মোক্ দিয়া হল্ আৰু
১১ সেই দূত থিয় হই কলিলে উঠা ঈশ্বৰৰ্ মন্দিৰ
আৰু যজ্ঞবেদি আৰু তাৰ্ মাজৰ্ পূজকইঁতক্ জো
২ খা। কিন্তু মন্দিৰৰ্ বাজৰ চোতাল এৰা আৰু
নজুখিবা কিয়নো আন্ বিদেশীবিলাকক্ তাক্ দিয়া
গৈছে আৰু সিহঁতে বিয়ালিশ মাহলৈকে পবিত্ৰ নগৰ
৩ ভৰি তলুৱাৰে গচকিব। ময় মোৰ্ দুয় সাক্ষীক্
পৰাক্ৰম দিম্ আৰু সিহঁত চটৰ বস্ত্ৰান্বিত হই
৪ এহেজাৰ দুশ ষাঠি দিন আচাৰ্য্যবাক্য কব। পৃথি
বীৰ ঈশ্বৰৰ্ আগৎ যি দুয় জিতবৃক্ষ আৰু দুয় প্ৰদী
৫ প স্থিত আছে সেই এই দুয়। যেদি কোনোএ
সিহঁতক্ হিংসা কৰিব খোজে তেবে সিহঁতৰ্ মুখৰ্
পৰা জুই ওলায় আৰু সিহঁতৰ্ শত্ৰুবিলাকক্ খায়
পেলায় যেদি কোনোএ সিহঁতক্ হিংসা কৰিব খো
৬ জে তেবে এনেকৈ তাক্ মাৰি পেলাব লাগিব। সি
বিলাকৰ্ আচাৰ্য্যবাক্য কহন কালৎ বৰষুন নহয়
এই নিকোনে সিহঁতৰ্ স্বৰ্গ বন্ধ কৰাৰ আৰু পানি
তেজ কৰাৰ আৰু যতবাৰ সিতহঁৰ্ ইচ্ছা ততবাৰ
পৃথিবীক্ এটাই আঘাত দিয়াৰো পৰাক্ৰম সিহঁতৰ্

৭ আচে। আৰু সিহঁতৰ্ প্ৰমাণ দিয়া সাঙ্গ হলৎ অতল
স্বৰ্গ থাৰ্ব্বৰপৰা ঊৰ্দ্ধগামী হিংস্ৰ জন্তু সিহঁতে সৈতে
ৰণ কৰিব আৰু সিহঁতক্ হৰুৱাব আৰু সিহঁতক্
৮ বধ কৰিব। যি নগৰ্ উপমা কৰি সদোম আৰু মি
সৰ্ নামে প্ৰসিদ্ধ যত আমাৰ প্ৰভু ক্ৰুশৎ হত হল্
৯ সেই বৰ্ নগৰৎ সিহঁতৰ্ মৃত শৰীৰ পড়িব আৰু
লোকবিলাকে আৰু বঙহ্বিলাকে আৰু ভাষীবিলাকে
আৰু দেশীবিলাকে সাড়ে তিনি দিনলৈকে সিহঁতৰ্
মৃত শৰীৰ দেখিব আৰু সিহঁতৰ্ মৃত শৰীৰ মইদা
১০ মৎ প্ৰোথিৎ কৰবলৈ নিদিব আৰু পৃথিবীনিবাসী লোক
বিলাকে সিহঁতৰ্ ওপৰৎ আনন্দ কৰিব আৰু কৌতুকা
দি ব্যৱহাৰ কৰিব আৰু অন্যোঅন্যে সওগাৎ পঠি
য়াব কিয়নো যিবিলাকে পৃথিবীৎ বসতি কৰে সিঁহতক্
১১ এই দুই আচাৰ্য্য যাতনা দিলে। সাড়ে তিনি দিন
গলৎ পাচে ঈশ্বৰৰ্পৰা অহা জীৱাত্মা সিহঁতৰ্ মা
জৎ সোমালহি আৰু সিহঁৎ আপোন ভৰিৰে থিয়
হল্ তাতে যিবিলাকে সিহঁতক্ দেখিলে সিহঁতৰ্ ওপ
১২ ৰৎ বৰ্ ভয় পড়িল। এখোনৈ আহা সিহঁতক্ এই
কথা কৈ মহা আকাশবাণী সিবিলাকে শুনিলে পাচে
সিবিলাকে মেঘৎ সোমায় স্বৰ্গাৰোহণ কৰিলে সি
১৩ বিলাকৰ্ শত্ৰুবিলাকেও সিবিলাকক্ দেখিলে। সেই
দণ্ডৎ মহাভূকম্প হইচিল্ তাতে নগৰৰ্ দশমাংশ
পড়িল্ সেই ভুইকম্পৎ মানুহৰ্ নাম সাত হেজাৰ্

যন্ত্ৰা গল্ আৰু যি লোক অৱশেষ আছিল্ সিবিলাকে
১৪ ভীত হৈ স্বৰ্গৰ্ ঈশ্বৰৰ্ শ্লাঘা কৰিলে। দ্বিতীয়
সন্তাপ গল্ দেখা তৃতীয় সন্তাপ সত্বৰে উপগত হুব।
১৫ সপ্তম দূতে বজালে পাচে এই জগতৰ্ সম্প্ৰদায়
ৰাজা আমাৰ প্ৰভুৰ্ আৰু তেঁওৰ্ খ্ৰীষ্টৰ্ আধিপত্য
হল্ আৰু তেঁও সদাসৰ্ব্বক্ষণে কৰ্তৃত্ব কৰিব এই বাক্য
১৬ বোলোঁতা ডাঙ্গৰ শব্দ স্বৰ্গৎ হল্। পাচে
ঈশ্বৰৰ্ সন্মুখে সিংহাসনোপবিষ্ট সেই চব্বিশ বুঢ়া
লোকবিলাক উবুৰি খাই পৰি এই কথা কৈ কৈ ঈশ্ব
ৰক্ ভজনা কৰিলে বোলে হে বৰ্ত্তমান আৰু অতীত
আৰু ভবিষ্যৎ প্ৰভু সৰ্ব্বশক্তিমান ঈশ্বৰ তুমি আপো
নাৰ মহাপৰাক্ৰম লৈ কৰ্তৃত্ব কৰিছা সেই নিমিত্তে
১৭ তোমাক প্ৰতি সলাগোঁ। আৰু দেশী লোকবিলাক
ক্ৰুদ্ধ আছিল্ আৰু তোমাৰ্ খঙ আগত আৰু যেতি
য়া মৃতকহঁতৰ্ কৰ্ম্মৰ শোধ হয় আৰু তুমি আপোন
আচাৰ্য্য সেৱকবিলাকক্ আৰু পবিত্ৰবিলাকক্ আৰু
সৰু বৰ যিমান লোকে তোমাৰ নামে ভয় কৰে এই
১৮ এটাইবিলাকক্ যি কালৎ প্ৰতিফল্ দিবা আৰু পৃথিবী
নাশকবিলকক্ যি কালৎ নষ্ট কৰিবা সেই কাল
১৯ উপগত হুইছে। পাচে স্বৰ্গৰ মাজৎ ঈশ্বৰৰ্
মন্দিৰ মেলা হল্ তাতে তেঁওৰ্ মন্দিৰৎ সাক্ষ্যৰূপ পেৰা
দেখা গল্ তাতে বিদুলি চমকবিলাক্ আৰু শব্দবিলা
ক্ আৰু মেঘগৰ্জনিবিলাক্ আৰু ভুমিকম্প আৰু মহা
শিলাবৃষ্টি হল্।—

পৰ্ব্ব পাচে স্বৰ্গৎ এক মহাশ্চৰ্য্য দেখা গল সূৰ্য্য পৰি
১২ হিতা পাদাধঃচন্দ্ৰা আৰু দ্বাদশ নক্ষত্ৰ মুকুটেৰে বিভূ
২ ষিতমস্তকা এক তিৰী আছিল। সেই তিৰী গৰ্ভৱতী
হই আৰু প্ৰসৱকাল উপগত হোৱাৎ প্ৰসৱ বেদনাৎ
৩ ব্যথিতা এটাহ পাৰিলে। স্বৰ্গৎ আন এক আশ্চৰ্য্য
দেখা গল দেখা সাৎ মূৰ আৰু দহ শৃঙ্গযুক্ত আৰু
সাৎ কিৰিটিৰে বিভূষিত মূৰ ৰক্তবৰ্ণ মহাকায় এক
৪ নাগ আছিল। তাৰ নেজ স্বৰ্গৰ তৰাৰ তৃতী
য়াংশ টানি পৃথিবীৎ ক্ষেপণ কৰিলে। প্ৰসৱলৈ
উদ্যতা সেই তিৰীৰ লৰাক প্ৰসৱ হলতেই খাবলৈ
৫ সেই নাগ তাৰ আগৎ থিয় হল। আৰু এটাই
দেশীয়াহঁতক লোৰ টাঙ্গোনেৰে শাসন কৰিব এনে
এক পুত্ৰ সন্ততিক সি প্ৰসৱ কৰিলে পাচে ঈশ্বৰ আৰু
তেওঁৰ সিংহাসনৰ ওচৰৎ সেই লৰা আকৰ্ষিত হল।
৬ তিৰী হাবিলৈ পলাল যি ঠাইৎ ঈশ্বৰকৰ্ত্তৃক তেওঁলৈ
যুগুৎ কৰা গৈছিল যেন সিবিলাক এহেজাৰ দুশ ষাঠি
৭ দিন লৈকে তাক প্ৰতিপালন কৰে। আৰু স্বৰ্গৎ
ৰণ লাগিল মিখাএলে আপোনাৰ দূতবিলাকক নী
সেই নাগে সৈতে ৰণ কৰিলে আৰু নাগেও আপো
৮ নাৰ দূতবিলাকক লৈ ৰণ কৰিলে। আৰু পৰাস্ত
কৰিব নোৱাৰিলে আৰু স্বৰ্গৎ তেওঁৰ আৰু ঠাই
৯ পোৱা নহল। পাপাত্মা অথচ শয়তান নামে সৰ্ব্ব
জগতীস্থ এটাই লোকৰ ভণ্ডক সেই মহানাগ অথচ
বৃদ্ধ সৰ্প বাজ ওলিয়োৱা হল আৰু সি পৃথিবীৎ

অধঃপাতিত হল্ আৰু তেঁওৰ্ দূতবিলাকে তেঁৱে
১০ সৈতে অধঃপাতিত হল্। পাচে স্বৰ্গৎ এই বাক্য বো
লোঁতা মহাশব্দ ময় শুনিলোঁ বোলে এতিয়া ত্ৰাণ
আৰু সামৰ্থ্য আৰু আমাৰ ঈশ্বৰৰ্ ৰাজ্য আৰু
তেঁওৰ্ খ্ৰীষ্টৰ্ পৰাক্ৰম উপগত হুইছে কিয়নো
১১ আমাৰ ভায়ইঁতৰ্ যি অপবাদী দিৱাৰাত্ৰি সিইঁতৰ্
ঈশ্বৰৰ্ আগৎ সিইঁতক্ অপবাদ কৰিলে সেয়েই
অধঃপাতিত হুইছে আৰু সিইঁতে মেচৰ্ পোৱালিৰ
তেজেৰে আৰু আপোনাৰ সাক্ষীৰূপ বাক্য দোৱাৰা
তাক্ পৰাভৱ কৰিলে সিইঁতে মৰণলৈকে আপোনাৰ
১২ প্ৰাণকো চেনেহ নকৰিলে। এয়েৰেই হে স্বৰ্গ
বিলাক আৰু তন্নিবাসিইঁৎ তোমোলাকে আনন্দ
কৰা হে পৃথিৱী আৰু সাগৰনিবাসিইঁৎ তোমোলাকৰ্
১৩ সন্তাপ হুব কিয়নো আপোনাৰ আৰু অত্যল্প কাল
মাথোন যি আছে শয়তানে ইয়াক্ জানি অতিক্ৰোধ
কৰি তোমোলাকৰ্ মাজতে নামিছে সেই নাগ
আপোনাক পৃথিৱীতে অধঃপাতিত দেখি যি তিৰীএ
পুত্ৰ সন্ততি প্ৰসৱ হুইছিল্ সেই তিৰীৰ বিপক্ষতা
১৪ কৰিলে। সেই তিৰী যৎ সৰ্পৰ্ মুখৰ্পৰা ৰক্ষি
তা হুই এক কাল আৰু কালবিলাক আৰু অৰ্দ্ধকাল
লৈকে প্ৰতিপালিতা হুই থাকিবলৈ আপোনাৰ সেই
ঠাইলৈ উড়িবলৈ বৰ্ কুড়ুৰাৰ দুয় ডেকা সেই তি
১৫ ৰীক্ দিয়া হল্। তেতিয়া তাইক্ পাণি বনিয়াৎ উটা
বৰ্ নিকোলে সেই সাপ তিৰীৰ্ পিচেৎ আপোনাৰ্

ঝুখৰপৰা পানিবলিয়াৰ্ নিচিনা পানি ওলিয়ালে কিন্তু
১৬ পৃথিবীএ সেই তিৰীক্ উপকাৰ্ কৰিলে। আৰু পৃথি
বীএ আপোন মুখ মেলি নাগৰ্ মুখৰ্পৰা ওলাল পানি
১৭ বনিয়া গৰাহ্ মাৰিলে। পাচে সেই তিৰীৰ ওপ
ৰৎ নাগে খঙ কৰি ঈশ্বৰৰ্ আজ্ঞাপালনক্ আৰু
যিশু খ্ৰীষ্টৰ প্ৰমাণাধিকাৰি তেঁওৰ অৱশেষ সন্ততি
হঁতে সৈতে ৰণ কৰিবলৈ বৰিলে।—

পৰ্ব্ব মঁয় সাগৰৰ্ বালিৰ্ ওপৰৎ থিয় হলোঁ আৰু সাৎ
১৩ মূড় আৰু দহোটা শিঙ আৰু শিঙৎ দহোটা কিৰি
টী আৰু মূড়ৰ ওপৎ নিন্দাৰূপ নাম্ এই এটাই বি
শিষ্ট সাগৰৰ্পৰা ওদ্গমন কৰোঁতা এক হিংস্ৰ জন্তুক
২ মঁয় দেখিলোঁ। যি হিংস্ৰজন্তুক মঁয় দেখিলোঁ সেই
জন্তু চিতা বাঘৰ নিচিনা তাৰ ভৰি ভালুকৰ্ ভৰিৰ্
নিচিনা আৰু তাৰ মুখ সিংহৰ মুখৰ নিচিনা
আৰু সিহঁৎ পৰাক্ৰম আৰু তেঁওৰ সিংহাসন আৰু
৩ মহাশাসন্ নাগ তাক দিলে। তাৰ এক মূড়
মৃত কল্প হত মঁয় দেখিলোঁ পাচে তাৰ মৃত্যুকাৰক
ঘা ভাল কৰা হল্ সেই হিংস্ৰ জন্তুক প্ৰতি জগতৰ
৪ এটাই লোকহঁতৰ্ বিস্ময় লাগিল। এই হিংস্ৰ
জন্তুৰ পৰাক্ৰম দিয়োঁতা নাগৰ্ পূজা সিবিলাকে
কৰিলে আৰু সেই জন্তুৰ্ সদৃশ কোনে সিহঁতে সৈতে
ৰণ কৰিব পাৰে কোনে এই কথা কৈ সিবিলাকে
৫ সেই জন্তুৰ্ পূজা কৰিলে। মহাকথা আৰু
নিন্দাবাক্য বোলোঁতা এক মুখ তাক্ দিয়া হল্

আৰু বিয়ালিশ মাহলৈকে ৰণ কৰাৰ্ পৰাক্ৰম তাক
৬ দিয়া হল্। ঈশ্বৰৰ্ নাম আৰু তাম্বু আৰু স্বৰ্গবা
সিহঁতৰ নিন্দা কৰিবৰ্ নিকোনে সেই হিংস্ৰ জন্তু ঈ
৭ শ্বৰৰ্ বিৰুদ্ধে নিন্দা কথা কবলৈ মুখ মেলিলে। পুণ্য
বন্তে সৈতে ৰণ কৰিবলৈ আৰু সিহঁতক্ পৰাস্ত ক
ৰিবলৈ তাক্ পৰাক্ৰম দিয়া হল্ আৰু এটাই বওহ
আৰু জাতি আৰু ভাষীয়া আৰু দেশীয়া লোকবিলা
৮ কৰ্ ওপৰৎ পৰাক্ৰমো তাক্ দিয়া হল্। জগতৰ্ মূল্
কৰণাবধি হত মেষৰ্ পোৱালিৰ্ জীৱনকৰ্ন পুস্তকৎ
পৃথিৱী নিবাসিহঁতৰ্ মাজৎ যিমান মানুহৰ্ নাম আ
৯ লিখিত সেই এটায়ে তেঁওক পূজা কৰিব। যাৰ্ কৰ্ণ
১০ যেদি থাকে তেবে সি শুনক। যি জন পৰদেশ লৈ লৈ
যায় সি আপুন্ দেশলৈ নীয়া হব যি তলোৱালেৰে বধ
কৰে সি তলোৱালৎ হত হব ইয়াতে পুণ্যৱন্ত লোক
১১ বিলাকৰ্ সহিষ্ণুতা আৰু ভক্তি। পাচে মেষৰ পোৱা
লিৰ্ নিচিনা দুয় শৃঙ্গযুক্ত নাগৰ নিচিনা বাক্যবোলোঁ
তা পৃথিৱীৰপৰা ওগ্নয়ন কৰোঁতা আন্ এক হিংস্ৰ
১২ জন্তুক ময় দেখিলোঁ। প্ৰথম হিংস্ৰ জন্তুৰ্ এটাই শাসন
এই জন্তু তাৰ্ আগৎ কৰে আৰু যি প্ৰথম জন্তুৰ্ মৃ
ত্যু কৰোঁতা ঘা ভাল্ হল্ সেই জন্তুৰ পূজা পৃথিৱীক্
আৰু তন্নিবাসি লোকবিলাকক্ এই হিংস্ৰ জন্তুএ
১৩ কৰোঁৱায়। সি মহাশ্চৰ্য্য কৰ্ম্ম কৰে আৰু মানুহৰ
১৪ দৃষ্টিৎ স্বৰ্গৰপৰা পৃথিৱীৎ জুই বৰষে। আৰু এই
জন্তুৰ আগৎ যি আশ্চৰ্য্য কৰিবলৈ তেঁওৰ সামৰ্থ্য

আছে তদ্দ্বাৰা তলোৱালৈ ক্ষত অথচ জীয়া পশুৰ্
মুৰ্ত্তি কৰিবলৈ পৃথিবী নিবাসী বিলাকক কৈ সি আশ্চর্য্য
১৫ কর্ম্মৰ দোৱাৰা পৃথিবী নিবাসিহঁতক ভণ্ডনা কৰে।
আৰু সেই হিংস্র জন্তুৰ প্ৰতিমাক্ কথা কোৱাৰ্ সাম
র্থ্য দিবলৈ আৰু যিমান মানুহে সেই হিংস্র জন্তুৰ
প্ৰতিমা পূজা নকৰে সেই লোক্‌বিলাকক্ বধ কৰিবলৈ
হিংস্র জন্তুৰ প্ৰতিমাক্ প্ৰাণ দিবলৈ তেওঁৰ্ সামর্থ্য
১৬ আছে। আৰু সৰু বৰ ধনী দৰিদ্ৰ মুক্ত বদ্ধ এটাই
লোকবিলাকক্ আপোনাৰ্ দক্ষিণ হাতে বা কপালত
১৭ চিহ্ন সেই জন্তুৰ গ্ৰহণ কৰায়। সেই চিহ্নবিশিষ্ট বা
সেই হিংস্র জন্তুৰ্ নামবিশিষ্ট বা তেওঁৰ নামৰ সংখ্যা
বিশিষ্ট লোকক্ এড়ি কোনোএ ক্রয় বিক্রয় নকৰে এনে
১৮ কৰে। বিদ্যা এই বিদ্বান যি জন সি জন্ হিংস্র
জন্তুৰ অঙ্ক গণনা কৰোক কিয়নো সেই মানুহৰ্
অঙ্ক আৰু তাৰ্ অঙ্ক ছশ ছেষষ্ঠি।—

পর্ব্ব ময় দৃষ্টি কৰিলোঁ তাতে দেখা সীওন পর্ব্বতৰ ওপ
১৪ ৰত এক মেষৰ পোৱালি থিয় হল্ আৰু আপোনাৰ্
আৰু আপোন পিতৃৰ নাম কপালত লিখা এশ চৌৱা
২ ল্লিশ হেজাৰ জন তাৰ লগত থিয় হল্ আৰু ভালে
মান পানিৰ্ শবদৰ্ নিচিনা আৰু মেঘৰ্ বৰ্ গাজ
নিৰ নিচিনা শবদ ময় স্বৰ্গৰ্‌পৰা শুনিলোঁ আৰু বীণ
বজাইছে যি বীণবজোৱাইঁতে সিহঁতৰ শবদো ময়
শুনিলোঁ সিংহাসনৰ্ আৰু চাৰি জন্তুৰ্ আৰু বুঢ়া
লোকবিলাকৰ্ আগত সিহঁতৰ্ নবীন গীতৰ নিচিনা

৩ এক গীত গালে। আৰু পৃথিৱীৰপৰা ক্ৰীত সেই
এশ চৌৱাল্লিশ হেজাৰ লোকক্ এড়ি কোনেও সেই
গীত শিখিব নোৱাৰিলে। যিবিলাক স্ত্ৰী স্পৰ্শনেৰে
৪ অপোনাইঁতক্ অশুচি কৰা নায় সিহঁৎ এই। কি
য়নো ইহঁৎ আবিয়ৈ আৰু মেচৰ পোৱালি যি কোনো
ঠাইৎ যায় সেই ঠাইৎ ইহঁতে তেঁওৰ্ পশ্চাদ্গা
মী ইহঁৎ ঈশ্বৰ্ আৰু মেচৰ্ পোৱালিক্ প্ৰতি প্ৰথম
৫ ফল্ স্বৰূপ মানুহবিলাকৰ মাজৰ্পৰা ক্ৰীত হয়। সি
হঁতৰ্ মুখৎ একো ভণ্ডনা পোৱা নহল্; কিয়নো ঈশ্বৰৰ্
৬ সিংহাসনৰ্ আগৎ সিহঁৎ নিৰ্দ্দোষী। পৃথিৱী নি
বাসী আৰু প্ৰতিদেশীয়া মানুহ আৰু বংশ আৰু
ভাষী আৰু লোকবিলাকৰ্ শ্ৰৱণৎ অনন্ত শুভবাৰ্ত্তা ঘো
ষণা কৰিবলৈ তঙ্কাৰী আৰু ঈশ্বৰলৈ ভয় কৰা আৰু
তেঁওক্ সৎকাৰ কৰা কিয়নো তেঁওৰ শোধিৰ দণ্ড ওপ
৭ গত আছে। আৰু যি স্বৰ্গ আৰু পৃথিৱী আৰু সাগৰ
আৰু পানিৰ ঘুণ্ড সৃজিলে তেঁওক্ ভজা এই কথা কওঁ
তা স্বৰ্গৰ মাজৎ ওড়ায়মান আন্ এক দূতক মই
দেখিলোঁ পাচে বাবেল নামে সেই বৰ্ নগৰ পড়িল২
কিয়নো সি আপোন আতিজ্বলন্ত বেশ্যাবৃৰ্ত্তি মদৎ এটা
৮ ই দেশীয়াইঁতক্ মত্ত কৰিছে এই বাক্য বোলোঁতা
৯ আন্ এক দূত তেঁওৰ পশ্চাদ্গামী হল্। সেই হিংস্ৰ
জন্তুকে আৰু তাৰ্ প্ৰতিমাকে যেদি কোনোএ পূজা কৰে
আৰু কপালৎ বা হাতৎ যেদি তাৰ্ সাঁচ লয় তেবে
ঈশ্বৰৰ্ অমিহলি ঘণ্ড মদ তেঁওৰ ঘণ্ডময় বাটীৎ ৰকা

১০ হয় সেই জন সেই মদ পীয়োঁতা হ্বব আৰু পুণ্যৱন্ত
দূতবিলাকৰ্ আৰু মেচৰ্ পোৱালিৰ্ আগৎ জুই
১১ আৰু গন্ধকেৰে তাৰ্ যাতনা কৰা হ্বব। সিবি
লাকৰ্ যাতানাৰ্ ধূম সদা সৰ্ব্বক্ষণে উঠে আৰু যিবি
লাকে সেই হিংস্ৰ জন্তুৰ্ বা তাৰ্ প্ৰতিমাৰ্ পূজা
কৰে আৰু যি তাৰ্ নামৰ্ চিহ্ন গ্ৰহণ কৰে দিনে
ৰাতিএ কেতিয়াও সিহঁতৰ্ জিৰণি নায় এটাইপাৰি
এই বাক্য বোলোঁতা তৃতীয় এক দূত তাৰ্ পিচৎ গল্।
১২ পুণ্যৱন্ত লোকবিলাকৰ্ সহিষ্ণুতা এই দেখা ঈশ্ব
ৰৰ্ আজ্ঞা আৰু খ্ৰীষ্টৎ মঞ্জাৎ পালে তাবিলাক্ এই
১৩ দেখা। পাচে লিখ এতিয়াৰপৰা যিবিলাক্ প্ৰভুৎ
মৰে সিবিলাক্ ধন্য আন্যায়ো ইয়াকে কয় কিয়নো সি
বিলাক্ আপোনাৰ্ কৰ্ম্মৰপৰা জীৰণি পায় আৰু সিবি
লাকৰ্ কৰ্ম্ম সিবিলাকৰ্ সহবৰ্ত্তী হয় মোৰ্ কাষৰৎ
এই বাক্য বোলোঁতা এক আকাশী বাণি ময় শুনিলোঁ।
১৪ পাচে ময় চালোঁ আৰু দেখা শ্বেতবৰ্ণ এক মেঘ
আৰু মূড়ৎ সোনৰ্ কিৰিটি আৰু হাতৎ চোকা কাচী
মানুহৰ্ পুত্ৰেকৰ্ নিচিনা সেই মেঘোপবিষ্ট এক পুৰু
১৫ ষক্ ময় দেখিলোঁ। তোমাৰ কাচী লগায় শহ দোৱা
শহ দাবৰ্ বতৰ্ উপগত হ্বইচে কিয়নো পৃথিবীৰ
শহ পাকিচে সেই মেঘোপবিষ্ট পুৰুষক্ এটাইপাৰি
এই বাক্য বোলোঁতা আযচ মন্দিৰৰপৰা ওলোঁৱা আন্
১৬ এক দূতক্ ময় তাৰ্ পাচে দেখিলোঁ। তাতে মেঘোপ

কিন্তু প্ৰভুৰ পৃথিৱীত আপোন চোকা কাচী লগালে
আৰু পৃথিৱীৰ শস্য দোৱা হল।—
১৭ তাৰপাচত চোকা কাচী ধৰোঁতা আন এক দূত স্বৰ্গ
১৮ স্থ মন্দিৰৰ পৰা ওলাল। তাৰপচে জুইৰ ওপৰত
পৰাক্ৰম ধৰোঁতা আন এক দূত যজ্ঞবেটিৰ পৰা ওলাল
আৰু এটাইপাৰি সেই দূত চোকা কাচী ধৰোঁতা
প্ৰভুৰত কলে বোলে পৃথিৱীৰ দ্ৰাক্ষাফল পৰিপক্ক হল
এতেকেই তোমাৰ চোকা কাচী লগায় পৃথিৱীৰ দ্ৰাক্ষাৰ
১৯ থোপা গোটেৱা। তাতে সেই দূতে আপোনাৰ
চোকা কাচী পৃথিৱীত লগায় পৃথিৱীৰ দ্ৰাক্ষালতাৰ ফল
সাঁচিলে আৰু ঈশ্বৰৰ খঙৰূপ বৰ দ্ৰাক্ষা যন্ত্ৰত তাক
২০ পেলালে। পাচে নগৰৰ বাজত সেই দ্ৰাক্ষা যন্ত্ৰ
খুন্দা হল আৰু এশ ক্ৰোশ লৈকে ওখত ঘোড়াৰ দন
লৈকে তেজ সেই দ্ৰাক্ষা যন্ত্ৰৰ পৰা ওলাল।—
পৰ্ব্ব বৰ আৰু আশ্চৰ্য্য আন এক লক্ষণো মই স্বৰ্গত
১৫ দেখিলোঁ শেষৱৰ্ত্তী সাত যন্ত্ৰণা ধৰোঁতা সাত দূতক
মই দেখিলোঁ কিয়নো সেই যাতনাত ঈশ্বৰৰ খঙ পৰি
২ পূৰ্ণ হয়। জুইত মিহলি কাঁচময় এক সাগৰৰ নিচি
না বেহানিয়ো মই দেখিলোঁ আৰু হিংস্ৰ জন্তু আৰু
তাৰ প্ৰতিমা আৰু তাৰ সাঁচ আৰু তাৰ নামৰ শংক
এইবিলাকৰ জয়ী যিবিলাক হয় সিবিলাকে ঈশ্বৰৰ
বীণা হাতত লৈ কাঁচৰ সাগৰৰ ওপৰত থিয় হয়।
৩ আৰু হে সৰ্ব্বশক্তিমান প্ৰভু ঈশ্বৰ তোমাৰ কৰ্ম্ম বৰ
আৰু আশ্চৰ্য্য হে পবিত্ৰবিলাকৰ ৰজা তোমাৰ কৰ্ম্ম

পৰমাৰ্থ আৰু সঁচা তোমাক এতি ধৰ্ম্মস্বৰূপ আন্ কো
৪ নো নায় এয়েৰেই হে প্ৰভু তোমালৈ কোনে ভয় নক
ৰিব আৰু তোমাৰ্ নামৰ্ মাহাত্ম্য কোনে নকৰিব
কিয়নো তোমাৰকৰ্ত্তৃক্ দণ্ড দিয়া প্ৰৌচক্ হলে এটাই
দেশীয়া মানুহে আহি তোমাৰ্ আগৎ ভজনা কৰি
ব এই কথা কৈ সিবিলাকে ঈশ্বৰৰ সেৱক্ মোশহৰ্
৫ গীত আৰু মেচৰ্ পোৱালিৰ্ গীত গালে। তাৰ পাচে
ময় দৃষ্টি কৰিলোঁ আৰু দেখা স্বৰ্গস্থ মন্দিৰ্ সাক্ষ্য
৬ ৰূপ তাম্বু অৰ্থাৎ মেলা হল্ আৰু নিৰ্ম্মল্ আৰু শুক্ল
বৰ্ণ কাপৰে পৰিহিত বুকুৎ স্বৰ্ণ গাতিৰে বেষ্টিৎ
সেই সাৎ যন্ত্ৰণা ধৰোঁতা সাৎ দূত মন্দিৰৰ্পৰা
৭ আহিল্।   পাচে সেই চাৰি জন্তুবিলাকৰ্ মাজৎ
এক জন্তু সদায় জীৱৎ ঈশ্বৰৰ্ ক্ৰোধেৰে পৰিপূৰ্ণ
৮ সাৎ স্বৰ্ণ পাত্ৰ সেই সাৎ দূতবিলাকক্ দিলে। আৰু
ঈশ্বৰৰ্ মাহাত্ম্য আৰু পৰাক্ৰমৎ মন্দিৰ ধূমেৰে পূৰ্ণ
হল্ আৰু সেই সাৎ দূতবিলাকৰ্ সাৎ যাতনা যেতি
য়ালৈকে পূৰ্ নহল্ তেতিয়া লৈকে কোনো মন্দিৰৎ
সোমাব নোৱাৰে।—

পৰ্ব্ব   তোমোলাক্ যোৱা ঈশ্বৰৰ্ খঙৰূপ পাত্ৰ পৃথিবীৎ
১৬ বাকি দিয়া সেই সাৎ দূতবিলাকক্ বাক্য বোলোঁতা
১ এক মহাশব্দ মন্দিৰৰ্পৰা ময় শুনিলোঁ।   তাতে
প্ৰথম ব্যক্তি গৈ তাৰ্ পাত্ৰ পৃথিবীৎ ঢালিলে পাচে সেই
হিংস্ৰ জন্তুৰ চিনবিশিষ্ট লোক যিবিলাক্ সিইঁতলৈ

প্ৰতিমা পূজা কৰিলে সেই লোকৰ ওপৰৎ বৰ গেলা
আৰু যাতনা দিয়োঁতা ঘা পৰিল।—

৩ দ্বিতীয় দূত সাগৰৰ ওপৰৎ তেঁওৰ পাত্ৰ বাকিলে
তাতে সাগৰ মৰা মানুহৰ তেজৰ নিচিনা হল
আৰু সাগৰতৰ প্ৰাণী মৰিল।—

৪ তৃতীয় দূত পানীৰ নই আৰু ভিৰহীৰ ওপৰৎ
৫ তাৰ পাত্ৰ বাকিলে তাতে সিহঁৎ তেজ হল। পাচে
পানীৰ দূতৰ এই কথা মই শুনিলোঁ হে বৰ্ত্তমান ভূত
ভবিষ্যৎ প্ৰভু তুমি এনে শোধি কৰিছা এই নিকোনে
তুমি পৰমাৰ্থিক স্বৰূপ কিয়নো সিবিলাক পুণ্যবন্ত
৬ লোক আৰু আচাৰ্য্যবিলাকৰ তেজপাত কৰিলে আৰু
সিহঁতক তুমি তেজ পীয়াইছা কিয়নো সিহঁৎ তদ্যো
৭ গ্য। পাচে যজ্ঞবেদিৰপৰা আৰু এক প্ৰকৃষৰ কথা
মই শুনিলোঁ হে প্ৰভু ঈশ্বৰ সৰ্ব্বশক্তিমন্ত এই হয় তো
মাৰ শোধি সঁচা আৰু পৰমাৰ্থ।—

৮ পাচে চতুৰ্থ দূতে সূৰ্য্যৰ ওপৰ আপোনাৰ পাত্ৰ
বাকিলে তাতে জুইৎ মানুহবিলাকক পুৰিবলৈ পৰা
৯ ক্ৰম তেঁওক দিয়া হল। তাতে অতি তাপৎ মানুহ
পোৰা হল আৰু এই এটাই আঘাতৰ ওপৰৰ পৰা
ক্ৰম থকোঁতা ঈশ্বৰৰ নামৰ নিন্দা সিবিলাকে কৰিলে
আৰু তেঁওৰ মাহাত্ম্য প্ৰৌঢ়িক কৰিবলৈ পৰামলন
নকৰিলে।—

১০ পাচে পঞ্চম দূতে সেই হিংস্ৰ জন্তুৰ সিংহাসনৎ
আপোন পাত্ৰ বাকিলে তাতে তাৰ ৰাজ্য অন্ধকাৰময়

হল্ আৰু লোক ব্যথিৎ হুই আপোন জিবা কামোড়ি
১১ লে আৰু সিবিলাকৰ বিষ আৰু ঘাৰ্ নিকোনে স্বৰ্গৰ্
ঈশ্বৰৰ্ নিন্দা কৰিলে আৰু আপোন কৰ্ম্মাৰ্থে পৰা
মনন নকৰিলে ।—
১২ পাচে ষষ্ঠ দূতে ফৰাত নামে মহানদীৰ ওপৰৎ আ
পোন পাত্ৰ বাকিলে তাতে বেলি ওলোৱাৰ ফালৰ্
ৰজাবিলাকৰ্ বাট যুগুৎ হবৰ নিকোনে তাৰ্ পানি
১৩ শুকায় গল্ । নাগৰ মুখৰপৰা আৰু হিংস্ৰ জন্তুৰ
মুখৰপৰা আৰু মিচা আচাৰ্য্যৰ মুখৰপৰা ওলোঁৱা
ভেকুলিৰ নিচিনা তিনি অশুচি আত্মাক্ মযু দেখিলোঁ ।
১৪ সিহঁৎ সৰ্ব্বশক্তিমান ঈশ্বৰৰ সেই মহাদিনৰ ৰণৰ
নিকোনে ৰজাবিলাকক্ গোটাবলৈ পৃথিবী আৰু সৰ্ব্ব
জগতৰ ৰজাবিলাকৰ্ ওচৰগামী অলৌকিক কৰ্ম্ম
১৫ কৰোঁতা ভুতবিলাকৰ্ আত্মাবিলাক । দেখা যেনে চোৰ্
আহে তেনে মযু আহোঁ সেই জন ধন্য যি পৰ দিয়ে
আৰু আপোন কাপৰ ৰাখে যি নাঙ্গট হুই নফুৰে
১৬ আৰু লোকবিলাক্ তাৰ্ অপমান নেদেখে । এব্ৰি
মাতেৰে হাৰমগিদন নামে প্ৰসিদ্ধ এক ঠাইৎ তেঁও
সিবিলাকক্ গোটালে ।—
১৭ পাচে সপ্তম দূত আকাশৎ আপোন পাত্ৰ বাকিলে
তাতে সাঙ্গ হুইচে এই বাক্য বোলোঁতা এক মহাশব্দ
১৮ স্বৰ্গীয় মন্দিৰস্থ সিংহাসনৰপৰা ওলাল । পাচে
বিদুলি চমকহঁতে আৰু শব্দহঁতে মেঘগাঁজনিহঁতে
আৰু পৃথিবীৰ ওপৰৎ মানুহ হোৱাৰেপৰা যিৰূপ

ভূইকম্প হোৱা নায় সেইৰূপ বৰ্ আৰু ঘোৰ্ ভূইকম্প
১৯ হল্। আৰু সেই বৰ্ নগৰ তিনি ভাগে বিভক্ত
হল্ আৰু দেশীয়াইঁতৰ্ নগৰবিলাক্ পড়িল্ আৰু
ঈশ্বৰৰ্ আতি প্ৰজ্বলিত ক্ৰোধৰূপ মদেৰে পূৰ্ বাটী
মহাবাবেলক্ দিয়া স্মৰৰ্ নিকোনে সেই নগৰ্ ঈশ্ব
২০ ৰৰ্ স্মৰণত পড়িল্। পাছে প্ৰতি দ্বীপবিলাক পলাল্
আৰু পৰ্ব্বতইঁত আৰু পোৱা নহল্ আৰু মানুহৰ্
ওপৰত স্বৰ্গৰপৰা একৈ মোন পৰিমানে অতিশয়
২১ শিল বৰষিলে। সেই শিলাবৰষুনত জাত যা
তনা আতি বৰ্ তন্নিমিত্তে সেই শিলত লোকে ঈশ্ব
ৰক্ নিন্দা কৰিলে।—

পৰ্ব্ব সেই সাত পাত্ৰ থকা সাত দূতবিলাকৰ মাজত
১৭ এক দূত আহি মযে সৈতে এই কথা কলে বোলে এথে
লৈ আহা পৃথিবীৰ্ ৰজাবিলাকে যি বেশ্যায় সৈতে
কুকৰ্ম্ম কৰিছে আৰু যি বেশ্যাবৃত্তি মদে পৃথিবীনিবা
সিইঁত মত্ত হল্ জালেমান পাণিৰ্ ওপৰত বহতী সেই
৩ বেশ্যাৰ্ দণ্ড তোমাক্ ময় দেখুৱাম্। তাতে তেঁও
আত্মাৰে মোক্ বনলৈ লৈ গল্ তাতে নিন্দানামেৰে
যেৰে সৰ্ব্বাঙ্গ পূৰ্ণ সাত মূড় আৰু দহ শৃঙ্গযুক্ত সি
ন্দুৰবৰ্ণ এক হিংস্ৰ জন্তুৰ্ ওপৰত উপবিষ্টা এজনী
৪ স্ত্ৰীক ময় দেখিলোঁ। সেই স্ত্ৰী বেঙেনীয়া আৰু
সিন্দুৰবৰ্ণ বস্ত্ৰেৰে বস্ত্ৰান্বিতা আৰু স্বৰ্ণ আৰু মণি
আৰু মুক্তাৰে অলঙ্কৃতা আৰু তাইৰ্ হাতত স্বকীয়া
৫ বেশ্যাবৃত্তিৰ্ ঘৃণাকৰ্ম্মেৰে আৰু মলেৰে পূৰ্ণ এক

স্বৰ্ণবাটী আৰু গূঢ়বিষয় মহাবাবেল্ বেশ্যাহঁতৰ্
আৰু পৃথিবীৰ্ ঘৃণাৰ্হ কৰ্ম্মৰ্ মাৰ্ এই নাম তাইৰ্
৬ কপালত লেখা আছিল্। পাচে পুণ্যৱন্ত লোকবি
লাকৰ্ আৰু যিশুৰ সাক্ষীহঁতৰ্ তেজেৰে মত্তা সেই
স্ত্ৰীক্ মই দেখিলোঁ আৰু তাইক্ দেখী মহা আশ্চ
৭ ৰ্য্যেৰে আশ্চৰ্য হলোঁ। সেই দূতে মোক কলে
আশ্চৰ্য্য কিয় মানিছা সেই স্ত্ৰীৰ আৰু সাত মূড়
আৰু দহ শিঙ্গযুক্ত তাৰ্ বাহন সেই হিংস্ৰ জন্তুৰ্
৮ গূঢ় অৰ্থ তোমাত মই কম্। যি হিংস্ৰ জন্তু তুমি
দেখিছা সেই জন্তু আছিল্ আৰু এতিয়া নায় আৰু
অতলস্পৰ্শ গাঁতৰ্ পৰা উঠিব আৰু বিনাশলৈ যাব
আৰু পৃথিবী নিবাসী যিমান মানুহৰ্ নাম জগতৰ্
মূল্ কৰিবৰেপৰা জীৱনৰ পুথিত লিখিত নহয় তি
মান্ মানুহ সেই অতীত অবৰ্ত্তমান বৰ্ত্তমান জন্তুক দে
৯ খি বিস্ময় মানিব। বিদ্যাবিশিষ্ট যি মন তাক্ এই দেখা
সেই সাত মূড় সেই স্ত্ৰীৰ অধিষ্ঠিত সাত পৰ্ব্বত হল্।
১০ আৰু সাত ৰজাও হয় সিহঁতৰ মাজৰ্ পাঁচটা পড়িল্
এজন বৰ্ত্তমান আৰু এজন এতিয়া নায় কিন্তু হলে
১১ তাক্ কিচুকাল্ থাকিব লাগিব। যি হিংস্ৰ জন্তু
আছিল আৰু এতিয়া নায় সেই অষ্টম আৰু সেই
১২ সাতৰপৰা ওপজা আৰু সমলে নাশে যাব। যি দহ
শিঙ্গ তুমি দেখিছা সি এতিয়া অপ্ৰাপ্ত ৰাজ্য দহ ৰজা
কিন্তু সেই হিংস্ৰ জন্তুএ সৈতে দণ্ড সিহঁতে ৰজাৰ
১৩ নিচিনা পৰাক্ৰম পাব। ইহঁতৰ এক মন আৰু আ

পোন পৰাক্ৰম আৰু বল্ সেই হিংস্ৰ জন্তুক দিব।
১৪ এই এটাই মেচ্ৰ্ পোৱালিএ সৈতে ৰণ কৰিব আৰু
মেচ্ৰ পোৱালিএ সিহঁতক পৰাস্ত কৰিব কিয়নো
তেঁও প্ৰভুহঁতৰ প্ৰভু আৰু ৰজাহঁতৰ ৰজা আৰু তেঁ
ওৰ লগৰিয়াহঁত নিযোজিত আৰু মনোনীত আৰু
১৫ বিশ্বাসী। তেঁও মোক কলে যত বেশ্যা অধুপবিষ্টা
যি পানি তুমি দেখিছা সেই পানি লোকহঁতে আৰু জু
১৬ মহঁতে আৰু দেশীয়াহঁতে আৰু ভাষিহঁতে। হিংস্ৰ
জন্তুৰ ওপৰিস্থ যি দহ শিঙ্গ তুমি দেখিছা সিহঁত
বেশ্যাক্ ঘিনাব আৰু তাইক্ অনাথা আৰু নাঙ্গটক
ৰিব আৰু তাইৰ্ মঙহ খাব আৰু তাইক্ জুইত পু
১৭ ড়িব। কিয়নো আপোন ইচ্ছা পূৰ্ণ কৰিবলৈ ঈশ্বৰৰ্
কথা পূৰ্ণ হোৱা লৈকে একবাক্যতা কৰিবলৈ আৰু
আপোন ৰাজ্য সেই হিংস্ৰ জন্তুক্ দিবলৈ ঈশ্বৰে সি
১৮ হঁতৰ্ মনত দিছে। যি স্ত্ৰীক্ তুমি দেখিছা সেই
পৃথিবীৰ্ ৰজাহঁতৰ্ ওপৰত কৰ্ত্তৃত্বকাৰি সেই মহা
নগৰ্।—

পৰ্ব্ব এই এটাইৰে পাচত স্বৰ্গৰপৰা অধোগামী বৰ্
১৮ পৰাক্ৰম হওঁতা আন্ এক দূতক্ মই দেখিলোঁ
২ তাৰ্ কান্তিৰে পৃথিবী দীপ্তিময় হল্। সেই দূতে অ
তি ঘোৰ্ শব্দ কৰি এটাহপাৰি কলে যি মহাবাবেল
পড়িল পড়িল্ আৰু ভূতহঁতৰ্ বসতি আৰু সদো
অশুচি আত্মাৰ আশ্ৰয় আৰু সদো অশুচি ঘৃণাৰ্হ
৩ পক্ষিৰ্ সজা হইছে। কিয়নো তাৰ্ জ্বলন্ত বেশ্যা

বৃত্তিৰূপ মদ এটাই দেশীহঁতে পীছে আৰু পৃথিবীৰ
ৰজাহঁতে সিএ সৈতে লগ লৈছে আৰু তাৰ্ সুভক্ষ্যোৰ
৪ বাহুল্যেৰে পৃথিবীৰ মহাজনহঁৎ ধনবন্ত হল্। হে
মোৰ্ লোকহঁৎ তাৰ্ মাজৰপৰা বাজলৈ যোৱা যেন্
তোমোলাক তাৰ্ পাপৰ ভাগী নোহোৱা আৰু তাৰ
৫ যাতনা নোপোৱা . কিয়নো তাৰ্ পাপে স্বৰ্গ চোৱ আৰু
৬ ঈশ্বৰ তাৰ্ অপৰমাৰ্থক স্মৰে। সি তোমাক
যি দিছে তদনুযায়ী প্ৰতিফল্ তাক্ দিয়া তাৰ্ কৰ্ম্মানু
যায়ী দ্বিগুণ ফল্ তাক দিয়া সি যি পাত্ৰ ভৰিছে তাক
৭ প্ৰতি সেই পাত্ৰ দ্বিগুণ পূৰোৱা। সি যিমান আ
পোন গৌৰৱ কৰিছে আৰু সুভোজন কৰিছে তিমান
যাতনা আৰু দুঃখ তাক দিয়া কিয়নো ময় ৰাণীৰ নি
চিনা বহোঁ আৰু বিধৱা নোহোঁ আৰু একো দুঃখ নে
৮ দেখিম্ এই কথা সি কয় এয়েৰেই মৃত্যু আৰু শোক
আৰু আকাল এইং আঘাত এদিনা তাৰ্ ওপৰলৈ
পড়িব আৰু সেই জুইৎ এটাই পোড়া হব কিয়নো
তাৰ্ দণ্ড দিয়োঁতা প্ৰভু ঈশ্বৰ শক্তিমান এইং বাক্য
বোলোঁতা আন এক শব্দ ময় স্বৰ্গৰপৰা শুনিলোঁ।
৯ পৃথিবীৰ যি ৰজাহঁৎ সিএ সৈতে বেশ্যাগমন কৰিছে
আৰু সুখভোগ কৰিছে সিহঁতে তাক্ পোড়াৰ ধোৱা
১০ দেখি তাৰ যাতনা ভয়ৎ নিলগৎ থিয় হই তাৰ
অৰ্থে বিনাব আৰু হায়ং কৰি তুলিব হায় সি মহান
নগৰ বাবেল হায় পৰাক্ৰমযুক্ত নগৰ কিয়নো একে

১১ অ অর্ত্তে তোমাৰ দণ্ড হুইছে পৃথিবীৰ বণিয়াহঁতো তা
হৈ কান্দিব আৰু বিনাব কিয়নো কোনেও সিহঁতৰ বে
১২ হানি নিকনে অর্থাৎ সোন ৰূপ মণি মুক্তা তাও কাপৰ
বেঙেনা বর্ণ আৰু বেমযী আৰু সিন্দুৰবর্ণ কাপৰ
আৰু এটাই সুগন্ধ কাঠ আৰু হস্তিদন্তৰ এটাই বিধি
পাত্র আৰু আতিবহুমূলীয়া কাঠৰ আৰু পিতলৰ
আৰু লোৰ আৰু মর্ম্মৰ শিলৰ এটাইবিধি পাত্র আৰু
১৩ দাৰুচিনি আৰু সুগন্ধি দ্রব্য আৰু গন্ধৰস আৰু ল
বান আৰু মদ আৰু তেল আৰু মিহিগুৰি সুজি
আৰু গোম আৰু পশু আৰু মেচ আৰু ঘোড়া আৰু
১৪ ৰথ আৰু গোলাম আৰু মানুহৰ আত্মা। যি
ফল্ তোমাৰ মনে বাঞ্ছিলে সেই ফল্ তোমাৰ ওচৰৰ
পৰা গল্ আৰু সুস্বাদু আৰু উত্তম যিং বেহানি সেই
এটাইও তোমাৰপৰা গল আৰু তাক্ তুমি কে
১৫ তিয়াও নেপাবা। এই এটাই বেহানিৰ যি মহাজ
নহঁৎ তদ্দ্বাৰা ধনৱন্ত হল্ সিহঁতে কান্দি আৰু হাহা
১৬ কাৰ কৰি আৰু হায়ং সেই তাও কাপৰ আৰু বেঙে
নীয়া আৰু সিন্দুৰীয়া বস্ত্রেৰে বস্ত্রান্বিত আৰু সোন
আৰু মণি আৰু মুক্তাৰে অলঙ্কৃত মহানগৰ কি
য়নো এক দণ্ডে এনে মহাধনৰ ক্ষয় হুইছে এই কথা কৈ
১৭ তাৰ্ যাতনা ভয়ৎ দূৰৈৎ থিয় হুব। আৰু জাহাজ
হঁতৰ্ সদৌ কৰ্ত্তা আৰু জাহাজত যিমান মানুহ আৰু
হাজৰ মাৰ্যাহঁৎ আৰু সাগৰ বাটে যিমান লোকে
১৮ বেহা কৰে সিহঁৎ দূৰৈৎ থিয় হল্। আৰু তাৰ্

পোড়াৰ ধূম দেখি ৰান্দি কলে এই বৰ্ নগৰৰ্ তুল্য
১৯ কোন নগৰ। আৰু কান্দোতা আৰু বিনওঁতা হই
আৰু তাৰ্ বৰ্ ভগিনৰ নিকোনে বৰ্ যি নগৰৎ সাগ
ৰম্ব জাহাজৰ্ এটাই কৰ্ত্তাহঁৎ ধনীমন্ত আছিল হায়২
সেই নগৰ্ কিয়নো এক দণ্ডে সি নৰশূন্য হইছে এই
কথা কৈ সিহঁতে আপোনা২ মূৰৰ্ ওপৰৎ ধূলা পেলা
২০ লে আৰু কান্দিলে। হে স্বৰ্গ আৰু সাধু পাঁচনিহঁৎ আৰু
আচাৰ্য্যহঁৎ তোমোলাকে তাৰ্ ওপৰৎ আনন্দ কৰা
কিয়নো তোমোলাকে যি হিংসা পাইছা তাৰপ্ৰতি ফল
২১ ঈশ্বৰে তাক দিছে সেই মহানগৰ্ বাবেল বৰ্ বলৎ
এনেকৈ তলৎ পড়া হব আৰু কেতিয়াও পোৱা নেযাব।
২২ আৰু বীণা বওঁতা আৰু বাদ্যবওঁতা আৰু বাহী বওঁতা
আৰু তুৰী বওঁতাহঁতৰ শবদ কেতিয়াও তোমাৰ মা
জৎ শুনা নেযাব আৰু যি কোনো বিধি কৰ্ম্ম কৰে এনে
কোন কৰ্ম্ম কৰোঁতাও তোমাৰ মাজৎ পোৱা নেযাব
২৩ আৰু জাঁতৰ্ শব্দ তোমাৰ মাজৎ শুনা নহব। আৰু
চাকিৰ পহৰ তোমাৰ মাজৎ দেখা নহব আৰু বৰ্
আৰু কন্যাৰ শবদ তোমাৰ মাজৎ শুনা নহব কিয়নো
পৃথিবীৰ বৰ্ মানুহহঁৎ তোমাৰ মহাজন আছিল্
আৰু তোমাৰ মায়াৎ সৰ্ব্বদেশীহঁৎ ভুমি ছিল্ এক
বলী দূত ডদনহুৰ বৰ্ জাঁতৰ নিচিনা এক শিল লৈ
২৪ এই কথা কৈ সাগৰৎ পেলালে। আচাৰ্য্য আৰু
সাধুলোক আৰু পৃথিবীৎ যিমান লোক হত আছিল্
সেই এটাই লোকহঁতৰ তেজ তাৰ্ মাজৎ পোৱা
গল্।—

পর্ব্ব হালিলুয়া ত্রাণ আৰু মাহাত্ম্য আৰু পৰাক্ৰমৰ শ্লাঘা
১৯ প্ৰভু আমাৰ ঈশ্বৰৰ হোক্ কিয়নো তেওঁৰ ন্যায় সঁচা
আৰু স্বৰূপ কিয়নো যি বৰ্ বেশ্যায় আপন নষ্ট কৰ্ম্মে
ৰে পৃথিৱী নষ্ট কৰিলে সেই বেশ্যাক তেওঁ দণ্ড দিছে
আৰু তাৰ্ হাতে হত স্বসেৱকৰ্ ৰবৰ প্ৰতিফল্ দি
ছে এই বাক্য বোলোঁতা স্বৰ্গস্থ ভালেমান লোকৰ এই
৩ বৰ্ শবদ ময় সেই এটাইৰ পাচৎ শুনিলোঁ। আৰু সি
হঁতে আকেও কলে হালিলুয়া আৰু তেওঁৰ ধূম সদা ও
৪ ঠে। পাচে সেই চব্বিশ বুঢ়া আৰু চাৰি জন্তু আমিন
হালিলুয়া এই কথা তুলি ওবুড়ি যায় সিংহাসনোপৰিস্থ
৫ ঈশ্বৰক ভজিলে। হে তেওঁৰ এটাই সেৱকহঁৎ আৰু
সৰু বৰ্ আদি যিমান লোক তেওঁক ভয় কৰে তোমো
লাকে আমাৰ ঈশ্বৰলৈ স্তুতি কৰা এই বাক্য বোলোঁতা
৬ এক শব্দ সিংহাসনৰপৰা ওলাল। হালিলুয়া কিয়নো
প্ৰভু ঈশ্বৰ সৰ্ব্বশক্তিমান ৰাজ্য কৰে আহা আমি
৭ হৰ্ষিত হোঁ আৰু আনন্দ কৰোঁ আৰু তেওঁৰ মাহাত্ম্যৰ
শ্লাঘা কৰোঁ কিয়নো মেচৰ পোৱালিৰ বিবাহ উপগত
হইছে আৰু তেওঁৰ ভাৰ্য্যায় আপোনাক সাজন কৰি
ছে এই বাক্য বোলোঁতা মহাজুমৰ আৰু ভালেমান
পানীৰ আৰু অতিশয় মেঘগাজনিৰ নিচিনা শবদ
৮ ময় শুনিলোঁ। পাচে তাক প্ৰতি দিয়া হল্ যেন্ তেওঁ
তাও নিৰ্ম্মল বগা বস্ত্ৰেৰে বস্ত্ৰান্বিত হয় কিয়নো সেই
৯ তাও কাপৰ সাধুলোকবিলাকৰ পৰমাৰ্থ। পাচে সি
মোৎ কলে লিখা যিবিলাক মেচৰ পোৱালিৰ্ বিবা

হব্ বাত্রি ভোজনলৈ নিমন্ত্রিত আছে সিহঁত বীনা।
১০ আৰু সি মোক কলে এই ঈশ্বৰৰ সঁচা কথা তাতে তেঁ
ওক পূজিবলৈ ময় তেঁওৰ ভৰিত পৰিলোঁ আৰু সি
হুঁলিলে সাৱধান ইয়াক নকৰিবা ময় তোমাৰ সহভৃ
ত্য আৰু য়িশুৰ প্ৰমাণ ধৰোঁতা তোমাৰ ভায়হঁতৰ মা
জত এজন তুমি ঈশ্বৰ ভজা কিয়নো য়িশুবিষয়ক প্ৰমাণ
১১ আচাৰ্য্যবাক্যৰ জীৱাত্মা। পাচে ময় স্বৰ্গৰ দ্বাৰ মেলা
দেখিলোঁ আৰু দেখা বগাবৰ্ণ এটা ঘোড়া আৰু তদাৰু
ঢ়ৰ নাম বিশ্বাসী আৰু সঁচা আৰু পৰমাৰ্থ কৰি তেঁও
১২ দণ্ড আৰু ৰণ কৰে। তেঁওৰ চকু জুইৰাগৰ নিচিনা
তাৰ মূৰত ভালেমান কিৰিটি আৰু আপোন বিনা
কোনেও যিহক নেজানে এনে এক নাম তাৰ লিখিত আ
১৩ চিল। তেঁও তেজত ডুবিত এক বস্ত্ৰেৰে বস্ত্ৰান্বিত
আছিল আৰু তেঁওৰ নাম ঈশ্বৰৰ বাক্য প্ৰসিদ্ধ আৰু
তাও বগাবৰ্ণ নিৰ্ম্মল বস্ত্ৰেৰে বস্ত্ৰান্বিত শ্বেত ঘোড়াৰূঢ়
১৪ স্বৰ্গস্থ সৈন্যহঁত তেঁওৰপশ্চাত গৈছিল। আৰু দেশীয়া
হঁতক তলোয়ালেৰে মাৰিবলৈ তেঁওৰ মুখৰপৰা চো
১৫ কা এক দ্বিধাৰ তলোৱাৰ ওলাল। আৰু তেঁও সিহঁতক
লোৰ দণ্ডেৰে কৰ্ত্তৃত্ব কৰিব আৰু সৰ্ব্বশক্তিমান ঈশ্বৰৰ
১৬ আতিযণ্ড আৰু চণ্ডাৰূপ দ্ৰাক্ষা যন্ত্ৰ তেঁও গৰকে। আৰু
ৰজাহঁতৰ ৰজা অৰু প্ৰভুহঁতৰ প্ৰভু এই নাম তেঁওৰ
১৭ বস্ত্ৰ আৰু তেঁওৰ কৰুউনত লিখিত আছে। পাচে সূৰ্য্যা
স্থিত এক দূতক ময় দেখিলোঁ আৰু স্বৰ্গৰ মাজত উড়ী
য়মান এটাই চৰাইবিলাকক তেঁও ওকিমাৰি হুঁলিলে

ৰজাহঁতৰ্ মঙহ্ আৰু সেনাপতিহঁতৰ্ মঙহ্ আৰু
১৮ পৰাক্ৰমিহঁতৰ্ মঙহ্ আৰু ঘোড়াহঁতৰ আৰু তদাৰুঢ়
হঁতৰ্ মঙহ আৰু অনির্ব্বন্ধ বন্ধ সৰু বৰ্ প্ৰভৃতি এ
টাইৰে মঙহ খাবলৈ তোমোলাক্ আহা ঈশ্বৰৰ্
১৯ মহাভোজনৰ্ নিমিত্তে একত্ৰ হোৱা। পাচে সেই
হিংস্ৰ জন্তুক আৰু পৃথিবীৰ ৰজাহঁতক আৰু
সিহঁতৰ সৈন্যহঁতক সেই ঘোড়াৰুঢ় পুৰুষ আৰু
তাৰ্ সৈন্যে সৈতে ৰণ কৰিবলৈ গোট খাবৰ্ মই
২০ দেখিলোঁ আৰু সেই জন্তু ধৰা গল্ আৰু যি আশ্চৰ্য্য
কৰ্ম্মেৰে সেই হিংস্ৰ জন্তুৰ চিহ্ন ধৰোঁতা লোকহঁতক্
আৰু তাৰ্ প্ৰতিমা পূজকহঁতক্ সি বঞ্চে সেই তাৰ্
আগৎ আশ্চৰ্য্য কৰ্ম্ম কৰোঁতা মিচা আচাৰ্য্যো তাৰ্
২১ লগৎ ধৰা গল্। এই দুই জীৱে জুই গন্ধক্ প্ৰজ্ব
লিৎ জুই সাগৰৎ পেলোৱা হল। আৰু অৱশেষ যি
বিলাক্ সিহঁত অশ্বোপৰিস্থ পুৰুষৰ্ মুখৰপৰা ওলোঁ
ৱা তলোৱালেৰে মৰা গল্ আৰু এটাই চৰাইহঁৎ
সিহঁতৰ্ মঙহেৰে তৃপ্ত হল্।—

পর্ব্ব পাচে অতলস্পর্শ খাৱৈৰ্ চাবি ধৰোঁতা হাতৎ মহা
২০ শৃংখল্ ধৰোঁতা স্বৰ্গৰপৰা অৱৰোহী এক দূতক্ মই
২ দেখিলোঁ। সেই নাগ অৰ্থাৎ পাপাত্মা আৰু শয়
তান নামেৰে সেই বৃদ্ধ সৰ্পক্ সেই দূতে ধৰি এহেজাৰ্
৩ বৎসৰ্ লৈকে বন্ধ কৰি ৰাখিলে। আৰু তাক্
অতলস্পৰ্শ খাৱৈৎ পেলালে আৰু সি হেজাৰ্ বৎসৰ্
পূৰ্ নহলে এটাই দেশীয়াহঁতক্ নবঞ্চে এই নিমিত্তে

তাক্ ৰুদ্ধ কৰি ৰাখিলে আৰু তাৰ্ ওপৰৎ মোহৰ্
মাৰিলে তাৰ পাচে অল্পকাললৈ সি মুকলি কৰা হল্।
৪ পাচে ময় সিংহাসনহঁতক্ দেখিলোঁ আৰু লোকহঁতে
তাৰ্ ওপৰৎ বহিল্ আৰু সিহঁতক্ শোধশক্তি দিয়া
৫ হল্। যিশুৰ্ প্ৰমাণ দিয়াৎ আৰু ঈশ্বৰৰ্ কথা প্ৰৌচি
ক্ কৰাৎ যিবিলাকৰ্ মূড় কটা গৈছিল্ আৰু যিবিলা
কে সেই হিংস্ৰ জন্তুৰ্ বা তাৰ্ প্ৰতিমাৰ্ পূজা কৰা নায়
আৰু যিবিলাক্ আপোনাৰ কপালৎ বা হাতৎ তাৰ্
সাঁচ লোৱা নায় সিহঁতৰ্ আত্মাহঁতক্ ময় দেখিলোঁ
আৰু সিহঁৎ হেজাৰ্ বৎসৰ্ লৈকে খ্ৰীষ্টে সৈতে
৬ কাল্যাপন কৰিলে আৰু ৰাজ্য কৰিলে। কিন্তু সেই
হেজাৰ বৎসৰ্ মূচুকালৎ অৱশেষ মৃতহঁতে জীৱন
নেপালে এই প্ৰথম পুনৰুত্থান প্ৰথম পুনৰুত্থানৎ
যাৰ্ আধিপত্য আচে সি ধন্য আৰু সাধু এতাদৃশ
লোকহঁতৰ ওপৰৎ দ্বিতীয় মৃত্যুৰ একো পৰাক্ৰম নায়
৭ কিন্তু সিহঁৎ ঈশ্বৰ আৰু খ্ৰীষ্টৰ যাজক্ হব আৰু
তেঁৱে সৈতে এহেজাৰ্ বৎসৰ্ লৈকে ৰাজ্য কৰিব।
৮ সেই হেজাৰ্ বৎসৰ্ গ'ল শয়তানে আপোন বন্দি
শালৰপৰা মুকলি কৰা হব সাগৰৰ্ বালুকাৰৎ সং
খ্যা পৃথিবীৰ চাৰিদিগস্থ এটাই দেশীহঁতক্ অৰ্থাৎ
গোগ আৰু মাগোগৰ্ বঞ্চনা কৰিবলৈ আৰু ৰণলৈ
৯ গোটাবলৈ সি যাব আৰু সিহঁৎ পৃথিবীৰ বহলৰ ওপ
ৰৎ গল্ আৰু সাধুলোকহঁতৰ সেনাৰু আৰু প্ৰিয়
নগৰৰ্ চাৰিওফালে বেঢ়িলে আৰু স্বৰ্গৰপৰা ঈশ্বৰৰ

১০ পৰাই জুই পড়ি সিহঁতক্ খালে। আৰু যি জুই
আৰু গন্ধকময় সাগৰত সেই হিংস্ৰ জন্তু আৰু
মিছা আচাৰ্য্য থাকে তাতে সিহঁতৰ বঞ্চক্ শয়তান
পেলোঁৱা হল্ আৰু সিহঁতে ৰাত্ৰিন্দিৱা সৰ্ব্বক্ষণে
১১ যাতনা পাব। পাচে শ্বেতবৰ্ণ বৰ্ এক সিংহাসন
আৰু তদুপৰিস্থ পুৰুষক্ মই দেখিলোঁ যাৰ্ মুখৰপৰা
পৃথিবী আৰু স্বৰ্গ পলাল্ আৰু সিহঁতৰ ঠাইৰ
১২ বতৰা পোৱা নগল। সিংহাসনাগ্ৰে দণ্ডায়মান
সৰু বৰ্ প্ৰভৃতি এটাই মৃতহঁতক্ মই দেখিলোঁ। আৰু
পুথিহঁত মেলা হল্ পাচে আন এক পুথি সেই জীৱন
নামে পুথি তাকো মই দেখিলোঁ আৰু সেই এটাই
পুথিত যি লিখিত আছিল্ তাৰপৰা স্বক্ৰিয়া কৰ্ম্মানু
১৩ সাৰে মৃতকহঁতক্ কৰা শোধ হল্। আৰু সাগৰে
স্বমধ্যস্থ মৃতহঁতক্ এড়ি দিলে আৰু মৃত্যু আৰু নৰক
স্বস্বমধ্যস্থ যাৱৎ লোকক্ এড়ি দিলে আৰু স্বক্ৰিয়া
১৪ কৰ্ম্মানুসাৰে ন্যায়প্ৰতি শোধ কৰা হল। পাচে
জুইসাগৰত মৃত্যু আৰু নৰক্ পেলোৱা হল্ এই
১৫ দ্বিতীয় মৃত্যু। আৰু জীৱন পুথিত যাৰ্ নাও লেখা
নাই সিও জুই সাগৰত পেলোৱা গল্।—

পৰ্ব্ব পাচে নবীন স্বৰ্গ আৰু নবীন পৃথিবীক্ মই দেখিলোঁ
২১ কিয়নো প্ৰথম স্বৰ্গ আৰু প্ৰথম পৃথিবী বৈ গৈছিল্ আৰু
২ সাগৰ নাছিল্। পাচে যেনে বৰাৰ্থে কন্যা ভূষিতা হয়
তেনে ঈশ্বৰৰ সাক্ষাৎ অৰ্থাৎ স্বৰ্গৰপৰা অৱৰোহী
সেই শুদ্ধ নগৰ্ অৰ্থাৎ নবীন যিৰূশালমক্ মই

৩ দেখিলোঁ। দেখা ঈশ্বৰৰ তাম্বু মনুষ্যহঁতৰ লগত
আছে আৰু সিহঁতে সৈতে তেঁও থাকিব সিহঁত তল্লোক
হব আৰু ঈশ্বৰে স্বয়ং তন্নাৰী হই সিহঁতৰ ঈশ্বৰ
৪ হব আৰু সিহঁতৰ চকুৰপৰা ঈশ্বৰে এটাই পানী মচিব
আৰু উৎপৰ মৃত্যু বা শোক বা ক্রন্দন বা বিখ নহব
কিয়নো পূর্ব্ব বিষয় বৈ গৈছে স্বর্গৰপৰা এই বাক্য বোলোঁ
৫ তা এক মহাশব্দ মই শুনিলোঁ। পাছে সেই সিংহাসনো
পবিত্ত পুৰুষে ইুলিলে দেখা মই এটাই বেহানিক নবী
ন কৰোঁ আৰু তেঁও মোক ইুলিলে লিখা কিয়নো এই
৬ কথা সঁচা আৰু বিশ্বাস্য। আৰু তেঁও কলে সাঙ্গ
হইছে মই ক আৰু ক্ষ আদি আৰু অন্ত যি ভৃষিত
৭ তাক মই জীৱনৰূপ নইৰ পানী বিনামোলে দিম। যি
জয় কৰে সি এটাই দ্রব্যৰ অধিকাৰী হব আৰু মই
৮ তাৰ ঈশ্বৰ হম আৰু সি মোৰ পো হব। কিন্তু
ভয়ার্ত্ত আৰু অপ্রত্যয়ী আৰু ঘৃণার্হ আৰু বধ কৰোঁ
তা আৰু লুম্পট আৰু মায়াবী আৰু দেওর্জক আৰু এ
টাই মিচলীয়া এই এটাইৰে অধিকাৰ জুই আৰু গা
ন্ধকেৰে প্রজ্বলিত সাগৰত হব সে দ্বিতীয় মৃত্যু।
৯ পাছে সি সাত অন্তিম আঘাতেৰে পূর্ণ সাত পাত্র
ধৰোঁতা সাত দূতৰ মাজত এক দূত আহি মযে
সৈতে কথা কৈ ইুলিলে এথেলৈ আহা মেচৰ
পোৱালিৰ জায়া অর্থাৎ কন্যা তোমাক মই দেখু
১০ ৱাম। তেতিয়া আন্মাত তেঁও মোক এক বৰ

আৰু ওখ পৰ্ব্বতলৈ লৈ গৈ স্বৰ্গৰপৰা অৰ্থাৎ ঈশ্বৰৰ
১১ পৰা অৱৰোহী অথচ ঈশ্বৰৰ তেজবিশিষ্ট অথচ স্ফুটি
কৰ নিচিনা নিৰ্ম্মল সূৰ্য্যকান্ত মণিৰ নিচিনা অৰ্থাৎ
১২ বহুমূল্য শিলৰ নিচিনা দীপ্তিমান্ আৰু বৰ আৰু ওখ
গড়েৰে বেষ্টিত আৰু পূৰ্ব্ব ফালে তিনি দুৱাৰ উত্তৰ্ ফালে
তিনি দুৱাৰ দক্ষিণ ফালে তিনি দুৱাৰ পশ্চিম ফালে তিনি
১৩ দুৱাৰ এই ৰূপে বাৰ দুৱাৰযুক্ত আৰু সেই একোটাই দুৱা
ৰত নিযুক্ত বাৰ দূত আৰু তদুপৰি বাৰ নাম লি
খিত সেই নাম যিশ্ৰায়েলৰ সন্ততিহঁতৰ বাৰ ফৈ
দৰ নাম এতদ্ৰূপ সেই নগৰ অৰ্থাৎ পবিত্ৰ যিৰূশালম্
১৪ তেঁও মোক দেখুৱালে। সেই নগৰৰ গড়ৰ বাৰ
মূল্ আৰু তাৰ মাজত মেষৰ পোৱালিৰ বাৰ পাঁচনি
১৫ হঁতৰ নাম। যি মোৰ সৈতে কথা কলে সেই নগৰ
আৰু দুৱাৰ আৰু তাৰ গড় জুখিবলৈ এক স্বৰ্ণনল ধৰি
১৬ ৰিলে। সেই নগৰ চাৰিচুকীয়া দীঘলে প্ৰস্থলে সমান
পাচে তেঁও নলেৰে সেই নগৰ জুখিলে সাড়ে সাত শ
ক্ৰোশ পৰিমাণ তাৰ দীঘলে আৰু প্ৰস্থলে আৰু ওখয়
১৭ সমান। পাচে মানুহৰ হস্তৰ পৰিমাণে অৰ্থাৎ সেই
দূতৰ পৰিমাণে তেঁও দেয়াল জুখিলে এশ চৌৱাল্লিশ
১৮ হাত হল। দেয়ালৰ গাঁথনি সূৰ্য্যকান্ত মণিৰ আৰু
১৯ নগৰ নিৰ্ম্মল কাঁচৰ নিচিনা নিভাঁজ স্বৰ্ণময় আৰু নগ
ৰৰ দেয়ালৰ মূল একোটাই বিধ বহুমূল্য শিলেৰে শোভিত
২০ প্ৰথম মূল সূৰ্য্যকান্তময় দ্বিতীয় নীলময় তৃতীয় লালড়ি
ময় চতুৰ্থ পন্নাময় পঞ্চম বৈদূৰ্য্যময় ষষ্ঠ মাণিকময়

সপ্তম চন্দ্রকান্তময় অষ্টম লশুনীয়াময় নৱম পদ্মৰাগ
ময় দশম গোদন্তময় একাদশ ফিৰোজময় দ্বাদশ যৰ
২১ তিসময়। সেই বাৰে কপাট বাৰ মুক্তা প্রতি কপাট
একং মুক্তাৰে নির্ম্মিৎ আৰু সেই নগৰৰ আলি নির্ম্ম
ল কাঁচৰ নিচিনা নিভাঁজ স্বৰ্ণেৰে নির্ম্মিৎ আছিল্।
২২ তাৰ মাজৎ ময় কোনো মন্দিৰ নেদেখিলোঁ কিয়
নো প্রভু ঈশ্বৰ সর্ব্বশক্তিমান আৰু মেচৰ পোৱালি
২৩ তাৰ মন্দিৰ। সেই নগৰৎ প্রকাশ কৰিবলৈ
সূর্য্যৰ বা চন্দ্ৰৰ প্রয়োজন নায় কিয়নো ঈশ্বৰৰ তেজ
তাক দীপ্তিমান কৰে আৰু মেচৰ পোৱালি তাৰ পহৰা।
২৪ আৰু যিবিলাক ৰক্ষা হয় সেই জাতিহঁৎ তেওঁৰ
দীপ্তিৰে ফুৰিব আৰু পৃথিবীৰ ৰজাহঁৎ আপোন
২৫ মাহাত্ম্য আৰু সৎকাৰ তাৰ মাজৎ আনিব। দিনৎ
তাৰ কপাট কেতিয়াও ৰুদ্ধ নহব আৰু তাৎ ৰাতি
২৬ নহব। আৰু সর্ব্বদেশীয়াহঁতৰ মাহাত্ম্য আৰু
২৭ সৎকাৰ সিহঁতে তাৰ মাজলৈ আনিব। আৰু যি
কোনো বেহানি অশুচি কৰে বা ঘৃণার্হ কর্ম্ম কৰে বা
মিচা কথা কয় এই এটাই বেহানি কোনোৰূপে তাৰ
মাজৎ নোসোমাব কিন্তু যিবিলাকে মেচৰ পোৱালিৰ
জীৱনৰূপ পুথিৎ লিখিৎ হয় সিহঁৎ সোমাব।

পর্ব্ব ঈশ্বৰ আৰু মেচৰ পোৱালিৰ সিংহাসনৰপৰা ও
২২ লোৱা স্ফটিকৰ নিচিনা নির্ম্মল অমৃত নির্ম্মল পানীৰ
২ এক নই তেঁও মোক দেখুৱালে। সেই নগৰৰ আলি
আৰু মাজৎ নইৰ দুয়ো কাষৰিৎ কহে প্রতি একৈক

বিধি এনেকৈ বাৰে মাহৎ বাৰে বিধি ফল দিয়োঁতা জী
বনদ বৃক্ষ থাকে সেই বৃক্ষৰ পত্ৰ লোকহঁতক স্বস্থ ক
৩ ৰিবলৈ হইছে। আৰু শাপ নেথাকিব কিন্তু ঈশ্বৰৰ
আৰু মেচৰ পোৱালিৰ সিংহাসন তাৰ মধ্যস্থিত হব
৪ আৰু তাৰ সেৱকহঁতে তেঁওক সেৱা কৰিব। আৰু
সিহঁতে তেঁওৰ মুখ দেখিব আৰু সিহঁতৰ কপাল
৫ তেঁওৰ নামেৰে অঙ্কিৎ হব। তাৎ আৰু ৰজনী
হব সিহঁতৰ চাকিৰ বা বেলিৰ পহৰৰ প্ৰয়োজনও
নায় কিয়নো প্ৰভু ঈশ্বৰে সিহঁতৰ পহৰ কৰে আৰু
৬ সিহঁতে সদা সৰ্ব্বদা ৰাজ্য কৰিব পাচে। তেঁও মোৎ
কলে এই কথা বিশ্বাস্য আৰু সত্য আৰু সাধু আচাৰ্য্য
হঁতৰ প্ৰভু ঈশ্বৰ কিচু দিনৰ মাজৎ ভবিতব্য বিষয়
৭ আপোন বন্দিহঁতক দেখুৱাবলৈ আপোন দূতক পঠিয়া
ইচে।—

দেখাময় সত্বৰে আহোঁ যি এই পুথিৰ আচাৰ্য্য
বাক্য পালন কৰে সি ধন্য।—

৮ ময় য়োহন এই বিষয় দেখিলোঁ আৰু শুনিলোঁ
আৰু শুনিলৎ দেখিলৎ পাচে যি দূতে মোক এই বি
ষয় দেখুৱালে সেই দূতৰ ভৰিৎ ভজিবলৈ ময় পড়ি
৯ লোঁ। তেতিয়া তেঁও মোৎ কলে সাৱধান ইয়াক ন
কৰিবা কিয়নো ময় তোমাৰ সহবন্দী আৰু তোমাৰ
আচাৰ্য্য ভায়হঁৎ আৰু যিবিলাকে এই পুথিৰ কথা
পালে সিহঁতৰ মাজৎ এজনে ঈশ্বৰ ভজে।—

১০ পাচে তেঁও মোক কলে এই পুথিৰ আচাৰ্য্যবাক্য
ঢাপ কৰি নেৰাখিবা কিয়নো কাল্ ওচৰ্ চাপিছে ।
১১ যি অযাথাৰ্থিক্ সি অযাথৰ্থিক্ হই থাকোক্ আৰু
১২ যি মলল সি মলল্ হই থাকোক্ । আৰু যি পৰ
মাৰ্থিক্ সি পৰমাৰ্থিক্ হই থাকোক্ আৰু যি সাধু সি
১৩ সাধু হই থাকোক । আৰু দেখা মই সত্বৰে আহোঁ
আৰুযেনে কৰ্ম্ম হব তেনে ফল্ গায় প্ৰতি দিবলৈ ফল
১৪ মোৰ্ লগত আছে । মই ক আৰু ক্ষ আদি আৰু
অন্ত প্ৰথম আৰু শেহ । যিবিলাকে তেঁওৰ আজ্ঞা
মানে সিহঁত ধন্য সিহঁত জীৱন দিয়োঁতা বৃক্ষৰ ফল
১৫ খাবৰ্ আধিপত্য পায় আৰু দ্বাৰ দি নগৰলৈ সোমায়
কিয়নো কুকুৰহঁত আৰু মায়াবীহঁত অৰু নটিনীগা
চাইঁত আৰু বধীহঁত আৰু দোৱাৰ্চকহঁত আৰু যি
কোনোএ মিচা কথা ভাল পায় বা কয় ইহঁত বাজত
থাকে ।—

১৬ এই কথাৰ প্ৰমাণ তোমোলাক্ মণ্ডলীত দিবলৈ
মই যিশু আপোন দূতক্ পঠিয়াইছোঁ মই দাঊদৰ
মূল আৰু তাৰ্ পৰা ওপজা আৰু তেজস্বী আৰু ভোটা
১৭ তৰা । পৰমাত্মা আৰু কন্যায় বোলে আহা যি শুনে
সি কওক্ যি আহা যি তৃষিত সি আহোক্ আৰু যাৰ
ইচ্ছা হয় সি আহি বিনামোলে অমৃত পানী লওক্ ।
কিয়নো যি এই পুথিৰ আচাৰ্য্যবাক্য শুনে সেই প্ৰতি
১৮ জনলৈ মই এই প্ৰমাণ দিয়োঁ । যেদি কোনোএ এই
বাক্যৰ লগত আৰু কিবা মিহলায় তেবে যি যাতনা

এই পুথিৎ লিখা গৈছে ঈশ্বৰ সেই যাতনা সবহ
১৯ কৰি তাক দিব আৰু এই পুথিৰ আচাৰ্য্যবাক্যৰ কথা
ৰ কিছু যেদি কোনোএ লোপ কৰে তেবে জীৱনৰূপ
পুথি আৰু পুণ্য নগৰ আৰু এই পুথিৎ যি লিখিৎ
হৈছে এই এটাইতেকৈ তাৰ আধিপত্য ঈশ্বৰে তু
২০ লিব। যি এই কথাৰ প্ৰমাণ দিয়ে তেঁও কয়। অৱশ্য
ময় সত্বৰ আহোঁ। আমিন। এয়ে হোক।
২১ হে প্ৰভু য়িশু আহা। প্ৰভু য়িশু খ্রীষ্টৰ অনুগ্ৰহ
এটাই পুণ্যৱন্তইঁতক প্ৰতি হোক। আমিন।

3477-196
Lot 10

THE LIBRARY OF CONGRESS

THE LIBRARY OF CONGRESS
JUL 78
BOUND BY HNM

LIBRARY OF CONGRESS
0 039 326 320 9